STATE CENTRAL LIBRARY
ASSAM
Call No.

তৃতীয়
বিশ্বৰ
সমস্যা

প্ৰগ্ৰেছিভ
বুক
হাউছ

এই পুথিত সংকলিত প্ৰবন্ধসমূহে—

ছোভিয়েত প্ৰাচ্যৰ সাধাৰণতন্ত্ৰসমূহত অপুঁজিবাদী বিকাশৰ সাধাৰণ চানেকি আৰু নিৰ্দ্দিষ্ট বৈশিষ্ঠ্যবোৰৰ বৰ্ণনা আৰু এফ্ৰো-এছীয় দেশসমূহত সমাজবাদ-অভিমুখিনতা সম্পৰ্কীয় প্ৰশ্নবোৰৰ সমীক্ষা আগবঢ়াইছে।

ভি. ছল'দনিকভ. ॥ ভি. বগম্ল'ভস্কি

অপুঁজিবাদী বিকাশৰ

ঐতিহাসিক ৰূপৰেখা

STATE CENTRAL LIBRARY
Call No.......
ASSAM

প্ৰগ্ৰেছিভ বুক্ হাউছ ॥ গুৱাহাটী

Assamese Translation of

NON-CAPITALIST DEVELOPMENT

An Historical Outline

by

Vasily Solodovnikov : Victor Bogoslovsky

292CC9/A

প্ৰথম প্ৰকাশ ॥ ডিচেম্বৰ' ১৯৭৮

প্ৰকাশক

প্ৰগ্ৰেছিভ বুক হাউচ্

পানবজাৰ ॥ গুৱাহাটী-৭৮১০০১

অসম

মুদ্ৰাকৰ ॥ প্ৰগ্ৰেছিভ

(এ হাউচ্ অব প্ৰিন্টাচ্ এণ্ড পাবলিচাৰ্চ)

গুৱাহাটী-৭৮১০০৮ ॥ অসম

বেচ ॥ ১০·৫০ টকা মাথোন

সূচীপত্র

পাতনি ॥ ৫

প্ৰথম অধ্যায়

অপুঁজিবাদী বিকাশৰ মাৰ্ক্সবাদী-লেনিনবাদী ধাৰণা প্ৰশ্নটোৰ তত্ত্বগত বিবৰণ ॥ ৯

সাম্ৰাজ্যবাদীহঁতৰ মিথ্যা উদ্ভাৱন আৰু সুবিধাবাদীহঁতৰ অ-বৈজ্ঞানিক ধাৰণাসমূহ ॥ ১১

অপুঁজিবাদী পথৰ সংক্ৰান্তত মাৰ্ক্সবাদৰ প্ৰতিষ্ঠাতাসকল ॥ ১৮

লেনিনে অপুঁজিবাদী বিকাশৰ ধাৰণা সম্পৰ্কে দিয়া বিস্তৃত ব্যাখ্যা ॥ ২৩

অপুঁজিবাদী বিকাশ আৰু বাস্তবক্ষেত্ৰত ইয়াৰ প্ৰয়োগ সম্পৰ্কে লেনিনবাদী তত্ত্বৰ সৃজনশীল বিকাশ ॥ ৩২

দ্বিতীয় অধ্যায়

ছোভিয়েত মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰসমূহ আৰু মঙ্গোলীয়াৰ অপুঁজিবাদী বিকাশৰ অভিজ্ঞতা ॥ ৪০

অপুঁজিবাদী বিকাশৰ পৰ্য্যায় আৰম্ভণিৰ পূৰ্বে ছোভিয়েত মধ্য এছিয়াৰ সামাজিক-আৰ্থিক বিকাশৰ স্তৰ ॥ ৪৫

মহান্ অক্টোবৰ বিপ্লৱে অপুঁজিবাদী বিকাশৰ পথ মুকলি কৰি দিছিল ॥ ৪৯

উপনিবেশবাদ আৰু সাম্যবাদৰ বিলোপ-সাধন ॥ ৫৬
বিভিন্ন ধৰণৰ সমবায়ৰ বিকাশ ॥ ৭৪
সাংস্কৃতিক বিপ্লব—
অপুঁজিবাদী বিকাশৰ অবিচ্ছেদ্য অঙ্গ ॥ ৮৬
কৃষিৰ সমাজবাদী পুনৰ্গঠন আৰু সমাজবাদী
শিল্প উদ্যোগীকৰণ ॥ ৯৭
সমাজবাদৰ জীৱন্ত প্ৰতিৰূপ ॥ ১০৪
১৯৬৮ চনলৈকে মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰসমূহৰ
শিল্প আৰু কৃষিৰ বিকাশ (বছৰৰ ভিত্তি-১৯১৩) ॥ ১০৬

তৃতীয় অধ্যায়

সমাজবাদ-অভিমুখী ৰাষ্ট্ৰসমূহৰ গঠন আৰু বিকাশ,
সাম্ৰাজ্যবাদ-বিৰোধী বিপ্লৱৰ নতুন পৰ্য্যায় ॥ ১১২
জাতীয় মুক্তি বিপ্লৱৰ আজিৰ চৰিত্ৰ ॥ ১১৪
পুঁজিবাদী সংকট আৰু তাৰ ঐতিহাসিক
পৰিণতি ॥ ১১৮
সমাজবাদী অভিমুখিনতাৰ মূল আধেয় ॥ ১২৭
অপুঁজিবাদী পথেদি অৰ্থনৈতিক পৰিবৰ্তনৰ
সাম্প্ৰতিক অভিজ্ঞতা ॥ ১৩৯

চতুৰ্থ অধ্যায়

সমাজবাদ মুখিনতাৰ চালিকা শক্তিসমূহ,
অপুঁজিবাদী বিকাশ সমাজবাদৰ কাৰণে
শ্ৰেণীসংগ্ৰামৰ এটি ৰূপ ॥ ১৬১
শ্ৰমিকশ্ৰেণীৰ ভূমিকাৰ সংক্ৰান্ত ॥ ১৬৪

কৃষক-সমাজ আৰু সমাজবাদ ॥ ১৭০

বুদ্ধিজীৱী, জাতীয় বুৰ্জোৱা আৰু অন্যান্য সামাজিক স্তৰৰ লোকসকল ॥ ১৭৮

জাতীয় গণতন্ত্ৰ আৰু বৈজ্ঞানিক সমাজতন্ত্ৰ ॥ ১৮৬

(ক) জাতীয়তাবাদৰ প্ৰতি মাৰ্ক্সবাদী-লেনিনবাদী মনোভাৱ ॥ ১৮৯

(খ) ধৰ্ম্মৰ প্ৰতি মাৰ্ক্সবাদী-লেনিনবাদীসকলৰ মনোভাৱ ॥ ১৯৫

(গ) ব্যক্তিগত সম্পত্তিৰ প্ৰতি মাৰ্ক্সবাদী-লেনিনবাদীসকলৰ মনোভাৱ ॥ ২০৬

(ঘ) ব্যক্তি স্বাধীনতাৰ প্ৰতি মাৰ্ক্সবাদী-লেনিনবাদী মনোভাৱ ॥ ২০৯

সমাজবাদী ৰূপান্তৰৰ সফলতাৰ প্ৰতিশ্ৰুতি প্ৰগতিবাদী শক্তিসমূহৰ ঐক্য ॥ ২১৫

পঞ্চম অধ্যায়

অপুঁজিবাদী বিকাশৰ পথ আৰু দুই সমাজ ব্যৱস্থাৰ মাজত সংগ্ৰাম ॥ ২২০

দুই অতি বৃহৎ শক্তি সংক্ৰান্ত ধাৰণাৰ প্ৰতিক্ৰিয়াবাদী মৰ্ম্ম ॥ ২২২

নয়া-উপনিবেশবাদ, সমাজবাদী অভিমুখিনতাৰ শত্ৰু ॥ ২৩১

বিশ্ব সমাজবাদ, অপুঁজিবাদী বিকাশৰ কাৰণে শক্তিশালী অৱলম্বন ॥ ২৪৬

(ক) ছোভিয়েত ইউনিয়ন আৰু আন আন সমাজবাদী দেশসমূহৰ অৰ্থনৈতিক আৰু প্ৰযুক্তিগত সাহায্য ॥ ২৫০
(খ) সমাজবাদী দেশসমূহৰ বৈদেশিক বাণিজ্য, উন্নয়নশীল দেশসমূহৰ প্ৰগতিত এক গুৰুত্বপূৰ্ণ কথা ॥ ২৬৭
(গ) সমাজবাদী সংহতি আৰু সমাজবাদৰ কাৰণে সদ্য-স্বাধীন দেশসমূহৰ সংগ্ৰাম ॥ ২৮৫

ষষ্ঠ অধ্যায়

সদ্য-স্বাধীন দেশসমূহত সামাজিক বিকাশৰ পথৰ কাৰণে ভাৱাদৰ্শগত সংগ্ৰামৰ কেইটিমান দিশ ॥ ২৯৫

সমাজবাদৰ অ-সৰ্বহাৰাৰ ধাৰণা আৰু সাম্ৰাজ্যবাদৰ ভাৱাদৰ্শগত কূটাঘাতমূলক কামৰ মৰ্ম্ম ॥ ২৯৭
মাওবাদৰ প্ৰভুত্ববাদী চৰিত্ৰ ॥ ৩০৩
সমাজবাদ সম্পৰ্কে অ-সৰ্বহাৰা ধাৰণাসমূহৰ মাৰ্ক্সবাদী-লেনিনবাদী মূল্যায়ন। গামাল আব্দেল নাছেৰৰ ধাৰণাসমূহৰ ক্ৰমবিকাশৰ চমৎকাৰ উদাহৰণ ॥ ৩১৫

সামৰণি ॥ ৩৩২

নিৰ্দেশিকা ॥ ৩৩৮

গ্ৰন্থকাৰদ্বয় সম্পৰ্কে দু আষাৰ

ভেছিলি ছল'দনিকভ্

ছোভিয়েত যুক্তৰাষ্ট্ৰৰ বিজ্ঞান একাডেমিৰ কৰেস্পণ্ডিং সদস্য। ৰাষ্ট্ৰসংঘৰ শিল্পবিকাশ সম্পৰ্কীয় সংবাদ প্ৰতিষ্ঠানৰ সঞ্চালক (১৯৬১-৬৩)। আৰু ৰাষ্ট্ৰসংঘৰ অৰ্থনৈতিক আৰু সামাজিক বিষয় সংক্ৰান্ত ছোভিয়েত ইউনিয়নৰ সহকাৰী স্থায়ী প্ৰতিনিধি (১৯৬৩-৬৪)। ১৯৬৫ চনৰে পৰা ছোভিয়েত যুক্তৰাষ্ট্ৰৰ বিজ্ঞান একাডেমিৰ আফ্ৰিকা ইনষ্টিটিউটৰ সঞ্চালক। তেওঁৰ উল্লেখযোগ্য গ্ৰন্থাবলী হ'ল ঃ পুঁজিৰ ৰপ্তানি (১৯৫৭), পশ্চাৎপদ দেশসমূহৰ অৰ্থনৈতিক সমস্যাবলী সংক্ৰান্ত বুৰ্জোৱা তত্ব আৰু সমস্যাবলী (১৯৬১), আজিৰ আফ্ৰিকা (১৯৬৯), আফ্ৰিকাই পথ বাছি ল'লে (১৯৭০), এছিয়া আৰু আফ্ৰিকাৰ অপুঁজিবাদী বিকাশৰ বৰ্ত্তমান পৰ্য্যায় (১৯৭২) আৰু আফ্ৰিকাৰ সমস্যাবলী (১৯৭৩)।

ভিক্তৰ বগ'স্ল'ভস্কি, ডি এছ. চি (ইতিহাস)

ছোভিয়েত যুক্তৰাষ্ট্ৰৰ বিজ্ঞান একাডেমিৰ আফ্ৰিকা ইনষ্টিটিউটৰ জ্যেষ্ঠ বৈজ্ঞানিক গবেষণা বিভাগৰ কৰ্মী। এছিয়া আৰু আফ্ৰিকাস্থিত পশ্চিমৰ ৰাষ্ট্ৰসমূহৰ বৈদেশিক নীতি সংক্ৰান্ত অধ্যয়নত বিশেষজ্ঞ। তেওঁৰ উল্লেখনীয় গ্ৰন্থাবলী হ'ল ঃ স্বাধীন মিছৰ (১৯৫৬), উপনিবেশবাদৰ ঐতিহাসিক ভূমিকা সংক্ৰান্ত তথ্য আৰু কাহিনী (১৯৬০), এমেৰিকান দেশসমূহত মাকিন যুক্তৰাষ্ট্ৰৰ নীতি (১৯৬৪), আৰু ধনী আৰু দৰিদ্ৰ জাতিসমূহ সংক্ৰান্ত মতবাদ (১৯৬৯)।

পাতনি

আমি এক মহান যুগত বাস কৰি আছোঁ। ৰুছিয়াত মহান্ অক্টোবৰ সমাজতান্ত্ৰিক বিপ্লৱৰ লগে লগে এই যুগৰ সূচনা হৈছিল আৰু ইয়াৰ মূল উপাদান হৈছে পুঁজিবাদৰ পৰা সমাজবাদলৈ উত্তৰণ। সাম্ৰাজ্যবাদ এতিয়াও জনসাধাৰণৰ কাৰণে এটা গুৰুতৰ আৰু ভয়ানক শত্ৰু হিছাপে আছে যদিও, ইয়াৰ সেই অখণ্ড বিশ্ব প্ৰভুত্ব আৰু নাই। বিশ্ব সমাজতন্ত্ৰ, আন্তৰ্জাতিক শ্ৰমিকশ্ৰেণী আৰু জাতীয় মুক্তি আন্দোলনৰ মহান শক্তিসমূহে মানৱজাতিৰ প্ৰগতিশীল সামাজিক বিকাশৰ বহল বাট ৰচনা কৰি আছে। সাম্ৰাজ্যবাদ জাতীয় মুক্তি আন্দোলনৰ মাজেৰে ওলাই অহা শক্তিসমূহৰ পৰা, সবাতোপৰি এছিয়া আৰু আফ্ৰিকাৰ নবীন সাৰ্ব্বভৌম ৰাষ্ট্ৰসমূহৰ পৰা বৰ্দ্ধিত পৰিমাণে হেঁচাৰ সম্মুখীন হবলৈ ধৰিছে।

সাম্ৰাজ্যবাদৰ ঔপনিৱেশিক ব্যৱস্থাৰ ধ্বংসস্তূপৰ ওপৰত প্ৰায় আশীখন স্বাধীন ৰাষ্ট্ৰ মূৰ দাঙি উঠিছে। জাতীয় মুক্তি বিপ্লৱৰ প্ৰথম পৰ্য্যায় মূলতঃ সম্পন্ন হৈছে। ঔপনিবেশিক শোষণত জুৰুলা জনসাধাৰণৰ অধিকাংশই ৰাষ্ট্ৰীয় মুক্তি অৰ্জ্জন কৰিছে। নবীন ৰাষ্ট্ৰসমূহ এতিয়া নতুন নতুন আৰু জটিল কাৰ্য্যাৱলীৰ সম্মুখীন হৈছে। এইবিলাকৰ ভিতৰত প্ৰধানতম হৈছে, অৰ্থনৈতিক পৰ-নিৰ্ভৰতাৰ পৰা মুক্তি লাভ কৰা আৰু যুগ যুগ ধৰি পিছ পৰি

থকা অবস্থাৰ অৱসান কৰা। আধুনিক বিজ্ঞানৰ সকলো অবদান আৰু প্ৰযুক্তি বিজ্ঞানৰ সহায়েৰে এই ৰাষ্ট্ৰসমূহৰ জনগণে নিজ নিজ দেশৰ ঐশ্বৰ্য্য আৰু সম্পদৰ গৰাকী হবলৈ বিচাৰিছে আৰু বৈষয়িক আৰু সাংস্কৃতিক বিকাশৰ উচ্চ স্তৰ লাভ কৰিব খুজিছে।

এই ৰাষ্ট্ৰবিলাকৰ কোনখনে সামাজিক বিকাশৰ কোনটো পথ গ্ৰহণ কৰিছে সেইটো দেশৰ ভিতৰৰ শ্ৰেণীশক্তিসমূহৰ ভাৰসাম্য আৰু সাম্ৰাজ্যবাদৰ ওপৰত অৰ্থনৈতিক নিৰ্ভৰতাৰ পৰিমাণৰ দ্বাৰা নিৰ্ধাৰিত হয়। কেতবোৰ দেশে পুঁজিবাদী বিকাশৰ পথ গ্ৰহণ কৰিছে, আন কেতবোৰে অপুঁজিবাদী পথকে গ্ৰহণ কৰিছে। কিছুমান দেশত প্ৰশ্নটো এতিয়াও অমীমাংসিত হৈয়ে আছে।

সি যি কি নহওক, সকলোবোৰ এফ্ৰো-এছীয় দেশৰ পৰিস্থিতিৰ বিশেষত্ব হ'ল, জাতীয় মুক্তি সংগ্ৰাম কম বেছি প্ৰখৰভাবে সামন্তবাদী আৰু পুঁজিবাদী দুয়োটা শোষণমূলক সম্পৰ্কৰ বিৰুদ্ধে সংগ্ৰামত আগ বাঢ়িছে। আফ্ৰিকাৰ নব্য স্বাধীন দেশসমূহৰ এক পঞ্চমাংশৰো অধিক ৰাষ্ট্ৰই ইতিমধ্যেই অপুঁজিবাদী বিকাশৰ পথ গ্ৰহণ কৰিছে, লগে লগে আন আন উন্নয়নমুখী দেশবিলাকৰ সামাজিক গাঁথনিৰ ভিতৰত অপুঁজিবাদী বিকাশৰ প্ৰবক্তা সামাজিক শক্তিবোৰেও দ্ৰুত পৰিপক্কতা লাভ কৰি আছে। জাতীয় মুক্তি বিপ্লৱে ক্ৰমবৰ্দ্ধমানভাবে এক সাম্ৰাজ্যবাদ বিৰোধী পথ গ্ৰহণ কৰিবলৈ ধৰিছে।

১৯৬৯ চনৰ কমিউনিষ্ট আৰু শ্ৰমিক পাৰ্টি সমূহৰ আন্তৰ্জাতিক সম্মিলনে আফ্ৰিকা আৰু এছিয়াৰ ভালেমান ৰাষ্ট্ৰত "জাতীয় মুক্তি আন্দোলনে এক নতুন পৰ্য্যায়ত ভৰি দিয়া"ৰ কথাটোলৈ আঙুলিয়াই দিছে আৰু এই সম্মিলনৰ চূড়ান্ত দলিলত কেতবোৰ নবীন ৰাষ্ট্ৰই অপুঁজিবাদী পথ গ্ৰহণ কৰিছে, যি পথে ঔপনিবেশিক অতীতৰ পৰা সহজাত পাচত পৰি থকা অৱস্থা অতিক্ৰম কৰাৰ সম্ভাৱনাৰ বাট মুকলি কৰি দিছে আৰু সমাজবাদী বিকাশৰ পিনে পৰিবৰ্ত্তনৰ অৱস্থা তৈয়াৰ কৰি দিছে বুলি ভাঠি কৈছে। এই দেশ বিলাকত

সমাজবাদ অভিমুখী গতি, অনেক অসুবিধা আৰু পৰীক্ষা অতিক্ৰম কৰি আগবাঢ়িছে।"*

সাম্প্ৰতিক বছৰবিলাকত, সমাজতান্ত্ৰিক ৰূপায়ন ক্ৰমে বেছিকৈ স্পষ্ট হবলৈ ধৰিছে আৰু নতুন বৈশিষ্ট্য অৰ্জন কৰিবলৈ ধৰিছে।

এছিয়া আৰু আফ্ৰিকাৰ দেশবিলাকত হোৱা জাতীয়-গণতান্ত্ৰিক বিপ্লৱে ভালেখিনি নতুন, অতুলনীয় আৰু কেতিয়া কেতিয়াবা স্ববিৰোধী চৰিত্ৰও লাভ কৰিছে; এই বিপ্লৱৰ বিকাশ কেতিয়াও নাকৰ পোনে পোনে নহয় অপুঁজিবাদী বিকাশৰ ভালেমান লক্ষণ এতিয়াও পৰিষ্কাৰ হৈ ওলাই নহা সত্বেও, কিছুমান কাৰণৰ বাবে এই বিকাশ মাজে মাজে বাধা প্ৰাপ্ত বা পশ্চাদগামী হোৱা সত্বেও, সামগ্ৰিকভাৱে চালে, ই ক্ৰমে উৰ্দ্ধমুখী হৈ গৈ আছে। তৃতীয় দুনিয়াৰ বিপ্লৱী শক্তিসমূহৰ সন্মুখত অপুঁজিবাদী বিকাশৰ পথ এটা স্পষ্ট ঐতিহাসিক বাস্তৱতা হিচাপে থিয় দিছে। এই ঘটনাই বিশ্ব বিপ্লৱী প্ৰক্ৰিয়াত আৰু বেছিকৈ গুৰুত্ব লাভ কৰি আছে আৰু সেই কাৰণে গভীৰ আৰু সামগ্ৰিক বিশ্লেষণৰ প্ৰয়োজন হৈ পৰিছে। এই কাৰ্য্য সম্পাদনৰ ক্ষেত্ৰত মধ্য এছিয়াৰ ছোভিয়েত প্ৰজাতন্ত্ৰ সমূহৰ আৰু কাজাখস্তান আৰু মঙ্গোলীয় জনগণতান্ত্ৰিক সাধাৰণতন্ত্ৰৰ সমৃদ্ধ অভিজ্ঞতা প্ৰচুৰ সহায়ক হব। কিয়নো এই আটাইবোৰ ৰাষ্ট্ৰই অপুঁজিবাদী বিকাশৰ পথ অতিক্ৰম কৰি আহিছে। সমাজবাদ অভিমুখী পথ লোৱা মিছৰৰ আৰব প্ৰজাতন্ত্ৰ, আলজিৰিয়া, ছিৰিয়া, বৰ্ম্মা, গিনি আৰু অন্যান্য ৰাষ্ট্ৰই অপুঁজিবাদী বিকাশৰ কিছু অভিজ্ঞতা সঞ্চয় কৰিছে। এই বাস্তৱ অভিজ্ঞতাৰ পৰ্য্যালোচনাৰ পৰা অপুঁজিবাদী বিকাশৰ সাধাৰণ নিয়মিত গতিধাৰা আৰু বিশিষ্ট লক্ষণসমূহ চকুৰ আগত জলজল-পটপট হৈ পৰে

*কমিউনিষ্ট আৰু শ্ৰমিক পাৰ্টি সমূহৰ আন্তৰ্জাতিক সন্মিলন, মস্কো ১৯৬৯, প্ৰাগ ১৯৬৯, পৃঃ ২৮

আৰু পুঁজিবাদী বিকাশতকৈ যে অপুঁজিবাদী বিকাশ অধিক সুবিধা-জনক, সেইযাৰ কথা ওলাই পৰে। অপুঁজিবাদী বিকাশৰ বাবে কি কি আভ্যন্তৰীণ আৰু বাহিৰঙ্গিক চৰ্তৰ প্ৰয়োজন? কোন কোন সাধাৰণ মূল নীতিৰ ভিত্তিত কমিউনিষ্ট আৰু বিপ্লৱী গণতান্ত্ৰিক পাৰ্টি বিলাকৰ মৈত্ৰী সংহত হয়? অপুঁজিবাদী বিকাশ সম্পন্ন ৰাষ্ট্ৰসমূহত কেনে ধৰণে নতুন শাসন যন্ত্ৰবোৰ গঢ়ি উঠে? এই প্ৰশ্ন আৰু অন্যান্য অনেক প্ৰশ্নৰ উত্তৰ এছিয়া আৰু আফ্ৰিকাৰ বিপ্লৱী গণতন্ত্ৰীসকল, জাতীয় গণতান্ত্ৰিক পাৰ্টিবিলাকৰ নেতাসকল আৰু মুক্তি, প্ৰকৃত স্বাধীনতা আৰু প্ৰগতি বিচৰা সংগ্ৰামীসকলে বিচাৰি আছে।

ছোভিয়েত আৰু বিদেশী পণ্ডিতসকলে কৰা অধ্যয়ন সমূহৰ পৰা জ্ঞান লাভ কৰি আৰু ছোভিয়েত ৰুছিয়াৰ কিছুমান জাতিয়ে আৰু অন্যান্য ৰাষ্ট্ৰৰ জনগণে অপুঁজিবাদী বিকাশৰ যি অভিজ্ঞতা অৰ্জ্জন কৰিছে তাৰ বিশ্লেষণ কৰি এই কিতাপখনৰ লিখকসকলে অপুঁজিবাদী বিকাশৰ কাৰণে সমাজবাদী বিপ্লৱৰ জয় সুনিশ্চিত কৰাটো সম্ভৱ কৰি তোলা কাৰণসমূহৰ বৰ্ণনা কৰিছে।

অপুঁজিবাদী বিকাশৰ প্ৰক্ৰিয়াত দেখা দিয়া স্ব-বিৰোধী আৰু অসুবিধাবিলাক অতিক্ৰম কৰাৰ কাৰণে এই কিতাপখনত পথ আৰু উপায়ৰ সন্ধান কৰা হৈছে।

নতুনকৈ স্বাধীনতা পোৱা ৰাষ্ট্ৰসমূহৰ সামাজিক বিকাশৰ পথ-সমূহৰ প্ৰশ্নক কেন্দ্ৰ কৰি চলিত আদৰ্শগত সংগ্ৰাম আৰু এই বিকাশৰ প্ৰশ্নত নব্য-ঔপনিবেশিক ধাৰণা সমূহৰ মুখা উদঙাই দিয়াৰ প্ৰতি প্ৰচুৰ মনোনিবেশ কৰা হৈছে। কিতাপখনি মাওবাদৰ মাৰ্ক্সবাদ বিৰোধী আচল চেহেৰা আৰু এছিয়া-আফ্ৰিকাত সমাজবাদী স্বাৰ্থৰ বিৰুদ্ধে ই যি বিপদ সৃষ্টি কৰিছে তাকো উদঙাই ধৰিছে।

পঢ়ুৱৈসকলৰ পৰা কিতাপখনি সম্পৰ্কে পোৱা সকলো ধৰণৰ মন্তব্যৰ প্ৰতি লিখকসকল আন্তৰিকভাৱে কৃতজ্ঞ হৈ থাকিব।

অধ্যায় ১

অপুঁজিবাদী বিকাশৰ মাৰ্ক্স্‌বাদী-লেনিনবাদী ধাৰণা প্ৰশ্নটোৰ তত্ত্বগত বিবৰণ

শতাধিক বছৰ আগতে এটি বিশ্ব দৃষ্টিভঙ্গী হিচাপে মাৰ্ক্স্‌বাদ-লেনিনবাদৰ উদ্ভৱ হয়। তেতিয়াৰে পৰা এই দৃষ্টিভঙ্গীয়ে পৃথিবীৰ কোটী কোটী শ্ৰমজীৱী মানুহৰ হৃদয় আৰু মন জয় কৰি আহিছে; ই কেৱল তেওঁলোকক সাম্ৰাজ্যবাদ আৰু ঔপনিবেশিক নিৰ্য্যাতনৰ পৰা মুক্তি লাভৰ সংগ্ৰামৰ বাটকে দেখুওৱা নাই; আনকি বহুত দেশত তেওঁলোকক জয়লাভ কৰাত আৰু ক্ষমতা প্ৰাপ্তিত আৰু ইউৰোপ, এছিয়া আৰু লেটিন আমেৰিকাত সমাজবাদী ৰাষ্ট্ৰ প্ৰতিষ্ঠাত নেতৃত্ব ও দান কৰিছে। মাৰ্ক্স্‌বাদী-লেনিনবাদী ভাবধাৰাই উন্নয়নশীল আৰু ঔপনিবেশিক দেশবিলাকৰ প্ৰগতিশীল শক্তিসমূহক অপুঁজিবাদী পথেদি বিকাশৰ ধাৰণাৰে সুসজ্জিত কৰিছে।

বুৰ্জ্জোৱা পণ্ডিতসকলে আৰু বুৰ্জ্জোৱা প্ৰচাৰ যন্ত্ৰবিলাকে মুক্তি পোৱা দেশবিলাক আৰু ঔপনিবেশিক দেশবিলাকৰ বিকাশ ৰোধ কৰা আৰু তৃতীয় বিশ্বৰ বহুত দেশক সাম্ৰাজ্যবাদী ৰাষ্ট্ৰসমূহৰ একচেটিয়া মূলধনৰ ওপৰত নিৰ্ভৰশীল কৰি ৰখাৰ প্ৰচেষ্টা স্বৰূপে যিটো কথা দেখুওৱাবলৈ চেষ্টা কৰে সি হ'ল, মাৰ্ক্স্‌বাদী-লেনিনবাদী তত্ত্ব এছিয়া, আফ্ৰিকা, আৰু লেটিন আমেৰিকাৰ দেশবিলাকত চলি থকা অৱস্থাৰ লগত খাপ নাখায়। তথাপি, মাৰ্ক্স্‌বাদ-লেনিনবাদৰ

মতধাৰাই উক্ত মহাদেশবিলাকত অধিক পৰিমাণে ব্যাপক হ্ববলৈ ধৰিছে আৰু প্ৰতিটো বছৰ উকলি যোৱাৰ লগে লগে উক্ত মতধাৰাই নতুন নতুন জয় অৰ্জ্জন কৰিছে। আনকি বুৰ্জ্জোৱা তত্ত্ববিদসকলে—অন্ততঃ যি সকলৰ কাৰণে ঐতিহাসিক প্ৰক্ৰিয়া মূল্যায়নত বাস্তৱ দৃষ্টিভঙ্গী গ্ৰহণ একেবাৰে আপত্তিজনক নহয়—সেই সকলেও এই তথ্য স্বীকাৰ কৰিবলগীয়া হৈছে।

দৃষ্টান্তস্বৰূপে, জুলে জিৰাৰ্দি নামৰ এগৰাকী পছিমীয়া খ্যাতিমান দাৰ্শনিকে স্বীকাৰ কৰিছে যে মাৰ্ক্সৰ মতবাদে অধিক প্ৰবলভাৱে আকৰ্ষণ কৰিছে জনসাধাৰণ আৰু বুদ্ধিজীৱিসকলক, দৰিদ্ৰ আৰু ধনীক, পুৰণি সংস্কৃতিসম্পন্ন জনগণক আৰু যুৱকসকলক। ইয়াৰ (মাৰ্ক্সবাদৰ সম্পাদক) জীৱন উৎসৰ্গা কৰা, নিষ্ঠাৱান আৰু মহৎ যুঁজাৰুসকল আছে, বীৰ আৰু শ্বহীদসকল আছে।"*

অপুঁজিবাদী বিকাশৰ ধাৰণা মাৰ্ক্সবাদ লেনিনবাদৰ লগত অঙ্গাঙ্গীভাৱে জড়িত। ই তৃতীয় বিশ্বৰ মুক্ত দেশবিলাকৰ জনগণৰ হৃদয় জয় কৰিবলৈ ধৰিছে। এইবিলাক দেশৰ কিছুমানত এই ধাৰণা ইতিমধ্যে কাৰ্য্যত ৰূপায়িত হৈছে। ই পুঁজিবাদ বিৰোধী চৰিত্ৰৰ গভীৰ সামাজিক, আৰ্থিক পৰিবৰ্ত্তনত বাস্তৱ অভিব্যক্তি লাভ কৰিছে। এই পৰিবৰ্ত্তনসমূহৰ কাৰ্য্যকৰী ফলবিলাকে বুৰ্জ্জোৱা পণ্ডিত আৰু প্ৰচাৰকসকলে অপুঁজিবাদী বিকাশৰ মাৰ্ক্স-বাদী-লেনিনবাদী ধাৰণাৰ আচল কথা বিকৃত কৰাৰ আৰু মিছা বুলি প্ৰমাণ কৰাৰ যি চেষ্টা চলাইছে সি নতুনকৈ স্বাধীনতা পোৱা দেশবিলাকৰ জনগণৰ স্বাৰ্থৰ যে বিৰোধী সেই কথা চূড়ান্তভাৱে প্ৰমাণ কৰিছে।

*জুলে জিৰাৰ্দি, মাৰ্ক্সিজমে এৎ ক্ৰিশ্চিয়ানিজমে, তেচৰ্ক্লি, ১৯৬৮, পৃঃ ১৯

সাম্ৰাজ্যবাদীহঁতৰ মিথ্যা উদ্ভাৱন আৰু সুবিধাবাদীহঁতৰ অ-বৈজ্ঞানিক ধাৰণাসমূহ

সাম্ৰাজ্যবাদী শিবিৰৰ দেশসমূহৰ পৰা অপুঁজিবাদী বিকাশৰ শত্ৰুসকলে তৃতীয় বিশ্বৰ জনগণক ভুৰুকিয়াব খোজে, এই পথ এছিয়া আৰু আফ্ৰিকাৰ দেশবিলাকৰ পক্ষে অনুপযোগী। মিচিগান বিশ্ববিদ্যালয়ৰ অধ্যাপক জৰ্জ বাৰ্গয়ে লেখিছে, কেতবোৰ কাৰণত সমাজবাদী আধুনিকীকৰণৰ পথেদি সফলতা লাভৰ সম্ভাৱনা কম থাকে; যিহেতু আজিৰ দিনৰ এফ্ৰিকীয় পৰিস্থিতিৰ লগত সমাজবাদী নিৰ্ম্মাণ যন্ত্ৰৰ মূল দাবী কেইটাৰ মিল নাই। সেই কাৰণবিলাকৰ ভিতৰত বাৰ্গৰ তালিকা মতে পৰে, আফ্ৰিকাৰ কষ্টকৰ জলবায়ু, অশ্মীভূত (Ossified) এফ্ৰিকীয় সমাজ গঁাথনি, আৰু দক্ষ শ্ৰমিকৰ অভাৱ।

বাৰ্গৰ যুক্তিবিলাক সমালোচনাত সমুখত তিষ্টিব নোৱাৰে, যিহেতু (দক্ষ লোকৰ অভাব, এফ্ৰিকীয় সমাজৰ যেনে তেনেকৈ চলা অৱস্থা ইত্যাদি) থমকা মৰা আৰ্থিক বিকাশৰ কাৰণবিলাক সামাজিক আৰ্থিক পৰিবৰ্ত্তন প্ৰক্ৰিয়াৰ ভিতৰতে নিৰ্ম্মূল কৰিব পৰা যায়।

নতুনকৈ স্বাধীনতা পোৱা দেশবিলাকৰ কাৰণে বাৰ্গ আৰু সাম্ৰাজ্যবাদৰ আন তাত্বিকসকলে কি বিধান দিয়ে? এই দেশবিলাকক তেওঁলোকে কলৈ ঠেলি দিব খুজিছে? তেওঁলোকৰ উদ্দেশ্য হৈছে মাৰ্ক্সবাদী-লেনিনবাদী সমাজতান্ত্ৰিক বিপ্লৱৰ তত্ব বিকৃত কৰা আৰু

মিছা বুলি প্ৰচাৰ কৰা। এই কাৰ্য্যৰ দ্বাৰা তেওঁলোকৰ আশা হৈছে, ছোভিয়েত ইউনিয়নত সমাজবাদী নিৰ্ম্মাণ কাণ্ডৰ সামগ্ৰিক অভিজ্ঞতা আৰু ছোভিয়েত মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰ বিলাকৰ অপুঁজিবাদী বিকাশৰ ঐতিহাসিক অভিজ্ঞতা সম্পৰ্কে এছিয়া, আফ্ৰিকা, আৰু লেটিন আমেৰিকাৰ জনগণৰ মনত আস্থাহীনতাৰ উদ্ৰেক কৰিব পাৰিব। অৰ্থাৎ সমাজবাদৰ প্ৰতি এটা নেতিবাচক দৃষ্টিভঙ্গীৰ বীজ সিঁচিব পাৰিব। ছোভিয়েত মধ্য এছিয়াৰ জনগণৰ জীৱন যাত্ৰা সম্পৰ্কে "দি ছোভিয়েত মিডল ইষ্ট" জাতীয় কিতাপবিলাকত কুৎসামূলক মিথ্যা উদ্ভাৱন ধৰা পৰে। "এ কমিউনিষ্ট মডেল ফৰ ডেভেলপমেণ্ট" নামৰ কিতাপখন ছোভিয়েত মধ্য এছিয়া সম্পৰ্কে আলেক নোভ আৰু জে, এ, নিউথেৰ দৰে বৃটিছ 'বিশেষজ্ঞই' লেখিছে। "বিয়ণ্ড দি উৰালচ, ইকনমিক ডেভলপমেণ্ট ইন ছোভিয়েত ৰুছিয়া", লেখিছে ভায়লেট কনোলী, এওঁ পৰৰাষ্ট্ৰ দপ্তৰৰ এজন ভূতপূৰ্ব্ব ৰাছিয়ান বিশেষজ্ঞ "আছিল"। "দি ছোভিয়েত মডেল এণ্ড আণ্ডাৰ ডেভলপড কাণ্ট্ৰিজ" চাৰ্লছ কে. উইলবাৰ নামৰ এজন আমেৰিকান লিখকৰ দ্বাৰা ৰচিত।*

এনে ধৰণৰ এই বিলাক আৰু অন্যান্য কিতাপবোৰে ছোভিয়েত মধ্য এছিয়াৰ জনগণৰ মহান সাফল্যসমূহ ম্লান কৰিবলৈ বিচাৰে আৰু সত্যক বিকৃত কৰিবলৈ বিচাৰে।

তেওঁলোকৰ তৃতীয় বিশ্বক ছোভিয়েত বিৰোধী কৰি তোলাৰ সকলো ধৰণৰ চেষ্টা আৰু নতুনকৈ স্বাধীনতা প্ৰাপ্ত দেশসমূহক সামাজিক ৰাজনৈতিক ৰূপায়ণ পৰিবৰ্ত্তিত কৰাৰ চেষ্টাত, উক্ত দেশসমূহক পুঁজিবাদী বিকাশৰ পথৰ পিনে চলাই নিয়াৰ বাবে,

---

*এ. নোভ আৰু জে. এ. নিউথ, দি ছোভিয়েট মিডল ইষ্ট। এ. কমিউনিষ্ট মডেল ফৰ ডেভলপমেণ্ট, লণ্ডন, ১৯৬৬; ভি. কনোলী-বিয়ণ্ড দি উৰালচ; ইকনমিক ডেভলপমেণ্ট ইন ছোভিয়েট এছিয়া লণ্ডন, ১৯৬৭। চাৰ্লছ. কে. উইলবাৰ-দি ছোভিয়েট মডেল এণ্ড আণ্ডাৰ ডেভলেপড কাণ্ট্ৰিজ। ইউনিভাৰ্ছিটি অৱ নৰ্থ কেৰোলীনা প্ৰেছ, চাপেল হিল, ১৯৫৯

উপকৰু কিতাপ লিখকসকলে উক্ত দেশসমূহক বিপথগামী কৰিবলৈকো প্ৰস্তুত। দৃষ্টান্তস্বৰূপ পশ্চিম জাৰ্ম্মানীৰ আফ্ৰিকাবাগীশ ফ্ৰাঞ্জ আনস্প্ৰেঙ্গাৰে কৈছে যে "ছোভিয়েত ইউনিয়নত ...... আফ্ৰিকাবাসীসকলৰ চকুত আগৰ পৰা ইমান শিৰোমত যে ই ইয়াৰ বৰ্ত্তমান আকৃতি এটি আকৰ্ষণীয় নমুনা হিচাপে গণ্য হব নোৱাৰে।"* এমেৰিকান সমাজবিজ্ঞানী উইলিয়ম মেক কৰ্ডয়ে যেতিয়া কয় যে "ৰুছীয় নমুনা" অৰ্থনৈতিক কাৰণসমূহৰ বাবে বাতিল কৰিব লাগিব, কিয়নো "উদীয়মান ৰাষ্ট্ৰসমূহে আজি তেওঁলোকৰ অতি অকিঞ্চিৎকৰ সম্পদৰ অপব্যৱহাৰ কৰিব নোৱাৰে। এই কাম ৰুছিয়াই ব্যাপক পৰিকল্পিত ধৰণে কৰিছিল।"**

বিজ্ঞান সন্মত সমাজবাদী ভাবধাৰাৰ শ্ৰেষ্ঠত্বৰ পৰা পথচ্যুত কৰিবলৈ বিচৰা বুৰ্জোৱা তাত্ত্বিকসকলে সাব্যস্ত কৰে যে উক্ত ভাবধাৰাৰ বহুখিনি ইতিপূৰ্ব্বেই পুঁজিবাদী দেশবিলাকত ৰূপায়িত হৈছে, ঊনৈশ শতিকাত আধুনিক পুঁজিবাদ যি অৱস্থাত আছিল তাতকৈ আন কিবা হৈছে আৰু আনকি দ্বিতীয় মহাযুদ্ধৰ পূৰ্ব্বে যি অৱস্থাত আছিল তাতকৈ বেলেগ হৈছে; ই এতিয়া এনেকুৱা এটা সমাজ ব্যৱস্থা যি ব্যৱস্থাত সামাজিক দ্বন্দ্ব আৰু শ্ৰেণী সংঘৰ্ষ নাইকিয়া হৈ গৈছে। অধিকন্তু এমেৰিকান সমাজতত্ত্ববিদ স. ব্ৰাউন্‌-বাদৰ ধ্বজাধাৰী কেবাগৰাকীও তাত্ত্বিকে জিবিগনিউ ব্ৰেজেজিনস্কি ছামুৱেল হাণ্টিংটন আদি কয় যে সমাজবাদে পুঁজিবাদী আকৃতি গ্ৰহণ কৰিবলৈ ধৰিছে, বৈজ্ঞানিক আৰু প্ৰযুক্তিবিদ্যাগত বিপ্লৱৰ যুগত সমাজবাদ "অধিক পৰিমাণে" আধুনিক পুঁজিবাদৰ 'অনুৰূপ" হবলৈ ধৰিছে। এনেধৰণৰ দাবীৰ অৰ্থ হৈছে পৰিষ্কাৰ: আজিৰ বিপ্লৱী শক্তিবিলাকৰ পক্ষে সমাজবাদ প্ৰতিষ্ঠাৰ বাবে সংগ্ৰাম কৰাৰ

*এচ হাম.বজ আৰু টি. উইড্‌ষ্ট্ৰেণ্ড, আপচালা, ১৯৬৪, ৯২পৃঃ, সম্পাদিত দি-হে ডিৱেট বুক, চায়না এণ্ড আফ্ৰিকা।

**উইলিয়ম মেক কৰ্ড লিখা দি স্প্ৰিং টাইম অব ফ্ৰিডম। এভলিউচন অব ডেভেলপিং চোচাইটিজ, নিউ ইয়ৰ্ক, ১৯৬৫ চন পৃঃ ৫৮।

প্ৰয়োজন নাই, যিহেতু পুঁজিবাদে ইয়াৰ চৰিত্ৰ সলাই পেলাইছে আৰু সমাজবাদৰ অনুৰূপ হবলৈ আৰম্ভ কৰিছে আৰু সমাজবাদে পুঁজিবাদৰ আকৃতি গ্ৰহণ কৰিবলৈ ধৰিছে। পতিকে; বুৰ্জোৱা তাত্বিক আৰু ৰাজনীতিবিদসকলে মুক্তি পোৱা ৰাষ্ট্ৰসমূহক সমাজ বিকাশৰ "তৃতীয় পন্থা" বাছি লবলৈ উপ্ৰসিতহৈ পৰামৰ্শ দিয়ে; ই যেতিয়া পুঁজিবাদ আৰু সমাজবাদ এই দুয়োৰে মাজৰ কোনো বা এঠাইতহে বিৰাজ কৰিছে। দৃষ্টান্ত স্বৰূপে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূতপূৰ্ব্ব সংস্কৃতি বিষয়ক ৰাষ্ট্ৰীয় উপ-সচিব টি. ই শ্লেটাৰে; সদাহতে স্বাধীনতা পোৱা দেশবিলাকলৈ "তৃতীয় পন্থা"* অনুসৰণৰ বাবে পোনপটীয়া আবেদন জনাইছিল।

পিছে কথা হ'ল "তৃতীয় পন্থা" অনুসৰণৰ আহ্বান জনোৱাৰ অৰ্থ সদ্য-স্বাধীন দেশসমূহত ব্যক্তিগত উদ্যোগবিলাকক অনিৰ্দ্দিষ্ট পৰিমাণৰ স্বাধীনতা দান কৰাৰ বিনাবাধাই সাম্ৰাজ্যবাদী একচেটিয়া-পতিসকলক কাম কৰিবলৈ দিয়াৰ আৰু বিদেশী দেশী পুঁজিক সিহঁতৰ অৱস্থান শ. ক্ৰুশালী কৰিবলৈ আহ্বান জনোৱাৰ বাহিৰে অন্য একো নহয়। জৰ্জ্জ বাৰ্গে তেওঁৰ অপুঁজিবাদী পথতকৈ "তৃতীয় পন্থা"ৰ সুবিধা অনেক বেছি এই সমৰ্থনত যি যুক্তি দিয়ে সেয়া হৈছে সমাজবাদী অৰ্থনীতিত মুখ্য ভূমিকা পালন কৰে ৰাষ্ট্ৰই আৰু এই ব্যৱস্থা বজাৰ প্ৰথাতকৈ অধিক জটিল। সমাজবাদৰ কেন্দ্ৰীভূত অৰ্থনীতিৰ কাৰণে অ-কেন্দ্ৰীভূত বজাৰ প্ৰথাতকৈ অধিক শিক্ষাপ্ৰাপ্ত অনেক লোকৰ প্ৰয়োজন।

যিবোৰ ঠাইত ব্যক্তিগত এক্ৰিকীয় উদ্যোগীসকলে দক্ষতাপূৰ্ণ কাৰ্য্য সম্পাদনৰ ক্ষমতা দেখুৱাইছে, তাত দৃঢ় ৰাষ্ট্ৰীয় নিয়ন্ত্ৰণ ব্যৱস্থা গঢ়ি তুলিলে দক্ষ লোকসকলৰ কাৰণে বিৰাট পৰিমাণৰ ব্যয়ৰ প্ৰয়োজন

* এডুকেশ্বন এণ্ড ট্ৰেইনিং ইন দি ডেভেলপিং কান্ট্ৰিজ—দি ৰোল অব ইউ. এচ. ফ'ৰেইন এইড, উইলিয়াম ওৱাই এলিবট কৰ্ত্তৃক ১৯৬৬ চনত সম্পাদিত পৃঃ ৩৬৯।

হ'ব আৰু তেতিয়াও চৰকাৰী বিষয়াসকল ব্যক্তিগত উদ্যোগী সমূহে সফলভাবে সম্পাদন কৰাৰ দৰে কাম কৰিবলৈ সক্ষম হ'ব নোৱাৰিব।

এনেভাৱেই, বাৰ্গে পুঁজিবাদী ব্যৱস্থাৰ বিষয়বিলাকৰ বিজ্ঞাপন প্ৰচাৰ কৰিছে—যাৰ মূল কথা হ'ল ব্যক্তি পুঁজি। এই ব্যক্তি পুঁজিত কুকুৰে কুকুৰক খোৱা নীতিয়ে ক্ৰিয়া কৰে। কাৰণ চমুকৈ ক'ব লাগিলে এই নীতিয়েই পুঁজিবাদী বিশ্বৰ চৰিত্ৰ বহন কৰে। এই বাদুস্থাত বৃহৎ একচেটিয়া অধিপতিসকলে শ্ৰমিকশ্ৰেণীৰ কাৰণে অসহনীয় পৰিস্থিতিৰ সৃষ্টি কৰে, নিবনুৱা সমস্যাক নাঙঠা ধৰণৰ শ্ৰম-চৰ্ত্ত আৰু নিম্ন বেতনোপযোগী কৰ্ম্মসংস্থান শ্ৰমিকসকলৰ দ্বাৰা গ্ৰহণ কৰাবলৈ বাধ্য কৰে; ৰাষ্ট্ৰ আৰু পুলিচী যন্ত্ৰক শ্ৰমিক-জনতাৰ বিৰুদ্ধে ব্যৱহাৰ কৰা হয়; বৃহৎ পুঁজিয়ে চৰকাৰৰ বৈদেশিক আৰু ৰাষ্ট্ৰীয় নীতি নিয়ন্ত্ৰিত কৰে; ৰাষ্ট্ৰীয় মুখপাত্ৰসকলৰ যি সকলে এই নীতিবিলাকৰ কোনোবা এটাৰ লগত ঐক্যমত নহয় তেওঁলোকক হত্যা কৰা এটা সাধাৰণ ঘটনা হৈ পৰে; একচেটিয়া মালিকসকলে আনকি সিবিলাকৰ দুৰ্ব্বল অংশীদাৰকো প্ৰতিযোগিতাত গিলি পেলায় আৰু তেওঁলোকক টেটু চেপা দিয়ে। সকলো বিধৰ দুৰ্নীতি, অপৰাধ, চোৰাংচোৱা বৃত্তি এক দানবীয় অবস্থা পায়গৈ।

সাম্ৰাজ্যবাদৰ প্ৰশাশ্য তাত্বিকসকলৰ বাদে অন্য ফালৰ পৰাও অপুঁজিবাদী বিকাশৰ মাৰ্ক্সবাদী-লেনিনবাদী ভাব ধাৰাৰ ওপৰত হিংস্ৰ আক্ৰমণ চলে। এই আক্ৰমণ পিকিঙৰ পৰাও আহে, আহে মাওবাদী বৃহৎ শক্তি দম্ভৰ প্ৰবক্তাসকলৰ পৰা। ইসকলে এই ভাবধাৰা কাৰ্য্যত প্ৰতিফলিত হলে তৃতীয় দুনিয়াৰ সদ্য স্বাধীন দেশসমূহত তেওঁলোকৰ আদৰ্শগত আৰু ৰাজনৈতিক প্ৰভাবৰ নেতৃত্ব-কামী পৰিকল্পনা বিপন্ন হ'ব বুলি ভয় কৰে। তেওঁলোকৰ কৌশল সমূহৰ ভিতৰৰ অন্যতম কৌশল হল, অপুঁজিবাদী বিকাশ সম্পৰ্কে লেনিনৰ ধাৰণাসমূহৰ অৰ্থ আৰু বৈশিষ্ট্য বিকৃত কৰা। ঘটনা

স্বৰূপে "সাংস্কৃতিক বিপ্লৱ"ৰ কাৰ্য্যাৱলী পৰিচালনাকাৰী গোটৰ এগৰাকী নেতা চেন-পো-তাই ঘোষণাই কৰে যে লেনিন অপুঁজিবাদী বিকাশৰ পথ সম্পৰ্কে একেবাৰেই একোকে কোৱাৰ অৱস্থাত নাছিল যিহেতু ৰুছিয়া আছিল পুঁজিবাদী দেশ আৰু সেই অৰ্থে কেৱল মাও-ছে-তুঙেহে পাছ পৰি থকা দেশসমূহক সেই পথেদি আগ বঢ়াৰ নিৰ্দ্দেশ দিব পাৰে। ১৯৬৭ চনৰ অক্টোবৰ মাহত চীনৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ মুখপাত্ৰ জেন-মিন-জিহ পাও'ৱে মঙ্গোলীয় জনগণতন্ত্ৰ আৰু ইয়াৰ অপুঁজিবাদী পথেদি লাভ কৰা অভিজ্ঞতাৰ বিৰুদ্ধে আক্ৰমণ চলায়। এই অভিজ্ঞতাই দৰ্শাইছে পুঁজিবাদী বিকাশ স্তৰক অগ্ৰাহ্য কৰিও সফলভাৱে সমাজবাদৰ পিনে আগ বাঢ়িব পাৰি।

মাওবাদীসকলে অপুঁজিবাদী বিকাশৰ ধাৰণাৰ বিৰুদ্ধে আক্ৰমণ চলায়। কিয়নো এই ধাৰণাই সমাজবাদলৈ উত্তৰণ একমাত্ৰ সশস্ত্ৰ সংগ্ৰামৰ দ্বাৰাহে হ'ব পাৰে বুলি সাৰোগত কৰা মাওবাদী চিন্তাধাৰাৰ বিৰোধিতা কৰে। "বামপন্থী" সুবিধাবাদীসকলে বাস্তৱ ঐতিহাসিক পৰিস্থিতিক অস্বীকাৰ কৰে; বিশ্ব জুৰি যি পৰিবৰ্ত্তন ঘটি আছে তালৈ চকু মুদি থাকে আৰু নিজা তত্ত্ব আৰু পৰিকল্পনাৰ লগত খাপ খুৱাবৰ কাৰণে বাস্তৱ ঘটনাক বিকৃত কৰে।

অৱশ্যে তত্ত্বৰ প্ৰতি মতান্ধ আচৰণ কেৱলমাত্ৰ "বামপন্থী" সুবিধাবাদী সকলৰে চাৰিত্ৰিক বৈশিষ্ট্য নহয়। যিয়েই বাস্তৱ সম্পৰ্ক বৰ্জ্জিত হয়, যিয়েই বিভিন্ন মাৰ্ক্সবাদী তাত্ত্বিক সূত্ৰ শিকিবলৈ লওঁতে মাৰ্ক্স-লেনিনবাদী শিক্ষাৰ সঠিক সাৰাৰ্থ গ্ৰহণত ব্যৰ্থ হয়। তেওঁৱেই অৱধাৰিতভাৱে গুৰুতৰ ভুল কৰিব আৰু শেষত গৈ এই শিক্ষাক বিকৃত কৰিব। যুগোশ্লাভিয়াৰ গ্ৰন্থকাৰ এম., ম্লিজানোভিকৰ ক্ষেত্ৰত সেই একে ঘটনা ঘটিছিল। "দি ক্লাছিকছ্ অব্ মাৰ্ক্সিজম এণ্ড দি হো-কলড্ নন্-কেপিটেলিষ্ট ৰড' অব্ ডেভলেপমেন্ট" (মাৰ্ক্সবাদৰ চিৰায়ত ৰচনাৱলী আৰু তথাকথিত

অপুঁজিবাদী বিকাশৰ পথ) নাম দি লেখা এটি প্ৰবন্ধত মিলজানোভিকে বেলেগ বেলেগ উদ্ধৃতি দি দেখুওৱাবলৈ চেষ্টা কৰি কৈছে যে মাৰ্ক্স আৰু এঙ্গেলছে সকলো জনগণৰ বাবে সমাজবাদলৈ উত্তৰণৰ এটাই মাথোন সম্ভাৱনা দেখিছিল, আৰু সেইটো আছিল, ধনতন্ত্ৰবাদৰ বিকাশৰ যোগেদিহে।

পুঁজিবাদৰ পৰা সমাজবাদলৈ উত্তৰণৰ যুগত যি ধাৰণা সদ্য স্বাধীন দেশবিলাকৰ প্ৰগতিশীল শক্তিসমূহৰ বাবে পথ প্ৰদৰ্শক হিচাপে ওলাই আহিবলৈ ধৰিছে সেই মাৰ্ক্সবাদী লেনিনবাদী অপুঁজিবাদী বিকাশৰ ধাৰণাৰ যি সকলে বিৰোধিতা কৰি কেতবোৰ নিৰ্দ্দেশ গ্ৰহণ কৰিছে প্ৰথম অধ্যায়ৰ এই অংশত সেই সম্পৰ্কে আমি উল্লেখ কৰিলো। এই প্ৰগতিশীল শক্তিবোৰে তেওঁলোকৰ শত্ৰুবিলাকক অবশ্যেই ভালদৰে চিনি পাব লাগিব আৰু তেওঁলোকৰ আদৰ্শগত তালি তোপলা আৰু অস্ত্ৰবোৰো চিনি পাবলৈ সক্ষম হব। তেওঁলোকে অপুঁজিবাদী বিকাশৰ মাৰ্ক্সবাদী-লেনিনবাদী ধাৰণাৰ সাৰমৰ্ম্ম সম্পৰ্কে গভীৰ জ্ঞান লাভ কৰিবলৈ বিচাৰে, যাতে আদৰ্শগত অস্ত্ৰ হিচাপে ইয়াক তেওঁলোকৰ সংগ্ৰামত ব্যৱহাৰ কৰিব পাৰে আৰু, নকলেও হ'ব মাৰ্ক্স আৰু এঙ্গেলছে অপুঁজিবাদী বিকাশৰ সমস্যা যেনেকৈ বুজাব খুজিছিল তাক তেওঁলোকে পৰিষ্কাৰ আৰু সঠিকভাবে জনাটো অত্যন্ত জৰুৰী।

অপুঁজিবাদী পথৰ সংক্ৰান্তত মাৰ্ক্সবাদৰ প্ৰতিষ্ঠাতাসকল

মিলজ্ঞানোভিক আৰু আন কেবা গৰাকী অপুঁজিবাদী বিকাশ পন্থাৰ সমালোচকসকলে মাৰ্ক্স আবিষ্কাৰ কৰা ঐতিহাসিক প্ৰক্ৰিয়াৰ এটা বিষয়গত নিয়ম অৰ্থাৎ সামাজিক অৰ্থনৈতিক গঠনৰ অনুক্ৰমৰ নিয়ম তেওঁলোকৰ যুক্তিসমূহক সপ্ৰমাণ কৰিবলৈ দাঙি ধৰে। এই নিয়ম অনুসৰি, মানৱ সমাজে ইয়াৰ বিকাশ সাধনত নিৰ্দিষ্ট ঐতিহাসিক স্তৰৰ যোগেদি আগ বাঢ়ে আৰু যিকোনো বিকাশৰ স্তৰ জাপ মাৰি পাৰ হব নোৱাৰে।

কিন্তু এই মাৰ্ক্সবাদী নিয়মৰ দৃষ্টান্ত দাঙি ধৰোঁতে, অপুঁজিবাদী পথৰ বিৰোধী শত্ৰুসকলে, জ্ঞানতঃ অথবা অজ্ঞানত এটা অতি গুৰুত্বপূৰ্ণ পৰিবেশ অৱজ্ঞা কৰি যায়, সেইটো হ'ল, মাৰ্ক্সে এই নিয়মটোৰ কথা কৈছিল সামগ্ৰিকভাবে মানৱ সমাজৰ সম্পৰ্কে যি সমাজত পুঁজিবাদ আছিল বাঢ়নমুখী। প্ৰতিজন ব্যক্তি, প্ৰতিটো দেশ সম্পৰ্কে, মাৰ্ক্সে অনুভৱ কৰিছিল যে মানুহে জনা সকলো সামাজিক অৰ্থনৈতিক গঠনৰ যোগেদি যাবই লাগিব এনেকুৱা কোনো কথা নাই। "অ'তেচেস্তভেন্নিয়ে জাপিস্কি" নামৰ ৰুছ আলোচনী এখনৰ সম্পাদকসকললৈ মাৰ্ক্সে এখন চিঠি দিছিল; তাত মাৰ্ক্সবাদৰ সমালোচক এজনৰ কিছুমান কথাৰ বিৰুদ্ধে লিখি মাৰ্ক্সে কৈছিল, "পশ্চিম ইউৰোপত পুঁজিবাদৰ উৎপত্তিৰ যি ঐতিহাসিক চিত্ৰ মই (মাৰ্ক্স) আঁকিছো, তাক ঐতিহাসিক পৰিস্থিতিত

একো বিচাৰ-বিবেচনা নকৰাকৈয়ে প্ৰত্যেকটো জাতিয়েই অৱশ্যম্ভাৱী ৰূপে গ্ৰহণ কৰিব লগীয়া পথ বুলি এটা ঐতিহাসিক দাৰ্শনিক তত্ত্বলৈ ৰূপান্তৰিত কৰিব খোজা হৈছে, যাতে অৱশেষত ই এটা এনে এক অৰ্থনৈতিক ৰূপত উপনীত হয়গৈ যি সামাজিক শ্ৰমৰ উৎপাদিত শক্তিসমূহৰ সৰ্ব্বাধিক সম্প্ৰসাৰণৰ লগে লগে মানুহৰ পূৰ্ণতম বিকাশ নিশ্চিত কৰে *। জোৰ দিয়া কথাখিনি—ভি, এছ আৰু ভি, বি'ৰ)। মাৰ্ক্সে ভালদৰে এই তথ্য জানিব পাৰিছিল যে শ্লাভ, উত্তৰ ইউৰোপীয় লোকসকল আৰু এছিয়া, আফ্ৰিকাৰ যাযাবৰ মানুহসকল উদাহৰণ স্বৰূপে আদিম সমাজ-ব্যৱস্থাৰ পৰা সামন্ততন্ত্ৰৰ স্তৰ পাইছিল, দাস-প্ৰভুত্ব অতিক্ৰম নকৰিও। গতিকে অতি পুৰণি কালৰে পৰাই ইতিহাসে বাৰে বাৰে বাস্তৱ উদাহৰণ দাঙি ধৰি দেখুৱাই দিছে যে যি কোনো এটা জাতিয়ে ইয়াৰ বিকাশৰ ক্ষেত্ৰত যি কোনো এটা সামাজিক অৰ্থনৈতিক গঠন অতিক্ৰম নকৰিবও পাৰে। তথাপি, কেৱল এটা চৰ্ত্তহে, যি গঠন ব্যৱস্থাই কোনো এখন দেশত বিশ্ব সামাজিক বিকাশৰ আদৰ্শ দৃষ্টিভঙ্গীত প্ৰগতিশীল সম্ভাৱনা একেবাৰে হেৰুৱাইছে আৰু বিশ্বত যদি এটি উন্নত সামাজিক ব্যৱস্থাৰ অস্তিত্ব আছেই তেনেহলেহে সেই গঠন ব্যৱস্থা অতিক্ৰম নকৰিবও পাৰি।

অপুঁজিবাদী পথেদি বিকাশৰ শত্ৰুসকলে দিয়া যুক্তিসমূহ হৈছে একেবাৰে অবৈজ্ঞানিক, কিয়নো বিশ্ব সমাজ বিকাশত যি বিপুল বিপ্লৱী পৰিবৰ্ত্তন ঘটিছে তাক বিবেচনা কৰিবলৈ তেওঁলোক অক্ষম। যেনে, অধ্যাপক আৰ. এ. উলিয়ানভস্কিয়ে সঠিকভাবে উল্লেখ কৰিছে, তেওঁলোকে বিবেচনা নকৰে .... কি অতুলনীয় পৰিস্থিতিত আগৰ ঔপনিবেশিক দেশবিলাকে এনে এটা যুগত স্বাধীনতা পাইছিল যেতিয়া বিশ্ব বিকাশৰ মূল শক্তি হৈ উঠিছিল সমাজবাদ। এই উপাদানে কথিত তৃতীয় বিশ্বলৈ সমাজ বিকাশৰ কাৰণে নতুন

*মাৰ্ক্স আৰু এংগেলছ, চিলেকটেড কৰেচপণ্ডেন্স, মস্কো. ১৯৬৫, পৃঃ ৩১৩

আৰু এতিয়াও ঐতিহাসিকভাবে অপৰীক্ষিত সম্ভাৱনাৰ বাট মুকলি কৰি দিছে। নব্য-ৰাষ্ট্ৰসমূহৰ স্ব-বিৰোধী বিকাশক পুঁজিবাদ অথবা সমাজবাদলৈ বিনাশৰ্ত্তে নামাঙ্কনৰ চেষ্টাই উত্তৰণ কালৰ ব্যৱস্থা আৰু স্তৰ সমূহৰ বস্তুত বিভিন্নতাক অবজ্ঞা কৰে, যি সম্পূৰ্ণ গুণগত নিশ্চয়তা শূন্য হোৱা সত্বেও সমাজবাদী ৰূপান্তৰৰ কাৰণে সম্ভাৱনা আৰু পূৰ্ব্ব চৰ্ত্ত প্ৰস্তুত কৰিবলৈ সক্ষম ”*

মানব সমাজ অবিৰত বিকশিত হৈ আছে, আৰু ই যিমানে বিকাশ প্ৰাপ্ত হয় সিমানে তাৰ পৰিবৰ্ত্তন ঘটে। ইয়াৰ উপৰিও সমাজ বিকাশ অবিৰত তীব্ৰ বেগেৰে আগ বাঢ়ে। গতিকে মাৰ্ক্স্‌বাদী লেনিনবাদী হব খোজা প্ৰত্যেক বিপ্লৱীয়েই লেনিনৰ তলৰ কথা কেইটা মনত ৰখা দৰকাৰ :-- “যি পৰিবৰ্ত্তন ঘটিছে তাক অৱজ্ঞা কৰা ……আৰু মাৰ্ক্স্‌বাদে দিয়া পুৰণা সমাধানৰ ওকালতি চলাই থকাৰ অৰ্থ হ’ব, বাক্যৰ প্ৰতি বিশ্বস্ততা, শিক্ষাৰ আচল অৰ্থৰ প্ৰতি বিশ্বস্ততা নহয়। নতুন ৰাজনৈতিক পৰিস্থিতি ব্যাখ্যাত মাৰ্ক্সীয় পদ্ধতিৰ গৱেষণা ব্যৱহাৰ কৰিব নেজানি পুৰণা সিদ্ধান্ত আওৰোৱাৰ পুনৰাবৃত্তিহে হব ইয়াৰ অৰ্থ।**

মাৰ্ক্স্‌ আৰু এঙ্গেলছৰ গ্ৰন্থাৱলীয়েই হৈছে বিভিন্ন দেশ আৰু জনগণৰ কাৰণে সামাজিক বিকাশৰ ঐতিহাসিক ঘটনাৱলী আৰু সম্ভাব্য পথবিলাকৰ সম্বন্ধে এনে ধৰণৰ দ্বন্দ্বমূলক বিশ্লেষণ আৰু বিজ্ঞান সম্মত ভাবে আগতে দেখিবলৈ পোৱাৰ এটা উজ্জ্বল উদাহৰণ। মাৰ্ক্স্‌-এঙ্গেলছৰ উক্তিবিলাকৰ পৰা দেখা যায় তেওঁলোকে কেতিয়াও অপুঁজিবাদী বিকাশ ভিত্তিহীন বুলি প্ৰশ্ন তোলা নাছিল “ৰুছিয়াত সামাজিক সম্পৰ্ক সম্বন্ধে” নামৰ এটা প্ৰবন্ধত এঙ্গেলছে

---

*আৰ, এ, উলিয়ান্‌ভস্কিৰ ‘দি লেনিনিষ্ট কনচেপছন অফ নন কেপিটেলিষ্ট ডেভেলপমেন্ট টু-ডে” (আজিৰ দিনত অপুঁজিবাদী বিকাশৰ লেনিনবাদী ধাৰণা) ৱৰ্ল্ড মাৰ্কচিষ্ট ৰিভিউ নং ৪, ১৯৭০, পৃঃ ১১৯ চাওক

**ভি, আই, লেনিনৰ “দি নেছনেল কোৱেশ্চন ইন আওৱাৰ প্ৰগ্ৰেম,” “আমাৰ কাৰ্য্যসূচীত জাতীয় প্ৰশ্ন।” ৰচনা সংগ্ৰহ, খণ্ড নং ৬, পৃঃ ৪৫৮

পুঁজিবাদী বিকাশ এৰাই গৈ কছীয় কমিউনৰ পথা সমাজবাদলৈ উত্তৰণৰ সম্ভাৱনাৰ কথা স্বীকাৰ কৰিছে। তেওঁ লিখিছিল, কছীয় কৃষকসকলে বুৰ্জোৱা মালিকানাৰ ক্ষুদ্ৰ খেতি-পথাৰৰ মধ্যবৰ্ত্তী স্তৰৰ প্ৰয়োজন নোহোৱাকৈয়ে এই ধৰণৰ সমাজ এটা উচ্চ স্তৰলৈ .... উঠাৰ সম্ভাৱনা সন্দেহাতীতভাবে বিৰাজ কৰিছে।"* ১৮৮২ চনত কমিউনিষ্ট পাৰ্টিৰ ইস্তেহাৰত কছীয় সংস্কৰণৰ পাতনিত মাৰ্ক্স আৰু এঙ্গেলছে এই প্ৰশ্ন তুলিছিল; "..........কছীয় অবষ্চিনা, যদিও বিৰাট ভাবে ক্ষয়প্ৰাপ্ত, তথাপি আদিম ধৰণৰ মাটিৰ উমৈহতীয়া মালিকীস্বত্বৰ এটা ধৰণ, কমিউনিষ্ট উমৈহতীয়া মালিকীস্বত্বৰ উচ্চস্তৰলৈ পোনপটীয়াভাবেই যাব পাৰে নে? অথবা, ইয়াৰ বিপৰীতে, পশ্চিমৰ ঐতিহাসিক ক্ৰমবিকাশৰ প্ৰক্ৰিয়াত যেনেকৈ বিনাশপ্ৰাপ্ত হৈছিল সেই একে স্তৰৰ যোগেদি ই প্ৰথমে যাবই লাগিবনে?

"তাৰ উত্তৰ আজি এই দৰে দিয়া সম্ভৱ যদি পশ্চিমৰ সৰ্ব্বহাৰা বিপ্লৱৰ বাবে কছ বিপ্লৱে দুয়োৰ পৰিপূৰক হিছাপে সঙ্কেত দিয়ে, তেন্তে বৰ্ত্তমান কছীয় উমৈহতীয়া মাটিৰ মালিকী স্বত্বই কমিউনিষ্ট বিকাশৰ বাবে প্ৰথম আৰম্ভণিৰ ভিত্তি হিছাপে কাম কৰিব পাৰে।"** ১৮৯৪ চনত এঙ্গেলছে যিবোৰ দেশত প্ৰাক্ পুঁজিবাদী সম্পৰ্ক বিৰাজ কৰি আছিল অৰ্থনৈতিকভাৱে পিছপৰি থকা সেই সকলো দেশৰ কাৰণে এই সিদ্ধান্ত আগ বঢ়াইছিল। তেওঁৰ "কছিয়াৰ সামাজিক সম্পৰ্কৰ সংক্ৰান্তত লেখা প্ৰবন্ধৰ শেষৰ ফালে লেখিছিল," ই কেৱল সম্ভৱেই নহয়, অপৰিহাৰ্য্যও যে এবাৰ যদি সৰ্ব্বহাৰা পশ্চিম ইউৰোপৰ দেশসমূহত জিকিব পাৰে আৰু উৎপাদনৰ উপায় সমূহ সাধাৰণ সম্পত্তিলৈ পৰিণত কৰিব পাৰে. যি বিলাক দেশে কেৱল মাত্ৰ পুঁজিবাদী উৎপাদন

*কে, মাৰ্ক্স আৰু এফ, এঙ্গেলছৰ, তিনি খণ্ডত "নিৰ্ব্বাচিত ৰচনাৱলীৰ" ২য় খণ্ড, মস্কো, ১৯৭৩, পৃঃ ৩৯৫

**ঐ - খণ্ড ১, মস্কো, ১৯৭৩ পৃঃ ১০০ ১০১

ব্যৱস্থা আৰম্ভ কৰিব পাৰিছে। আৰু য'ত উপজাতীয় অনুষ্ঠান নাইকীয়া তাৰ অৱশিষ্টাংশ এতিয়াও অবিকল হৈ গৈছে সেইবিলাকে সাধাৰণ মালিকী স্বত্ব এইবোৰ অৱশিষ্টাংশ আৰু সেই সম্পৰ্কীয় জনপ্ৰিয় আচাৰ-অনুষ্ঠানাদিক সমাজবাদৰ পিনে আগবঢ়া ভালেখিনি চমু কৰি দিয়াৰ এটা শক্তিশালী উপায় হিচাপে ব্যৱহাৰ কৰিব পাৰে আৰু পশ্চিম ইউৰোপত আমি আমাৰ পথ প্ৰস্তুত কৰোঁতে যি কষ্ট আৰু সংগ্ৰাম কৰিব লগা হৈছে তাৰে পৰা অনেক ৰেহাই পাব পাৰে ... আৰু ই কেৱল ৰুছিয়া নহয়, প্ৰাক্ পুঁজিবাদী স্তৰত থকা সকলো দেশতে প্ৰযোজ্য।"*

লগে লগে, মাৰ্ক্স আৰু এঙ্গেলছে পিছপৰা দেশসমূহে পুঁজিবাদী বিকাশৰ স্তৰ এৰাই গৈ সমাজতন্ত্ৰলৈ উত্তৰণৰ সম্ভাৱনাক উলাই কৰি দিয়া নাছিল, বৰঞ্চ, আৰু বিকশিত পুঁজিবাদী দেশসমূহত সমাজবাদী বিপ্লৱ জয়লাভ কৰাৰ এই উত্তৰণ নিৰ্ভৰ কৰাৰ কথাহে কৈছিল।

ইতিহাসে মাৰ্ক্স-এঙ্গেলছৰ তাত্ত্বিক সূত্ৰসমূহত শুধৰণীৰ শক্তি প্ৰদান কৰিছে। প্ৰথমতে, পুঁজিবাদে তাৰ সকলো অন্তৰ্নিহিত স্ব-বিৰোধিতা সহ ৰুছিয়াত দ্ৰুত গতিত বিকাশ লাভ কৰিবলৈ ধৰিছিল। দ্বিতীয়তে, পশ্চিম ইউৰোপীয় দেশসমূহতকৈ আগেয়ে ৰুছিয়াত সমাজবাদী বিপ্লৱ সফল হ'ল। ইতিহাসৰ এই শুধৰণী-বিলাকে কোনো মতেই মাৰ্ক্সবাদৰ প্ৰতিষ্ঠাতাসকলৰ পুঁজিবাদী বিকাশৰ স্তৰ এৰাই গৈ বেলেগ বেলেগ দেশে আৰু জনগণে সমাজবাদলৈ উত্তৰণৰ সম্ভাৱনাৰ বিজয় কৰা উজ্জল ধাৰণাক লঘু নকৰে। এই ধাৰণাবিলাকৰ মূল্য এছিয়া আৰু আফ্ৰিকাৰ জনগণৰ বাবে জীৱনৰ অভিজ্ঞতাই বাৰে বাৰে সপ্ৰমাণ কৰিছে।

*কে. মাৰ্ক্স আৰু এফ, এঙ্গেলছ, নিৰ্ব্বাচিত গ্ৰন্থ ৰচনাৱলী তিনি খণ্ডত, খণ্ড নং ২, পৃ, ৪০৩-০৪।

লেনিনে অপুঁজিবাদী বিকাশৰ ধাৰণা সম্পৰ্কে দিয়া বিস্তৃত ব্যাখ্যা

কোনো দেশতে সমাজবাদী বিপ্লৱে জয় লাভ নকৰাৰ যি অৱস্থা উনৈশ শতিকাত চলি আছিল ,তেতিয়া মাৰ্ক্সবাদৰ প্ৰতিষ্ঠাতা-সকলে অৱশ্যেই, অপুঁজিবাদী বিকাশৰ নিৰ্দ্দিষ্ট আকাৰ আৰু বিষয় বস্তুৰ বৰ্ণনা দিব পৰা নাছিল। মাৰ্ক্স আৰু এঙ্গেলছে দূৰদৃষ্টিৰে দেখিছিল আৰু ইতিহাসেও প্ৰমাণ কৰিছে যে যিবোৰ দেশত প্ৰাক্‌-পুঁজিবাদী সম্পৰ্ক বিদ্যমান সেই দেশবোৰত অপুঁজিবাদী বিকাশ সম্ভৱ কেৱল মাত্ৰ যদিহে পুঁজিবাদতকৈ অধিক প্ৰগতিশীল এনে এটা সমাজ ব্যৱস্থা অৰ্থাৎ সমাজবাদী ব্যৱস্থা আগৰে পৰা বিৰাজ কৰে। কিন্তু এঙ্গেলছৰ কালত যেতিয়া এছিয়া আৰু আফ্ৰিকাৰ পিছ পৰা দেশসমূহৰ গতি কি হ'ব সেই সম্পৰ্কে এটা ছবি আঁকাৰ কথা আহি পৰিল তেতিয়া এঙ্গেলছে কব লগীয়াত পৰিল, "তেনেহলে এতিয়া কি সামাজিক আৰু ৰাজনৈতিক স্তৰ এই দেশসমূহে সমাজবাদী সংগঠন পোৱাৰ আগতে অতিক্ৰম কৰিব লাগিব? মোৰ মনেৰে সেই সম্পৰ্কে আজি আমি কিবা অভিমত ব্যক্ত কৰিলে সি অলীক অনুমানহে হব।"*

নতুন ঐতিহাসিক পৰিস্থিতিত—মহান অক্টোবৰ সমাজতান্ত্ৰিক বিপ্লৱৰ ঠিক আগৰ আৰু ইয়াৰ জয়লাভৰ পাছৰ পৰিস্থিতিত

*মাৰ্ক্স আৰু এঙ্গেলছ, নিৰ্ব্বাচিত আদান-প্ৰদান, পৃঃ ৩৫

লেনিনে নতুন নতুন নিষ্পত্তিকৰণ আৰু প্ৰস্তাৱনাৰে মাৰ্ক্সবাদ সমৃদ্ধ কৰিবলৈ সক্ষম হৈছিল। মাৰ্ক্স আৰু এংগেলছৰ ধাৰণাসমূহক তেওঁ বিকশিত কৰে, যি বিকশিত ধাৰণাসমূহৰ মতে জাতীয় ঔপনিবেশিক প্ৰশ্ন শ্ৰেণী সম্পৰ্ক আৰু শ্ৰেণী-সংঘৰ্ষৰ সাধাৰণ ঠাচতে পৰে। তেতিয়া বিশ্ব জুৰি পুঁজিবাদ ইয়াৰ সাম্ৰাজ্যবাদী স্তৰলৈ আগ বাঢ়ে আৰু মুক্তি আন্দোলনে এক বিশ্ব প্ৰক্ৰিয়াৰ চৰিত্ৰ ক্ৰমবৰ্দ্ধমানভাৱে লাভ কৰে। শেষ পৰ্য্যন্তই সমাজতন্ত্ৰৰ জয়লাভ ঘটায়। লেনিনে দেখুৱাইছে যে এনেকুৱা অৱস্থাত জাতীয় ঔপনিবেশিক সমস্যাৰ প্ৰধান উপাদান হৈ পৰে, ঔপনিবেশিক আৰু আধা-ঔপনিবেশিক শোষণৰ পৰিসমাপ্তি ঘটোৱা, আৰু জাতীয় মুক্তি আন্দোলন হৈ পৰে বিশ্ব বিপ্লৱী প্ৰক্ৰিয়াৰ অবিচ্ছেদ্য অঙ্গ।

মুক্তি বিপ্লৱ আৰু আন্তৰ্জাতিক শ্ৰমিকশ্ৰেণীৰ শ্ৰেণী সংগ্ৰাম একে সোঁতত মিলি যোৱা, আৰু এই মুক্তি বিপ্লৱসমূহৰ প্ৰতি বিজয়ী সমাজবাদী শক্তিবিলাকৰ আন্তৰ্জাতিক সমৰ্থনে পিছ পৰা দেশসমূহৰ বাবে সমাজতন্ত্ৰলৈ উত্তৰণৰ আৰু সাম্ৰাজ্যবাদৰ বিৰুদ্ধে চূড়ান্ত সংগ্ৰাম বিকাশৰ অতি গুৰুত্বপূৰ্ণ পূৰ্ব্ব-চৰ্ত্ত প্ৰস্তুত কৰি দিয়ে।

এখন দেশতে সমাজতন্ত্ৰৰ জয়লাভৰ নতুন ঐতিহাসিক পৰিস্থিতি তাৰ লগত খাপ খুৱাই মাৰ্ক্সবাদৰ বিকাশ সাধন কৰোঁতে লেনিনে পুঁজিবাদ এৰাই সমাজবাদৰ পিনে পিছপৰা জনগণে উত্তৰণ কৰাৰ সম্ভাৱনা সামৰি লৈ তাত্ত্বিক প্ৰস্তাৱনাৰ সূত্ৰ দাঙি ধৰিছিল। ১৯২০ চনত কমিন্টাৰ্ণৰ দ্বিতীয় কংগ্ৰেছত ভাষণ দিওঁতে তেওঁ ক'লে "প্ৰশ্নটো তোলা হৈছিল এই দৰে: এতিয়া মুক্তি অৰ্জনৰ পথত থকা পিছপৰা দেশসমূহ আৰু যুদ্ধৰ পাছৰ পৰা যি বিলাকৰ কেটামানত প্ৰগতিৰ পিনে অলপ-অচৰপ অগ্ৰগতি পৰিলক্ষিত হয় সেইবিলাক দেশে পুঁজিবাদী অৰ্থনৈতিক বিকাশৰ স্তৰ গ্ৰহণ কৰা অৱধাৰিত নে? আমি 'নহয়' বুলি কৈছিলো ....উন্নত দেশবিলাকৰ সৰ্বহাৰাসকলৰ সহায় লৈ, পিছপৰা দেশসমূহে সোভিয়েত

ব্যৱস্থালৈ যাব পাৰে আৰু পুঁজিবাদী স্তৰ অতিক্ৰম নকৰাকৈয়ে বিকাশৰ কেতবোৰ স্তৰৰ যোগেদি কমিউনিজম লৈকো যাব পাৰে।"*

এছিয়া, আফ্ৰিকা আৰু লাটিন আমেৰিকাৰ দেশসমূহৰ বিপুল সংখ্যাধিক্য জনগণৰ কাৰণে লেনিনৰ অপুঁজিবাদী বিকাশৰ ধাৰণাৰ আবিষ্কাৰে বিৰাট তাৎপৰ্য্য বহন কৰি আনে। ইয়াৰ মূল কথা হ'ল এয়ে যে সাম্ৰাজ্যবাদ আৰু সমাজবাদী বিপ্লৱৰ যুগত; পিছপৰা দেশবিলাকৰ জনগণে সমাজবাদ অৰ্জ্জন কৰিব পাৰে পুঁজিবাদী বিকাশৰ যোগেদি নহয়, বৰং ইয়াক অতিক্ৰম নকৰাকৈ অথবা প্ৰাথমিক অবস্থাত ইয়াক বিঘ্নিত কৰিছে।

১৯১৬ চনত লেনিনে লেখিছিল, "........অধিকাংশ দেশ আৰু পৃথিবীৰ সংখ্যাধিক্য মানুহে পুঁজিবাদী বিকাশৰ স্তৰ একেবাৰে পোৱা নাই অথবা কেবল মাত্ৰ পাইছে।"** আমাৰ দিনতো, যেতিয়া বৰ্ত্তমান কালৰ মূল বিষয় হৈছে বিশ্ব জোৰা পৰিসৰত পুঁজিবাদৰ পৰা সমাজবাদলৈ উত্তৰণ, তেতিয়া মনত ৰাখিব লাগিব যে স্তৰভেদে উপজাতীয় সম্পৰ্কৰ পৰা সামন্তবাদ আৰু ধনতন্ত্ৰবাদ তথা ইতিহাসসন্মত সকলো অথবা প্ৰায় সকলো আকৃতি আৰু গঠন দেখিবলৈ পোৱা যায়। এতিয়াও আমাৰ এই যুগত মানব-জাতিৰ প্ৰায় আধা, প্ৰধানতঃ এফ্ৰো-এছিয় জনগণ— যি অৱস্থাত বাস কৰে, তাত সামন্ততান্ত্ৰিক আৰু প্ৰাক্-সামন্ততান্ত্ৰিক সম্পৰ্কৰে প্ৰাধান্য, পুঁজিবাদৰ বিকাশৰ গতি দুৰ্ব্বল আৰু লাটিন এমেৰিকান মহাদেশত পৰিস্থিতি এনেকুৱা যত পুঁজিবাদী বিকাশ নানা মুখী, প্ৰাক্-পুঁজিবাদী কৃষি-সম্পৰ্কৰ লগত পাৰস্পৰিক ভাবে যুক্ত।

অপুঁজিবাদী বিকাশৰ লেনিনীয় ধাৰণা অবিমিশ্ৰভাৱে ঔপনিবেশিক জনগণৰ জাতীয় মুক্তি, সাম্ৰাজ্যবাদী অধীনতাৰ পৰা

---

*ভ. ই. লেনিন, "কমিউনিষ্ট আন্তৰ্জাতিকৰ দ্বিতীয় কংগ্ৰেছ" ৰচনা সংগ্ৰহ, খণ্ড ৩১, পৃঃ ২৪৪

**ভ. ই. লেনিন, "মাৰ্ক্সবাদৰ নামত এটি পৰিহাস," ৰচনা সংগ্ৰহ, খণ্ড ২৩, পৃঃ ৫৮-৫৯।

তেওঁলোকৰ মুক্তিৰ সমাজবাদৰ কাৰণে সংগ্ৰামৰ লগত যুক্ত কৰে। যিবোৰ দেশে সমাজবাদী পথ গ্ৰহণ কৰিছে সেইবোৰ দেশৰ অৰ্থনৈতিক পশ্চাৎপদতাৰ সমস্যা সমাধানৰ বাবে লেনিনে উলিওৱা পথ হৈছে অসীম গুৰুত্বপূৰ্ণ। লেনিনে সমাজবাদী বিপ্লৱৰ প্ৰয়োজনীয়তাৰ কাৰণে কাৰিকৰী আৰু আৰ্থিক বিশেষজ্ঞকৰণীয়তা অপৰিহাৰ্য্যভাবে প্ৰয়োজনীয় বুলি দাঙি ধৰা ধাৰণাৰ প্ৰচণ্ড বিৰোধিতা কৰে।

সকলোৱে জানে, কাৰ্ল কাউৎস্কি আৰু ৰুছীয় মেনছেভিকসকলে ভাবিছিল যে যিহেতু পুঁজিবাদ আৰু সাধাৰণভাবে উৎপাদনৰ শক্তিসমূহ তুলনামূলকভাৱে ৰুছিয়াত অনুন্নত, গতিকে ৰুছিয়া সমাজবাদৰ উপযোগী নাছিল আৰু সেই অৰ্থে বলছেভিকসকলে ইতিহাসক 'হেঁচি-ঠেলি আগ বঢ়াই দিয়াৰ প্ৰচেষ্টাত সৰ্ব্বহাৰাৰ বিপ্লৱ সাধন কৰি এক বিৰাট ধৰণৰ ভুল কৰিছিল। এইবিলাক সমালোচকৰ উত্তৰ দিওঁতে ১৯২৩ চনত প্ৰকাশিত তেওঁৰ চোকা প্ৰবন্ধ "আমাৰ বিপ্লৱ"ত লেনিনে ডাঠি কৈছিল, "পশ্চিম ইউৰোপৰ সামাজিক গণতন্ত্ৰৰ বিকাশৰ সময়ত এওঁলোকে, আমি এতিয়াও সমাজতন্ত্ৰৰ কাৰণে পৰিপক্ক হোৱা নাই, তেওঁলোকৰ কে'জনমান "পণ্ডিত" ভদ্ৰলোকে কোৱা মতে আমাৰ দেশত সমাজবাদৰ কাৰণে বাস্তৱ অৰ্থনৈতিক ভিত্তি প্ৰস্তুত হোৱা নাই, বিধৰ মুখস্থ কৰি কোৱা কথাবোৰ সীমাহীন গতানুগতিক যুক্তি।"[১] ৰুছিয়াৰ সমাজবাদী বিপ্লৱৰ পৰা লাভ কৰা অভিজ্ঞতাৰ ভিত্তিত সমাজবাদী বিপ্লৱৰ পূৰ্ব্ব প্ৰয়োজনীয় চৰ্ত্তসমূহৰ প্ৰসঙ্গত মাৰ্ক্সবাদী-লেনিনবাদী মৌলিক তত্ত্বাৱলী এটি এই দৰে প্ৰণালীবদ্ধ কৰিছিল: "যদি সমাজবাদ নিৰ্ম্মাণৰ কাৰণে নিৰ্দ্দিষ্ট স্তৰৰ সংস্কৃতিৰ প্ৰয়োজন (যদিও কোনেও কব নোৱাৰে সেই নিৰ্দ্দিষ্ট ধৰণৰ 'সাংস্কৃতিক স্তৰ" নো কি। আৰু, ই প্ৰত্যেক পশ্চিম ইউৰোপীয় দেশতে পৃথক পৃথক), তেনেহলে কিয় বিপ্লৱী কায়দাৰে সেই নিৰ্দ্দিষ্ট স্তৰৰ সংস্কৃতিৰ

উপযোগী পূর্ব্ব চৰ্ত্তসমূহ লাভ কৰা প্ৰথমতে আৰম্ভ কৰিব. নোৱাৰিম, আৰু তাৰ পিছতে শ্ৰমিক আৰু কৃষকৰ চৰকাৰ আৰু ছোভিয়েত ব্যৱস্থাৰ সহায়ত অন্যান্য দেশৰ সমকক্ষ হৈ আগ ন্যাবাঢ়িম ?" লেনিনে এটি উল্লেখনীয় দূৰদৃষ্টিসম্পন্ন দৃষ্টান্তেৰে নিবন্ধটিৰ সামৰণিত কৈছিল : "আমাৰ ইউৰোপীয় নিৰ্ব্বোধসকলে সপোনতো ভবা নাই যে বিপুল জনসংখ্যা আৰু সামাজিক অৱস্থাৰ অত্যাধিক বৈষম্য থকা প্ৰাচ্যৰ দেশবিলাকত পৰবৰ্ত্তী বিপ্লৱ সমূহে ৰুছ বিপ্লৱতকৈও নিঃসন্দেহে অধিক চমক লগাব ।"২

এনেকৈয়ে লেনিনে এই তথ্য প্ৰতিষ্ঠিত কৰে যে কোনো এটা অৰ্থনৈতিক স্তৰত সেই স্তৰ যদি আনকি উৎপাদন শক্তিসমূহৰ আৰু শ্ৰমৰ উৎপাদিকা শক্তিৰ উচ্চ বিকশিত স্তৰো হয়— তেতিয়াও সেইটোৰেই এটা সমাজব্যৱস্থাৰ ঠাইত আন এটা সমাজব্যৱস্থা আৰম্ভ কৰাৰ অতি আৱশ্যিক নিৰ্ণয়কাৰী শক্তি নহয় । আৰু তেনে ধৰণৰ স্থান গ্ৰহণৰ কাম আৰম্ভ হব পাৰে বিপ্লৱী ৰাষ্ট্ৰীয় ক্ষমতা বিপ্লৱেৰে দখল কৰা, নতুন ৰাজনৈতিক ব্যৱস্থাৰ অধীনত বিপ্লৱী উপায়েৰে এই প্ৰয়োজনীয় অৰ্থনৈতিক স্তৰ লাভ কৰাৰ প্ৰয়োজনীয় চৰ্ত্তাৱলী প্ৰস্তুতৰ দ্বাৰাহে । আন কথাত কবলৈ গলে জাতীয় গণতান্ত্ৰিক বিপ্লৱ আৰু সমাজবাদী বিপ্লৱত ইয়াৰ পৰিণতি হৈছে এনে এটা পথ, যি পথে ঔপনিৱেশিক যুঁৱলি-মুক্ত দেশবিলাকৰ বাবে পুঁজিবাদী বিকাশৰ স্তৰ এৰাই গৈ অথবা পুঁজিবাদী বিকাশৰ প্ৰক্ৰিয়াত ব্যাঘাত ঘটাই সমাজবাদলৈ উত্তৰণৰ বাট মুকলি কৰি দিয়ে।

অপুঁজিবাদী বিকাশৰ লেনিনবাদী ধাৰণাৰ অঙ্গ উপাদানবোৰ হ'ল, এছিয়া-এফ্ৰিকীয় দেশসমূহৰ কৃষক জনগণৰ ভূমিকা সম্পৰ্কে আৰু এই জনগণৰ মাজত কমিউনিষ্ট সকলৰ কাৰ্য্যকলাপ বিপ্লৱী গণতন্ত্ৰসেবীসকলৰ প্ৰগতিশীল ভূমিকা, আৰ্থিকভাৱে পিছপৰা দেশসমূহৰ অপুঁজিবাদী বিকাশৰ মাত্ৰা, বিপ্লৱী গণতন্ত্ৰসেবী পাৰ্টি-বিলাকৰ মাৰ্ক্সবাদী পাৰ্টিলৈ ৰূপান্তৰ, আৰু সদ্য স্বাধীন দেশবিলাকৰ

নিৰ্দিষ্ট পৰিস্থিতিত বিজ্ঞানসন্মত সমাজবাদৰ নীতিসমূহৰ প্ৰয়োগ সম্পৰ্কে লেনিনৰ তত্বগত সংজ্ঞা ।'

অপুঁজিবাদী বিকাশৰ শত্ৰুসকলে লেনিনৰ অপুঁজিবাদী বিকাশৰ ধাৰণা সমৰ্থনকাৰীসকলক এই যুক্তি প্ৰায় সদায় দোষাৰোপ কৰি থাকে যে তেওঁলোকে এছিয়া আৰু এফ্ৰিকীয় দেশসমূহৰ স্পষ্ট বৈশিষ্ট্য বিলাকৰ হিছাপ নলয় । যেনে, সেই দেশবিলাকত সৰ্ব্বহাৰা-জাতীয় উপাদানৰ সংখ্যা তাকৰ, শ্ৰমিক আন্দোলন দুৰ্ব্বল আৰু কমিউনিষ্ট পাটিবিলাকৰ কাৰ্য্যকলাপৰ কাৰণে কোনো ব্যাপক সামাজিক ভিত্তি নাই ।

এছিয়া আৰু আফ্ৰিকাৰ দেশবিলাকৰ পৰিস্থিতি সম্পৰ্কে লেনিন সম্পূৰ্ণৰূপে জ্ঞাত আছিল। কমিউনিষ্ট আন্তৰ্জাতিৰ দ্বিতীয় কংগ্ৰেছত দাখিল কৰা এটি প্ৰতিবেদনত তেওঁ কৈছিল, "এই দেশবিলাকত প্ৰাক্-পুঁজিবাদী সম্পৰ্কৰ প্ৰাবল্য এতিয়াও মূল, নিৰ্দ্ধাৰণকাৰী বৈশিষ্ট্য হোৱা হেতুকে নিভাজ সৰ্ব্বহাৰা আন্দোলনৰ কোনো প্ৰশ্ন উঠিব নোৱাৰে " তথাপি, তেওঁ এই তথ্যৰ পৰা এখোজ আগুৱাই গৈ কৈছিল "ছোভিয়েত সংগঠনৰ ধাৰণা অতি সাধাৰণ । ই অকল সৰ্ব্বহাৰাৰ ক্ষেত্ৰতেই প্ৰযোজ্য নহয়, আনকি কৃষকৰ সামন্ততান্ত্ৰিক আৰু আধা সামন্ততান্ত্ৰিক সম্পৰ্কৰ ক্ষেত্ৰতেই প্ৰযোজ্য ।"*

লেনিন বাৰে বাৰে পিছপৰা জনগণৰ অৱস্থাতো সৰ্ব্বহাৰাৰ ৰাষ্ট্ৰৰ নীতি সমূহ প্ৰয়োগৰ ধাৰণালৈ ঘূৰি আহিছিল । এ. চুলতান জাদেৰ সমাজবাদী বিপ্লৱৰ ভৱিষৎ সম্পৰ্কে" প্ৰতিবেদনৰ ওপৰত মন্তব্য প্ৰসঙ্গত তেওঁ কৈছিল, "ঔপনিবেশিক প্ৰাচ্যৰ দেশসমূহৰ স্বৰলৈকে ছোভিয়েত ব্যৱস্থাৱলী আৰু কমিউনিষ্ট পাৰ্টি (ইয়াৰ সভ্যপদ, বিশেষ কৰ্ত্তব্যসমূহ) দুয়োকে খাপ খুৱাব লাগিব ।"**

*ভ. ই. লেনিন। "কমিউনিষ্ট আন্তৰ্জাতিকৰ দ্বিতীয় কংগ্ৰেছ" ৰচনা সংগ্ৰহ, খণ্ড ৩১, পৃঃ ২৪২-৪৩ ।

**ভ. ই. লেনিন, "জাতীয় কমিউনিষ্ট পাৰ্টি (বলছেভিকসকল)ৰ কেন্দ্ৰীয় কমিটিৰ প্লেনামৰ বাবে খচৰা সিদ্ধান্ত ।" ৰচনা সংগ্ৰহ, খণ্ড ৪২, পৃঃ ২০২ ।

ছোভিয়েতৰ পূব আৰু উত্তৰ অঞ্চলৰ জনগণৰ অভিজ্ঞতাই এই সমস্যাৰ জবাব দিছে। প্ৰাক্-পুঁজিবাদী বিকাশৰ স্তৰত থকা পিছপৰা জনগণৰ অৱস্থাৰ লগত সমাজবাদী গঠনমূলক কামৰ সামঞ্জস্য বিধানৰ নিৰ্দ্দিষ্ট ধৰণ পৰিলক্ষিত হৈছে। প্ৰাচ্যৰ কমিউনিষ্ট সংগঠনবিলাকৰ দ্বিতীয় কংগ্ৰেছত ভাষণ দিওঁতে, লেনিনে নিম্নলিখিত পথনিৰ্দ্দেশ দি কৈছিল "… … ..কমিউনিষ্টসকলৰ সাধাৰণ তত্ব আৰু কৰ্ম্মৰ ওপৰত ভৰসা ৰাখি ইউৰোপীয় দেশবিলাকত যি পৰিস্থিতিৰ অস্তিত্ব নাই তেনে ধৰণৰ নিৰ্দিষ্ট পৰিস্থিতিতো আপোনালোকে সামঞ্জস্য বিধান কৰি চলিব পৰা হব লাগিব; সেই তত্ত্ব আৰু কৰ্ম্মক তেনে ধৰণৰ পৰিস্থিতিত প্ৰয়োগ কৰিব পৰা হব লাগিব যি পৰিস্থিতিত জনগণৰ বিপুল অংশই হৈছে কৃষক, আৰু সেই ক্ষেত্ৰত পুঁজিবাদৰ বিৰুদ্ধে সংগ্ৰাম নকৰি মধ্যযুগীয় অৱশিষ্টাংশৰ বিৰুদ্ধে সংগ্ৰামেই হব কৰ্ত্তব্য। সেয়া এক কঠিন আৰু নিৰ্দ্দিষ্ট কৰ্ত্তব্য …. … …পৃথিৱীৰ সৰ্ব্বাগ্ৰগণ্য সৰ্বহাৰাৰ সৈতে বহুত ক্ষেত্ৰত মধ্যযুগীয় অৱস্থাত থকা প্ৰাচ্যৰ মেহনতী আৰু শোষিত জনগণৰ এক বিশিষ্ট ধৰণৰ মৈত্ৰা আপোনালোকে দেখিবলৈ পাব।"*

সেই অনুসৰি, লেনিনৰ সিদ্ধান্ত আছিল, বৈজ্ঞানিক সমাজবাদৰ নীতিসমূহ এছিয়া আৰু আফ্ৰিকাৰ দেশসমূহৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে প্ৰযোজ্য। এই দেশবিলাকৰ প্ৰগতিশীল শক্তিবোৰে যাতে নীতিসমূহ পদ্ধতিগতভাৱে ব্যৱহাৰ কৰিব পাৰে সেইটোও তেওঁ দেখুৱাইছিল। লেনিনে শিকাইছিল জাতীয় বিভিন্নতাৰ অস্তিত্ব, অৰ্থনৈতিক আৰু সাংস্কৃতিক বিকাশৰ স্তৰৰ অসমতা, পুৰুষানুক্ৰমিক ধাৰাৰ চৰিত্ৰ আৰু অন্যান্য বৈশিষ্ট্যৰ কাৰণে বৈজ্ঞানিক সমাজবাদৰ নীতিসমূহ এনে ধৰণে প্ৰয়োগ কৰিব লাগিব যাতে" …. …..সঠিক ভাৱে এই নীতিবিলাক নিৰ্দ্দিষ্ট কিছু ক্ষেত্ৰত মোলায়েম, জাতীয় আৰু

*ভ্ৰ ই. লেনিন "প্ৰাচ্যৰ কমিউনিষ্ট সংগঠন সমূহৰ দ্বিতীয় কংগ্ৰেছ," ৰচনা সংগ্ৰহ, খণ্ড ৩০, পৃঃ ১৬১-১৬২

ৰাষ্ট্ৰগত পাৰ্থক্যৰ ক্ষেত্ৰতো শুদ্ধভাৱে খাপ খুৱাব আৰু প্ৰয়োগ"* কৰিব পৰা যায়।

লেনিনে উল্লেখ কৰিছিল যে কমিউনিষ্টসকলে বুৰ্জোৱা জাতীয়তাবাদৰ বাহন কৃষক জনগণৰ প্ৰতিনিধিসকলৰ লগ লাগি সফলভাৱে কাৰ্য্য সম্পাদন কৰিব পাৰে।

তেওঁ এছিয়া আৰু আফ্ৰিকাৰ দেশসমূহৰ বিপ্লৱী গণতন্ত্ৰী-সকলৰ প্ৰগতিশীল ভূমিকাত গুৰুত্ব দিছিল আৰু কমিউনিষ্টসকলৰ ফালৰ পৰা আহ্বান জনাইছিল সেই গণতন্ত্ৰীসকলক যিসকল "সৰ্ব্বহাৰাৰ পিনে আছে,"** সেই সকলৰ লগত এটা মৈত্ৰী বিচাৰিবলৈ, তেওঁলোকক পেটি-বুৰ্জোৱা বৈৰীতাৰ ভাৰ মুক্ত হোৱাত সহায় কৰিবলৈ আৰু বৈজ্ঞানিক সমাজবাদৰ অৱস্থান লোৱাত সুবিধা দান কৰিবলৈ। লেনিন তেওঁৰ "চীনত গণতন্ত্ৰ আৰু নাৰোদনিজম," নিবন্ধত চান-ইয়াৎ-চেন'ৰ গণতান্ত্ৰিক কাৰ্য্যক্ৰমৰ উল্লেখ কৰি লেখিছিল যে বিপ্লৱী গণতন্ত্ৰীসকল "............মনোগত ভাৱে সমাজবাদী, যিহেতু তেওঁলোক জনগণৰ নিৰ্য্যাতন আৰু শোষণৰ বিৰোধী।"***

এছিয়া আৰু আফ্ৰিকাত বিপ্লৱী প্ৰক্ৰিয়াৰ বিকাশে উপৰুক্ত সিদ্ধান্ত সম্পূৰ্ণৰূপে সমৰ্থন কৰে। সামাজিক গভীৰতা আৰু ব্যাপকতাত, বস্তুত এফ্ৰিকীয় দেশত জাতীয় গণতান্ত্ৰিক বিপ্লৱে খাঁটি ঔপনিবেশিকতা বিৰোধী বিপ্লৱৰ সীমা চেৰাই গৈছে। শাসক বিপ্লৱী গণতান্ত্ৰিক পাৰ্টিবোৰে ইতিমধ্যেই সাম্ৰাজ্যবাদৰ পৰা ৰাজ-নৈতিক আৰু অৰ্থনৈতিক মুক্তিৰ পথেদি কাৰ্য্যকলাপ আৰম্ভ

*ভ্লু. ই. লেনিন, "বামপন্থী সাম্যবাদ - শিশু সুলভ বিশৃঙ্খলা," ৰচনা সংগ্ৰহ খণ্ড ৩১, পৃঃ ৯২

**ভ্লু. ই. লেনিন "বামপন্থী সাম্যবাদ - শিশুসুলভ বিশৃঙ্খলা," ৰচনা সংগ্ৰহ, খণ্ড ৩১, পৃঃ ৭৫

***ভ্লু. ই. লেনিন "চীনত গণতন্ত্ৰ আৰু নাৰোদনিজম" ৰচনা সংগ্ৰহ, খণ্ড ৪৮, পৃঃ ১৬৬

কৰিছে। তেওঁলোকে সাম্ৰাজ্যবাদী একচেটিয়াপতিসকলৰ অৱস্থান নিশ্চিহ্ন কৰাৰ কামত অগ্ৰগতি সাধন কৰি আছে। ৰাষ্ট্ৰীয় খণ্ড বিকাশ ঘটোৱাৰ ভিত্তিত প্ৰগতিশীল জাতীয় অৰ্থনীতি গঢ়ি তুলিবলৈ ধৰিছে, সামাজিক অৰ্থনৈতিক সম্পৰ্কৰ ক্ষেত্ৰত ঔপনিবেশিক ঐতিহ্য অতিক্ৰম কৰিবলৈ ধৰিছে আৰু কৃষকসকলৰ বাৰ্ধিত কৃষি সমস্যাৰ সমাধান কৰি আছে।

অপুঁজিবাদী বিকাশৰ চৰিত্ৰ সম্পৰ্কে লেনিনে অনেক প্ৰস্তাৱনা আগবঢ়াইছে। এই বিকাশৰ অন্যতম যি প্ৰধান বৈশিষ্ট্য মূলক ঘটনা তেওঁ লক্ষ্য কৰিছিল সেইটো হৈছে "............সমাজবাদলৈ এটি ধীৰতৰ, অতি সতৰ্ক আৰু প্ৰণালীবদ্ধ উত্তৰণ"[৩] লেনিনৰ এই সিদ্ধান্ত স্পষ্টত; চীনৰ কমিউনিষ্ট পাৰ্টিৰ মাওবাদী নেতৃত্বৰ বৰ্ত্তমান "বামপন্থীসকলে" অৱজ্ঞা কৰিছে। তেওঁলোকে যিবোৰ দেশে অপুঁজিবাদী বিকাশৰ পথ লৈছে সেইবোৰ দেশে যাতে অৰ্থনৈতিক, সামাজিক আৰু অন্যান্য প্ৰয়োজনীয় চৰ্ত্তসমূহ পূৰণৰ আগতে সমাজবাদী ৰূপান্তৰৰ কাৰ্য্যক্ৰম গ্ৰহণ কৰে তাৰ বাবে যত্ন কৰি আছে। অথচ ইয়াৰ দ্বাৰা এই দেশবিলাকৰ সমাজ-প্ৰগতিৰ গুৰুতৰ ক্ষতি সাধনহে কৰা হব।

লেনিনৰ মতে, অপুঁজিবাদী বিকাশ নিজেই এটা উত্তৰণমূলক বিকাশৰ স্তৰ, সাম্ৰাজ্যবাদ বিৰোধী আৰু গণতান্ত্ৰিক ৰূপান্তৰ সাধনৰ এটি বহু পৰ্য্যায়যুক্ত প্ৰগতিশীল বিপ্লৱী প্ৰক্ৰিয়া যি প্ৰক্ৰিয়াই এখন দেশক সমাজবাদী সমাজ গঠনৰ স্তৰলৈ এখোজ এগোজলৈ আগ বঢ়াই লৈ আছে।

এয়ে হল অপুঁজিবাদী বিকাশৰ লেনিনবাদী ধাৰণাৰ মৌলিক নীতি। ই এনে এক ধৰণৰ যি বৈজ্ঞানিক সমাজবাদী তত্ত্বত অনন্যসাধাৰণ অৰিহণা যোগাইছে।

অপুঁজিবাদী বিকাশ আৰু বাস্তবক্ষেত্ৰত ইয়াৰ প্ৰয়োগ সম্পৰ্কে লেনিনবাদী তত্ত্বৰ সৃজনশীল বিকাশ

লেনিনে আগতেই দেখা পাইছিল এছিয়া, আফ্ৰিকা আৰু লাটিন আমেৰিকাৰ বিপ্লৱী প্ৰক্ৰিয়াৰ বিকাশে বৈজ্ঞানিক সমাজবাদৰ সন্মুখলৈ নতুন নতুন প্ৰশ্ন লৈ আহিব, যাৰ উত্তৰ মাৰ্ক্সবাদী-লেনিনবাদীসকলে দিবই লাগিব। তেওঁ দৃঢ় মত পোষণ কৰি কৈছিল যে শোষিত জাতিবিলাকে "বিভিন্ন ধৰণৰ গণতন্ত্ৰৰ প্ৰতি সমাজবাদলৈ উত্তৰণৰ বিভিন্ন ধৰণৰ প্ৰতি কিছু নিজস্ব ৰৰঙনি যোগাব,"* আৰু মাৰ্ক্সবাদী-লেনিনবাদীসকলৈ অপুঁজিবাদী বিকাশৰ তত্ত্ব আৰু কৰ্মৰ আৰু সৃজনশীল বিস্তৃত ব্যাখ্যা দিয়াত ৰৰঙনি যোগাবলৈ আহ্বান জনাইছিল। পৃথিবীৰ প্ৰগতিবাদী সমাজ বিজ্ঞানৰ সামগ্ৰিক গোষ্ঠীসকলো মাৰ্ক্সবাদী-লেনিনবাদী পাৰ্টিয়ে এই কাৰ্য্য হাতত লয়।

কমিউনিষ্ট আন্তৰ্জাতিকে বৈজ্ঞানিক সমাজবাদী তত্ত্বৰ বিকাশত বিৰাট অৱদান যোগায়। কমিউনিষ্ট আন্তৰ্জাতিকে অক্টোবৰ বিপ্লৱৰ পৰৱৰ্ত্তী সময়ৰ পৰা দ্বিতীয় বিশ্বযুদ্ধৰ সময়লৈকে আন্তৰ্জাতিক ঘটনাৱলী বিকাশৰ অপূৰ্ব্ব মাৰ্ক্সবাদী-লেনিনবাদী ব্যাখ্যাৰ ৰৰঙনি যোগাইছে। ১৯২৯ চনত কমিণ্টাৰ্নিৰ ষষ্ঠ কংগ্ৰেছত জাতীয় মুক্তি আন্দোলনৰ মৌলিক প্ৰশ্নবিলাকৰ সংক্ৰান্তত গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহ ৰচিত হৈছিল

*ভ্. ই. লেনিন। "মাৰ্ক্সবাদৰ ৰসিকতা," ৰচনা সংকলন, খণ্ড ২৩, পৃঃ ৭০

আৰু পিছপৰা দেশবিলাকৰ অপুঁজিবাদী বিকাশৰ বাস্তৱ সম্ভাৱনাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছিল।* সেই সময়ত, ছোভিয়েত মধ্য এছিয়াৰ প্ৰজাতন্ত্ৰবিলাকে আৰু মঙ্গোলীয়াই অপুঁজিবাদী পথেদি বিকাশ ঘটাই আছিল।

১৯৫০ চনৰ পিছৰ বছৰবিলাকত আৰু ১৯৬০ চনৰ আগৰ বছৰবিলাকত সাম্ৰাজ্যবাদৰ ঔপনিবেশিক ব্যৱস্থা ছেদেলি-ভেদেলি হৈ যায় আৰু নতুন স্বাধীন ৰাষ্ট্ৰসমূহ গঠিত হোৱা দেখা যায়। নবীন ৰাষ্ট্ৰসমূহে সামাজিক অৰ্থনৈতিক বিকাশৰ কোনটো বাট ল'ব তাক বাছি লোৱাৰ সমস্যাত পৰে।

১৯৬০ চনত অনুষ্ঠিত কমিউনিষ্ট আৰু শ্ৰমিক পাৰ্টি সমূহৰ সভাই তৃতীয় বিশ্বৰ দেশসমূহৰ পৰিস্থিতিৰ এটি সাৰগৰ্ভ অধ্যয়ন আৰু ব্যাখ্যা কৰে, আৰু এই সিদ্ধান্তলৈ আহে যে এই দেশবিলাকে অতি জটিল আৰু জৰুৰী সমস্যাবোৰৰ সমাধান পুঁজিবাদী বিকাশৰ ধাৰাত কৰিব নোৱাৰে। এই সভাই ইয়াৰ ঘোষণাটিত দৃঢ়ভাবে কয় "জনগণে কিন্তু দেখিবলৈ আৰম্ভ কৰিছে যে দীৰ্ঘদিনৰ পশ্চাদপদতা গুচোৱা আৰু তেওঁলোকৰ জীৱিকাৰ মান উন্নত কৰাৰ শ্ৰেষ্ঠ পন্থা হৈছে অপুঁজিবাদী বিকাশ।" '

কমিউনিষ্টসকলৰ আন্তৰ্জাতিক আলোচনা সভাই ইয়াৰ দলিল সমূহত উল্লেখ কৰিছে যে জাতীয় মুক্তি আন্দোলনৰ বৰ্তমান স্তৰত অপুঁজিবাদী বিকাশৰ আটাইতকৈ গ্ৰহণযোগ্য ৰূপ হ'ল জাতীয় গণতান্ত্ৰিক ৰাষ্ট্ৰ যে "একক জাতীয় গণতান্ত্ৰিক ফ্ৰন্ট আৰু ৰাষ্ট্ৰৰ সকলো দেশপ্ৰেমিক শক্তিৰ" আশা আকাঙ্ক্ষা ব্যক্ত কৰে। এই সিদ্ধান্ত অপুঁজিবাদী বিকাশৰ লেনিনবাদী ধাৰণাৰ সৃজনাত্মক বিকাশৰ ক্ষেত্ৰত এটি গুৰুত্বপূৰ্ণ অৱদান।

*কমিন্টাৰ্ণৰ ষষ্ঠ কংগ্ৰেছৰ ষ্টেনোগ্ৰাফিক প্ৰতিবেদন, সংখ্যা নং ৪, মস্কো ১৯২৯, পৃঃ ৬ (ৰুছীয় ভাষাত)

**১৯৫৬ চনৰ নৱেম্বৰ, মস্কো, ১৯৬০ চনৰ জুন বুখাৰেষ্টত, ১৯৬০ চনৰ নৱেম্বৰ মস্কোত অনুষ্ঠিত কমিউনিষ্ট আৰু শ্ৰমিক পাৰ্টি সমূহৰ প্ৰতিনিধিসকলৰ সভাৰ দলিলবোৰ, মস্কো ১৯৬৩, পৃঃ ৬৪

১৯৬৯ চনত জুন মাহত মস্কোত অনুষ্ঠিত হোৱা কমিউনিষ্ট আৰু শ্ৰমিক পাৰ্টিসমূহৰ আন্তৰ্জাতিক সভাই উল্লেখ কৰিছিল ঃ "আমাৰ কালৰ বিপ্লৱী পৰিস্থিতিৰ প্ৰভাৱত সদ্য স্বাধীন দেশবিলাকৰ প্ৰগতিশীল সামাজিক বিকাশৰ বৈশিষ্ট্যপূৰ্ণ ৰূপ দেখা গৈছে আৰু বিপ্লৱী আৰু গণতান্ত্ৰিক শক্তিবোৰৰ ভূমিকা বাঢ়ি গৈছে" "*

সভাখনিত ভাষণ দিওঁতে ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ সাধাৰণ সম্পাদক লিওনিদ ব্ৰেঝনেভে কয় "সদ্য স্বাধীন দেশবিলাকে বিকাশৰ কাৰণে মূলতঃ নতুন দিশতে খোজ দিবলৈ লৈছে ।"** সন্মিলনে এই তথ্য অনুধাৱন কৰিছে যে "বিগত দশকত এছিয়া, আফ্ৰিকা আৰু লাটিন আমেৰিকাৰ জনগণৰ সাম্ৰাজ্যবাদ বিৰোধী আন্দোলনৰ ভূমিকা বিশ্ব বিপ্লৱী প্ৰক্ৰিয়াত বৃদ্ধি পায়েই গৈছে। কেইখনমান দেশত, এই আন্দোলনে পুঁজিবাদ বিৰোধী উপাদান গ্ৰহণ কৰিবলৈ ধৰিছে " আৰু অতো-ধিক, "সামাজিক বিভিন্নতা সদ্যস্বাধীন দেশবিলাকত প্ৰস্ফুটিত হৈ আছে । একালে শ্ৰমিকশ্ৰেণী, কৃষক আৰু পেটি-বুৰ্জোৱাৰ দেশপ্ৰেমিক মনোভাবাপন্ন অংশ সহ অন্যান্য গণতান্ত্ৰিক শক্তিবিলাক আৰু আন ফালে সাম্ৰাজ্যবাদ আৰু দেশৰ ভিতৰৰ প্ৰতিক্ৰিয়াবাদী শক্তিবিলাক এই দুই শক্তিৰ মাজত তীব্ৰ দ্বন্দ্ব দেখিবলৈ পোৱা গৈছে ।" সন্মিলনে অপুঁজিবাদী বিকাশৰ পথক এনে এটা পথ হিছাপে বৰ্ণনা কৰিছিল যি পথে "সমাজবাদী বিকাশলৈ উত্তৰণৰ চৰ্তাৱলী" সৃষ্টিৰ সম্ভাৱনা দৃঢ় কৰে ।

১৯৭১ চনৰ মাৰ্চ্চ মাহৰ শেহত আৰু এপ্ৰিলৰ প্ৰথম ভাগত ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ ২৪তম কংগ্ৰেছ অনুষ্ঠিত

*কমিউনিষ্ট আৰু শ্ৰমিক পাৰ্টিবিলাকৰ আন্তৰ্জাতিক সন্মিলন, মস্কো ১৯৬৯ পৃঃ ২৮

**এল. আই. ব্ৰেঝনেভৰ - লেনিনৰ পথ ধৰি, মস্কো, ১৯৭২, পৃঃ ১৭৩

29200091A

হৈছিল। অপুঁজিবাদী বিকাশৰ লেনিনবাদী ধাৰণাই কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ প্ৰতিবেদনত, কংগ্ৰেছৰ প্ৰস্তাৱবোৰত আৰু প্ৰতিনিধিসকলৰ বক্তৃতা আদিত আৰু অধিক সৃজনাত্মক বহুল ব্যাখ্যা লাভ কৰে। কংগ্ৰেছে ইয়াৰ সিদ্ধান্তবিলাকৰ কাৰণে এছিয়া আৰু আফ্ৰিকাৰ কিছুমান দেশে ইতিমধ্যেই লাভ কৰা অপুঁজিবাদী বিকাশৰ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰে। ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিয়ে কংগ্ৰেছৰ সম্মুখত দাঙি ধৰা প্ৰতিবেদনত কৈছে: "............পশ্চাদপদ সামাজিক সম্পৰ্কৰ অপুঁজিবাদী নীতিসমূহৰ ভিত্তিত নব্য ঔপনিবেশিক শক্তি আৰু দেশৰ ভিতৰৰ প্ৰতিক্ৰিয়াবাদীসকলৰ অবিৰত আক্ৰমণ চলাই থকা অৱস্থাত প্ৰগতিবাদী গঢ় দিয়া ধেমালিৰ কথা নহয়। ই আৰু অধিক গুৰুত্বপূৰ্ণ এই কাৰণে যে এইবিলাক বাধা-বিঘিনি নেওচা দি এই ৰাষ্ট্ৰবোৰে লোৱা সমাজবাদী ৰূপান্তৰ তেওঁলোকে বাছি লোৱা পথেৰে আৰু অধিক আগ বাঢ়ি গৈছে।"* ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ ২৪তম কংগ্ৰেছে উলুকিয়াই দিয়ে যে বিশ্ব সমাজবাদী ব্যৱস্থাৰ গঠন আৰু দৃঢ়ীকৰণ ঐতিহাসিক বিকাশক দ্ৰুততৰ কৰাৰ শক্তিশালী অস্ত্ৰ হৈ পৰিছে, যাৰ ফলত বিশ্বজুৰি সমাজবাদে নতুন নতুন জয়লাভ কৰাৰ সম্ভাৱনা দেখা দিছে। সেয়ে উক্ত কংগ্ৰেছে বিশ্ব সমাজবাদী আৰু জাতীয় মুক্তি আন্দোলনৰ শক্তিসমূহৰ মাজত ভ্ৰাতৃত্বমূলক আন্তৰ্জাতিক মৈত্ৰীবন্ধন আৰু সুদৃঢ় কৰাৰ পিনে নিভাঁজ লেনিনবাদী পথ গ্ৰহণৰ ওপৰত অশেষ গুৰুত্ব আৰোপ কৰিছে।

বিগত দশকত মাক্সবাদী-লেনিনবাদী সমাজ-বিজ্ঞান অধ্যয়নৰ ক্ষেত্ৰত অপুঁজিবাদী বিকাশৰ সমস্যাৱলী চৰ্চা কৰাটো এটি অন্যতম কেন্দ্ৰীয় বিষয় হৈ পৰিছে। এই সমস্যাবোৰ বাৰে বাৰে 'ওৱাৰ্ল্ড মাৰ্ক্সিষ্ট ৰিভিউ' আলোচনীৰ দ্বাৰা আয়োজিত বিজ্ঞান সভাবিলাকত

*ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ ২৪তম কংগ্ৰেছ, মস্কো, ১৯৭১, পৃঃ ২৪

পৰীক্ষিত হৈছে। উক্ত আলোচনীয়ে অপুঁজিবাদী পথ আৰু ইয়াৰ সৃজনাত্মক বিকাশৰ লেনিনবাদী ভাবধাৰাত অনুপ্ৰাণিত অনেক নিবন্ধ প্ৰকাশ কৰিছে। ১৯৬৯ চনৰ মে মাহত গ্ৰেট ব্ৰিটেনৰ কমিউনিষ্ট পাৰ্টিয় পিছ-পৰা দেশবিলাকে কোন পথেদি বিকাশ লাভ কৰিব সেইবোৰ সমস্যা সংক্ৰান্তত এটি বিজ্ঞান সন্মিলন পৰিচালনা কৰিছিল। সেই বছৰৰে অক্টোবৰ মাহত আলমা আতা'ত লেনিন জন্ম শতবাৰ্ষিকীৰ নামত উৎসৰ্গীকৃত এখনি আন্তৰ্জাতিক আলোচনা চক্ৰত এই সমস্যাবিলাকৰ প্ৰতি দৃষ্টি আকৰ্ষিত হয়। ১৯৭১ চনৰ আগষ্ট মাহত ফ্ৰুঞ্জেত এখনি আন্তৰ্জাতিক আলোচনা অনুষ্ঠিত হৈছিল "মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰ সমূহৰ আৰু কাজাখস্তানক কৃষিক্ৰাৰ্য্যত ৰূপান্তৰ ঘটোৱাৰ অভিজ্ঞতা আৰু সদ্য স্বাধীন দেশবিলাকৰ কাৰণে ইয়াৰ গুৰুত্ব" শীৰ্ষক বিষয়টিৰ সংক্ৰান্তত। ১৯৭১ চনৰ ছেপ্টেম্বৰ মাহত ভাৰ্নাত (বুলগেৰিয়া) সমাজবাদীদেশবিলাকৰ আফ্ৰিকাবিশাৰদসকলৰ এখনি আন্তৰ্জাতিক সন্মিলন হৈছিল। তাত অপুঁজিবাদী বিকাশৰ সমস্যাবোৰ আলোচিত হৈছিল।

এই সন্মিলন আৰু আলোচনাচক্ৰবিলাকত দিয়া ব্যাখ্যা আৰু আলোচনাৰ পৰা আহৰণ কৰা সিদ্ধান্তসমূহৰ এটা হ'ল এয়ে যে অপুঁজিবাদী পথেদি বিকাশ লাভ কৰা দেশবিলাকৰ তিনিটা মূল দৃষ্টান্ত আছে। সেই বিলাক হ'ল :— ছোভিয়েত ইউনিয়নৰ মধ্য এছীয় প্ৰজাতন্ত্ৰ সমূহ। ইবোৰে অপুঁজিবাদী পথ গ্ৰহণ কৰিছিল। আৰু একক বহুজাতিক সমাজবাদী ৰাষ্ট্ৰগঠনৰ ভিতৰতে থাকি বিজয়ী ৰুছ শ্ৰমিকশ্ৰেণী আৰু অন্যান্য ছোভিয়েত সমাজবাদী সাধাৰণতন্ত্ৰৰ শ্ৰমিকশ্ৰেণীৰ প্ৰত্যক্ষ আৰু সামূহিক সহায় যোগে এখন সমাজবাদী সমাজ গঠন কৰিছিল ;

—মঙ্গোলীয় জনগণৰ সাধাৰণতন্ত্ৰখনৰ আৰু ছোভিয়েত ইউনিয়নৰ সীমান্ত উমৈহতীয়া আছিল আৰু উভয়ৰে মাজত পাৰস্পৰিক মৈত্ৰী আৰু সহযোগিতাৰ চুক্তি আছিল। মঙ্গোলীয়ই

পুঁজিবাদী বজাৰৰ ওপৰত নিৰ্ভৰ কৰা নাছিল আৰু তাত মাক্স্‌ৰ্বাদ লেনিনবাদৰ অৱস্থানত থকা মঙ্গোলীয় পিপলচ্‌ ৰেভ'লিউশ্যনেৰী পাৰ্টিৰ নেতৃত্বত সমাজবাদী ৰূপান্তৰ সাধিত হৈছিল।

এছিয়া আৰু আফ্ৰিকাৰ যি দেশবিলাকে অপুঁজিবাদী বিকাশৰ পথ অবলম্বন কৰিছে; ঔপনিবেশিক শোষণ মুক্ত হৈয়েই সেই দেশবিলাকে বিশ্ব পুঁজিবাদী বজাৰৰ কঠিন আৰ্থিক নিৰ্ভৰতাৰ মাজত এতিয়াও নিজকে দেখিবলৈ পাইছে। এই দেশবিলাকত অপুঁজিবাদী বিকাশৰ নেতৃত্ব আছে জাতীয় বিপ্লৱী গণতন্ত্ৰৰ শক্তিৰ পৰা, যি শক্তিয়ে অনেক মৌলিক প্ৰশ্নত বৈজ্ঞানিক সমাজবাদৰ ওচৰ চাপি আছে।

ওপৰত তালিকাভুক্ত অপুঁজিবাদী বিকাশৰ প্ৰতিটো দৃষ্টান্তৰে নিজ নিজ চাৰিত্ৰিক বৈশিষ্ট্য আছে আৰু এই দেশবিলাকৰ প্ৰতিখন দেশৰ জনসাধাৰণে সামাজিক আৰ্থিক পৰিবৰ্ত্তন সাধনত নিজ নিজ বৰঙনি যোগাইছে। এই সামাজিক আৰ্থিক পৰিবৰ্ত্তনৰ উপাদানে সেই দেশৰ বিকাশৰ ৰূপ, ব্যাপকতা আৰু গতি নিৰ্দ্ধাৰণ কৰিছে। তথাপি, এই গোটৰ দেশবিলাকৰ বিকাশত কেতবোৰ উমৈহতীয়া লক্ষণ আৰু নিয়মানুবৰ্ত্তিতা লক্ষ্য কৰা যায়। ছোভিয়েত বিজ্ঞানে এই নিয়মানুবৰ্ত্তিতা অধ্যয়নৰ প্ৰতি অধিক গুৰুত্ব প্ৰদান কৰে।

সাম্প্ৰতিক বছৰবিলাকত যি সকলে এই ক্ষেত্ৰত কাম কৰিছে সেই সকলৰ ভিতৰত আছে গৱেষণা বিশাৰদ বি, এন, পন'মাৰিয়ভ, ছোভিয়েত ইউনিয়নৰ বিজ্ঞান অধ্যয়নাগাৰৰ যোগাযোগৰক্ষী সদস্য ভি, এল, তিয়াগুনেঙ্কো, অধ্যাপক আৰ, এ, উলিয়ানভস্কি, ডি, এচ, চি (অৰ্থনীতি)। এই পণ্ডিতসকলে অপুঁজিবাদী বিকাশৰ লেনিনবাদী ধাৰণাৰ মাৰ্ক্সবাদী সংজ্ঞাৰ অনেক তাত্বিক বিশ্লেষণৰ ক্ষেত্ৰত বিৰাট বৰঙণি যোগাইছে। সংক্ষেপত, আমি অধ্যাপক আৰ, এ, উলিয়ানভস্কিৰ ৰচনাৱলীকে চাওঁ। মাৰ্ক্স, এঙ্গেলছ, আৰু লেনিনৰ

ৰচনাৱলীৰ সম্পৰ্কে এছিয়া আৰু আফ্ৰিকাৰ সমসাময়িক জীৱনৰ জটিল সামাজিক অস্বাভাবিকতাৰ প্ৰতি তেওঁৰ দ্বান্দ্বিক আৰু সৃজনাত্মক বিচাৰ, আৰু বিকাশৰ সাধাৰণ গতি লক্ষ্য কৰাৰ সামৰ্থ্য সম্পৰ্কে তেওঁৰ অগাধ জ্ঞানৰ সুনাম আছে। তৃতীয় বিশ্বৰ প্ৰগতিশীল লোকসকলৰ পৰা তেওঁৰ "বৈজ্ঞানিক সমাজবাদ আৰু মুক্তিপ্ৰাপ্ত দেশবিলাক" (১৯৬৮), "এছিয়া আৰু আফ্ৰিকাৰ দেশসমূহৰ অপুঁজিবাদী বিকাশৰ কেতবোৰ প্ৰশ্ন সম্পৰ্কে (১৯৬৯)", "আজিৰ অপুঁজিবাদীবিকাশৰ লেনিনবাদী ধাৰণা" (১৯৭০) আৰু "উন্নয়নশীল দেশবিলাকত অমাৰ্ক্সবাদী সমাজবাদৰ প্ৰতি মাৰ্ক্সীয় দৃষ্টিভঙ্গী" (১৯৭১) ইত্যাদিয়ে ব্যাপক আৰু সদৰ্থক আদৰণি পাইছে। বৰ্ত্তমান সুৰত অপুঁজিবাদী পথৰ চৰিত্ৰাঙ্কন কৰি ওৱাল্ড- মাৰ্ক্সিষ্ট ৰিভিউত উলিয়ানভস্কিয়ে লেখিছে যে মাৰ্ক্সীয় ধাৰণামতে ধৰি লোৱা হৈছে যে যি ৰাজনৈতিক শক্তি আৰু ৰাষ্ট্ৰসমূহে অপুঁজিবাদী পথ বাছি লৈছে সেইবিলাকে সমাজবাদ মুখী হৈছে সমাজবাদৰ পিনে আগ বাঢ়ি আছে যদিও আজি এতিয়ালৈকেও সমাজবাদ গঢ়ি তোলা নাই; কিয়নো ইয়াৰ বাবে সামাজিক আৰ্থিক, সাংস্কৃতিক আৰু ৰাজনৈতিকগতভাৱে যি বস্তুগত আৰু ভাবগত পূৰ্ব্বাবস্থাৰ প্ৰয়োজন সি এতিয়ালৈকেও গঢ় লোৱা নাই। এই পৰ্য্যায়ত অপুঁজিবাদী পথৰ অৰ্থ হ'ল প্ৰকৃত বিপ্লৱী ঠাচতে সমাজবাদৰ দীৰ্ঘলীয়া লক্ষ্য ৰাখি সুদূৰপ্ৰসাৰী, সাধাৰণ গণতান্ত্ৰিক পৰিবৰ্ত্তন সাধন। এই পথেদি হোৱা বিকাশ লাভে পৰবৰ্ত্তী সমাজবাদী স্তৰলৈ উত্তৰণত অধিক ব্যাঘাত সৃষ্টি নকৰি ইয়াৰ বাট মোকলাইহে দিয়ে। অপুঁজিবাদী পৰিবৰ্ত্তন সাধনৰ নেতৃত্ব দিছে বিপ্লৱী গণতন্ত্ৰীসকলে। ইসকল সাধাৰণতে পেটিবুৰ্জোৱা জাত প্ৰগতিবাদী। তেওঁলোকে মাৰ্ক্সবাদী-লেনিনবাদী আদৰ্শ সম্পূৰ্ণভাৱে গ্ৰহণ নকৰে, যদিও বা ইয়াৰ পৰা তেওঁলোকে বহুতোৱেই ধাৰ কৰিছে আৰু লিখিছে। আটাইতকৈ গুৰুত্বপূৰ্ণ হ'ল, তেওঁলোকৰ মতে, ঐতিহাসিক বিকাশৰ

প্ৰভাৱত বৈজ্ঞানিক সমাজবাদৰ ওচৰ চাপি অহা আৰু শিকাৰ আগ্ৰহ দেখুৱায়।

সকলো এফ্ৰো-এছীয় দেশৰ কাৰণে অপুঁজিবাদী বিকাশ সাৰ্ব্বজনীনো নহয়, বাধ্যতামূলকো নহয়। কিন্তু যিমান দূৰলৈকে এই উত্তৰণমূলক স্তৰ ঐতিহাসিক বাস্তৱৰূপে আৰু সামাজিক প্ৰগতিৰ মূল ভবিষ্যৎ হিচাপে কিছুমান দেশত দেখা গৈছে, সিমান দূৰ ইও ঐতিহাসিকভাৱে অৱধাৰিত যে বিপ্লৱী জাতীয় গণতান্ত্ৰিক ভাৱধাৰাই এটা নহয় ই এক ধৰণৰ চূড়ান্ত আৰু প্ৰগতিশীল ভূমিকা আগন্তুক দীৰ্ঘকালৰ কাৰণে সেইবোৰ দেশত পালন কৰিব।

এছিয়া আৰু আফ্ৰিকাৰ সদ্য স্বাধীন দেশবিলাকত অপুঁজিবাদী বিকাশৰ মাৰ্ক্সবাদী-লেনিনবাদী ধাৰণাই প্ৰগতিশীল বিপ্লৱী তত্ত্ব হিচাপে কাম কৰে। এই দেশবিলাকৰ বহুততে ই জীৱন্ত অভিজ্ঞতাত পৰিণত হবলৈ ধৰিছে। উন্নয়নশীল দেশবিলাকৰ বহুত প্ৰগতিবাদী নেতা আৰু পাৰ্টিয়ে ছোভিয়েত মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰসমূহ আৰু মঙ্গোলীয়াৰ অভিজ্ঞতাক নতুন জীৱন গঢ়ি তোলাৰ পথনিৰ্দ্দেশক ৰূপে ব্যৱহাৰ কৰি আছে আৰু যেতিয়াই কোনো জ্বলন্ত প্ৰশ্নই দেখা দিয়ে তেতিয়াই তাৰ উত্তৰো পাই আছে।

অধ্যায় ২

ছোভিয়েত মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰসমূহ আৰু মঙ্গোলীয়াৰ অপুঁজিবাদী বিকাশৰ অভিজ্ঞতা

সমাজবাদী ৰূপান্তৰ মুখী হৈ এছিয়া আৰু আফ্ৰিকাৰ দেশসমূহে এতিয়া অপুঁজিবাদী বিকাশৰ অভিজ্ঞতা অৰ্জ্জন কৰিবলৈ ধৰিছে। ছোভিয়েত মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰসমূহ আৰু মঙ্গোলীয়াই, অৱশ্যে ইতিমধ্যে অপুঁজিবাদী স্তৰ অতিক্ৰম কৰিলেই আৰু সমাজবাদী সমাজ গঠন কৰিলে। সেই প্ৰক্ৰিয়াৰ মাজেৰে যি বিৰাট অভিজ্ঞতা অৰ্জন কৰিলে সি অভূতপূৰ্ব্ব আন্তৰ্জাতিক গুৰুত্বসম্পন্ন। জনগণৰ সামাজিক আৰ্থিক বিকাশৰ স্তৰ নিৰ্ব্বিশেষে পুঁজিবাদী পথেদি নোযোৱাকৈও যে সমাজবাদলৈ উত্তৰণ কৰিব পাৰি—সেই কথা এইবোৰ দেশেই প্ৰথম হাতে কামে দেখুৱাই দিলে।

প্ৰথম অধ্যায়তে আমি উল্লেখ কৰিছো, ছোভিয়েত মধ্য এছিয়াৰ প্ৰজাতন্ত্ৰসমূহৰ আৰু মঙ্গোলীয়াৰ অপুঁজিবাদী বিকাশৰ লগত এছিয়া আৰু আফ্ৰিকাৰ কিছুমান দেশত এতিয়া যি অপুঁজিবাদী বিকাশ ঘটি আছে তাৰ মাজত সামাজিক উপাদান আৰু পৰিস্থিতি, দুয়ো কালৰ পৰাই পাৰ্থক্য বিদ্যমান।

১৯২০ চনৰ আগকালে যেতিয়া মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰসমূহ আৰু মঙ্গোলীয় জনগণৰ সাধাৰণতন্ত্ৰই অপুঁজিবাদী বিকাশৰ পথলৈ যাবলৈ ধৰিছিল, তেতিয়া পৃথিবীৰ বুকুত ছোভিয়েত ইউনিয়নে সমাজবাদ নিৰ্ম্মাণ কৰি থকা একমাত্ৰ দেশ আছিল। ই সমাজবাদী

অৰ্থনীতি গঠন প্ৰক্ৰিয়াত তেতিয়াও লিপ্ত হৈ আছিল আৰু সমাজবাদ নিৰ্ম্মাণৰ কোনো অভিজ্ঞতা নাছিল। ইয়াৰ আন্তৰ্জাতিক অৱস্থান আছিল অত্যন্ত কষ্টকৰ আৰু পুঁজিবাদে বেষ্টন কৰা অৱস্থাত থাকি ই সমাজবাদ নিৰ্ম্মাণ কৰিব লগা হৈছিল। অৱশ্যে, মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰসমূহে একক সমাজতান্ত্ৰিক ৰাষ্ট্ৰৰ মাজতে আছিল আৰু সেইবিলাকৰ ভিতৰত কমিউনিষ্টপাৰ্টিসমূহে কাম কৰি আছিল। ছোভিয়েত সমাজবাদী ৰাষ্ট্ৰই বাহিৰ আৰু ভিতৰৰ শত্ৰুবিলাকৰ পৰা এই প্ৰজাতন্ত্ৰসমূহক ৰক্ষণা বেক্ষণ দিছিল। অতি উচ্চ বিকশিত ছোভিয়েত সাধাৰণতন্ত্ৰবিলাকে (যেনে ছোভিয়েত ৰুছ ফেদাৰেছন, ইউক্ৰেনীয় ছোভিয়েত সমাজতান্ত্ৰিক সাধাৰণতন্ত্ৰ আদি উক্ত সাধাৰণ-তন্ত্ৰসমূহক আৰ্থিক পুঁজিগত আৰু কৰ্ম্মী সকলোধৰণৰ সহায় কৰিছিল। দেশৰ অন্যান্য অঞ্চলতকৈ মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰসমূহত দ্ৰুত গতিত আৰ্থিক বিকাশ ঘটিবলৈ ধৰে, যাতে তাৰ অধিবাসীসকলে দ্ৰুত পদক্ষেপে তেওঁলোকৰ আৰ্থিক আৰু সাংস্কৃতিক মান উন্নত কৰিব পাৰে। লগে লগে ই সমগ্ৰ ছোভিয়েত ইউনিয়ন জুৰি একে সময়তে সমাজবাদ সফল কৰি তোলাৰ বৈষয়িক আৰু কাৰিকৰী প্ৰাৰম্ভিক অৱলম্বনবিলাক গঢ়ি তোলাত সহায় কৰে।

মঙ্গোলীয়াৰ অপুঁজিবাদী বিকাশো ছোভিয়েত ইউনিয়নৰ লগত ব্যাপক সৰ্বতোমুখী সহায়তাৰে ৰূপায়িত হৈছিল। ছোভিয়েত ইউনিয়নৰ জনগণে মঙ্গোলীয়াক আৰ্থিক, ৰাজনৈতিক আৰু সামৰিক ক্ষেত্ৰত আন্তৰ্জাতিক সমৰ্থন দিছিল, আৰু ইয়াৰ ফলতে, দেশখন পুঁজিবাদী বজাৰৰ গ্ৰাসৰ পৰা মুক্ত হয়। মঙ্গোলীয় জনগণৰ বিপ্লৱী পাৰ্টিয়ে ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ লগত নিবিড় সম্পৰ্ক ৰাখি চলে।

সমাজবাদী ৰূপান্তৰমুখী এছিয়া আৰু আফ্ৰিকাৰ দেশসমূহ বহুত ক্ষেত্ৰত ভিন্নতৰ পৰিস্থিতিৰ মাজত আছে। উদাহৰণ স্বৰূপে দেশবিলাক আন্তৰ্জাতিক পুঁজিবাদী শ্ৰমবিভাজন ব্যৱস্থাৰ পৰা

বিচ্ছিন্ন মহল আৰু সেইবিলাকৰ বহুতেই এতিয়াও আৰ্থিকভাৱে পুঁজিবাদী বজাৰৰ ওপৰত নিৰ্ভৰশীল। ই সমাজবাদ নিৰ্মাণৰ কাৰণে প্ৰয়োজনীয় প্ৰাৰম্ভিক বৈষয়িক আৰু অন্যান্য প্ৰয়োজনীয় অৱলম্বন সৃষ্টিত নিঃসন্দেহে গুৰুতৰ বাধাৰ সৃষ্টি কৰে।

এছিয়া আৰু আফ্ৰিকাৰ দেশবোৰত সমাজতন্ত্ৰৰ কাৰণে চলা সংগ্ৰামত আৰু কেতবোৰ অসুবিধা আছে. এই অসুবিধাবোৰ সেই দেশৰ বৈশিষ্ট্যগত। বৈজ্ঞানিক সমাজতন্ত্ৰৰ ভাৱাদৰ্শ সম্পৰ্কে সচেতন হোৱা জনসাধাৰণৰ, আৰু সেই দেশবোৰৰ বিপ্লৱী গণতান্ত্ৰিক পাৰ্টিবোৰ বৈজ্ঞানিক সমাজতন্ত্ৰৰ অৱস্থানত উপনীত হোৱাৰ যি সামগ্ৰিক প্ৰক্ৰিয়া সি বিশ্ব-সাম্ৰাজ্যবাদে শক্তিশালী হেঁচা দিয়াৰ কাৰণে আৰু সমাজতন্ত্ৰৰ শক্তিসমূহৰ বিৰুদ্ধে চলোৱা সংগ্ৰামত দেশৰ ভিতৰৰ আৰু বাহিৰৰ প্ৰতিক্ৰিয়াশীল শক্তিবোৰে জাতীয়তাবাদী ভাৱাদৰ্শৰ ব্যাপক সুযোগ গ্ৰহণ কৰাৰ কাৰণে অধিক জটিল হৈ পৰিছে।

তথাপি, এছিয়া আৰু আফ্ৰিকাৰ অপুঁজিবাদী বিকাশৰ নিৰ্দিষ্ট বৈশিষ্ট্যই কোনো প্ৰকাৰে ছোভিয়েত মধ্য এছিয়াৰ দেশসমূহ আৰু মঙ্গোলীয়াৰ সমাজবাদী ৰূপান্তৰৰ অভিজ্ঞতা কামত ব্যৱহাৰ কৰাৰ পথ বিৰত কৰিব নোৱাৰে। লেনিনে এই কথাৰ ওপৰত জোৰ দিছিল যে "এই অভিজ্ঞতা .... ৰুছ বিপ্লৱ আৰু আন্তৰ্জাতিক সমাজবাদী বিপ্লৱ যিমান কষ্টকৰ ভাগ্যপৰিবৰ্তনৰ মাজেদি নেযাওক, কোনেও তাক কাঢ়ি লব নোৱাৰে। ইতিহাসত ই সমাজবাদৰ বিজয় বুলি চিহ্নিত হৈছে আৰু ইয়াৰ ওপৰত ভৱিষ্যৎ বিশ্ব বিপ্লৱে সমাজবাদী প্ৰাসাদ গঢ়ি তুলিব।"*

ছোভিয়েত মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰবিলাকে নিজ নিজ দেশৰ অৰ্থনীতি, সংস্কৃতি আৰু বিজ্ঞানৰ বিকাশ ঘটোৱাত উল্লেখযোগ্য

*ভ. ই. লেনিনৰ "অৰ্থনৈতিক পৰিষদৰ প্ৰথম কংগ্ৰেছত বক্তৃতা," ৰচনা সংগ্ৰহ, খণ্ড ২৭, পৃঃ ৪১৩

সাফল্য অৰ্জন কৰিছে। ইয়াতে এই দেশবিলাকৰ দৃষ্টান্ত বানৰ মহান শক্তি নিহিত; আনকি জনাদিয়েক সাম্ৰাজ্যবাদৰ তত্ত্ববাগীশ আৰু প্ৰচাৰবাগীশে এই তথ্য মানিবলৈ বাধ্য হৈছে। উদাহৰণ হিচাপে, জ্‌ভি কদি নামৰ পশ্চিম জাৰ্মানিৰ এগৰাকী বুৰ্জোৱা পণ্ডিতে স্বীকাৰ কৰে যে কমিউনিষ্ট পাৰ্টি আৰু ছোভিয়েত ৰাষ্ট্ৰই "বহুত জাতিৰ মানুহক ঐতিহাসিক মঞ্চত উপস্থিত কৰিছে, যাৰ ভিতৰত এনেকুৱা জাতিৰ মানুহো আছিল যি সকলে ছোভিয়েত শাসন ব্যৱস্থাৰ উদ্ভৱ নোহোৱা হ'লে পৃথিবীৰ পৰা দেখাদেখি কৈয়ে নিশ্চিহ্ন হৈ গ'লহেঁতেন...........আধা সামন্তবাদী, আধা-পিতৃতান্ত্ৰিক বিকাশৰ স্তৰৰ পৰা, যুগ-যুগৰ অনগ্ৰসৰতা আৰু যাযাবৰ বৃত্তিৰ পৰা এওঁলোকক আৰ্থিক আৰু সামাজিক প্ৰগতিৰ পথলৈ লৈ অহা হৈছে।*

ছোভিয়েত অভিজ্ঞতা অধ্যয়ন কৰা বিপ্লৱী গণতান্ত্ৰিক পাৰ্টি আৰু প্ৰগতিবাদী নেতৃবৃন্দৰ সংখ্যা বাঢ়িবলৈ ধৰিছে। ছোভিয়েত মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰ সমূহ আৰু মঙ্গোলীয়াৰ মূল্যবান অভিজ্ঞতা যান্ত্ৰিকভাৱে আমদানি কৰা অথবা অন্ধভাৱে অনুকৰণ কৰাৰ প্ৰশ্নই নহয়, বৰঞ্চ ইয়াৰ আচল অৰ্থ বুজি বাজি আৰু তাৰ পৰা জ্ঞান আহৰণ কৰি সদ্য স্বাধীন দেশবিলাকৰ বাস্তৱ অৱস্থাত যি খাপ খায় তাক প্ৰয়োগ কৰি সমাজবাদৰ কাৰণে আৰ্থিক আৰু সামাজিক প্ৰগতিৰ সংগ্ৰামক সহায় কৰাৰ প্ৰশ্নহে ইয়াত নিহিত। লেনিনে লিখিছিল: "কোন নিৰ্দিষ্ট ধৰণে প্ৰতিখন দেশে এটি

---

*জন জ্‌ভি কদি, "নেছনালিভাৰ্টে প্ৰোবলেম এণ্ড নেছনালিভাৰ্টে পলিটিক ইন দাৰ ইউ এচ এচ আৰ" - জেইৎচ্ৰিফট ফাৰ পলিটিক'ত প্ৰকাশিত, কলোন বাৰ্লিন, চেপ্তেম্বৰ, ১৯৬২, খণ্ড ৩, পৃঃ ২৩৩

নির্দ্দিষ্ট আন্তর্জাতিক কর্ত্তব্য সম্পাদন কৰিব তাকে বিচাৰি, পৰীক্ষা কৰি, আগতে কৰ পৰাকৈ আৰু ঠিক ঠিক ভাবে ধৰিব পৰাকৈ জাতীয় বৈশিষ্ট্য আৰু জাতীয় স্বাতন্ত্ৰতা উলিওৱা.... ..সেইটোৱেই হৈছে ঐতিহাসিক যুগত চলি থকা সকলো অগ্ৰসৰ দেশৰ (আৰু কেৱল সেইবিলাকে নহয়) মূল কৰ্ত্তব্য।"*

*দ্ৰ: ই. লেনিন, "বামপন্থী সাম্যবাদ শিশুসলভ বিশৃঙ্খলা," ৰচনা সংগ্ৰহ, খণ্ড ৩১, পৃ: ৯২

অপুঁজিবাদী বিকাশৰ পৰ্য্যায় আৰম্ভণিৰ পূৰ্ব্বে ছোভিয়েত মধ্য এছিয়াৰ সামাজিক আৰ্থিক বিকাশৰ স্তৰ

১৯৭১ চনৰ আগষ্ট মাহত ফ্ৰুঞ্জেত ছোভিয়েতৰ পূৰ্ব্বাঞ্চলৰ সাধাৰণতন্ত্ৰ সমূহৰ কৃষি-ৰূপান্তৰৰ অভিজ্ঞতা অধ্যয়নৰ কাৰণে নিয়োজিত এখনি আন্তৰ্জাতিক বৈজ্ঞানিক আলোচনা চক্ৰত চোমালিয়াৰ ৰাষ্ট্ৰীয় যোজনা মন্ত্ৰণালয়ৰ প্ৰধান পৰিচালক মিঃ জামা বাৰিলে ঘোষণা কৰে: "ছোভিয়েত প্ৰজাতন্ত্ৰ সমূহ আধুনিক ৰাষ্ট্ৰবিলাকৰ স্তৰ পাইছেহি। অথচ আমাৰখন দেশ অক্টোবৰ সমাজতান্ত্ৰিক বিপ্লৱৰ পূৰ্ব্বে উক্ত সাধাৰণতন্ত্ৰসমূহ যি স্তৰত আছিল সেই স্তৰতে আছে। আজিৰ মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰসমূহত আমাৰ দেশৰ ভৱিষ্যৎ দেখিবলৈ পাইছোঁ।"*

অপুঁজিবাদী বিকাশৰ ছোভিয়েত অভিজ্ঞতাৰ আকৰ্ষণ বৃদ্ধি পাইছে এই ঘটনাৰ ফলতে যে ছোভিয়েত প্ৰাচ্যৰ সাধাৰণতন্ত্ৰসমূহৰ সাম্প্ৰতিক অতীত বহুত ক্ষেত্ৰত বৰ্ত্তমানৰ সদ্য স্বাধীন দেশবিলাকৰ সমতুল্য আছিল আৰু এইবিলাকৰ সামাজিক আৰ্থিক গাঁথনি সদ্য স্বাধীন দেশবিলাকে স্বাধীনতা পোৱাৰ আগতে থকা অৱস্থাৰ প্ৰায় ওচৰাউচৰি আছিল। ১৯১৭ চনত কছিয়াৰ ৬৫,০০০,০০০ নিযুত অৰুছীয় জনসংখ্যাৰ প্ৰায় ২৫,০০০,০০০ নিযুতে প্ৰাক্-পুঁজিবাদী বিকাশৰ স্তৰত আছিল, জনজাতীয় ধৰণৰ জীৱন যাপন কৰি

---

*ছোভিয়েত কিৰঘিজিয়া, আগষ্ট ২৭, ১৯৭১

কৰি আছিল আৰু আধা-পিতৃতান্ত্ৰিক আৰু সামন্ততান্ত্ৰিক ধৰণৰ উৎপাদন পদ্ধতি অৱলম্বন কৰি আছিল।* এই জনসংখ্যাৰ বৃহৎ অংশই মধ্য এছিয়া আৰু কাজাখস্তানত বাস কৰিছিল। ১৯শ শতিকাৰ দ্বিতীয়াৰ্দ্ধত ৰুছীয় জাৰ সাম্ৰাজ্যৰ উপনিৱেশত পৰ্য্যবসিত কৰা হয়।

মধ্য এছিয়াৰ গাঁওসমূহত মূল শোষক আছিল 'বাই'। সম্পত্তিবান কৃষক আৰু ক্ষুদ্ৰ সামন্তপ্ৰভুৰ সংমিশ্ৰণত গঠিত এই 'বাই'। 'বাই'এ নিজৰ ঘৰুৱা কাম কাজ চলাইছিল মূলতঃ "নিতাগ্ৰাৰ" (চাইৰিকাৰ) সকলৰ শ্ৰম আৰু কিছু কম পৰিমাণে ভাৰাত-খটা শ্ৰমিক (মাৰআদিকাৰ) লগাই। "বাই" সকলে কৃষক সকলক শোষণ কৰাত প্ৰধানতঃ প্ৰাক্-পুঁজিবাদী শোষণৰ পদ্ধতি কামত লগাইছিল (মেতায়েজ ভাৰা, সুতখোৰা ইত্যাদি)। ১৯১৬ চনত তুৰ্কেস্থানৰ অধিষ্ঠিত কৃষিব্যৱস্থাত শতকৰা ৬০ ভাগ আছিল দুখীয়া কৃষকৰ পাম, ২৪.৪ ভাগ আছিল মজলীয়া খেতিয়কৰ পাম, ১৩ ভাগ আছিল "বাই" সকলৰ গাৰ্হস্থ্য পাম আৰু ০.১ ভাগ আছিল বৃহৎ মাটিমালিক ধৰণৰ পাম। গাওঁলীয়া জীৱনৰ শতকৰা ৩০ ভাগৰ অধিক আছিল যাযাবৰ বৃত্তিৰ মানুহ। এওঁলোকৰ ১১২ ভাগৰ কোনো জীৱ-জন্তুজাতীয় সম্পত্তি নাছিল। পক্ষান্তৰে সামন্ত প্ৰভুসকল আৰু "বাই" সকলে জীৱ-জন্তুজাতীয় সম্পত্তিৰ শতকৰা ৩৫ ৰ পৰা ৪০ ভাগৰ গৰাকী আছিল।** জীৱ-জন্তু লালন পালনৰ পৰ্ব্বত আৰু গছ-গছনি নথকা তৃণ-ভূমি অঞ্চল বিলাকত জনজাতীয় সমাজ সংগঠন দৃঢ়বদ্ধ আছিল, বুখাৰা আৰু খীভা খানাতেৰ আমিৰ নিয়ন্ত্ৰিত অঞ্চলত সামন্তযুগীয় উৎপাদন সম্বন্ধ আছিল প্ৰৱল আৰু প্ৰজাসকলৰ ওপৰত যথাক্ৰমে শাসক-সকলৰ আছিল একপ্ৰকাৰ অবাধ ক্ষমতাৰ আধিপত্য।

*বৈজ্ঞানিক সাম্যবাদৰ মূলতত্ত্বসমূহ, মস্কো ১৯৬৬, পৃঃ ২৭৯ (ৰুছীয় ভাষাত)
**ছোভিয়েত কিৰঘিজিয়া, আগষ্ট ২৪, ১৯৭১

মধ্য এছিয়া আৰু কাজাখস্তানৰ জনজাতীয়, আদিম সমাজ ব্যৱস্থা আৰু পিতৃতান্ত্ৰিক সামন্তযুগীয় সম্বন্ধ ৰুছীয় ৰাজধানীৰ শোষণত জটিলতা লাভ কৰিছিল। ৰুছীয় ঔপনিবেশিকসকলে উৎকৃষ্ট মাটি দখল কৰি লৈছিল আৰু এই মাটি স্থানীয় কৃষকসকলক খাজনালৈ দিছিল অথবা পমুৱাসকলক দিছিল। বৈৰাম আলী অঞ্চলত, ১ম নিকোলাচৰ ১০৪,০০০ হেক্টাৰ জেচিয়াতিনা ব্যক্তিগত উৰ্ব্বৰ মাটি আছিল, যাৰ সিঞ্চন ব্যৱস্থাৰ কাৰণে মুৰঘৰ নদীৰ ওপৰত কেতবোৰ জলাশয় আৰু জল-সংৰক্ষণ কেন্দ্ৰ নিৰ্মিত হৈছিল। এই মাটি খাজনালৈ দিয়া হৈছিল। কিন্তু খাজনাত মাটি খোৱা-সকলে এই মাটিত কেবল কপাহ খেতিহে কৰিবলৈহে দিয়া হৈছিল আৰু তাক কপাহ-গুটি গুচোৱা আৰু কপাহ তেল তৈয়াৰ কৰা প্ৰতিষ্ঠানক কম দামত বেচিবলৈ বাধ্য কৰোৱা হৈছিল।*

জাৰতান্ত্ৰিক ৰুছিয়াত পুঁজিবাদী বিকাশে ঔপনিবেশিক উপকণ্ঠতো কিছু প্ৰভাব পেলাইছিল। ক্ষুদ্ৰাকাৰ পণ্য উৎপাদন আৰু পণ্য মুদ্ৰা সম্পৰ্ক আৰু পুঁজিবাদী আৰু সামন্তবাদী শোষণ অঙ্গাঙ্গীভাৱে মধ্য এছিয়াৰ গাঁওসমূহত বিকাশ লাভ কৰিছিল। যদিও মহান অক্টোবৰ সমাজবাদী বিপ্লৱৰ সময়ত প্ৰধানতঃ তুৰ্কীয় জনগণৰ ২০ লক্ষাধিক মানুহে পুঁজিবাদী বিকাশৰ স্তৰৰ পৰাও সম্পূৰ্ণ সম্পৰ্কহীন হৈ আছিল। মধ্য এছিয়া আৰু কাজাখস্তানৰ জনগণৰ একপ্ৰকাৰ কবলৈ গলে নিজ শিল্পভিত্তিক সৰ্ব্বহাৰা নাছিলেই। তেওঁলোকৰ অধিকাংশই সামন্ততান্ত্ৰিক পৰাধীনতাৰ জালত আবদ্ধ হৈ আছিল। পশু পালনত লিপ্ত আছিল আৰু তেওঁলোকৰ দলপতিগত জনজাতীয় জীৱন পদ্ধতি ৰক্ষা কৰি গৈছিল। তেওঁলোকৰ আৰ্থিক সাংস্কৃতিক স্তৰ অত্যন্ত তল খাপৰ আছিল। দাৰিদ্ৰতা, ক্ষুধা আৰু নিৰক্ষৰতাৰ প্ৰাবল্য আছিল। ১৮৯৭ চনৰ

---

*বি. ওভেজভৰ লেনিনে দেখোৱা পথেদি, আচখাবাদ, ১৯৬৪, পৃঃ ১৫ (ৰুছীয় ভাষাত)

লোক পিয়ল মতে ৰুছ সাম্ৰাজ্যৰ জনগণৰ মাজত নিৰক্ষৰতাৰ মাত্ৰা আছিল শতকৰা ৮০'৪ ভাগ; তাজিকসকলৰ মাজত আকৌ ই শতকৰা ৯৯'৫ ভাগ আছিল; কিৰঘিজসকলৰ মাজত আছিল ৯৯'৪ ভাগ; তুৰ্কমেনসকলৰ মাজত ৯৯'৩ ভাগ; কাজাখসকল ৯৮ ভাগ; আৰু উজবেকসকল ৯৮'৫ ভাগ।*

মধ্য এছিয়াৰ জনগণৰ ক্ষেত্ৰত জাৰতন্ত্ৰই প্ৰতিক্ৰিয়াশীল ঔপনিবেশিক নীতি গ্ৰহণ কৰি আছিল। ৰুছ কমিউনিষ্ট পাৰ্টিৰ (বলছেভিক) ১০ম কংগ্ৰেছে ৰুছিয়াৰ জাতীয় বহিৰ্ভূত অঞ্চলত জাৰ চৰকাৰে গ্ৰহণ কৰা নীতিৰ নিম্নলিখিত বৰ্ণনা দিছিল; "এই জনগণৰ ক্ষেত্ৰত জাৰতন্ত্ৰৰ, ভূ-স্বামীসকলৰ আৰু বুৰ্জোৱাসকলৰ নীতি আছিল তেওঁলোকৰ মাজত যি কোনো ধৰণৰ ৰাষ্ট্ৰীয় সত্তাবোধৰ বিকাশ নষ্ট কৰা, তেওঁলোকৰ সংস্কৃতি খৰ্ব কৰা, তেওঁলোকৰ ভাষাৰ ক্ষেত্ৰত বাধা দিয়া আৰু তেওঁলোকক অজ্ঞ কৰি ৰখা .... এই নীতিৰ পৰিণতি স্বৰূপ এই জনগণ অবিকশিত আৰু ৰাজনৈতিক ভাবে অনগ্ৰসৰ হৈ আছিল।"**

কিন্তু মধ্য এছিয়াৰ নিষ্পেষিত জনগণ অকলশৰীয়া নাছিল। ৰুছ বিপ্লৱী গণতন্ত্ৰীসকল আৰু ৰুছিয়াৰ সমগ্ৰ প্ৰগতিশীল শক্তি তেওঁলোকৰ নিস্বাৰ্থ মিত্ৰ আছিল। তেওঁলোকৰ পক্ষ লৈছিল শ্ৰমিক, কৃষক আৰু প্ৰগতিশীল বুদ্ধিজীৱীসকলৰ গণতান্ত্ৰিক ৰুছিয়া। তেওঁলোকৰ জাতীয় আৰু সামাজিক মুক্তিৰ সংগ্ৰামত মধ্য এছিয়াৰ জনগণে লেনিন পৰিচালিত ৰুছ বিপ্লৱী সৰ্ব্বহাৰাৰ ভিতৰত এক দৃঢ় মিত্ৰ দেখা পাইছিল।

---

*জি. ভি. ক্ৰিধেৰী ৰচিত ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ জাতীসমূহ সম্পৰ্কে গ্ৰহণ কৰা নীতি সম্পৰ্কে অপপ্ৰচাৰৰ বিৰুদ্ধে - মস্কো ১৯৬৪, পৃঃ ২৩-২৪ (ৰুছ ভাষাত)

**ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টি কংগ্ৰেছ সন্মিলন আৰু কেন্দ্ৰীয় কমিটি প্লেনাম আদিত গৃহীত প্ৰস্তাৱ আৰু সিদ্ধান্তসমূহ, খণ্ডনং ১, মস্কো, ১৯৫৩, পৃঃ ৫৫৮-৫৯ (ৰুছ ভাষাত)

মহান অক্টোবৰ বিপ্লৱে অপুঁজিবাদী বিকাশৰ পথ মুকলি কৰি দিছিল

মধ্য এছিয়া আৰু কাজাখ্স্থান সহ সকলো জনগণৰ জীৱনৰ গতি-ধাৰাত মহান অক্টোবৰ সমাজবাদী বিপ্লৱে পৰিবৰ্ত্তন কৰি দিয়ে। এই বিপ্লৱে মধ্য এছিয়াৰ জনগণক সমাজ বিকাশৰ এনেকুৱা পথলৈ লৈ আহে যি পথে তেওঁলোকক সামন্তবাদী আৰু আধা-সামন্তবাদী সম্পৰ্কৰ পৰা পুঁজিবাদী বিকাশৰ স্তৰ অতিক্ৰম নকৰাকৈয়ে সমাজবাদলৈ লৈ যায়।

এই জনগণৰ অপুঁজিবাদী বিকাশৰ বাবে কৰণীয় প্ৰধান প্ৰাথমিক কামবিলাক আছিল জাতীয় প্ৰশ্নৰ সমাধান আৰু জাতীয় ৰাষ্ট্ৰীয় সত্তাৰ প্ৰতিষ্ঠা। তেওঁলোকৰ সৰ্ব্বতোমুখী আৰ্থিক আৰু সাংস্কৃতিক বিকাশৰ বাবে যি ৰাজনৈতিক পৰিবেশৰ প্ৰয়োজন তাক জাতীয় আত্মনিয়ন্ত্ৰণাধিকাৰে আনি দিয়ে, শ্ৰেণী বৈষম্যৰ প্ৰক্ৰিয়াক ত্বৰান্বিত কৰে আৰু তেওঁলোকৰ প্ৰকৃত অসমতা দূৰীকৰণত সহায় কৰে।

পূৰ্ব্বৰ ৰুছ সাম্ৰাজ্যত জনগণৰ বহুতো ৰাষ্ট্ৰীয় সত্তাৰ পৰা বঞ্চিত হৈছিল। জাৰ চৰকাৰে মধ্য এছিয়া আৰু কাজাখস্তানৰ জনগণৰ অনৈক্য সংৰক্ষণৰ নীতি গ্ৰহণ কৰিছিল, জাতীয় আত্ম-চেতনাবোধৰ বিকাশ আৰু জাতীয় মুক্তি আন্দোলনৰ বৃদ্ধিত বাধা দানৰ নীতি গ্ৰহণ কৰিছিল। যিবোৰ অঞ্চলত উজবেক, তাজিক,

তুৰ্কমেন, কিৰঘিজ আৰু কাজাখ্ লোকসকল বাস কৰিছিল সেই অঞ্চলবিলাকক জাতিসংক্ৰান্ত নীতিলৈ আওকাণ কৰি প্ৰশাসনিক জিলাত বিভক্ত কৰা হয়। এই লোকসকলৰ ওপৰত জাৰতন্ত্ৰই আৰু ৰুছ বুৰ্জোৱাসকলে জাতীয় নিৰ্য্যাতন চলায়।

মহান অক্টোবৰ সমাজবাদী বিপ্লৱে মাৰ্ক্স্বাদ-লেনিনবাদৰ এটা মৌলিক নীতি কাৰ্য্যত ৰূপায়িত কৰে: জাতীয় নিৰ্য্যাতনৰ অৱসান, জনগণৰ মাজত ঐক্য আৰু মৈত্ৰী গঢ়ি তোলাৰ বাবে উৎপাদনৰ উপকৰণ সমূহৰ ওপৰত ব্যক্তিগত পুঁজিবাদী মালিকীস্বত্বজনিত মানুহে মানুহক শোষণ কৰাৰ পুঁজিবাদী ব্যৱস্থা ধ্বংস সাধনৰ প্ৰয়োজন। আন কথাত, নিৰ্য্যাতনৰ অৱসানৰ নিমিত্তে যি ব্যৱস্থাই সেই নিৰ্য্যাতনক উৎপত্তি ঘটায় তাৰ অৱসান ঘটাবই লাগিব। "যি পৰিমাণে" মাৰ্ক্স্ এঙ্গেলচে লেখিছিল, "এক ব্যক্তিৰ দ্বাৰা আন ব্যক্তিৰ শোষণৰ অৱসান অনা যাব, সেই পৰিমাণে এক জাতিৰ দ্বাৰা আন জাতিৰ শোষণৰো অৱসান ঘটিব। জাতীয় গোষ্ঠীৰ ভিতৰত যি পৰিমাণে শ্ৰেণীসমূহৰ মাজত সংঘাত নাইকিয়া হব, সেই পৰিমাণে এটা জাতিয়ে আন এটা জাতিৰ বিৰুদ্ধে শত্ৰুতা কৰাৰো অৱসান ঘটিব।"*

সকলো জাতিৰ মেহনতী মানুহে স্বাৰ্থৰ একতা গঠন নকৰিলে আৰু এই একতা লাভ কৰিবলৈ পুঁজিবাদৰ অধীনত থকা মানুহৰ দ্বাৰা মানুহৰ শোষণৰ আৰু একজাতীয় লোকৰ দ্বাৰা আন জাতীয় লোকৰ শোষণৰ সৃষ্টি কৰা সম্পত্তিৰ সম্পৰ্ক ধ্বংস নকৰাকৈ সমাজবাদ প্ৰতিষ্ঠা কোনো দেশতে সম্ভৱ নহয়। সমাজবাদে উৎপাদনৰ উপকৰণ সমূহৰ ওপৰত থকা ব্যক্তিগত পুঁজিবাদী মালিকানাৰ ঠাইত ৰাষ্ট্ৰীয় আৰু ৰাজহুৱা মালিকানা স্থাপন কৰে আৰু কৃষক, ক্ষুদ্ৰ শিল্পী আৰু কাৰিকৰসকলৰ উৎপাদনৰ উপকৰণ সমূহৰ ক্ষুদ্ৰ মালিকানাক

---

*ক. মাৰ্ক্স্ আৰু এফ. এঙ্গেলচ, ৰচনা সংগ্ৰহ, তিনি খণ্ডত, খণ্ড নং ১ পৃঃ ১২৫

সমবায় ভিত্তিক সমাজবাদী সম্পত্তিলৈ ৰূপান্তৰিত কৰে। এই দৰে জনগণৰ মাজত থকা অসাম্যৰ অৰ্থনৈতিক ভিত্তি বিলুপ্ত হয়।

লেনিনে আঙুলিয়াই দি কৈছিল যে কমিউনিষ্ট পাৰ্টি সমতাৰ আনুষ্ঠানিক ঘোষণাতে সীমাবদ্ধ থাকিব নোৱাৰে, কাৰ্য্যতঃ জনগণৰ সমতাক সুনিশ্চিতও কৰিব লাগিব। তেওঁ দৃঢ়ভাৱে কৈছিল যে ইয়াৰ মাজতে সৰ্ব্বহাৰাৰ নিভাঁজ আন্তৰ্জাতিকতা নিহিত। জাতীয় ঔপনিবেশিক প্ৰশ্নত মাৰ্ক্সীয় দৃষ্টিভঙ্গীৰ মূল-উপাদান ব্যাখ্যা কৰি লেনিনে লেখিছিল যে মাৰ্ক্সবাদীসকলে মুক্তি আৰু স্বাধীনতা বিচাৰে। অৰ্থাৎ, নিৰ্য্যাতিত জাতিসমূহৰ বিচ্ছিন্ন হোৱাৰ স্বাধীনতা আমি আৰ্থিকভাৱে দেশখনক ভাগ ভাগ কৰাৰ অথবা ক্ষুদ্ৰ ক্ষুদ্ৰ আদৰ্শ ৰাষ্ট্ৰৰ সপোন দেখিছো বুলি নহয়, বৰং তাৰ বিপৰীতহে কিয়নো আমি ডাঙৰ ডাঙৰ ৰাষ্ট্ৰ বিচাৰোঁ আৰু নিবিড় ঐক্য আৰু আনকি কেৱলমাত্ৰ প্ৰকৃত গণতান্ত্ৰিক, প্ৰকৃত আন্তৰ্জাতিকতাৰ ভিত্তিত জাতিসমূহৰ সংমিশ্ৰণ বিচাৰো ; যি সম্পৰ্কে বিচ্ছিন্ন হোৱাৰ স্বাধীনতা বাদে চিন্তা কৰিব নোৱাৰি।"*

মাৰ্ক্সবাদী-লেনিনবাদী এই তত্ত্বসমূহৰ ভিত্তিত অগ্ৰসৰ হৈ ছোভিয়েত চৰকাৰে ১৯১৭ চনৰ ২ নভেম্বৰত (১৫), ৰুছিয়াৰ জনগণৰ অধিকাৰৰ সম্বন্ধে ঐতিহাসিক ঘোষণা জাৰী কৰে। এই ঘোষণাত কোৱা হয় যে ছোভিয়েত চৰকাৰে জাতিসমূহৰ সম্পৰ্কে গ্ৰহণ কৰা নীতিৰ ভিত্তি হিচাবে নিম্নলিখিত আদৰ্শবিলাক জাহিৰ কৰে :

(ক) ৰুছিয়াৰ জনগণৰ সমতা আৰু সাৰ্ব্বভৌমত্ব ;

(খ) বিচ্ছিন্ন হোৱা আৰু স্বাধীন ৰাষ্ট্ৰ গঠনৰ অধিকাৰ সহ ৰুছিয়াৰ জনগণৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ ;

(গ) সকলোধৰণৰ জাতীয় আৰু ধৰ্ম্মীয়ভিত্তিক জাতীয় সুবিধাদি আৰু নিয়ন্ত্ৰণ ব্যৱস্থা বাতিল কৰণ ;

---

*ভ. ই. লেনিন, "বিপ্লৱী সৰ্ব্বহাৰা আৰু জাতিসমূহৰ আত্মনিয়ন্ত্ৰণাধিকাৰ" ৰচনা সংগ্ৰহ, খণ্ড ২১, পৃঃ ৪১৩-১৪

(ঘ) ৰুছীয় সীমানাৰ ভিতৰত বসবাস কৰা জাতীয় সংখ্যালঘু আৰু গোষ্ঠীগত গোটৰ স্বাধীন বিকাশপ্ৰাপ্তি ।*

আৰু এখনি জৰুৰী দলিল সকলো জনগনৰ সমতা ঘোষণা কৰি ওলাইছিল । এইখন আছিল ১৯১৭ চনৰ ২০ নৱেম্বৰৰ (ডিচেম্বৰ ৩) ৰুছীয় আৰু প্ৰাচ্যৰ নিৰ্য্যাতিত মুছলমানসকললৈ জনগণৰ মন্ত্ৰণালয়ৰ গোহাৰি । জাতিসমূহৰ আত্মনিয়ন্ত্ৰণাধিকাৰক সুনিশ্চিত কৰি ছোভিয়েত চৰকাৰে ঘোষণা কৰিছিল । "মুক্ত আৰু অবাধ জাতীয় জীৱন সুশৃঙ্খল ভাবে গঢ়ি তোলক । আপোনা-লোকৰ তেনে কৰাৰ অধিকাৰ আছে । জানি থওক, ৰুছিয়াৰ সকলো জনসাধাৰণৰ অধিকাৰ ৰক্ষাৰ দৰে আপোনালোকৰ অধিকাৰো বিপ্লৱৰ সমগ্ৰ শক্তি আৰু ইয়াৰ অঙ্গ সংগঠনবিলাকৰ দ্বাৰা ৰক্ষিত.......... "আমাৰ পতাকাত আমি আনিছো বিশ্বৰ নিৰ্য্যাতিত জাতিসমূহৰ মুক্তি ...... এক অভিনৱ বিশ্বাভিমুখী এই পথত আপোনালোকৰ সহায় সহানুভূতিকে আমি চাই আছো ।"**

অক্টোবৰ সমাজতান্ত্ৰিক বিপ্লৱৰ সাফল্য আৰু সৰ্ব্বহাৰাৰ আন্তৰ্জাতিকতাবাদৰ ভাৱধাৰাৰ ভিত্তিত জনগণৰ পাৰস্পৰিক সম্পৰ্কৰ বিষয়ে নতুন নীতিসমূহৰ ঘোষণাই প্ৰাচ্যৰ নিৰ্য্যাতিত জনগণৰ ওপৰত বিৰাট প্ৰভাৱ পেলায়, তেওঁলোকক জাতীয় আৰু সামাজিক মুক্তিৰ সংগ্ৰাম কৰিবলৈ প্ৰেৰণা দিয়ে । তুৰ্কীস্থানত ছোভিয়েত শক্তিৰ জয়লাভত, ৰুছ ছোভিয়েত সংঘৰ অঙ্গ হিচাবে তৎক্ষণাত গঠিত হয় তুৰ্কীস্থান স্বায়ত্তশাসিত ছোভিয়েত সাধাৰণতন্ত্ৰ । মধ্য এছিয়াত জাতিগত ভিত্তিত ৰাষ্ট্ৰগঠন কাৰ্য্যৰ ক্ষেত্ৰত এই গঠন কাৰ্য্যই আছিল এক গুৰুত্বপূৰ্ণ পদক্ষেপ । কাজাখ, স্বায়ত্তশাসিত

---

*ছোভিয়েত সমাজতান্ত্ৰিক যুক্তৰাষ্ট্ৰৰ বৈদেশিক নীতিৰ দলিলসমূহ, খণ্ড ১, গজপলিটিজদাত, মস্কো ১৯৫৭, পৃঃ ১৪-১৫ (ৰুছীয় ভাষাত)

**ছোভিয়েত সমাজবাদী প্ৰজাতন্ত্ৰসমূহৰ সংঘৰ বৈদেশিক নীতিৰ দলিলসমূহ খণ্ড ১, পৃঃ ৩৪

ছোভিয়েত সমাজতান্ত্রিক সাধাৰণতন্ত্র ঘোষিত হয় ১৯২০ চনত আৰু ইয়াৰ পিছতে উজবেক, তাজিক, তুৰ্কমেন আৰু কিৰঘিজ জনগণে ছোভিয়েত ৰাষ্ট্ৰগাঠনাৰ ভিত্তিতে জাতীয় ৰাষ্ট্ৰীয়সত্তা লাভ কৰে। পৰৱৰ্ত্তী কালত সমাজবাদী নিৰ্ম্মাণ কাৰ্য্য চলি থকা সময়ত উজবেক, তুৰ্কমেন, কাজাখ্, কিৰঘিজ আৰু তাজিক প্ৰজাতন্ত্ৰসমূহ গঠিত হয় আৰু স্বেচ্ছাৰে ছোভিয়েত সমাজতান্ত্রিক প্ৰজাতন্ত্ৰসমূহৰ সংঘত যোগদান কৰে।

ছোভিয়েত প্ৰাচ্যৰ জনগণে তেওঁলোকৰ জাতীয় সত্তা যুক্ত ৰাষ্ট্ৰ গঠন কাৰ্য্যত পাৰ্টি সংগঠনবিলাক আৰু অভিজ্ঞ পাৰ্টিকৰ্ম্মী-সকলৰ পৰা অমূল্য সহায় পাইছে। এই কৰ্ম্মীসকলক ৰুছ ছোভিয়েত সংঘৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিয়ে পঠাইছিল। প্ৰতিনিধিসকলৰ ছোভিয়েত সত্তাৰ কাৰ্য্যত আৰু মেহনতী জনগণৰ বিপুল অংশক এই ছোভিয়েতসমূহৰ কাৰ্য্যলৈ টানি অনাত ছোভিয়েত পাৰ্টিয়ে সহায় কৰিছিল। লেনিনে ছোভিয়েতসমূহত মেহনতী জনগণৰ গণ সংগঠনক অনগ্ৰসৰ জনগণৰ অপুঁজিবাদী বিকাশৰ ৰাজনৈতিক ৰূপ হিছাপে দেখা পাইছিল। "এইটো .... নিশ্চিতভাৱেই প্ৰতিষ্ঠিত হৈছে," বুলি কৈ তেওঁ লেখিছিল যে, "তেনেকি অতি অনগ্ৰসৰ জাতিসমূহৰ মেহনতী জনগণে ছোভিয়েত-সমূহৰ ভাৱধাৰা বুজি পায়। প্ৰাক্-পুঁজিবাদী সমাজব্যৱস্থাৰ পৰিবেশ উপযোগী কৰি ছোভিয়েতবিলাকক ৰাখিত কৰিব লাগিব সেইটোও বুজি পায় .... ।"*

ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টি আৰু ছোভিয়েত প্ৰাচ্যৰ প্ৰজাতন্ত্ৰসমূহৰ কমিউনিষ্ট পাৰ্টিবিলাক কেতবোৰ সাংঘাতিক জটিল কৰ্ত্তব্যৰ সন্মুখীন হৈছিল : মেহনতী মানুহসকলৰ ব্যাপক অংশক ৰাজনৈতিক কাৰ্য্যকলাপত উদ্বুদ্ধ কৰি তোলা, এটি নতুন জীৱন

---

*ভ. ই. লেনিনৰ "কমিউনিষ্ট আন্তৰ্জাতিকৰ দ্বিতীয় কংগ্ৰেছ," ৰচনা সংগ্ৰহ, খণ্ড ৩১, পৃঃ ২৪৪

গঢ়ি তোলাৰ কামত তেওঁলোকৰ ভাগ লোৱা সম্ভৱ কৰি তোলা, ইয়াৰ কাৰণে সামন্ত প্ৰভুসকল আৰু বুর্জোৱা উপাদানবিলাকৰ বিৰুদ্ধে প্ৰতিটো জাতিৰ মেহনতী জনগণৰ লগত নিবিড় সম্পৰ্ক ৰখাৰ সঠিক ধৰণ বিচৰা আৰু বিজয়ী ৰুছ সৰ্ব্বহাৰাৰ লগত ভ্ৰাতৃত্বমূলক মৈত্ৰী গঢ়ি তোলা। লেনিনে এই জনগণৰ বৈষয়িক আৰু সাংস্কৃতিক মান বৃদ্ধি ত্বৰান্বিত কৰাৰ প্ৰশ্নত বিশেষ মনোযোগ দিছিল। তেওঁ দৃঢ়ভাৱে কৈছিল: "কিবা নহয় কিবা প্ৰকাৰে, নিজৰ দৃষ্টি-ভঙ্গীৰেই হওক বা কিবা সা-সুবিধা আগ বঢ়াই হওক অৰুছ য়-সকলৰ আস্থা-হীনতাৰ অতীতত যি ক্ষমতাশালী জাতিটোৱে চৰকাৰে তেওঁলোকক সন্দেহ আৰু অপমানৰ তলতীয়া কৰি ৰাখিছিল— তাৰ ক্ষতিপূৰণ কৰাৰ প্ৰয়োজন হৈছে।"*

১৯১৮ চনৰ মে মাহতেই লেনিনে "তুৰ্কীস্তানৰ জলসিঞ্চন কাৰ্য্য আৰু এই কাৰ্য্যৰ সংগঠনৰ বাবে ৫০,০০০,০০০ নিযুত ৰুবল বণ্টনৰ ওপৰত" এটা ডিক্ৰীত চহী কৰে। ১৯২০ চনত কেবাটাও কাপোৰৰ কল আৰু অন্যান্য শিল্প প্ৰতিষ্ঠানলৈ মধ্য এছিয়াৰ পৰা সাজ সৰঞ্জাম পঠোৱা হৈছিল। মধ্য এছিয়াৰ প্ৰজাতন্ত্ৰসমূহক বিপুল পৰিমাণৰ ঋণ দান কৰা হৈছিল, আৰু এই বিলাকৰ ৰাষ্ট্ৰীয় বাজেটে ছোভিয়েত ইউনিয়নৰ বাজেটৰ পৰা ভৰতুকি পাইছিল। ছোভিয়েত ইউনিয়নৰ অন্যান্য ঠাইতকৈ দ্ৰুত গতিত মধ্য এছিয়াৰ অৰ্থনৈতিক বিকাশৰ বাবে কমিউনিষ্ট পাৰ্টি বিধি ব্যৱস্থা গ্ৰহণ কৰিছিল। ১৯৬২ৰ ভিতৰত তাৰ ফল হৈছিল সমগ্ৰ ছোভিয়েত ইউনিয়নৰ উৎপাদনৰ ৪৮ গুণ বৃদ্ধিৰ লগত তুলনা কৰিলে কাজাখস্তান আৰু কিৰঘিজিয়াৰ শিল্প উৎপাদন ১৯১৩ চনৰ তুলনাতকৈ যথাক্ৰমে ৭২ আৰু ৭৩ গুণ বৃদ্ধি পায়। জাতীয় কৰ্মী বাহিনী শিক্ষিত কৰি তোলাৰ সমস্যাৰ প্ৰতি বিশেষ গুৰুত্ব

*ভ. ই. লেনিনৰ "জাতিসমূহ কিম্বা "স্বায়ত্তশাসনীকৰণ"ৰ প্ৰশ্ন, ৰচনা সংগ্ৰহ, খণ্ড ৩৬, পৃঃ ৬০৮

আৰোপ কৰা হৈছিল। ১৯২৬ আৰু ১৯২৯ চনৰ ভিতৰত ছোভিয়েত ইউনিয়নত ধাতু শিল্প কৰ্মীৰ সংখ্যা সামগ্ৰিক ভাবে যি হাৰত বৃদ্ধি পাইছিল তাৰ দ্বিগুণ হাৰত মধ্য এছিয়াত বৃদ্ধি পাইছিল; ৰাসায়নিক শিল্প শ্ৰমিক আঠ গুণ; মেচিনিষ্ট, মটৰ গাড়ী চালক, ট্ৰেক্টৰ চালক আৰু কম্বাইন চালক প্ৰায় ২.৫ গুণ বৃদ্ধি পাইছিল; ইঞ্জিনিয়াৰ, প্ৰযুক্তিবিদ আৰু কৃষিবিদ দু'গুণ; বিজ্ঞান কৰ্ম্মীসকল তিনি গুণ বৃদ্ধি পাইছিল।* ১৯৭১ চনৰ আগষ্ট মাহত ফ্ৰুঞ্জেত অনুষ্ঠিত আন্তৰ্জাতিক বৈজ্ঞানিক আলোচনা চক্ৰত কিৰঘিজিয়া কমিউনিষ্ট পাৰ্টি'ৰ প্ৰথম সম্পাদক টি. ইউ. উচুবালিয়েভে কৈছিল: "মই বিশেষ ভাবে জোৰ দি কব খোজোঁ যে আগৰ অনগ্ৰসৰ লোকসকলৰ সামাজিক আৰ্থিক আৰু সাংস্কৃতিক বিকাশ দ্ৰুত কৰাৰ সহায়ক পৰিবেশ সৃষ্টিৰ নীতি ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিয়ে অনুসৰণ কৰিছিল আৰু এতিয়াও কৰিছে। আজি আমি এই কথা ঘোষণা কৰাৰ যথেষ্ট যুক্তি আছে যে জাতীয় প্ৰশ্ন মীমাংসিত হৈছে, অৱশ্যে ইয়াৰ পিছত আছে বহুত বছৰৰ বিপুল কৰ্ম্মকাণ্ড।**

মহান্ অক্টোবৰ সমাজবাদী বিপ্লৱে অনগ্ৰসৰ দেশ আৰু জনগণৰ বাবে সমাজতন্ত্ৰৰ পিনে সমাজ বিকাশ ঘটাবলৈ এটি নতুন প্ৰগতিশীল বাট মুকলি কৰি দিছে। এই বিপ্লৱে পৃথিবীত সাম্ৰাজ্যবাদৰ একচেটিয়া প্ৰভুত্বৰ অৱসান ঘটাইছে আৰু শ্ৰমিক আৰু কৃষকসকলৰ ছোভিয়েত ৰাষ্ট্ৰৰ জন্ম দিছে, যাৰ ফলত অসগ্ৰসৰ দেশবিলাকৰ সামাজিক পুনৰগঠনৰ পিনে পথ খুলি দিয়া এটা বাস্তৱ সত্যতা লাভ কৰিছে।

---

*পি, এম, ৰগাচিয়ভ, এম, এ, স্তাৰভজিন। জাতি - জনগণ-মানৱসমাজ, মস্কো, ১৯৬৭, পৃঃ ১০৫ (ৰুছ ভাষাত)
**ছোভিয়েত কিৰঘিজিয়া, আগষ্ট ২৪, ১৯৭১

ঔপনিবেশবাদ আৰু সামন্তবাদৰ বিলোপ-সাধন

মধ্য এছিয়াৰ প্ৰজাতন্ত্ৰসমূহৰ নতুন শক্তিৰ প্ৰাথমিক কাম হৈছিল ঔপনিবেশিকতা আৰু সামন্তবাদৰ শেষ চিহ্ন পৰ্য্যন্ত বিলুপ্ত কৰা। তাকে কৰা নহলে সমাজবাদী ধাৰাত বিপুল আৰ্থিক আৰু সামাজিক ৰাজনৈতিক পৰিবৰ্ত্তন সাধনৰ কাম আৰম্ভ কৰা অসম্ভৱ হৈ পৰিলহেতেন।

ৰুছিয়াত অক্টোবৰ সমাজবাদী বিপ্লৱৰ কালতে মধ্য এছিয়া আৰু কাজাখস্তানত ঔপনিবেশিক ব্যৱস্থাৰ অৱসান কৰাৰ কাম আৰম্ভ হৈছিল। এই অঞ্চলসমূহৰ জনগণক জাতীয় ৰাষ্ট্ৰীয় স্বত্বা মঞ্জুৰ কৰা আৰু মেহনতী মানুহসকলৰ প্ৰতিনিধিসমূহৰ ছোভিয়েতৰ হাতত ক্ষমতা অৰ্পণ কৰাৰ ভিতৰতে এই ঔপনিবেশিক ব্যৱস্থা অৱসানৰ বাস্তৱ অভিব্যক্তি ঘটে। তাৰ লগে লগে কৃষিত ঔপনিবেশিক কাৰ্য্যকলাপৰ পৰবৰ্ত্তী চিন্ বিলাকৰ বিলুপ্তি ঘটোৱাৰ কাৰণে ব্যৱস্থাৱলী গ্ৰহণ কৰা হয়।

জাৰ শাসনে, নিয়মিত ৰূপে অধিকাংশ সাৰুৱা মাটি অধিগ্ৰহণ কৰিছিল, থলুৱা পশু-পালকসকলক মৰুভূমি আৰু পৰ্ব্বতলৈ ঠেলি পঠাইছিল আৰু বতৰীয়া চৰণীয়া পথাৰৰ আয়তন ভীষণভাবে কমাই পেলাইছিল। ব্যৱহৃত মাটিৰ সীমা লৰক-ফৰক কৰি থকা পশু চৰাবলৈ নিয়া বাটবিলাক বন্ধ কৰি দিয়া আৰু পানী পোৱা ঠাইবিলাকৰ প্ৰৱেশ পথ বন্ধ কৰি দিয়া আদি আচৰণৰ ফলত

অন্যৰী প্ৰকৃতিৰ পশুপালকসকল ভাল ভাল গোপ-চাৰবোৰৰ পৰা বঞ্চিত হৈছিল। প্ৰাচ্যত জাৰতন্ত্ৰৰ কৃষি নীতিৰ ব্যাখ্যা কৰি লেনিনে লেখিছিল: "খিলতীয়া বাসিন্দাসকলৰ মাটিৰ অধিকাৰ অসৎভাবে উলঙ্ঘা কৰি মাটিবোৰ পুনৰ্ব্বাসনৰ দিহা কৰা হয়।"*

জাৰতন্ত্ৰই ইয়াৰ ঔপনিবেশিক নীতি চলাই যাওঁতে থলুৱা সামন্ত-প্ৰভু আৰু আদিবাসী চৰ্দাৰসকলৰ সমৰ্থন আদায় কৰিছিল যাতে মধ্য এছিয়া আৰু কাজাখ্‌স্তানক ৰুছ পুঁজিবাদৰ বিকাশৰ কাৰণে কেঁচা মাল যোগনিয়াৰ আৰু তাৰ বজাৰ হিচাবে ৰূপান্তৰিত কৰা লয়। উৎকৃষ্ট মাটি হস্তগত কৰা আৰু অসমতাপূৰ্ণ মাটিৰ দখলিস্বত্বই কেবলমাত্ৰ কৃষিৰ বিকাশকে পিছুৱাই দিয়ে সি নহয়, জাতিসমূহৰ পাৰস্পৰিক ভিতৰুৱা সম্পৰ্কও ই জটিল কৰি পেলায়। এই প্ৰসঙ্গত লেনিনে লেখিছিল যে দৰকাৰ হৈছিল "থলুৱা লোক সকলৰ আস্থা অৰ্জ্জন কৰা; বাৰে বাৰে অৰ্জ্জন কৰা; এই কথা প্ৰমাণ কৰাৰ কাৰণে যেন আমি সাম্ৰাজ্যবাদী নহওঁ। সেই ফালে কোনো বিচ্যুতি ঘটিলে তাকো আমি সহ্য নকৰো।

"ই হৈছে বিশ্বজনীন প্ৰশ্ন, আৰু তাত কোনো অত্যুক্তি নাই।

"এই ক্ষেত্ৰত আপোনালোকে বিশেষভাবে কঠোৰ হব লাগিব।

"ভাৰত আৰু প্ৰাচ্যৰ ওপৰত ইয়াৰ প্ৰভাব পৰিব; এয়া পৰিহাস.... ....''**

"জাতীয় প্ৰশ্নত পাৰ্টিৰ কৰ্ত্তব্য সম্পৰ্কে" ১৯২০ চনত ৰুছ কমিউনিষ্ট পাৰ্টিৰ (বলছেভিকসকল) ১০ম কংগ্ৰেছত গৃহীত এটি প্ৰস্তাৱত উন্মুকিয়াই দিয়া হৈছিল যে কাজাখ্, কিৰঘিজ আৰু তুৰ্কীস্তান আৰু আন আন ঔপনিবেশিক অঞ্চলৰ লোকসকলৰ মাটি" ৰুছ ঔপনিবেশিকসকলৰ ঔপনিবেশিকৰণৰ লক্ষ্য আছিল সোঁ সিদিনালৈকে, ঔপনিবেশিকসকলে লোকসকলৰ শ্ৰেষ্ঠ আবাদযোগ্য মাটি আত্মসাৎ

*ভ. ই. লেনিন, "পুনৰ্ব্যবস্থাদানৰ সমস্যা" ৰচনা সংগ্ৰহ, খণ্ড ১৮, পৃঃ ৯৬
**ভ. ই. লেনিন "অ. অ. জোফেলৈ", ৰচনা সংকলন, খণ্ড ৪৫, পৃঃ ২৯৮

কৰাত আৰু তেওঁলোকক প্ৰণালীবদ্ধভাবে *অনুৰ্ব্বৰ মৰুভূমিলৈ জবৰদস্তি ঠেলি পঠোৱা কামত সফল হৈছিল। জাৰতন্ত্ৰৰ নীতি, ভূ-স্বামী আৰু বুৰ্জ্জোৱাসকলৰ নীতি আছিল এই অঞ্চলবিলাকত যিমান সম্ভৱ পৰা যায় ৰুছ কৃষকসকলৰ মাজৰ পৰা কুলাক শ্ৰেণীক আৰু কছাকসকলক স্থাপন কৰিব পৰা যায় আৰু ইয়াৰ বৃহৎ শক্তি আকাংখা পূৰণৰ নিৰ্ভৰযোগ্য শক্তি হিচাবে সিহঁতক গণ্য কৰিব পৰা যায়।" জাৰৰ ভূতপূৰ্ব্ব উপনিবেশৰ এই লোকসকলক সহায় কৰাৰ কাৰণে এতিয়াও হৈ থকা অন্যায় কাৰ্য্যৰ অৱসান ঘটাবলৈ পাৰ্টিৰ প্ৰতি উক্ত কংগ্ৰেছে আহ্বান জনাইছিল "সাধাৰণভাবে কুলাকসকলৰ পৰা আৰু বিশেষভাবে লুণ্ঠনকাৰী বৃহৎ-ৰুছ কুলাকসকলৰ পৰা স্থানীয় ৰুছ জনগণৰ মেহনতী লোকসকলৰ মুক্তি প্ৰচেষ্টাৰ লৈতে তেওঁলোকৰ প্ৰচেষ্টাৰ ঐক্য ঘটাবলৈ; তেওঁলোকৰ কান্ধত বহি থকা কুলাক-ঔপনিবেশিক সকলৰ পৰা মুক্ত হোৱাত সকলোৰকমৰ সহায়তা দি মানুহৰ দৰে জীয়াই থকাৰ উপযোগী ব্যৱহাৰযোগ্য মাটি দিবলৈ।"[১]

এই ন্যায় ভিত্তিক নীতি অনুসৰণ কৰি মধ্য এছিয়াৰ প্ৰজাতন্ত্ৰসমূহ আৰু কাজাখস্তানৰ ছোভিয়েত চৰকাৰবোৰে ১৯২১ চনত প্ৰথম ভূমি আৰু জল সংস্কাৰত হাত দিয়ে। ইয়াৰ প্ৰধান লক্ষ্য আছিল ঔপনিবেশিকতাৰ শেষ চিন্ চাপো নাইকিয়া কৰা।

সংস্কাৰ আৰম্ভ হোৱাৰ আগতে এক সহস্ৰৰো অধিক জাৰৰ ভূতপূৰ্ব্ব দালাল, ফৌজ, পুলিচ আৰু অন্যান্য ঔপনিবেশিক পদলেহা সকলক তুৰ্কিস্তান সাধাৰণতন্ত্ৰৰ পৰা বহিষ্কাৰ কৰি দিয়া হৈছিল। ছোভিয়েত ব্যৱস্থাৰ প্ৰতি শত্ৰু-ভাবাপন্ন কুলাক ঔপনিবেশিক সকলৰ পৰা ভূমি জব্দ কৰা আছিল সংস্কাৰ ব্যৱস্থাৰ জবৰদস্ত অস্ত্ৰ।

---

*"ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ কংগ্ৰেছ, সন্মিলন আৰু কেন্দ্ৰীয় কমিটিৰ প্ৰস্তাৱ আৰু সিদ্ধান্তসমূহ, খণ্ড ২, ৮ম ৰুছ সংস্কৰণ, মস্কো ১৯৭০, পৃঃ ২৪৬-৫৬

তুৰ্কেস্তান প্ৰজাতন্ত্ৰৰ মুঠ ২৩২,৩৩১ ডেচিয়াতিনিয়া মাটি কৃষকসকললৈ দি দিয়া হৈছিল। সংস্কাৰ কাৰ্য্য চলাওতে ৮,০৮৪টা বৃহৎ পাম ভাঙ্গি দিয়া হয়। যিহেতু এই বিলাকে জুলুম আৰু অন্যায় কৰি স্থানীয় জনগণৰ কৃষকসকলৰ পৰা খণ্ড খণ্ড ভূমি দখল কৰিছিল।"*

ছোভিয়েত প্ৰাচ্যৰ অদ্ভুত পৰিবেশত ১৯২১-২২ চনত লেনিনবাদী কৃষি কাৰ্য্যসূচি ৰূপায়নৰ প্ৰধান পদক্ষেপ আছিল ভূমি আৰু জল সংস্কাৰ। ইয়াৰ লক্ষ্য পূৰণ, কৰ্ত্তব্য সাধন আৰু ফল লাভত আছিল বিপ্লৱী গণতান্ত্ৰিক ৰূপায়ন। ১৯২০ চনৰ অন্যান্য ভূমি সংস্কাৰৰ দৰে ই আছিল 'আউল' আৰু 'কিশলক'ত সমাজবাদ প্ৰতিষ্ঠাৰ প্ৰাথমিক কামবিলাকৰ অন্যতম। সফলতা হৈছিল এই কাৰণে যে ঔপনিবেশিকসকলে দখল কৰি থকা মাটি অধিগ্ৰহণ কৰা আৰু বিতৰণ কৰাত কঠোৰভাবে শ্ৰেণী নীতি প্ৰতিপালিত হৈছিল। কৃষকসকলৰ প্ৰয়োজনৰ প্ৰতি শ্ৰেণী অৱস্থানৰ পৰা লোৱা এই দৃষ্টিভঙ্গীয়ে, সকলো জাতিৰ কৃষক জনগণৰ মৈত্ৰী আৰু একতা সুদৃঢ় কৰিছিল। বিপ্লৱী ব্যৱস্থা হিচাবে সংস্কাৰ কাৰ্য্যই উল্লেখনীয়ভাবে কৃষক জনগণৰ শ্ৰেণী চেতনা আৰু ৰাজনৈতিক সক্ৰিয়তাৰ মান বৃদ্ধি কৰিছিল। ভূ-স্বামীত্ব আৰু ভূমি ব্যৱহাৰৰ ক্ষেত্ৰত এই সংস্কাৰে ঔপনিবেশিক ধৰণৰ সুবিধা ভোগ বিলোপ সাধন কৰিছিল।

মহান্ অক্টোবৰ বিপ্লৱৰ জয়লাভৰ ঠিক পিচতে লেনিনৰ বিখ্যাত ভূমি সংক্ৰান্ত ডিক্ৰী সদৌ ৰুছ ছোভিয়েত সমূহৰ কংগ্ৰেছে ১৯১৭ চনৰ ৮ নভেম্বৰত গ্ৰহণ কৰিছিল। ১৯২১-২২ চনৰ ভূমি আৰু জল সংস্কাৰ ও অন্যান্য সংস্কাৰ উক্ত ডিক্ৰীৰ ন্যায় নীতিৰ ভিত্তিতে ৰচিত আছিল। এইবিলাক সম্পৰ্কে পাচত আলোচনা

*চেমিনাৰৰ বিষয়-বস্তু, "মধ্য এছিয়া আৰু কাজাখ্স্তানৰ প্ৰজাতন্ত্ৰ সমহত কৃষিৰূপান্তৰৰ অভিজ্ঞতা আৰু সদ্য স্বাধীন দেশবিলাকৰ কাৰণে ইয়াৰ গুৰুত্ব" ম্লুজে, আগষ্ট ১৯৭১, পৃঃ ৮ (ৰুছ ভাষাত)

কৰা হব। উক্ত "ডিক্ৰীয়ে" ভূমিৰ ব্যক্তিগত মালিকানা খণ্ডন কৰিছিল এই কথা কৈইটা কৈ যে "মাটিৰ প্ৰভুত্ব বিনা ক্ষতিপূৰণে এতিয়াই বিলোপ কৰা হ'ল।" ডিক্ৰীৰ নিৰ্দ্দেশ অনুযায়ী জব্দ কৰা মাটি গবাদি পশু সহ; তালিকাভুক্ত সম্পত্তি, দালান-কোঠালি আৰু সংলগ্ন সকলো সম্পত্তি লগে লগে ভলোষ্ট (জিলা) ভূমি সমিতি আৰু উয়েজদ (আঞ্চলিক) কৃষক প্ৰতিনিধিসকলৰ ছোভিয়েতৰ হাতত হস্তান্তৰিত কৰা হয়। এই ডিক্ৰীয়ে কৃষক প্ৰতিনিধিসকলৰ উজিয়েদক নিৰ্দ্দেশ দিছিল কেবল ভূ-স্বামীসকলৰ জমিদাৰী অধিগ্ৰহণৰ সময়ত কঠোৰতম হুকুম পালনৰ প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণৰ বাবেই নহয়, জনগণৰ হাতলৈ অহা ঘৰ-দুৱাৰ, যন্ত্ৰপাতি, গৰু ঘোঁৰা আদি, খাদ্য-শস্যৰ ভৰাল ইত্যাদি সহ পাম খেতিবিপন্নৰা ৰক্ষণাবেক্ষণৰো নিৰ্দ্দেশ দিছিল। উচ্চস্তৰৰ বৈজ্ঞানিক ব্যৱস্থাৰে গঠিত খেতিৰ ভূমিখণ্ডবিলাক (গুটিখোৱা গছৰ বাৰী, বাগিছা, নাৰ্চৰী, জাগ দিয়া ঘৰ ইত্যাদি) বণ্টনৰ অধীন নাছিল, বৰঞ্চ ৰাষ্ট্ৰ অথবা কমিউনৰ অকলে ব্যৱহাৰৰ কাৰণে দিয়া হৈছিল সিবিলাকৰ আকৃতি আৰু গুৰুত্ব চাই আৰু আদৰ্শ পাম খেতি ৰূপে তৈয়াৰ কৰা হৈছিল।* ই, আচলতে ৰাষ্ট্ৰীয় কৃষি উদ্যমৰ (ৰাষ্ট্ৰীয় প্যাম) সাংগঠনিক ভিত্তি স্থাপন কৰিছিল।

ভূমিৰ ওপৰত জাৰি হোৱা ডিক্ৰীৰ বিধানবোৰ প্ৰতিপালন কৰোতে ছোভিয়েত ৰাষ্ট্ৰই কাৰ্য্যতঃ ভূমিৰ ৰাষ্ট্ৰীয়কৰণ ঘটালে। "কৃষক অধ্যুষিত এই দেশখনত" লেনিনে লেখিছিল, "সামগ্ৰিক ভাবে কৃষকসমাজেই প্ৰথম লাভবান হৈছিল, আটাইতকৈ বেচি লাভবান হৈছিল, আৰু সৰ্ব্বহাৰাৰ এক নায়কত্বৰ পৰা তত'লিকে লাভবান হৈছিল.... কৃষকে সৰ্ব্ব প্ৰথম প্ৰকৃত স্বাধীনতা দেখি পাইছে

*ভ. ই. লেনিনৰ বচনা সংগ্ৰহ, ৫ম ৰুছ সংস্কৰণ, খণ্ড ২৬, পৃ। ২২৬-২৭

তেওঁৰ কণী খোৱাৰ স্বাধীনতা পাইছে, অনাহাৰৰ পৰা মুক্তি পাইছে।"*

ছোভিয়েত ৰাষ্ট্ৰই কৃষকসকলক বহুত আৱশ্যকীয় সহায় দিছে। ৰাষ্ট্ৰই ১৫০ নিযুত হেক্টৰ মাটি মুকলি ব্যৱহাৰৰ কাৰণে কৃষকসকলক দিয়ে, মাটি খৰিদৰ খৰচৰ পৰা তেওঁলোকক নিস্কৃতি দিয়ে। ইয়াৰ পৰিণাম হৈছিল গৈ ৭০০,০০০,০০০ নিযুত ৰুবল (সোনত), কৃষিজীৱী জনগণৰ কৃষি বেংকত ১,৫০০ নিযুত হোৱা ঋণ বাতিল কৰি দিয়ে আৰু প্ৰায় ৩০০,০০০,০০০ নিযুত পৰিমাণ মূল্যৰ আগৰ জমিদাৰসকলৰ কৃষিকৰ্ম্ম কৰাৰ সজুলিবোৰ কৃষকসকলক দি দিয়ে। সমাজবাদী বিপ্লৱৰ মৌলিক প্ৰশ্নবোৰৰ এটি ভূ-স্বামীত্বৰ প্ৰশ্নৰ সমাধানৰ লগতে যুগ্মভাবে কমিউনিষ্ট পাৰ্টি আৰু ছোভিয়েত ৰাষ্ট্ৰই মানুহে মানুহক যি কোনো ধৰণে শোষণ ৰহিত কৰাৰ কাৰণে মাটিৰ পট্টা বিলিৰ সংগঠনৰ সমস্যাৰো সমাধান কৰি গৈ আছিল। ভূমিৰ ওপৰত ডিক্ৰীয়ে মাটিৰ পট্টা বিলিত সমতাৰ নীতি গ্ৰহণ কৰিছিল। যি নীতি মতে নিৰ্দ্দিষ্ট শ্ৰমমান অথবা নিৰ্দ্দিষ্ট ভৰণ পোষণৰ মান অনুযায়ী, স্থানীয় অৱস্থা মতে মাটি বন্টনৰ অধীন আছিল। ৰাষ্ট্ৰই মাটিৰ পট্টা বিলিৰ ধৰণ পছন্দ কৰা সম্পৰ্কেও কৃষকক স্বাধীনতা দিছিল: যেনে তেওঁলোকে কমিউন এৰি পৃথক খুটিৰ (ব্যক্তিগত ভূমি খণ্ড) পাব পাৰে, ব্যক্তিগত পৰিবাৰবিলাক সংঘবদ্ধ হব পাৰে, কমিউন ভিত্তিতো মাটি ব্যৱহাৰ কৰিব পাৰে ইত্যাদি। কৃষকসকলৰ প্ৰতিথন সভাতে প্ৰত্যেক ক্ষেত্ৰতে প্ৰশ্নটি মীমাংসিত হব পাৰিছিল।

সমভিত্তিক মাটিৰ পট্টাৰ নীতি হৈছে মূলত: পেটি বুৰ্জ্জোৱা নীতি। লেনিন আৰু পাৰ্টিয়ে বাৰম্বাৰ উনুকিয়াইছিল যে সমাজবাদী ধাৰাত কৃষিক প্ৰগতিমূলক পুনৰ্গঠনৰ বাদে কৃষকসকলক দাৰিদ্ৰ

*ভ. ই. লেনিন "সৰ্ব্বহাৰাৰ একনায়কত্বৰ যুগত অৰ্থনীতি আৰু ৰাজনীতি," ৰচনা সংগ্ৰহ, খণ্ড ৩০, পৃঃ ১১২

আৰু বুভুক্ষাৰ পৰা অকল সমভিত্তিক পট্টাই মুক্তি দিব নোৱাৰি। তত্রাচ, কৃষকসকলৰ ব্যাপক সমৰ্থন থকা এই পেটি-বুৰ্জোৱা নীতিক সমাজবাদলৈ উত্তৰণৰ যুগত মাৰ্ক্সবাদী-লেনিনবাদীয়ে পৰিত্যাগ কৰা নাছিল। এইটোও মনত ৰাখিব লাগিব যে সমাজবাদৰ বাস্তৱ ভিত্তি—এটি ব্যাপক ভিত্তিক কল-কব্জা শিল্প কৃষিকো যি পুনৰ্গঠিত কৰিব পাৰে সি তেতিয়াও গঢ়ি উঠা নাছিল। ছোভিয়েত সমূহৰ সদৌ ৰুছ দ্বিতীয় কংগ্ৰেছত ঐতিহাসিক প্ৰতিবেদন দাখিল কৰোঁতে লেনিনে সমভিত্তিক বণ্টন নীতি সম্পৰ্কে কৈছিল, "গণতান্ত্ৰিক চৰকাৰ হিচাবে, আমি একমত হব নোৱাৰিলেও, ব্যাপক জনগণৰ সিদ্ধান্তক অৱজ্ঞা কৰিব নোৱাৰো। অভিজ্ঞতাৰ অগ্নি পৰীক্ষাত, ডিক্ৰীক কাৰ্যক্ষেত্ৰত প্ৰয়োগ কৰোতে আৰু স্থানীয়ভাবে ইয়াৰ প্ৰতিপালন হওতে, কৃষকসকল নিজেই বুজিব ক'ত সত্য লুকাই আছে।"*

"ভূমিৰ সমাজীকিকৰণ সম্পৰ্কে" আইনখন ১৯১৮ চনত শ্ৰমিক, সৈনিক আৰু কৃষক প্ৰতিনিধিসকলৰ তৃতীয় সদৌ ৰুছ কংগ্ৰেছত গৃহীত হৈছিল। এই আইনখনৰ ভিতৰতো (১২নং অনুচ্ছেদ) সমভিত্তিক বটনৰ নীতি সংৰক্ষিত হৈছিল। প্ৰয়োগৰ চৰ্তসমূহ আৰু অধিক বাস্তৱসম্মত কৰা হৈছিল। সৰ্ব্বহাৰা আৰু তেওঁলোকৰ আগৰনুৱা অংশই মেহনতী কৃষকসমাজ সম্পৰ্কে যি দায়িত্ববিলাক কান্ধত লৈছিল তাক সম্পন্ন কৰিছিল। যাৰ ফলত জনগণৰ নিৰঙ্কুশ সংখ্যাগৰিষ্ঠ অংশৰ আস্থা অৰ্জ্জন আৰু তেওঁলোকৰ অৱস্থান সুদৃঢ় কৰিব পাৰিছিল। অন্য হাতে, তেওঁলোকে (সৰ্ব্বহাৰাই) বুজিব পাৰিছিল যে কৃষিত আৰু কোটী কোটি মেহনতী কৃষকৰ জীৱন ধাৰণৰ চৰ্ত্তত প্ৰগতিমূলক পৰিবৰ্ত্তন অনাৰ বাবে অত্যন্ত জৰুৰী আৰু অত্যন্ত কাৰ্য্যকৰী ব্যৱস্থা হৈছে ভূমিৰ ওপৰত থকা

*ভ. ই. লেনিন - "ছোভিয়েতসমূহৰ দ্বিতীয় সদৌ ৰুছ কংগ্ৰেছ," ৰচনা সংগ্ৰহ, খণ্ড ২৬, পৃঃ ২৫৮

ব্যক্তিগত মালিকাস্বত্বৰ অৱসান কৰি জাতীয় সম্পত্তি ঘোষণা কৰা অৰ্থাৎ ছোভিয়েত সমাজবাদী ৰাষ্ট্ৰৰ সম্পত্তি ঘোষণা কৰা।

সৰ্বহাৰাৰ একনায়কত্বৰ অৱস্থাত, ছোভিয়েত শক্তিৰ হাতত জাতীয় অৰ্থনীতিৰ মূল চাবি-কাঠি থকাৰ পৰা সমভিত্তিক ভূমি পট্টন নীতি আৰু ইয়াৰ কাৰ্য্যকৰী প্ৰতিপালন দুয়ো প্ৰণীত আইনৰ অন্তৰ্ভুক্ত হোৱা ঠিক খন্তেকীয় বস্তু আছিল আৰু কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত চলি থকা সমাজবাদী পৰিবৰ্ত্তনৰ গতিৰ ওপৰত ইয়াৰ এক গুৰুতৰ নেতিবাচক প্ৰভাব পৰা নাছিল। এই নীতিৰ ভিত্তিত ভূমি ব্যৱহাৰৰ কিছু পৰিমাণৰ অভিজ্ঞতা সঞ্চয়ৰ পিছত, ঠিক সময়ত মেহনতী কৃষক সমাজে ইয়াৰ দুসাধ্যতা অনিবাৰ্য্যৰূপে মানি লব আৰু সমাজবাদী ধৰণৰ কৃষিকাৰ্য্যৰ পিনে যোৱাৰ প্ৰয়োজনীয়তা অনুভব কৰিব। আমাৰ দেশত পৰবৰ্ত্তী কালৰ গোটেই সমাজবাদী গঠন কাৰ্য্যৰ ধাৰাই এই প্ৰস্তাৱনাৰ শুদ্ধতা প্ৰমাণ কৰিছে।

নতুন সমাজবাদী ভূমি-সম্বন্ধৰ আত্ম-প্ৰকাশ আৰু বিকাশ ঘটোৱাত ভূমি সম্পৰ্কে জাৰি হোৱা ডিক্ৰী অথবা হুকুম নামাই এক মহান্ আৰু ঐতিহাসিক ভূমিকা পালন কৰিছে। ইয়াৰ গুৰুত্ব কেৱল মাত্ৰ ইয়াতে নিহিত নাছিল যে ই সকলো মাটিৰ আৰু ইয়াৰ অন্তৰ্গত খনিজ, বনজ আৰু জলজ সম্পত্তিৰ মালিকী স্বত্ব বিলোপ কৰিছিল, সৰ্বহাৰাৰ এক নায়কত্বৰ আমোলত ভূমি-ব্যৱহাৰৰ নতুন অভিজ্ঞতা অৰ্জনৰ ভিত্তি স্থাপন কৰাতো ইয়াৰ গুৰুত্ব নিহিত আছিল। জাতিসত্তা বিকশিত নোহোৱা লোকসকলৰ বিশেষ ভাব-ভঙ্গিবোৰৰ বুজ বাজ লৈ ভূমি সম্পৰ্কৰ মূল কাৰ্য্য-সূচনাৰ প্ৰস্তাৱবিলাক ৰূপায়িত কৰা বিৰাট ঐতিহাসিক মুহূৰ্ত্তৰ কাম আছিল। মহান্ অক্টোবৰ বিপ্লৱৰ প্ৰথম দিনবিলাকত, ভূমি সম্পৰ্কে জাৰি হোৱা হুকুমনামা (ডিক্ৰী) মধ্য এছিয়াত প্ৰকাশ কৰা হৈছিল আৰু লগে লগে তাত বলবৎ কৰা হয়। কৃষক

আৰু ভূমি সংক্ৰান্ত প্ৰশ্নসমূহ সম্পৰ্কে ছোভিয়েত শক্তিৰ নীতিৰ ধৰণ আৰু দিক্ নিৰ্ণয় কৰিছিল। লেনিনে কৈছিল, "যি ব্যাপক জনসমষ্টিৰে কৃষকসকল গঠিত সেই কৃষকসকলৰ ভূমি সমস্যা আৰু জীৱনধাৰণৰ সমস্যাৰ উন্নতি সাধনৰ প্ৰশ্নক মৌলিক গুৰুত্বৰ অন্যতম এটি বুলি ভাবো।"*

ভূমি সমস্যাৰ ওপৰত কমিউনিষ্টসকলে আৰু ছোভিয়েত চৰকাৰে তেওঁলোকৰ কাৰ্য্যকলাপত এই ঘটনাৰ প্ৰতি যথাযোগ্য দৃষ্টি দিছিল যে সমাজতান্ত্ৰিক বিপ্লৱ সংঘটিত হব ধৰিছে ভূতপূৰ্ব্ব জাৰ সাম্ৰাজ্যৰ বিৰাট ভূখণ্ড জুৰি, যত বিভিন্ন সামাজিক আৰ্থিক আৰু সাংস্কৃতিক বিকাশৰ স্তৰত থকা ভিন ভিন জনগণ বাস কৰিছিল। লেনিনে অনবৰত গুৰুত্ব দি কৈছিল যে সামাজিক বিধি সমূহ প্ৰতিপালন কৰোঁতে, শ্ৰেণী শক্তিসমূহৰ ভাৰসাম্য আৰু কৃষক শ্ৰেণীৰ কৃষি সংস্কাৰ গ্ৰহণোপযোগী মানসিক প্ৰস্তুতিৰ পৰিমাণ সুক্ষভাৱে বিচাৰ কৰিব লাগিব। তেওঁ ওপৰৰ পৰা সাধাৰণ ঠাচ আৰু ক্ৰম জাপি দিয়াৰ বাবে যি কোনো ধৰণৰ স্থিৰ আহিঁ আৰু উদ্যোগ জাপি দিয়াৰ বিৰোধী আছিল। "বৰ লাগতিয়াল, মৌলিক, আচলৰ ঐক্য," তেওঁ কৈছিল, "বাধা প্ৰাপ্ত নহয় বৰং বিশ্লেষণত, নিৰ্দ্দিষ্ট স্থানীয় বৈশিষ্ট্যত, অনুধাবনৰ উপায়ত নিয়ন্ত্ৰণ ব্যৱস্থা প্ৰয়োগ প্ৰণালীত ভিন্নতাৰ দ্বাৰা হে সুনিশ্চিত হয়।

মধ্য এছিয়া আৰু কাজাখস্থানত কৃষি আৰু অন্যান্য সামাজিক আৰ্থিক পৰিবৰ্ত্তন সাধনৰ নিৰ্দ্দিষ্ট বৈশিষ্ট্য নিৰ্দ্ধাৰিত হৈছিল সেই সময়ৰ বাস্তৱ ঐতিহাসিক অৱস্থাৰ দ্বাৰা।

---

*ভ. ই. লেনিন, "৩১ অক্টোবৰ, ১৯২২ চনত সদৌ ৰুছ কেন্দ্ৰীয় কমিটিৰ চতুৰ্থ অধিবেশনৰ নৱম সমাবৰ্ত্তনত দিয়া বক্তৃতা," ৰচনা সংগ্ৰহ, খণ্ড ৩৩, পৃঃ ৩৯২

**ভ. ই. লেনিন, "কেনেকৈ প্ৰতিযোগিতা সংগঠিত কৰা যায়" ৰচনা সংগ্ৰহ, খণ্ড ২৬, পৃঃ ৪১৩

বিপ্লৱৰ কাৰণে উৎসৰ্গা কৰা শিক্ষিত লোকৰ সাংঘাতিক নাটনি দেখা দিছিল; ভূমি সংক্ৰান্ত সাংগঠনিক যন্ত্ৰবিলাকত সামন্ততান্ত্ৰিক আৰু প্ৰতিক্ৰিয়াশীল চৰিত্ৰৰ মানুহবিলাকে ব্যাঘাত জন্মাইছিল। কৃষকশ্ৰেণীৰ ব্যাপক অংশই আছিল মুঠৰ ওপৰত ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক দিশৰ পৰা পিছপৰা আৰু এতিয়াও জনজাতীয় ফৈদৰ দলপতিসকলৰ দ্বাৰা ভীষণভাৱে প্ৰভাবিত। এই আটাইবিলাকে প্ৰগতিশীল ভূমি সংস্কাৰ সাধনৰ কাম দ্ৰুত আৰু সুদক্ষভাবে সম্পন্ন কৰাৰ গতি ৰোধ কৰিছে। সেই গতিকে এই অঞ্চলবিলাকত থকা সামন্ততান্ত্ৰিক আৰু আধা সামন্ততান্ত্ৰিক সম্পৰ্কবিলাক দোপত দোপে, পৰ্য্যায়ক্ৰমে, দহ বছৰৰো অধিক সময় লৈ বিলোপ কৰা হৈছে।

প্ৰথম পৰ্য্যায়ত (১৯১৮-২০) সামন্ত প্ৰভুবিলাক, ঔপনিবেশিক প্ৰশাসনৰ আৰু ৰুছ পুঁজিপতিসকলৰ আমোলাবিলাকৰ অধিকাৰ কাঢ়ি লোৱা হৈছিল। দ্বিতীয় স্তৰত (১৯২০-২১), যি স্তৰ আমি ইতিপূৰ্ব্বে পৰ্য্যালোচনা কৰিছো, বৃহৎ সামন্তীয় সম্পত্তি জব্দ কৰা কাম চলি আছিল, সকলো জাতিৰ সমানাধিকাৰ ঘোষিত হৈছিল, আৰু ভূমিজ আৰু জলজ সম্পত্তি ক্ৰয়-বিক্ৰয় কঠোৰভাবে বন্ধ কৰি দিয়া হৈছিল। কিন্তু কৃষক সমাজৰ বুজন সংখ্যকে তেতিয়াও ভূমিহীন অথবা ভূমি ক্ষুধাগ্ৰস্ত আছিল, আৰু সামন্তযুগীয় সুতখোৰী আৰু আধা পুঁজিবাদী শোষণ গাওঁ-অঞ্চলবিলাকত বিৰাজ কৰি আছিল।

এই সমস্যাবিলাক কৃষি-সংস্কাৰৰ তৃতীয় স্তৰত, (১৯১৮-২০) ছোভিয়েত ইউনিয়নৰ ভিতৰত কাজাখ, কিৰঘিজ, তাজিক, তুৰ্কমেন আৰু উজবেক জনগণৰ ৰাষ্ট্ৰীয় গাথনি প্ৰতিষ্ঠাৰ পিছত সমাধান কৰা হৈছিল। এই কৃষি আৰু জলীয় সংস্কাৰ সাধন কাৰ্য্য প্ৰতিপালিত হবলৈ ধৰিছিল কেৱলমাত্ৰ মেহনতী কৃষকৰ বহুল অংশক সংস্কাৰ-কাৰ্য্য সমৰ্থন কৰাত সমবেত কৰা আৰু জনগণে

নিজে ইয়াৰ প্ৰতিপাদনৰ উপযোগিতা হৃদয়ঙ্গম কৰাৰ পিছতহে। এই প্ৰস্তুতিকাৰ্য্য কৰি থকা সময়তে, চৰকাৰী যন্ত্ৰবিলাকক শত্ৰু-জাতীয় মানুহবিলাকৰ পৰা মুক্ত কৰা হয় আৰু সমাজবাদী বিপ্লৱৰ উৎসৰ্গীকৃত কৰ্ম্মীসকলৰ দ্বাৰা পুষ্ট কৰা হয়।

১৯২৫-২৯ চনৰ ভূমি আৰু জলীয় সংস্কাৰ-কাৰ্য্য বহুল গণতান্ত্ৰিক ভিত্তিত আগ বাঢ়ে। এই কাৰ্য্য সম্পাদনৰ বাবে যি ভূমি-সংস্থাবিলাক গঠিত হৈছিল সেইবিলাকত চৰকাৰী যন্ত্ৰবিলাকৰ আৰু শাসক পাৰ্টিৰ প্ৰতিনিধিসকলৰ লগতে মেহনতী কৃষকসকলৰ দ্বাৰা পোনপটীয়াভাৱে নিৰ্ব্বাচিত প্ৰতিনিধিসকলক ভৰাই লোৱা হৈছে। এই সংস্থাবিলাকে সমগ্ৰ মেহনতী কৃষকসমাজৰ আৰু তেওঁলোকৰ গণ-সংগঠনবিলাকৰ সৈতে ঘনিষ্ট সম্পৰ্ক ৰাখি কাম কৰি গৈছিল। ইয়াৰ ফলত সামন্তবাদী প্ৰভুসকল আৰু অন্যান্য শোষণকাৰী গোটবিলাকৰ ভূমি দালালবিলাকে গুপুত কৰি ৰখা বিৰাট আয়তনৰ মাটি মুকলি কৰা সম্ভৱ হৈছিল, আৰু ভূমি হস্তান্তৰিত কৰাৰ ক্ষেত্ৰত আৰু ভূমি ক্ষুধাগ্ৰস্ত ও ভূমিহীন কৃষকক ভূমি বণ্টন কৰি দিয়াৰ ক্ষেত্ৰত হব লগা ভুলৰ পৰা পৰিত্ৰাণ পোৱা সম্ভৱ কৰি তুলিছিল।

স্থানীয় ভূমি-সংস্কাৰ-সমিতিবিলাকে যি বিলাক পাম খেতি সম্পূৰ্ণতঃ আৰু অংশতঃ ভূমি বণ্টনাধীন আছিল সিবিলাকৰ, আৰু যিবিলাক পাম খেতিক মাটি ভগাই দিয়াৰ প্ৰশ্ন আছিল সিবিলাকৰো তালিকা প্ৰস্তুত কৰিছিল। নিম্নলিখিত মূল সামাজিক গোটসমূহৰ অধীনত থকা ভূমি বণ্টনৰ অধীন কৰি ৰখা হৈছিল: সামন্তব্যৱস্থাধীন মাটি মালিক, চহৰৰ পুঁজিপতি, ঔপনিবেশিক আৰু সামন্ত শাসক যন্ত্ৰৰ ভূতপূৰ্ব্ব আমোলাসকল, গাওঁ আৰু নগৰৰ ব্যৱসায়ী আৰু সুদখোৰসকলৰ মাটি: গতিকে, প্ৰধানতঃ শ্ৰম নকৰা বিধৰ ভূ-স্বামীত্বৰ অৱসান কৰা হৈছিল।

কুলাকবিলাকৰ যি সকলে প্ৰতিবিপ্লৱ সমৰ্থন কৰিছিল

সেইবিলাকখো মাটি অংশত ভগাই দিয়া হৈছিল। ভগাই দিয়া মাটিৰ অংশ আৰু উৎপাদনৰ উপকৰণও মজুৰি পোৱাৰ প্ৰথম অধিকাৰ হৈছিল ভূমিহীন কৃষকসকলৰ আৰু তাৰ পিছতে ভূমি ক্ষুধাগ্ৰস্ত "দেখানসকল (কৃষকসকল)। সংস্কাৰ কাৰ্য্যৰ লক্ষ্য আছিল কৃষকৰ ক্ষুদ্ৰ-পণ্যযুক্ত অৰ্থনীতি জোৰদাৰ কৰি তোলা। সংস্কাৰ কাৰ্য্য চলি থকা কালত ক্ষুদ্ৰ পণ্য খণ্ড গঢ়ি তুলিবলৈ বহুত কিবা কৰা হয় আৰু ইয়াক বিভিন্ন ধৰণৰ ৰাষ্ট্ৰীয় সাহায্য আৰু সমবায় সেৱামূলক সাহায্য দিয়া হয়।

১৯২৫-২৯ চনত ভূমি আৰু পানীযোগান-সংক্ৰান্ত সংস্কাৰ কাৰ্য্যৰ সময়ত দেখা গৈছিল সামন্তবাদী ভূ-স্বামী আৰু চহৰৰ ধনীক ভূতপূৰ্ব্ব ঔপনিবেশিক আৰু সামন্তবাদী প্ৰশাসনিক যন্ত্ৰৰ আমোলা আৰু গাওঁ আৰু চহৰৰ ব্যৱসায়ী আৰু সুদখোৰসকলৰ মাটি সম্পূৰ্ণ কাঢ়ি লোৱা হৈছে। যি সকল চহকী কুলাকে প্ৰগতিমূলক পৰিবৰ্ত্তনত বাধা দিছিল সেইসকলৰ ওপৰত কিছু পৰিমাণৰ সীমাবদ্ধতা বান্ধি দিয়া হৈছিল। মজলীয়া কৃষকসকলৰ প্ৰতি কমিউনিষ্ট পাৰ্টিৰ নীতি আছিল সকলোকে ক্ৰমাগত আৰু প্ৰণালীবদ্ধভাৱে বুজাই-বঢ়াই জোৰজবৰদস্তি নকৰাকৈ সমাজবাদী নিৰ্ম্মাণ কাৰ্য্যত লিপ্ত কৰোৱা।

১৯২০ চনৰ ফেব্ৰুৱাৰী মাহত ৰুছ কমিউনিষ্ট পাৰ্টিৰ (বলছেভিক) অষ্টম কংগ্ৰেছত লেনিনে তেওঁৰ "গাৱঁৰ কামৰ সম্পৰ্কে" প্ৰতিবেদনত কৈছিল," মাটি মালিক আৰু পুঁজিবাদীসকলৰ সম্পৰ্কে আমাৰ লক্ষ্য হ'ল, সম্পূৰ্ণ কাঢ়ি লোৱা। কিন্তু মজলীয়া কৃষক সম্পৰ্কে কোনো বলপ্ৰয়োগৰ ব্যৱহাৰ আমি সহ্য নকৰোঁ। আনকি ধনী কৃষকৰ ক্ষেত্ৰত বুৰ্জোৱা সম্পৰ্কে যিমান দৃঢ়তাৰে কওঁ সিমান দৃঢ়তাৰে নকওঁ —ধনী কৃষক আৰু কুলাকসকলৰ পৰা সম্পূৰ্ণ কাঢ়ি লোৱাৰ পক্ষে। আমাৰ কাৰ্য্যসূচীত এই পাৰ্থক্য ৰখা হৈছে। আমি কওঁ যে ধনী কৃষকসকলৰ প্ৰতিবিপ্লৱী বাধা দমন

কৰিবই লাগিব। সেইটোৰ অৰ্থ সম্পূৰ্ণ কাঢ়ি লোৱা বুজায়।

"বুৰ্জোৱা আৰু মজলীয়া কৃষকৰ প্ৰতি আমাৰ দৃষ্টিভঙ্গীৰ মৌলিক পাৰ্থক্য হ'ল—বুৰ্জোৱাসকলৰ পৰা সম্পূৰ্ণ কাঢ়ি লোৱা আৰু অন্যক শোষণ নকৰা মজলীয়া কৃষকৰ লগত মৈত্ৰী ....।"*

সমাজবাদী বিপ্লৱৰ ভাগ্যৰ পিনে ইয়াৰ অসীম গুৰুত্বৰ কথা চিন্তা কৰি লেনিনে এই প্ৰশ্নটৰ প্ৰতি গভীৰ মনোযোগ দিছিল। তেওঁৰ কমিণ্টাৰ্ণৰ দ্বিতীয় কংগ্ৰেছৰ কাৰণে প্ৰস্তুত কৰা "কৃষি প্ৰশ্ন সম্পৰ্কে প্ৰাথমিক খচৰা ৰচনা" খনত তেওঁ বিপ্লৱী সৰ্ব্বহাৰাক এই প্ৰশ্নত অবিবেচনা প্ৰসূত সিদ্ধান্ত লোৱাৰ বিৰুদ্ধে সাৱধান কৰি দিছিল। তেওঁ দেখুৱাই দিছিল যে "বৃহৎ কৃষকসকলৰ পৰা কাঢ়ি লোৱা কাম কোনো পধ্যে বিজয়ী সৰ্ব্বহাৰাৰ আশু কৰ্ত্তব্য কৰিব নোৱাৰি, কিয়নো তেনে ধৰণৰ পামখেতিবিলাক সামাজিকৰণৰ আৱশ্যকীয়, আৰু বিশেষ ভাবে কাৰিকৰা, সামাজিক পৰিবেশৰ অভাব এতিয়াও বৈ গৈছে।" এই বিলাক কাৰণে, "............ সৰ্ব্বহাৰাৰ ৰাষ্ট্ৰই বৃহৎ কৃষকসকলক তেওঁলোকৰ মাটি ৰাখিবলৈ অনুমতি দিবই লাগিব, কেবল মাত্ৰ শ্ৰমিক আৰু শোষিত জনগণৰ ৰাষ্ট্ৰ ক্ষমতাকে বাধা দিলেহে ক্ৰোক কৰা হব।"**

কমিউনিষ্ট পাৰ্টিৰ নীতি কাৰ্য্যকৰী কৰা, ছোভিয়েতসমূহৰ কাম সংগঠিত কৰা আৰু জৰুৰী ভূমি আৰু জাতীয় প্ৰশ্নবিলাকৰ শুদ্ধ মীমাংসা কৰাৰ ক্ষেত্ৰত ৰুছ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটি (বলছেভিক)ৰ পলিটব্যুৰোৰ ১৯২১ চনৰ ১৪ অক্টোবৰৰ "তুৰ্কেস্তানৰ সমস্যা সম্পৰ্কে" (তুৰ্কব্যুৰোৰ প্ৰতিবেদনৰ ভিত্তিত) প্ৰস্তাৱ আছিল বিৰাট গুৰুত্ব সম্পন্ন। ই মজলীয়া খেতিয়কসকলে যাতে তুৰ্কীস্তানৰ সমাজবাদী ৰূপান্তৰত সক্ৰিয়ভাবে ভাগ লয়।

*ভ. ই. লেনিন "ৰুছ কমিউনিষ্ট পাৰ্টি (বলছেভিক)'ৰ অষ্টম কংগ্ৰেছ" ৰচনা সংকলন, খণ্ড ২৯, পৃঃ ২০৫

**ভ. ই. লেনিন "কৃষি সমস্যা সম্পৰ্কে প্ৰাথমিক খচৰা ৰচনা" ৰচনা সংকলন, খণ্ড ৩১, পৃঃ ১৫৮

তাক সুনিশ্চিত কৰাৰ পথ নক্সা প্ৰস্তুত কৰিছিল। তেওঁলোকৰ প্ৰতি বিশেষ দৃষ্টি, বিবেচনা আৰু যত্ন প্ৰদানৰ প্ৰয়োজনীয়তা আৰু সদায় সমাজবাদী নিৰ্ম্মাণ কাণ্ডত তেওঁলোকক লিপ্ত কৰোৱাৰ বিষয়ত প্ৰবোধ দিয়া পদ্ধতি ব্যৱহাৰৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিছিল।*

উজবেকিস্তানত গণতান্ত্ৰিক কৃষি ৰূপান্তৰো হৈছিল পৰ্য্যায়ক্ৰমে ভূমি আৰু জলীয় সংস্কাৰ সাধনৰ ফলস্বৰূপে। এয়া কৰোঁতে ভূ-স্বামীসকলে দখল কৰি থকা মাটি ক্ৰোক কৰা হৈছিল আৰু কুলাকবিলাকৰ আৰ্থিক আৰু ৰাজনৈতিক অৱস্থান সাংঘাটিক ভাবে তলে তলে খানি দিয়া হৈছিল। সংস্কাৰ কাৰ্য্যই গাওঁ অঞ্চলত শ্ৰেণী ভাৰসাম্যৰ দ্ৰুত পৰিবৰ্ত্তন আনিছিল আৰু কৃষিত সমাজবাদী পৰিবৰ্ত্তন সাধনৰ বাট মুকলি কৰি দিছিল।

অৰ্থনৈতিক আৰু ৰাজনৈতিক পৰিবেশ পৰিপক্ক হোৱাৰ লগে লগে উজবেকিস্তান অঞ্চলত মুঠ ৪,৬২৯টা ভূমি মহল ক্ৰোক কৰা হৈছিল, আৰু কুলাক পামবিলাকে ব্যৱহাৰ কৰা মাটিৰ পৰিমাণ লক্ষণীয়ভাৱে কমোৱা হৈছিল (ৰাই-কুলাক পামবিলাকৰ ২২৮১টাৰ উদ্ধৃত মাটি অধিগ্ৰহণ কৰা হৈছিল)। এই বিলাকে ৪০০,০০০ ডেচিয়াতিনা মাটি ৮৮,২৮০ জন ভূমিহীন কৃষক আৰু ভূমি-ক্ষুধাগ্ৰস্ত কৃষক পৰিয়ালক ভগাই দিয়া সম্ভৱ কৰি তুলিছিল। নতুনকৈ প্ৰতিষ্ঠা লাভ কৰা কৃষি পৰিয়ালবৰ্গয়ো গৰু-ঘোৰা আদি ঘৰুৱা জন্তু, সজুলি আৰু আৰ্থিক ঋণ পাইছিল। কেৱল তাছকেণ্ট, চমৰকন্দ, আৰু ফেৰঘনা অঞ্চলতে ১৭,৫০০'ৰ অধিক শুকান ঠাইৰ উপযোগী জন্তু আৰু প্ৰায় ৪৭,০০০ কৃষি সজুলি বিলোৱা হৈছিল আৰু ৩,৪০০,০০০'ৰ অধিক ৰুবলৰ ঋণ মঞ্জুৰ

*"তুৰ্কীস্তানৰ কমিউনিষ্ট পাৰ্টিৰ ইতিহাসৰ ৰূপৰেখা (১৯২১-১৯২৪ চনত জাতীয় অৰ্থনীতি পুনৰ্বাসন কালত তুৰ্কীস্তানৰ কমিউনিষ্ট পাৰ্টি"), তাছকেন্ট, ১৯৬০, পৃঃ ৬৫ (ৰুছ সংস্কৰণ)

কৰা হৈছিল। কৃষি সংস্কাৰে উজবেকিস্তানৰ মেহনতী দেহকান-সকলক ভূ-স্বামী আৰু 'বাই'* সকললৈ দিবলগা বছৰি মুঠ ২৮,৬০০,০০০ কবল মাটিৰ খাজনাৰ পৰা মুক্তি দিছিল।

মঙ্গোলিয়াতো দোপত দোপে সংস্কাৰৰ পৰিস্থিতি বিদ্যমান আছিল। জনগণৰ হাতত ক্ষমতাৰ প্ৰথম বছৰবিলাকত সামন্ততান্ত্ৰিক অৰ্থনীতিৰ ভিত্তিৰ আশু আৰু পূৰ্ণ অৱসান ঘটোৱা কৰ্তব্য হিছাপে গৃহীত হোৱা নাছিল। ইয়াৰ পৰিবৰ্তে, ইয়াৰ সাতাম পুৰুষীয়া ভিত্তি ক্ৰমান্বয়ে খহি পৰিবলৈ ধৰিছিল যাৰ ফলত আৰাতসকলৰ (পশুপালক) অৱস্থা নিশ্চিতভাবে ভালৰ ফালে গৈছিল। সামন্ত প্ৰভুসকলৰ ভূমিদাসত্ব আৰু অন্যান্য সুবিধা গ্ৰহণৰ বিলোপ সাধন কৰা হৈছিল ১৯২২ চনত, আৰু ১৯২৫ চনত সকলো ধৰণৰ চৰিনাৰ (মঠজাতীয় দাসত্ব) বিলোপ সাধন কৰা হৈছিল। ১৯২৩ চনত এটা আইন পাছ হৈছিল যি আইনে সকলো শ্ৰেণীৰ ওপৰত এক বৰ্দ্ধিত সম্পত্তি কৰৰ প্ৰবৰ্তন কৰিছিল।** ই সামন্ততান্ত্ৰিক আৰু মঠজাতীয় সম্পত্তিৰ ওপৰত বৰ্দ্ধিত হাৰত কৰ বহোৱাইছিল আৰু আৰাত পামবিলাকৰ বিকাশ লাভৰ সহায়কাৰী পৰিবেশ সৃষ্টি কৰিছিল। ১৯২০ চনৰ মাজ ভাগত; পাৰ্টি আৰু জনগণৰ চৰকাৰে সামন্ত প্ৰভুসকলক এটা সীমাৰ ভিতৰত বান্ধি ৰখাৰ নীতিৰ পৰা তেওঁলোকৰ অৰ্থনৈতিক অৱস্থানৰ ওপৰত চূড়ান্ত আঘাত কৰাৰ নীতিত উপনীত হৈছিল। ১৯২৯ আৰু ১৯৩১ চনৰ ভিতৰত; ১,৫০০'ৰ আৰ্থিক সামন্ত প্ৰভুৰ সম্পত্তি ক্ৰোক কৰা হৈছিল আৰু দুখীয়া কৃষক*** সকলৰ মাজত বণ্টন কৰি দিয়া হৈছিল।

মধ্য এছিয়া, কাজাখস্তান আৰু মঙ্গোলীয়াত কিন্তু ১৯২০ চনত যি বিলাক কৃষি সংস্কাৰ কৰা হৈছিল সি আছিল অসীম বৈপ্লৱিক

---

*উজবেকিস্তানৰ কমিউনিষ্ট পাৰ্টিৰ ইতিহাসৰ ৰূপৰেখা। তাছকেন্ট, ১৯৬৪, পৃঃ ১৯৬ (ৰুছ ভাষাত)

**জনগণৰ মঙ্গোলীয়াৰ ৪০ বছৰ, মস্কো ১৯৬১, পৃঃ ৪৩-৪৫ (ৰুছ সংস্কৰণ)

***জনগণৰ মঙ্গোলীয়াৰ ৫০ বছৰ, মস্কো ১৯৬১, পৃঃ ৪৩-৪৫ (ৰুছ সংস্কৰণ)

চৰিত্ৰৰ। তৎসত্ত্বেও সিবিলাকে গাওঁ অঞ্চলৰ সকলো অৰ্থনৈতিক আৰু সামাজিক সমস্যাৰ সমাধান কৰা নাছিল। যিহেতু এই সংস্কাৰবিলাকে অ-শ্ৰম যুক্ত পামবিলাকৰ (ভাৰা কৰা শ্ৰমিক নিয়োগ কৰা পামবিলাক আৰু মেটেয়াৰ শ্ৰমিক) পূৰ্ণ অৱসান ঘটোৱাৰ ব্যৱস্থা লোৱা নাছিল সেই গতিকে মানুহে মানুহক শোষণ কৰাৰ সকলো ধৰণৰ তেতিয়াও ছেদ পৰা নাছিল। উজবেকিস্তানত, উদাহৰণ স্বৰূপে, আনকি কৃষি সংস্কাৰৰ পিছতো ১০০,০০০ বো অধিক মানুহে ভাগীদাৰ কৃষক আৰু বত্ৰাক (পাম শ্ৰমিক) হিচাপে আছিল, ৭০,০০০ হেক্টৰৰ অধিক মাটি মেটেয়াৰ প্ৰথাৰ অধীনত আছিল আৰু ক্ষুদ্ৰ ভূ-স্বামীসকল বছৰি প্ৰায় ৯,০০০,০০০ কবল ভূমি কৰ তেতিয়াও সংগ্ৰহ কৰি আছিল।* অন্যহাতে এছিয়া আৰু কাজাখ্স্তানৰ পাম খেতিবিলাকৰ আধাৰো অধিক আছিল ক্ষুদ্ৰ আৰু অযোগ্যতাসম্পন্ন। গতিকে তেতিয়াও বৃহদায়তনৰ যৌথ কৃষি পামৰ প্ৰথা গঢ়ি তুলি দ্ৰুত অৰ্থনৈতিক প্ৰগতি সুনিশ্চিত কৰাৰ গুৰুতৰ সমস্যাৰ সমাধান হোৱা নাছিল।

কৃষি পামবিলাকৰ সমাজবাদী সমবায় সম্পৰ্কে মাৰ্ক্সবাদী-লেনিনবাদী অৱস্থানে গাওঁ অঞ্চলত মূলতঃ সমাজবাদী ৰূপান্তৰ-বিৰোধী সোঁ-পন্থী সুবিধাবাদ, আৰু উপযুক্ত প্ৰস্তুতি নকৰাকৈ সমাজবাদী সমবায় কৰিব খোজা আৰু উৎপাদন সমবায়ৰ ক্ষেত্ৰত কৃষকসকলক ঐক্যবদ্ধ কৰাত স্বেচ্ছাধীনতাৰ নীতিক অৱজ্ঞা কৰা বাওঁপন্থী সুবিধাবাদ দুয়োৰে বিৰোধিতা কৰিছিল। বৈজ্ঞানিক সমাজবাদে যৌথিকৰণৰ যি কোনো অ-স্বাভাৱিক ধৰণৰ জলদিবাজিৰ বিৰোধী। এংগেলছে জোৰ দি কৈছিল যে সৰ্ব্বহাৰাই নিজৰ হাতত ক্ষমতা ললে কৃষকক তেওঁৰ মাটিৰ চপৰা সম্পৰ্কে চিন্তা

---

*ত. উ. উছুকলিয়েভ, "ছোভিয়েত প্ৰাচ্যৰ সাধাৰণতন্ত্ৰ সমূহ-আগতে পিছ পৰি থকা পুঁজিবাদী বিকাশৰ স্তৰ নোপোৱাকৈ সমাজবাদলৈ উত্তৰণৰ লেনিনীয় তত্ত্বৰ জীৱন্ত নিদৰ্শন।" ছোভিয়েত কিৰঘিজিয়া, আগষ্ট ২৪, ১৯৭১

কৰিবলৈ যথেষ্ট সময় দিব লাগিব, যাতে তেওঁ নিজেই সিদ্ধান্ত লব পাৰে সমাজবাদী কৃষি সমবায়ৰ পিনে যাব নে নাযাব। তেওঁ কৃষক সম্পৰ্কে বলপ্ৰয়োগ ব্যৱস্থা গ্ৰহণৰ প্ৰবল বিৰোধী আছিল, কিয়নো সেইবোৰ ব্যৱস্থাই, কৃষকক শ্ৰমিকশ্ৰেণীৰ পৰা আঁতৰাই পেলাব বুলি তেওঁ বুজিব পাৰিছিল। আমি ৰাষ্ট্ৰ ক্ষমতা হাতত পালে," তেওঁ লিখিছিল, "ক্ষুদ্ৰ কৃষকৰ (ক্ষতিপূৰণ বা বিনা ক্ষতিপূৰণে হওক) পৰা জোৰ কৰি লোৱা সম্পৰ্কে আমি আনকি মনস্তো স্থান নিদিওঁ, যিহেতু বৃহৎ ভূ-স্বামীৰ ক্ষেত্ৰত একে ব্যৱস্থা লবলগা হব পাৰে। ক্ষুদ্ৰ কৃষকসকলৰ সম্পৰ্কে, প্ৰথমতে আমাৰ কাম হব, তেওঁৰ ব্যক্তিগত উদ্যোগ আৰু নিজা সম্পত্তি সমবায়ত দিযা কাৰ্য্যকৰী কৰি তোলা, বলপ্ৰয়োগ কৰি নহয়, বৰং উদাহৰণ স্থাপনেৰে আৰু এই উদ্দেশ্যে সামাজিক সহায়তাৰ প্ৰস্তাব আগবঢ়াব লাগিব।"*

সমাজবাদী বিপ্লৱৰ পৰিবেশত, লেনিনে কৃষি সমবায়ৰ পদ্ধতি, আকৃতি আৰু মৌলিক নীতিসমূহ উলিয়ায়। তেওঁ দেখুৱাইছিল যে তেওঁলোকৰ উৎপাদনৰ প্ৰকৃতি আৰু দ্বৈত স্বভাৱৰ কাৰণে কৃষকসকলক তৎক্ষণাৎ সমাজবাদী ৰূপান্তৰৰ পথলৈ গুচি অহাৰ আশা কৰিব নোৱাৰি, যিহেতু সমবায়ে কৌটি কৌটি কৃষি পামৰ অৰ্থনৈতিক আৰু সামাজিক ভিত্তিক ছুই পাইছিল আৰু যুগ যুগান্তৰ ঐতিহ্য আৰু অভ্যাস দূৰ কৰিছিল। তেওঁ লিখিছিল, "মজলীয়া কৃষকক জোৰ জুলুম নকৰাকৈ, দৃষ্টান্তৰ বলেৰে অত্যন্ত সতৰ্কতাৰে আৰু কেবল মাত্ৰ থাপে থাপেহে সৰ্ব্বহাৰাৰ ৰাষ্ট্ৰই যৌথ কৃষি ব্যৱস্থা উত্তৰণৰ পথলৈ আনিব লাগিব।"**

কৃষিৰ সমাজবাদী পুনৰগঠনৰ মৌলিক নীতি অনুসৰণ কৰি লেনিনবাদী পাৰ্টি আৰু সমাজবাদী ৰাষ্ট্ৰই নিৰ্দ্দিষ্ট স্তৰবিলাকত

---

*কাৰ্ল. মাৰ্ক্স আৰু এফ. এঙ্গেলছ, ৰচনা সংকলন, ৩য় খণ্ড, নং ৩, পৃঃ ৪৭০

**ভ. ই. লেনিন "কৃষি সমস্যা সম্পৰ্কে প্ৰাথমিক খচৰা-থিচিছ" ৰচনা সংকলন, খণ্ড ৩১, পৃঃ ১৫৭

ব্যক্তিগত খেতি পথাৰ গঢ়ি তোলাৰ সন্মতি দিছিল, কিন্তু লগে লগে কৃষকসকলক সমবায়ৰ আৰ্থিক সুবিধাবিলাক লোৱাৰ কাৰণে যুক্তি দি বুজাবলৈ চেষ্টা কৰিছিল। কৃষকসকলৰ ব্যক্তিগত স্বাৰ্থ আৰু সামগ্ৰিকভাৱে সমাজৰ স্বাৰ্থ পূৰণ কৰা বিভিন্ন ধৰণৰ সমবায়বিলাকে ব্যক্তিগত পাম খেতিৰ পৰা উৎপাদন-সমবায়লৈ উত্তৰণত মধ্যকালীন পদক্ষেপ হিচাপে কাম কৰিছে। এনে ধৰণৰ সমবায় গঠন আছিল মধ্য এছিয়া আৰু কাজাখস্তানত অপুঁজিবাদী বিকাশৰ এটি অন্যতম চাৰিত্ৰিক বৈশিষ্ট্য।

বিভিন্ন ধৰণৰ সমবায়ৰ বিকাশ

ছোভিয়েত ইউনিয়নত গাওঁ অঞ্চলৰ সমাজবাদী পুনৰগঠনে দেখুৱাইছে যে প্ৰাথমিক সমবায গঢ়ি তোলা উন্নত আৰু পিছপৰা অঞ্চল দুয়োৰ কাৰণে জৰুৰী।

অৱশ্যে, পিছপৰা অঞ্চলত প্ৰাথমিক সমবায়ৰ গঠন আৰু বিকাশ সাধন প্ৰাক্-বুৰ্জোৱা ব্যৱস্থাৰ চিন্ বিলাক ধ্বংস কৰাৰ লক্ষ্য পূৰণৰ বিপ্লৱী গণতান্ত্ৰিক পৰিবৰ্ত্তনৰ লগত যুক্ত।

প্ৰথমতে, প্ৰাথমিক সমবায়বিলাক প্ৰাক্-বুৰ্জোৱা (বাণিজ্যিক আৰু সুতখোৰী) ধৰণৰ শোষণৰ অৱসান ঘটায়। দ্বিতীয়তে, ক্ষুদ্ৰাকাৰ উৎপাদনৰ পুঁজিবাদীমুখী গতি ৰোধ কৰে। আৰু, তৃতীয়তে, এই বিলাকে ক্ষুদ্ৰাকাৰ উৎপাদনৰ পৰা বৃহদাকাৰ সমাজবাদী উৎপাদন ব্যৱস্থালৈ উত্তৰণৰ সামাজিক অৰ্থনৈতিক পৰিবেশ সৃষ্টিত সহায় কৰে।

মধ্য এছিয়া আৰু কাজাখ্স্তানৰ অপুঁজিবাদী বিকাশৰ অনুশীলনে কেবাধৰণৰ সমবায় ব্যৱস্থা আগ বঢ়াইছে: প্ৰচাৰ পৰ্যায়ৰ সমবায়; ক্ৰেতাসকলৰ সমবায়, কৃষি বিশেষজ্ঞ ধৰণৰ শাখাসমূহেৰে; যোগান আৰু বজাৰ সম্পৰ্কীয় সমবায়; সঁচ-বৃদ্ধিৰ সংঘ; মাটি পুনৰুদ্ধাৰৰ সংঘ; ইত্যাদি।

মধ্য এছিয়াত প্ৰাথমিক ধৰণৰ সমবায় আছিল যোগান আৰু বজাৰ সম্পৰ্কীয় সমবায়। এই সমবায় আছিল আটাইতকৈ সহজ

ধৰণৰ আৰু অত্যন্ত সহজেই কৃষকসকলে ঢুকি পাইছিল। এই জাতীয় এখন সমবায়ত যোগ দি কৃষকে উৎপাদনৰ উপকৰণ আৰু শ্ৰমোৎপাদিত পণ্যৰ ব্যক্তিগত দখল ৰাখিব পাৰিছিল; কিন্তু তেওঁ নিজা খেতিৰ উৎপাদিত পণ্য তেওঁৰ ন্যায্য শ্ৰমৰ মূল্যত সমবায়ৰ জৰিয়তে বেচিব পাৰিছিল, আৰু ৰাষ্ট্ৰ-নিয়ন্ত্ৰিত দামত শিল্পজাত বস্তুও কিনিব পাৰিছিল। এই ব্যৱস্থাই পণ্য-সঞ্চালনৰ পৰা ব্যক্তি পুঁজিক আঁতৰ কৰি ৰখাত সহায় কৰিছিল আৰু কৃষি পামবিলাকৰ বিকাশৰ ক্ষেত্ৰত ৰাষ্ট্ৰৰ প্ৰভাৱ বৃদ্ধি পাইছিল। কেৱল মাত্ৰ ১৯২৮-২৯ চনতে, তাজিক কৃষকসকলে এই জাতীয় সমবায়-বিলাকৰ জৰিয়তে ৰাষ্ট্ৰৰ ওচৰত ৯ নিযুত ৰুবল মূল্যৰ উপযোগী দ্ৰব্যাদি বেচিছিল, আৰু তেওঁলোকেও ৰাষ্ট্ৰীয় নিয়ন্ত্ৰিত মূল্যত* ৬০০,০০০ ৰুবল মূল্যৰ উপযোগী দ্ৰব্যসম্ভাৰ (খাদ্য দ্ৰব্য ধৰা হোৱা নাই) কিনিছিল। কৃষি সম্পৰ্কীয় সমবায়বিলাকে ৪.৩ নিযুত ৰুবল মূল্যৰ সমান শিল্পজাত শস্য, ১ নিযুত ৰুবল মূল্যৰ সমান খাদ্যজাতীয় শস্য, ২.৩ নিযুত ৰুবল মূল্যৰ সমান শুকান ফল আৰু শাক-পাচলি, ৯০০,০০০ ৰুবল মূল্যৰ সমান পলুৰ বাহ আৰু ৪০০,০০০ ৰুবল মূল্যৰ সমান পশুৰ কেঁচামাল দিছিল।**

যোগান আৰু বজাৰ সমবায়ৰ লগতে, ঋণদান সমবায়ো বেচ ব্যাপকভাৱে গঢ়ি উঠিছিল। এই বিলাকৰ প্ৰাথমিক কাম আছিল কপাহ ওপজোৱাৰ বিকাশ ওপৰ খাপলৈ তোলা। মধ্য এছিয়াৰ মূল কৃষিশস্যৰ অন্যতম এটি কপাহ খেতি। ইয়াৰ খেতি কৰাত যথেষ্ট শ্ৰম আৰু বিপুল পৰিমাণৰ অৰ্থ খৰচ হয়। ৰীতি অনুযায়ী, কপাহ খেতি কৰা সকলো পামৰে উৎপাদনৰ কাৰণে

*ক. চ. চৈদমুদভ, তাজিকিস্তানৰ কৃষিত বিভিন্নধৰণৰ প্ৰাথমিক সমবায়ৰ বিকাশ। চেমিনাৰৰ কাৰ্য্যবিবৰণী, 'মধ্য এছিয়া আৰু কাজাখস্তানৰ সাধাৰণ-তন্ত্ৰসমূহত কৃষি ৰূপান্তৰৰ অভিজ্ঞতা আৰু সদ্যস্বাধীন দেশবিলাকৰ কাৰণে ইয়াৰ গুৰুত্ব।'' পৃঃ ১-৪ (ৰুছ সংস্কৰণ)

**তাজিক জনগণৰ ইতিহাস, খণ্ড ৩, কিতাপ নম্বৰ ১, মস্কো, ১৯৬৪ পৃঃ ১৯৭ (ৰুছ সংস্কৰণ)

ঋণৰ প্ৰয়োজন। যি কৃষকসকলে দীৰ্ঘকাল ধৰি সুতখোৰীৰ চিকাৰ আছিল, তেওঁলোকে ঋণদান সমবায়ে আগবঢ়োৱা সস্তীয়া ঋণ গ্ৰহণত অসম্ভৱ আগ্ৰহান্বিত আছিল। লগে লগে তেওঁলোকে সমধিক আগ্ৰহান্বিত আছিল বণিয়াসকলৰ শোষণৰ পৰা মুক্ত হবলৈ তেওঁলোকৰ কপাহ যৌথ ভাবে বিক্ৰী কৰাত, এইটোৱেই বুজাই দিয়ে যে ঋণদান সংঘবিলাক কৃষকসকলৰ কাৰণে কি বিৰাট আকৰ্ষণৰ বস্তু হৈ পৰিছিল। ১৯২৬-২৭ চনৰ আগভাগতে তাজিকিস্তানত ২৮,৭০০ দেহকান পামক ভুক্ত কৰি ১১৫টা কৃষি ঋণদান সংঘ আছিল অথবা সাধাৰণতন্ত্ৰ খনৰ সকলো পামৰ শতকৰা ২১ ভাগ ইয়াৰ অন্তৰ্ভুক্ত আছিল। ১৯২৭ চনৰ শেষভাগত কৃষি সংঘবিলাকক মঞ্জুৰ কৰা ঋণৰ পৰিমাণ আছিল ২.৩ নিযুত ৰুবল।*

ছোভিয়েত ৰাষ্ট্ৰৰ হাতত ঋণ দিয়া ব্যৱস্থা থকা গাওঁ অঞ্চলত সামাজিক আৰ্থিক বিকাশক প্ৰভাৱিত কৰা এটি পন্থা আছিল। এটা সংঘক ঋণ মঞ্জুৰ কৰোঁতে, ৰাষ্ট্ৰই ইয়াৰ ব্যৱহাৰ কি ধৰণে হব তাৰ বন্দোবস্ত কৰিছিল, আৰু সংঘই বিহিত নিৰ্দ্দেশমতে ঋণ বন্টনৰ দায়িত্ব নিজৰ হাতত লৈছিল। যিবিলাক কৰ্ম্মৰত পামে সেই সময়তে পণ্যযোগ্য দ্ৰব্য উৎপাদন কৰিছিল, সেই বিলাকক ঋণ দিয়া হৈছিল।

প্ৰথম অৱস্থাত, কপাহ খেতি কৰা সমবায়বিলাক মূলতঃ যোগান আৰু বেচা-কিনা কামত লিপ্ত আছিল। সমবায়বিলাক যিমানে জোৰদাৰ হবলৈ ধৰে যোগান আৰু বেচা-কিনাৰ কামো উন্নত হবলৈ ধৰে। সমবায়বিলাকে ব্যাপক অধিকাৰ আৰু বৃহত্তৰ স্বাধীনতা লাভ কৰে। এই প্ৰক্ৰিয়া চলি থকা অৱস্থাতে ক্ষুদ্ৰাকাৰ উৎপাদকসকলক উৎপাদন সমবায়েৰে সৈতে শেষ পৰিণতি স্বৰূপ ঐক্যবদ্ধ কৰাৰ ভিত্তি প্ৰস্তুতৰ কাম চলি আছিল। ইয়াৰ এটি

*ক. চ. চৈদমুৰাদভ, পূৰ্ব্বে উল্লেখ কৰা মতে

ভাল উদাহৰণ হৈছিল কপাহ খেতিৰ সমবায় মধ্য এছিয়াৰ সাধাৰণ-তন্ত্র সমূহত, বিশেষতঃ তাজিকিস্তানত গঢ়ি উঠা। প্রথম পর্য্যায় আছিল সমবায়ক নিশ্চয়তা দিব লাগে, যাৰ অন্তর্ভুক্ত আছিল কপাহ উৎপাদনকাৰীসকলক ৰাষ্ট্রই দিয়া আগধন পুনৰ প্রাপ্তিৰ নিশ্চয়তা। কপাহ উৎপাদনকাৰীসকলৰ লগত প্রকৃত চুক্তি পত্রৰ ব্যৱস্থা মতে কেঁচামাল ক্রয় আৰু হিচাব ৰখাৰ কাম সম্পাদন কৰিছিল ৰাষ্ট্রীয় কপাহ সমিতিবিলাকে। দ্বিতীয় পর্য্যায় আছিল সহযোগিতাৰ চুক্তি। এই চুক্তি মতে সমবায়ে নিজাকৈ ঠিকাদাৰী চুক্তি সম্পন্ন কৰিছিল আৰু কপাহ উৎপাদনকাৰীসকলক ভবিষ্যৎ ফচল প্রাপ্তিৰ সৈতে সম্পর্ক ৰাখি আগধন বণ্টন কৰা হৈছিল। তৃতীয় পর্য্যায় আছিল এক ধৰণৰ সহযোগমূলক ব্যৱস্থা যাৰ ভিতৰত আছিল সমবায়বিলাকে ৰাষ্ট্র আৰু কপাহ উৎপাদনকাৰী-সকলৰ ভিতৰত কেঁচা মাল কিনাৰ চুক্তিৰ পৰা আৰম্ভ কৰি সকলো অর্থনৈতিক বন্ধন নিয়ন্ত্রিত কৰিছিল। শেষস্তৰত, অর্থাৎ চতুর্থ স্তৰ আছিল স্বাধীনভাৱে নিজ উপায়েৰে কাম কৰি থকা স্বতন্ত্রীয়া কপাহ এলাকাবিলাকেৰে সৈতে সহযোগিতা।

১৯২৮ চনৰ ১১ মে'ত "কপাহ খেতি কৰা সম্পর্কে সমবায় আন্দোলন"ৰ সম্বন্ধে ছোভিয়েত ইউনিয়নৰ জনগণৰ প্রতিনিধি পৰিষদে যি প্রস্তাৱ গ্রহণ কৰিছিল সি মধ্য এছিয়াৰ সাধাৰণতন্ত্র সমূহত কপাহ খেতিত সমবায় ধৰণৰ বিকাশৰ ক্ষেত্রত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। ই কপাহ সমবায় প্রথাত কপাহ খেতি কৰাৰ পৰা সমবায় প্রথাত উৎপাদন সমবায়লৈ ৰূপান্তৰ ঘটোৱাত উন্নতি সাধনৰ ব্যৱস্থাবিলাক গ্রহণ কৰিছিল। কপাহ উৎপাদন সমবায়লৈ পৰিবর্ত্তনৰ পিছত সংঘৰ সভ্যসকলক বীজ, কটী, কৃষি সঁজুলি আৰু সাৰ যোগান ধৰা, কৃষি কেন্দ্র (Station) আৰু প্রদর্শন মূলক ভূমিখণ্ড সংগঠিত কৰা, পথাৰত যান্ত্রিক ধৰণে হালবোৱা ইত্যাদি কাম আহি পৰিছিল। যৌথ সংঘবিলাকে

যি নগদ আগধন পাইছিল তাৰ পৰিমাণ শতকৰা ২৫ ভাগ বৃদ্ধি পাইছিল। সিবিলাকৰ কটা, সাৰ আৰু কৰবলৈ বীজ বণ্টনৰ পৰিমাণ বৃদ্ধি পাইছিল। সিবিলাকে নগদ আগধন পোৱা, সাৰ বীজ, কীট নিয়ন্ত্ৰণ ব্যৱস্থা আৰু সঁজুলী পোৱাত প্ৰাথমিক গুৰুত্ব দিয়া হৈছিল। আৰু যি বিলাক পামে উন্নত ধৰণৰ খেতি কৰাৰ কৌশল গ্ৰহণ কৰিছিল আৰু বিৰাট পৰিমাণৰ ফচল উৎপাদন* কৰিছিল সিবিলাকক লভ্যাংশ (বোনাছ) দিয়াৰ ব্যৱস্থা কৰা হৈছিল। এই ব্যৱস্থাসমূহে সমবায় আন্দোলনক আৰু বিকশিত কৰাৰ কামক আগুৱাই লৈ গৈছিল। ১৯২৮-২৯ চনত, কপাহ খেতি কৰা সমবায়বিলাকে তাজিক স্বায়ত্তশাসিত ছোভিয়েত সমাজতান্ত্ৰিক সাধাৰণতন্ত্ৰৰ ৪৪,১০০ পামক সংঘবদ্ধ কৰিছিল। এই পামবিলাক প্ৰধানতঃ দৰিদ্ৰতম কৃষকসকলৰ প্ৰতিনিধিত্ব কৰিছিল

দেশৰ অন্যান্য কপাহ উৎপাদনকাৰী অঞ্চলৰ দৰে তাজিকাস্তানত দৰিদ্ৰতম কৃষকসকলক সমবায়ত যোগদানত উদ্বুদ্ধ কৰিবলৈ প্ৰতিটো ব্যৱস্থা লোৱা হৈছিল। ভৰ্ত্তি মাচুল আৰু জমা দিয়াৰ অংশৰ পৰিমাণ আৰু জমা দিয়াৰ অংশ ঘূৰাই পোৱাৰ সময় মজুৰীৰ তাৰতম্য আছিল পাম খেতিয়কে অংশ হিচাপে ৫ ৰুবল আৰু ভৰ্ত্তি মাচুল হিচাপে ২৫ কোপেক; দুখীয়া কৃষকসকলে গাই প্ৰতি ১০ ৰুবল আৰু ভৰ্ত্তি ফিজ যথাক্ৰমে ৭৫ কোপেককৈ দিছিল। পাম খেতিয়ক আৰু দুখীয়া কৃষকসকলে যোৱা বছৰৰ বৃহৎ অংশ যি দিবলগা হৈ আছিল (শতকৰা ৪০ ভাগ) তিনি বছৰলৈকে তেওঁলোকৰ অংশত পৰিশোধ কৰিব পাৰিছিল। মজলীয়া কৃষকসকলে দু'বছৰত তেওঁলোকৰ অংশত সমান ভাগেৰে পৰিশোধ কৰিছিল।** অধিকন্তু, বিশেষ পুঁজি ৰাষ্ট্ৰ আৰু সমবায়বিলাক

*উজবেকিস্তানত পুন যৌথীকৰণৰ পৰিবেশ সৃষ্টি (১৯২৭-১৯২৯), দলিল সংকলন, তাছকেণ্ট, ১৯৬১, পৃ: ২৪৬-৪৭ (ৰুছ সংস্কৰণ)

**ক. চ. চৈদমুৰাদভ, উল্লিখিত গ্ৰন্থ

নিজে দুখীয়া কৃষকসকলক তেওঁলোকৰ অংশ জমা দিয়াত সহায় কৰিবলৈ আচুতীয়া কৰি থৈছিল। অনেক চৰ্ত্তদ্বাৰা ভাল অৱস্থাৰ কপাহ উৎপাদকসকলৰ ভৰ্ত্তি সীমাবদ্ধ কৰি দিছিল।

সমবায়বিলাক গঢ়ি তোলাত ডাঙৰ গুৰুত্ব আছিল এই খিনিতে যে কৃষিজাত দ্ৰব্যাদি কিনাৰ ঠিকা প্ৰথা চলোৱা হৈছিল, যাৰ ফলত ৰাষ্ট্ৰ কৃষিৰ বিকাশৰ ক্ষেত্ৰত পৰিকল্পনাৰ নীতিসমূহৰ প্ৰবৰ্ত্তন কৰিব পাৰিছিল আৰু আওপকীয়া ভাবে উৎপাদনৰ পৰিমাণ নিৰ্দ্ধাৰণ কৰিব পাৰিছিল।

ঠিকা দিয়া কামে ৰাষ্ট্ৰ আৰু উৎপাদক দুয়োৰে স্বাৰ্থ পূৰণ কৰিছিল, ব্যক্তিগত পামত কপাহ উৎপাদন নিয়ন্ত্ৰণ কৰা সম্ভৱ কৰি তুলিছিল আৰু স্বতঃস্ফূৰ্ত্তভাৱে দাম উঠা-নমা বন্ধ কৰিছিল। ঠিকা দিয়া সংগঠনে আগতেই এটা নিৰ্দ্ধাৰিত দাম নিৰ্দ্দিষ্ট এটা বস্তুৰ কাৰণে স্থিৰ কৰি থৈছিল আৰু ফচলৰ কাৰণে ভৱিষ্যতে দামৰ বাবে আগধন দিছিল। দুখীয়া আৰু মজলীয়া কৃষকলৈ নগদ মূল্যত আগধন, বীজ আৰু সাজ-সৰঞ্জাম দিয়া হৈছিল। ১৯২৮ চনত ১.৫ নিযুত ৰুবলৰ অধিক নগদ আৰু ১০০,০০ ৰুবল মূল্যৰ বীজ তাজিক কপাহ উৎপাদনকাৰীসকলক আগাম হিচাপে দিয়া হৈছিল।

চুক্তি সম্পাদনত, ৰাষ্ট্ৰৰ প্ৰতিনিধিয়ে ঠিকাপ্ৰদানৰ এটা পক্ষ হিছাপে নিৰ্দ্ধাৰিত কৰি দিছিল যে কেতবোৰ কাম কৰিব লাগিব যাতে খেতিৰ এলাকা আৰু উৎপাদন বৃদ্ধি পায়, যাতে সেচ ব্যৱস্থাৰ উন্নতি সাধন হয় আৰু ফচলৰ প্ৰতি যত্ন ইত্যাদি দিয়া হয়। সেই বিলাক ব্যৱস্থা কাৰ্য্যকৰী কৰিবলৈ কেটামান কৃষক পৰিয়ালে প্ৰায়ে তেওঁলোকৰ শ্ৰম যৌথবদ্ধ কৰিবলগীয়া হৈছিল আৰু ই যৌথ পাম খেতিৰ উপযোগীতা বুজিবলৈ তেওঁলোকক সহায় কৰিছিল। তাৰ উপৰিও, ঠিকাৰ অন্তৰ্গত বৰ্দ্ধিত হাৰত কৃষি উৎপাদনৰ পৰিমাণ বঢ়োৱাত এই আবেদনে কাম কৰিছিল। ১৯২৮-২৯ চনত তাজিকিস্তানত সকলো কৃষি-বাণিজ্যিক উৎপাদনৰ ৫৭.৬ ভাগ ঠিকা দিয়াৰ

অন্তৰ্গত আছিল, যাৰ পৰিমাণ আছিল ৩৯,১৬৮,০০০ কৰল। কপাহ উৎপাদনৰ প্ৰায় ১০০ ভাগ ইয়াৰ অন্তৰ্ভুক্ত আছিল ।*

জল পৰিচালন সমস্যাৰ সমাধান কৰোঁতে আৰু জল ব্যৱহাৰ সম্বন্ধৰ উন্নতিত ভূমি বিকাশ সমিতিবিলাকে এটি ডাঙৰ ভূমিকা পালন কৰে, যি বিলাকে ৰাষ্ট্ৰৰ পৰা যথেষ্ট ব্যৱহাৰিক সমৰ্থন পায় । সেই সমবায়বিলাক সংগঠিত হৈছিল, স্থানীয় অৱস্থাৰ লগত সঙ্গতি ৰখাৰ দৰেই। সেচ কামৰ ক্ষেত্ৰত মধ্য এছিয়াই কৃষক সমবায় আন্দোলনত ইতিহাসে সৃষ্টি কৰিছিল। এটা গাওঁ অথবা কেবাখনো গাওঁৰ কৃষকসকলে প্ৰায়ে তেওঁলোকৰ পথাৰ সিঞ্চনৰ কাৰণে এটাই সেচ ব্যৱস্থাক ব্যৱহাৰ কৰিছিল আৰু বিধিমতে জল ব্যৱহাৰকাৰীসকলৰ কমিউনৰ গাঁথনিৰ ভিতৰতে ব্যৱস্থাটি'ৰ ওপৰত যৌথভাবে কাম কৰিছিল । সেই ঐতিহ্যবিলাকে ভূমি বিকাশ সমবায়বিলাক গঢ়ি তোলাত সহায় কৰে যাৰ মূল কামে আছিল কৃষকসকলক স্থানীয় জলসিঞ্চনৰ কাম কৰাৰ কাৰণে সংগঠিত কৰিছিল । সেইবিলাক আছিল মূলতঃ জলসিঞ্চন সমবায় ।

ভূমি বিকাশ সাধনৰ সমবায়বিলাকক আৰ্থিকভাবে সমৰ্থন দিয়াৰ কাৰণে মূলতঃ সাধাৰণতন্ত্ৰৰ বাজেটৰ পৰা আৰু ৰাষ্ট্ৰীয় আৰ্থিক সংগঠনবিলাকৰ পৰা পোৱা অৰ্থেৰে এটি বিশেষ পুঁজি গঢ়ি তোলা হৈছিল । ভূমি বিকাশৰ সমবায়বিলাক নামমাত্ৰ সুতত ঋণ পাইছিল আৰু কেতিয়া কেতিয়াবা আনকি পৰিশোধ মুক্ত অনুদানো এই পুঁজিৰ পৰা পাইছিল । ১৯২৯ চনত তাজিকিস্তানৰ সাধাৰণ প্ৰজাতন্ত্ৰী চৰকাৰে ভূমি বিকাশ সমবায়বিলাকৰ প্ৰয়োজন পৰাবলৈ ৫১,৫০০ কৰল মুক্ত কৰি দিছিল।

স্থানীয় ভূমি বিকাশ সমবায়বিলাকে ক্ষুদ্ৰ ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্পবোৰ চলাবলৈ জল ব্যৱহাৰকাৰীসকলৰ উদ্যমৰ কেবল ঐক্য সাধনে কৰা নাছিল। মেহনতী কৃষকসকলৰ চাহিদা সংৰক্ষণ আৰু

*আগতে উল্লেখ কৰা, পৃঃ ৫

পূৰণৰ বাবে শ্ৰেণী নীতিও অবলম্বন কৰিছিল। তেওঁলোকে জলসিঞ্চন কাৰ্য্যত শ্ৰেণী বিভাগ নীতিৰ পৰিচয় ঘটাবলৈ সক্ৰিয় অংশ লৈছিল। উদাহৰণস্বৰূপে যেতিয়া ১:৫ হেক্টৰ লৈকে সিঞ্চিত মাটি থকা পামবিলাকে জলসিঞ্চন কাৰ্য্যৰ গড়ে শতকৰা ৫০ ভাগ জলসিঞ্চন কোটা পূৰ্ণ কৰিছিল; তেতিয়া ৫ হেক্টেয়াৰৰ অধিক থকা পামবিলাকে গড় কোটাৰ শতকৰা ২০০ ভাগ পূৰ্ণ কৰিছিল।

ভূমি বিকাশ সংঘবিলাকত, কপাহ উৎপাদনকাৰী সংঘবিলাকৰ দৰেই, শ্ৰেণী দৃষ্টিভংগী ব্যৱহৃত হৈছিল অংশ আমানত ৰখাৰ পৰিমাণ আৰু ঋণ মঞ্জুৰীৰ পৰিমাণ সম্পৰ্কে। দুখীয়া কৃষকসকলে অংশ আমানতৰ বাবে অৱস্থাপন্ন খেতিয়কৰ $\frac{1}{15}$ অংশ দিব লগা হৈছিল দুখীয়া কৃষকসকলে কৰা সামাজিক জলসিঞ্চনৰ সামগ্ৰিক খৰচৰ শতকৰা ১০০ৰ ভিত্তিত হিচাব কৰি ঋণ পাইছিল। পক্ষান্তৰে যি বিলাক পামে ভাৰা কৰা শ্ৰমিক খটাই আছিল সেইবিলাকে একেবাৰেই ঋণ পোৱা নাছিল আৰু নিজা ব্যৱস্থাতে* সম্পূৰ্ণ কাম চলাইছিল।

ছোভিয়েত পণ্ডিত কে, এচ, চৈদমুৰাদভে, বিশেষভাবে মধ্য এছিয়া আৰু তাজিকস্তানৰ কৃষিত প্ৰাথমিক সমবায়ৰ বিভিন্ন ধৰণৰ সম্পৰ্কে সামগ্ৰিক অধ্যয়ন কৰিছিল। তেওঁ উল্লেখ কৰি কয় যে কপাহ উৎপাদনৰ সমবায়তকৈ ভূমি বিকাশ সাধনৰ সমবায়ত অধিক দৃঢ়ভাবে উৎপাদন সমবায়ৰ উপাদানবিলাক গঢ়ি উঠিছিল। কপাহ উৎপাদন সমবায়ত যোগান আৰু বজাৰযোগ্য কাৰ্যকলাপ প্ৰথম অৱস্থাত প্ৰাধান্য পাইছিল, উৎপাদন সমবায়ৰ উপাদান পিছতহে ৰূপ লয়। পক্ষান্তৰে ভূমি বিকাশ সমবায়ত, এই উপাদান বিলাক প্ৰথমৰ পৰাই আছিলে। কপাহ উৎপাদন সমবায় কৃষকৰ পামক প্ৰভাৱিত কৰিছিল প্ৰচাৰ পৰিবিধি জাতীয়কৰণ কৰি আৰু পণ্য-টকা সম্বন্ধৰ ক্ষেত্ৰত পৰিকল্পনাৰ নীতিসমূহৰ পৰিচয় ঘটাই।

*কে, এচ, চৈদমুৰাদভ, আগতে উল্লেখ কৰা, পৃঃ ৬

ভূমি বিকাশ সমবায়ৰ প্ৰধান কাম আছিল, কৃষকসকল সকলোৱে নিজা পামবিলাকত পানী যোগানৰ প্ৰকৃত কামৰ উদ্যোগক একতাবদ্ধ কৰা। জলসিঞ্চনযোগ্য কৃষি উৎপাদনৰ কাৰণে ইয়াৰ গুৰুত্ব মৌলিক। সমবায় সভ্যসকলৰ পাম জলসিঞ্চন প্ৰকল্পবিলাকত যৌথভাবে কাম কৰিছিল আৰু পানী ব্যৱহাৰৰ ক্ষেত্ৰত শ্ৰেণানীতিৰ প্ৰতি স্থিৰ প্ৰতিজ্ঞ আছিল। ভূমি বিকাশ সমবায়ৰ অৰ্থ আছিল শ্ৰমৰ আংশিক সমাজীকৰণ, যিহেতু ইয়াৰ কাৰ্য্যকলাপবিলাক সামগ্ৰিকভাবে উৎপাদনক আকোৱালি লোৱা নাছিল, কেৱল ইয়াৰ এটা মাত্ৰ দিশহে লৈছিল, অৰ্থাৎ, জলসিঞ্চন প্ৰণালীৰ পুনৰগঠন আৰু সংৰক্ষণ। কিন্তু ভূমি বিকাশ সমবায়বিলাকৰ কামৰও উৎপাদনৰ ওপৰত সিমানখিনি প্ৰত্যক্ষ প্ৰভাৱ পৰিছিল যিমানখিনি মাটি জলসিঞ্চনৰ অধীনত উদ্ধাৰ প্ৰাপ্ত আৰু বিকশিত হৈছিল। ৰাষ্ট্ৰীয় সহযোগিতাৰে, সমবায়বিলাক কৃষকসকলৰ উদ্যোগক ক্ষুদ্ৰাকাৰ জলসিঞ্চন ব্যৱস্থা নিৰ্ম্মাণৰ পিনে পৰিচালিত কৰিছিল। আৰু জলসিঞ্চিত জমিৰ আয়তনৰ প্ৰাথমিক বৃদ্ধিৰ পিনে লৈ গৈছিল। ১৯২৫ আৰু ১৯২৯ চনৰ ভিতৰৰ কালছোৱাত তাজিকিস্তানত মুঠ জলসিঞ্চিত মাটিৰ পৰিমাণ ১০৫,১০০ হেক্টেয়াৰৰ পৰা ২২৬,৪০০ হেক্টেয়াৰলৈ* বৃদ্ধি পাইছিল।

এই খণ্ডত, আমি অকল তিনিটা জাতিৰ প্ৰাথমিক সমবায় পৰীক্ষা কৰি চালো—যথা যোগান ও বজাৰকৰণ, ঋণদান আৰু ভূমি বিকাশ সমবায়। অন্যান্য জাতিৰ সমবায় গঠন আৰু বিকাশ সাধনৰ অভিজ্ঞতা যেনে ক্ৰেতা সমবায়, উৎপাদক সমবায় ইত্যাদি সদ্য স্বাধীন দেশসমূহৰ প্ৰগতিশীল শক্তিবিলাকৰ দ্বাৰা সযত্ন অধ্যয়নৰ অপেক্ষা ৰাখে। অভিজ্ঞতাই দেখুৱাইছে যে মধ্য এছিয়াত প্ৰাথমিক সমবায়বিলাক মেহনতী কৃষকসকলৰ কাৰণে

---

*তাজিকিস্তানৰ কৃষিত সমাজবাদী অৰ্থনীতিৰ বনিয়াদ গঠন। কে, এচ, চৈদমুৰাদভ, দুচাম্বে, ১৯৬৫, পৃঃ ৮৪ (ৰুছ ভাষাত)

প্ৰধান অৱলম্বন হৈ পৰিছিল। কৃষকসকলক এইবিলাকে নগদ ঋণদান কৰিছিল আৰু তাৰ ফলত তেওঁলোকক ঋণদাতা মহাজন-বিলাকৰ শৰণাপন্ন হোৱাৰ প্ৰয়োজনৰ পৰা মুক্ত কৰিছিল। আৰু সমবায়বিলাকৰ জৰিয়তে কৃষকসকলে তেওঁলোকৰ শস্য উৎপাদনৰ পৰিমাণ বৃদ্ধিৰ উপযুক্ত ব্যৱস্থা লবলৈ সক্ষম হৈছিল।

কিন্তু যি ধৰণৰ প্ৰাথমিক সমবায় মাথাকক লাগিলে সিবিলাকে কৃষিত সমাজবাদী ৰূপান্তৰ সুনিশ্চিত নকৰে, যিমান দিনলৈকে ইয়াৰ অধানত ব্যক্তিগত কৃষি পাম থাকে। প্ৰাক্-পুঁজিবাদী সম্পৰ্কৰ পৰা সমাজবাদী সম্পৰ্কলৈ উত্তৰণৰ পিনে যাবলৈ এই বিলাক হ'ল প্ৰস্তুতিমূলক ব্যৱস্থা। লেনিনে এই সম্পৰ্কে স্পষ্ট কৰি লিখিছিল: "যদি 'আমি' কৃতকাৰ্য্যতাৰে এছিয়াই আমাৰ সমাজবাদলৈ উত্তৰণৰ সমস্যাৰ সমাধান কৰিবলৈ বিচাৰোঁ, আমি প্ৰাক্-পুঁজিবাদী সম্পৰ্কৰ পৰা সমাজবাদী সম্পৰ্কলৈ উত্তৰণৰ কাৰণে কি কি মধ্যবৰ্ত্তী পথ, পদ্ধতি, উপায় আৰু সংগঠন-যন্ত্ৰৰ প্ৰয়োজন, সেই কথা জানিব লাগিব।"*

প্ৰথম অধ্যায়তে আমি গুৰুত্ব আৰোপ কৰি কৈছো, মধ্যবৰ্ত্তী স্তৰবিলাকক অৱজ্ঞা কৰিলে সমাজবাদী ৰূপান্তৰৰ আচল স্বাৰ্থ ক্ষতিগ্ৰস্ত হ'ব পাৰে। উদাহৰণ হিছাপে, চোৱা যাওক মঙ্গোলীয় জনগণৰ প্ৰজাতন্ত্ৰত কি ঘটিছিল। তাত দৰিদ্ৰ পশুপালক আৰাত-সকলৰ মাজত সামন্তবাদী প্ৰভুসকলৰ পৰা ক্ৰোক কৰা মাটি বিতৰণে সমবায় আন্দোলনৰ বিকাশত সহায় কৰিছিল। আৰাত-সকলে সহজতম ধৰণৰ সমবায়ত সোমোৱাৰ প্ৰয়োজনীয়তা দেখা পাইছিল, যেনে যৌথভাৱে তৃণ সংগ্ৰহ, যৌথভাৱে চাৰণ, যৌথভাৱে শুকান পশু খাদ্য ভৰালত গোটোৱা মেলোৱা ইত্যাদি। "বামপন্থী-বিলাকে" এই প্ৰচেষ্টাবিলাকত কৃষি উৎপাদন সমবায়ৰ ভিতৰত সংঘবদ্ধ কৰাৰ এটা ইঙ্গিত হিছাপে দেখিছিল। দৰ আচলতে,

*ভি, আই, লেনিন, "বস্তুবে টেক্স," ৰচনা সংগ্ৰহ, খণ্ড ৩২, পৃ৷ ৩৪৯

যদিও ইয়াৰ উপযোগী পৰিৱেশ তেতিয়াও পৈণত হোৱা নাছিলে। মঙ্গোলীয় জনগণৰ বিপ্লৱী পাৰ্টিৰ নেতৃত্বৰ "বামপন্থী" অংশটোৱে তৎসত্বে উচ্চাঙ্গৰ যৌথ পাম প্ৰবৰ্ত্তন আৰম্ভ কৰিলে প্ৰশাসনিক নিৰ্দ্দেশ নিৰ্দ্দেশেৰে।

বিপ্লৱৰ মধ্যবৰ্ত্তী স্তৰ জাপ মাৰি পাৰ হোৱাৰ প্ৰচেষ্টাই মঙ্গোলীয়াৰ কৃষিকাৰ্য্যৰ ক্ষতি সাধন কৰিলে; যাৰ এটি পৰিণাম স্বৰূপে দেশৰ পশুৰ সংখ্যা যথেষ্ট কমি গ'ল। ইয়াৰ ফলত ব্যাপক আৰাত জনগণৰ মাজত বিক্ষোভৰ সৃষ্টি হ'ল আৰু যৌথ পামৰ সুবিধাবিলাকত আস্থা নথকা হ'ল।

মঙ্গোলীয় জনগণৰ বিপ্লৱী পাৰ্টিৰ কেন্দ্ৰীয় কমিটি আৰু নিয়ন্ত্ৰণ আয়োগৰ বিশেষ পূৰ্ণাঙ্গ অধিৱেশন ১৯৩২ চনৰ জুন মাহত হয়। তাত এই "বামপন্থী" ভুলবিলাকক কটুভাবে সমালোচনা আৰু নিন্দা কৰা হয়। পাৰ্টিয়ে পশু-পালনত অধিক শ্ৰম-নিয়োগৰ বাবে সহজ ধৰণৰ ইচ্ছাধীন আৰাত সমবায় গঠনত উৎসাহ প্ৰদানৰ নীতি গ্ৰহণ কৰে আৰু মঙ্গোলীয়াৰ লগত খাপ-খোৱা ধৰণৰ সমবায় অনুসন্ধান কাৰ্য্য চলি থাকে। মঙ্গোলীয় জনগণৰ বিপ্লৱী পাৰ্টিৰ নৱম কংগ্ৰেছে (১৯৩৪) আৰাত জনগণক পশু সংখ্যা বৃদ্ধিত তেওঁলোকৰ প্ৰচেষ্টাৰ প্ৰতি চাৰিও পিনৰ পৰা সমৰ্থন দিয়াত পাৰ্টিক ৰূপায়িত কৰে। আৰাত পামবিলাকৰ যৌথীকৰণ খৰতকীয়া কৰাৰ চেষ্টা কৰা নাছিল। সমবায় সংগঠনবিলাকক প্ৰতি পাৰ্টিয়ে এক সতৰ্কমূলক দৃষ্টিভঙ্গী গ্ৰহণ কৰিছিল, যাতে ওপৰৰ কোনো ধৰণৰ হেঁচা নোহোৱাকৈ একেবাৰে স্বেচ্ছাধীনভাৱে গঢ়ি উঠাৰ নিশ্চয়তা পাব পাৰে, যাতে আৰাতসকলে তেওঁলোকৰ নিজা অভিজ্ঞতাৰে সমবায় পাম খেতি কৰাৰ সুবিধাবিলাকক হৃদয়ঙ্গম কৰিব পাৰে। এই নীতিয়ে ক্ৰমাগত অথচ দৃঢ়ভাবে আৰাত

*বি, বালজিনিয়ান, "মঙ্গোলীয় প্ৰজাতন্ত্ৰ সমবায়ভিত্তিক কৃষি," ৱাৰ্ল্ড মাৰ্ক্সিষ্ট ৰিভিউ নং ৭, ১৯৬৬ পৃঃ ৮

উৎপাদন সংঘবিলাক গঢ়ি উঠাক সুনিশ্চিত কৰিছিল। এইবিলাক সংগঠনগত ও অৰ্থনৈতিকগত দুয়ো ফালেদি শক্তিশালী হৈ উঠিছিল, ১৯৫০ চনৰ শেষভাগত মঙ্গোলীয়াত সমাজবাদী কৃষি সংস্কাৰ চূড়ান্ত নোহোৱা সময়লৈকে।

অপুঁজিবাদী পথেদি অনগ্ৰসৰ দেশবিলাকৰ সাফল্যজনক অগ্ৰগতিৰ পক্ষে বিভিন্ন ধৰণৰ প্ৰাথমিক সমবায়বিলাক গঢ়ি উঠা বিৰাট তাৎপৰ্য্যমূলক। এইবিলাকে ক্ষুদ্ৰ উৎপাদকসকলক একেবাৰে উৎপাদনৰ উপকৰণ আৰু ব্যাপক শ্ৰমৰ সমাজীকৰণৰ স্তৰলৈকে লৈ আহে। যেনে লেনিন দেখুৱাইছিল, "ব্যাপক সংখ্যক ক্ষুদ্ৰ কৃষি পামবিলাকক বৃহৎ পামলৈ ৰূপান্তৰিত কৰা কাম তৎক্ষণাতে কৰিব নোৱাৰি। এই কৃষিকাৰ্য্য ইতিপূৰ্ব্বে জধে-মধে কৰা হৈছিল। তাক তৎক্ষণাৎ অথবা কম সময়ৰ ভিতৰত সমাজীকৰণ কৰিব নোৱাৰি আৰু বৃহদাকাৰ ৰাষ্ট্ৰীয় উদ্যোগলৈ ৰূপান্তৰিত কৰিব নোৱাৰি.... ... ."*

বিভিন্ন জাতীয় সমবায়ে এই লক্ষ্য সাধনৰ বাট চমু কৰি দিয়ে।

*ভ, ই. লেনিনৰ "দুখীয়া কৃষকসকলৰ সমিতিবিলাকৰ সভাত বক্তৃতা" ৰচনা সংগ্ৰহ, খণ্ড ২৮, পৃঃ ১৭১-৭২

সাংস্কৃতিক বিপ্লৱ—অপুঁজিবাদী বিকাশৰ অবিচ্ছেদ্য অঙ্গ

মধ্য এছিয়াৰ ছোভিয়েত সাধাৰণতন্ত্ৰ সমূহৰ অপুঁজিবাদী বিকাশত সফলতা অৰ্জ্জনৰ এটা সাংস্কৃতিক বিপ্লৱ সাধনৰ লগত প্ৰত্যক্ষ সম্পৰ্ক আছিল। সাংস্কৃতিক বিপ্লৱৰ অবিহনে সমাজবাদ নিৰ্ম্মাণ অসম্ভৱে হ'লহেঁতেন। সমাজবাদ হৈছে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাত সৰ্বাধুনিক অগ্ৰগতিৰ ভিত্তিত সৰ্ব্বোচ্চ শ্ৰম-উৎপাদিকা শক্তি, যি লাভ কৰা অসম্ভৱ সমাজ সাংস্কৃতিক জীৱনত গভীৰ ৰূপান্তৰ সাধনৰ ব্যতিৰেকে, মানৱসমাজে আহৰণ কৰা সকলো সাংস্কৃতিক সম্পদক জনসাধাৰণে আয়ত্ত নকৰালৈকে। লেনিন ১৯১৭ চনত লিখিছিল: "পূৰণি কালত, মানব প্ৰতিভাই মানুহৰ মেধাশক্তিয়ে কেৱল কিছুমানক প্ৰযুক্তি বিদ্যা আৰু সংস্কৃতিৰ অনুগ্ৰহ দানৰ কাৰণে আৰু আনসকলক নিম্নতম চাহিদা, শিক্ষা আৰু ক্ৰমোন্নতিৰ পৰা বঞ্চিত ৰখাৰ কাৰণে সৃষ্টি কৰিছিল। এতিয়াৰ পৰা বিজ্ঞানৰ চমৎকাৰ নিদৰ্শনসমূহ আৰু সংস্কৃতিৰ ফলাফল সমূহৰ মালিক হ'ল সমগ্ৰ জাতিটোৱেই আৰু কেতিয়াও মানৱ মস্তিষ্ক আৰু মানৱ প্ৰতিভা নিৰ্য্যাতন আৰু শোষণৰ কাৰণে পুনৰ ব্যৱহৃত নহয়।"*

মধ্য এছিয়াৰ ছোভিয়েত প্ৰজাতন্ত্ৰবিলাকত কেনেদৰে সাংস্কৃতিক

---

*ভ. ই লেনিনৰ, "ছোভিয়েতসমূহৰ তৃতীয় সৰ্ব্ব ৰুছ কংগ্ৰেছ," ৰচনা সংগ্ৰহ, খণ্ড ২৬, পৃঃ ৪৮–৮২

বিপ্লৱ আগ বাঢ়িছিল সেই প্ৰশ্ন ছোৱাৰ আগতে, আমি ইয়াৰ মূল লক্ষ্যবিলাক সম্পৰ্কে প্ৰথমতে কিছু কথা কম। এই লক্ষ্যবিলাক নিৰ্দ্ধাৰিত হৈছিল, প্ৰথমতে নিৰক্ষৰতা মোচন আৰু সকলো মেহনতী মানুহে সংস্কৃতি আৰু ৰাজনীতি ঢুকি পোৱাৰ কাৰণে প্ৰধান চৰ্ত্তবিলাকৰ হে'পাহলৈ, দ্বিতীয়তে এটি নতুন সমাজবাদী সংস্কৃতি-যি সংস্কৃতিয়ে মানৱ সমাজে বিকশিত কৰা সকলো সাংস্কৃতিক মূল্যবোধক আত্মস্থ কৰিব তাক গঢ়ি তোলাৰ প্ৰয়োজন বোধ লৈ; আৰু তৃতীয়তে, এটি নতুন মেহেনতী বুদ্ধিজীৱী-এটি ছোভিয়েত বুদ্ধিজীৱিশ্ৰেণী গঢ়ি তোলাৰ প্ৰয়োজনবোধ লৈ।

মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰসমূহত সাংস্কৃতিক বিপ্লৱ অত্যন্ত কঠিন আৰু জটিল পৰিস্থিতিৰ মাজেৰে চলিছিল। জনসংখ্যাৰ এক ডাঙৰ অংশই যাযাবৰ জীৱন যাপন কৰিছিল। জাৰতন্ত্ৰী চৰকাৰে হাঁহি উঠা ধৰণে তাকৰ অংশৰ পুঁজি শিক্ষালৈ নিৰূপিত কৰিছিল। তুৰ্কীস্তানত, উদাহৰণ স্বৰূপে শিক্ষাৰ* ক্ষেত্ৰত প্ৰতি বছৰি জনমূৰি গড়ে মাত্ৰ ২২ কোপেককৈ খৰছ কৰিছিল। সাক্ষৰ মানুহ একপ্ৰকাৰ নাছিলেই, জনসংখ্যাৰ শতকৰা মাত্ৰ ১·৫ ভাগহে আছিল। শতকৰা ৩ ভাগ লৰা-ছোৱালীয়ে যি কোনো ধৰণৰ বিদ্যালয়ৰ শিক্ষা** পাইছিল। মধ্য এছিয়াৰ বহুত মানুহে তিৰোতা-সকলক আবুৰত থৈছিল। তেওঁলোকক সমাজৰ পৰা বিচ্ছিন্ন কৰি ৰখা হৈছিল, গোলাম কৰি থোৱা হৈছিল আৰু ভোটাধিকাৰৰ পৰা বঞ্চিত কৰি ৰখা হৈছিল।

কোটি কোটি পদদলিত মানুহৰ চেতনা জগোৱা তেওঁলোকলৈ বিজ্ঞান সাহিত্য আৰু কলাৰ শীৰ্ষস্থানত যোৱাৰ দুৱাৰ মুকলি কৰাৰ

---

*আৰ, এ, তাজমুখামেদভ, "নিন্দুকসকললৈ জবাব। মধ্য এছিয়াৰ জনগণৰ আত্মনিয়ন্ত্ৰণ আৰু আন্তৰ্জাতিক আইন। মস্কো ১৯৬৯, পৃঃ ১২১ (ৰুছ ভাষাত)

**এচ, চেৰথমুখামেদভ," উজবেক জনগণৰ সমাজবাদী সংস্কৃতিৰ ৰূপ প্ৰসঙ্গে," তাছকেণ্ট ১৯৬১, পৃঃ ১৫ (ৰুছ ভাষাত)

কাৰণে, বিকশিত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ভিত্তিত ৰাষ্ট্ৰ আৰু অৰ্থনীতি পৰিচালনাত সক্ষম জাতীয় কৰ্মীদল গঢ়ি তুলিবৰ প্ৰয়োজন দেখা দিছিল। ছোভিয়েত চৰকাৰৰ জনশিক্ষা সংক্ৰান্ত প্ৰথম দলিল, ১৯১৭ চনৰ ২৯ অক্টোবৰ (১২ নৱেম্বৰ)ৰ দিনা জনগণলৈ শিক্ষা মন্ত্ৰীয়ে দিয়া ভাষণত ঘোষণা কৰা হৈছিল যে কমিউনিষ্ট পাৰ্টি আৰু ছোভিয়েত চৰকাৰে নিৰক্ষৰতা, অজ্ঞতা আৰু পশ্চাদ-পদতাৰ বিৰুদ্ধে সংগ্ৰাম কৰা প্ৰাথমিক লক্ষ্য হিচাপে গ্ৰহণ কৰিছে।

সমাজবাদ নিৰ্মাণৰ কাৰণে নিৰক্ষৰতা মোচনক এটি প্ৰধান আৱশ্যকীয় হিচাপে লেনিনে গণ্য কৰিছিল। ১৯১৯চনৰ ডিচেম্বৰত ছোভিয়েত প্ৰজাতন্ত্ৰসমূহৰ সমাজবাদী ৰুছ ফেডাৰেছনৰ জনসাধাৰণৰ মাজত নিৰক্ষৰতা দূৰ কৰা প্ৰসঙ্গে তেওঁ এটি হুকুমনামা (ডিক্ৰী) চহী কৰিছিল। এই হুকুমনামাই সাৰ্ব্বজনীন সাক্ষৰতাৰ লক্ষ্য লৈ ব্যাপক গণ অভিযান চলাইছিল। "দেশৰ ৰাজনীতিত সচেতন ভাৱে অংশ গ্ৰহণৰ বাবে সাধাৰণতন্ত্ৰৰ সমগ্ৰ জনগণক এটা সুযোগ গ্ৰহণত সমৰ্থ কৰিবলৈ," হুকুমনামাত ব্যক্ত কৰা হৈছিল, "জনগণৰ মন্ত্ৰী পৰিষদে সিদ্ধান্ত লৈছে যে সাধাৰণতন্ত্ৰৰ ৮ বছৰৰ পৰা ৫০ বছৰ বয়সৰ নাগৰিকসকলৰ যি সকলে পঢ়িব আৰু লিখিব নাজানে তেওঁলোকে তেওঁলোকৰ দেশীয় ভাষাত অথবা তেওঁলোকে পছন্দ কৰা, ৰুছ ভাষাত পঢ়িবলৈ আৰু লিখিবলৈ শিকাত বাধ্য থাকিব।"

এই ঐতিহাসিক দলিলৰ ভিত্তিত, তুৰ্কীস্তান সাধাৰণতন্ত্ৰৰ ছোভিয়েত চৰকাৰে ১৯২০ চনৰ, ১৭ চেপ্টেম্বৰ তাৰিখে তুৰ্কীস্তান সাধাৰণতন্ত্ৰৰ জনগণৰ মাজত নিৰক্ষৰতা দূৰীকৰণ সম্পৰ্কে তুৰ্কীস্তানৰ সুদীৰ্ঘকালৰ অনগ্ৰসৰতা অতিক্ৰমৰ ব্যাপক ব্যৱস্থাৱলীৰ আঁচনিৰে এখনি হুকুমনামা জাৰী কৰিছিল। ৮ বছৰ বয়সৰ পৰা ৫০ বছৰ বয়সলৈকে প্ৰত্যেক নিৰক্ষৰ ব্যক্তিয়ে পঢ়া আৰু লিখা শিকিবলৈ বাধ্য থাকিব। ট্ৰেড ইউনিয়ন, কমিউনিষ্ট পাৰ্টিৰ স্থানীয় চেল, যুৱ

কমিউনিষ্ট লীগ, দুখীয়া কৃষকসকলৰ ইউনিয়ন, তিৰোতাসকলৰ মাজত কাম কৰা সমিতি ইত্যাদি আটাইবোৰকে নিৰক্ষৰতা বিৰোধী অভিযানত সক্রিয় অংশ গ্রহণৰ বাবে আহ্বান জনোৱা হৈছিল। যি কোনো প্রাপ্তবয়স্ক মানুহে পঢ়া আৰু লিখাৰ পাঠ্যক্রমত যোগ দিয়াৰ বাবে দৰমহা নকটাকৈ কৰ্ম-দিৱসৰ পৰা দু'ঘণ্টা ৰেহাই পাইছিল। গির্জা, মচজিদ, প্রার্থনা গৃহ, ক্লাব আৰু ব্যক্তিগত গৃহ আৰু কাৰখানা আৰু ছোভিয়েত প্রতিষ্ঠানৰ সকলো উপযুক্ত ঘৰবাৰীত পঢ়া আৰু লিখাৰ শ্রেণীসমূহ পৰিচালনাৰ কাৰণে ঠাই উলিয়াব লগাত পৰিছিল। হুকুমনামাৰ বিধানসমূহ প্রতিপালনত আপত্তি কৰা অথবা শ্রেণীত যোগ দিয়াত বাধা দিওঁতা লোকসকলক শাস্তি দিয়া হৈছিল।

তুৰ্কীস্তান সাধাৰণতন্ত্ৰৰ প্রাপ্ত বয়স্ক জনগণৰ মাজত নিৰক্ষৰতা মোচনৰ প্ৰবল অভিযানৰ সূচনা কৰে উক্ত হুকুম নামাৰ ঘোষণাই। স্থানীয় লোকৰ মাজত প্রশিক্ষণ প্রাপ্ত শিক্ষক নথকা, দেশীয় ভাষাত কোনো পাঠ্য পুস্তক আৰু শিক্ষা দিব পৰা সৰঞ্জাম নথকা আৰু প্রচুৰ কাগজ আৰু অন্যান্য শিক্ষা সংক্রান্ত যোগান আদি অসংখ্য অসুবিধাই দেখা দিছিল। কিন্তু এবাৰ এই অভিযান আৰম্ভ হোৱাৰ লগে লগে কোনো শক্তিয়েই ইয়াক ৰোধ কৰিব পৰা নাই। বৃত্তিগত শিক্ষকৰ চূড়ান্ত অভাৱ প্রথমতে প্রত্যেকজন লিখা-পঢ়া জনা মানুহে আনক শিকাব লাগিব-এনে ব্যৱস্থাৰ প্রবর্ত্তণ কৰি ইয়াক দূৰ কৰা হৈছে। আহ্বান জনোৱা হৈছিল এই ধ্বনিৰে, "প্রতিজন সাক্ষৰ মানুহে দহজন নিৰক্ষৰক শিকাব লাগিব"।

১৯২০ চনৰ ১১ ডিচেম্বৰ তাৰিখে তুৰ্কীস্তানত নিৰক্ষৰতাৰ বিৰুদ্ধে যুঁজিবলৈ বিশেষ আয়োগ গঠন কৰা হয়।

নিৰক্ষৰতাৰ বিৰুদ্ধে যুঁজিবৰ কাৰণে বিশেষ আয়োগবিলাকৰ সংক্রান্ত যি দলিল ইতিপূৰ্বে মন্ত্রী পৰিষদে গ্রহণ কৰিছিল তাত কোৱা হৈছিল যে উক্ত আয়োগবিলাক গঠন কৰাৰ উদ্দেশ্য আছিল

নিৰক্ষৰ জনগণৰ খৰতকীয়া আৰু ধাৰাবাহিক শিক্ষাৰ ব্যৱস্থা কৰা। এই ক্ষেত্ৰত, আয়োগবিলাকে শিক্ষক প্ৰশিক্ষণ, শিক্ষাদানৰ বিষয়-সামগ্ৰী প্ৰকাশন, শিক্ষালয় পতা, সকলো সাক্ষৰ আৰু নিৰক্ষৰ লোকৰ তালিকা প্ৰস্তুতিকৰণ আৰু অতি দ্ৰুত গতিত নিৰক্ষৰতা দূৰীকৰণৰ বাবে প্ৰয়োজনীয় অন্য সকলো প্ৰশ্ন সমাধানৰ আয়োগ-বিলাকক দিয়া হৈছিল।

নিৰক্ষৰতা-বিৰোধী অভিযানে প্ৰতিক্ৰিয়াশীলসকলৰ কঠিন বাধাৰ সন্মুখীন হৈছিল যি সকলে "জাতীয় আচাৰ-আচৰণৰ অৱহেলন" বুলি হৈ চৈ তুলি বাধাৰ প্ৰাচীৰ তোলাৰ সম্ভাব্য সকলো পন্থাই গ্ৰহণ কৰিছিল। নাৰীমুক্তিৰ লক্ষ্য সাধনৰ বাবে লোৱা ব্যৱস্থা-বিলাকৰ বিৰুদ্ধে তেওঁলোকে উন্মত্ত প্ৰচেষ্টাৰে এক বিশেষ তিক্ত সংগ্ৰাম আৰম্ভ কৰে, পুৰণি কলীয়া পিতৃতান্ত্ৰিক সামন্তযুগীয় সম্বন্ধ ৰক্ষা কৰিবলৈ আৰু নাৰীসকলৰ জ্ঞানৰ পোহৰ, বিদ্যা আৰু সংস্কৃতিৰ ধাউতিক স্তব্ধ কৰি দিবলৈ।

বিপ্লৱৰ কিছু কালৰ পিছতে পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ ভিতৰতে আৰু স্থানীয় কমিটি সংগঠনবিলাকৰ ভিতৰতে যি বিশেষ নাৰী-বিভাগসমূহ পাতি দিয়া হৈছিল সেইবোৰে নাৰীমুক্তিৰ কাৰণে এটি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। প্ৰথমতে, এই বিভাগবোৰৰ কছ নাৰীৰে গঠিত বিষয় দলে মধ্য এছিয়াত বাস কৰিবলৈ আৰু কাম কৰিবলৈ ধৰে আৰু স্থানীয় ভাষাও শিকে আৰু দেশৰ মাজ অঞ্চলসমূহৰ পাৰ্টিয়ও কৰ্মীদল পঠিয়ায়। তেওঁলোকৰ এটা কামে আছিল জিলা আৰু নগৰবিলাকত নাৰী সন্মিলন আৰু প্ৰজাতন্ত্ৰ স্তৰত নাৰী কংগ্ৰেছ সংগঠিত কৰা—যি বিলাকত দেশৰ সমাজ জীৱনত নাৰীৰ ভূমিকা, তেওঁলোকৰ অধিকাৰ, সমানাধিকাৰ আদি বিষয়ে আলোচনা মেলি দিয়া হৈছিল।

ৰাজহুৱা বিষয়ত মহিলাসকলে এটা সক্ৰিয় ভূমিকা লওঁতে অন্যতম যি এটা পথ গ্ৰহণ কৰিছিল সেইটো হ'ল তথা কথিত

প্ৰতিনিধি সভাবিলাক, যি বিলাকে পাৰ্টিকমিটিসমূহৰ মহিলাবিভাগ-বোৰেৰে সৈতে সহযোগ কৰি কাম কৰিছিল আৰু এই প্ৰতিনিধি সভাবিলাকত শ্ৰমিক, কৃষক আৰু অফিচ কৰ্ম্মচাৰীসকলৰ মহিলা সভাবোৰে ছ'মাহৰ পৰা এক বছৰ কালৰ কাৰণে নিৰ্ব্বাচিত কৰি পঠিয়াইছিল। বক্তৃতা, ৰাজনৈতিক, সাংস্কৃতিক আৰু শিক্ষামূলক বিষয়সমূহৰ ওপৰত আলোচনাত অংশ গ্ৰহণ কৰাৰ ওপৰিও মহিলা প্ৰতিনিধিসকলক ছোভিয়েত সমিতি, হাসপাতাল, বিদ্যালয় শিশুসদন, ক্লাব, বিচাৰালয় আৰু সমবায় সমূহৰ কাম কাজত টানি অনা হৈছিল। তেওঁলোকক নিৰ্ব্বাচিত কৰি পঠিওৱা মহিলাসকলৰ ওচৰত তেওঁলোকে কৰা কাম কাজৰ বিবৰণ দাঙি ধৰিছিল।

সাংস্কৃতিক বিপ্লৱৰ আৱশ্যকীয় গুৰুত্বপূৰ্ণ অংশ আছিল মহিলা-সকলৰ মুক্তিৰ সংগ্ৰাম আৰু নিৰক্ষৰতাৰ অৱসান। কেৱল নিৰক্ষৰতা বিৰোধী বিদ্যালয়ৰ ভিত্তিত প্ৰকৃত সাংস্কৃতিক বিপ্লৱৰ ফল লাভ হোৱা নাছিল। প্ৰাথমিক শিক্ষাৰ সাৰ্ব্বজনীন বাধ্যতামূলক এটা নিয়ম সংগঠিত কৰাৰ দৰকাৰ আছিল আৰু তাৰ পিছত ক্ৰমান্বয়ে বিশেষধৰণৰ মাধ্যমিক আৰু উচ্চতৰ শিক্ষা প্ৰতিষ্ঠানবোৰৰ এখন ব্যাপক জাল বিস্তাৰ কৰাৰ প্ৰয়োজন আছিল।

এই ব্যাপক পৰিকল্পিত কাৰ্য্য সাধিত হৈছিল ৰুছ ফেডাৰেছন আৰু অন্যান্য সাধাৰণতন্ত্ৰৰ জনগণৰ সহায়লৈ। স্থানীয় কাজাখ, তাজিক, উজবেক আৰু কিৰঘিজ কৰ্ম্মীসকলে জাতীয় বিদ্যালয়বিলাকত ভাগ ভাগেহে নিযুক্ত হোৱাৰ কাৰণে ছোভিয়েত ৰুছিয়াৰ উচ্চতৰ শিক্ষা অনুষ্ঠানবিলাকত শিক্ষা গ্ৰহণ কৰিছিল। এটি উচ্চতৰ শিক্ষা-সহ বিশাৰদ প্ৰশিক্ষণৰ গড় হাৰ গোটেই ছোভিয়েত সংঘৰ গড় হিচাবতকৈ মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰবিলাকত বেছি আছিল আৰু এতিয়াও বেছি আছে। ১৯৬৬/৬৭ চনত উচ্চ শিক্ষাৰ অনুষ্ঠান-বোৰত যোগ দিয়া উজবেক ছাত্ৰসকলৰ সংখ্যা ১৯২৭/২৮ চনৰ সংখ্যাৰ ২২৫ গুণ বেছি আছিল আৰু বিশেষজ্ঞ ধৰণৰ মাধ্যমিক

বিদ্যালয়বোৰত যোগদান কৰা ছাত্ৰ সংখ্যা ১৯২৭/২৮ চনৰ সংখ্যাৰ ১৯ গুণ বেছি আছিল। কিৰঘিজ ছাত্ৰসকলৰ ক্ষেত্ৰত এই পাৰ্থক্যৰ উপাদান আছিল যথাক্ৰমে ১৮৭ আৰু ২৮, তাজিকবিলাকৰ ক্ষেত্ৰত ১৯৯ আৰু ৪৫, আৰু তুৰ্কমেনসকলৰ ক্ষেত্ৰত ১৭৮ আৰু ২০*

মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰসমূহে জাতীয় কৰ্ম্মীদল প্ৰশিক্ষণৰ ওপৰিও ৰুছ ফেডাৰেছনৰ উচ্চতৰ শিক্ষা অনুষ্ঠানবোৰে আৰু অন্যান্য ভ্ৰাতৃত্বমূলক সাধাৰণতন্ত্ৰবোৰেও নিজা সহস্ৰ সহস্ৰ বিশাৰদ যেনে ইঞ্জিনিয়াৰ, ডাক্তৰ, শিক্ষক ইত্যাদি মধ্য এছিয়ালৈ পঠাইছিল। মধ্য এছিয়াৰ বিদ্যালয়সমূহৰ কাৰণে প্ৰথম পাঠ্যপুস্তকবিলাকো মস্কো, লেনিনগ্ৰাদ আৰু কাজানত প্ৰকাশিত হৈছিল। ছোভিয়েত কিৰঘিজিস্তানৰ জনশিক্ষা মন্ত্ৰী অধ্যাপক এ, কে, কানিমেতভে লিখিছে যে "প্ৰথম বিদ্যালয় ভৱন সমূহৰ নক্সা প্ৰস্তুত কৰিছিল মস্কো আৰু লেনিনগ্ৰাদৰ স্থপতিসকলে। বিদ্যালয়ৰ সামগ্ৰী, ডেস্কৰ পৰা শিক্ষা সহায়ক বস্তুলৈকে সকলো ৰুছিয়াত প্ৰস্তুত হৈছিল আৰু আমাক সমৰ্পন কৰা হৈছিল।"**

১৯৩৬ চনত ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটি আৰু ছোভিয়েত চৰকাৰে "নিৰক্ষৰ আৰু অৰ্ধ-সাক্ষৰৰ শিক্ষাদানৰ কাৰ্য্য সম্পৰ্কে" এটি প্ৰস্তাৱ গ্ৰহণ কৰে, তাত প্ৰাপ্তবয়স্ক জনসংখ্যাৰ সকলোকে ১৯৩৬ আৰু ১৯৩৭ চনত সম্পূৰ্ণৰূপে নিৰক্ষৰতা দূৰকৰাৰ কৰ্ত্তব্য নিৰূপণ কৰিছিল। কিৰঘিজ সাধাৰণতন্ত্ৰই ১৯২৫ আৰু ১৯৩৬ চনৰ ভিতৰত সম্পুৰ্ণ কালছোৱাৰ কাৰণে শিক্ষা খাতে যি ব্যায় মঞ্জুৰ কৰিছিল তাৰ দ্বিগুণৰ অধিক ৭,৯৪৪,০০০ ৰুবল ১৯৩৭ চনত মঞ্জুৰ কৰিছিল। প্ৰাপ্তবয়স্কসকলৰ কাৰণে শিক্ষক

*৫০ বছৰৰ ছোভিয়েত ভূমি, মস্কো ১৯৬৭, পৃঃ ২৮০ (ৰুছ ভাষাত)

**এ, কে, কানিমেতভ-নিৰক্ষৰতাৰ পৰা জনশিক্ষাৰ সমৃদ্ধিলৈকে। আলোচনা চক্ৰৰ বিষয় বস্তু, "মধ্য এছিয়াৰ প্ৰজাতন্ত্ৰসমূহত আৰু কাজাখস্তানত কৃষি ৰূপান্তৰৰ অভিজ্ঞতা আৰু সদ্য স্বাধীন দেশবিলাকৰ কাৰণে ইয়াৰ বৈশিষ্ট্য।" পৃঃ ৭

প্ৰশিক্ষণৰ পাঠ্যক্ৰমৰ মন্ত্ৰাৰ উদ্বোধন কৰা হৈছিল। কৃষি অঞ্চল-বিলাকত থকা নিৰক্ষৰসকলক তেওঁলোকৰ একেবাৰে কাম কৰা ঠাইতে শিক্ষা প্ৰদান কৰা হৈছিল আৰু গৰু-মহ-ছাগলী আদি জন্তু পোহনীয়া অঞ্চলবিলাকত ভ্ৰাম্যমান শিক্ষালয় পঠোৱা হৈছিল। ব্যক্তি গোটক শিক্ষা দিয়া চলিছিল-ঘৰত, বিদ্যালয়ত, ক্লাব আদি সকলোতে। থলুৱা ভাষাত শিক্ষা দিয়া হৈছিল। ১৯২৫ আৰু ১৯৩৯ চনৰ ভিতৰত কিৰঘিজিয়াৰ প্ৰাপ্তবয়স্কসকলৰ বিদ্যালয়সমূহে ৮০০,০০০ লোকক শিক্ষা দিছিল আৰু ১৯৩৯ চনত সাধাৰণতন্ত্ৰখনৰ সাক্ষৰতাৰ হাৰ বৃদ্ধি পাই শতকৰা ৭০ জন হৈছিল, ১৯২৬* চনত শতকৰা ১১.৫ ভাগ আছিল এই হাৰ। চৰকাৰী পৰিসংখ্যান মতে ১৯৩৯ চনৰ ১৭ জানুৱাৰীত সাক্ষৰতাৰ হাৰ আছিল নিম্নলিখিত ধৰণৰঃ- উজবেক ছোভিয়েত সমাজতান্ত্ৰিক প্ৰজাতন্ত্ৰত পুৰুষসকলৰ মাজত শতকৰা ৭৩.৬ ভাগ; ৬১.৬ ভাগ মহিলাসকলৰ মাজত আৰু সামগ্ৰিকভাৱে আছিল ৬৭.৮ ভাগ। তুৰ্কমেন ছোভিয়েত সমাজতান্ত্ৰিক প্ৰজাতন্ত্ৰত আছিল যথাক্ৰমে ৭৩.৩, ৬০.৬ আৰু ৬৭.২ ভাগ। কিৰঘিজ ছোভিয়েত সমাজতান্ত্ৰিক প্ৰজাতন্ত্ৰত আছিল ৭৬.৭, ৬৩ আৰু ৭০ ভাগ। তাজিক ছোভিয়েত সমাজতান্ত্ৰিক প্ৰজাতন্ত্ৰত আছিল ৭৭.৭, ৬৫.২ আৰু ৭১.৭ ভাগ।**

এই কাৰ্য্য সমাধা কৰা হৈছিল অপেক্ষাকৃতভাৱে কম সময়ৰ ভিতৰতে—ছুই দশকৰো কম সময়ত। ১৯৪০ চনত ছোভিয়েত ইউনিয়নত সমাজবাদৰ জয়লাভৰ সময়ত কেৱা ধৰণৰ শিক্ষা প্ৰতিষ্ঠানত যি সংখ্যক লোক ভৰ্ত্তি হৈছিল সি ১৯১৪ চনৰ তুলনাত বাঢ়ি গৈছিল, যেনে কাজাখ্‌স্তানত ১০.৫ গুণ; তুৰ্কমেনিয়াত ৩৪ গুণ;

*এ. কে. কানিমেতভ, আগতে উল্লিখিত মতে পৃঃ ৬

**ছোভিয়েত সমাজতান্ত্ৰিক সাধাৰণতন্ত্ৰসমূহৰ সংঘৰ সাংস্কৃতিক নিৰ্মাণকাণ্ড। পৰিসংখ্যানমূলক কিতাপ। মস্কো-লেনিনগ্ৰাদ, ১৯৪০ (ৰুছ ভাষাত)

কিৰ্ঘিজিয়াত ৪৭ গুণ ; উজবেকিস্তানত ৭১ গুণ, আৰু তাজিকিস্তানত ৭৫.৭ গুণ ।*

সামাজিক আৰু ৰাজনৈতিক জীৱনত, আৰু সামাজিক উৎপাদনত মহিলাসকলৰ ভূমিকা উল্লেখনীয় ভাবে বৃদ্ধি পাইছিল। উজবেকিস্তানত, উদাহৰণ স্বৰূপে, শিল্প ঔদ্যোগিক প্ৰতিষ্ঠানসমূহত কৰ্মৰত মহিলাৰ সংখ্যা ১৯২৮ চনৰ শতকৰা ১৫.১ ভাগৰ পৰা বৃদ্ধি পাই ১৯৪০ চনত ৪০.৭ ভাগ হৈছিল।

মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰসমূহৰ সাংস্কৃতিক বিপ্লৱ —যি আছিল সেইবিলাকৰ অপুঁজিবাদী পথেদি বিকাশৰ এটি অবিচ্ছেদ্য অংশ— সেয়া জনগণৰ অভূতপূৰ্ব্ব সৃজনি শক্তিক জাহিৰ কৰিছে আৰু জনগণক পূৰ্ণ সাংস্কৃতিক অধিকাৰ দিছে। সাংস্কৃতিক বিপ্লৱৰ আটাইতকৈ প্ৰধান আৰু গুৰুত্বপূৰ্ণ সফলতা হৈছে নতুন মানুহ গঢ়ি তোলাত, শিক্ষিত কৰি তোলাত আৰু সামাজিক ও ৰাজনৈতিক ভাবে সচেতন কৰি তোলাত, মাক্স´বাদী-লেনিনবাদী মহান্ ভাবধাৰাত প্ৰতিপালিত কৰি তোলাত। এয়া মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰসমূহৰ প্ৰগতিক বেগাই দিছিল আৰু তেওঁলোকক সমাজবাদৰ বৈষয়িক আৰু প্ৰযুক্তিগত ভিত্তি গঢ়ি তোলাত সহায় কৰিছিল।

মাক্স´ আৰু এঙ্গেলছে দেখুৱাইছিল যে মতবাদে শেষ পৰ্য্যন্ত সমাজজীৱনৰ বিকাশ নিৰ্দ্ধাৰণ নকৰে, বৰং সমাজৰ অৰ্থনৈতিক গাঁথনিৰ ওপৰত নিৰ্ভৰ কৰা সামাজিক চেতনাবোধৰ ওপৰতে। সমাজৰ বৈষয়িক জীৱন হৈছে মুখ্য আৰু নিৰ্ণয়কাৰী আৰু ইয়াৰ পাৰমাৰ্থিক জীৱন হৈছে গৌণ আৰু উপজাত। মাক্স´ লিখিছিল "বৈষয়িক জীৱনৰ উৎপাদন প্ৰণালী সামাজিক, ৰাজনৈতিক আৰু বৌদ্ধিক জীৱন প্ৰক্ৰিয়াক সাধাৰণভাবে নিয়মাধীন কৰে। মানুহৰ চেতনাবোধে তেওঁলোকৰ অস্তিত্ব নিৰ্দ্ধাৰণ নকৰে, বৰং তাৰ বিপৰীতে

*ছোভিয়েত কিৰঘিজিয়া, আগষ্ট ২৫, ১৯৭১

তেওঁলোকৰ সামাজিক অস্তিত্ব তেওঁলোকৰ চেতনাবোধক নিৰ্ধাৰিত কৰে।"* এয়ে হ'ল ঐতিহাসিক বস্তুবাদৰ মৌলিক প্ৰতিপাদ্য। কিন্তু ইয়াৰ দ্বাৰা এইটো নুবুজায়, যেনে কেবাজন বুৰ্জোৱা পণ্ডিতে কৈছে, যে মাৰ্ক্সবাদ-লেনিনবাদে মনৰ ভাৱবিলাকৰ সক্ৰিয় ভূমিকাক অস্বীকাৰ কৰে, সমাজজীৱনত পাৰমাৰ্থিক আৰু ভাবগত উপাদানক অস্বীকাৰ কৰে।

বিপৰীত পক্ষে মাৰ্ক্সবাদ-লেনিনবাদে অনবৰত জোৰ দিয়ে যে মনৰ ভাৱবিলাকৰ গুৰুত্ব গৌণ বুলি বিবেচনা কৰা ঠিক নহয়। ইতিহাসৰ প্ৰক্ৰিয়াত মনৰ ভাৱবিলাকে এক মহান্ আৰু সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। মতবাদৰ আপেক্ষিক স্বাধীনতা আছে, যেনে ঘটনাত পৰিস্ফুট যে মনৰ ভাৱবোৰে সমাজৰ বিকাশৰ আগে আগে যাব পাৰে অথবা ইয়াৰ পিছে পিছে যাব পাৰে। এঙ্গেলছে লিখিছিল" ইতিহাসৰ বস্তুবাদী ধাৰণা অনুযায়ী ইতিহাসত চূড়ান্ত নিৰ্ণয়কাৰী উপাদান হ'ল প্ৰকৃত জীৱনৰ উৎপন্ন আৰু পুনৰুৎপন্ন। গতিকে, যদি কোনোবাই ইয়াক বিকৃত কৰি কয় যে অৰ্থনৈতিক উপাদান হৈছে একমাত্ৰ নিৰ্ণয়কাৰী শক্তি, তেন্তে তেওঁ সেই প্ৰতিপাদ্যক অৰ্থহীন, বিমূৰ্ত, নিৰ্বোধ বাক্যচাতুৰীত** ৰূপান্তৰিত কৰিব।"

মধ্য এছিয়াত সাংস্কৃতিক বিপ্লৱ চলি থাকোঁতে, ব্যাপক জনগণৰ চেতনাবোধ মামৰে ধৰা মতবাদ, অন্ধবিশ্বাস আৰু প্ৰগতিমূলক বিকাশত বাধা জন্মাব পৰা যি কোনো বস্তুৰ পৰা মুক্ত আছিল। জনগণৰ চেতনাত সমাজবাদী চিন্তাধাৰা গঢ়ি উঠাৰ ফলত তেওঁলোকে সক্ৰিয় ৰাজনৈতিক আৰু সামাজিক কাৰ্য্যকলাপৰ বাবে এটি ন্যায্যভিত্তিক সমাজবাদী সমাজগঠনৰ বাবে জাগি উঠে।

---

*কে. মাৰ্ক্স আৰু এফ. এঙ্গেলছ, ৰচনা সংগ্ৰহ, তিনি খণ্ডত, খণ্ড নং ১, পৃঃ ৫০৩

**ঐ খণ্ড নং ৩ পৃঃ ৪৮৭

বিজ্ঞানসম্মত সমাজবাদৰ ভাৱধাৰাই এক প্ৰবল শক্তি হিচাপে তেওঁলোকক অনগ্ৰসৰতাৰ পৰা প্ৰগতিৰ পিনে এক অসাধাৰণ জাপ মাৰিবলৈ, প্ৰাক্-পুঁজিবাদী, সামন্তবাদী সম্পৰ্কৰ পৰা, অপুঁজি-বাদী স্তৰৰ যোগেদি সমাজবাদলৈ যোৱাত সহায় কৰে।

কৃষিৰ সমাজবাদী পুনৰ্গঠন আৰু সমাজবাদী শিল্প-উদ্যোগীকৰণ

১৯২০ চনত মধ্য এছিয়া আৰু কাজাখস্তানত যি কৃষি সংস্কাৰ সাধন কৰা হৈছিল সেইয়া লেনিনৰ সমবায় সংক্ৰান্ত পৰিকল্পনাৰ ভিত্তিত কৃষিৰ সমাজবাদী পুনৰ্গঠনৰ বাট মুকলি কৰি দিয়ে। লেনিনে দেখা পাইছিল যে কৃষিত শ্ৰম-উৎপাদন বৃদ্ধিহে একমাত্ৰ পথ আৰু তাৰ ফলত কৃষকসকলৰ দ্ৰুত উন্নতি সাধন সুনিশ্চিত হব, কলকব্জা আৰু বিজ্ঞানৰ অৱদানবোৰৰ সহায়েৰে ক্ষুদ্ৰ পাম খেতিবিলাকক যৌথীকৰণ আৰু বৃহৎ উৎপাদনলৈ উত্তৰণৰ যোগেদিহে। তেওঁ উন্নুকিয়াই দিছিল যে ছোভিয়েত ৰাষ্ট্ৰৰ অধীনত থকা সমবায় পুঁজিবাদৰ অধীনত থকা সমবায়ৰ পৰা মূলগত আৰু অভিপ্ৰায়গতভাবে বেলেগ আছিল। "আমাৰ বৰ্ত্তমান নিয়মৰ অধীনত," তেওঁ লিখিছিল, "সমবায় উদ্যোগবিলাক ব্যক্তিগত পুঁজিভিত্তিক উদ্যোগৰ পৰা বেলেগ, যিহেতু সিবিলাক হৈছে যৌথ উদ্যোগ, কিন্তু সমাজবাদী উদ্যোগৰ পৰা বেলেগ নহয়, যদি খ্যি মাটিৰ ওপৰত সেইবিলাক অৱস্থিত আৰু সেইবিলাকৰ উৎপাদন সাধনৰ সজুলিবিলাকৰ মালিক হয় ৰাষ্ট্ৰ, অৰ্থাৎ শ্ৰমিকশ্ৰেণী।"* তেওঁ জোৰ দি কৈছিল যে কৃষকসকলৰ সংগঠন সমবায়লৈ ৰূপ লোৱাই শ্ৰমিক-কৃষক মৈত্ৰীক শক্তিশালী কৰিব - যি হৈছে সৰ্ব্বহাৰাৰ

---

*ভ. ই. লেনিনৰ "সমবায় সম্পৰ্কে" ৰচনা সংগ্ৰহ, খণ্ড ৩৩ পৃঃ ৪৭৩

একনায়কত্বৰ ভিত্তি আৰু চৰমতম নীতি আৰু এই উদ্দেশ্য পূৰণৰ বাবে অনবৰত আৰু সকলো পিনৰ পৰা কমিউনিষ্ট পাৰ্টি আৰু সৰ্ব্বহাৰাৰ ৰাষ্ট্ৰৰ পৰা সমৰ্থনৰ প্ৰয়োজন অৰ্থাৎ বৈষয়িক, আৰ্থিক, ৰাজনৈতিক আৰু সাংগঠনিক সহায়। লেনিনৰ সমবায় পৰিকল্পনাৰ মূল বক্তব্য মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰবিলাকৰ আৰু কাজাখস্তানৰ মঙ্গোলিয়া আৰু সমাজবাদী অন্যান্য দেশসমূহৰ অভিজ্ঞতাৰে কেনেকৈ সমৃদ্ধ হৈছে সেয়া বহল ভাবে ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ সমাজ বিজ্ঞানৰ পঢ়াশালিয়ে প্ৰকাশ কৰা "বৈজ্ঞানিক সাম্যবাদৰ গুৰিৰ কথা" নামৰ কিতাপখনত উপস্থিত কৰিছে।

"কৃষি পামবিলাকক সমবায়ত সংগঠিত কৰাৰ সম্পৰ্কে মাৰ্ক্সবাদী-লেনিনবাদী পাৰ্টিসমূহৰ নীতি যি হব" কিতাপখনে কৈছে, তাৰ ভিতৰত নিম্নলিখিত বিলাক অন্তৰ্ভুক্ত :

"— সমবায় খেতিলৈ স্বেচ্ছাপ্ৰণোদিত উত্তৰণ, কৃষকজনগণৰ ইচ্ছাৰ বিৰুদ্ধে সমবায়ৰ সূচনা, নীতি বিৰুদ্ধ।

"— যৌথীকৰণৰ হাৰ কৃত্ৰিমভাবে বঢ়াই দিয়াৰ পৰিবৰ্ত্তে খাপে খাপে আগ বঢ়া।

"— নিম্ন আৰু হজুৱা ধৰণৰ সমবায়ৰ পৰা উচ্চতৰ আৰু অধিক জটিল সমবায়ৰ ধৰণলৈ যোৱাত নিম্নতৰ সমবায়ক এৰি থৈ গৈ তৎক্ষণাত উচ্চতৰ সমবায়লৈ জাপ মৰা বাদ দি স্থিৰ থকা।

"— সমবায়ৰ ধৰণ পছন্দ কৰোঁতে এখন নিৰ্দ্দিষ্ট দেশৰ বাস্তৱ অৱস্থা, অৰ্থনীতিৰ আঞ্চলিক, জাতীয় আৰু পৰম্পৰাগত বৈশিষ্ট্য আৰু কৃষিকাৰ্য্য পদ্ধতিৰ বৈশিষ্ট্যৰ ভু লোৱা।

"— সমবায়বিলাকত লাভদায়ক বৈষয়িক প্ৰেৰণা দানৰ নীতিৰ স্থিৰ প্ৰয়োগ।

"— ব্যক্তিগত সহায়কাৰী পাম জোৰ কৰি উঠাই দিয়া অথবা ইয়াৰ অত্যাধিক সীমাবদ্ধ কৰণত জোৰ কৰা, যিটো হব সমবায়বিলাকৰ

সত্যসকলৰ ব্যক্তিস্বাৰ্থ আৰু সমাজ, অৰ্থনীতিৰ স্বাৰ্থৰ পক্ষে ক্ষতিকাৰক, সেইবিলাকক বাদ দি সমবায়বোৰৰ যৌথ কৃষিকাৰ্য্যৰ লগতে সমবায়ত যোগদান কৰা কৃষকসকলৰ ব্যক্তিগত কৃষিকাৰ্যাৰ সংযোগ সাধন।
“ — সমবায় আৰু ৰাজহুৱা স্বাৰ্থত সমবায়বিলাকত গণতন্ত্ৰসন্মত স্বয়ং পৰিচালনা ব্যৱস্থা গঢ়ি তোলা।
“ — সমবায় আন্দোলনৰ প্ৰতি সৰ্বহাৰাৰ ৰাষ্ট্ৰ আৰু শ্ৰমিকশ্ৰেণীৰ ফালৰ পৰা উৎপাদনৰ উপকৰণ, কল-কব্জা; ৰাসায়নিক, ঋণ, বিশেষজ্ঞ, সংগঠক ইত্যাদিৰে সৰ্বতোমুখী সহায়দান।”*

মধ্য এছিয়া আৰু কাজাখ্স্তানত লেনিনৰ সমবায় পৰিকল্পনা প্ৰতিপালনত, উদাহৰণ স্বৰূপে ছোভিয়েত ইউনিয়নৰ মধ্য আৰু পশ্চিম অঞ্চলবিলাকৰ সৈতে তুলনামূলক নিজস্ব নিৰ্দ্দিষ্ট বৈশিষ্ট্য কেটামান আছিল। প্ৰধান পাৰ্থক্য এই ঘটনাটিতে আছিল যে, পুঁজিবাদী আৰু কুলাক জাতীয় উপাদানবিলাক গুচাই দিয়াৰ লগতে প্ৰাক-পুঁজিবাদী, পিতৃতান্ত্ৰিক জনজাতীয় সম্পৰ্কৰ চিন মোকামবিলাক নাইকিয়া কৰাৰ সমস্যাবো সমাধান কৰিবলগীয়া হৈছিল। বিভিন্ন অঞ্চলৰ অতুলনীয় সামাজিক আৰ্থিক পৰিস্থিতিৰ-যাযাবৰ, বন্দোবস্তী থকাত কৃষি, আৰু নতুন বন্দোবস্তী হোৱা কৃষি-প্ৰতিটোৰ প্ৰতি এটা বিশেষ দৃষ্টিভংগী আৰু যৌথীকৰণ পৰিকল্পনা কাৰ্য্যকৰী কৰাৰ কাৰণে এটা বিৰাট সময় দিয়াবো প্ৰয়োজন আছিল। তদুপৰি, ছোভিয়েত শক্তিৰ শ্ৰেণীশত্ৰুৰ ভয়ানক প্ৰতি-ৰোধকো ওফৰাবলগীয়া হৈছিল।

যি কি নহওক, এইবোৰ অসুবিধা আৰু জটিলতাক অৱজ্ঞা কৰিয়ে মধ্য এছিয়া আৰু কাজখ্স্তানৰ মেহনতী জনতা কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত, পৰিকল্পনাটি কাৰ্য্যকৰী কৰে, আৰু আকৌ যাযাবৰ আৰু আধা-যাযাবৰ শ্ৰমৰ লোকসকলক স্থিৰভাবে জীৱন যাপন কৰাত সহায় কৰে।

*বিজ্ঞান সন্মত সাম্যবাদৰ জন্মৰ কথা, পৃঃ ২৭৬ (কাই তাৰাত)

এই বিষয়ে ব্যাপকভাবে সহায় আগ বঢ়াইছিল আগ শাৰীৰ কহ শ্ৰমিকসকলে যি সকল মধ্য এছিয়াত উপস্থিত হৈছিল পাৰ্টিৰ আহ্বানত আৰু তাত পাৰ্টিৰ নীতিৰ বাহক আৰু যৌথ শ্ৰমৰ সংগঠক হৈ পৰিছিল। ১৯৩০ চনৰ দ্বিতীয়াৰ্ধত ছোভিয়েত প্ৰাচ্য ভাগৰ সাধাৰণতন্ত্ৰবিলাকৰ কৃষিৰ সকলোতে সমাজতান্ত্ৰিক খণ্ড বিজয়ী হয়। ফলত সমগ্ৰ ছোভিয়েত ইউনিয়ন জুৰি কৃষিৰ অখণ্ড সমাজতান্ত্ৰিক ব্যৱস্থা হৈছিল।

লেনিনৰ সমবায় পৰিকল্পনাৰ বাস্তৱ ৰূপায়ণে কুলাকসকলৰ বন্ধনৰ পৰা কৃষকসকলক মুক্তি দিছিল আৰু তেওঁলোকৰ স্তৰ-বিভাজন আৰু ধ্বংসৰ পথ ৰোধ কৰিছিল।

লেনিনে গাওঁ অঞ্চলত পুঁজিবাদৰ মূলোচ্ছেদৰ মূল চৰ্ত্ত হিচাপে গধূৰ শিল্পক সমাজবাদী কৃষি উন্নয়নৰ কাঠি স্বৰূপ গণ্য কৰিছিল। তেওঁ লিখিছিল, "আমি কওঁ: "কৃষকসকলক অভাৱ আৰু অনাহাৰৰ পৰা ৰক্ষা কৰাৰ একমাত্ৰ উপায় হৈছে বৃহদায়তন শিল্প।" তেওঁ জোৰ দি কৈছিল যে নগৰ আৰু গাওঁ অঞ্চলত বৃহদাকাৰৰ যান্ত্ৰিক উৎপাদন হৈছে সমাজবাদৰ ভৌতিক আৰু প্ৰযুক্তিগত ভিত্তি, আৰু এই ভিত্তি কেৱল সমাজবাদী শিল্পোদ্যোগীকৰণেহে হব পাৰে।

যি পুঁজিবাদী ঔদ্যোগীকৰণে ঔদ্যোগীকৰণৰ পুঁজি উলিওৱাৰ উৎস হিচাপে ঔপনিৱেশিক আৰু পৰাধীন দেশসমূহক লুণ্ঠন কৰা। পৰাজিত জাতিসমূহৰ পৰা সামৰিক কৰ জোৰকৈ আদায় কৰা আৰু মেহনতী মানুহক নিৰ্মমভাবে শোষণ কৰা কামত লিপ্ত হয় সেই পুঁজিবাদী ঔদ্যোগীকৰণ পদ্ধতিৰ ব্যৱহাৰ সমাজবাদী ঔদ্যোগী-কৰণে বৰ্জন কৰে। সমাজবাদী ঔদ্যোগীকৰণত পুঁজি লগ্নীৰ উৎস হিচাপে যি বিলাক পদ্ধতি ব্যৱহৃত হয় সেইবিলাক হ'ল নতুন প্ৰযুক্তিবিদ্যাৰ প্ৰচলন, উন্নত উৎপাদন কৌশলৰ ব্যৱহাৰ। পৰিকল্পিত আৰ্থ-ব্যৱস্থাপনা সুবিধাদি, শ্ৰম সামগ্ৰী আৰু আৰ্থ-সম্পদৰ যুক্তিসঙ্গত ব্যৱহাৰ আৰু কম খৰচত উৎপাদন আৰু বণ্টন।

সমাজবাদী ঔদ্যোগীকৰণৰ নীতি হৈছে গধুৰ শিল্পত লগ্নীৰ প্ৰাধান্য দিয়া প্ৰয়োজনীয় উৎপাদনৰ সজুলিবোৰ যেনে কল-কব্জা আৰু যন্ত্ৰপাতি আমদানিৰ কাৰণে এটা ৰাজহ, ধণ আৰু বৈদেশিক বাণিজ্য আৰু দক্ষ শ্ৰমিক, প্ৰযুক্তিবিদ্ আৰু ইঞ্জিনিয়াৰৰ এটা বিৰাট বাহিনী শিক্ষিত কৰি তোলাৰ পদ্ধতি ব্যৱহাৰ কৰা।

ঔদ্যোগীকৰণৰ ধৰণ আৰু গতিৰ প্ৰভেদ ঘটে। উদাহৰণ স্বৰূপে, মঙ্গোলীয়া আৰু কিউবাৰ অভিজ্ঞতাত দেখা যায় যে কিছুমান দেশত কৃষি আৰু কৃষিজাত উৎপন্নৰ ক্ৰমোন্নতিত যি শিল্প উদ্যোগবিলাক সহায়ক হয় সেইবিলাক গঢ়ি তোলা সম্ভৱ আৰু সেইবিলাকেৰে আৰম্ভ কৰা উচিতো। মধ্য এছিয়া আৰু কাজাখ্-স্তানৰ শিল্প-ঔদ্যোগীকৰণ স্থানীয় অৱস্থাৰ বিভিন্নতা অনুযায়ী কৰা হৈছিল।

জাৰতন্ত্ৰী ৰাছিয়াৰ অধিক উন্নত অঞ্চলসমূহৰ কৃষিপ্ৰধান, কেঁচামাল উৎপাদনকাৰী লেমটৌ হিছাপে মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰ-বিলাকক ৰখা হৈছিল। উদাহৰণস্বৰূপে বিপ্লৱ পূৰ্ব্ব তুৰ্কীস্তানত মুঠতে ৭০২ টা উদ্যোগ আছিল, যিবিলাকৰ কল-কব্জা আছিল আদিম অৱস্থাৰ আৰু প্ৰধানতঃ কৃষিজাত কেঁচামালৰ, মূলতঃ কপাহৰ ক্ৰমোন্নতিৰ কামত নিযুক্ত আছিল। তুৰ্কীস্তানৰ মুঠ জনসংখ্যাৰ মাত্ৰ শতকৰা ০.৩৫ ভাগহে আছিল শ্ৰমিক।*

ছোভিয়েত ইউনিয়নৰ অন্যান্য সাধাৰণতন্ত্ৰসমূহৰ ঔদ্যোগীকৰণৰ কাম চলি থকা সময়তে মধ্যএছিয়াৰ সাধাৰণতন্ত্ৰসমূহতো সমাজবাদী ঔদ্যোগীকৰণৰ কাম চলিছিল। কমিউনিষ্ট পাৰ্টি আৰু ছোভিয়েত চৰকাৰৰ নীতি পৰিচালিত হৈছিল সকলো সাধাৰণতন্ত্ৰৰ অৰ্থনীতি গঢ়ি তোলাৰ পিনে আৰু সামগ্ৰিকভাবে দেশৰ প্ৰতিটো জাতিৰ আৰ্থিক, ৰাজনৈতিক আৰু সাংস্কৃতিক জীৱনৰ ভূমিকা বৃদ্ধিৰ পিনে।

*এম. এচ. দ্‌বুনুচোর্ভ, 'ভূতপূৰ্ব্ব অনগ্ৰসৰ দেশবিলাকত সমাজবাদ গাঢ় তোলাৰ ঐতিহাসিক অভিজ্ঞতা সম্পৰ্কে," মস্কো ১৯৫৮, পৃঃ ৫৮ (ৰুছ ভাষাত)

তথাপি, পাৰ্টিয়ে অধিক অনগ্ৰসৰ সাধাৰণতন্ত্ৰ আৰু অঞ্চলসমূহৰ প্ৰতি বিশেষ মনকাণ দিছিল। ছোভিয়েত সমাজতান্ত্ৰিক সাধাৰণ-তন্ত্ৰসমূহৰ সংঘৰ (USSR) ৰাষ্ট্ৰীয় বাজেটৰ বিৰাট অংশ উক্ত অঞ্চলবিলাকলৈ মঞ্জুৰ কৰা হৈছিল। একমাত্ৰ প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনা কালত, মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰসমূহৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক বিকাশৰ কাৰণে ২,৫০০ নিযুতৰো অধিক ৰুবল এৰি দিয়া হৈছিল, আৰু তাত শিল্প বিকাশৰ গতি সমগ্ৰ ছোভিয়েত ইউনিয়নৰ অপেক্ষা অনেক বেছি হৈছিল। সেই সময়ছোৱাত ছোভিয়েত ইউনিয়নত মুঠমাঠ শিল্প উৎপন্ন বৃদ্ধি পাইছিল ২·৩ গুণ, কিন্তু মধ্য এছিয়াত হৈছিল ৩৭ গুণ।*

প্ৰথম দুটা পঞ্চবাৰ্ষিক পৰিকল্পনা চলি থকা সময়ত একেবাৰে একো নোহোৱাৰ পৰাই বৃহদাকাৰ শিল্প উৎপাদন ব্যৱস্থা গঢ়ি উঠে। ১৯৩৭ চনত কাজাখস্তান আৰু উজবেকীস্তানৰ শিল্পোৎপাদনৰ শতকৰা ৯০ ভাগ আৰু কিৰঘিজিয়া, তুৰ্কমেনিয়া আৰু তাজিকিস্তানৰ তেনেধৰণৰ উৎপাদনৰ শতকৰা ৯৭ ভাগ আহিছিল সেইবোৰ শিল্পোদ্যোগৰ পৰা যিবিলাক গঢ়ি উঠিছিল অথবা সম্পূৰ্ণৰূপে পুনৰ্নিৰ্মাণ কৰা হৈছিল শিল্পোদ্যোগীকৰণৰ সময়ত। গধুৰ শিল্পৰ বহুতো শাখা, যেনে যন্ত্ৰপাতি, ইঞ্জিনিয়াৰিং যন্ত্ৰৰ হাতিয়াৰ প্ৰস্তুত, ধাতু পৰিশোধন বিদ্যা ইত্যাদি ছোভিয়েত মধ্য এছিয়াত প্ৰথম-বাৰৰ কাৰণে স্থাপিত হৈছিল। অন্যান্য ছোভিয়েত সাধাৰণতন্ত্ৰ-বোৰৰ ভ্ৰাতৃত্বমূলক সহায়েৰে জাতীয় কৰ্মীদল শিক্ষিত কৰি তোলাৰ সমস্যাৰ সমাধান হৈছিল। ৰুছ ফেডাৰেছনৰ পৰা সহস্ৰ সহস্ৰ ইঞ্জিনিয়াৰ আৰু প্ৰযুক্তিবিদ্ ছোভিয়েত মধ্য এছিয়ালৈ আহিছিল। মস্কো, লেনিনগ্ৰাদ ওমস্ক, তাছকেণ্ট, কাজান আৰু অন্যান্য নগৰৰ শিক্ষানুষ্ঠানবিলাকত কাজাখ, তাজিক, উজবেক আৰু কিৰ-ঘিজিয়া কৰ্মীসকলক খৰতকীয়া শিক্ষাদানো সংগঠিত কৰা হৈছিল।

*ছোভিয়েত কিৰঘিজিয়া, আগষ্ট, ১৯৭১

ছোভিয়েত মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰবিলাকৰ শিল্পোদ্যোগীকৰণে সেইবিলাকৰ উৎপাদন শক্তি সমূহৰ বিকাশ সাধনত সুবিধা কৰি দিছিল ; সমগ্ৰ অৰ্থনীতিৰ দ্ৰুত বিকাশৰ কাৰণে অৰ্থনৈতিক ভিত্তি স্থাপন আৰু বিশেষতঃ কৃষি ব্যৱস্থাৰ ভিত্তি স্থাপন কৰি দিছিল। ই মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰসমূহ আৰু কাজাখ্‌স্তানৰ সামাজিক আৰু শ্ৰেণী গাঁথনিৰ এক গুণগত পৰিবৰ্ত্তনো লৈ আহে আৰু তাত এটা জাতীয় শ্ৰমিকশ্ৰেণীৰো উদ্ভৱ হয়। প্ৰাক্-পুঁজিবাদী সম্বন্ধ চলি থকা অনগ্ৰসৰ অঞ্চলসমূহত অপেক্ষাকৃত কম সময়ৰ ভিতৰত যি শিল্পোদ্যোগীকৰণ চলোৱা হৈছিল-তাৰ চৰিত্ৰ পুঁজিবাদী নহৈ সমাজবাদী আছিল, এইটোৰ আন্তৰ্জাতিক গুৰুত্ব স্থায়ী। যেতিয়া আমি ছোভিয়েত প্ৰাচ্যক যি অপুঁজিবাদী পথেৰে নিৰ্দ্দিষ্ট ফলাফলৰ পিনে লৈ গৈছে সেইটোলৈ মন কৰো। তেতিয়া এইটো স্পষ্টৰূপে ওলাই পৰে।

সমাজবাদৰ জীৱন্ত প্ৰতিৰূপ

সামন্তবাদ আৰু ঔপনিবেশিকতাবাদৰ সকলো শেষ চিনৰ বিলুপ্তি, কৃষকসকলৰ মুক্তি, গাওঁঅঞ্চলত মানুহৰ দ্বাৰা মানুহৰ সকলোধৰণৰ শোষণৰ অৱসান, সমাজবাদী ঔদ্যোগীকৰণ আৰু কৃষকসকলৰ পামবিলাকক সময় হিচাপে সংগঠিত কৰা আৰু সাংস্কৃতিক বিপ্লৱ এই আটাইবোৰেই মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰসমূহৰ জনগণক সুদৃঢ়-ভাৱে আৰ্থিক আৰু সামাজিক প্ৰগতিৰ পথত স্থাপন কৰে। বিপ্লৱী গণতান্ত্ৰিক সংস্কাৰৰ পিছে সমাজবাদীৰূপান্তৰে মধ্য এছিয়া আৰু কাজাখস্তানৰ আকৃতি চিনিব নোৱৰা ধৰণে পৰিবৰ্ত্তিত কৰে। একসময়ৰ জাৰতন্ত্ৰী সাম্ৰাজ্যৰ অনগ্ৰসৰ ঔপনিবেশিক প্ৰান্তদেশৰ উচ্চ বিকশিত, সমৃদ্ধশালী সমাজবাদী সাধাৰণতন্ত্ৰসমূহলৈ ৰূপান্তৰ ঘটে।

পুঁজিবাদী পাশ্চাত্যই শিল্পোদ্যোগীকৰণৰ বাবে ১৫০ বছৰ সময় লৈছিল; মধ্য এছিয়াৰ ছোভিয়েত সাধাৰণতন্ত্ৰ সমূহৰ লাগিছিল ৩০ বছৰ। ইংৰেজ অধ্যাপক আলেক নোভে তেওঁৰ খোলাখুলি ছোভিয়েত বিৰোধীতা সত্বেও, তেওঁ স্বীকাৰ কৰিব লগা হৈছিল যে ছোভিয়েত মধ্য এছিয়াৰ অৰ্থনৈতিক বিকাশৰ গতি "চমক লগা"। তেওঁ এইটোও মানি লৈছে: "এটা মুক্ত উদ্যোগৰ পৰিবেশত ....এই অঞ্চলসমূহত দ্ৰুত শিল্প বিকাশ ঘটে নে

নঘটে সেই সম্পৰ্কে খুব সন্দেহ আছে।* লণ্ডনৰ মধ্য এছিয়া সংক্ৰান্ত গবেষণা কেন্দ্ৰৰ অধিকৰ্ত্তা জিওফ্ৰে হুইলাৰে উল্লেখ কৰিছে :" যুদ্ধৰ পিছত, মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰসমূহৰ জনগণৰ আৰ্থিক আৰু বৈষয়িক অৱস্থাৰ আৰু বিকাশ ঘটিছে।" শিল্পজাত আৰু কৃষিজাত উৎপাদনৰ অগ্ৰগতিৰ ওপৰত তলৰ সংখ্যাকেইটায়ে বুজাই দিছে মধ্য এছিয়াৰ উজবেকিস্তান, কিৰঘিজিয়া, তাজিকস্তান আৰু তুৰ্কমেনিয়া সাধাৰণতন্ত্ৰসমূহৰ জনগণে কি পৰিমাণৰ সফলতা অৰ্জন কৰিছে।

*আলেক্ নোভে আৰু জে. এ. নিউথ্, ছোভিয়েত মধ্য প্ৰাচ্য, বিকাশৰ এটি সাম্যবাদী নমুনা। পৃঃ ৪৫

১৯৬৮ চনলৈকে মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰসমূহৰ শিল্প আৰু কৃষিৰ বিকাশ (বছৰৰ ভিত্তি—১৯১৩)*

সাধাৰণতন্ত্ৰ	শিল্প	কৃষি
কিৰঘিজিয়া	১৫২ গুণ	৫·৫ গুণ
তাজিকিস্তান	৭৬ ,,	৬·৩ ,,
তুৰ্কমেনিয়া	৩৯ ,,	৪·২ ,,
উজবেকিস্তান	৩৭ ,,	৪·৭ ,,

এনে ধৰণৰ দ্ৰুত গতিত অৰ্থনৈতিক সমৃদ্ধি লাভ সমাজবাদী আৰ্থ-ব্যৱস্থাৰ শ্ৰেষ্ঠত্বৰ কাৰণে হৈছে। যিহেতু সেই ব্যৱস্থাত উৎপাদনৰ সংস্থানবিলাকৰ ওপৰত ৰাজহুৱা কৰ্তৃত্ব প্ৰতিষ্ঠিত, শোষক আৰু শোষিত নাই, উখা-মুখাকৈ সমাজবিকাশৰ ঠাইত পৰিকল্পনাবদ্ধ উৎপাদন সংগঠন আৰু সমাজ জীৱন বাট কৰি লয়। ৰাজহুৱা কৰ্তৃত্বই অৰ্থনৈতিকভাৱে সকলো মেহনতী মানুহক সমান অংশীদাৰ হিচাপে আৰু উৎপাদনত সমানভাৱে অংশ গ্ৰহণকাৰী হিচাপে ঐক্যবদ্ধ কৰে।

*অক্টোবৰ সমাজতান্ত্ৰিক বিপ্লৱৰ পিছত ছোভিয়েত ইউনিয়ন আৰু বৈদেশিক ৰাষ্ট্ৰসমূহ চাওক, পৰিসংখ্যানমূলক কিতাপ, মস্কো ১৯৭০ (ৰুছ ভাষাত)

জাতীয় অৰ্থনীতিক এটা সামগ্ৰিক গোটত একত্ৰিত কৰি, উৎপাদন সংস্থানবিলাকৰ বাজহুৱা সম্পত্তিৰ দুটা ৰূপ লয়: (ক) ৰাষ্ট্ৰীয় উদ্যোগবোৰৰ ব্যৱস্থা প্ৰণালী, যিবোৰ হ'ল সামগ্ৰিকভাবে জনগণৰ সম্পত্তি আৰু কিছু পৰিমাণৰ অৰ্থনৈতিক স্বাধীনতা থাকে, আৰু (খ) সমবায় পাম যি বিলাক হ'ল জনগণৰ বিভিন্ন গোট অথবা যৌথ কৰ্তৃত্বৰ সম্পত্তি। পণ্য বিনিময়ৰ যোগেৰে এই ৰূপবিলাকৰ মাজত অৰ্থনৈতিক সম্পৰ্কৰ উপলব্ধি হয়। মাটি, উদ্যোগ-প্ৰতিষ্ঠান, আৰু শ্ৰম শক্তিক এই বিনিময়ৰ ব্যৱস্থা বাদ দিলেও, সমাজবাদে পণ্য-ধন সম্বন্ধক ৰক্ষা কৰে আৰু ব্যৱহাৰ কৰে ইয়াৰ ক্ৰমোন্নতিৰ এটা মূল অৰ্থনৈতিক চাবি-কাঠিৰ অন্যতম হিচাপে। সমাজবাদৰ অধীনত পণ্য-ধন সম্পৰ্ক শোষণৰ যি কোনো উপাদানৰ পৰা মুক্ত; এইবিলাকে উৎপাদকসকলৰ মাজত নতুন সম্পৰ্ক ব্যক্ত কৰে, যি উৎপাদকসকলে শোষণমুক্ত আৰু বাজহুৱা মালিকানাৰ উৎপাদন সংস্থানবোৰৰ যৌথ গৰাকী।

পুঁজিবাদী ব্যৱস্থাৰ পৰা সমাজবাদী আৰ্থ-ব্যৱস্থাত সুবিধাবোৰ কি কি?

সমাজবাদত, অৰ্থনৈতিক সংকটাদি আৰু উৎপাদনৰ অৰাজকতা নাথাকে; মেহনতী মানুহৰ স্বাৰ্থত উৎপাদন পৰিকল্পিত ভাবে হয় আৰু উৎপাদিকা শক্তিবোৰৰ দৃঢ় সমৃদ্ধি সুনিশ্চিত কৰে। সমাজবাদী আৰ্থ-ব্যৱস্থাপনাৰ সুবিধাবোৰে, তাৰ পিছত ব্যাপক জাতীয় স্তৰত শিল্প আৰু কৃষি, অৰ্থনৈতিক পৰিকল্পনা আৰু সামাজিক বিকাশৰ সমাজ চৰিত্ৰৰ পৰা বিদেশী শোষণ আঁতৰোৱা আৰু জনগণৰ সৃজনশীল প্ৰতিভাৰ পূৰ্ণতৰ প্ৰকাশৰ উপযোগী সকলো অৱস্থা সৃষ্টি কৰা। অকল অষ্টম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত (১৯৬৬-৭০), প্ৰায় ৮০০ বৃহৎ শিল্প উদ্যোগ আৰু কাৰখানা কাজাখস্তানত আৰু মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰসমূহত চালু কৰা

হয়। অকল কিৰখিজিয়াই ১৯১৩ চনত* সমগ্ৰ ৰাছিয়াত যি উৎপন্ন হৈছিল তাৰ প্ৰায় তিনিগুণ ১৯৭০ চনত হৈছিল।

পুঁজিবাদী দেশবিলাকত বঘুমলা জাতীয় দ্ৰব্যৰ ব্যৱহাৰে কম পৰিমাণৰ জাতীয় আয়ৰ অপচয় নকৰে। এই জাতীয় অপচয় সমাজবাদে বন্ধ কৰে। এটি সমাজবাদী সমাজত, জাতীয় আয় মেহনতী মানুহৰ স্বাৰ্থত, বিস্তৃত সমাজবাদী পুনৰুৎপাদনৰ স্বাৰ্থত বন্টিত হয়। যাৰ ফলত মেহনতী মানুহৰ মঙ্গল সাধন কাৰ্য্যৰ দৃঢ় বিকাশৰ লগত উচ্চতৰ হাৰৰ সঞ্চয় যুক্ত কৰা সম্ভৱ কৰি তোলে। এয়া পুঁজিবাদৰ অধীনত নঘটে। যৌথ ধৰণৰ খেতি কৰা কেৱল স্বয়ং কৃষিৰ বৈষয়িক ভিত্তিৰ সমৃদ্ধি আৰু উন্নতি সাধনকে সম্ভৱ নকৰে, কৃষকসকলৰ জীৱিকাৰ মানো উন্নত কৰা সম্ভৱ কৰি তোলে। উদাহৰণ স্বৰূপে, ১৯৬৬ আৰু ১৯৭০ চনৰ ভিতৰত মধ্য এছিয়া সাধাৰণতন্ত্ৰসমূহৰ যৌথ পাম কৃষকসকলৰ আয় শতকৰা ৪৩ ভাগৰ পৰা ৪৭ ভাগ বৃদ্ধি পোৱা দেখা গৈছিল। ১৯৭০ চনত কিৰখিজিয়াৰ যৌথ পাম কৃষকসকলৰ জন মূৰি প্ৰকৃত আয় আছিল মোটামুটি ১৯৪০ চনৰ** অপেক্ষা ৪½ গুণ বেছি। ছোভিয়েত প্ৰাচ্যৰ সাধাৰণতন্ত্ৰসমূহৰ কৃষিশ্ৰমিক আৰু সকলো মেহনতী মানুহ এতিয়া ভাল অৱস্থাত আৰু নিৰ্ব্বিঘ্ন। প্ৰায় সকলো যৌথ পাম পৰিয়ালৰ টেলিভিছন, কাপোৰ ধোৱা যন্ত্ৰ আৰু ৰেডিও আছে।

কিয়নো সমাজবাদে শ্ৰমক শোষণৰ পৰা নিষ্কৃতি দিয়ে আৰু তাক নিজৰ কাৰণে, গোটেই সমাজৰ কাৰণে পৰিৱৰ্ত্তিত কৰায়। সমাজবাদে ক্ৰমাগত উৎপাদনৰ বিকাশ সাধনত নতুন উদ্দীপনাৰ সঞ্চাৰ কৰে আৰু প্ৰতিজন শ্ৰমিকৰ উৎপাদিকা শক্তি আৰু যোগ্যতাৰ বৃদ্ধি ঘটায়। ই শ্ৰমিকক কলকাৰখানাৰ দাসত্বৰ পৰা তাৰ প্ৰভুত্বলৈ

*ছোভিয়েত কিৰখিজিয়া, আগষ্ট ২৪, ১৯৭১

**

ৰূপান্তৰিত কৰে আৰু উৎপাদনত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰয়োগৰ সপক্ষে সুযোগসমূহৰ সৃষ্টি কৰে। লেনিনে লিখা মতে, কেৱল সমাজবাদে মেহনতী জনগণলৈ "এজনৰ নিজৰ কাৰণে কাম কৰিবলৈ আৰু অধিকন্তু আধুনিক প্ৰযুক্তিবিদ্যা আৰু সাংস্কৃতিক কৃতকাৰ্য্যতা সমূহক এ'জনৰ কামত নিয়োগ কৰিবলৈ" এটি সুযোগ আনি দিয়ে।"*

ছোভিয়েত কিৰঘিজিয়াত কৃষি অৱস্থাৰ লগত চিৰিয় প্ৰতিনিধি আবেল খালেম ইব্ৰিচি আৰু ফ্ৰুন্‌চেত (আগষ্ট ১৯৭১) অনুষ্ঠিত আন্তৰ্জাতিক (চেমিনাৰ) আলোচনা চক্ৰত চিৰিয় প্ৰতিনিধি হিচাপে আৰু কৃষি কাৰিকৰী বিদ্যালয়ৰ অধিকৰ্ত্তা হিচাপে যোগদান কৰি মন্তব্য কৰিছিল—"মই খুবে মুগ্ধ হৈছো বিভিন্ন ধৰণৰ প্ৰযুক্তিবিদ্যা আৰু উচ্চ ধৰণৰ যান্ত্ৰিকৰণৰ প্ৰাচুৰ্য্যতা দেখি।" চেমিনাৰত যোগদানকাৰী আন এ'গৰাকী, গোণ্ডলা প্ৰাৰ্থচাৰথি, ভাৰতৰ অন্ধ্ৰ প্ৰদেশ ৰাজ্যৰ বিশ্ববিদ্যালয়ৰ অধ্যাপকে কৈছিল: "কেৱল মাত্ৰ স্বচ্ছল অৱস্থাৰ মানুহেই নহয়, বৰং সমুদয় কৃষক সমাজেই যান্ত্ৰিকৰণৰ আশীৰ্ব্বাদ ব্যৱহাৰ কৰিব পাৰে ....ছোভিয়েত ইউনিয়নৰ কিৰঘিজিয়া আৰু অন্যান্য যিবোৰ অঞ্চল এক সময়ত চূড়ান্ত পিছপৰা আছিল এতিয়া সেইবোৰ হৈছে উচ্চ বিকশিত শিল্প আৰু কৃষিৰে সমৃদ্ধ সাধাৰণতন্ত্ৰ।** অকল 'তাজিকিস্তান' আৰু উজবেকিস্তানৰ পথাৰসমূহত ১৪৮,০০০ ট্ৰাক্টৰ, ৪০,০০০'ৰ অধিক কপাহ চপোৱাযন্ত্ৰ আৰু অৰ্দ্ধ নিযুতৰো অধিক অন্যান্য কৃষিযন্ত্ৰাদি কৰ্ম্ম নিযুক্ত। এয়া ইৰাক, ইয়েমেন আৰু জৰ্ডানক লগ লগাই দ্বিগুণতকৈও অধিক। ১৯৭১ চনত, কিৰঘিজিয়াৰ প্ৰতিটো গাঁৱৰ পৰা ১৫০ খনৰ অধিক ট্ৰাক্টৰ, গোটা খুওৱা যন্ত্ৰ, মটৰ গাড়ি

*ভ. ই. লেনিন, "কেনেকৈ প্ৰতিযোগিতা সংগঠিত কৰা হব?", ৰচনা সংগ্ৰহ, খণ্ড ২৬, পৃঃ ৪০৭

**ছোভিয়েত কিৰঘিজিয়া, আগষ্ট ২৭, ১৯৭১

আৰু অন্যান্য কৃষি যন্ত্ৰাদি আছিল। ইয়াৰ ফলত কৃষিশ্ৰমৰ সৰ্বতোমুখী যান্ত্ৰিকৰণ সম্পন্ন কৰা সম্ভৱপৰ কৰিছে আৰু সেই বাবে কৃষিকাৰ্য্য আৰু পশুপালনৰ পৰা কৃষকসকলক উচ্চ আয়ৰ ভৰসা দিছে।

সমাজতন্ত্ৰই ধনতন্ত্ৰৰ স্থায়ী লগৰীয়া নিবনুৱা সমস্যাক দূৰ কৰে। সমাজতন্ত্ৰৰ অধীনত প্ৰত্যেক ব্যক্তিৰ শ্ৰমেই তেওঁৰ সামাজিক অৱস্থান নিৰ্ধাৰণ কৰে আৰু শ্ৰমেই হৈছে বৈষয়িক সম্পদ বণ্টনৰ মৌলিক আদৰ্শগত ভিত্তি। যি মূলসূত্ৰ চলি আছে সেয়া হ'ল "প্ৰত্যেকৰ পৰা তেওঁৰ যোগ্যতা অনুযায়ী, প্ৰত্যেকলৈ তেওঁৰ কাম অনুযায়ী", যাৰ অৰ্থ হৈছে প্ৰত্যেকৰ কামৰ পৰিমাণ আৰু গুণ অনুযায়ী বেতন দিয়া হয়। এই ব্যৱস্থাই প্ৰত্যেককে তেওঁৰ মেহনত আৰু উৎপাদনৰ দ্ৰুত বিকাশৰ ফলাফলত ব্যক্তিগত মনোযোগ দিয়াত উৎসাহিত কৰে। সমাজবাদী ব্যৱস্থাৰ অধীনত মধ্য এছিয়া আৰু কাজাখস্তানৰ এসময়ৰ পিছপৰা মানুহবিলাকৰ অফুৰন্ত সৃজন শক্তি আৰু যোগ্যতাৰ ঢল উঠিছে। ১৯৭১ চনত প্ৰায় ৯০০ কাজাখী আৰু উজবেকীয়ে বিজ্ঞানৰ ডক্টৰেট ডিগ্ৰী পাইছিল, আৰু ১৩,০০০ এ বিজ্ঞানৰ প্ৰাৰ্থী ডিগ্ৰী পাইছিল। ছোভিয়েত প্ৰাচ্যৰ বিপ্লৱপূৰ্ব্ব অৱস্থাত এ'খনো উচ্চ শিক্ষা প্ৰতিষ্ঠান নাছিল; ১৯৭১ চনত মধ্য এছীয় সাধাৰণতন্ত্ৰবিলাকত ৫৫৪,০০০* ভৰ্ত্তি হোৱা ছাত্ৰ সহ ১০৩টা উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান আছিল। বিশেষজ্ঞ প্ৰশিক্ষণৰ গতি আৰু সংখ্যাৰ ফালৰ পৰা উজবেকিস্তান আৰু অন্যান্য মধ্য এছীয় সাধাৰণতন্ত্ৰই ব্ৰিটেন আৰু ফেডাৰেল জাৰ্মানীৰ দৰে তেনে উন্নত পুঁজিবাদী দেশবোৰক চেৰাই গৈছে।" উজাক ছোভিয়েত সমাজতান্ত্ৰিক সাধাৰণতন্ত্ৰ সমান খোজৰ সামাজিক আৰু অৰ্থনৈতিক প্ৰগতি" নামৰ ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদন এটিত উল্লেখ কৰা হৈছে: "১৯২৪ চনত উজবেকিস্তান প্ৰতিষ্ঠিত হোৱাৰ

*ছোভিয়েত জিৰঘিজিয়া, আগষ্ট ২৪, ১৯৭১

পিছৰ বহুবিলাকত শিক্ষা, স্বাস্থ্য কৃতকাৰ্য্যতাৰ স্তৰ .... স'চাকৈ মনমোহা, বিশেষতঃ যেতিয়া একে মৌলিক সম্পদ আৰু সমস্যা[8] থকা ওচৰ চুবুৰীয়া এছীয় দেশবিলাকৰ সৈতে তুলনা কৰা হয়।

সমাজবাদৰ অধীনত জাতিসমূহৰ বিকাশৰ বৈপ্লৱিক দ্বান্দ্বিকতা এনেকুৱা যে—প্ৰত্যেক লোকৰ সমৃদ্ধি হব; যাতে সকলো মানুহ একত্ৰিত হব পাৰে আৰু জনগণৰ প্ৰত্যেক অংশৰে অগ্ৰগতি বৃদ্ধি কৰিবৰ কাৰণে প্ৰত্যেক জনগণ প্ৰত্যেকৰে কাষ চাপে, পাৰস্পৰিক সহযোগিতা আৰু ভ্ৰাতৃত্বমূলক মৈত্ৰী গঢ়ি উঠে। ছোভিয়েত ইউনিয়নৰ অন্তৰ্ভুক্ত বহুত সাধাৰণতন্ত্ৰৰ উৎপাদন সমৃদ্ধিৰ গতি গোটেই ছোভিয়েত ইউনিয়নৰ গড় অগ্ৰগতিত কৈ উচ্চ। সমাজবাদৰ এয়ে হ'ল ব্যতিক্ৰমহীন বৈশিষ্ট্য। এই দৰেই, ছোভিয়েত সাধাৰণতন্ত্ৰসমূহৰ সম বিকাশ নিশ্চিত হয়। সমাজবাদী নিৰ্মাণকাণ্ড হৈ থাকোতে সাধাৰণতন্ত্ৰবোৰৰ ভিতৰত অৰ্থনৈতিক উৎপাদন-বন্ধন দিনকদিনে শক্তিশালী আৰু অধিক ব্যাপকতৰ হয়।

সদ্য-স্বাধীন দেশসমূহৰ কাৰণে ছোভিয়েত মধ্য এছিয়াৰ সাধাৰণতন্ত্ৰবোৰৰ আৰু মঙ্গোলীয়াৰ অপুঁজিবাদী বিকাশৰ অভিজ্ঞতা স্থায়ী মূল্য আৰু বৈশিষ্ট্যযুক্ত। এই অভিজ্ঞতাৰ অধ্যয়নে সেই-বিলাক দেশে সম্মুখীন হোৱা বহুত সমস্যা সমাধানত সহায় কৰিব পাৰে। গতিকে, পৰবৰ্ত্তী অধ্যায়বিলাকত আজিৰ সদ্য-স্বাধীন দেশবিলাকত যি ৰূপান্তৰ ঘটি আছে তাৰ বিষয়বস্তু আৰু আকৃতিৰ পৰীক্ষা কৰিলে একাধিক ক্ষেত্ৰত দেখা যাব মধ্য এছিয়াৰ আৰু মঙ্গোলীয়াৰ জনগণৰ এটি সমাজবাদী সমাজ গঠনৰ অভিজ্ঞতাৰ লগত প্ৰত্যক্ষ সম্বন্ধ আছে।

অধ্যায় ৩

সমাজবাদ অভিমুখী ৰাষ্ট্রসমূহৰ গঠন আৰু বিকাশ, সাম্রাজ্যবাদবিৰোধী বিপ্লৱৰ নতুন পৰ্য্যায়

এটা আৰ্থ-সামাজিক ব্যৱস্থা হিছাপে সমাজবাদৰ অপেক্ষাকৃত সুযোগ সুবিধা আৰু কৃতকাৰ্য্যতাবোৰৰ আমূল পৰিবৰ্ত্তনকাৰীৰ প্ৰভাৱ এটা এছিয়া, আফ্রিকা আৰু লাটিন আমেৰিকাৰ জাতীয় মুক্তি আন্দোলনৰ ওপৰত পৰে। ১৯৪০ চনৰ শেহৰ ফালে বিশ্ব সমাজবাদী প্ৰক্ৰিয়াৰ গঠন আৰু পৰবৰ্ত্তী কালত ইয়াৰ দৃঢ়ীকৰণ আৰু ক্ৰমোন্নতিয়ে এই আমূল পৰিবৰ্ত্তনকাৰী উপাদানৰ পৰিমাণ বৃদ্ধি কৰিছে। অন্যান্য দেশ আৰু জনগণৰ উন্নতিৰ বেগ বৃদ্ধি নকৰাকৈ বিশ্ব সমাজবাদ জীয়াই থাকিব আৰু বৃদ্ধি পাব নোৱাৰে। এঙ্গেল্‌ছে দেখুৱাই দিছিল, দৃষ্টান্ত স্থাপনৰ দুৰ্জয় ক্ষমতা সমাজবাদৰ আছে। এই প্ৰস্তাৱনাৰ সত্যতা সম্পৰ্কে লেনিনে সঘনে জোৰ দি যি কথা কৈছিল আৰু সুস্পষ্ট কৰিছিল ইতিহাসে তাৰ সত্যতা প্ৰতিপন্ন কৰিছে।

ঔপনিৱেশিক আৰু আধা-ঔপনিবেশিক জনগণৰ মুক্তি সংগ্ৰামৰ কাৰণে মহান অক্টোবৰ বিপ্লৱ এক দুৰ্জ্জয় প্ৰেৰণাৰ উৎস আছিল আৰু তেওঁলোকক বিশ্ব বিপ্লৱী আন্দোলনৰ বোৱতি সোঁতলৈ টানি আনিছিল। সাম্রাজ্যবাদৰ ঔপনিবেশিক ব্যৱস্থা গভীৰতৰ সংকটৰ মাজত নিমৰ্জ্জিত হৈ পৰিছিল। ছোভিয়েত ইউনিয়নত

সমাজবাদৰ জয়লাভ, সামাজিক আৰু জাতীয় নিপীড়নৰ পৰা ১০০টো অধিক জাতি আৰু অধিজাতিক মুক্ত কৰাৰ ক্ষেত্ৰত ইয়াৰ অভিজ্ঞতা, জাৰ্মান ফেচিবাদ আৰু জাপানী সমৰবাদৰ বিৰুদ্ধে মহান্ দেশপ্ৰেমিক যুদ্ধত ছোভিয়েত জনগণৰ জয়লাভ, আৰু পূৰ্ব্ব ইউৰোপ আৰু এছিয়াত সমাজবাদী বিপ্লৱৰ জয়ে তৃতীয় দুনিয়াৰ জনগণৰ জাতীয় মুক্তি আন্দোলনত এক নব উত্থানৰ প্ৰবল প্ৰবৃত্তিৰ সঞ্চাৰ কৰে। এই আন্দোলনে অভূতপূৰ্ব্ব গতিৰে আগ বাঢ়ি গৈ শেষত ঔপনিবেশিক ব্যৱস্থাক টুকুৰা-টুকুৰ কৰি পেলায় আৰু ৰাজনৈতিকভাৱে স্বাধীন ৰাষ্ট্ৰসমূহৰ গঠনৰ বাটেদি ই আগ বাঢ়ে।

বিশ্ব সমাজবাদে কেৱল ইয়াৰ শক্তিশালী দৃষ্টান্তৰ জোৰতে হে যে জাতীয় মুক্তি আন্দোলনক প্ৰভাৱিত কৰে, তেনে নহয়। বিশ্ব সমাজবাদ যিমানে মানৱজাতিৰ বিকাশৰ অমোঘ উপাদান হৈ উঠে, বিশ্ব শক্তিৰ ভাৰসাম্য যিমানে দ্ৰুত পৰিবৰ্ত্তিত হবলৈ ধৰে, সিমানে সদ্য-স্বাধীন দেশসমূহৰ বিকাশৰ সহায়কাৰী পৰিৱেশৰ সৃষ্টি কৰে। দুটা সমাজ ব্যৱস্থাৰ মাজত অৰ্থনৈতিক প্ৰতিযোগিতাত সমাজবাদে উৎপাদন, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা তথা জনগণৰ বৈষয়িক আৰু পাৰমাৰ্থিক প্ৰয়োজনীয়তাৰ নিশ্চয়তা উভয় ক্ষেত্ৰতে উল্লেখনীয় কৃতকাৰ্য্যতা অৰ্জ্জন কৰিছে। বিশ্ব সমাজবাদে ওপৰলৈ উধাই গৈ থাকি নিজৰ বিকাশ ঘটাই আছে। ১৯১৭ চনত সমাজবাদে, শিক্ষাৰ ক্ষেত্ৰত পৃথিবীৰ মাত্ৰ ৩ শতাংশহে উৎপাদন কৰিছিল; ১৯৩৭ চনত ১০ শতাংশ; আৰু ১৯৭০ চনত ৩৯ শতাংশ।* ১৯৫১ আৰু ১৯৭৩ চনৰ ভিতৰত পুঁজিবাদী দেশসমূহত মুঠ শিল্প উৎপাদন মুঠতে ২৪০ শতাংশ বাঢ়িছিল, তেনেস্থলত সেই সময়ৰ** ভিতৰতে সমাজবাদী দেশবোৰত ৭৪০ শতাংশ বৃদ্ধি পোৱা দেখা গ'ল।

* [illegible] বিভিউ, নং ৬, ১৯৭১ পৃঃ ২৭

** [illegible] এফেয়াৰ্চ, নং ৫, মস্কো, ১৯৭৫, পৃঃ ১২৯।

সমাজবাদী ব্যৱস্থাৰ ক্ৰমবৰ্দ্ধমান ক্ষমতাই এছিয়া, আফ্ৰিকা আৰু লাটিন আমেৰিকাৰ জনগণৰ সমুখত এক অতীৱ গুৰুত্বপূৰ্ণ অৰ্থ বহন কৰে। বিশ্ব সাম্ৰাজ্যবাদৰ অৱস্থান দুৰ্ব্বল কৰি ই উক্ত জনগণৰ সন্মুখত সাম্ৰাজ্যবাদৰ আক্ৰমণবিলাকৰ সফল মীমাংসা কৰাৰ আৰু ইয়াৰ অৱস্থানবিলাকৰ আঘাত কৰাৰ নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰি দিয়ে। বিশ্ব সমাজবাদী ব্যৱস্থাই সাম্ৰাজ্যবাদৰ আক্ৰমণমুখী ক্ষমতাবিলাক পঙ্গু কৰি দিয়ে, প্ৰতিবিপ্লৱ ৰপ্তানি কৰা আৰু জাতীয় মুক্তি আন্দোলন দমনৰ প্ৰচেষ্টাত বাধা দিয়ে। ছোভিয়েত ইউনিয়ন আৰু অন্যান্য সমাজবাদী দেশবিলাক কিউবাৰ বিপ্লৱৰ সপক্ষে থিয় দিছিল, আৰু তেওঁলোকৰ সক্ৰিয় আৰু নিৰ্ভীক সমৰ্থন সাম্ৰাজ্যবাদী হস্তক্ষেপকাৰীসকলৰ বিৰুদ্ধে ভিয়েতনাম আৰু ইন্দোচীনৰ অন্যান্য দেশবোৰৰ জনগণৰ সংগ্ৰামত এক অতীৱ গুৰুত্বপূৰ্ণ উপাদান আছিল। এই শক্তিয়ে আগ্ৰাসন বন্ধ কৰাত আৰু এই অঞ্চলত শান্তি পুনৰস্থাপনত সহায় কৰিছিল। সমাজবাদী ৰাষ্ট্ৰসমূহৰ আৰবীয় জনগণৰ ন্যায্য সংগ্ৰামৰ প্ৰবল সমৰ্থন ১৯৬৭ চনত আৰবদেশবোৰৰ প্ৰগতিশীল শাসন ব্যৱস্থা ওফৰাবৰ কাৰণে চলোৱা সাম্ৰাজ্যবাদী চক্ৰান্তবিলাক ব্যৰ্থ কৰি দিয়াৰ অস্ত্ৰ-স্বৰূপ আছিল। জনগণৰ অধিকাৰ ৰক্ষাৰ ছোভিয়েত ইউনিয়নৰ স্থিৰ নীতিৰ ফলত ১৯৭৩ চনৰ অক্টোবৰ মাহত ইজৰাইলী আক্ৰমণকাৰীসকল এওঁলোকৰ সম্প্ৰসাৰণবাদী উদ্দেশ্য সিদ্ধি কৰাত ব্যৰ্থ হ'ল।

জাতীয় মুক্তি বিপ্লৱৰ আজিৰ চৰিত্ৰ

এছিয়া, আফ্ৰিকা আৰু লাটিন আমেৰিকাৰ জনগণে ঔপনিবেশিক আৰু সাম্ৰাজ্যবাদী নিপীড়ন সহ্য কৰিব পৰা নাই। ঔপনিবেশবাদীসকলৰ

বিৰুদ্ধে সংগ্ৰামেই হৈছে তেওঁলোকৰ ইতিহাস। যি হওক, আনকি যেতিয়া কিছুমান জাতি উপনিবেশবাদী খুঁৰলিৰ হেঁচাৰ পৰা সাৰিবলৈ সক্ষম হয়, তেতিয়াও সাধাৰণতে সিবোৰ অন্য এক অধিক শক্তিশালী ঔপনিবেশিক শক্তিৰ কবলত পৰেগৈ। বস্তুত লাটিন আমেৰিকান ৰাষ্ট্ৰৰ ভাগ্যত এয়ে ঘটিবলৈ ধৰিছে। স্পেনীয় আৰু পৰ্তুগীজ ঔপনিবেশকাৰীসকলৰ নিপীড়নৰ পৰা মুক্ত হৈ স্বাধীনতা লাভ কৰাৰ পিচত, তেওঁলোকে ইংলণ্ডৰ বন্ধন-দশা ভুগিব লগা হয় আৰু তাৰ পিছত আমেৰিকা যুক্তৰাষ্ট্ৰৰ। পুঁজিবাদৰ বিশ্ব-জোৰা এৰনীয়া প্ৰতাপৰ কালত, ঔপনিবেশিক জনগণৰ কাৰণে আচল ৰাজনৈতিক আৰু সামাজিক মুক্তিৰ কোনো প্ৰকৃত সুযোগ নাছিল।

পুঁজিবাদ যেতিয়া ইয়াৰ শেষ স্তৰ, সাম্ৰাজ্যবাদী স্তৰলৈ উঠিল আৰু সৰ্বহাৰা বিপ্লৱৰ যুগ আৰম্ভ হ'ল, জাতীয় মুক্তি আন্দোলনেই এই বিপ্লৱবোৰৰ বাস্তৱ আৰু বিশ্বস্ত বন্ধু তথা বিশ্ব বিপ্লৱী প্ৰক্ৰিয়াৰ অবিচ্ছেদ্য অংশ হৈ পৰিল। প্ৰাচ্যৰ জাতিসমূহৰ জাতীয় মুক্তি আন্দোলনৰ অভ্যুত্থানৰ উল্লেখক্ৰমে লেনিনে দৃঢ়ভাবে কৈছিল, তেওঁলোক "বিপ্লৱী সংগ্ৰাম, বিপ্লৱী আন্দোলন, বিশ্ব বিপ্লৱৰ*" "বিশ্ব বিপ্লৱী আন্দোলনৰ চাকনৈয়াৰ মাজলৈ আকৃষ্ট হবলৈ ধৰিছে, ইতিমধ্যে হৈছেই।"** "বিশ্ব সাম্ৰাজ্যবাদৰ" তেওঁ লিখিছিল, "অৱসান হব যেতিয়া প্ৰতিদেশত শোষিত আৰু নিৰ্য্যাতিত শ্ৰমিকসকলৰ বিপ্লৱী আঘাত.... ..ইতিপূৰ্ব্বে ইতিহাসত নিষ্প্ৰভ হৈ থকাৰো অধিক, আৰু কেৱলমাত্ৰ ইতিহাসৰ চিকাৰ বুলি জনাজাত লক্ষ লক্ষ কোটি কোটি জনগণৰ বিপ্লৱী আঘাতেৰে সৈতে মিলি যাব।"***

*প্ৰাভদাৰ দশম বাৰ্ষিকী, ভ. ই. লেনিনৰ ৰচনা সংগ্ৰহ, খণ্ড ৩৩, পৃঃ ৩৫০

**অত্যাধিক কম হলেও ভাল, তথাপি ভাল, ৰচনা সংগ্ৰহ, খণ্ড ৩৩, পৃঃ ৪৯৯

***কমিউনিষ্ট আন্তৰ্জাতিকৰ দ্বিতীয় কংগ্ৰেছ, ৰচনা সংগ্ৰহ, খণ্ড ৩১, পৃঃ ২৩২

মহান অক্টোবৰ সমাজবাদী বিপ্লৱৰ জয়লাভে এই মিলনৰ ৰাজনৈতিক আৰু বস্তুগত প্ৰাৰম্ভিক চৰ্তৰোৰৰ সৃষ্টি কৰে; আৰু বিশ্বসমাজবাদী ধাৰাৰ উদ্ভৱে জাতীয় মুক্তি আন্দোলনৰ সফল বিকাশৰ প্ৰতি প্ৰবল সমৰ্থন আগ বঢ়ায়।

বুৰ্জোৱা বিপ্লৱৰ যুগত সংঘটিত জাতীয় মুক্তি বিপ্লৱবিলাকে কেৱল পুঁজিবাদী বিকাশৰ পথত থকা মধ্যযুগীয় বাধাবোৰকে গুচাইছে। সেই যুগত বিকাশৰ মাত্ৰ এটা পথে মুকলি আছিল— সি হ'ল পুঁজিবাদী পথ। কিন্তু বৰ্ত্তমান যুগত দুটা বিশ্ব সামাজিক অৰ্থনৈতিক ব্যৱস্থাৰ অস্তিত্ব থকা হেতুকে, সমাজ বিকাশ আন এটা দিশে অৰ্থাৎ সমাজবাদৰ দিশে গতি কৰিব পাৰে। দুটা পৰস্পৰবিৰোধী সমাজ ব্যৱস্থাৰ কেন্দ্ৰবিন্দু থকা আমাৰ যুগৰ উত্তৰণমুখী ধৰ্মৰ কাৰণে সদ্য স্বাধীন দেশসমূহ এই চমৎকাৰ অৱস্থানত আছে। বৰ্ত্তমান যুগত, জাতীয় মুক্তি বিপ্লৱবিলাক সমাজবাদী বিপ্লৱলৈ বৰ্ধিত হব পাৰে। ইয়াৰ বাবে বাস্তৱ প্ৰাৰম্ভিক আৱশ্যকীয়তা হ'ল বিশ্ব সমাজবাদী ব্যৱস্থাৰ অস্তিত্ব, ইয়েই ঐতিহাসিক অগ্ৰগতিৰ প্ৰধান গতি আৰু মৌলিক ধাৰা নিৰ্ণয় কৰে।

ঔপনিবেশিক আৰু পৰাধীন দেশসমূহৰ বাবে জাতীয় আৰু সামাজিক মুক্তিৰ পথবিলাকলৈ আঙুলিয়াই, লেনিনে কমিউনিষ্ট আন্তৰ্জাতিকৰ দ্বিতীয় কংগ্ৰেছত গৃহীত জাতীয় আৰু ঔপনিবেশিক প্ৰশ্নৰ ওপৰত তেওঁৰ তত্ত্বমূলক প্ৰতিবেদনত উল্লেখ কৰিছিল। বৰ্ত্তমানে বিভিন্ন দেশৰ শ্ৰমজীৱী মানুহৰ ভিতৰত ঐক্যৰ প্ৰয়োজনীয়তাৰ কথা কেৱল মানি ললেই অথবা ঘোষণা কৰিলেই নহব; এটা নীতিও গ্ৰহণ কৰিব লাগিব, যি নীতিৰ যোগেদি সকলো জাতীয় আৰু ঔপনিবেশিক মুক্তি আন্দোলনৰ ছোভিয়েত ৰুছিয়াৰ লগত ঘনিষ্ঠ মৈত্ৰী অৰ্জিত হয়। প্ৰত্যেক দেশৰ সৰ্বহাৰাৰ মাজত কমিউনিষ্ট আন্দোলনৰ বিকাশৰ মাত্ৰা অথবা অনগ্ৰসৰ দেশ

বিলাকত শ্ৰমিক আৰু কৃষকৰ বুৰ্জোৱা গণতান্ত্ৰিক মুক্তি আন্দোলনৰ মাত্ৰা অথবা পিছপৰা জাতিসমূহৰ মাজত বিকাশৰ মাত্ৰাৰ দ্বাৰা এই মৈত্ৰীৰ ৰূপ স্থিৰ কৰিব লাগিব।"* লেনিনে তথ্য দ্বাৰা দেখুৱাইছে যে বিশ্ব শ্ৰমিক আন্দোলনৰ নিৰ্য্যাতিত জনগণৰ মুক্তি আন্দোলনৰ লগত মৈত্ৰী নতুন গুণেৰে বন্ধুত্বৰ নতুন ৰূপেৰে, পাৰস্পৰিক কাৰ্য্যেৰে আৰু পাৰস্পৰিক সহযোগিতাৰে সমৃদ্ধ হ'ব।

যোৱা দুটা দশকৰ ঐতিহাসিক অভিজ্ঞতাই দেখুৱাইছে যে এটা জাতীয় মুক্তি আন্দোলনৰ আৰু প্ৰবল পৰাক্ৰমে বিশ্ব সমাজবাদী শক্তিসমূহ আৰু গোটেই বিশ্ব বিপ্লবী আন্দোলনৰ মাজত মৈত্ৰী যিমান বৃদ্ধি পাব, সেই নিৰ্দ্দিষ্ট জাতীয় মুক্তি গণতান্ত্ৰিক বিপ্লৱৰ সমাজবাদী বিপ্লৱলৈ বিকশিত হোৱাৰ সমস্যাবিলাকৰ সিমানে অধিক সফল সমাধান হ'ব। এই যুগৰ উপাদানৰ ভিতৰত এটা জাতীয় গণতান্ত্ৰিক বিপ্লৱ সমাজবাদী বিপ্লৱলৈ বিকশিত হোৱাটোৱেই হৈছে অপুঁজিবাদী পথেদি বিকাশৰ উপাদান।

"অপুঁজিবাদী বিকাশ" সংজ্ঞাটি "বাওঁ" আৰু সোঁ দুয়ো ফালৰ পৰাই সমালোচনাৰ বিষয়বস্তু। 'বাওঁপন্থী' সকলে এই বিকাশৰ পথক অগ্ৰাহ্য কৰে, আৰু ইয়াক বুৰ্জোৱা পন্থা বুলি ঘোষণা কৰে আৰু জাতীয় গণতান্ত্ৰিক বিকাশৰ প্ৰগতিশীল চৰিত্ৰৰ প্ৰতি দৃষ্টি দিবলৈ অমান্তি হয়। অন্য হাতে সোঁ-পন্থীসকলে এছিয়া আৰু আফ্ৰিকাৰ দেশসমূহত হোৱা সকলো প্ৰগতিবাদী ৰূপান্তৰক সমাজবাদ বুলি ভাবে।

"অপুঁজিবাদী বিকাশ" সংজ্ঞাটোৰ খুঁত থাকিলেও ই পুঁজিবাদৰ প্ৰতি নেতিবাচক সম্পৰ্কৰ একমাত্ৰ অভিব্যক্তি, অত্যন্ত সঠিক সংজ্ঞা—যদি ইয়াক আনুষ্ঠানিক দিশৰ পৰা চোৱাতকৈ অন্য দৃষ্টিৰে চোৱা হয়—সদ্য স্বাধীন দেশসমূহত সমাজবাদী ৰূপান্তৰ সহ যি

*জাতীয় আৰু ঔপনিবেশিক প্ৰশ্নৰ ওপৰত খচৰা দলিল। ভ. ই. লেনিন, ৰচনা সংগ্ৰহ, খণ্ড ৩১, পৃঃ ১৪৬

সামাজিক অর্থনৈতিক পৰিবৰ্ত্তন চলি আছে তাৰ সম্পূৰ্ণ জটিলতা বৰ্ণনাৰ দিশৰ পৰা চোৱা হয়। এই অধ্যায়ৰ অন্য এক অংশত আমি অপুঁজিবাদী বিকাশৰ পূৰ্ণ চৰিত্ৰায়ন কৰিমহঁক। আচলতে আগতে, জাতীয় আন্দোলন বুৰ্জোৱা অথবা বুৰ্জোৱা গণতান্ত্ৰিক আন্দোলনত প্ৰস্ফুটিত হৈছিল, বৰ্ত্তমান কালত বিশ্বব্যাপী সমাজবাদলৈ উত্তৰণৰ কালত সকলো জনগণৰ জাতীয় মুক্তি সংগ্ৰামৰ ক্ৰমে বেছি সমাজবাদী বিপ্লৱত ৰূপান্তৰিত হোৱাৰ সকলো বাস্তৱগত সম্ভাৱনা আছে। অপুঁজিবাদী বিকাশ, হ'ল বিপ্লৱী প্ৰক্ৰিয়া যাৰ দ্বাৰা এটা জাতীয় মুক্তি বিপ্লৱে যি বিলাক দেশত আশু সমাজবাদী বিপ্লৱৰ অৱস্থা পৰিপক্ক হোৱা নাই সেইবিলাকত ক্ৰমান্বয়ে আৰু স্থিৰ-ভাৱে সমাজবাদী বিপ্লৱ প্ৰস্ফুটিত হয়।

১৯৬৬ চনৰে পৰা, মাৰ্ক্সবাদী সাহিত্যই বেছিকৈ সেইবিলাক দেশৰ কথা উল্লেখ কৰিছে যি বিলাকে সমাজবাদ মুখী হৈ অপুঁজিবাদী পথ আৰু বিকাশৰ আয়োজন কৰিছে।

এই সংজ্ঞাটো ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টি আৰু অন্যান্য মাৰ্ক্সবাদী লেনিনবাদী পাৰ্টি সমূহৰ সিদ্ধান্তবোৰৰ অন্তৰ্ভুক্ত হৈছে। আমাৰ মতে দুয়োটা সংজ্ঞাৰ ব্যৱহাৰেই ন্যায্য আৰু সামাজিক আৰ্থিক প্ৰগতিৰ আচল গুণৰ সম্পূৰ্ণ প্ৰতিফলন কৰে।

পুঁজিবাদী সংকট আৰু তাৰ ঐতিহাসিক পৰিণতি

পুঁজিবাদ আজি এক সাধাৰণ আৰু অনতিক্ৰম্য সংকটৰ গ্ৰাসত। পুঁজিবাদী উৎপাদন পদ্ধতিৰ চৰম পৰ্য্যায় সাম্ৰাজ্যবাদী, তীব্ৰ আভ্যন্তৰিণ সংঘাতৰ কু-পৰিণামে এই সংকট আনিছে। সমাজ

বিকাশৰ বাস্তৱ নিয়মবোৰৰ বশবৰ্ত্তী এই সংকটে সমাজবাদৰ প্ৰগতি-মূলক সামাজিক আৰ্থিক ব্যৱস্থালৈ মানৱসমাজৰ চূড়ান্ত উত্তৰণ অনিবাৰ্য্য কৰে।

তৃতীয় বিশ্বত জাতীয় বিপ্লৱবোৰ পুঁজিবাদৰ চিৰন্তন সংকটৰ এই যুগত উন্মুক্ত হৈ উঠিছে। আনহাতে পুঁজিবাদী সমাজ অবধাৰিতভাৱে ক্ৰমান্বত গতিত ধ্বংসৰ মুখলৈ গৈ থকা দেখা গৈছে। ১৯১৩ চনৰ আৰম্ভণিতে, লেনিনে পুঁজিবাদ কেনেকৈ জনগণৰ সমাজ প্ৰগতিৰ পথত প্ৰধান প্ৰতিবন্ধক —তাৰ ব্যাখ্যা দিছিল। "মানুহ চাৰিওফালে, খোজে খোজে সমস্যাৰ সম্মুখীন হয় আৰু পূৰ্ণ সমাধান মানুহে তৎক্ষণাৎ কৰিব পাৰে। কিন্তু বাটত আগ ভেটি ধৰে পুঁজিবাদে। ই অফুৰন্ত সম্পদৰ দোল বান্ধিছে—আৰু মানুহক এই সম্পদেৰে বশ কৰিছে। ই অত্যন্ত জটিল প্ৰযুক্তিবিদ্যা সংঘটিত সমস্যাৱলীৰ সমাধান কৰিছে—আৰু কোটি কোটি জনসাধাৰণৰ দৰিদ্ৰতা আৰু অজ্ঞতাৰ কাৰণে, এক নগণ্য সংখ্যক কোটিপতিসকলৰ নিৰ্বোধ ধনলোভৰ কাৰণে প্ৰযুক্তিবিদ্যাৰ উৎকৰ্ষ-সমূহৰ প্ৰয়োগত বাধাৰ সৃষ্টি কৰিছে।

"পুঁজিবাদৰ আমোলত সভ্যতা, স্বাধীনতা আৰু সম্পত্তিৰ কথাই সেই খঁকুৱা ৰাক্ষসটোৰ কথা মনত পেলাই দিয়ে যি জীয়াই জীয়াই গেলি পচি মৰে অথচ নতুনক খাই জীয়াই থাকিবলৈ নিদিয়ে[৫]।"

সাম্ৰাজ্যবাদ বিৰোধী বিপ্লৱৰ প্ৰথম স্তৰত, ঔপনিৱেশিক শাসন যন্ত্ৰৰ বিলোপ সাধন আৰু ৰাজনৈতিক স্বাধীনতা লাভ হয়। বিপ্লৱ তেতিয়া সদ্য-স্বাধীন দেশবোৰৰ পুৰনিকলীয়া অৰ্থনৈতিক আৰু সামাজিক অনগ্ৰসৰতাজনিত ভালেমান অতি জৰুৰী সমস্যাৰ সম্মুখীন হয়। প্ৰধান অসুবিধাবিলাকৰ গুৰিতে আচল কথাটো হল এয়ে যে এই দেশবোৰে সাম্ৰাজ্যবাদে সৃষ্টি কৰা আন্তৰ্জাতিক শ্ৰম-বিভাজন ব্যৱস্থাত এটা অ-সম আৰু তলতীয়া অৱস্থাত

পৰি আছে। এইবোৰ দেশৰ পৰৰাষ্ট্ৰীয় আৰ্থ-সম্বন্ধ আৰু বজাৰবিলাক এতিয়াও সাম্ৰাজ্যবাদী শক্তিবোৰে নিয়ন্ত্ৰণ কৰি আছে, আৰু ইয়াৰ ফলত সদ্য স্বাধীন দেশবোৰৰ আৰ্থিক বিকাশ গুৰুতৰভাবে বাধাপ্ৰাপ্ত হৈছে। সাম্ৰাজ্যবাদে সদ্য স্বাধীন দেশবোৰক এতিয়াও শোষণ কৰি আছে, সেই দেশবোৰৰ জাতীয় আয়ৰ এটা বিৰাট অংশ প্ৰায় ১৫,০০০ নিযুতৰ পৰা ২০,০০০ নিযুত ডলাৰ প্ৰতি বছৰি লৈ গৈছে। ১৯৬৯ চনৰ সকলো সাম্ৰাজ্যবাদী আৰু সদ্য স্বাধীন দেশবোৰৰ জাতীয় আয়ৰ হিচাবৰ ভিত্তিত দেখা যায় পুঁজিবাদী দুনিয়াৰ জনসংখ্যা ২৯ শতাংশ হোৱা সত্বেও উন্নত পুঁজিবাদী দেশসমূহৰ আয় আছিল ৮২.২ শতাংশ, পক্ষান্তৰে উন্নয়নমুখী দেশসমূহৰ জনসংখ্যা ৭১ শতাংশ হৈও ১৭.৮ শতাংশহে আয় আছিল। পুঁজিবাদী দেশসমূহত সম্পূৰ্ণ সংখ্যাৰ হিচাবত জন মুৰি জাতীয় আয় (১৯৬৯) আছিল ১,৪০০ ডলাৰ, উন্নয়নমুখী দেশবিলাকৰ জন মুৰি ১৬২ ডলাৰ অথবা $\frac{1}{9}$ ভাগ আয়ৰ তুলনাত। আৰু আকৌ ১৯৬৯ চনত উন্নয়নমুখী দেশসমূহৰ জনমুৰি জাতীয় আয় ১৯৬০ আৰু ১৯৬৯ চনৰ ভিতৰত মাত্ৰ ২১.৮ শতাংশ বৃদ্ধি পোৱাৰ তুলনাত পুঁজিবাদী দেশবোৰত ৩৭.৪ শতাংশ জাতীয় আয় বৃদ্ধি পাইছিল।

উন্নয়নমুখী দেশসমূহৰ অৰ্থনৈতিক বিকাশৰ নিম্নস্তৰ, তাৰে অধিকাংশত এতিয়াও অচলিত অৰ্থনৈতিক আৰু সামাজিক গাঁথনি চলি থকা ধূমকৈ জনসংখ্যা বাঢ়ি থকা আৰু সাম্ৰাজ্যবাদী এক-চেটিয়া মালিকসকলৰ চলি থকা শোষণ এই আটাইবোৰে মিলি অসন্তোষজনক গতিত অৰ্থনৈতিক বিকাশত সহায় কৰি থাকে। জনমুৰি জাতীয় আয়ৰ বছেৰেকীয়া অগ্ৰগতিৰ হাৰ ১৯৬০ আৰু ১৯৬৯ চনৰ মাজৰ দশকটোত গড় হিচাপত আছিল ২.২ শতাংশ, যেতিয়া ১৯৫০ আৰু ১৯৬০'ৰ মাজৰ কালছোৱাত ই আছিল

২.৫ শতাংশ। উন্নত পুঁজিবাদী দেশবোৰত এই সূচিকা আছিল ৩.৬ শতাংশ।*

দেশসমূহৰ বিকাশৰ স্তৰ কেৱল মাত্ৰ অৰ্থনৈতিক বিকাশ সূচিকাৰে বিচাৰ কৰা নহয়, শিক্ষা, বিজ্ঞান আৰু সংস্কৃতিগত স্তৰৰ চৰিত্ৰ অঙ্কিত তথ্যকো ধৰা হয়। সাম্ৰাজ্যবাদী দেশবোৰত ১৫ বছৰ বয়স বা তাৰ অধিক বয়সৰ লোকসকলৰ নিৰক্ষৰতাৰ হাৰ হৈছে: আমেৰিকা যুক্তৰাষ্ট্ৰত ২.২ শতাংশ; ২.২ শতাংশ জাপানত; ৩.৩ শতাংশ বেলজিয়ামত; ৩.৬ ভাগ ফ্ৰান্সত। উন্নয়নমুখী দেশসমূহৰ কেটামানৰ সংখ্যা তথ্য হ'ল: ৮৭.১ শতাংশ লিবিয়াত; ৮৬.২ শতাংশ মৰক্কোত; ৭২.২ ভাগ ভাৰতবৰ্ষত।** ইও সাম্ৰাজ্যবাদৰ সুদীৰ্ঘ ঔপনিবেশিক আধিপত্যৰ ফল।

১৯৬৯ চনত মস্কোত অনুষ্ঠিত কমিউনিষ্ট আৰু ৱাৰ্কাৰ্ছ পাৰ্টিসমূহৰ আন্তৰ্জাতিক অধিবেশনত উল্লেখ কৰা মতে, "লক্ষ লক্ষ কোটি কোটি মানুহৰ দুখ আৰু দুৰ্দশাৰ কাৰণে দায়ী হৈছে সাম্ৰাজ্যবাদ। এছিয়া, আফ্ৰিকা আৰু লাটিন আমেৰিকাৰ বিপুল সংখ্যক মানুহ দৰিদ্ৰ, ব্যাধি, নিৰক্ষৰতা আৰু জীৰ্ণ সামাজিক সম্বন্ধৰ তলত থাকিবলৈ বাধ্য হোৱা আৰু গোটেই জাতিবিলাক নিশ্চিহ্ন হোৱাৰ অৱস্থালৈ যোৱাৰ কাৰণে প্ৰধানতঃ সাম্ৰাজ্যবাদেই দোষী।"***

এছিয়া আৰু আফ্ৰিকাৰ নবীন ৰাষ্ট্ৰসমূহে ৰাজনৈতিক স্বাধীনতা পোৱা আৰু জাতীয় চৰকাৰবিলাকৰ হাতত ৰাষ্ট্ৰক্ষমতা হস্তান্তৰিত হোৱাত সাম্ৰাজ্যবাদী আধিপত্যৰ অৰ্থনৈতিক শিপাবোৰ নিৰ্মূল কৰা

*কে. ফ্ৰুভুলিচ, অৰ্থনৈতিক মুক্তিৰ সমস্যা আৰু অপুঁজিবাদী বিকাশৰ পথ, ভাৰ্ণা, ১৯৭১, পৃঃ ৮

**এম. কোপভেভ, এম. অচকোভ, সাম্ৰাজ্যবাদ আৰু উন্নয়নমুখী দেশসমূহ, মস্কো ১৯৭০, পৃঃ ৪১-৪২ (ৰুছ সংস্কৰণ)

***কমিউনিষ্ট আৰু ৱাৰ্কাৰ্ছ পাৰ্টিসমূহৰ আন্তৰ্জাতিক বৈঠক, মস্কো ১৯৬৯, পৃঃ ২১

আৰু ৰাজনৈতিক আৰু অৰ্থনৈতিক স্বাধীনতা সুদৃঢ় কৰাৰ সম্ভাৱনা সৃষ্টি কৰে। স্বাধীন ৰাষ্ট্ৰবোৰৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক অনগ্ৰসৰতা মোচনৰ স্পৃহা আৰু সাম্ৰাজ্যবাদে তাক জীয়াই ৰখাৰ ইচ্ছা দুয়োৰ সংঘাটে স্বয়ং সাম্ৰাজ্যবাদ বিৰোধী বিপ্লৱক আধা ৰাস্তাত থামিবলৈ নিদিয়ে। বুৰ্জোৱা অৰ্থনীতিবিদসকলৰ লগত, এটা বিতৰ্কৰ সময়ত লেনিনে অৰ্থনৈতিক স্বাধীনতাৰ ওপৰত বিশেষ জোৰ দিছিল। "বুৰ্জোৱা কাকতবোৰে" তেওঁ লিখিছিল,".. .... জাতীয় মুক্তিৰ কথা কৈ আছে...........অৰ্থনৈতিক মুক্তিৰ কথা বাদ দি আছে। তথাপি বাস্তৱ ক্ষেত্ৰত শেষোক্তটোৱেই হৈছে ঘাই বিষয়।"*

এছিয়া আৰু আফ্ৰিকাৰ সকলো সদ্য-স্বাধীন দেশবোৰে এতিয়া অৰ্থনৈতিক স্বাধীনতাৰ বাবে সংগ্ৰামৰ পৰ্য্যায়ত। এটা স্পৃহাই তেওঁলোকক ঐক্যবদ্ধ কৰে —সেইটো হৈছে যিমান জলদি অৰ্থনৈতিক অনগ্ৰসৰতা গুচাব পৰা যায়। কিন্তু এইটো এতিয়াও জাতীয় মুক্তি বিপ্লৱৰ কাৰণে গুণগতভাৱে এটা নতুন পৰ্য্যায় নহয়।

নতুন পৰ্য্যায়ৰ আৰম্ভণি হ'ল তেতিয়াৰ পৰাই যেতিয়া এটা বা আন এটা দেশে সমাজবাদক দৃঢ়ভাৱে বাছি লবলৈ ধৰিলে। বিশ্ব সমাজ বিকাশৰ দুটা সামাজিক অৰ্থনৈতিক ধাৰাৰ অস্তিত্ব আৰু সংগ্ৰামে সদ্য স্বাধীন প্ৰতিখন দেশৰ সন্মুখত সেই বাছ-বিচাৰৰ প্ৰক্ৰিয়া আনি দিলে। সমাজ বিকাশৰ পথ বাছি লোৱাৰ এই বাস্তৱ সম্ভাৱনাৰ প্ৰতিফলন দুই ধৰণৰ ৰাষ্ট্ৰগঠনত প্ৰতিফলিত হ'ল : (ক) সমাজবাদমুখী দেশসমূহ, যিবিলাকে পুঁজিবাদক সামাজিক অৰ্থনৈতিক ব্যৱস্থা হিচাপে বাতিল কৰে আৰু অপুঁজিবাদী পথ ধৰি বিকাশৰ বাবে নীতি গ্ৰহণ কৰে, আৰু (খ) যি দেশবিলাকে দেশত অৰ্থনৈতিক অগ্ৰগতি সাধন কৰিব বিচাৰে, পুঁজিবাদী বিকাশৰ

*ভ. ই. লেনিন, "হাৰ্বো-মুজলেৰিয়ান জয়লাভসমূহ," ৰচনা সংগ্ৰহ ; খণ্ড ১৮, পৃঃ ৩১৮

ধাৰা মতে। কেইটামান দেশে আৰু কিছুমান ৰাজনৈতিক পাৰ্টিয়ে আৰু তাৰ নেতৃবৃন্দই ভাবে যে বিশ্ব-পুঁজিবাদী ব্যৱস্থাৰ ভিতৰতে নিজ নিজ দেশত ব্যক্তিগত উদ্যোগৰ বিকাশৰ জৰিয়তে অৰ্থনৈতিক অনগ্ৰসৰতা অতিক্ৰম কৰিব পাৰি।

অন্যান্য এফ্ৰিকান দেশসমূহে সমাজবাদী সমাজ নিৰ্মাণ সেইবিলাকৰ লক্ষ্য বুলি ঘোষণা কৰে আৰু এই দিশত সামাজিক অৰ্থনৈতিক ব্যৱস্থাৱলী কাৰ্য্যত ৰূপায়িত কৰিবলৈ আৰম্ভ কৰিছে। এই দেশবিলাকে ঔপনিবেশিকবিলাকৰ পৰা ঐতিহ্যগতভাৱে পোৱা সামাজিক অৰ্থনৈতিক গাঁথনিক পুনৰ্গঠিত কৰিবলৈ যত্ন কৰিব ধৰিছে বৃহৎ পুঁজিবাদী, বিদেশী আৰু দালালি বুৰ্জোৱা, দুয়োৰে সম্পত্তিৰ বিলুপ্তি ঘটাই— কৃষকসকলৰ মুক্তি সাধন কৰি আৰু কামৰ চৰ্ত্ত, স্বাস্থ্য-ৰক্ষা, শিক্ষা ইত্যাদিৰ উন্নতি বিধানৰ বাবে সামাজিক ব্যৱস্থাৱলী গ্ৰহণেৰে, আফ্ৰিকাৰ দেশসমূহত পুঁজিবাদী বিকাশৰ ভাৱধাৰা আৰু তাৰ ফলতে উদ্ভূত ৰাজনৈতিক সমস্যাবোৰ পৰীক্ষা কৰি চাওঁতে, এই কথা মনত ৰাখিব লাগিব যে এই ভাবধাৰাৰ এটা নিৰ্দ্দিষ্ট ভিত্তি আছে। ঔপনিবেশিক কালছোৱাত পুঁজিবাদে আফ্ৰিকাত এটা বা আন এটা ধৰণে ইয়াৰ শিপা পুতিছিল। ঔপনিবেশিক দেশবিলাকক বিশ্ব পুঁজিবাদী ব্যৱস্থাৰ শ্ৰম বিভাজনত সামৰি লোৱা হৈছিল, যাৰ ফলত পুৰণা উৎপাদন নিয়ম-পদ্ধতি খহি পৰিবলৈ ধৰিছিল আৰু এনে এ'চামে গঢ় লৈছিল যিটোৱে পুঁজিবাদী সম্পৰ্ক বিকাশত আগ্ৰাহাম্বিত হৈছিল। যদিওবা পুঁজিবাদে উৎপাদন শক্তিসমূহৰ আভ্যন্তৰিণ বিকাশ আৰু উৎপাদন সম্পৰ্ক জাত নাছিল। ইয়াক আমদানি কৰা হৈছিল।

এই আমদানিকৃত পুঁজিবাদৰ ওপৰিও, সাম্প্ৰতিক বহুৰ কেইটাত পুঁজিবাদী সম্পৰ্কৰ এটা স্বতঃস্ফুৰ্ত্ত বিকাশো হৈছিল, বিশেষতঃ ক্ষুদ্ৰ ব্যৱসায়, হস্তশিল্প, সেৱামূলক ক্ষেত্ৰত আৰু কৃষিত। স্বাধীনতা প্ৰাপ্তিৰ পিছত অধিকাংশ দেশত দ্ৰুত পুঁজিবাদী মনোভাব

গঢ়ি উঠিবলৈ দেখা গৈছিল। এই প্ৰক্ৰিয়াৰ নিজস্ব প্ৰকাশ ঘটিছিল এটা জাতীয় বুৰ্জোৱা শ্ৰেণীৰ উদ্ভৱ আৰু এফ্ৰিকান কৃষক-সকলৰ বৰ্দ্ধিত স্তৰীভূতকৰণত।

পুঁজিবাদী বিকাশৰ ধাৰাই কেৱল নগৰ আৰু গাওঁৰ গঢ়ি উঠা জাতীয় বুৰ্জোৱাৰ স্বাৰ্থই পূৰণ নকৰে সামন্তবাদী প্ৰভুসকল, পৰম্পৰাগত নেতৃবৃন্দ, বুৰ্জোৱা আমোলাসকলৰ স্বাৰ্থও ৰক্ষা কৰে, যি সকলৰ আটাইবোৰে ভাবে তেওঁলোকৰ সুবিধাভোগী সংস্থিতি কেৱল বুৰ্জোৱা সমাজতে ৰক্ষা কৰিব পাৰিব।

নব্য ঔপনিবেশিক, আজ্ঞাবহ ধৰণৰ পুঁজিবাদ বৈদেশিক স্বাৰ্থৰ দ্বাৰাই অধিক পৰিমাণে চালিত সাম্ৰাজ্যবাদী শক্তিসমূহৰ প্ৰভাৱতে এটা গঢ় লয়। আফ্ৰিকা আৰু বিশ্বৰ অন্যান্য অঞ্চলত, সাম্ৰাজ্যবাদেও পুঁজিবাদ সৃষ্টি কৰে যি সম্পূৰ্ণৰূপে বৈদেশিক একচেটিয়াপতিসকলৰ মুখাপেক্ষী হৈ থাকে।

সদ্য স্বাধীন এছিয়া আৰু আফ্ৰিকাৰ জনগণৰ পুঁজিবাদৰ ওপৰত কোনো আস্থা নাই। ইয়াৰ প্ৰতি তেওঁলোকৰ মনোভাব বৈদেশিক একচেটিয়াপতি আৰু সাম্ৰাজ্যবাদী ঔপনিবেশিকবাদী-সকলৰ আধিপত্য শোষণ, অসাম্য আৰু দৰিদ্ৰতাৰ লগত সম্বন্ধিত।

কিন্তু এইটো কেৱল তৃতীয় বিশ্বত পুঁজিবাদৰ আদৰ্শগত সংকটৰ প্ৰশ্নই নহয়। সদ্য স্বাধীন দেশবিলাকৰ কোনো এটাতেই আজি "স্বাভাৱিক", "বিশুদ্ধ" পুঁজিবাদী সমাজ বিকাশৰ বাস্তৱ পৰিস্থিতি নাই। সমাজবাদ এটি নতুন আৰু উচ্চতৰ সামাজিক গঠনৰূপে আবিৰ্ভূত হোৱাৰ পিছত, প্ৰাক্-পুঁজিবাদী সমাজৰ অৱশিষ্ট সমূহৰ পুঁজিবাদী বিকাশ স্তৰ পৰিহাৰ কৰাৰ প্ৰচুৰ সম্ভাৱনা বিদ্যমান।

বৈজ্ঞানিক সমাজবাদে আৱিষ্কাৰ কৰা সমাজবিকাশৰ সাধাৰণ নিয়মবোৰে কি ধৰণে নিৰ্দ্দিষ্ট এখন দেশত আত্মপ্ৰকাশ কৰিব সেইটো নিৰ্ভৰ কৰে সেই দেশৰ জাতীয় আৰু ঐতিহাসিক

পৰিস্থিতিসমূহৰ ওপৰত। যেই হওক, এই বিকাশৰ নিৰ্দিষ্ট বৈশিষ্ট্য কেইটাই, উদাহৰণ স্বৰূপে অনগ্ৰসৰ গঠন ৰূপৰ পৰা প্ৰগতিশীল গঠন ৰূপলৈ উত্তৰণৰ সাধাৰণ নিয়মক দুই কৰিব নোৱাৰে। এছিয়া আৰু আফ্ৰিকাত সমাজবাদৰ পিনে বস্তুগত প্ৰৱণতাৰ বিকাশ ঘটে এটা বা আন এটা সামাজিক ৰাজনৈতিক শক্তিৰ ইচ্ছাধীন নহৈ। ক্ৰমবৰ্দ্ধিত বেগৰ লগে লগে এই প্ৰৱণতাবোৰে পুঁজিবাদৰ অবস্থান খহাই নি আছে, যিহেতু ই নিজে নিজেই ৰাজনৈতিক আৰু অৰ্থনৈতিকভাবে নিজৰ বদনাম কাঢ়িছে।

পুঁজিবাদৰ ঐতিহাসিক শক্তিহীনতা নিজেই নিৰ্দ্দিষ্টৰূপে আত্মপ্ৰকাশ কৰিছে, এই ঘটনাতে যে যি জাতীয় বুৰ্জোৱা শ্ৰেণীয়ে সদ্য স্বাধীন দেশবিলাকত বিকাশ লাভ কৰিছিল সেই শ্ৰেণীয়ে অৰ্থনৈতিক স্বাতন্ত্ৰ্যৰ বাবে দ্বিতীয় পৰ্য্যায়ৰ সংগ্ৰামত নেতৃত্ব দিবলৈ অক্ষম। ই উচ্চ হাৰত অৰ্থনৈতিক বিকাশৰ বৃদ্ধি, বিদেশী পুঁজিৰ ওপৰত নিৰ্ভৰতাৰ অৱসান আৰু জনগণৰ জীৱিকাৰ মান বৃদ্ধি কৰাত ইয়াৰ অক্ষমতা প্ৰমাণ কৰিছে। এই ক্ষেত্ৰত মিছৰৰ আৰব সাধাৰণতন্ত্ৰই এফ্ৰিকীয় মহাদেশত সদ্য স্বাধীনদেশ-বোৰৰ ভিতৰত প্ৰথম দেশ যি দেশে স্বাধীন বিকাশৰ পিনে, অৰ্থনৈতিক স্বাধীনতা প্ৰাপ্তিৰ পিনে এটা পথ কৰি লোৱাৰ অভিজ্ঞতা যথেষ্ট উল্লেখযোগ্য।

১৯৫২ চনৰ বিপ্লৱৰ পিছত, মিছৰীয় পুঁজিপতিসকলে বিপুল সুবিধা লাভ কৰিছিল: শিল্পৰ শুল্ক সংৰক্ষণ, কাৰখানা আৰু যন্ত্ৰপাতি আমদানিত ডিউটি হ্ৰাস হোৱা, কৰ কাটলৰ পৰা ৰেহাই; নিম্নতম মুনাফাৰ গেৰাণ্টি দান স্বৰূপে মাটি পোৱা ইত্যাদি। সেই সময়ত, চৰকাৰে আশা কৰিছিল পুঁজিবাদ ভিত্তিত আভ্যন্তৰিণ সমস্যা সমাধান কৰিব পাৰিব আৰু জাতীয় বুৰ্জোৱাসকলৰ সহায়ত দ্ৰুত এক অৰ্থনৈতিক উত্থান সৃষ্টি কৰিব পাৰিব। কিন্তু অভিজ্ঞতাই দেখুৱালে যে ব্যক্তিগত পুঁজিয়ে জাতীয় অৰ্থনীতিৰ উন্নয়নত আগ্ৰহশীল

নহয়। এইটো আনকি সেই সময়ত মুঠ ১২০ কোটি টকাৰ দ্বিতীয় প্ৰাইভেট স্থাপন কৰা হৈছিল। শিল্পোদ্যোগীয় কোম্পানীবোৰে এই প্ৰকল্প গ্ৰহণ কৰোঁতে উদ্বৃত্ত কৃষিৰ লোৱাবিলাক প্ৰকল্পৰ বাবে ১২২ কোটি টকা দ্বিতীয় প্ৰাইভেট বিনিয়োগ কৰিবলৈ বাধ্য হ'ব, কিন্তু বাষ্ট্ৰৰ হিচাপ মতে ব্যক্তিগত খণ্ডৰ পুঁজিৰে গঠিত হব পাৰিব হৈছেন। ব্যক্তি পুঁজিয়ে আচলতে ১৯৫৪ চনৰ দুই কালত গৃহীত ৰাষ্ট্ৰীয় বিকাশৰ পৰিকল্পনাৰ প্ৰতি কূটাঘাতমূলক আচৰণ কৰিছিল। উক্ত পৰিকল্পনাত বছৰি ৪৫ নিযুক্ত দ্বিতীয় প্ৰাইভেট বিনিয়োগৰ আহ্বান জনোৱা হৈছিল। পুঁজিপতিসকলে ৰাষ্ট্ৰীয় পৰিকল্পনা কৃতকাৰ্য্য কৰাৰ পৰা হাত সাৰিছিল। বিভিন্ন ছল-চাতুৰীৰ পথ লৈছিল, মুনাফা লুকুৱাইছিল, ঠকি বেচি দিছিল। বাহিৰলৈ পুঁজি চালান কৰিছিল, মুদ্ৰা প্ৰচলনত ফাটকাবাজী কৰা ইত্যাদি কামত লিপ্ত হৈছিল। জাতীয় স্বাধীনতা সুদৃঢ় কৰা আৰু জাতীয় অৰ্থনীতি উন্নয়নৰ স্বাৰ্থ বিপদাপন্ন হৈছিল। ডেকৰা চনৰ জুলাইত মাহত জাতীয় ভৱনৰ বৈঠকৰ সভাত বিচিত্ৰ কাৰী দীৰ্ঘ এই কূটাঘাত প্ৰচেষ্টাৰ অৱসান কৰা হৈছিল। অভিযোগ জাতীয় উৎপাদনৰ ৮০ শতাংশ ৰাষ্ট্ৰীয় খণ্ডৰ অন্তৰ্ভুক্ত (কৃষিৰ বিচাৰ পৰা বাহিৰে নাইকিয়া) ব্যক্তি পুঁজিৰ হাতত শিল্প ক্ষেত্ৰত মূলতঃ ক্ষুদ্ৰ মজলীয়া শিল্প উদ্যোগ বিলাক আছে। বিধি মতে জাতীয় বুৰ্জোৱাৰ প্ৰগতিশীল অৰ্থনৈতিক আৰু সামাজিক পৰিবৰ্ত্তনৰ বিৰোধী হিচাপে ভাবগত ভাৱে তেওঁলোকে ইয়াৰ বিৰুদ্ধে। তথাপিও বহুতো ক্ষেত্ৰীয় লোকে বাৰে পুঁজিবাদ এটি উচ্চতৰ সামাজিক ৰূপ, সামাজিক পৰিস্থিতিত বৰ্জ্জোৱাসকলৰ আদৰ্শগত আহ্বান আৰু ৰাজনৈতিক উদ্দেশ্য অথবা প্ৰতিক্ৰিয়াশীল আৰু সেই গতিকে ব্যাপকাংশ জনগণৰ সমৰ্থন লাভত ব্যৰ্থ হয়।

প্ৰতিক্ৰিয়া-সংক্ৰান্ত কাৰ্য্যকলাপ কমাইছিল। জাতিসমূহৰ নেতিবাচক বৰ্জ্জোৱা চালিত সমূহৰ অৱস্থা। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত আৰু আফ্ৰিকা আৰু এচিয়াত

দিবলৈ চলোৱা সাম্ৰাজ্যবাদী প্ৰচাৰৰ চেষ্টা সফল হোৱা নাছিল।

গিনিৰ ৰাষ্ট্ৰপতি চেকু তুৰে জোৰ দি কৈছে: "বিকাশৰ দুটা বাটহে আছে। ব্যক্তি সম্পত্তি, ব্যক্তি স্বাৰ্থৰ আধিপত্যৰ ওপৰত অৰ্থাৎ শ্ৰমিক জনগণক শোষণ কৰি থকা আৰু তেওঁলোকৰ খৰচত জীয়াই থকা একদল সম্পত্তিৰ মালিকৰ স্বাৰ্থৰ আধিপত্যৰ ওপৰত নিৰ্ভৰ কৰা পথ আছে। এইটো হ'ল পুঁজিবাদী পথ। গিনি কিন্তু অন্য পথ বাছি লৈছে, যি হৈছে অপুঁজিবাদী পথ; সমাজবাদী আশা আকাংক্ষা ব্যক্ত হোৱাৰ পথ।"[১] "শোষণ আৰু শোষণৰ অৱসান বিহনে তৃতীয় কোনো পথ নাই," লিখিছিল কাইৰোৰ 'আল হিলাল' সাময়িক আলোচনীয়ে। "উৎপাদনৰ সঁজুলিবোৰৰ ব্যক্তিগত মালিকানা আৰু ৰাজহুৱা মালিকানাৰ মাজত আৰু তৃতীয় পথ নাই। একদল পুঁজিপতিৰ আধিপত্য আৰু জনগণৰ আধিপত্যৰ মাজত কোনো তৃতীয় পথ নাই।"

সমাজবাদী অভিমুখীনতাৰ মূল আধেয়

বিপ্লৱী গণতান্ত্ৰিক শক্তিসমূহে বাস্তৱ প্ৰয়োজনীয়তাৰ অনুধাৱনৰ দ্বাৰাই অপুঁজিবাদী বিকাশৰ পথ বাছি লয়। আলজিৰিয়াৰ ৰাষ্ট্ৰপতি হুৱাৰী বুমেদিয়েনে 'প্ৰাভদা' কাকতৰ সংবাদদাতাৰ লগত এক সাক্ষাৎকাৰৰ প্ৰসংগত তলৰ কথাখিনি দাঙি ধৰে: "আমি সদায় এই কথাটোৰ ওপৰত জোৰ দিয়া কৰ্তব্য বুলি ভাবোঁ যে আলজিৰিয়াই সমাজবাদ বাছি লোৱাটোকে কেতিয়াও পৰিত্যাগ নকৰে, লাগিলে আমাৰ সমুখলৈ যিমানেই অসুবিধা নহওক। আলজিৰিয়াৰ

[১] সেকু তুৰেৰ, "গিনিয় বিপ্লৱ আৰু সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰাম" —ৱাৰ্ল্ড মাৰ্ক্সিষ্ট ৰিভিউ, খণ্ড ১০, সংখ্যা ৪, ১৯৬৭, পৃঃ ২৮

সমুখত প্ৰগতিশীল পথৰ বাহিৰে অন্য কোনো পথ নাই। আমাৰ সমাজবাদ বাছি লোৱা কামক জনগণে সমৰ্থন জনাইছিল।*

অপুঁজিবাদী বিকাশৰ পথৰ বাবে সংগ্ৰাম সাম্ৰাজ্যবিৰোধী বিপ্লৱৰ সামাজিক-অৰ্থনৈতিক ভাৱধাৰাৰ ধাৰাৱাহিক গভীৰতাত প্ৰতিবিম্বিত হয়। ইয়াৰ প্ৰধান কাৰণ হৈছে সদ্য-স্বাধীনদেশবোৰৰ সামাজিক-অৰ্থনৈতিক সমস্যা সমাধানত পুঁজিবাদৰ অক্ষমতা আৰু সমাজবাদীদেশসমূহৰ ঐতিহাসিক দৃষ্টান্তৰ অভূতপূৰ্ব্ব প্ৰভাৱ। ১৯৭২ৰ ভিতৰত, এফ্ৰো-এছিয় কেবাখনো দেশে অপুঁজিবাদী বিকাশৰ পথ গ্ৰহণ কৰিছিল। এই দেশসমূহ হ'ল মিছৰৰ আৰৱীয় সাধাৰণতন্ত্ৰ, আলজিৰীয়া, গিণি, তানজানিয়া, কঙ্গোৰ জনগণৰ সাধাৰণতন্ত্ৰ, ছিৰিয়া, ইৰাক, ছোমালীয়া, ইয়েমেন জনগণৰ গণতান্ত্ৰিক সাধাৰণতন্ত্ৰ, আৰু ব্ৰহ্ম। সমাজবাদী ৰূপান্তৰৰ পথ লোৱা অধিকাংশ দেশে হৈছে আফ্ৰিকাত।

সমাজবাদী অভিমুখী ছয়খন দেশে (আলজিৰিয়া, মিছৰৰ আৰৱীয় সাধাৰণতন্ত্ৰ, গিনি, কঙ্গো জনগণৰ সাধাৰণতন্ত্ৰ, ছোমালীয়া আৰু তাঞ্জানীয়া) এফ্ৰিকীয় সদ্য স্বাধীন দেশসমূহৰ মাটিকালিৰ ২১ শতাংশ হব, জনসংখ্যাৰ ২০ শতাংশ, গড় জাতীয় উৎপাদনৰ ২৮ শতাংশ।**

এছিয়া আৰু আফ্ৰিকাত অপুঁজিবাদী বিকাশৰ পিনে ঐতিহাসিক প্ৰৱণতা অপ্ৰতিৰোধ্য হৈ উঠিবলৈ ধৰিছে, যাৰ গুণত সমাজবাদী ৰূপান্তৰ ঘটাবলৈ বিচৰা দেশৰ সংখ্যা ক্ৰমান্বয়ে বাঢ়িব। এই দেশবোৰত প্ৰগতিশীল পৰিবৰ্ত্তনৰ প্ৰকৃত সময়, গতি আৰু পৰিসৰ অৱশেষত নিৰ্দ্ধাৰিত হব সামাজিক ৰাজনৈতিক আৰু শ্ৰেণী শক্তি সমূহ আৰু তাৰ সংগ্ৰামৰ দ্বাৰা —যাৰ ভিতৰত আছে সাম্ৰাজ্যবাদ-বিৰোধী বিপ্লৱৰ দ্বিতীয় পৰ্য্যায়ৰ মূল আধেয়ৰ আৰু সৰ্ব্বোপৰি

*প্ৰাভদা, মাৰ্চ, ২৪ ১৯৬৯ চন

**"ষ্টাডিজ অন দা কণ্ডিচনচ্ ইকনমিক এন এফ্ৰিকে"ৰ তথ্য মতে; ১৯৬৯, জাতি সংঘ, নিউ ইয়ৰ্ক, ১৯৭১

সামাজিক অর্থনৈতিক বিকাশৰ পথ বাছি লোৱাৰ লগত জড়িত।

এই স্তৰৰ জাতীয় গণতান্ত্রিক বিপ্লৱৰ প্রকৃত অভিজ্ঞতাই দেখুৱাইছে যে বিপ্লৱী গণতন্ত্রৰ অৱস্থানৰ বৈজ্ঞানিক সমাজবাদী ভাৱধাৰাৰ নিবিড়তমভাবে কাষ চপাৰ প্রৱণতা আছে। তানজানিয়াৰ ৰাষ্ট্রপতি, জুলিয়াচ নাইৰেৰে তেওঁৰ "আফ্রিকাৰ জাতীয়তা-বাদৰ ভৱিষ্যত" নামৰ প্রবন্ধত প্রথম সমাজবাদৰ কথা উল্লেখ কৰিছিল। কিন্তু তেতিয়া তেওঁ যি "এফ্রিকীয় সমাজবাদ"ৰ কথা কৈ আছিল সেয়া তত্ত্ব আৰু প্রয়োগৰ ফালৰ পৰা বৈজ্ঞানিক সমাজবাদতকৈ বহুত দূৰত আছিল। টেঙানাইকা এফ্রিকান নেছনেল ইউনিয়নৰ ১৯৬৫ চনৰ সংবিধান আৰু চনদৰ ভিতৰত সমাজবাদ বাছি লোৱাৰ মনোভাৱৰ আৰু অধিক বিকট প্রতিফলিত হৈছিল। ১৯৬৭ চনৰ আৰুচা ঘোষণাত চৰকাৰীভাৱে "সমাজবাদী পথৰ ঘোষণা কৰা হৈছিল টেঙানাইকা এফ্রিকান নেছনেল ইউনিয়নৰ জাতীয় কার্য্যনির্ব্বাহকৰ কেন্দ্রীয় কমিটিৰ সদস্য দাউদী মুয়াকাৱাগোই ১৯৭১ চনৰ ৮ এপ্রিলত ছোভিয়েত ইউনিয়নৰ ২৪ তম পার্টি কংগ্রেছত ভাষণ দিওতে কৈছিল: "তাঞ্জানিয়াই সমাজবাদ নির্মাণ কার্য্যত নিজক চিৰদিনৰ কাৰণে প্রতিশ্রুতিবদ্ধ কৰিছে, সকলোৱে জানে. আৰু আমাৰ বিশ্বাস এই কার্য্য সম্পাদনত আপোনালোকৰ বহুবছৰীয়া অভিজ্ঞতাৰ পৰা আৰু এই মহাসম্মিলনৰ সিদ্ধান্তৰ পৰা ফলদায়ক শিক্ষা লব পাৰিম।"

এই ক্ষেত্রত মিছৰৰ আৰব সাধাৰণতন্ত্রৰ বিপ্লৱী গণতন্ত্রীসকলৰ উল্লেখনীয়ভাবে গামাল আবদেল নাছেৰৰ বৈজ্ঞানিক সমাজবাদৰ পিনে ভাৱধাৰাবোৰৰ ক্রম বিকাশ, অতীব গুৰুত্বপূর্ণ। ১৯৫২ চনৰ জুলাই বিপ্লৱৰ পিছত মুক্ত চিন্ত বিষয়াসকলৰ সংগঠনৰ সদস্যবৃন্দৰ কোনেও দেশখন সমাজবাদী ধাৰাত বিকশিত হোৱাৰ সম্ভাৱনাৰ প্রশ্ন তোলা নাছিল। ১৯৫৪ চনৰ ১৯ এপ্রিলত বক্তৃতা দিওতে ৰাষ্ট্রপতি গামাল আবদেল নাছেৰে আনকি কৈছিল যে জনগণৰ

গণতন্ত্ৰসমূহে যি পথ গ্ৰহণ কৰিছে সেইটো মিছৰৰ কাৰণে উপযোগী নহয়।*

তথাপি আভ্যন্তৰিণ প্ৰতিক্ৰিয়াৰ প্ৰতিৰোধ বঢ়াৰ লগে লগে কেইটামান জাতীয় কৰ্মসূচী সম্পাদিত হয়। চুয়েজখাল আৰু বিদেশী কোম্পানীবিলাকৰ জাতীয়কৰণ, গভীৰভাবে কৃষি সংস্কাৰ সাধন ইত্যাদি। এইবিলাকৰ সম্পৰ্কত ছোভিয়েট ইউনিয়ন আৰু অন্যান্য সমাজবাদী দেশবিলাকৰ লগত যোগাযোগ ঘটা আৰু সহযোগমুখী সমুচিত সাহায্য দানৰ ফলত মিছৰীয়সকলে সমাজবাদী বিকাশৰ পথ গ্ৰহণৰ প্ৰয়োজনীয়তা সম্পৰ্কে কবলৈ ধৰে। মিছৰত সমাজবাদী সমাজ গঠনৰ চিন্তাধাৰা আছে যে প্ৰথম ব্যক্ত কৰিছিল, তেওঁৰ চনৰ বিপ্লৱৰ কালত আৰু তাৰ দুবছৰৰ পিছত ১৯৫৫ চনৰ মাৰ্চত তেওঁ অৱশ্যে এই চিন্তাধাৰাৰ সৃষ্টি অনহৈ। ১৯৬০ চনত নিৰ্বাচনৰ মাহত মিছৰ আৰু ছিৰিয়া সমবায়কাৰী সকলৰ তৃতীয় কংগ্ৰেছত ৰাষ্ট্ৰপতি চেয়দ নাছেৰে ঘোষণা কৰে যে মিছৰে শোষণমুক্ত সমাজবাদী গণতান্ত্ৰিক সমবায়মূলক সমাজ গঠন কৰিব খুজিছে। সামাজিক অৰ্থনৈতিক ৰূপান্তৰৰ পথ গ্ৰহণ। স্থানীয় বৃহৎ বুৰ্জোৱা সকলৰ লোকসকলৰ সম্পত্তিৰ মালিক বুৰ্জোৱাৰ লোকসকলৰ আংশিক সম্পত্তি জাতীয়কৰণ আৰু অন্যান্য সংস্কাৰ কাৰ্য্যক "সমাজবাদৰ মিছৰীয় পথ" বুলি বৰ্ণনা কৰা হৈছিল।**

১৯৬২ চনৰ জুন মাহত জনগণৰ ৰাষ্ট্ৰ ক্ষমতাৰ জাতীয় কংগ্ৰেছে আগন্তুক দশকৰ কাৰণে মিছৰৰ গৃহ সমস্যা আৰু বৈদেশিক নীতি সংক্ৰান্ত জাতীয় চনদ অনুমোদন কৰিছিল। এই চনদৰ অংশ বিশেষৰ পাঠ : "যিবিলাক দেশবিলাক অনুন্নত হৈ থাকিবলৈ বাধ্য হৈছে,

*গামাল আবদেল নাচেৰৰ বক্তৃতা আৰু বিবৃতি, কায়েৰো, খণ্ড ২, পৃঃ ২৯৩ (আৰবী ভাষাত)

**এম গাতাউল্লিন লিখিত, সম্মিলিত আৰব সাধাৰণতন্ত্ৰৰ অৰ্থনীতি নতুন পথত, মস্কো ১৯৬৬, পৃঃ ৭৫ (ৰুছ ভাষাত)

সেই বিলাকত যি সকলত পুঁজিয়ে নিজা স্বাভাৱিক বিকাশ স্তৰলৈ উন্নীত হোৱা নাছিল, তাতে চলি থকা উৎপাদন-পদ্ধতিৰ সম্পৰ্কসমূহৰ ভিত্তিমূল। তেনেকুৱা দেশবিলাকৰ নিজস্ব বিকাশৰ ধাৰাত নৈতিক আৰু সামাজিক অৰ্থনীতি যদি চলি থকা নাছিল, অৰ্থ নৈতিক আৰু সামাজিক অনগ্ৰসৰতা আৰু সমস্যাৰ সমাধান—পৰিকল্পিত ভাবেৰে বিকাশ সাধনৰ উদ্দেশ্যৰে—কেন্দ্ৰীয়ভাৱে পৰিচালিত হোৱাটো বিষয় হৈ থকা নাই। ২০শ শতাব্দীৰ দ্বিতীয়াৰ্দ্ধত বিশ্বৰ পৰিবৰ্তিত প্ৰকৃতি আৰু উন্নয়নৰ ব্যাপক আশা-আকাংক্ষাৰ সত্ত্বেও সমাজবাদী ব্যৱস্থাৰ ঐতিহাসিক অনিবাৰ্য্যতা আজিও ৰৈছে। ইয়াৰ পৰা তেওঁ চূড়ান্ত সিদ্ধান্তত উপনীত হোৱা যায়, "প্ৰগতিৰ ফলত প্ৰতিযোগিতামূলক পদ্ধতি বিচাৰৰ কাৰণে বৈজ্ঞানিক সমাজবাদেই হৈছে যথোপযুক্ত পথ। সমাজ কেৱল পদ্ধতিৰে প্ৰাৰ্থিত প্ৰগতি সাধনৰ নিমিত্তে আৰু কোনো পথ লব নোৱাৰে।"*

উপৰোক্ত ছন্দ প্ৰণেতাসকলে বৈজ্ঞানিক সমাজবাদত উল্লেখিত কি বুজে, তেওঁলোকৰ ব্যাখ্যা মতে সমাজবাদৰ অৰ্থ হৈছে "প্ৰাচুৰ্য্য আৰু ন্যায়" মানুহৰ দ্বাৰা মানুহৰ শোষণৰ অৱসান ধৰণ আৰু প্ৰকৃতিৰ উচ্ছেদ সাধনেৰে যি ন্যায় স্থাপিত হয়। যদিও তেওঁলোকৰ ধাৰণা মতে "শোষণৰ" ভিত্তি উৎপাদনৰ সজুলিৰ মালিকসকলে কৰি থোৱা সকলো ধৰণৰ শোষণ অন্তৰ্ভুক্ত হোৱা নাছিল। কথিত শোষণকাৰী মূলধন সম্পৰ্কে কেৱল ধৰণে উল্লেখ কৰা হৈছে। "উৎপাদনৰ সকলো সজুলিৰ ওপৰত জনগণৰ নিয়ন্ত্ৰণ" ঘোষণা কৰি ছন্দে জোৰ দি কৈছিল উৎপাদনৰ সকলো সজুলিৰ ওপৰত জনগণৰ নিয়ন্ত্ৰণৰ বাবে উৎপাদনৰ উপায়সমূহক জাতীয়কৰণ কৰাৰ প্ৰয়োজন নহয় অথবা ব্যক্তিগত সম্পত্তি বিলোপৰ প্ৰয়োজন নহয় অথবা তৎসম্পৰ্কীয় উত্তৰাধিকাৰ স্বত্বৰ বৈধ

* [illegible], পৃঃ [illegible]

অধিকাৰত হাত দিয়াৰো প্ৰয়োজন নহয়।"

চনদ'ৰ মতে, উৎপাদনৰ সঁজুলিবোৰৰ ওপৰত জনগণৰ নিয়ন্ত্ৰণ সম্পাদিত হৈছে, প্ৰথমতে, "উৎপাদনৰ সকলো ফালে বিকাশ ঘটাবলৈ সক্ষম এটা ৰাজহুৱা খণ্ড" গঢ়ি তুলি, আৰু দ্বিতীয়তে "সামগ্ৰিক উৎপাদনৰ ঠাচৰ ভিতৰতে বিকাশ সাধনত শোষণ ব্যতিৰেকে এটা ব্যক্তিগত খণ্ডৰ "অস্তিত্ব" ৰাখি অন্য ভাবে কৰলৈ গলে। চনদে চহৰত আৰু গাওঁত পেটি বুৰ্জোৱাসকলক ৰক্ষা কৰা সম্ভৱ বুলি বিবেচনা কৰিছিল।

চনদ ভূমি সমাজীকৰণৰ বিৰোধী আছিল। দলিলত আছে, "………কৃষি সমস্যাৰ প্ৰকৃত সমাধান মাটিত ৰাজহুৱা কৰ্তৃত্বৰ ৰূপান্তৰ সাধনত নহয় বৰং ব্যক্তি কৰ্তৃত্বৰ প্ৰয়োজনীয়তাৰে আৰু বৃহত্তম অংশৰ শ্ৰমাৰ্জনকাৰীসকললৈ এই কৰ্তৃত্বক কৃষি উৎপাদন প্ৰক্ৰিয়াৰ সকলো পৰ্য্যায়তে কৃষি সমবায় ব্যৱস্থাৰে সমৰ্থন দি বিস্তৃতি সাধনৰ মাজতে নিহত।"

মুঠতে এইটোত মিছৰৰ উত্তৰণকালীন অৰ্থনীতিৰ স্বাৰ্থত ক্ষুদ্ৰ পণ্য উৎপাদন ক্ষমতা ব্যৱহাৰৰ প্ৰশ্ন জড়িত আছিল। চনদে অৰ্থনীতিৰ গুৰি হিচাপে গধূৰ শিল্পকে ভাবিছিল আৰু দ্বিধাহীন ভাবে পৰিকল্পিত অৰ্থনীতিৰ অনুমোদন জনাইছিল: "সুদক্ষতাৰে সমাজবাদী পৰিকল্পনা কৰাই হৈছে একমাত্ৰ পদ্ধতি যি নেকি সকলো জাতীয় সম্পদক ব্যৱহাৰ কৰাৰ নিশ্চয়তা দিয়ে।"

চনদে নিম্নলিখিত ধৰণে গণতন্ত্ৰৰ সাৰমৰ্মৰ ব্যাখ্যা দিছে: "গণতন্ত্ৰ হৈছে ৰাজনৈতিক স্বাধীনতা। সমাজতন্ত্ৰ হৈছে অৰ্থনৈতিক স্বাধীনতা। এটা আন এটাৰ পৰা বিচ্ছিন্ন নহয় ……… ভোটৰ স্বাধীনতাৰ, জীৱিকাৰ স্বাধীনতা বিহনে ……… কোনো মূল্য নাথাকে … ।'

চনদখনে আৰব সমাজতান্ত্ৰিক ইউনিয়নক সমাজ বিপ্লৱ সম্পন্ন কৰাৰ যন্ত্ৰ-স্বৰূপে —জনগণক নেতৃত্বদানকাৰী আগৰহুৱা হিচাপে

চৰিত্ৰাঙ্কন কৰিছে। অন্য লোকসকলৰ শ্ৰম শোষণ কৰা লোকসকল ইউনিয়নৰ সভ্য হব নোৱাৰিব। নাছেৰে বাৰে বাৰে সাৱধান কৰি দিছিল, শোষণকাৰী শ্ৰেণীসমূহৰ প্ৰতিনিধিবোৰ আৰৱ সমাজবাদী ইউনিয়নত অনুপ্ৰৱেশ কৰিব পাৰে। তেওঁ জোৰ দি কৈছিল যে বিপ্লৱী ভাৱধাৰা সমূহ শ্ৰমিক আৰু কৃষকসকলৰ পৰা আহিব লাগিব আৰু "স্বাধীনতাৰ গেৰান্টিবোৰৰ ভিতৰত অতি গুৰুত্বপূৰ্ণ হৈছে সমালোচনা আৰু আত্মসমালোচনা।"*

১৯৬৪ চনৰ মাৰ্চ মাহত জাতীয় সদনৰ (সংসদ) উদ্বোধনী অধিবেশনত দিয়া ভাষণত নাছেৰে কৈছিল যে জাতীয় চনদ এখন অন্ধ অনুসাধনৰ বস্তু নহয়, ই হ'ল, এটা পদ্ধতি যাৰ যোগে সৰ্বতোমুখী বিকাশ সাধিত হয়। তেওঁ কৈছিল চনদখন শ্ৰমজীৱী জনগণৰ সকলো প্ৰচেষ্টা ঐক্যবদ্ধ কৰাৰ যন্ত্ৰ হব লাগিব আৰু ই এই ঐক্যত বিঘ্ন সৃষ্টিকাৰী প্ৰতিবন্ধক হব না লাগিব।**

আৰৱ সমাজবাদী ইউনিয়ন আৰু মিছৰীয় জনগণৰ মৌলিক কাৰ্য্যসূচী জাতীয় চনদৰ বিশ্লেষণ কৰিলে দেখা যায়, এইখন হৈছে মূলতঃ বিপ্লৱী গণতান্ত্ৰিক কাৰ্য্যসূচী, যি কাৰ্য্যসূচীয়ে লোৱা ব্যৱস্থা সমূহৰ তত্ত্বগত ভিত্তিৰ মুঠ কথা হৈছে, অপুঁজিবাদী বিকাশৰ পথ। এই পথৰ চাৰিত্ৰিক বৈশিষ্টাবোৰ কি ?

যি দেশে অপুঁজিবাদী বিকাশৰ পথ গ্ৰহণ কৰে সেই দেশে সমাজব্যৱস্থা হিছাপে পুঁজিবাদ নাকচ কৰে। যদিও সমাজবাদী ৰূপান্তৰ সাধনৰ প্ৰয়োজনীয় চৰ্ত্তবোৰ এতিয়াও সৃষ্টি কৰা হোৱা নাই। উন্নত পুঁজিবাদে ইয়াৰ উচ্চতম, একচেটিয়া স্তৰত পশ্চিমত সমাজবাদৰ বাবে প্ৰয়োজনীয় বিষয়গত চৰ্ত্তবোৰ সৃষ্টি কৰিছে, যদিও এই বস্তুগত আৰু প্ৰযুক্তিগত প্ৰয়োজনীয় চৰ্ত্তবোৰৰ বিকাশত ই প্ৰতিবন্ধকতাৰো সৃষ্টি কৰিছে আৰু এছিয়া আৰু আফ্ৰিকাত ইয়াৰ

*সংযুক্ত আৰৱ প্ৰজাতন্ত্ৰৰ চনদ, পৃঃ ৪৭
**আল আহৰম, মাৰ্চ ২৭, ১৯৬৪

ঔপনিবেশিক প্ৰভুত্ব আৰু দাসত্ব ব্যৱস্থাৰ জৰিয়তে উৎপাদন শক্তি-সমূহৰ এই বিকাশত বাধা দিছে। অপুঁজিবাদী পথ হৈছে, সৰ্ব্বোপৰি সমাজবাদী সমাজ নিৰ্ম্মাণৰ কালে প্ৰয়োজনীয় চৰ্ত্তবোৰ সৃষ্টিৰ এটা বাট। অপুঁজিবাদী বিকাশৰ পথ হৈছে ৰূপান্তৰমুখী এটি ঐতিহাসিক স্তৰ। সাম্ৰাজ্যবাদ-বিৰোধী, পুঁজিবাদ-বিৰোধী আৰু সামন্তবাদ-বিৰোধী ৰূপান্তৰৰ এটি স্তৰ। অপুঁজিবাদী বিকাশত মূল আধেয়ত সমাজবাদী ৰূপান্তৰ নাথাকে, থাকে সাধাৰণ গণতান্ত্ৰিক ৰূপান্তৰহে। এখন দেশত সাম্ৰাজ্যবাদী আধিপত্যৰ ওপৰত এইবিলাক আধেয়ই কম গুৰুত্ব দিয়ে; যেনে, ক্ৰমান্বয়ে বৃহৎ জাতীয় পুঁজিৰ জাতীয়কৰণ; লাভদায়ক ৰাষ্ট্ৰীয় খণ্ডৰ সৃষ্টি; কৃষকসকলৰ স্বাৰ্থত আৰু তেওঁলোকৰ অংশ গ্ৰহণৰ দ্বাৰা সামন্তবাদ-বিৰোধী ৰূপান্তৰ-সাধন; প্ৰগতিশীল শ্ৰম আইনৰ জৰিয়তে শ্ৰমজীৱী জনগণৰ অৱস্থাৰ উন্নতি-সাধন; শিক্ষা আৰু স্বাস্থ্যৰ প্ৰতি যত্ন লোৱাৰ উন্নতি সাধন; ৰাষ্ট্ৰীয় নীতিৰ ওপৰত জনগণৰ বিস্তৃত প্ৰভাৱ সৃষ্টিৰ ব্যৱস্থা; মজলীয়া আৰু ক্ষুদ্ৰ ধৰণৰ জাতীয় পুঁজি বিকাশৰ নিয়ন্ত্ৰণ—আৰু ভৱিষ্যতে সীমিতকৰণ; আৰু সমাজবাদী ৰাষ্ট্ৰবিলাকৰ লগত বিস্তৃত সহযোগিতা স্থাপন।

অপুঁজিবাদী বিকাশ ৰাজনৈতিক ক্ষেত্ৰত আৰম্ভ হয়, আৰু তাৰ পিছতে অৰ্থনীতি আৰু সাংস্কৃতিক ক্ষেত্ৰও আকোৱালি লবলৈ ধৰে। দৰাচলতে, প্ৰথম পদক্ষেপ হব সাম্ৰাজ্যবাদ সমৰ্থক, বুৰ্জ্জোৱা—জমিদাৰ উপাদানসমূহক ৰাষ্ট্ৰীয় আৰু ৰাজনৈতিক ক্ষমতাৰ পৰা খেদি দিয়া। অপুঁজিবাদী বিকাশলৈ উত্তৰণ আৰু গভীৰলৈ যোৱা সামাজিক অৰ্থনৈতিক পৰিবৰ্ত্তন বিপ্লৱী গণতন্ত্ৰীসকলৰ নেতৃত্বত এই পথেদি আগ বাঢ়ে, এওঁলোকে শ্ৰমজীৱী জনগণৰ লগত তেওঁলোকৰ মৈত্ৰীবন্ধন দৃঢ় কৰি, তেওঁলোকৰ স্বাৰ্থৰ প্ৰতি নিষ্ঠা ৰাখি আৰু তেওঁলোকৰ প্ৰকৃত গণতান্ত্ৰিক স্বাধীনতা সুনিশ্চিত কৰি এইবিলাকৰ উদ্দেশ্যে কাম কৰে।

অপুঁজিবাদী পথেদি বিকাশৰ এটি অন্যতম পূৰ্ব্ব চৰ্ত্ত হ'ল দেশৰ ভিতৰত এটি অগ্ৰগামী বিপ্লৱী পাৰ্টিৰ অস্তিত্ব। এনে পাৰ্টিয়ে বৈজ্ঞানিক সমাজবাদৰ মৌলিক নীতিসমূহ অনুসৰি এই বিকাশ কাৰ্য্য পৰিচালনা কৰিব। সমাজবাদ অভিমুখী দেশ এখনে বিশ্ব সমাজবাদী ব্যৱস্থাৰ লগত মৈত্ৰীবন্ধন সুদৃঢ় কৰিবলৈ পৰৰাষ্ট্ৰীয় নীতি গ্ৰহণ কৰে, যি নীতিয়ে তেনে ধৰণৰ দেশসমূহৰ লগত সহযোগিতা কৰাটো সৰ্বহাৰাৰ আন্তৰ্জাতিকতাৰ এটা নীতি বুলি ভাবে।

যিসকল লোক তেওঁলোকৰ ঐতিহাসিক বিকাশত পিছ পৰি আছে সেইসকলৰ বাবে মাৰ্ক্স আৰু এঙ্গেলছে ঠিক এই সম্ভাৱনা-বিলাকৰ প্ৰতি আঙুলিয়াই দিছিল। মহান্ অক্টোবৰ বিপ্লৱৰ বিজয় লাভৰ পিছত লেনিনে অপুঁজিবাদী বিকাশৰ তত্ত্বগত সমস্যাৰ বাস্তৱ সমাধান দিছিল। কমিউনিষ্ট পাৰ্টিৰ কৰ্ম্মসূচীৰ ভিতৰত এই সমাধান প্ৰতিফলিত হৈছিল, ভূতপূৰ্ব জাৰতন্ত্ৰী সাম্ৰাজ্যৰ যি সকল লোক সেই সময়ত প্ৰাক্-পুঁজিবাদী (জনজাতীয় ফৈদ অথবা সামন্ততান্ত্ৰিক) বিকাশৰ স্তৰত আছিল সমাজবাদ সেইসকলৰ ওচৰ চাপিব পাৰিছিল। দ্বিতীয় আন্তৰ্জাতিকৰ সুবিধাবাদীসকলে আৰু ৰুছ মেনছেভিকসকলে দৃঢ়তাৰে কৈছিল যে কেৱল উন্নত পুঁজিবাদী দেশসমূহতহে জনগণৰ বিপ্লৱী কাৰ্য্যকলাপ সফল হব। ইয়াৰ বিপৰীতে লেনিনে ঔপনিবেশিক বিশ্বত থকা বহুজাতিক জনগণ, সৰ্বোপৰি কৃষকসকলৰ বাবে সমাজতন্ত্ৰ অৰ্জনৰ ভবিষ্যৎ-দুৱাৰ মুকলি কৰিছিল।

ছোভিয়েত ইউনিয়ন, মঙ্গোলীয় জনগণৰ প্ৰজাতন্ত্ৰ আৰু অন্যান্য দেশসমূহে সমাজবাদ নিৰ্মাণ কৰিবলৈ লওঁতে প্ৰাক্-পুঁজিবাদী ধৰণৰ অৰ্থনীতি প্ৰবল আছিল। সিবোৰৰ অভিজ্ঞতাৰ পৰা দেখা যায় যে সমাজবাদৰ পিনে অপুঁজিবাদী পথৰ সূত্ৰপাত হয় প্ৰথমতে বৈজ্ঞানিক সমাজবাদৰ নীতিসমূহৰ ওপৰত থিয় হোৱা এক বৈপ্লৱিক

পাৰ্টি গঠনেৰে, ওপৰ গঁাথনিৰ পৰিবৰ্ত্তনেৰে আৰু এটা ৰাজনৈতিক শাসন প্ৰতিষ্ঠাৰে যি শাসনে সমাজবাদী ৰূপান্তৰ সাধনকামী শক্তি-সমূহৰ বিজয় প্ৰাপ্তি সুনিশ্চিত কৰে। দ্বিতীয়তে, দেখা যায় যে পিছ পৰা জনসাধাৰণে তেওঁলোকৰ বিকাশৰ বাবে সমাজবাদৰ পিনে গতি কৰাৰ পথ বাছি ললেও তাক সফল কৰিব নোৱাৰে, যদিহে অধিক বিকশিত সমাজবাদীদেশবোৰৰ সহযোগিতা আৰু আন্তৰ্জাতিক সমৰ্থন নাপায়। এই লেনিনবাদী প্ৰস্তাৱনা সদায় মনত ৰাখিব লাগিব।

অপুঁজিবাদী পথৰ সফলতাৰ অত্যন্ত গুৰুত্বপূৰ্ণ চৰ্ত্ত এটি হ'ল প্ৰত্যেক জনগণ আৰু জাতিৰ জাতীয় বৈশিষ্ট্যসমূহৰ প্ৰতি যত্ন সহকাৰে মনোযোগ দান। লেনিনে ইয়াৰ প্ৰতি বাৰে বাৰে দৃষ্টি আকৰ্ষণ কৰিছে। ১৯২০ চনৰ ২৭ অক্টোবৰ তাৰিখে তেওঁ কৈছিল ঃ "যি অন্য দেশত খুব বিৰল, তেনে ভয়াবহ সংখ্যাৰ জাতিসমূহৰ অস্তিত্ব থকা দেশত জাতি সমস্যা সমাধানত আমাৰ পাঁচ বছৰীয়া অভিজ্ঞতাই আমাক পূৰ্ণ প্ৰত্যয় আনি দিছে যে ..... জাতিসমূহৰ স্বাৰ্থৰ প্ৰতি শুদ্ধ দৃষ্টিভঙ্গী হব সেইবোৰ স্বাৰ্থ পৰিপূৰ্ণ কৰা আৰু এনেধৰণৰ পৰিস্থিতিৰ সৃষ্টি কৰা যাতে সেই সম্পৰ্কে কোনো ভৱিষ্যৎ বিৰোধৰ সম্ভাৱনা ৰহিত হয়। আমাৰ অভিজ্ঞতাই আমাক দৃঢ় আস্থা আনি দিয়ে যে বিভিন্ন জাতিসমূহৰ স্বাৰ্থৰ প্ৰতি একান্ত মনোযোগেহে কেৱল বিৰোধৰ ক্ষেত্ৰ দূৰ কৰিব পাৰে। পাৰস্পৰিক ভুল বুজাবুজি দূৰ কৰিব পাৰে, যি কোনো কুচক্ৰান্তৰ ভয় গুচাব পাৰে আৰু বিশেষতঃ শ্ৰমিক আৰু কৃষকসকলৰ ক্ষেত্ৰত এনে এক আস্থাৰ ভাব সৃষ্টি কৰিব পাৰে, . যাৰ বিহনে জনগণৰ মাজত শান্তিপূৰ্ণ সম্পৰ্ক একেবাৰেই হব নোৱাৰে অথবা যি কোনো সফল বিকাশৰ বিধৰ এটাও কৰিব নোৱাৰে। এনে প্ৰতিটো সফল-বিকাশেই বৰ্ত্তমান যুগৰ সভ্যতাত মূল্যবান।"*

*ভ. ই. লেনিন, 'অবজাৰভাৰ্ব সংবাদ দাতাৰ লগত সাক্ষাৎকাৰ," ৰচনা সংগ্ৰহ, খণ্ড ৩৩, পৃঃ ৩৮৬

এই অভিজ্ঞতা মঙ্গোলীয় পিপলচ্ ৰিভ'লিউশ্যনাৰী পাৰ্টিয়ে (এম, আৰ, পি, পি) সফলভাৱে অৰ্জন কৰিছে। "মঙ্গোলীয় জনগণৰ অগ্ৰ-বাহিনী" নামৰ কাকতৰ প্ৰবন্ধত এম. আৰ, পি, পি'ৰ কেন্দ্ৰীয় কমিটিৰ সম্পাদক আৰু পলিটব্যুৰোৰ সদস্য টি, ছুগেৰচুৰেনে অপুঁজিবাদী বিকাশৰ স্তৰত এম, আৰ, টি, পি'ৰ কৰ্ত্তব্যসমূহৰ বাস্তৱ ৰূপদান কৰিছে। তেওঁ কৈছে: "বৰ্ত্তমান স্তৰত, পাৰ্টিয়ে তাৰ প্ৰধান কৰণীয় কামবোৰৰ ভিতৰত দেখিছে, সামন্ত-প্ৰভু শ্ৰেণীৰ পূৰ্ণ বিলোপ সাধন, দেশৰ অৰ্থনীতিৰ পৰা বৈদেশিক পুঁজিৰ সম্পূৰ্ণ বহিষ্কৰণ, আৰু এটি নতুন, অপুঁজিবাদী জাতীয় অৰ্থনীতিৰ ভিত্তিসমূহৰ প্ৰতিষ্ঠা ...... জনগণৰ গভীৰ ধৰ্মপৰায়ণতা, লামাপন্থী যাজকসম্প্ৰদায়ৰ মাজত স্তৰ বিভাজনৰ বিশেষ বৈশিষ্ট্যৰ বুজ বাজ লৈ পাৰ্টি আৰু চৰকাৰে এই আদৰ্শগতভাৱে প্ৰভাৱশালী আৰু সংগঠিত শক্তি সম্পৰ্কে চৰম সতৰ্কতামূলক নীতি গ্ৰহণ কৰিছে।"*

সেই কালছোৱাত, মঙ্গোলীয়াৰ অৰ্থনীতিৰ ৰাষ্ট্ৰীয় আৰু সমবায় খণ্ডৰ ভিত্তি স্থাপিত হয়, আৰু শিল্প-উদ্যোগীকৰণ আৰু সুদূৰ প্ৰসাৰী জাতীয় অৰ্থনৈতিক পৰিকল্পনাৰ সূত্ৰপাত হয়। এম, আৰ, পি, পি'য়ে কৃষকসকলৰ পামবিলাকক সমবায়ত সংগঠিত কৰাৰ জটিল সমস্যাৰ সমাধানৰ ক্ষেত্ৰতো সাফল্য অৰ্জন কৰে। এই সাফল্যবোৰৰ অভিব্যক্তি ঘটে ১৯৫০ চনৰ শেষৰ ফালে, যেতিয়া পাৰ্টিৰ সুদূৰ প্ৰসাৰী দৃষ্টি প্ৰসূত নীতি কাৰ্য্যকৰী কৰাৰ সফলতা স্বৰূপে দলে দলে পশুপালকসকলে স্বেচ্ছাৰে কৃষি সংঘবোৰত যোগ দিবলৈ ধৰে। এহাতে, এম, আৰ, পি, পিয়ে ক্ষুদ্ৰ পণ্য অৰ্থনীতিৰ প্ৰাবল্য থকা অৱস্থাত ব্যক্তিগত পামবোৰৰ অৰ্থনৈতিক সম্ভাৱনাৰ অধিক ব্যৱহাৰ কৰা আৰু আনহাতে এনে পৰিস্থিতিৰ মাজত পুঁজিবাদী উপাদানসমূহক সীমাবদ্ধ কৰি দিয়া আৰু ইয়াৰ

*ৱাৰ্ল্ড মাৰ্ক্সিষ্ট ৰিভিউ, ২নং, ১৯৭১, পৃঃ ৪২-৪৩ চাওক

বৃদ্ধি ব্যাহত কৰি দিয়াৰ শুদ্ধ পথ গ্ৰহণ কৰিছে। যাৰ ফলত, সমগ্ৰ মঙ্গোলীয় সমাজৰ স্থায়ী অৰ্থনৈতিক ভিত্তি হৈ উঠে ৰাষ্ট্ৰৰ সহযোগত আৰু তত্ত্বাবধানত গঢ়ি উঠা উৎপাদন-সঁজুলিবোৰৰ সমাজবাদী মালিকানা।

মঙ্গোলিয়াত সাধিত গভীৰ অৰ্থনৈতিক সামাজিক পৰিবৰ্ত্তন-সমূহক সাংস্কৃতিক বিপ্লৱৰ লগতো অঙ্গাঙ্গীভাৱে জড়িত কৰা হৈছিল। সাংস্কৃতিক বিপ্লৱৰ প্ৰধান লক্ষ্য আছিল, সামন্ত প্ৰভুসকলৰ নৈতিক বন্ধনৰ পৰা জনগণক মুক্ত কৰা, আৰু আধুনিক বিজ্ঞান আৰু স্থাপত্যৰ অৰ্জ্জিত ফলসমূহ তেওঁলোকে পাব পৰাৰ ব্যৱস্থা কৰা। কৃষকসকলৰ সতি-সন্ততিসকলৰ বাবে সাৰ্বজনীন প্ৰাথমিক শিক্ষা আৰু নগৰসমূহত সাতবছৰীয়া শিক্ষা ব্যৱস্থা চালু কৰা হৈছিল। জন স্বাস্থ্য সংৰক্ষণ উন্নত কৰা হৈছিল আৰু জনগণৰ জীবিকাৰ মান উন্নত হৈছিল। বিপ্লৱৰ সাধাৰণ গণতান্ত্ৰিক স্তৰ অপুঁজিবাদী স্তৰৰ কাৰ্য্যক্ৰম ১৯৪০ চনৰ ভিতৰত সম্পন্ন কৰা হৈছিল। এম, আৰ, পি, পি'ৰ দশম কংগ্ৰেছত সেই কাৰ্য্যসূচীত সাধাৰণ গণতান্ত্ৰিক স্তৰৰ পৰা বিপ্লৱৰ সমাজবাদী স্তৰলৈ যোৱাৰ মৌলিক কৰ্ত্তব্য সম্পন্ন এখনি নতুন কাৰ্য্যসূচী গৃহীত হয়।

এছিয়া আৰু আফ্ৰিকাত বৰ্ত্তমানকালৰ অপুঁজিবাদী বিকাশ গুণগতভাবে এটা নতুন পৰিদৃশ্য। বিশ্ব পুঁজিবাদী অৰ্থনৈতিক গাঁথনিৰ ভিতৰত আৰু দুটা সামাজিক অৰ্থনৈতিক ব্যৱস্থাৰ মাজত প্ৰতিযোগিতাৰ সময়ত ই ঘটে। পুঁজিবাদী ৰূপক "অতিক্ৰম কৰা"ৰ সাধাৰণ নীতিত বহুত নতুন উপাদান এই বিকাশে আনি দিছে আৰু অপুঁজিবাদী পথৰ তত্ত্ব আৰু কাৰ্য্যৰ সমৃদ্ধি ঘটাইছে।

অপুঁজিবাদী পথেদি অৰ্থনৈতিক পৰিবৰ্ত্তনৰ সাম্প্ৰতিক অভিজ্ঞতা

অপুঁজিবাদী বিকাশৰ মূল ৰণনৈতিক লক্ষ্য হ'ল সমাজবাদলৈ উত্তৰণৰ বাবে বৈষয়িক, প্ৰযুক্তিগত, সামাজিক আৰু ৰাজনৈতিক সৃষ্টি। এই লক্ষ্য সাধন এক চৰম কষ্টদায়ক আৰু জটিল বিষয়। লেনিনে লিখা মতে, সমাজবাদ অৰ্জনত, "উৎপাদনৰ শক্তিসমূহৰ বিকাশ সাধনত এক বিৰাট অগ্ৰগতিৰ পদক্ষেপ লব লাগিব ......"* ঔপনিবেশিকতাবাদে এই বিকাশত বাধা দিছে আৰু ইয়াৰ বিকৃতি ঘটাইছে। সমাজবাদমুখী পৰিবৰ্ত্তনকামী প্ৰত্যেকদেশৰ সমুখতে জাতীয় অৰ্থনীতি গঠনেই হৈছে কৰ্ত্তব্য। আৰু সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সংগ্ৰাম কৰি থকাৰ পৰিস্থিতিতেই ইয়াক এই কৰ্ত্তব্যৰ লগত ফেৰ মাৰি চলিব লাগিব। এই সংগ্ৰামত নিৰ্ণয়াত্মক ভূমিকা পালন কৰে ৰাষ্ট্ৰীয় খণ্ডই।

সকলো উন্নয়নশীল দেশতে ৰাষ্ট্ৰীয় খণ্ড গঢ়ি উঠিবলৈ ধৰিছে। পুঁজিবাদমুখী পৰিবৰ্ত্তনকামী দেশবিলাকৰ অৰ্থনীতিৰ ভিত্তি হৈছে ব্যক্তিগত উদ্যোগ। এই দেশবোৰৰ শাসকগোষ্ঠীয়ে লগে লগে স্থানীয় ব্যক্তিপুঁজিৰ দুৰ্বলতাত বাধ্য হৈ অৰ্থনীতিৰ যিবোৰ শাখাই বৃহৎ পুঁজিবিনিয়োগ বিচাৰে সেইবোৰ শাখাৰ বিকাশৰ বাবে ৰাষ্ট্ৰক কামত লগায়। পুঁজিবাদমুখী পৰিবৰ্ত্তনকামী দেশবোৰেও সৰ্ব্বোপৰি বিদেশী পুঁজি সীমাবদ্ধ কৰাৰ তাড়নাতে ৰাষ্ট্ৰীয় খণ্ড গঢ়ি তোলে। এই গোটৰ দেশবিলাকৰ এই নিৰ্দ্দিষ্ট চৰিত্ৰৰ অৰ্থনৈতিক বিকাশৰ

---

*ভ. ই. লেনিন "এক মহান সূত্ৰপাত" ৰচনা সংগ্ৰহ, খণ্ড ২৯, পৃঃ ৪২১

ক্ষেত্ৰত সমাজবাদমুখী পৰিবৰ্ত্তনকামী দেশবোৰৰ উন্নয়নৰ লগত কিছু কিছু সামঞ্জস্য আছে। ৰবং সমাজবাদী ৰূপান্তৰমুখী দেশবোৰৰ বিপৰীতে পুঁজিবাদী ৰূপান্তৰমুখী দেশবোৰে এটা বাঢ়িবলৈ ধৰা বুৰ্জোৱা শ্ৰেণীৰ স্বাৰ্থতে ৰাষ্ট্ৰীয় খণ্ডক কামত লগায় আৰু সীমাবদ্ধ শিল্প শাখা অথবা উপশাখাবিলাকত ৰাষ্ট্ৰীয়কৰণ কৰে।

অপুঁজিবাদী পথ গ্ৰহণ কৰা দেশবিলাকত, অৱশ্যে ৰাষ্ট্ৰীয় খণ্ড এটা বেলেগ বিপ্লৱী সামাজিক অৰ্থনৈতিক বিষয়বস্তু আছে। পুঁজিবাদ বিৰোধী নীতিৰ ভেটিত বিকশিত হৈ দেশখনৰ সমাজবাদী পুনৰ্গঠনলৈ চূড়ান্ত ৰূপান্তৰৰ বাবে বৈষয়িক পূৰ্বচৰ্ত্তসমূহ সৃষ্টি কৰিবৰ কাৰণে ইয়াক ঠিক কৰা হয়। সমাজবাদৰ পিনে ঢাল খোৱা স্বাধীন দেশবিলাকত, লিওনিদ ব্ৰেঝনেভে কোৱা মতে, ৰাষ্ট্ৰীয় খণ্ড "বিপ্লৱী গণতান্ত্ৰিক নীতিৰ হকে এটা প্ৰয়োজনীয় অৰ্থনৈতিক ভিত্তি।"*

অপুঁজিবাদী বিকাশৰ অতি গুৰুত্বৰ পৰাই সমাজবাদী ৰূপান্তৰমুখী দেশবিলাকত ৰাষ্ট্ৰীয় খণ্ড বিকাশৰ প্ৰয়োজন। ইয়াৰ জৰিয়তে ৰাষ্ট্ৰই সাংঘাতিক অনগ্ৰসৰতা মোচনৰ বাবে, অৰ্থনীতি পুনৰ্গঠন আৰু অৰ্থনীতিৰ আধুনিক শাখা-প্ৰশাখা গঠনৰ ব্যৱস্থাৱলী সমাবিষ্ট কৰিব পাৰে। ৰাষ্ট্ৰীয় খণ্ডই অৰ্থনীতিৰ পৰিকল্পনা গ্ৰহণ কাৰ্য্যক সম্ভৱ কৰি তোলে। বিদেশী মূলধনৰ আধিপত্য গুচোৱাৰ আৰু অৰ্থনৈতিক স্বাধীনতা লাভৰ বাবে ইয়ে হৈছে ভিত্তি। জাতীয় মুক্তি বিপ্লৱৰ মূল প্ৰক্ৰিয়াসমূহৰ ওপৰত ইয়াৰ বিকাশৰ প্ৰভাৱ পৰে।

সমাজবাদী-ৰূপান্তৰমুখী দেশবিলাকত এই বিপ্লৱৰ লগে লগে আছে গভীৰ অৰ্থনৈতিক পৰিবৰ্ত্তন। ইয়াৰে ফলপ্ৰদ সঁজুলি হ'ল ৰাষ্ট্ৰীয় খণ্ড। এই খণ্ড বিস্তাৰৰ পৰিধি নিৰ্ভৰ কৰে দেশখন বিকাশৰ কোন স্তৰত আছে তাৰ ওপৰত।

*ছোভিয়েত ইউনিয়নৰ কমিউনিষ্টৰ কমিউনিষ্ট পাৰ্টি কংগ্ৰেছ। পৃঃ ২৪

মিছৰত. জাতীয় অৰ্থনীতিৰ বিকাশৰ অগ্ৰগতি সাধনত সহায়ক হৈছিল কেতবোৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক উপাদান প্ৰথমতে, যিবোৰ দেশে ঔপনিবেশিকতাৰ পৰা বন্ধনমুক্ত হৈছে সেইবোৰ দেশৰ লগতে তুলনাৰ সময়ত এইটো মনত ৰাখিব লাগিব। মিছৰে, আপেক্ষিকভাৱে অৰ্থনৈতিক বিকাশৰ উচ্চ প্ৰাৰম্ভিক স্তৰতে আছিল। ১৯৫২ চনৰ আগতে ইয়াৰ ১,৬৪,০০০ হাজাৰ শিল্প ঔদ্যোগিক আৰু হস্তচালিত প্ৰতিষ্ঠান আছিল, এটি বিকাশপ্ৰাপ্ত পাতল আৰু খাদ্য শিল্প, এক বৃহৎ সংখ্যক মেৰামতি অনুষ্ঠান, আৰু এটা ভাল পৰিবহন ব্যৱস্থাৰ জাল পৰিব্যাপ্ত আছিল।

১৯৫২ চনৰ বিপ্লৱ আছিল জাতীয় গণতান্ত্ৰিক বিপ্লৱ। দেশখন পুঁজিবাদী পথত বিকাশ কৰিবলৈ লৈছিল। প্ৰথম ৰাজনৈতিক আৰু অৰ্থনৈতিক সংস্কাৰবিলাক আছিল বুৰ্জোৱা চৰিত্ৰৰ। অৱশ্যে, খুব শীঘ্ৰেই এইটো পৰিষ্কাৰ হৈ পৰে যে জাতীয় বুৰ্জোৱাসকলে কেৱল নিজ নিজ ব্যক্তিগত সমৃদ্ধিৰ কাৰণেহে চেষ্টা কৰি আছিল দেশৰ উৎপাদন শক্তি বিকাশৰ কাৰণে নহয়। ১৯৫৬ চনত, মিছৰীয় চৰকাৰে ৰাষ্ট্ৰীয় খণ্ড বিকাশৰ উদ্দেশ্যে লোৱা ব্যৱস্থাৱলী ক্ৰমান্বয়ে কাৰ্য্যকৰী কৰিবলৈ ধৰে।

১৯৫৬ চনৰ সংস্কাৰবোৰে দেশখনক সমাজবাদী ৰূপান্তৰ মুখী কৰাৰ আৰু ইয়াৰ পৰবৰ্ত্তী আৰ্থিক আৰু সামাজিক প্ৰগতি সাধন কৰাৰ ভিত্তি স্থাপন কৰে। এই প্ৰক্ৰিয়াত গভীৰ সামাজিক অৰ্থনৈতিক ৰূপান্তৰ সাধনৰ নিৰ্ণয়াত্মক ভূমিকাৰ ফল হৈছিল: চুয়েজ খাল, বেংকসমূহ, বীমা কোম্পানীসমূহ, শিল্পোদ্যোগসমূহ; আৰু বিদেশী আৰু বৃহৎ দেশীয় পুঁজিৰ নিয়ন্ত্ৰণ থকা পাইকাৰী ব্যৱসায় আৰু বিদেশী বাণিজ্য জাতীয়কৰণ তথা কৃষি সংস্কাৰৰ সম্পাদন। ভাল যোগ্য পৰিচালনা ব্যৱস্থা সহ এটা শক্তিশালী ৰাষ্ট্ৰীয় খণ্ড গঢ়ি উঠে। দেশৰ শিল্প-উৎপাদনৰ ৮৫ শতাংশ হৈছে ৰাষ্ট্ৰীয় খণ্ডৰ আৰু আভ্যন্তৰিণ বজাৰৰ কাৰণে প্ৰস্তুত কৰা

মাল-বস্তুৰ ৯০ শতাংশৰ মূল্য ৰাষ্ট্ৰই নিয়ন্ত্ৰণ কৰে। সুফলদায়ক অৰ্থনৈতিক পুনৰ্গঠনৰ আন গুৰুত্বপূৰ্ণ উপাদান আছিল বিদেশৰ পৰা উল্লেখযোগ্য পৰিমাণে সম্পদৰাজিৰ প্ৰৱেশ, আৰু সৰ্ব্বোপৰি সমাজবাদী দেশসমূহৰ সৰ্বতোমুখী সহায় দান।

অন্যান্য সমাজবাদ-ৰূপান্তৰ মুখী দেশবোৰৰ দৰে মিছৰৰ সমাজবাদী সমাজব্যৱস্থা গঢ়ি তোলাৰ পথ উজুও নাছিল চমুও নাছিল। অপুঁজিবাদী বিকাশৰ প্ৰক্ৰিয়া শ্ৰেণী সংগ্ৰামৰ তীব্ৰতা বৃদ্ধি, সাময়িক উত্থান-পতন আৰু পিছুহঁহকা আদিক বাদ দি ঘটিব নোৱাৰে। কেবাখনো সমাজবাদী ৰূপান্তৰমুখী দেশত পুঁজিবাদ বিৰোধী ব্যৱস্থাৱলী সম্পাদনৰ ক্ষেত্ৰত অস্থিৰতা আৰু নিষ্ঠাহীনতাৰ প্ৰধান কাৰণ যিবোৰ আমি দেখিবলৈ পাওঁ, মিছৰৰ আৰব প্ৰজাতন্ত্ৰও (ARE) ইয়াৰে অন্যতম। এই দেশবিলাক আৰু দেশবিলাকৰ শাসক দলবোৰৰ কৃষি চৰিত্ৰ, শ্ৰমিক শ্ৰেণী, ৰাজনৈতিক আৰু আদৰ্শগত ভাবে সজাগ থকাৰ নিম্ন স্তৰ, বিপ্লৱী গণতন্ত্ৰীসকলৰ বহুতৰ জাতিগত মনোভাৱ ত্যাগ কৰাৰ অক্ষমতা, আৰু সাম্ৰাজ্যবাদী আৰু প্ৰতিক্ৰিয়াশীল চক্ৰ কৰ্তৃক সমাজবাদমুখী ৰূপান্তৰত প্ৰচণ্ড বাধাদান ইত্যাদিয়ে হৈছে এই কাৰণবোৰ। "যি দেশত ক্ষুদ্ৰ মালিকৰ জনসংখ্যাই খাঁটি সৰ্বহাৰা জনসংখ্যাৰ ওপৰত বিৰাট আধিপত্য বিস্তাৰ কৰে।" লেনিনে লিখিছিল, "সেইবোৰ দেশত সৰ্বহাৰা বিপ্লৱী আৰু পেটি-বুৰ্জ্জোৱা বিপ্লৱীসকলৰ মাজৰ পাৰ্থক্য অৱধাৰিত-ৰূপে অনুভৱ কৰিব পৰা যাব আৰু সময়ে সময়ে ই খুব তীব্ৰভাৱে অনুভূত হব। পেটি-বুৰ্জ্জোৱা চৰিত্ৰৰ বিপ্লৱীসকলে যি কোনো ঘটনাৰ বাট সলনি দেখিলে ভীত সন্ত্ৰস্ত হয় আৰু দোধোৰ-মোধোৰ ভাৱ কৰে ।"*

আলজিৰিয়াত ১৯৭০ চনৰ সামগ্ৰিক মুঠ জাতীয় উৎপাদন এতিয়াও ১৯৬০ চনৰ স্তৰ পোৱাহি নাই। ইয়াৰ মূলত আছিল,

---

*ভ. ই. লেনিন, 'ৰচনা সংগ্ৰহ' খণ্ড, নং ২৭, পৃঃ ২৬৭

সর্ব্বোপৰি, ১৯৫৪ আৰু ১৯৬২ চনৰ ভিতৰত আলজিৰিয়াৰ মাটিত বিৰাট লোকশক্তি ক্ষয় আৰু বৈষয়িক ধ্বংস প্ৰাপ্তিৰ বিনিময়ত হোৱা ঔপনিবেশিক যুদ্ধ সংঘটনৰ পৰিণাম। অধিকন্তু আলজিৰিয় অৰ্থ-নীতি দেশখনে স্বাধীনতা পোৱাৰ পিছত ফৰাছী বিশেষজ্ঞ, দক্ষ শ্ৰমিক আৰু কৃষকসকলে দলে দলে ওলাই যোৱাৰ লগে লগে ফৰাছীলৈ পুঁজি স্থানান্তৰিত হোৱাৰ ফলত অসংগঠিত হৈ পৰে। গতিকে মিছৰতকৈ আলজিৰিয়াত প্ৰাথমিক অৰ্থনৈতিক ভেটি দুৰ্ব্বলতৰ আৰু সংকীৰ্ণতৰ আছিল; অৱশ্যে গ্ৰীষ্ম-প্ৰধান আফ্ৰিকাৰ অধিকাংশ দেশতকৈ ই অনেক উচ্চ স্তৰত আছিল।

আলজিৰিয়া উন্নত ধৰণৰ আৰু ভিন্ন ভিন্ন ধৰণৰ প্ৰাকৃতিক সম্পদৰ অধিকাৰী আৰু এটি বিকশিত প্ৰাথমিক উৎপাদন গাথনিৰ অধিকাৰী। আলজিৰিয়াৰ অৰ্থ-নীতিয়ে সুবিধাজনক ফল ভোগ কৰে এই ঘটনাৰ ফলত যে আলজিৰিয় চৰকাৰে দেশৰ ভিতৰত কাম কৰা ফৰাছী আৰু অন্যান্য তেল কোম্পানীবোৰৰ পৰা প্ৰচুৰ পৰিমাণৰ ৰাজহ লাভ কৰে। ইয়াৰ ফলত আলজিৰিয়া অন্যান্য এফ্ৰিকীয় দেশসমূতকৈ মুদ্ৰা-ঘটিত আৰু অৰ্থ-নৈতিক সংক্ৰান্ত বিষয়ত শ্ৰেষ্ঠতৰ অৱস্থাত আছে।

এইটোও উল্লিখিত হোৱা দৰকাৰ যে স্বাধীনতা লাভৰ পিছৰ বছৰ কেইটাত আলজিৰিয়াৰ মুঠ উৎপাদনৰ পৰিমাণ নিম্নগামী হলেও, ঔপনিবেশিক কালছোৱাৰ তুলনাত আদি বাসিন্দাসকলৰ জীৱিকাৰ মানদণ্ড বৃদ্ধি পাইছিল যিহেতু আলজিৰিয়সকলৰ হাতলৈয়ে উৎপাদনৰ প্ৰধান অংশটো যাবলৈ আৰম্ভ কৰিছিল।

আলজিৰিয়াত ইতিমধ্যেই গুৰুত্বপূৰ্ণ সামাজিক অৰ্থনৈতিক পৰিবৰ্ত্তন হৈছে। ৰাষ্ট্ৰীয় খণ্ড প্ৰতিষ্ঠিত হৈছে আৰু মৌলিক ধৰণৰ পৰিবহন, বিদ্যুৎ, শিল্প, অৰ্থনীতি আৰু ঋণৰ ভালেমান অংশ ৰাষ্ট্ৰীয় খণ্ডৰ অন্তৰ্ভুক্ত। আত্ম-নিয়ন্ত্ৰিত খণ্ড নামৰ—এটি নতুন ধৰণৰ ৰাজহুৱা মালিকানাৰ উৎপত্তি হৈছে শ্ৰমজীৱীসকলৰ

বৈপ্লৱিক উদ্যোগৰ ফলত—যাৰ অন্তৰ্ভুক্ত হৈছে দেশৰ কৃষি উৎপাদনৰ ৬৬ শতাংশ, যি বিলাক বজাৰমুখী পামৰ পৰা আহে সেইবিলাকো।

১৯৭০ চনৰ প্ৰথম ছোৱাত, ৰাষ্ট্ৰীয় খণ্ডত (ৰাষ্ট্ৰ, আত্ম-নিয়ন্ত্ৰিত আৰু সমবায় খণ্ড) শিল্প উৎপাদনৰ ৮০ শতাংশ আছিল (মূল্যৰ হিছাপত) (তেল উৎপাদন ধৰা নাই), কৃষি উৎপাদনৰ ৬০ শতাংশ আৰু আভ্যন্তৰীণ ভাৰা-কেৰেয়াৰ ১০০ শতাংশ। বৰ্ত্তমানত তেল শিল্প ক্ৰমান্বয়ে ৰাষ্ট্ৰীয় নিয়ন্ত্ৰণলৈ আহিবলৈ ধৰিছে। ১৯৬৯ চনত, ৰাষ্ট্ৰ-নিয়ন্ত্ৰিত চোনাত্ৰাখ কোম্পানীয়ে দেশৰ তেল উত্তোলনৰ ১৩ শতাংশ কৰিছিল। ১৯৭১ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে আলজিৰিয় চৰকাৰৰ মুৰব্বী হুয়াৰী বুমেদিয়েনে প্ৰাকৃতিক গেচৰ উৎসসমূহ আৰু উত্তোলন ব্যৱস্থা জাতীয়কৰণ কৰি আৰু বিদেশী তেল কোম্পানিবিলাকৰ ৫১ শতাংশৰ অংশীদাৰত্ব আলজিৰিয় ৰাষ্ট্ৰলৈ হস্তান্তৰিত কৰি এটি হুকুমনামা জাৰি কৰে। এই ব্যৱস্থাৱলীৰ প্ৰতি বিৰাট গুৰুত্ব আৰোপ কৰি, হুৱাৰী বুমেদিয়েনে ঘোষণা কৰে যে "আজি বিপ্লৱ তেলক্ষেত্ৰত প্ৰৱেশ কৰিলে।"*

গেছ জাতীয়কৰণ আৰু বিদেশী তেল কোম্পানিবিলাকৰ ওপৰত কৰ্ত্তৃত্ব প্ৰতিষ্ঠাই বিদেশী মূলধনৰ প্ৰভাৱ আৰু সম্ভাৱনা ভীষণভাৱে সীমাবদ্ধ কৰি দিয়ে। যাৰ ফলত শেষোক্তসকলৰ ঘৃণা আৰু প্ৰতিৰোধৰ উদ্ৰেক কৰে। কিন্তু আলজিৰিয় শ্ৰমজীৱীমানুহে বিদেশী মূলধনৰ বিৰুদ্ধে আলজিৰিয় চৰকাৰৰ প্ৰতি ব্যাপক সমৰ্থন ব্যক্ত কৰে। অৱশ্যে এই সংগ্ৰাম শেষ হোৱা নাই, বৰং এখন গুৰুত্বপূৰ্ণ যুদ্ধত জয় হৈছে মাত্ৰ। আলজিৰিয় আৰু সমাজবাদী দেশসমূহৰ মাজত অৰ্থনৈতিক সহযোগিতা শক্তিশালী কৰি তোলা এটা গুৰুত্বপূৰ্ণ সহায়কাৰী উপাদান। আলজিৰিয় তেল আৰু গেছৰ ক্ষেত্ৰত ফৰাছী আমেৰিকাৰ মাজত থকা অন্তৰ্দ্বন্দ্বক দক্ষতাৰে কামত লগাইছে।

*জিউন এফ্ৰিকে, মাৰ্চ ১৬, ১৯৭১, পৃঃ ২৬

ৰাষ্ট্ৰীয় খণ্ডই বীমা ব্যৱসায়, আভ্যন্তৰিণ তেল আৰু তৈলজাত উৎপন্ন বস্তুৰ ব্যৱসায়, বেঙ্ক ব্যৱসায়, বৈদেশিক ব্যৱসায় আদিত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। একে সময়তে শিল্পৰ এটি মূল শাখা তেল উত্তোলন ব্যৱস্থা বহল ভাবে বিদেশী, মূলতঃ ফৰাছী আৰু ৰাষ্ট্ৰীয় খণ্ডৰ যুক্ত অধীনত থাকে। বিদেশী আৰু দেশী পুঁজিপতিসকলে এতিয়াও উৎপাদন শিল্প, দেশৰ ভিতৰৰ পাইকাৰী ব্যৱসায় আৰু বৈদেশিক ব্যৱসায়ৰ ওপৰত দৃঢ় প্ৰভাৱ খটাইছে। অৱশ্যে গেছ আৰু তেল শিল্পত বৈদেশিক পুঁজিৰ ওপৰত কৰা আঘাতে ৰাষ্ট্ৰীয় খণ্ডৰ অৱস্থানক গুৰুত্বপূৰ্ণভাৱে সুদৃঢ় কৰিছে।

কৃষিখণ্ডৰ তথা-কথিত চিৰাচৰিত ক্ষেত্ৰত, য'ত আলজিৰিয়াৰ ব্যাপক জনসংখ্যা নিয়োজিত, তাত খুব কমেই পৰিবৰ্ত্তন সাধিত হৈছে। ভূমিকৰ্ষণত নিযুক্তসকলৰ স্বাৰ্থত এক কৃষিসংস্কাৰ সাধনৰ কামেই হৈছে বৰ্ত্তমানৰ মৌলিক অৰ্থ-নৈতিক আৰু সামাজিক কৰ্ত্তব্য।

তানজানিয়াৰ অৰ্থনীতি ১৯৬০ আৰু ১৯৭০ চনৰ ভিতৰত আপেক্ষিকভাৱে উচ্চহাৰত বৃদ্ধি পায়। এই সময়ত মুঠ জাতীয় উৎপন্ন বছৰি গড়ে ৩.২ শতাংশ বৃদ্ধি পাইছিল। জাতীয় উৎপাদন শিল্পৰ ভিত্তি স্থাপিত হৈছিল, আৰু তেল শোধনাগাৰ, চিমেণ্ট কাৰখানা, এটা মটৰগাড়ী সংযোজন কাৰখানা, আৰু লঘু শিল্প প্ৰতিষ্ঠানবোৰ আৰু খাদ্য শিল্পবোৰ গঢ়ি উঠিছিল। ১৯৬৮ চনত মুঠ শিল্প প্ৰতিষ্ঠানবোৰৰ সংখ্যা, ক্ষুদ্ৰ জাতীয় শিল্পকে ধৰি ৫,০০০ বো' অধিক হৈছিল। যি ক্ষেত্ৰত ১৯৫১* চনত আছিল ২,০০০ সংখ্যক। তানজানিয়াৰ মূল শস্য বিশ্ব বজাৰৰ অসহায়কৰ পৰিস্থিতিৰ বাবে বিৰাটভাৱে ক্ষতিগ্ৰস্ত হলেও কৃষিক্ষেত্ৰৰ অৱস্থাও

*স্বাধীনতা ঘোষণাৰ পিছত আৰু বিকাশৰ সাম্প্ৰতিক প্ৰৱণতাত আফ্ৰিকান দেশসমূহত অৱস্থানৰ ঘটি থকা—মস্কো, ১৯৬৮, পুস্তক নং ১ (মিমিয়োগ্ৰাফ কৰা) পৃঃ ১৭৩ (ৰুছ সংস্কৰণ)

উন্নত হৈছিল। ১৯৬০ চনৰ তুলনাত কপাহ, কফি, কুহিঁয়াৰ কাজুবাদাম, চাহ, ধপাত আৰু ঘেঁহুৰ পৰিমাণ বৃদ্ধি পাইছিল।

আৰুশা ঘোষণা অনুসৰি, বিদেশী বেঙ্কসমূহ, বীমাকোম্পানী-সমূহ আৰু কেবাখনো কৃষি বাগিচা, শিল্পপ্ৰতিষ্ঠানবোৰ আৰু ব্যৱসায়িক কোম্পানীসমূহক ১৯৬৭ চনত জাতীয়কৰণ কৰা হৈছিল। পৰৱৰ্ত্তী সময়ত, অৱশ্যে, বিদেশী পুঁজিৰ হেঁচাত পৰি চৰকাৰ ক্ষতিপূৰণ দিবলৈ বাধ্য হৈছিল আৰু জাতীয় কৰণৰ পৰিধি সীমাবদ্ধ কৰি দিছিল। তানজানিয়াৰ অৰ্থনীতি আৰু, বিশেষতঃ, তাৰ উৎপাদন শিল্প দ্ৰুত গতিত বাঢ়িবলৈ ধৰিছে। চৰকাৰৰ শিল্প-নীতিয়ে দুটা কৰ্ত্তব্য সম্পাদনৰ আশা ৰাখিছে। প্ৰথমতে, তান-জানিয়াই আমদানি কৰা বস্তুবোৰ নিজৰ জাতীয় শিল্প দ্বাৰা উৎপন্ন কৰি স্বয়ংসম্পূৰ্ণ হবলৈ বিচাৰে। দ্বিতীয়তে, দাঁতি কাষৰীয়া পূব এফ্ৰিকীয় দেশসমূহৰ শিল্পবিকাশৰ স্তৰ লাভ কৰি সেইদেশবোৰৰ লগত* সক্ৰিয় সহযোগিতাৰ দৃঢ় ভিত্তি স্থাপনৰ অদূৰ ভবিষ্যৎ পৰিকল্পনা।

তানজানিয়া চৰকাৰে গাৱঁলীয়া জনসাধাৰণক সমবায় অনুষ্ঠান-সমূহত সংগঠিত কৰাৰ ব্যাপক কাৰ্য্যসূচী সম্পাদন কৰি আছে। দেশজোৰা "উজমা গাওঁ অঞ্চল" (সমাজবাদী গাওঁঅঞ্চল) গঢ়ি তোলাৰ আহ্বান জনোৱা হৈছে। ই হ'ব এফ্ৰিকীয়সকলৰ ওচৰত জনপ্ৰিয় গোষ্ঠীগত ঐতিহ্যধাৰাত যৎসামান্য ৰাষ্ট্ৰীয় সাহায্যত আৰু নিজা উদ্যোগাদিৰ ওপৰত অধিক নিৰ্ভৰশীল আধুনিক পণ্য ভিত্তিত অৰ্থনৈতিক বিষয়াদিৰ পৰিচালনা কৰিব পৰা। প্ৰকৃত কাৰ্য্যক্ষেত্ৰত— ৬,০০০ বা অধিক উজম গাওঁবোৰ গঠিত হৈছে, যি গাওঁবোৰত দেশৰ ২৫ শতাংশ লোক বসবাস কৰে। এই গাওঁবোৰৰ প্ৰতিষ্ঠাৰ ফলত অকেজো অচল গোষ্ঠী গাথঁনি দ্ৰুত কমি গৈছে

*তানজানিয়া অৰ্থনৈতিক আৰু সামাজিক বিকাশৰ বাবে দ্বিতীয় পঞ্চ-বাৰ্ষিক পৰিকল্পনা। (১৯৬৯-১৯৭৪), দাৰ এচ চালাম, ১৯৬৯, খণ্ড নং ১, পৃঃ ৩-৫

আৰু তানজানিয়াৰ গাওঁ অঞ্চলত আধুনিক সমবায় নীতি গঢ় দিয়াত সহায় কৰি আছে।

তানজানিয়াত অপুঁজিবাদীবিকাশৰ বৈশিষ্ট্যসমূহৰ তলৰ কেইটা উল্লেখযোগ্য : (ক) বিদেশী পুঁজিৰ প্ৰতি নমনীয় আৰু সতৰ্কতাৰ নীতি, (খ) আভ্যন্তৰিণ সম্পদৰ ওপৰত জোৰ দিয়া আৰু বিদেশী সম্পদৰ পিনে হাত বঢ়োৱা পৰিপূৰক হিচাপেহে ; (গ) কৃষকসকলক "বিৰাট বিৰাট সমাজবাদী গাওঁত" সংগঠিত কৰা ; (ঘ) ব্যাপক আকাৰে বিদ্যালয়, হাসপাতাল, সাংস্কৃতিক কেন্দ্ৰাদি গঠনৰ যোগে ব্যাপক ভিত্তিক সাংস্কৃতিক বিপ্লৱ ; (ঙ) দুৰ্নীতি আৰু ভেটি-খোৱাৰ বিৰুদ্ধে সংগ্ৰাম।

কঙ্গো জনগণৰ প্ৰজাতন্ত্ৰত (ৰাজধানী ব্ৰাজাভিল), ১৯৬০ আৰু ১৯৬৮'ৰ ভিতৰত গড়ে জাতীয় উৎপাদন প্ৰতি বছৰি ২'৫ শতাংশকৈ বাঢ়িছে। অৱশ্যে এইটোও উল্লেখযোগ্য যে এই দেশখনৰ জনসংখ্যা বৰ কম (১,০০০,০০০ নিযুতৰো কম) আৰু প্ৰাৰম্ভিক অৰ্থনৈতিক স্তৰ অসম্ভৱ তলত আছিল। গাওঁ অঞ্চলৰ অধিকাংশ মানুহে প্ৰাকৃতিক অৰ্থনীতিৰ অধীনত আছে। দেশখনে শিল্পজাত দ্ৰব্যৰ দুই তৃতীয়াংশ প্ৰয়োজন মিটাবৰ কাৰণে বৈদেশিক বাণিজ্যৰ ওপৰত বেছি নিৰ্ভৰ কৰিব লাগে।

উৎপাদন শিল্প দুৰ্বলভাবে গঢ়ি উঠিছে। ১৯৬০ চনৰ মাজ ভাগত বৃহৎ শিল্প প্ৰতিষ্ঠানৰ ভিতৰত যিবোৰ গঢ়ি উঠিছে সেইবোৰ হ'ল খাদ্য শিল্প কাৰখানা (এটি চেনি ক'ল আৰু এটা কেনাৰী) আৰু এটা চিমেণ্ট আৰু পটাছ কাৰখানা।

১৯৬৯ চনৰ শেহত আৰু ১৯৭১ চনৰ আৰম্ভণিত, কঙ্গো চৰকাৰে কিছুমান গভীৰ অৰ্থনৈতিক সামাজিক পৰিবৰ্ত্তনৰ দুৱাৰ মুকলি কৰে। চেনি শিল্পত আৰু পৰিবহন শিল্পত থকা বিদেশী প্ৰতিষ্ঠানবোৰক ব্যাপক হাৰে জাতীয়কৰণ কৰা হয়, যাৰ ফলত ৰাষ্ট্ৰীয় খণ্ড জোৰদাৰ হয়।

১৯৬৪ চনৰ জানুৱাৰী মাহত বেপাৰ, শিল্প, কৃষিজাতীয় কোম্পানীবিলাকৰ পৰা খাজনা আদায় কৰা আৰম্ভ হয়। আভ্যন্তৰীণ ৰাষ্ট্ৰীয় সঞ্চয়ৰ কাৰণে এই ব্যৱস্থাই ব্যক্তিগত খণ্ডৰ আয়ৰ এটা অংশ আছুতীয়া কৰি ৰখা সম্ভৱপৰ কৰে।

শাসক কঙ্গোলায় লেবাৰ পাৰ্টিয়ে জন্মদিনৰ পৰাই বৈজ্ঞানিক সমাজবাদক ইয়াৰ আদৰ্শগত ভিত্তি বুলি ঘোষণা কৰিছে আৰু ভৱিষ্যতে সমাজবাদ প্ৰতিষ্ঠাই এওঁলোকৰ লক্ষ্য বুলি কৈছে। ১৯৭২ চনৰ শেহৰ ফালে এই পাৰ্টিৰ বিশেষ কংগ্ৰেছত এটি নতুন কাৰ্য্যসূচী গ্ৰহণ কৰে য'ত এই কথাৰ ওপৰত জোৰ দিয়া হৈছে যে পাৰ্টিয়ে ইয়াৰ কাৰ্য্যকলাপৰ ক্ষেত্ৰত মাৰ্ক্সবাদ-লেনিনবাদৰ ভিত্তিকে অৱলম্বন কৰিব।

কেইখনমান সমাজবাদমুখী সদ্য স্বাধীন দেশৰ অৰ্থনৈতিক বিকাশৰ হাৰ এতিয়াও খুব তলত।

পুঁজিবাদী ধাৰাত বিকাশ প্ৰাপ্ত কেবাখনো সদ্য স্বাধীন দেশৰ বিকাশৰ মান ১৯৬০ চনত সমাজবাদ ৰূপান্তৰ মুখী সদ্য স্বাধীন-দেশবোৰৰ পড় হাৰতকৈ বেছি আছিল। সাম্ৰাজ্যবাদী প্ৰচাৰ যন্ত্ৰই ইয়াৰ ওপৰতেই আশাৰ জাল গুঁথি সমাজবাদমুখীনতাক অপদস্ত কৰিব খোজে আৰু এছিয়া আৰু আফ্ৰিকাৰ লোকসকলক পতিয়ন নিয়াব বিচাৰে যে এই মহাদেশবোৰত লেনিনায় অপুঁজিবাদী বিকাশৰ ভাৱধাৰা খাপ নাখায়।

অৱশ্যে, সমাজবাদমুখী দেশবোৰত অৰ্থনৈতিক বিকাশৰ হাৰত সাময়িক নিম্নগামিতা এক স্বাভাৱিক বাস্তৱ ঘটনা। পুৰণি আৰ্থ সম্পৰ্কৰ পৰা, বিশেষতঃ আফ্ৰিকাৰ দেশসমূহত জীয়াই থকা আদিম সম্পৰ্কৰ পৰা, এটি নতুন সমাজ সম্পৰ্কৰ ব্যৱস্থালৈ উত্তৰণ এক অত্যন্ত কঠিন জটিল প্ৰক্ৰিয়া। নতুন ব্যৱস্থাই তৎক্ষণাৎ এটা ইতিবাচক প্ৰভাৱ সৃষ্টি কৰিব নোৱাৰে, বৰং ই স্থায়ী দীঘলীয়া সামাজিক আৰু অৰ্থনৈতিক বিকাশৰ সম্ভাৱনাহে নিশ্চিত কৰিব পাৰে।

জান এটি ঘটনাৰ বুজ লব লাগিব যে পুঁজিবাদমুখী দেশবোৰত, বিশেষতঃ যিবোৰ দেশ খনিজ পদাৰ্থত সমৃদ্ধ, সেইবোৰত জাতীয় অৰ্থনীতিৰ বিকাশৰ প্ৰবিত্ত থাকে বৈদেশিক পুঁজি বিনিয়োগৰ দ্ৰুত বিকাশ আৰু তাৰ ফলতে বৈদেশিক পুঁজিৰ ওচৰত আৰু অধিক বৈশ্যতা স্বীকাৰৰ বিষয়টো জড়িত হৈ থাকে। এই দেশবোৰত মূলতঃ বৈদেশিক প্ৰতিষ্ঠানবোৰৰ সংখ্যা বৃদ্ধি পাই থাকে। পক্ষান্তৰে জাতীয় শিল্পৰ বিকাশ ধীৰ গতিত হয়। গতিকে, এই ক্ষেত্ৰত ঘটা অৰ্থনৈতিক বিকাশত এটা জাতি-বিৰোধী চৰিত্ৰ থাকে; ইয়াৰ ফলত দেশবিলাকৰ অধিক পৰিমাণে সাম্ৰাজ্যবাদী শক্তিবোৰৰ অৰ্থনৈতিক অধীনতাৰ পিনে লৈ যায়। ইয়াকে নয়া ঔপনিবেশিক বিকাশ কোৱা হয়।

পুঁজিবাদী পথেদি বিকাশ লাভ কৰিবলৈ বিচৰা দেশবোৰত জাতীয় আয়ৰ দ্ৰুত বৃদ্ধিৰ আৰু এটা কাৰণ আছে। এই দেশবোৰে বাজেট হিচাপ অনুযায়ী বৰাদ্দ কৰিব লাগে। সমাজবাদ ৰূপান্তৰমুখী দেশবোৰে সামাজিক প্ৰয়োজনত, সংস্কৃতি আৰু বিজ্ঞানৰ বিকাশৰ ক্ষেত্ৰত অধিক ব্যয় কৰিব লাগে। উদাহৰণ স্বৰূপে ১৯৫৫-৬৬ কালছোৱাত জাতীয় প্ৰয়োজনৰ ক্ষেত্ৰত মিছৰে ব্যয় কৰিছিল লগ্নীকৃত সকলো পুঁজিৰ ২০.৭ শতাংশ। আৰু আলজিৰিয়াত ৬৫ শতাংশ, পক্ষান্তৰে মৰক্কোত এই পৰিসংখ্যান আছিল ১১ শতাংশ, ইথিওপিয়াত ৪১ শতাংশ, কেনিয়াত ১৭ শতাংশ, আৰু আইভৰি কোষ্টত ১৩ শতাংশ।*

বিদেশী ব্যক্তি পুঁজিয়ে সামাজিক ক্ষেত্ৰত আৰু শিল্প-বনিয়াদ গঢ়ি তোলাত পুঁজি লগ্নী পৰিহাৰ কৰে। ইয়াৰ মূলতঃ লক্ষ্য থাকে সেইবোৰ ক্ষেত্ৰৰ প্ৰতি যিবোৰৰ পৰা সৰ্বোচ্চ মুনাফা লুটিব পাৰে অথবা কেঁচা মালৰ গুৰুত্বপূৰ্ণ উৎসবোৰ কৰায়ত্ত কৰিব

*ভি জি. চলোভভনিকভ'ৰ "অপুঁজিবাদী পথৰ বিকাশৰ তত্ত্বৰ আৰু কৰ্মৰ কেইটামান সমস্যা।" পৃঃ ৫৫

পাৰে। গতিকে, পুঁজিবাদ ৰূপান্তৰমুখী দেশবোৰত সমাজবাদ ৰূপান্তৰমুখী অৰ্থনৈতিক বিকাশৰ হাৰ উচ্চ বুলি ধাৰণা হব পাৰে, কিন্তু সেইবোৰ দেশৰ শ্ৰমজীৱী জনগণৰ জীৱিকাৰ মান সমাজবাদ ৰূপান্তৰমুখী দেশবোৰতকৈ তলখাপৰ।

গতিকে, আমি যেতিয়া এক ধৰণৰ বিকাশতকৈ আন ধৰণৰ বিকাশ লাভজনক বুলি কওঁ, তেতিয়া আমাৰ মন্তব্য দিওঁতে, কেৱল জাতীয় আয়ৰ বিকাশৰ হাৰৰ হিছাপ ললেই নহ'ব, কি পৰিমাণে জাতীয় অৰ্থনীতি শক্তিশালী হৈছে আৰু বিদেশী অধীনতা দুৰ্বল হৈছে, জনগণৰ সামাজিক গাঁথনিত কি পৰিবৰ্ত্তন ঘটিবলৈ ধৰিছে, জাতি জনজাতি সমস্যাৰ সমাধান কেনে ধৰণে হবলৈ ধৰিছে। সংস্কৃতি আৰু বিজ্ঞানৰ ক্ষেত্ৰত কি প্ৰগতি সাধিত হবলৈ ধৰিছে আৰু জনগণৰ জীৱন-ধাৰণৰ মানৰ কি পৰিমাণে উন্নতি হবলৈ ধৰিছে এই আটাইবোৰ বিষয়ৰে বুজ লব লাগিব।

অৰ্থনৈতিক ক্ষেত্ৰত অৰ্জ্জন কৰা সফলতাসমূহ নিশ্চয়েই এটা সুস্থিৰতাৰ সৃষ্টি কৰে। অপুঁজিবাদী পথেদি বিকাশ সাধনকাৰী দেশবোৰে কেনে ধৰণে অৰ্থনৈতিক কাৰ্য্যসূচীসমূহ কাৰ্য্যকৰী কৰি আছে তাৰ মূল্যায়ন আৰু বৈদেশিক ঋণৰ ন্যায্য আৰু সঠিক ব্যৱহাৰ আৰু সৰ্ব্বোপৰি সমাজবাদী দেশসমূহৰ সহযোগিতা আদিকে ধৰি সেইবোৰ দেশৰ বৈষয়িক সামৰ্থ্য অধ্যয়ন কৰিলে দেখা যাব, অদূৰ ভবিষ্যতে এই দেশবোৰে আপেক্ষিকভাবে উচ্চ হাৰত অৰ্থনৈতিক বিকাশ সাধনৰ লগে লগে শ্ৰমজীৱী জনগণৰ জীৱন ধাৰণৰ মানবো ধাৰাবাহিক বৃদ্ধি ঘটাব। যি শাসকবোৰে প্ৰক্ৰিয়া হিছাপে অপুঁজিবাদী বিকাশৰ নীতি অনুসৰণ কৰিবলৈ ধৰিছে, সিবোৰে আনকি আৰু অধিক দৃঢ়ভাবে প্ৰতিষ্ঠা লাভ কৰিব আৰু এওঁলোকৰ মৰ্য্যাদা আৰু প্ৰভাৱ সমগ্ৰ এছিয়া আৰু আফ্ৰিকাৰ সাম্ৰাজ্যবাদবিৰোধী বিপ্লৱৰ ওপৰত অদ্ভুত পৰিমাণে বৃদ্ধি পাব।

তৃতীয় দুনিয়াত নয়া ঔপনিবেশিকবাদৰ বিৰুদ্ধে সংগ্ৰামৰ

অভিজ্ঞতাৰ পৰা দেখা যায় যে বৈদেশিক অধীনতাৰ পৰা মুক্তি পোৱা অসম্ভৱ যদি বেঙ্কসমূহ জাতীয়কৰণ কৰা নহয়, স্বাধীন অৰ্থনৈতিক আৰু মুদ্ৰা ব্যৱস্থা গঢ়ি তোলা নহয়, নতুন কেঁচামাল সমূহ আৰু মূল শিল্পবিলাকৰ ওপৰত নিয়ন্ত্ৰণ ব্যৱস্থা গঢ়ি তোলা নহয় আৰু মূল চৰকাৰী পদবোৰত জাতীয় চেতনা সম্পন্ন কৰ্মীসকলক নিযুক্ত কৰা নহয়। বিদেশী পুঁজিৰ কাৰ্য্যকলাপ সীমিত কৰাৰ দাবী সমৰ্থন কৰাৰ লগে লগে মাৰ্ক্সবাদী-লেনিনবাদীসকলে বুজি পায় যে সদ্যস্বাধীন দেশৰ বিদেশী মূলধন আৰু বিদেশী সম্পত্তিৰ প্ৰতি মনোভাৱ গ্ৰহণৰ সমস্যা চূড়ান্ত জটিলতাপূৰ্ণ। এই ক্ষেত্ৰত কোনো তৈয়াৰ কৰি থোৱা মজুত ব্যৱস্থাপত্ৰ নাই। বাস্তৱ অভিজ্ঞতাৰ এটি চমু বিশ্লেষণে সাধাৰণ কেইটামান নমুনা ব্যক্ত কৰিব পাৰে, কিন্তু বিদেশী পুঁজিৰ প্ৰতি মনোভাৱৰ বাস্তৱগত সমাধানৰ প্ৰশ্ন যেতিয়া আহে তেতিয়া নিৰ্দিষ্ট শাসন ব্যৱস্থাৰ সঠিক অৱস্থা আৰু সাধাৰণভাৱে আন্তৰ্জাতিক পৰিস্থিতিৰ বুজ লব লাগিব।

বৰ্ত্তমানে, এছিয়া আৰু আফ্ৰিকাৰ সমাজবাদ ৰূপান্তৰমুখী অধিকাংশ দেশেই সেইবিলাকৰ সামাজিক আৰু অৰ্থনৈতিক বিকাশ পৰিকল্পনাৰ ভিতৰত বিধিমতে বিদেশী পুঁজি, সৰ্ব্বোপৰি বৃহৎ আৰু মজলীয়া ধৰণৰ শিল্পত সীমিত কৰাৰ ব্যৱস্থাৱলীৰ কথাহে চিন্তা কৰে মাথোন। এই দেশবোৰে সাধাৰণতে ৰাষ্ট্ৰীয় নিয়ন্ত্ৰণত জাতীয় অৰ্থনীতিৰ বিকাশ সাধনৰ কাৰণে বিদেশী পুঁজি আহ্বানৰ নীতিৰে আৰম্ভ কৰে। যদিও বিদেশী পুঁজিয়ে জাতীয় স্বাৰ্থ অৱজ্ঞা কৰিলে, উন্নয়নশীল দেশবোৰৰ চৰকাৰ সমূহে ইয়াৰ জাতীয়কৰণৰ চৰম পন্থা গ্ৰহণ কৰে। মিছৰ, আলজিৰিয়া, তানজানিয়া আৰু অন্যান্য দেশত এয়ে ঘটিছিল।

জাতীয় অৰ্থনীতিৰ বিকাশৰ কাৰণে বিদেশী ব্যক্তি পুঁজি আকৰ্ষিত কৰা হবনে নহব সেইটো প্ৰশ্ন নহয়, প্ৰশ্ন হ'ল,

কি কি চৰ্ত্তত ইয়াক আকৰ্ষিত কৰা হব। ছোভিয়েত ৰুছিয়াত বিদেশী পুঁজিপতিসকলক সুবিধাদানৰ সহানুভূতি দেখুৱা প্ৰসঙ্গত লেনিন লিখিছিল: "যেতিয়া সুবিধাদানৰ চুক্তি সম্পাদন কৰা হয় তেতিয়া সুবিধা দিয়াৰ ক্ষেত্ৰত সম্পূৰ্ণ অসুবিধা হৈছে এইখিনিতে যে সম্পূৰ্ণ পাৰিপাৰ্শ্বিকতাৰ মূল্যায়ন আৰু বুজ গ্ৰহণ, আৰু তাৰ পিছতে চাব লাগিব ইয়াৰ প্ৰতিপালন।"*

এখন দেশলৈ বিদেশী পুঁজি আকৰ্ষণ কৰি আনিলে দেশৰ ৰাজনৈতিক জীৱনত হস্তক্ষেপ কৰাৰ সম্ভাব্যতাৰ পৰা সেই পুঁজিক বঞ্চিত কৰিব লাগিব। সংক্ষেপতে, বিদেশী পুঁজিয়ে লগ্নীকৰণৰ ন্যায্য প্ৰাপ্য লোৱাৰ ভিতৰতে সীমিত থাকিব লাগিব।

"অপুঁজিবাদী পথেদি বিকাশৰ অৰ্থই হৈছে পাৰকল্পিত ভিত্তিত জাতীয় অৰ্থনীতিৰ সমতাপূৰ্ণ বিকাশ, ব্যাপক শ্ৰমজীৱী জনগণৰ স্বাৰ্থত কৃষক আৰু ক্ষুদ্ৰ কাৰিকৰসকলক সমবায় সমূহৰ ভিতৰত সংগঠিত কৰা, আৰু, তাৰ পিছে পিছে দেশৰ শিল্পোদ্যোগীকৰণ, কৃষিৰ পুনৰ্গঠন, জাতীয় কৰ্মীদলৰ প্ৰশিক্ষণ আৰু জনগণৰ স্বাৰ্থত বৈজ্ঞানিক আৰু প্ৰযুক্তিবিদ্যাৰ অৰ্জিত সুবিধাবোৰৰ প্ৰয়োগ। পুঁজিবাদী বিকাশৰ একেবাৰে নিম্নস্তৰ তথা পুঁজিবাদী বিকাশৰ মধ্যবৰ্ত্তী স্তৰত থকা দেশবোৰে অপুঁজিবাদী বিকাশৰ পথ গ্ৰহণ কৰিব পাৰে। অপুঁজিবাদী বিকাশৰ পথত থকা আটাইবোৰ দেশতে এটি ক্ষুদ্ৰ আৰু আনকি এটি মজলীয়া বুৰ্জোৱা শ্ৰেণী থাকে আৰু বিদেশী কোম্পানীবোৰে কাম কৰি থকাৰ ঘটনা সত্ত্বেও ৰাষ্ট্ৰীয় অংশীদাৰত আৰু নিয়ন্ত্ৰণ থাকিলেও, সেইবোৰ দেশৰ বিকাশৰ সাধাৰণ নিয়ম হৈছে পুঁজিবাদ বিৰোধী প্ৰৱণতাৰ বৃদ্ধি, যি পৰিমাণস্বৰূপে সমাজ বিকাশৰ প্ৰধান প্ৰৱণতা হৈ পৰে। ইয়াৰ ওপৰত বিদেশী পুঁজি আৰু স্থানীয় ব্যক্তি পুঁজিৰ লগত সমগ্ৰ অৰ্থনৈতিক সম্পৰ্ক ধাৰা নিৰ্ভৰশীল হৈ পৰে। জাতীয় অৰ্থনীতি

---

*ভ. ই. লেনিন, "বস্তুবে খাজনা দিয়া" ৰচনা সংগ্ৰহ, খণ্ড নং ৩২, পৃঃ ৩৪৭

বিকশিত কৰিবলৈ পুঁজিৰ ব্যৱহাৰ অন্য ধৰণে শ্ৰেণী সংগ্ৰামৰ ধাৰাবাহিকতাৰ বাহিৰে আন একো নহয়। লেনিনে জোৰ দি কৈছিল যে "সুবিধাদানো শ্ৰেণীসংগ্ৰামৰ এটা ধৰণ, আৰু অন্য ধৰণে শ্ৰেণীসংগ্ৰামৰ ধাৰাবাহিকতা, আৰু কোনো অৱস্থাতে সেইবোৰ শ্ৰেণীযুদ্ধৰ পৰিবৰ্ত্তে শ্ৰেণী শান্তিৰ পৰিপূৰক নহয়।"*

পুঁজিবাদী উপাদানসমূহৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই পেলালে অপুঁজিবাদী বিকাশৰ পথক বিপদত পেলাব পাৰে। ইয়াৰ এটি উদাহৰণ হ'ল তিউনিছিয়া, য'ত ঘোষিত "দেশুৰ সমাজবাদৰ" একেবাৰেই পৰিত্যক্ত হোৱা নাই আৰু পুঁজিবাদী উপাদানসমূহে সম্পূৰ্ণ কৰায়ত্ত কৰিছে। একে দশাই হৈছে KANU (কেনিয়া এফ্ৰিকান নেশ্যনেল ইউনিয়ন) ঘোষিত অৰ্থনৈতিক সমাজবাদৰ ভাগ্যত।

ঘটনাৰ গতি এই কাললৈ ঢাল খোৱাত বাধা দিয়াৰ কাৰণে ছোভিয়েত ইউনিয়নৰ নব অৰ্থনৈতিক বিধান (নেপ-NEP)ৰ কালছোৱাৰ অভিজ্ঞতাৰ অধ্যয়ন অত্যন্ত গুৰুত্বপূৰ্ণ। সেই সময়ত এই নীতিৰ প্ৰয়োজনীয়তাৰ বাবে লেনিনৰ তত্ত্বগত ভিত্তি বিৰাট বাস্তৱ তাৎপৰ্য্যপূৰ্ণ। ইয়াৰ পদ্ধতিবোৰৰ বিকাশ সাধন, এই ক্ষেত্ৰত ছোভিয়েত চৰকাৰৰ কাৰ্য্যকলাপ, অৰ্থাৎ আটাইবোৰেই নেপ'ক দেশখনত সমাজবাদী অৱস্থান সুদৃঢ় কৰাৰ পন্থা হিছাপে ব্যৱহাৰ কৰা কাৰ্য্য ছোভিয়েত চৰকাৰে সম্ভৱ কৰিছিল।

অপুঁজিবাদী পথেদি বিকাশ সাধন কৰা দেশসমূহৰ বিপ্লৱী-গণতান্ত্ৰিক দলবোৰৰ নেতাসকলে সেই নিয়ম নীতিবোৰ সম্পৰ্কে গভীৰ জ্ঞান সঞ্চয় কৰিব লাগিব। যি জ্ঞানে জনসাধাৰণক সমাজবাদী ধাৰাত সজ্জিত কৰে আৰু জনসাধাৰণক নেতৃত্ব দিয়াৰ ক্ষেত্ৰত বিৰাট ব্যক্তিগত অভিজ্ঞতাও অৰ্জন কৰিব লাগিব। অপুঁজিবাদী বিকাশৰ বাবে প্ৰয়োজন উদ্দেশ্যপূৰ্ণ বিজ্ঞান-ভিত্তিক নীতি আৰু অৰ্থনৈতিক,

*পূৰ্বো.উ., পৃঃ ৩৪৬

সামাজিক আৰু ৰাজনৈতিক উপাদানসমূহৰ ব্যাপকতা সম্পৰ্কে সতৰ্কতামূলক অনুধাবন।

অৰ্থনৈতিক বিকাশ সংক্ৰান্ত সমস্যাসমূহৰ সফল সমাধানৰ অভিজ্ঞতাই দেখুৱাইছে যে সমাজবাদ ৰূপান্তৰমুখী দেশবোৰে পৰিকল্পনাদি আৰু তত্ত্বগত ব্যৱস্থাৱলী লওঁতে প্ৰকৃত সম্ভাৱনাসমূহ আৰু তাৰ বাস্তৱ ৰূপায়নৰ পৰিমাণসমূহ সম্পৰ্কে বুজ-বাজ লব লাগিব। ততাতৈয়াকৈ শিল্পোদ্যোগীকৰণ অথবা যথাযথ প্ৰস্তুতি ব্যতিৰেকে কৃষকসকলক সমবায়ভুক্ত কৰিবলৈ সংগঠিত কৰাৰ চেষ্টা, তথা বিদেশী সম্পত্তিৰ অকাল জাতীয়কৰণ ইত্যাদিয়ে উৎপাদন শক্তিসমূহৰ ওপৰত আৰু সমাজবাদমুখী ৰূপান্তৰৰ নীতিৰ ওপৰত ক্ষতিকাৰক প্ৰভাৱ পেলাব পাৰে।

অপুঁজিবাদী পথেদি বিকাশে অৱধাৰিতৰূপে অসুবিধাদিত পৰিব আৰু সামাজিক দ্বন্দ্বতো পৰিব। ৰাজনৈতিক দলসমূহে এইটো আগধৰি চাব পৰা হব লাগিব। ৰাজনীতিত এটা পোন বাট সকলো সময়তে পোৱা নহয়। দলৰ নীতি-সংক্ৰান্ত প্ৰশ্নত মূল বিষয় হল আশাব্যঞ্জক সমাধান বিচৰা।

সঞ্চিত অভিজ্ঞতাই এইটোও দেখুৱাইছে যে সমাজবাদ ৰূপান্তৰমুখী দেশবোৰৰ ৰাজনৈতিক দলসমূহৰ অৰ্থনৈতিক আৰু সামাজিক কাৰ্য্যসূচী প্ৰচাৰ কৰা কিমান জৰুৰী; কাৰণ শিল্পোদ্যোগীকৰণ-আৰু কৃষি আৰু অন্যান্য অৰ্থনৈতিক ক্ষেত্ৰত ৰূপান্তৰ সাধনৰ কাম, জনগণৰ কাৰণে মানসিক অসুবিধা আৰু অন্যান্য ত্যাগৰ প্ৰশ্নৰ লগত সম্পৰ্কিত। শ্ৰমজীৱীজনগণৰ মাজত বিস্তৃৰ প্ৰচাৰমূলক কাম কৰিব লাগিব। শ্ৰমজীৱী জনগণে বুজিব পৰা হব লাগিব যে অনগ্ৰসৰতাৰ বিৰুদ্ধে সংগ্ৰাম তেওঁলোকৰে সংগ্ৰাম আৰু ইয়াৰ বাবে সমগ্ৰ জাতিৰ চেষ্টাৰ প্ৰয়োজন, উচ্চস্তৰৰ শ্ৰম নিয়মানুগত্য, দৃঢ় অৰ্থনীতি, জনগণৰ শ্ৰম আৰু বিপ্লৱী প্ৰেৰণা, আৰু শ্ৰমজীৱীজনগণৰ দ্বাৰা পৰিচালন সংক্ৰান্ত বিজ্ঞানত দক্ষতালাভৰ প্ৰয়োজন।

উদাহৰণ হিচাপে, আমি জানিব পাৰিছো, যে একে জাতীয় কৃষি-জাত দ্ৰব্য অথবা কেঁচা মাল উৎপাদন ভিত্তিক এক তৰপীয়া বিশেষজ্ঞী-কৰণে (উদাহৰণ স্বৰূপে কফি অথবা কোকোৱা) অজস্ৰ ক্ষুদ্ৰ উৎপাদন-কাৰীসকলৰ কৰ্মধাৰাৰ পুনৰ্গঠন, তেওঁলোকক সমবায়ৰ ভিতৰত সংগঠিত কৰা, নতুন ধৰণৰ কৃষি শস্যৰ প্ৰচলনৰ ফলত বিভিন্ন কৃষিগত অভ্যাস গঢ়ি তুলি জাতীয় বজাৰ ইত্যাদিত নতুন খৰিদাৰৰ কাৰণে নতুন সামগ্ৰী উৎপন্ন কৰাৰ দাবী কৰে। গতিকে, তেনে-ধৰণৰ পৰম্পৰাগত বিশেষজ্ঞীকৰণ কিছু নিৰ্দ্দিষ্ট কাললৈকে সংৰক্ষিত কৰাৰ আৰু ৰপ্তানি কৰি পোৱা বৈদেশিক মুদ্ৰা দেশৰ অন্যান্য প্ৰয়োজনীয় আৰু লাভদায়ক অৰ্থনৈতিক শাখা বিকশিত কৰাৰ কাৰণে ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ দিব পৰা যায়। এই ক্ষেত্ৰত এটি উত্তম দৃষ্টান্ত হৈছে কিউবা, যত চেনি উৎপাদনৰ বিকাশ সম্ভাব্য সকলো ধৰণে কৰা হৈছে। চেনি বেচি পোৱা টকাৰে কিউবাই প্ৰয়োজনীয় কল-কাৰখানা আৰু যন্ত্ৰপাতি কিনে আৰু উৎপাদনৰ নতুন নতুন শাখা বিকশিত কৰে। তেল উৎপাদনকাৰী বহু দেশে তেল ৰপ্তানি কৰি কৰা আয়ৰ টকাৰে অৰ্থনীতিৰ অন্যান্য শাখা বিকশিত কৰে। আলজিৰিয়াৰ শিল্প আৰু বিদ্যুত মন্ত্ৰী বিলেইদ আবদেচ্চালামে এই ধাৰণাৰ সুন্দৰ প্ৰকাশ কৰিছে এই কথাৰে, "শিল্প লাভৰ কাৰণে তেলৰ উৎপাদন কৰা দৰকাৰ।"

জাতীয় শিল্প গঠনৰ কাৰণে বিৰাট পুঁজিৰ লগ্নীৰ প্ৰয়োজন। অথচ এফ্ৰিকান দেশসমূহৰ জাতীয় মূলধন একপ্ৰকাৰ নায়েই, কাৰণ তেওঁলোকৰ অৰ্থনীতি অবিকশিত, পুঁজি সঞ্চয়ৰ গতি নিম্ন। আধুনিক শিল্পোদ্যোগীয় প্ৰতিষ্ঠান গঢ়ি তুলিলে পূৰ্ণমাত্ৰাৰ গণ উৎপাদনেৰেহে লাভদায়ক হয় যদিও আভ্যন্তৰিণ বজাৰৰ সংকীৰ্ণতা আৰু জনসাধাৰণৰ নিম্ন ক্ৰয় ক্ষমতাৰ পৰা ইও হৈ নুঠে। গতিকেই উন্নয়নশীল দেশবোৰে এটা পাপ-চক্ৰৰ মাজত নিজকে দেখিবলৈ পায়: যাৰ পৰা নিস্তাৰ পোৱাৰ পথ হৈছে প্ৰকৃত সামাজিক

অৰ্থনৈতিক ৰূপান্তৰ সাধন। ইয়েই প্ৰগতিৰ সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব।

একমাত্ৰ বিদেশী প্ৰতিযোগিতাৰ পৰা গঢ়ি উঠা শিল্পবোৰৰ সংৰক্ষণৰ বাবে চৰকাৰী নিয়ন্ত্ৰণ ব্যৱস্থাৰ ব্যাপক ব্যৱহাৰ কৰা হয়। ই বহু ধৰণৰ পদ্ধতি লব পাৰে, যেনে কেতবোৰ মাল-বস্তু আমদানি নিষিদ্ধকৰণ, উচ্চ শুল্ক আদিৰ প্ৰচলন। দেশৰ পৰা সম্পদৰ নিষ্কাশন বন্ধ কৰাৰ কাৰণে, উন্নয়নশীল ৰাষ্ট্ৰবোৰে সময়ে সময়ে বিদেশী কোম্পানীসমূহৰ লাভ ৰপ্তানি কৰা বন্ধ অথবা সীমিত কৰি দিব লগা হয়। উন্নয়নশীল দেশবোৰে বিদেশী শোষণৰ পৰা আত্মৰক্ষাৰ বাবে তেনেধৰণৰ ৰক্ষা কৱচ হৈছে বাস্তৱ প্ৰয়োজনীয়তা। ছোভিয়েত ইউনিয়ন মঙ্গোলীয় জনগণৰ প্ৰজাতন্ত্ৰ আৰু অন্যান্য সমাজবাদী দেশসমূহৰ অভিজ্ঞতাই ইয়াকে প্ৰমাণ কৰিছে। ইয়াৰ উপৰিও পশ্চিমৰ সকলো আধুনিক শিল্পোন্নত দেশ বিভিন্ন পথেদি এই স্তৰেদি গৈছে। যদিও সাম্ৰাজ্যবাদী ৰাষ্ট্ৰবোৰ আৰু বিদেশী কোম্পানীবোৰে উন্নয়নশীল দেশবিলাকৰ জাতীয় স্বাৰ্থৰ প্ৰতি ক্ষেপ কৰাৰ অকনো ইচ্ছা প্ৰকাশ নকৰে। তেওঁলোকে তেওঁলোকৰ উৎপন্ন দ্ৰব্য সামগ্ৰীৰ বাবে এই দেশবোৰত দেখাদেখিকৈয়ে প্ৰৱেশৰ সুবিধা বিচাৰে আৰু সীমাহীন লাভ ৰপ্তানিৰ অধিকাৰ বিচাৰে। এই দৰে উন্নয়নশীল দেশবোৰত অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত অতিৰিক্ত সমস্যাবিলাক সৃষ্টি কৰিছে।

এই আটাইবোৰ সমস্যা—বিশেষতঃ, জাতীয় কৰ্মী দলৰ স্বল্পতা, নিবনুৱা সমস্যা, ৰাষ্ট্ৰীয় খণ্ডৰ প্ৰাৰম্ভিক অলাভদায়কতা, সাম্ৰাজ্য-বাদৰ ওপৰত আৰ্থিক আৰু খাদ্যজনিত নিৰ্ভৰতা ইত্যাদি হৈছে সুদীৰ্ঘ ঔপনিবেশিক প্ৰভুত্ব, নিষ্ঠুৰ সাম্ৰাজ্যবাদী শোষণ আৰু নয়া-ঔপনি-বেশিকতা বাদৰ পৰিণাম। গতিকে, সেইবিলাকৰ সমাধানে অৰ্থ-নৈতিক আৰু সামাজিক ক্ষেত্ৰত ঔপনিবেশিক প্ৰভুত্ব জনিত পৰিণাম-বোৰ আঁতৰোৱাৰ আৰু সাম্ৰাজ্যবাদী শোষণ সীমিত কৰাৰ

উদ্দেশ্যেৰে লোৱা কঠোৰ ব্যৱস্থাৱলীৰ লগত সম্বন্ধিত।

সাম্ৰাজ্যবাদী দেশবোৰে সমাজবাদ-ৰূপান্তৰমুখী দেশবিলাকৰ অৰ্থনৈতিক নিৰ্ভৰতাক সততে ৰাজনৈতিক জুৱা খেলা আৰু হেঁচা, সকলো সাম্ৰাজ্যবাদ-বিৰোধী আৰু পুঁজিবাদ-বিৰোধী ব্যৱস্থাৱলীৰ বিৰুদ্ধে আঘাত, ৰাষ্ট্ৰীয় খণ্ড ইত্যাদিক আক্ৰমণ কৰাৰ কামতে লগায়।

সাম্ৰাজ্যবাদীবোৰে আৰু আভ্যন্তৰিণ প্ৰতিক্ৰিয়াবাদী শক্তিবোৰে সময়ে সময়ে ইখন বা সিখন দেশক অপুঁজিবাদী বিকাশৰ পথৰ পৰা ওলটা ফালে ঢাল খুওৱাত আৰু সিঁহতৰ নিয়ন্ত্ৰণত ৰখাত সফলকাম হয়।

যদিও সমাজবাদ ৰূপান্তৰমুখী দেশবোৰৰ অভিজ্ঞতাৰ পৰা দেখা যায় যে যেতিয়া সিবোৰৰ শাসকবৰ্গই শ্ৰমজীৱী জনগণৰ ব্যাপক সমৰ্থনৰ ওপৰত নিৰ্ভৰ কৰে আৰু বিশ্ব সমাজবাদী ব্যৱস্থাৰ সৰ্বতোমুখী সহায় সহযোগিতাৰ ওপৰত আস্থা ৰাখে, নয়া-ঔপনিবেশিকতাবাদে ইয়াৰ উদ্দেশ্য সিদ্ধি কৰিব নোৱাৰে। এই অভিজ্ঞতাই এইটোৱেই নিৰ্দেশ কৰে যে সমাজবাদ-ৰূপান্তৰমুখী দেশসমূহৰ ৰাজনৈতিক পাৰ্টিবোৰে ব্যাপক শ্ৰমজীৱী জনগণৰ স্বাৰ্থত আভ্যন্তৰিণ সামাজিক ৰূপান্তৰ সাধনত অবিচলিত স্থিৰ নিশ্চয়তা প্ৰদৰ্শন কৰা প্ৰয়োজন। বিপ্লৱী ৰূপান্তৰৰ পক্ষে সামঞ্জস্যহীন ৰাষ্ট্ৰীয় আৰু পৰৰাষ্ট্ৰীয় নীতিয়ে বিপদজনক পৰিণাম মাতি আনে।

সমাজবাদলৈ উত্তৰণৰ কালত আৰু সমাজবাদী সমাজ গঠনৰ পূৰ্ব চৰ্তসমূহ সৃষ্টিকালত জনগণৰ মাজত শিক্ষামূলক কাৰ্য্যকলাপ এটি বাস্তৱমুখী প্ৰয়োজনীয়তা। দেশখনে অপুঁজিবাদী পথ গ্ৰহণ কৰিছে বুলি ঘোষণা কৰিলেই যথেষ্ট নহয়। সমাজবাদী চেতনাত উদ্দেশ্যমূলক শিক্ষাদান প্ৰয়োজন। অপুঁজিবাদী বিকাশৰ সংগ্ৰামৰ অবিচ্ছেদ্য অংশ হ'ল এটি সাংস্কৃতিক বিপ্লৱ অথবা সাংস্কৃতিক ৰূপান্তৰ-সাধন, নতুন মানুহক শিক্ষিত কৰি তোলা।

বিপ্লৱী তত্ত্ব আৰু সঠিক ৰাজনৈতিক কৌশল ব্যতিৰেকে নতুন নীতিৰ ভিত্তিত এখন সমাজৰ গঠন অসম্ভৱ। লেনিনে কৈছিল, "অৰ্থনীতিৰ আগে আগে ৰাজনীতিত যাব লাগিব। অন্যভাৱে তৰ্ক কৰাৰ অৰ্থ মাৰ্ক্স্‌বাদৰ অ-আ ক-খ পাহৰি যোৱা বিষয়ৰ প্ৰতি শুদ্ধ ৰাজনৈতিক দৃষ্টিভঙ্গী ব্যতিৰেকে কথিত শ্ৰেণীৰ ওপৰত থাকিবলৈ অক্ষম হব . .. "*

পুঁজিবাদীবিকাশৰ প্ৰবক্তাসকলে এছিয়া আৰু আফ্ৰিকাত তেওঁলোকৰ বাৰম্বাৰ নাম-কীৰ্ত্তনৰ সময়ত স্বভাৱতে ইউৰোপ আৰু আমেৰিকাৰ অৰ্থনৈতিকভাৱে উন্নত দেশবোৰৰ নামোল্লেখ কৰে আৰু যিবোৰ বহু লাটিন এমেৰিকান দেশে উনৈশ শতিকাৰ মাজ ভাগত ৰাজনৈতিক স্বাধীনতা অৰ্জন কৰে আৰু এতিয়াও এমেৰিকান সাম্ৰাজ্যবাদৰ বশীভূত হৈ আছে সেইবোৰ দেশৰ ঐতিহাসিক অভিজ্ঞতাক অবজ্ঞা কৰে। তৎসত্ত্বেও সংক্ষেপে কৰলৈ গ'লে লাটিন এমেৰিকান দেশবোৰহে এফ্ৰো-এছীয় দেশবোৰৰ লগত সাধাৰণ মিল আছে।

১৯শ শতিকাত পশ্চিমত শিল্পোদ্যোগীকৰণ কৰা হৈছিল; আমি জনা মতে, যি কোনো দেশ এখনৰ নিজা শ্ৰমিকশ্ৰেণীক ভয়ানক শোষণ আৰু দাস-ব্যৱসায় আৰু ঔপনিবেশিক শোষণৰ ব্যাপক বিকাশ ঘটাত কোটি কোটি অন্য দেশীয় লোকৰ কায়িক ধ্বংস সাধনৰ মূল্য আছে। তেতিয়াৰ উন্নয়নশীল আৰু এতিয়াৰ উন্নত পুঁজিবাদী দেশবিলাকত প্ৰাথমিক পুঁজি সঞ্চয়ৰ আসুৰিক পদ্ধতি সম্পৰ্কে বিপুল পৰিমাণৰ তথ্যপাতি চৰকাৰী প্ৰতিবেদন-বিলাকত আৰু তৎকালীন সাহিত্যত, আৰু বিশেষভাৱে, মাৰ্ক্সৰ 'কেপিটেলত' পোৱা যাব।

এখন সমাজবাদী দেশৰ কাৰণে শিল্পোদ্যোগীকৰণৰ প্ৰতি

*ভ. ই. লেনিন, "আকৌ এ'বাৰ ট্ৰেড ইউনিয়ন প্ৰসঙ্গত," ৰচনা সংগ্ৰহ, খণ্ড নং ৩২, পৃঃ ৮৩-৮৪

তেনে ধৰণৰ দৃষ্টিভঙ্গী গ্ৰহণযোগ্য হব নোৱাৰে। অপুঁজিবাদী বিকাশৰ পথ গ্ৰহণ কৰা দেশ এখনৰ বাবেও ই গ্ৰহণযোগ্য নহয়। যি কোনো অৱস্থাত অৰ্থনৈতিক অনগ্ৰসৰতা অতিক্ৰম কৰা এটি কঠিন কাম। ছোভিয়েত ইউনিয়নৰ শিল্পোদ্যোগীকৰণত ছোভিয়েত জনগণৰ বৈষয়িক আৰু বৌদ্ধিক শক্তিৰ অজস্ৰ প্ৰয়োগ কৰিব লগা হৈছিল। অপুঁজিবাদী বিকাশৰ ডাঙৰ সুবিধা হ'ল এয়ে যে, সকলো শ্ৰেণী আৰু সামাজিক গোটৰ যিবোৰ বিপ্লৱী গণতন্ত্ৰৰ লগত মৈত্ৰীবদ্ধ, যাৰ অৰ্থ, সৰ্বোপৰি, শ্ৰমিকশ্ৰেণী, ক্ষুদ্ৰ আৰু মজলীয়া কৃষক আৰু মেহনতী বুদ্ধিজীৱীসকলৰ স্বাৰ্থৰ প্ৰতি অবিচলিত থাকি অৰ্থনৈতিক বিকাশ সুনিশ্চিত কৰিব পাৰে। সমাজবাদী সমাজত উৎপাদন শক্তিবোৰৰ বিকাশৰ সমস্যাৰ উৎপাদন সজুলিসমূহৰ ওপৰত জনগণৰ মালিকানাৰ ভিত্তিত নিৰ্দ্ধাৰিত হয়, ফলত সমাজত স্তৰবিভাজন আৰু বিৰোধী শ্ৰেণীসমূহৰ গঠনমুক্ত হয়।

সমাজবাদী-ৰূপান্তৰমুখী দেশসমূহৰ অভিজ্ঞতাই প্ৰণিধানযোগ্য সাক্ষ্য দিছে যে অপুঁজিবাদী পথে ঔপনিবেশিকতাবাদ আৰু পুৰণি পৰম্পৰাগত সমাজৰ পৰা ঐতিহ্যসূত্ৰত পোৱা সমস্যাসমূহ আৰু সকলো স্ব-বিৰোধিতাৰ সমতাৰক্ষী আৰু প্ৰগতিশীল সমাধানৰ প্ৰতিটো সম্ভাৱনা আনি দিয়ে। পক্ষান্তৰে, পুঁজিবাদী বিকাশে এইবোৰ স্ব-বিৰোধিতাক বৰ্দ্ধিতহে কৰে, অৱধাৰিতৰূপে সেইবিলাকৰ সদৰ্থক সমাধান অসম্ভৱ কৰি তোলে, আৰু সেইবিলাকক বিস্ফোৰণৰ বিন্দুলৈ লৈ আহে।

সমাজবাদ-ৰূপান্তৰমুখী দেশসমূহত শ্ৰমজীৱী জনগণক কৰ্মমুখৰ কৰি তোলাত সহায়ক পৰিস্থিতিৰ সৃষ্টি হয়। শ্ৰমজীৱী জনগণৰ ব্যাপক অংশই ৰাজনৈতিক দলসমূহ, ট্ৰেড ইউনিয়ন আৰু জনগণৰ অন্যান্য গণ-সংগঠনৰ কাৰ্য্যকলাপত অংশ গ্ৰহণ কৰে। ৰাষ্ট্ৰীয় প্ৰশাসনত তেওঁলোকক লোৱা হয়, ক্ষমতাৰ উচ্চতৰ যন্ত্ৰবোৰত, পাৰ্টিবোৰৰ নেতৃত্বশীল গাঁথনি আদিত তেওঁলোক সোমায়। ইয়াৰ

বাবে, এইটো কব পৰা যায় যে সমাজবাদ-ৰূপান্তৰমুখী দেশসমূহৰ এটি চাৰিত্ৰিক বৈশিষ্ট্য হৈছে শ্ৰমজীৱী জনগণৰ ব্যাপক অংশ গ্ৰহণ—অৰ্থাৎ শ্ৰমিক, কৃষক, মেহনতী বুদ্ধিজীৱীয়ে, দেশৰ ৰাজনৈতিক আৰু সামাজিক জীৱনত অংশ গ্ৰহণ কৰে, আৰু তেওঁলোকে ন্যায় নীতিৰ ভিত্তিত এটি নতুন জীৱন প্ৰতিষ্ঠাৰ উচ্চতৰ ৰাজনৈতিক চেতনা আৰু বাসনা দেখুৱায়। প্ৰাক্-সমাজবাদী স্তৰক সফল পৰিণতিৰ পিনে লৈ যোৱাৰ এটি প্ৰয়োজনীয় চৰ্ত্ত হৈছে সমাজবাদী ৰূপান্তৰৰ কাৰণে শ্ৰমজীৱী জনগণৰ ব্যাপক অংশৰ সক্ৰিয় অংশগ্ৰহণ আৰু অপুঁজিবাদী বিকাশৰ সুফলবোৰক ৰক্ষা কৰাৰ বাবে তেওঁলোক প্ৰস্তুত থকা।

অধ্যায় ৪

সমাজবাদ মুখীনতাৰ চালিকা শক্তিসমূহ, অপুঁজিবাদী বিকাশ সমাজবাদৰ কাৰণে শ্ৰেণীসংগ্ৰামৰ এটি ৰূপ।

বিজ্ঞানসম্মত সমাজবাদৰ প্ৰতিপাদ্যসমূহৰ ভিতৰত এটি হ'ল এই যে শ্ৰেণী বিৰোধপূৰ্ণ সমাজ বিকাশৰ নিয়মে হৈছে শ্ৰেণী সংঘৰ্ষ, যি কোনো শোষকশ্ৰেণীয়ে ইয়াৰ স্বাৰ্থৰ অধিকাৰ প্ৰতিৰোধ ব্যতিৰেকে স্বেচ্ছাই এৰি নিদিয়ে, আৰু শ্ৰমজীৱীশ্ৰেণীও তেওঁলোকৰ দেশৰ পূৰ্ণ- অধিকাৰী হব নোৱাৰে আৰু সুখ আৰু সমৃদ্ধি লাভ কৰিব নোৱাৰে যদিহে শোষক শ্ৰেণীসমূহৰ বিৰুদ্ধে তেওঁলোকে এক তীব্ৰ আৰু আপোচহীন সংগ্ৰাম নকৰে।

বহু আৰবীয় আৰু এফ্ৰিকীয় বিপ্লৱী গণতন্ত্ৰীয়ে এসময়ত অনুভৱ কৰিছিল যে এই মাৰ্ক্সীয় প্ৰতিপাদ্য তেওঁলোকৰ দেশৰ কাৰণে প্ৰযোজ্য নহয় আৰু তদনুযায়ী তেওঁলোকৰ নিজ নিজ "জাতীয় সমাজবাদ"ৰ ধাৰণাৰ প্ৰতি আস্থা স্থাপন কৰিছিল। এই মতধাৰাসমূহ বৰ্দ্ধিত হৈছিল সৰ্বোপৰি আফ্ৰিকাৰ সমাজত শ্ৰেণী সম্পৰ্ক বিকাশৰ নিম্নস্তৰ আৰু সাম্ৰাজ্যবাদবিৰোধী বিপ্লৱৰ প্ৰথম পৰ্য্যায়ত সকলো শ্ৰেণী আৰু সমাজৰ সকলো স্তৰে ঔপনিবেশিকতাবাদৰ বিৰুদ্ধে ঐক্যবদ্ধ মোৰ্চাত সমবেত হোৱা আদি কাৰণত।

সাম্রাজ্যবাদবিৰোধী বিপ্লৱৰ প্ৰথম স্তৰত এই সংগ্ৰামী ঐক্যক বহু এফ্ৰিকান নেতা আৰু তত্ত্ববাগিশে সাক্ষ্যস্বৰূপে গ্ৰহণ কৰি কৈছিল যে শ্ৰেণীসংগ্ৰামৰ প্ৰসঙ্গত থকা মাৰ্ক্সীয় তত্ত্ব আফ্ৰিকাৰ পৰিস্থিতিত খাপ নাখায়।

যথাসময়ত অৱশ্যে ঔপনিবেশিকতাবাদৰ পৰা মুক্ত হোৱা দেশাবলাকত শ্ৰেণীবিৰোধ গভীৰতৰ হৈ ওঠে আৰু শ্ৰেণী সংগ্ৰাম তীব্ৰতৰ হয়। ১৯৬৯ চনত কমিউনিষ্ট আৰু ৱাৰ্কাছ' পাৰ্টিসমূহৰ বিশ্ব সম্মিলনে কোৱা মতেঃ "সদ্য স্বাধীন দেশবিলাকত সামাজিক মতপাৰ্থক্য বাঢ়ি গৈ আছে। এফালে শ্ৰমিকশ্ৰেণী, কৃষকশ্ৰেণী আৰু দেশপ্ৰেমিক মনোভাৱাপন্ন পেটি-বুৰ্জোৱা অংশ সহ অন্যান্য গণতান্ত্ৰিক শক্তিসমূহ আৰু আন ফালে সাম্ৰাজ্যবাদ, আৰু দেশৰ ভিতৰত প্ৰতিক্ৰিয়াবাদী শক্তিসমূহ, জাতীয় বুৰ্জোৱা শ্ৰেণীৰ সাম্ৰাজ্যবাদৰ লগত ক্ৰমবৰ্দ্ধমান আপোচকামী উপাদানসমূহৰ মাজত তীব্ৰ সংঘৰ্ষ দেখা গৈছে।"* জাতীয় গণতান্ত্ৰিক বিপ্লৱৰ যুক্তি-বিজ্ঞানেই জাতীয় বিপ্লৱী গণতন্ত্ৰৰ বহু নেতাক তেওঁলোকৰ অৱস্থানৰ পুনৰ্মূল্যায়ন কৰিবলৈ প্ৰণোদিত কৰিছে।

উদাহৰণ স্বৰূপে, ১৯৫০ চনৰ শেষ ভাগত গামাল আবদেল নাছেৰে কৈছিল যে মিছৰৰ চৰকাৰে "শান্তিপূৰ্ণ উপায়েৰে শ্ৰেণী-বিৰোধ আঁতৰোৱাৰ" আশা কৰি আছিল, "জাতীয় ভিত্তিত প্ৰতিক্ৰিয়াৰ লগত আপোচ" কৰি। তেওঁ পৰবৰ্ত্তী সময়ত কয়, আমি ভাবিছিলো, প্ৰতিক্ৰিয়াশীল উপাদানবোৰৰ আৰু আমাৰ মাজত বিৰোধিতা থাকিলেও, তেওঁলোক একে দেশৰে সন্তান আৰু দেশৰ ভৱিষ্যৎ সংগ্ৰামৰ যোদ্ধা ভ্ৰাতৃ।"**

কিন্তু ঘটনা চক্ৰত জীৱন্ত ঘটনাৱলীয়ে বিপ্লৱী গণতন্ত্ৰীসকলক পতিয়ন নিয়াইছে যে শোষিত আৰু শোষকসকলৰ মাজত কোনো

*কমিউনিষ্ট আৰু ৱাৰ্কাছ' পাৰ্টিসমূহৰ বিশ্ব সম্মিলন, মস্কো ১৯৬৯, পৃঃ ২৮
**আল কাতিব, নবেম্বৰ ১৯৭০, পৃঃ ১৬৮

'শ্ৰেণী শান্তি" হব নোৱাৰে। মিছৰীয় গাওঁঅঞ্চলত বৈপ্লৱিক পৰিবৰ্ত্তন সাধনে সামন্ত প্ৰভুসকলৰ স্বাৰ্থ বিঘ্নিত কৰাৰ লগে লগে তেওঁলোকে কৃষকসকলক বাধা দিবলৈ ধৰিলে। তেওঁলোকৰ দালালসকলে পাৰ্টি কৰ্ম্মীসকলক আক্ৰমণ কৰিবলৈ ধৰিলে আৰু শাৰীৰিক হিংসামূলক ঘটনাও ঘটিবলৈ ধৰিলে। ইয়েমেনৰ জনগণ-তান্ত্ৰিক প্ৰজাতন্ত্ৰত সামন্ত-প্ৰভুসকলৰ ভেৰোণীয়া চৰবোৰে কৃষক কমিটিবোৰৰ ওপৰত সশস্ত্ৰ আক্ৰমণ কৰিবলৈ ধৰিলে। পুঁজিবাদী আৰু সামন্ততান্ত্ৰিক প্ৰভুসকলে তেওঁলোকৰ প্ৰভুত্ব জীয়াই ৰখাৰ বাবে সম্ভাব্য সকলো উপায় খটালে—যেনে বিপ্লৱী শাসনব্যৱস্থাই লোৱা কাৰ্য্যসমূহৰ বিৰুদ্ধে কুটাঘাত, সাম্ৰাজ্যবাদৰ লগত যোগাযোগ ৰাখি চক্ৰান্ত, বিপদত পেলোৱাৰ কাৰণে হেঁচা, ভেটি দিয়া, ষড়যন্ত্ৰ আদি কৰা। "অভিজ্ঞতাই দেখুৱালে আমি ভুল কৰিছিলোঁ।" এয়া নাছেৰে, কলে ১৯৬০ চনৰ প্ৰথম ভাগত। "সাম্ৰাজ্যবাদৰ ভৰসা প্ৰতিক্ৰিয়াই সংগ্ৰামী জনগণে পোৱা সামাজিক সুবিধাবোৰ কাঢ়ি লবলৈ দ্বিধা নকৰে ....আমি ন্যায় নীতিৰ নামত ৰক্তপাত-হীন বিপ্লৱ ঘটাব খুজিছিলো। কিন্তু প্ৰভুত্ব জীয়াই ৰখাৰ প্ৰচেষ্টাত প্ৰতিক্ৰিয়াৰ নিজৰ দোষত বিপ্লৱ তেজেৰে ৰাঙলী হ'ল।"* ১৯৬২ চনত জাতীয় চনদে আগেয়ে জোৰ দি কৈছে যে" প্ৰতিক্ৰিয়া আৰু শোষণকাৰী পুঁজিৰ পতন ঘটাবই লাগিব"; তথা "শ্ৰেণী-সমূহৰ মাজত অৱধাৰিত আৰু স্বাভাৱিক সংগ্ৰাম উপেক্ষিত হব নোৱাৰে, অস্বীকৃত হব নোৱাৰে।" আলজিৰিয়া, গিনী আৰু অন্যান্য সদ্য স্বাধীন দেশৰ বহু বিপ্লৱী গণতন্ত্ৰী একে সিদ্ধান্তলৈ আহিছে। উদাহৰণস্বৰূপে গিনীৰ ৰাষ্ট্ৰপতি ছে-কু তুৰেই কয় যে "যি সকলে প্ৰগতি কামনা কৰে আৰু যি সকলে শ্ৰমজীৱী জনগণক বিপদত পেলোৱাৰ কাৰণে ক্ষমতা ব্যৱহাৰৰ আশা কৰে সেই

*আল কাতিব, পৃঃ ১৬৮-৬৯

সকলৰ মাজত শ্ৰেণীসংগ্ৰামে এটা সম্পৰ্কৰ ৰূপ লৈ ধৰিছে।"*

গতিকে, বহু বিপ্লৱী গণতন্ত্ৰীয়ে ইতিমধ্যেই বৈজ্ঞানিক সমাজবাদৰ অধিক গুৰুত্বপূৰ্ণ প্ৰতিপাদ্যসমূহ তত্ত্বগতভাৱে আৰু ৰাজনৈতিকভাৱে গ্ৰহণ কৰিছে, যথা সমাজ বিপ্লৱবোৰৰ চালিকা শক্তি হৈছে শ্ৰেণী-সংগ্ৰাম। নতুন জীৱন প্ৰতিষ্ঠাৰ পথত বৈদেশিক আৰু জাতীয় নিৰ্যাতনকাৰীসকলৰ বিৰুদ্ধে শ্ৰেণী সংগ্ৰামৰ বাবে শ্ৰমজীৱী জনগণৰ সমাৱেশ ঘটাই বিপ্লৱী গণতন্ত্ৰীসকলে সাফল্যৰ পিছত সাফল্য অৰ্জন কৰি আছে।

শ্ৰমিকশ্ৰেণীৰ ভূমিকাৰ সংক্ৰান্তত

শ্ৰমিকশ্ৰেণী হৈছে আটাইতকৈ দৃঢ় আৰু অবিচল সাম্ৰাজ্যবাদ তথা আভ্যন্তৰিণ প্ৰতিক্ৰিয়া-বিৰোধী, সমাজবাদৰ দৃঢ়চিত্ত যোদ্ধা, সমাজবাদী চিন্তাধাৰাৰ বাহন। আন্তৰ্জাতিক বিপ্লৱী শ্ৰমিক আন্দোলনৰ সামগ্ৰিক অভিজ্ঞতাই ইয়াৰ সাক্ষ্য দিছে। এছিয়া আৰু আফ্ৰিকাৰ অধিকাংশ সদ্য স্বাধীন দেশত শ্ৰমিকশ্ৰেণীৰ সংখ্যা তাকৰীয়া। এইবোৰ দেশৰ জনসংখ্যাৰ ২·৩ শতাংশ হৈছে কাৰখানা শ্ৰমিক আৰু উষ্ণ-মণ্ডলীয় আফ্ৰিকাৰ কিছুমান দেশত এক প্ৰকাৰ কবলৈ গ'লে সৰ্বহাৰা একেবাৰেই নাই।** সৰ্বহাৰাৰ ৰাজনৈতিক স্তৰত, দেশৰ সামাজিক ৰাজনৈতিক বিকাশত এওঁলোকৰ

---

*গিনিৰ নেশ্যনেল ডেমক্ৰেটিক পাৰ্টিৰ ৮ম কংগ্ৰেছ, কোনাক্ৰি, চেপ্তেম্বৰ ২৫ৰ পৰা অক্টোবৰ ২, ১৯৬৭

**জি. খান, অপুঁজিবাদী বিকাশৰ কেইটিমান সমস্যা, আলমা আতা, ১৯৭১, পৃঃ ৮৫ (ৰুছ ভাষাত); কে. এ. গুচেইনভ, আফ্ৰিকাৰ শ্ৰমিকশ্ৰেণী আৰু ট্ৰেড ইউনিয়নসমূহ, মস্কো, ১৯৬৯, পৃঃ ৮ (ৰুছ ভাষাত)

প্ৰভাৱ বিস্তাৰ কৰাৰ ক্ষমতা এওঁলোকৰ সংখ্যাগত আয়তনৰ দ্বাৰা নিৰ্দ্ধাৰিত নহয়।

সমাজবাদী বিপ্লৱ-সাধনৰ কাৰণে আৰু সমাজবাদলৈ উত্তৰণৰ কাৰণে শ্ৰমিকশ্ৰেণীয়ে অধিকাংশ জনগণক লগতে লব লাগিব। কাৰ্ল কাউৎস্কিৰ এই তত্ত্ব লেনিনে খণ্ডন কৰে। লেনিনে দেখুৱায় যে সৰ্বহাৰাৰ মিত্ৰ শ্ৰেণীসমূহ —কৃষকশ্ৰেণী, পেটি-বুৰ্জোৱা, বুদ্ধিজীৱী-শ্ৰেণী আৰু মধ্যবিত্তসকলক সৰ্বহাৰা আৰু তাৰ পাৰ্টিৰ চাৰিও কাষে ঐক্যবদ্ধ কৰা প্ৰয়োজন। এই শ্ৰেণী আৰু স্তৰ সমূহ সাম্ৰাজ্যবাদৰ দ্বাৰা শোষিত। পুঁজি আৰু প্ৰতিক্ৰিয়াৰ বিৰুদ্ধে এই শ্ৰেণী আৰু স্তৰসমূহ হ'ল শ্ৰমিকশ্ৰেণীৰ স্বাভাৱিক মিত্ৰ। গতিকে, লেনিনে জোৰ দি কৈছে, যিবোৰ দেশত শ্ৰমিকশ্ৰেণী জনসংখ্যাৰ সংখ্যালঘু অংশ, অথচ তেওঁলোকৰ লগত ঐক্যবদ্ধ হৈ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সংগ্ৰাম কৰাৰ কাৰণে আৰু সমাজ প্ৰগতিৰ কাৰণে কৰ্মলিপ্ত সেইবোৰ দেশত সমাজবাদে জয়লাভ কৰিব পাৰে।

এই প্ৰতিপাদ্য এছিয়া আৰু আফ্ৰিকাৰ দেশসমূহৰ ক্ষেত্ৰত সম্পূৰ্ণ প্ৰযোজ্য। এইটোও উল্লেখ কৰিব লাগিব যে সদ্য স্বাধীন-দেশসমূহত, বিশেষতঃ আফ্ৰিকাত সৰ্বহাৰা এটি শ্ৰেণী হিচাপে সংহত হোৱাৰ পথত এতিয়াও প্ৰতিবন্ধকতাৰ সৃষ্টি হৈ আছে। উদাহৰণ স্বৰূপে, ক্ষুদ্ৰ ক্ষুদ্ৰ উদ্যোগ প্ৰতিষ্ঠানৰ অস্তিত্বৰ কাৰণে শিল্প শ্ৰমিকসকলৰ বুজন সংখ্যকেই সিঁচৰতি হৈ আছে। বহুত শ্ৰমিকে গাঁৱৰ লগত তেওঁলোকৰ বন্ধন ছিন্ন কৰা নাই আৰু জনজাতীয় আৰু ধৰ্মীয় ধ্যান-ধাৰণাৰ তেওঁলোক প্ৰভাৱাধীন।

যিহওক, এইটো উল্লেখযোগ্য যে বৰ্ত্তমান যুগত এছিয়া আৰু আফ্ৰিকাৰ উন্নয়নশীল দেশসমূহত সৰ্বহাৰাৰ আত্ম-চেতনাই যি দৰে গঢ় লৈ বাঢ়ি উঠিছে, তাৰ গতি ১৮শ আৰু ১৯শ শতিকাৰ ইউৰোপত ঘটাতকৈ প্ৰভূত পৰিমাণে তীব্ৰ। এছিয়া-আফ্ৰিকাৰ দেশসমূহে স্বাধীনতা পোৱাৰ পিছত সেইবোৰ দেশত ৰাজনৈতিক

সংগ্ৰামৰ তীব্ৰতা আৰু মাৰ্ক্সবাদী-লেনিনবাদী মত ধাৰাৰ ব্যাপক বিস্তৃতিৰ ঘটনাৰ মাজতে ইয়াৰ ব্যাখ্যা পোৱা যায়। সমাজবাদ ৰূপান্তৰমুখী উন্নয়নশীল দেশসমূহত বৃহৎ বৃহৎ আধুনিক শিল্প-উদ্যোগ প্ৰভৃতিৰ নিৰ্মাণে দ্ৰুত সংখ্যাগতভাৱে শ্ৰমিকশ্ৰেণীৰ বৃদ্ধি আৰু গুণগত পৰিবৰ্ত্তন ঘটাই আছে, যেনে কেন্দ্ৰীভূত হৈ আছে, সু-সংগঠিত আৰু আত্ম-সচেতন হৈ আছে। এছিয়া আৰু আফ্ৰিকাৰ শ্ৰমিক আন্দোলনৰ বিশ্ব সমাজবাদী ব্যৱস্থাৰ অধীনত থকা শ্ৰমিক-শ্ৰেণী আৰু সমগ্ৰ আন্তৰ্জাতিক বিপ্লৱী শ্ৰমিক আন্দোলনৰ অভিজ্ঞতা আৰু সমৰ্থন লাভ কৰাৰ সম্ভাৱনা আছে। এই বিলাকৰ ফলত যিবোৰ দেশত সৰ্বহাৰা সংখ্যাত এতিয়াও তাকৰীয়া সেইবোৰ দেশৰ সৰ্বহাৰাৰ অৱস্থান দৃঢ়তৰ হয়।

সদ্য স্বাধীন দেশসমূহৰ শ্ৰমিকসকলে ঔপনিবেশিক শোষণৰ বিৰুদ্ধে আৰু ৰাজনৈতিক স্বাধীনতাৰ কাৰণে হোৱা সংগ্ৰামত সক্ৰিয় অংশ গ্ৰহণ কৰিছে। সামাজিক ৰাজনৈতিক আৰু অৰ্থ নৈতিক প্ৰগতি সাধনৰ সংগ্ৰামত এই দেশসমূহৰ শ্ৰমিকসকলে আৰু অধিক ভূমিকা লোৱা অৱধাৰিত।

উদাহৰণ-স্বৰূপে, আলজিৰিয় শ্ৰমিকসকলে তেওঁলোকৰ দেশৰ অৰ্থনীতি পুনৰ্নিৰ্মাণৰ ক্ষেত্ৰত এটি বিৰাট বৰঙনি যোগাইছে। যিবোৰ কৃষি আৰু শিল্প-উদ্যোগ ঔপনিবেশিকতাবাদীসকলে পৰিত্যাগ কৰি গৈছিল সেইবোৰে আৰম্ভ কৰাৰ কাৰণে নিজ উদ্যোগত শ্ৰমিকসকলে আত্ম-পৰিচালনা সমিতি গঠন কৰে। আলজিৰিয় চৰকাৰে ১৯৬৩ চনৰ মাৰ্চ মাহত আত্ম-পৰিচালন ব্যৱস্থাৰ ওপৰত যি বিখ্যাত হুকুমনামা (ডিক্ৰী) জাৰি কৰে তাৰ দ্বাৰা শ্ৰমজীৱী মানুহসকলৰ সৃজনশীল কৰ্মকাণ্ডৰ সফলতাসমূহ সংহত হয়। শ্ৰমিকসকলৰ সমৰ্থন লৈ আত্ম-পৰিচালনা সমিতিয়ে বহু দুঃখ কষ্ট অতিক্ৰম কৰিবলৈ আৰু দেশখনৰ যুদ্ধ-বিধ্বস্ত অৰ্থনীতিৰ পুনৰ্নিৰ্মাণ আৰু বিকাশ ঘটোৱাৰ কামত আগ বাঢ়িবলৈ সক্ষম হৈছিল।

আলজিৰিয়া, ছিৰিয়া, কঙ্গো (ব্ৰাজাভিল) আৰু অন্যান্য ঠাইত ট্ৰেড ইউনিয়ন সমূহৰ ভিতৰত সংঘবদ্ধ শ্ৰমিকসকলে সামাজিক ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিৱৰ্তন-সাধনৰ কামত সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। সাম্প্ৰতিক বছৰ কেইটাত মিছৰৰ ট্ৰেড ইউনিয়ন আন্দোলন ক্ৰমবৰ্ধিতভাবে সক্ৰিয় হৈছে। শ্ৰমিক-শ্ৰেনীয়ে ইতিমধ্যেই উন্নত কামৰ চৰ্ত্ত, উচ্চতৰ মজুৰী আৰু শ্ৰম সম্পৰ্কীয় চিঠি বিধান আদায় কৰিছে।

১৯৬১ আৰু ১৯৬৩ চনৰ ভিতৰত শিল্প প্ৰতিষ্ঠানসমূহ জাতীয়কৰণ হোৱাৰ পিছত, মিছৰীয় শ্ৰমিকসকলে পৰিচালক মণ্ডলীৰ বোৰ্ড সমূহত তেওঁলোকৰ নিৰ্বাচিত প্ৰতিনিধিক বহিবলৈ দিয়াৰ অধিকাৰ অৰ্জন কৰিছিল। ৰাষ্ট্ৰীয়, ব্যক্তিগত আৰু মিশ্ৰিত শিল্প উদ্যোগসমূহৰ শ্ৰমিক কৰ্মচাৰীসকলে তেওঁলোকৰ শিল্প উদ্যোগৰ মুনাফাত ২৬ শতাংশ নিয়ন্ত্ৰণ কৰাৰ অধিকাৰ অৰ্জন কৰিছিল। তাৰে ১০ শতাংশ শ্ৰমিকসকলৰ ভিতৰত বণ্টিত হৈছিল, ১০ শতাংশ তেওঁলোকৰ সামাজিক প্ৰয়োজনীয়তাৰ বাবে নিৰ্দ্ধাৰিত হৈছিল, আৰু বাকী ৫ শতাংশ তেওঁলোকৰ (শ্ৰমিক সকলৰ) ট্ৰেড ইউনিয়ন সংগঠনৰ বাবে নিৰ্দ্ধাৰিত হৈছিল। ১৯৬৪ চনত তানজানিয়াৰ জাতীয় পৰিষদে প্ৰত্যেক শিল্প-উদ্যোগত শ্ৰমিকসকলৰ কমিটি গঠনৰ বাবে এটি প্ৰস্তাৱ গ্ৰহণ কৰে। এইবিলাকৰ কাৰ্য্যক্ৰমনিকাৰ ভিতৰত আছিল মালিকসকল অথবা শিল্প উদ্যোগৰ পৰিচালক গোষ্ঠীৰ লগত যুক্তভাৱে উৎপাদনত শৃঙ্খলা, শ্ৰম-উপাদিকা শক্তি বৃদ্ধি আৰু শ্ৰম আইন সমূহৰ যথাযথ প্ৰতিপালন সংক্ৰান্ত প্ৰশ্ন সমূহৰ পৰ্য্যালোচনা,।

সমাজবাদ-ৰূপান্তৰমুখী দেশসমূহৰ শ্ৰমিকসকলৰ আন্দোলনৰ এটি বিৰাট লাভ হিচাপে চিহ্নিত হৈছে সামাজিক বীমা সংক্ৰান্ত আইন। মিছৰত, সামাজিক বীমা তহবিলৰ পৰা অৱসৰ ভাতা দিয়া হয়। উক্ত বীমা তহবিলত মালিক, শ্ৰমিক আৰু ৰাষ্ট্ৰই বৰঙনি

দিয়ে। তানজানিয়াত, যি বাধ্যজনিত বীমা তহবিল খোলা হৈছে তাত মালিক আৰু শ্ৰমিকসকলে তেওঁলোকৰ প্ৰত্যেকৰ ৫ শতাংশ মজুৰী বৰঙনি দিয়ে। গিনিত মালিকৰ লাভৰ ৩ শতাংশ আৰু শ্ৰমিকৰ মজুৰিৰ ১'৫ শতাংশ বৰঙনি দিয়ে।

সমাজবাদ-ৰূপান্তৰমুখী দেশসমূহৰ প্ৰগতিশীল জাতীয় গণতন্ত্ৰীসকলে অনুভৱ কৰিছে যে সামাজিক আৰু অৰ্থনৈতিক পৰিবৰ্ত্তন সাধনৰ কাৰ্য্য সফল কৰি তুলিবলৈ হলে শ্ৰমিকশ্ৰেণী আৰু সকলো শ্ৰমজীৱী জনগণক সক্ৰিয়ভাৱে জড়িত কৰা অপৰিহাৰ্য্য। আলজিৰিয় বিপ্লৱৰ কাৰ্য্যসূচীগত দলিল, আলজিৰিয় চনদত জোৰ দি কোৱা হৈছে যে "শ্ৰমিকসকলৰ সচেতন অংশগ্ৰহণ আৰু সক্ৰিয় সহযোগিতা ব্যতিৰেকে" সামাজিক আৰু অৰ্থনৈতিক বিকাশৰ কথা ভাবিব নোৱাৰি। তানজানিয়াৰ আৰুশা ঘোষণাই ব্যক্ত কৰে "সমাজবাদ গঢ়ি তোলা আৰু সুদৃঢ় কৰাৰ বাবে উৎপাদনৰ মূল সঁজুলিবোৰ কৃষক আৰু শ্ৰমিকসকলৰ হাতত থকা উচিত আৰু তেওঁলোকৰ নিয়ন্ত্ৰণত থকা উচিত..........শাসক দল শ্ৰমিক কৃষকসকলৰ এটা দলহে হোৱা উচিত।" ১৯৬৪ চনত জাতীয় পৰিষদৰ সমুখত ৰাষ্ট্ৰপতি নাছেৰে বক্তৃতা দিওঁতে কৈছিল: "মিছৰ বিৰাট ৰাজনৈতিক সামাজিক পৰিবৰ্ত্তন সাধনত সফল হৈছে কেৱল শোষকশ্ৰেণীবোৰক ধ্বংস কৰাৰ ক্ষেত্ৰতেই নহয়, শ্ৰমিক শ্ৰেণীৰ নতুন অৱস্থান সুদৃঢ়ভাৱে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰতো। বিপ্লৱৰ আগতে শ্ৰমিকশ্ৰেণী ভাৰবীয়া আছিল আৰু নিষ্ঠুৰ শোষণৰ চিকাৰ আছিল। এতিয়া এওঁলোক অধিক বৃহত্তৰ। এতিয়া শ্ৰমিকশ্ৰেণীয়ে সমাজবাদী ব্যৱস্থাৰ* প্ৰতিনিধিত্ব কৰে।"

নাছেৰৰ মৃত্যুৰ পিছত (১৯৭০), প্ৰতিক্ৰিয়াশীল শক্তিবোৰে কাৰ্য্যকলাপ বৃদ্ধি কৰিছে আৰু মিছৰৰ সমাজবাদমুখী ৰূপান্তৰ হ্ৰাস আৰু ধ্বংস কৰাৰ কাৰণে সকলো ৰকমৰ পদ্ধতি ব্যৱহাৰ কৰি

*জা কৰেজম নং ৪২, ১৯৬৭, পৃঃ ১০

আছে। এই শক্তিবোৰে দেশখনক দক্ষিণ পন্থী দিশলৈ ঠেলি দিছে আৰু তাত নয়া-ঔপনিবেশিকবাদী ব্যৱস্থা পুনঃপ্ৰতিষ্ঠাৰ বাবে চেষ্টা চলাই আছে।

এছিয়া আৰু আফ্ৰিকাত অ-পুঁজিবাদী বিকাশ আৰু সমাজবাদী প্ৰৱণতা জাতীয গণতন্ত্ৰ আৰু ব্যাপক শ্ৰমজীৱী জনগণৰ মাজত দৃঢ মৈত্ৰী নহলে আৰু শেষোক্তসকলৰ সামাজিক আৰু ৰাজনৈতিক জীৱন-পৰিচালনা ব্যৱস্থাত অংশ গ্ৰহণৰ প্ৰকৃত সুযোগ নিদিলে গভীৰতৰ হোৱা অসম্ভৱ। বৰ্ত্তমানে সমাজবাদ ৰূপান্তৰমুখী দেশসমূহৰ বাবে লেনিনৰ নিম্নলিখিত উক্তি বৰ সময়পযোগী: বেঙ্কসমূহ অধিকৰণ নকৰাকৈ আৰু উৎপাদন সঁজুলিবোৰৰ ব্যক্তিগত মালিকানা বাতিল নকৰাকৈ পুঁজিবাদক পৰাস্ত কৰিব নোৱাৰি। বুৰ্জোয়াসকলৰ পৰা অধিকাৰ কৰা উৎপাদন সঁজুলিবোৰৰ গণতান্ত্ৰিক পৰিচালনা ব্যৱস্থাৰ বাবে সমগ্ৰ জনগণক সংগঠিত কৰা ব্যতিৰেকে, সৰ্বহাৰা, অৰ্ধ-সৰ্বহাৰা আৰু ক্ষুদ্ৰ কৃষকসকল সহ সমগ্ৰ শ্ৰমজীৱী জনগণক তেওঁলোকৰ বাহিনীৰ, তেওঁলোকৰ শক্তিৰ ৰাষ্ট্ৰীয ব্যৱস্থাত তেওঁলোকৰ অংশ গ্ৰহণৰ বাবে তেওঁলোকক অন্তৰ্ভুক্ত কৰি লোৱা ব্যতিৰেকে এই বিপ্লৱী ব্যৱস্থাবোৰ নিঃসন্দেহে সম্পাদিত হব নোৱাৰে।"*

ছোভিয়েত মধ্য এছিয়াৰ প্ৰজাতন্ত্ৰসমূহৰ অ-পুঁজিবাদী বিকাশৰ অভিজ্ঞতাই দেখুৱায় যে যিমান অধিক ব্যাপকৰূপে ছোভিয়েত ক্ষমতা-যন্ত্ৰই শ্ৰমিক শ্ৰেণী, শ্ৰমজীৱী জনগণৰ ওপৰত আস্থা স্থাপন কৰিছে, আৰু জনগণৰ লগত বন্ধন সমানে অধিক কটকটীয়া হৈছে, সিমানে অধিক সফলতাৰে সমাজবাদৰ পিনে সামাজিক অৰ্থনৈতিক ৰূপান্তৰ সম্পাদিত হৈছে। সমাজবাদী ৰূপান্তৰৰ ওপৰত এছিয়া আৰু আফ্ৰিকাৰ বৰ্ধিত শ্ৰমিক শ্ৰেণীয়ে

*ভ ই. লেনিন, "পি. কিয়েভস্কিলৈ (ওৱাই, পিয়াটাকোভ)" লেনিনৰ চিঠি ৰচনা সংকলন, খণ্ড নং-২৩, পৃঃ ২৫

আনকি আৰু এক বিৰাট বৈপ্লৱিক প্ৰভাৱ পেলাব পাৰে। ১৯৬৯ চনত মস্কোত অনুষ্ঠিত কমিউনিষ্ট আৰু ৱাৰ্কাছ' পাৰ্টিসমূহৰ আন্তৰ্জাতিক সভাত বক্তৃতা দি লিয়নিদ্ ব্ৰেঝনেভে কয়ঃ "এই বিষয়ে সন্দেহ নাই যে নব্য জাতীয় ৰাষ্ট্ৰসমূহত আগলৈ সাম্ৰাজ্যবাদ আৰু ইয়াৰ মিত্ৰসকলৰ বিৰুদ্ধে শ্ৰমিকশ্ৰেণীৰ সংগ্ৰামৰ ব্যাপকতম বৃদ্ধিযোগ দেখা যায়।"*

আৰ্থ-সামাজিক পৰিবৰ্ত্তনৰ গভীৰতা আৰু ব্যাপকতা নিৰ্ভৰ কৰে সদ্য স্বাধীন দেশসমূহৰ শ্ৰমিকশ্ৰেণীয়ে তেওঁলোকৰ পক্ষে কৃষকশ্ৰেণীক সমাবিষ্ট কৰিব পাৰেনে নোৱাৰে আৰু এই শ্ৰেণী-সমূহৰ মৈত্ৰীবন্ধন সুদৃঢ় হৈছেনে নাই তাৰ ওপৰত। এই মৈত্ৰীবন্ধনৰ শক্তি বৃহত্তৰৰূপে নিৰ্ভৰ কৰে ক্ষমতাত অধিষ্ঠিত জাতীয় গণতন্ত্ৰী-সকলে কি নীতি গ্ৰহণ কৰে তাৰ ওপৰত আৰু কমিউনিষ্ট আৰু বিপ্লৱী গণতান্ত্ৰিক শক্তিসমূহৰ কৰ্ম্মগত ঐক্যৰ ওপৰত।

কৃষক-সমাজ আৰু সমাজবাদ

সমাজবাদ-ৰূপান্তৰমুখী দেশসমূহত, লাভদায়ক কৰ্মত নিযুক্ত জনসংখ্যাৰ এটা ডাঙৰ অংশ হ'ল কৃষকসকল—৬৫ শতাংশৰ পৰা ৮০ শতাংশ। এই ঘটনাই, উক্ত দেশসমূহত শ্ৰমিকশ্ৰেণীৰ দুৰ্বলতাৰ লগত যুক্ত হৈ আনকি কিছুমান প্ৰগতিশীল ব্যক্তিৰ মনতো এই ধাৰণাৰ উদ্ৰেক কৰে যেন, এই দেশসমূহে সমাজবাদ গঢ়ি তুলিব নোৱাৰিব।

ইউৰোপৰ ছ'চিয়েল ডেম'ক্ৰেটসকলৰ ধাৰণাৰ লগত, এই দৃষ্টিভঙ্গীৰ মিল আছে। তেওঁলোকে ভাবে যে কৃষকসকল হৈছে নিষ্ক্ৰিয় স্বভাৱৰ, তেওঁলোকে প্ৰগতিৰ পক্ষে সংগ্ৰাম চলাব নোৱাৰে।

*কমিউনিষ্ট আৰু ৱাৰ্কাছ' পাৰ্টিসমূহৰ আন্তৰ্জাতিক সভা, মস্কো ১৯৬৯, পৃঃ ১৫৩

কিছুমান পেটি-বুর্জ্জোৱা তত্ত্ববিদে একেবাৰে সম্পূর্ণ বিপৰীতমুখী দৃষ্টিভঙ্গী গ্ৰহণ কৰে। তেওঁলোকে কয় যে কৃষকসমাজ সামগ্রিক ভাবে সমাজবাদৰ দৃঢ় আৰু একনিষ্ঠ যোদ্ধা। উদাহৰণ স্বৰূপে আলজিৰিয়াৰ সুখ্যাত জননেতা আৰু লেখক ফ্রানজ্ ফাননে ঘোষণা কৰে যে তৃতীয় দুনিয়াৰ দেশসমূহৰ কৃষকসকল হৈছে একমাত্র বিপ্লৱী শ্ৰেণী, বিপ্লৱত নেতৃত্ব দিব পৰা আৰু সমাজৰ অন্যান্য স্তৰক নেতৃত্ব দিব পৰা একমাত্র শ্ৰেণী। যুক্তি স্বৰূপে, তেওঁ সদ্য স্বাধীন দেশসমূহত কৃষকসমাজৰ মৌলিক জনগণৰ ভয়ানক দাৰিদ্ৰ্যৰ ঘটনাটো দাঙি ধৰে। কমিউনিষ্ট পাৰ্টিৰ মেনিফেষ্ট'ত ঘোষিত "সৰ্বহাৰাসকলে তেওঁলোকৰ শৃঙ্খল হেৰুৱাৰ বাহিৰে আৰু হেৰুৱাবলৈ একো নাই। তেওঁলোকে বিশ্ব জয় কৰিব লাগিব।" —এই ধ্বনিৰ পুনৰুক্তি কৰি ফাননে তেওঁৰ পৃথিবীৰ দুৰ্ভগীয়াহঁত নামৰ কিতাপখনত লিখে যে ঔপনিবেশিক দেশসমূহত স্পষ্টতঃ কৃষকসকলেই হৈছে বিপ্লৱী, যিহেতু তেওঁলোকৰ হেৰুৱাবলৈ একো নাই আৰু পাবলৈ আছে সকলো।*

ৰুছ নাৰদনিকসকলৰ সমাজবাদত একে ধাৰণা নিহিত আছিল। এওঁলোক পেটি-বুর্জ্জোৱা, কৃষক সমাজবাদৰ প্ৰবক্তা আছিল; পেটি বুর্জ্জোৱা বিপ্লৱৰ ভাৱধাৰাৰ তেওঁলোকে সৰ্বহাৰা বিপ্লৱৰ বিৰুদ্ধে গুৰুত্ব দিছিল। লেনিনে নাৰদনিকসকলৰ মতবাদৰ সমালোচনা কৰি উল্লেখ কৰিছিল যে তেওঁলোকে কৃষকসকলৰ দ্বৈত সামাজিক চৰিত্ৰ উপেক্ষা কৰিছিল—কৃষকৰ মনত একে সময়তে শ্ৰমিক আৰু কাম কৰা ভূমি খণ্ডৰ মালিক হোৱাৰ বাবে সঘনে স্বাৰ্থৰ দ্বন্দ্ব ব্যক্ত হয়। বিপ্লৱী সংগ্ৰামৰ নিৰ্দ্দিষ্ট স্তৰবিলাকত কৃষক জনগণৰ ব্যৱহাৰত একনিষ্ঠতাৰ অভাব এই দ্বৈত চৰিত্ৰৰ কাৰণেই ঘটে। লেনিনে শ্ৰমিকশ্ৰেণী আৰু কৃষকসমাজৰ একতাক এটি গণতান্ত্ৰিক আৰু এটি সমাজতান্ত্ৰিক বিপ্লৱৰ মহান্ চালিকা শক্তি হিচাপে দেখিছিল।

*এফ. ফানন, পৃথিবীৰ দুৰ্ভগীয়াহঁত, ১৯৬৮, পৃঃ ৬১

মাক্স´বাদীসকলে বিশ্বাস কৰে যে কৃষকসকলৰ বিৰাট বিপ্লৱী শক্তিমত্তা আছে।

যদিও সমাজবাদী বিপ্লৱৰ পূৰ্ণ জয়লাভৰ অপৰিহাৰ্য্য চৰ্ত্ত হৈছে শ্ৰমিক শ্ৰেণী আৰু ইয়াৰ পাৰ্টি´ৰ আগৰনুৱা ভূমিকাযুক্ত শ্ৰমিক শ্ৰেণী আৰু কৃষক সমাজৰ স্থায়ী মৈত্ৰী। মহান্ অক্টোবৰ সমাজতান্ত্ৰিক বিপ্লৱে এই প্ৰতিপাদ্যৰ যথাৰ্থতাৰ প্ৰমাণ দিছে। পৃথিবীৰ বিপ্লৱী ৰূপান্তৰ সম্পৰ্কে মাক্সবাদী-লেনিনবাদী তত্ত্বৰ নিৰ্ভুলতা উক্ত বিপ্লৱৰ পিছত ছোভিয়েত মধ্য এছিয়াৰ প্ৰজাতন্ত্ৰসমূহ আৰু কাজাখস্তানৰ জনগণৰ সমাজবাদলৈ উত্তৰণ, পুবইউৰোপৰ দেশসমূহত সমাজবাদী বিপ্লৱ আৰু ভিয়েতনামৰ গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ আৰু কোৰীয় গণতান্ত্ৰিক প্ৰজাতন্ত্ৰত জাতীয় গণতান্ত্ৰিক আন্দোলন সমূহ সমাজবাদী বিপ্লৱত বিকশিত হোৱাৰ ঘটনাৱলীয়ে স-প্ৰমাণ কৰিছে।

এছিয়া আৰু আফ্ৰিকাৰ বহুতো দেশত কৃষকসকলে মধ্যযুগীয় আৰু আনকি প্ৰাক্-সামন্ততান্ত্ৰিক প্ৰাকৃত অৰ্থনীতিৰ অৱস্থাত বসবাস কৰি আছে। কৃষকসকল কেৱল সংখ্যাত বৃহত নহয়, জনগণৰ ভিতৰত আটাইতকৈ শোষিত অংশ তথা বৰ্ণগত, জনজাতীয় আৰু অন্যান্য কুসংস্কাৰৰ দ্বাৰা আচ্ছন্ন। যদিও ইয়াতো বৰ্ধিত পৰিমাণৰ শ্ৰেণী পাৰ্থক্য কৃষক শ্ৰেণীৰ মাজত দেখিবলৈ পোৱা যায়; সামাজিক অৰ্থ নৈতিক ৰূপান্তৰৰ প্ৰক্ৰিয়াত কৃষক সমাজৰ বৈপ্লৱীকৰণ হৈ আছে। ১৯৬৯ চনৰ কমিউনিষ্ট আৰু ৱাৰ্কাছ পাৰ্টি´ সমূহৰ সভাই জোৰ দি কোৱা মতে, "শোষিত মেহনতকাৰী কৃষকসকলৰ বিৰাট বিপ্লৱী শক্তিমত্তা আছে।" মিছৰৰ কৃষক সকলে শ্ৰমিকসকল আৰু অন্যান্য শ্ৰমজীৱীসকলৰ লগত মিলিতভাবে প্ৰাপ্ত-সামাজিক সুবিধাবোৰৰ স্বাৰ্থৰক্ষাত আৰু ১৯৬৭ চনত ইজৰায়েলী আক্ৰমণৰ বিৰুদ্ধে নাছেৰ চৰকাৰৰ সমৰ্থনত লোৱা ব্যাপক সক্ৰিয় কাৰ্য্যাৱলীয়ে

দেখুৱাইছে যে অপুঁজিবাদী বিকাশত কৃষকসকলে এটি সক্ৰিয় শক্তি হব পাৰে। পুঁজিবাদ বিকাশতকৈ অপুঁজিবাদ বিকাশেহে কৃষকসকলক অতুলনীয় বৃহত্তৰ সুবিধাদি দিয়ে। যি কৃষি সংস্কাৰে সামন্ততান্ত্ৰিক প্ৰভুত্বৰ অৱসান ঘটায় আৰু ভূমি স্বত্বৰ সীমা বান্ধি দিয়ে কৃষক অনুপ্ৰাণক সমবায় আন্দোলনত আৰু স্থানীয় চৰকাৰী যন্ত্ৰসমূহতৈৰ টানি আনে আৰু ঋণদান আৰু বেঙ্কিং ব্যৱস্থা জাতীয়কৰণ কৰে সেই সকলোবোৰে কৃষক জনগণৰ স্বাৰ্থ পূৰণ কৰে আৰু দাৰিদ্ৰ তথা অনগ্ৰসৰতাৰ মুক্তিৰ পৰা পৰিত্ৰাণৰ আকাঙ্ক্ষাও পূৰণ কৰে। আন কথাত কবলৈ গ'লে, যিবোৰ দেশে অ-পুঁজিবাদী বিকাশৰ পথ গ্ৰহণ কৰিছে সেইবোৰ দেশে গ্ৰহণ কৰা গভীৰগামী সামাজিক অৰ্থনৈতিক ৰূপান্তৰতহে কেৱল কৃষক সমাজৰ নিহিত প্ৰত্যক্ষ স্বাৰ্থ পূৰণ হোৱা সম্ভৱ।

কৃষকসকলে অ-পুঁজিবাদী বিকাশ সমৰ্থন কৰাৰ আন এটি কাৰণো আছে। এছিয়া আৰু আফ্ৰিকাৰ কিছুমান অঞ্চলত কৃষি জনসংখ্যা অতিপাত বৃদ্ধি পাইছে। বিৰাট বিৰাট সংখ্যক কৃষকে, বিশেষতঃ যুৱকসকল নগৰলৈ দাপলি মেলিছে। অ-পুঁজিবাদী বিকাশে নিশ্চিত কৰা ৰাষ্ট্ৰীয় খণ্ড আৰু গঢ়ি তোলা শিল্প উদ্যোগে তেওঁলোকক কাম বিচাৰি পোৱাৰ আৰু সামাজিক উৎপাদনত অংশ গ্ৰহণ কৰাৰ সম্ভাৱনাৰ বাট মুকলি কৰে। ইয়াক পুঁজিবাদ বুলিব নোৱাৰি, বৰং বুলিব পাৰি সমাজবাদমুখী ৰূপান্তৰণ কৃষক জনগণৰ অনগ্ৰসৰতা, শাসন, কুসংস্কাৰ আৰু দাৰিদ্ৰ্য দূৰীকৰণৰ এটি সুযোগ আনি দিয়ে। লগে লগে অপুঁজিবাদী বিকাশে ক্ষুদ্ৰ পণ্য উৎপাদনত বিঘ্নিত নকৰে অথবা শ্ৰমজীৱী কৃষকৰ সম্পত্তিতো হস্তক্ষেপ নকৰে।

পশ্চিমৰ ছ'চিয়েল ডেমক্ৰেটসকলৰ যি সকলে কৃষক শ্ৰেণীৰ মাজত কোনো বৃহৎ বিপ্লৱী সত্তা নেদেখে তেওঁলোকে কৃষকসকলৰ মতামতক এগৰাকী মালিকৰ মতামতৰ লগত

একেকঠী কৰিবলৈ বিচাৰে। লেনিন তেওঁৰ বিখ্যাত গ্ৰন্থ "গণতান্ত্ৰিক বিপ্লৱত ছ'চিয়েল ডেমক্ৰেটিৰ দুই কৌশল"ত কৃষক সমাজৰ বৈপ্লৱিক শক্তিমত্তাক এইদৰে চিত্ৰায়িত কৰিছে ঃ "সমাজবাদী নহৈ অথবা সেটি বুৰ্জোৱা নহৈ, কৃষকসমাজে গণতান্ত্ৰিক বিপ্লৱৰ অকুণ্ঠচিত্ত আৰু অতি অগ্ৰণী ভক্ত হ'ব পাৰে। কৃষকশ্ৰেণী অনিবাৰ্য্যভাবে তেনে হ'বলৈ বাধ্য, যদিহে বৈপ্লৱিক ঘটনাৱলীৰ যি গতিধাৰাই তেওঁলোকক উদ্বুদ্ধ কৰে, সেই গতিধাৰা বুৰ্জোৱাৰ বিশ্বাসঘাতকতাৰ ফলত আৰু সৰ্বহাৰাৰ পৰাজয়ৰ ফলত অপইতাতে ভাগি নপৰে। এই চৰ্ত্ত সাপেক্ষে অৱধাৰিত ৰূপে কৃষকসকলে বিপ্লৱৰ এটি দুৰ্গ হিচাপে দেখা দিব আৰু প্ৰজাতন্ত্ৰগুনে কেৱল বিপ্লৱৰ পূৰ্ণ জয়লাভৰ স্বাৰ্থতে কৃষকসকলক কৃষি-সংস্কাৰৰ ক্ষেত্ৰত সকলো বস্তু দিব পাৰে— কৃষকসকলে আশা কৰা, সপোন দেখা আৰু প্ৰকৃততে বিচৰা (ছ'চিয়েলিষ্ট বিভলিউশ্যনেৰীসকলে' কৰা কল্পনা অনুযায়ী পুঁজিবাদৰ অৱলুপ্ত নহয় বৰং) অৰ্ধ-দাসত্বৰ বোকাৰ পৰা, নিষ্পেষণ আৰু সেৱা-দাসত্বৰ এন্ধাৰ বাজত্বৰ পৰা তুলিতালি থিয় কৰোৱাৰ কাৰণে, তেওঁলোকৰ জীৱিকাৰ চৰ্ত্ত উন্নত কৰাৰ কাৰণে পণ্য উৎপাদন ব্যৱস্থাৰ ভিতৰতে সেইবোৰৰ যিমানখিনি উন্নতি বিধান কৰিব পৰা যায় তাক কৰিব পাৰে।"* ১৯০৫ চনৰ ৰাছিয়াৰ কৃষকশ্ৰেণী সম্পৰ্কে লেনিনে দিয়া এই বৰ্ণনা ১৯৭০ চনৰ এছিয়া আৰু আফ্ৰিকাৰ কৃষক সমাজৰ সম্পৰ্কে কিছু পৰিমাণে প্ৰযোজ্য হ'ব পাৰে।

সমাজবাদী-ৰূপান্তৰমুখীনতাৰ সংহতি আৰু সফলতা বৃহত্তৰ ৰূপে নিৰ্ভৰ কৰে কৃষকসকলৰ সংগ্ৰামলৈ টানি অনাৰ ওপৰত। "আজিৰ এছিয়া আৰু আফ্ৰিকাৰ বৈপ্লৱিক প্ৰক্ৰিয়াৰ প্ৰধান

---

*"গণতান্ত্ৰিক বিপ্লৱত ছ'চিয়েল ডেমক্ৰেটিৰ দুটা কৌশল" লেনিনৰ ৰচনা সংকলন খণ্ড নং-৯, পৃঃ ৯৮

প্ৰশ্ন হ'ল কৃষক সমাজৰ মনোভাৱ, যি কৃষক সমাজ হ'ল জনসংখ্যাৰ সংখ্যাগুৰু অংশ। পৃথিৱীৰ উক্ত অংশত কৃষক সমাজ হৈছে এক মহান্ বিপ্লৱী শক্তি,"* লিওনিদ ব্ৰেঝনেভে কয়।

কৃষকসমাজৰ বৈপ্লৱিক সম্ভাৱনাৰ স্বীকৃতি দিও মাৰ্ক্স্বাদী-লেনিনবাদীসকলে কৃষকশ্ৰেণীৰ ভূমিকাৰ অতিৰঞ্জনৰ প্ৰৱণতাৰ বিৰোধিতা কৰে, কৃষক শ্ৰেণীয়ে সামাজিক ৰূপান্তৰ ঘটোৱাৰ ক্ষেত্ৰত আৰু সমাজবাদী বিপ্লৱ-সাধনৰ ক্ষেত্ৰত অৱধাৰিত নিৰ্ণায়কাৰী ভূমিকা গ্ৰহণৰ যি যুক্তি দিয়া হয় তাৰ বিৰোধিতা কৰে। আমি জানো, চীনা নেতৃবৃন্দই এই ভূমিকাত সৰ্ব্বাত্মকতা দান কৰিছে, গাওঁ নগৰৰ অৱস্থান পৰস্পৰ বিৰোধী কৰি দেখুৱাইছে আৰু যুক্তি প্ৰদৰ্শন কৰিছে কেৱলমাত্ৰ গাওঁ-অঞ্চলহে "বিপ্লৱৰ বৃহৎ সামৰিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক দুৰ্গ।"** তদুপৰি তেওঁ-লোকে কয় যে নগৰ অঞ্চলত কৈ গাওঁ অঞ্চলেহে শীঘ্ৰে কমিউনিজম লাভ কৰিব আৰু সমগ্ৰ নগৰ অঞ্চলৰ জনগণক নেতৃত্ব দিবহি।***

লেনিনে কৃষকসকলক সৰ্বহাৰাৰ প্ৰধান মিত্ৰ হিছাপে গণ্য কৰিছিল আৰু তেওঁ অনগ্ৰসৰ দেশসমূহত শ্ৰমিকশ্ৰেণী আৰু কৃষক-সমাজৰ সম্ভাব্য নিবিড়তম মৈত্ৰীবন্ধনৰ প্ৰয়োজনীয়তাৰ ওপৰত বিশেষ জোৰ দিছিল। তেওঁ দৃঢ় মত পোষণ কৰিছিল যে কমিউনিষ্ট পাৰ্টিসমূহে "কমিউনিষ্ট ৰণকৌশলবিলাক আৰু কমিউনিষ্ট নীতি, কৃষক আন্দোলনৰ লগত সুনিৰ্দিষ্ট সম্পৰ্ক স্থাপন ব্যতিৰেকে গ্ৰহণ"**** কৰিব নোৱাৰে। লগে লগে লেনিনে কেতিয়াও গাৱঁক নগৰৰ বিৰুদ্ধে থিয় কৰা নাছিল আৰু মাও-ত্চে-তুঙ আৰু তেওঁৰ

*কমিউনিষ্ট আৰু ওৱাৰ্কাছ পাৰ্টি সমূহৰ আন্তৰ্জাতিক সভা, মস্কো ১৯৬৯, পৃঃ ১৫৩

**হুঙ - চি, ১০ নং সংখ্যা, ১৯৬৫

***জেন - মিন - জি - পাও, অক্টোবৰ ১৭, ১৯৬৭ চন

****ভ. ই. লেনিন, "কমিউনিষ্ট আন্তৰ্জাতিকৰ দ্বিতীয় কংগ্ৰেছ।" ৰচনা সংগ্ৰহ, খণ্ড নং ৩১, পৃঃ ২৪১-৪২

অনুগামীসকলে ভবাৰ দৰে গাৱঁক বিপ্লৱৰ কেন্দ্ৰ বুলিও ভবা নাছিল। লেনিনে বাৰম্বাৰ কৃষকসমাজৰ ৰাজনৈতিক নিষ্ক্ৰিয়তালৈ আৰু ইয়াৰ বৈপ্লৱিক প্ৰেৰণা জগাই তোলা সম্পৰ্কৰ বিষয়লৈ উদ্ধৃকিয়াই দিছিল। এই সম্পৰ্কে তেওঁ লিখিছিল, "নগৰে অৱধাৰিত ভাবেই গাৱঁক নেতৃত্ব দিয়ে। গাঁৱে অৱধাৰিত ভাবেই নগৰক অনুসৰণ কৰে।"* চীনা বিপ্লৱৰ অভিজ্ঞতা সকলো স্তৰত কৃষকসকলৰ নেতৃত্বৰ ভূমিকা সম্পৰ্কে মাওবাদী প্ৰতিপাদ্য সপ্ৰমাণ কৰিব পৰা নাই। সেই বিপ্লৱৰ প্ৰথম যুগত বিপ্লৱী সংগ্ৰামৰ থূল মূল ঘটনাৱিলাক নগৰসমূহতে ঘটিছিল। কেৱল ১৯২৭ চনত চিয়াং কাইশ্বেকে প্ৰতি বিপ্লৱী কু (Coup) কৰাৰ পিছতহে জনগণৰ মাজত পাৰ্টিৰ কামকাজৰ ঘাটি গাওঁ অঞ্চললৈ স্থানান্তৰিত হয় আৰু চীনৰ কমিউনিষ্ট পাৰ্টিয়ে নগৰৰ পৰা গাওঁ অঞ্চললৈ বৈপ্লৱিক চেতনা দৃষ্টিগোচৰ কৰাৰ কাম আৰম্ভ কৰে বিপ্লৱৰ কালে কৃষক-সকলক সক্ৰিয়ভাৱে টানি অনাৰ যোগেদি। চীনা কমিউনিষ্টসকলৰ কৃষক জনগণক তেওঁলোকৰ পক্ষভুক্ত কৰা আৰু তেওঁলোকৰ লগত বন্ধন সুদৃঢ় কৰাৰ কামে কৃষকসকলৰ সৰ্বহাৰাৰ মিত্ৰৰ ভূমিকা সম্পৰ্কে লেনিনৰ প্ৰতিপাদ্যহে সপ্ৰমাণ কৰে।

এছিয়া আৰু আফ্ৰিকাৰ জাতীয় মুক্তি বিপ্লৱসমূহে কৃষকশ্ৰেণীৰ ভিতৰত জাগৰণ আনিছে, যি কৃষক শ্ৰেণী সাম্ৰাজ্যবাদবিৰোধী আৰু সামন্তবাদবিৰোধী বিপুল শক্তিৰ অন্তৰ্ভুক্ত। ৰাজনৈতিক স্বাধীনতা প্ৰাপ্তিৰ পিছত কৃষক আন্দোলনৰ মূলকথা হৈছে কৃষিৰ ৰূপান্তৰ সাধন, গণতান্ত্ৰিক স্বাধীনতা প্ৰতিষ্ঠা আৰু কৃষকসকলৰ বৈষয়িক আৰু সাংস্কৃতিক স্তৰৰ উন্নয়ন। এই সংগ্ৰাম বিভিন্নৰূপে ঘটে। সমাজবাদ ৰূপান্তৰমুখী দেশসমূহত (মিছৰ, আলজিৰিয়া, ছিৰিয়া, গিণি আৰু অন্যান্য) সমাজবাদ নিৰ্মাণৰ প্ৰয়োজনীয়

---

*ভ. ই. লেনিন, "নিৰ্বাচন আৰু সৰ্বহাৰাৰ একনায়কত্ব," ৰচনা সংগ্ৰহ, খণ্ড নং ৩১, পৃঃ ২৫৭

চৰ্তসমূহ সৃষ্টিৰ কামত কৃষক শ্ৰেণীয়ে বৰ্ধিত হাৰে সক্ৰিয় অংশ গ্ৰহণ কৰে, অৰ্থাৎ সামগ্ৰিকভাৱে কৃষি আৰু অৰ্থনীতিৰ স্তৰ উন্নীত কৰাৰ কামত অংশ গ্ৰহণ কৰে। এই দেশসমূহত গণতান্ত্ৰিক ভিত্তিত প্ৰাথমিক সমবায়বোৰ গঠনৰ পিনে এক ব্যাপক প্ৰৱণতা দেখা যায়; অৰ্থাৎ কৃষকসকলে নিজে পৰিচালনা কৰা সমবায়বোৰৰ সংগঠন। সমাজবাদ ৰূপান্তৰমুখী দেশসমূহক প্ৰগতিকামী শক্তিবোৰৰ সন্মুখত যি জৰুৰী কৰ্তব্য দেখা দিছে সেয়া হল তেওঁলোকৰ ফালে কৃষকসকলক টানি অনা আৰু সমাজবাদী ৰূপান্তৰৰ কাৰণে তেওঁলোকক দৃঢ় চিত্ত আৰু একনিষ্ঠ সংগ্ৰামীলৈ পৰিণত কৰা।

"ৰুছ ছ'চিয়েল ডেমক্ৰেচিৰ কৃষি সংক্ৰান্ত কাৰ্য্য-সূচীত" লেনিনে লিখিছিল— কৃষিপাম শ্ৰমিক আৰু আধা কৃষিপাম শ্ৰমিকসকলৰ সুবিধাৰ কাৰণে, পৰবৰ্ত্তী সমাজবাদী উত্তৰণত, সমাজবাদী পাৰ্টিৰ কাৰণে, অত্যধিক গুৰুত্বপূৰ্ণ কথা হল; ক্ষুদ্ৰ কৃষকসকলৰ পক্ষে তেওঁলোকে তৎক্ষণাত থিয় দিবলৈ আৰম্ভ কৰক আৰু কেতিয়াও জৰুৰী আৰু জটিল আৰু "বিজাতীয়" (অনা-সৰ্বহাৰা) সদস্যবোৰৰ সমাধান প্ৰত্যাখান নকৰি "সম্ভাব্য সকলোখিনি" তেওঁলোকৰ কাৰণে কৰক, আৰু সমাজবাদী পাৰ্টিক তেওঁলোকৰ নেতা আৰু প্ৰতিনিধিৰূপে গণ্য কৰিবলৈ শ্ৰমিক আৰু নিৰ্য্যাতিত জনগণক সহায় কৰক।"[৭]

সমাজবাদ ৰূপান্তৰমুখী দেশসমূহৰ য'ত য'ত সৰ্বহাৰা শ্ৰেণী এতিয়াও গঠন-প্ৰক্ৰিয়াভুক্ত, য'ত য'ত যথেষ্ট পৰিমাণে সংগঠিত নহয় আৰু বিপ্লৱী সংগ্ৰামৰ শীৰ্ষত থিয় হোৱাৰ প্ৰচুৰ ৰাজনৈতিক অভিজ্ঞতা নাই, ত'ত ত'ত বিপ্লৱী গণতান্ত্ৰিক পাৰ্টি সমূহৰ কামে বিশেষ গুৰুত্ব লাভ কৰে।

বুদ্ধিজীৱী ; জাতীয় বুৰ্জোৱা আৰু অন্যান্য সামাজিক স্তৰৰ লোকসকল

এছিয়া আৰু আফ্ৰিকাৰ সদ্য স্বাধীন দেশবিলাকত জাতীয় বুদ্ধিজীৱীৰ সংখ্যা কম, যদিও সাম্প্ৰতিক বছৰবিলাকত উল্লেখযোগ্য ভাৱে ইয়াৰ দল শকত হৈছে, যিহেতু এই দেশবোৰে সামাজিক উৎপাদনৰ নতুন আৰু উন্নয়নশীল শাখাসমূহৰ বাবে তেওঁলোকৰ নিজস্ব জাতীয় কৰ্মীদল সৃষ্টিৰ সকলোধৰণৰ প্ৰচেষ্টা চলাই আছে। এই উদ্দেশ্যে, তেওঁলোকে শিক্ষামূলক প্ৰতিষ্ঠানসমূহৰ পৰিধি বিস্তৃত কৰিছে। উদাহৰণস্বৰূপে, মিছৰত ১৯৫১ চনৰ ৫৩,০০০ ছাত্ৰ সংখ্যাৰ পৰা ১৯৬৩৮ চনৰ আৰম্ভণিত ১,৪৫,৬০০ পায় গৈ। এফ্ৰো-এছীয় দেশসমূহৰ পৰা বহু ছাত্ৰই বিদেশত তেওঁলোকৰ উচ্চতৰ আৰু মাধ্যমিক শিক্ষা লবলৈ ধৰিছে।

সদ্য স্বাধীন দেশসমূহৰ জনগণৰ মাজত অস্বাভাৱিক উচ্চ হাৰৰ নিৰক্ষৰতাই ৰাজনীতিত আৰু বৈপ্লৱিক পৰিবৰ্তন সাধনৰ কামত বুদ্ধিজীৱীসকলৰ ভূমিকা বিশেষভাবে বিৰাট কৰি তুলিছে। এই দেশসমূহৰ বহুতত, বুদ্ধিজীৱীসকলৰ লোকবোৰে চৰকাৰী যন্ত্ৰত, শাসক দলত আৰু ৰাজহুৱা প্ৰতিষ্ঠানবোৰত নেতৃত্বশীল পদবিলাক দখল কৰি আছে। সদ্য স্বাধীন দেশবোৰত বুদ্ধিজীৱীশ্ৰেণীৰ বৃহৎ অংশৰে সামাজিক গঠন প্ৰকৃতি জনসাধাৰণৰ স্বচ্ছল স্তৰৰ পৰা আহিছে। তথাপি কেৱল নিজা মূল সমাজভিত্তিয়েই তেওঁলোকৰ ৰাজনৈতিক ৰূপান্তৰ নিৰ্দ্ধাৰিত নকৰে। এইটো সুপৰিজ্ঞাত ঘটনা যে মাৰ্ক্সবাদী আৰু প্ৰতিক্ৰিয়াবাদীসকলৰ উভয় পক্ষৰ মানুহবোৰেই একে সামাজিক পৰিবেশৰ পৰা আহিছে।

এছিয়া আৰু আফ্ৰিকাৰ সদ্য স্বাধীন দেশসমূহত সামগ্ৰিকভাৱে বুদ্ধিজীৱীসকলৰ বৈশিষ্ট্য হ'ল এক সাম্ৰাজ্যবাদবিৰোধী দৃষ্টিভঙ্গী-জনক। ঔপনিবেশিক শাসন কালত জাতীয় বুদ্ধিজীৱীসকলে বিভিন্ন ধৰণৰ বৈষম্যমূলক আচৰণত (জাতিগত, ৰাষ্ট্ৰগত, ইত্যাদি) জুৰুলা হোৱাই প্ৰধানতঃ ইয়াৰ কাৰণ। সেই যুগৰ চৰকাৰী যন্ত্ৰসমূহত থকা প্ৰধান প্ৰধান বাববোৰ ঔপনিবেশিক প্ৰশাসকৰ নিজ নিজ দেশৰ পৰা অহা প্ৰতিনিধিসকলে দখল কৰি ৰাখিছিল। ইসকলে স্থানীয় বুদ্ধিজীৱীসকলক এটা অসম অৱস্থাত থৈ দিছিল। জাতীয় বুদ্ধিজীৱীসকলে তেওঁলোকৰ নিজ নিজ দেশৰ স্বাধীন বিকাশ আৰু আন্তৰ্জাতিক ক্ষেত্ৰত দুটি সামাজিক অৰ্থনৈতিক ব্যৱস্থাৰ ক্ৰমবৰ্দ্ধমান সংগ্ৰামৰ পৰিস্থিতিত তেওঁলোকে গুৰুত্বপূৰ্ণ ভূমিকা লোৱাৰ অনিবাৰ্য্যতা বুজিব পাৰে। প্ৰকৃততে, বিপ্লৱী-গণতন্ত্ৰীসকলৰ অধিকাংশই। সাধাৰণ মানুহৰ মাজৰ পৰাই অহিছে। এওঁলোক হৈছে প্ৰকৃত সাম্ৰাজ্যবাদ বিৰোধিতা আৰু প্ৰগতিবাদী সামাজিক ৰূপান্তৰৰ প্ৰৱক্তা। আজিৰ জাতীয় গণতন্ত্ৰীসকল হৈছে জাতীয় বুদ্ধিজীৱীদলৰে লোক, যি সকলে ঔপনিৱেশিক নিৰ্য্যাতনৰ আৰু সামাজিক নিষ্পেষণৰ পূৰ্ণ বোজা বহনৰ অভিজ্ঞতা লাভ কৰিছে আৰু যি সকল স্বয়ং চহৰ আৰু গাওঁৰ কৃষক সমাজ অথবা পেটি-বুৰ্জ্জোৱা আৰু অধ-সৰ্বহাৰা স্তৰৰ পৰা আহিছে। তেওঁলোকে ব্যাপক সামাজিক চক্ৰৰ স্বাৰ্থৰ প্ৰতিফলন কৰে আৰু চহৰ আৰু গাৱঁৰ পেটি-বুৰ্জ্জোৱা স্তৰ, শ্ৰমিক আৰু কৃষক তথা মজলীয়া বুৰ্জ্জোৱাশ্ৰেণীৰ সাম্ৰাজ্যবাদ বিৰোধীসকলৰ সমন্বয়ে গঠিত জাতীয় মোৰ্চাত (ফ্ৰণ্ট) নেতৃত্বশীল ভূমিকা গ্ৰহণ কৰে। গতিকে, তেওঁলোকৰ সামাজিক আচৰণৰ বিচাৰত, সমাজবাদ-ৰূপান্তৰমুখী ৰাষ্ট্ৰসমূহক প্ৰগতিবাদী মজলীয়া পেটি-বুৰ্জ্জোৱা স্তৰৰ এটি বিপ্লৱী একনায়কত্ব হিছাপে চিহ্নিত কৰিব পৰা যায়। ইবোৰে সাম্ৰাজ্যবাদ আৰু প্ৰতিক্ৰিয়াৰ বিৰুদ্ধে সংগ্ৰামত শ্ৰমজীৱী জনগণৰ ওপৰত

আস্থা ৰাখে। জাতীয় বুৰ্জোৱাৰ বিভিন্ন স্তৰৰ সম্পৰ্কে বেলেগ বেলেগ দৃষ্টিভঙ্গী লব লাগিব। অপুঁজিবাদী বিকাশৰ পৰা লব্ধ অভিজ্ঞতাই দেখুৱায় যে জাতীয় বুৰ্জোৱাৰ ওপৰৰ মহলত সাম্ৰাজ্যবাদৰ লগত বুজা বুজিৰ ফালে এটা প্ৰৱণতা বৰ্ত্তি থাকে, পক্ষান্তৰে মজলীয়া আৰু বিশেষতঃ পেটি-বুৰ্জোৱাসকলে অপুঁজিবাদী বিকাশৰ প্ৰথম পৰ্য্যায়ত সাধাৰণ গণতান্ত্ৰিক, সাম্ৰাজ্যবাদ বিৰোধী আৰু সামন্তবাদ বিৰোধী ব্যৱস্থাৱলী সম্পাদনত আগ্ৰহ দেখুৱায়।

লেনিনে সাম্ৰাজ্যবাদী দেশসমূহৰ বুৰ্জোৱা-শ্ৰেণী আৰু এছিয়া আফ্ৰিকাৰ দেশসমূহৰ জাতীয় বুৰ্জোৱা শ্ৰেণীৰ মাজত মৌলিক পাৰ্থক্য দেখুৱাই দিছিল। শেষোক্তসকলে সাম্ৰাজ্যবাদৰ ঔপনিৱেশিক প্ৰভুত্বৰ অৱস্থাত শ্ৰেণী হিছাপে গঢ় লয়; উক্ত দেশবোৰত প্ৰভাৱশীল ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থানসমূহৰ হস্তগত কৰে আৰু শক্তিশালী আৰু অন্যান্য প্ৰাক্-পুঁজিবাদী অৱশিষ্টাংশবোৰে জাতীয় পুঁজি গঠনত বাধা দিয়া কামো চলি থাকে। গতিকে স্থানীয় বুৰ্জোৱাসকলৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক স্বাধীনতাৰ বাবে আকাঙ্ক্ষা ব্যক্ত কৰে। এই আকাঙ্ক্ষাই এফালে জাতীয় বুৰ্জোৱাসকল আৰু আন আন সাম্ৰাজ্যবাদ আৰু সামন্তবাদৰ মাজত তীব্ৰ আৰু বাস্তৱ বিৰোধ বৃদ্ধি কৰে। একে সময়তে স্থানীয় বুৰ্জোৱাসকলে দু'ভাগত বিভক্ত হোৱাৰ ফালে ঢাল খায়: এভাগ সাম্ৰাজ্যবাদৰ সমৰ্থক আৰু আন ভাগ জাতীয় সাম্ৰাজ্যবাদৰ সমৰ্থক স্থানীয় বুৰ্জোৱা সকলৰ অংশটোৱে দেশৰ জনগণক শোষণৰ বাবে সাম্ৰাজ্যবাদৰ লগত মৈত্ৰী স্থাপন কৰে। এক প্ৰতিবিপ্লৱী, জাতীয় বিৰোধী শক্তি হৈ পৰে যি শক্তিয়ে কেৱল সমাজবাদমুখী ৰূপান্তৰৰ বিৰোধিতাই নকৰে, দেশৰ ভিতৰত বিদেশী মূলধনৰ ওপৰত যি কোনো ধৰণৰ প্ৰতিবন্ধকতাৰো বিৰোধিতা কৰে। জাতীয় বুৰ্জোৱাসকলৰ এটা অংশই জাতীয় ধনতন্ত্ৰৰ বিকাশ বিচাৰে,

অথচ সেই অংশটোৱে প্ৰথম পৰ্য্যায়ৰ সাধাৰণ গণতান্ত্ৰিক আৰু সাম্ৰাজ্যবাদ বিৰোধী ব্যৱস্থাৱলীৰ সেই পৰিমাণেহে সমৰ্থন কৰে, যি পৰিমাণে সেই ব্যৱস্থাৱলীয়ে তেওঁলোকৰ সাম্ৰাজ্যবাদী এক-চেটিয়াহঁতৰ অৰ্থনৈতিক হেঁচা আৰু বিদেশী আৰু স্থানীয় পুঁজিৰ প্ৰতিযোগিতাৰ পৰা ৰক্ষা কৰিব পাৰে। সাম্ৰাজ্যবাদ বিৰোধী বিপ্লৱৰ প্ৰথম স্তৰত জৰুৰী জাতীয় কৰ্ত্তব্যসমূহৰ সমাধানত জাতীয় বুৰ্জোৱাসকলৰ কিছুমান স্তৰৰ বিপ্লৱী সম্ভাৱনা আৰু সক্ষমতা ইয়াৰ দ্বাৰা সূচিত কৰে।

জাতীয় বুৰ্জ্জোৱাসকলৰ জাতীয় মুক্তি আন্দোলনত ভূমিকাৰ চাৰিত্ৰিক বৈশিষ্ট্য আৰু এই বুৰ্জ্জোৱাসকলৰ সম্পৰ্কে মাৰ্ক্সীয় অৱস্থান ব্যাখ্যা কৰি লেনিনে লিখিছিল যে "এছিয়াৰ সকলোতে এক মহান্ গণতান্ত্ৰিক আন্দোলনে জন্ম লাভ কৰিবলৈ ধৰিছে, বিস্তৃত হৈ আছে আৰু শক্তি সঞ্চয় কৰি আছে। তাৰ বুৰ্জ্জোৱা-সকলে এতিয়াও প্ৰতিক্ৰিয়াৰ বিৰুদ্ধে জনগণৰ পক্ষ গ্ৰহণ কৰি আছে।"* গতিকে "এছিয়াত এতিয়াও একনিষ্ঠ, সংগ্ৰামী, নিৰ্ভেজাল গণতন্ত্ৰৰ প্ৰৱক্তা ৰূপে এক বুৰ্জ্জোৱাশ্ৰেণী আছে।"** তদুপৰি লেনিনে কৈছিল: "নিৰ্য্যাতিত দেশসমূহৰ বুৰ্জ্জোৱাসকলে নিৰ্য্যাতন-কাৰীসকলৰ বিৰুদ্ধে যিমান দূৰ সংগ্ৰাম কৰে, আমি সিমান দূৰ সদায়, প্ৰতি ক্ষেত্ৰতে, অন্য সকলোতকৈ অধিক দৃঢ়তাৰে, তেওঁলোকৰ পক্ষ গ্ৰহণ কৰো, কাৰণ, আমি হৈছো নিৰ্য্যাতনৰ বিশ্বস্ততম আৰু অত্যধিক অবিচলিত শত্ৰু।"[৯] "সমাজবাদীসকলে," লেনিনে জোৰ দি কৈছিল, "এইবোৰ দেশত জাতীয় মুক্তিৰ কাৰণে বুৰ্জ্জোৱা-গণতান্ত্ৰিক আন্দোলনত থকা অধিক বিপ্লৱীসকলক দৃঢ়চিত্ত সমৰ্থন জনাব লাগিব আৰু তেওঁলোকক নিৰ্য্যাতন কৰা সাম্ৰাজ্যবাদী

*ভ. ই. লেনিন, "পশ্চাৎপদ ইউৰোপ আৰু অগ্ৰসৰ এছিয়া" ৰচনা সংকলন খণ্ড নং ১৯, পৃঃ ৯৯-১০০

**ভ. ই. লেনিন, "চীনত গণতন্ত্ৰ আৰু নাৰদ্‌নিজম," ৰচনা সংকলন, খণ্ড নং ১৮, পৃঃ ১৬৩

শক্তিবোৰৰ এটিৰ বিৰুদ্ধে অভ্যুত্থান অথবা বিপ্লৱী যুদ্ধত সহায়তা দিব লাগিব।”*

যি জাতীয় গণতান্ত্রিক বিপ্লৱসমূহে এছিয়া আৰু আফ্রিকাৰ জনগণক অপুঁজিবাদী বিকাশৰ পথলৈ আনিবলৈ ধৰিছে সেই সমূহৰ জাতীয় বুৰ্জোৱাসকলৰ নেতৃত্বৰ শক্তিত হোৱা বিপ্লৱ সমূহৰ লগত তুলনামূলক নতুন সামাজিক বৈশিষ্ট্য আছে। সেটি বুৰ্জোৱা স্তৰ আৰু শ্ৰমজীবীজনগণৰ সকলো স্তৰে সেইবিলাকত মূলগতভাৱে ভিন্ন আৰু অধিক সক্রিয় ভূমিকা পালন কৰে। এই বিপ্লৱসমূহে যি প্রগতিকামী ৰূপান্তৰৰ বৃদ্ধি ঘটায় যি অধিক ব্যাপক গণতান্ত্রিক চৰিত্রৰ, আৰু যিবিলাকে সামাজিক বিকাশৰ যি ভবিষ্যৎ সম্ভাৱনা মুকলি কৰে যি মূলগতভাৱে বেলেগ আৰু অধিক অগ্রণী উপাদানযুক্ত।

উন্নয়নশীল দেশসমূহত সামৰিক বাহিনীয়ে এক সক্রিয় ভূমিকা গ্রহণ কৰে। অপুঁজিবাদী বিকাশৰ অভিজ্ঞতাই স-প্রমাণ কৰিছে যে মিছৰ, আলজিৰিয়া, বৰ্মা, ছিৰিয়া, ইৰাক আৰু অন্যান্য দেশত সামৰিক বাহিনীয়ে জাতীয় গণতান্ত্রিক বিপ্লৱ গভীৰতৰ কৰাৰ লক্ষ্য সাধনৰ ৰাজনৈতিক সংগ্রামত সামৰিক বাহিনী এক গুৰুত্বপূর্ণ প্রগতিশীল উপাদান হব পাৰে। ছিৰিয়াৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্রীয় কমিটিৰ সাধাৰণ সম্পাদক খালেদ বাগদাচে লিখিছে: “সামৰিক বাহিনীৰ নিয়ন্ত্রণত থকা মজলীয়া স্তৰৰ বিষয়াসকলেই হৈছে একমাত্র সংগঠিত আৰু সশস্ত্র শক্তি। গতিকে, ইয়াত আচৰিত হবলগীয়া একো নাই যে তেওঁলোকে মুখ্য আৰু অত্যন্ত সক্রিয় ভূমিকা পালন কৰিছে।”**

---

*ভ. ই. লেনিন, “সমাজবাদী বিপ্লৱ আৰু জাতিসমূহৰ আত্মনিয়ন্ত্রণৰ অধিকাৰ,” ৰচনা সংকলন, খণ্ড নং ২২, পৃঃ ১৫১-৫২

**ওৱাৰ্ল্ড মাৰ্ক্সিষ্ট ৰিভিউৰ, ১৯৬৪ চনৰ খণ্ড নং ৭'৫'৮, সংখ্যাৰ ৫২ পৃষ্ঠাত খালেদ বাগদাচে লিখা “জাতীয় মুক্তি আন্দোলনৰ ক্ষেত্রবোৰ সমস্যা”

তথাপি, এইটো মনত ৰাখিব লাগিব যে উন্নয়নশীল দেশত সামৰিক বাহিনীয়ে ঘটোৱা 'কু' (Coup) আভ্যন্তৰিণ ৰাজনৈতিক পৰিস্থিতি আৰু বিভিন্ন বৈদেশিক আৰু আভ্যন্তৰিণ সামাজিক শক্তিসমূহৰ পাৰস্পৰিক সম্পৰ্কৰ ওপৰত নিৰ্ভৰ কৰি প্ৰগতিশীল নাইবা প্ৰতিক্ৰিয়াশীলো হব পাৰে। উদাহৰণস্বৰূপে মিছৰ, বৰ্মা আৰু ছিৰিয়াত অগ্ৰগামী ৰূপান্তৰৰ সমৰ্থনত সামৰিক বাহিনীৰ প্ৰগতিশীল অংশটোৱে কৃষকশ্ৰেণী আৰু অন্যান্য পেটি'-বুৰ্জোৱা স্তৰৰ লগত জোঁট গঠন কৰে, পক্ষান্তৰে ব্ৰাজিল, জাইৰে, ইন্দোনেছিয়া আৰু ঘানাৰ সামৰিক 'কু' (Coup) গণতান্ত্ৰিক শক্তিসমূহৰ বিৰুদ্ধে চালিত হয়।

ছোভিয়েত পণ্ডিত জি, আই, মিৰস্কিয়ে সামৰিক 'কু' (Coup) ঘটাৰ নিম্নলিখিত উৎপাদনসমূহৰ নামোল্লেখ কৰিছে।

"— মূলতঃ জাতীয়তাবাদী চৰিত্ৰৰ ব্যাপক অসন্তুষ্টিৰ অস্তিত্ব শাসক চক্ৰৰ সাম্ৰাজ্যবাদৰ প্ৰতি সহযোগিতাৰ নীতি (বিধিমতে, গুৰুত্বপূৰ্ণ সামাজিক সংস্কাৰ সাধনত অনিচ্ছাৰ লগতো সম্পৰ্কিত) আৰু শাসকসকলৰ বিৰুদ্ধে এটি শক্তিশালী আৰু সংগঠিত অসামৰিক বিৰোধিতাৰ অনুপস্থিতি। মিছৰ আৰু ইৰাকত এইটোৱেই আছিল মূল উপাদান।

"— জৰুৰী আভ্যন্তৰিণ সমস্যাৰ সমাধান আৰু অচলাৱস্থাৰ পৰা দেশোদ্ধাৰ কৰাৰ অক্ষমতাৰ পৰা উদ্ভূত এটি স্থায়ী আভ্যন্তৰিণ ৰাজনৈতিক সংকটৰ অস্তিত্ব (যেনে বৰ্মা);

"— অত্যাচাৰী শাসনৰ কঠোৰতা আৰু বৰ্বৰতা পূৰ্ণ আচৰণৰ লগত শিক্ষিত মহলৰ লগত অসন্তুষ্টি;

"— সাধাৰণতঃ দুৰ্নীতিপূৰ্ণ আৰু সহানুভূতিহীন অপদাৰ্থ অসামৰিক চৰকাৰ আৰু জনগণৰ মাজত মোহমুক্তি"* ....

*উন্নয়নশীল দেশসমূহত শ্ৰেণীসমূহ আৰু শ্ৰেণী সংগ্ৰাম, খণ্ড নং ১, মস্কো, ১৯৬৭, পৃঃ ৩৪১ (ৰুছ সংস্কৰণ)।

সমাজবাদ-ৰূপান্তৰমুখী দেশএখনত কাৰ্য্যৰত পৰিচালিকা শক্তিসমূহৰ মূল্যায়ন কৰোঁতে যি আভ্যন্তৰিণ আৰু আন্তৰ্জাতিক পৰিস্থিতিত দেশখনে অপুঁজিবাদী পথেৰে আগ বাঢ়ে তাৰ ভিতৰৰ কিছুমান উপাদানৰ সম্পৰ্কেও বুজ লোৱাৰ কথা মনত ৰাখিব লাগিব। এক অথবা অন্য সামাজিক গোট অথবা স্তৰৰ ভিতৰত পুঁজিবাদবিৰোধী মনোভাৱ আৰু সমাজবাদী ভাৱধাৰাৰ উদ্ভৱ হোৱাৰ বহু উপাদানমূলক কাৰণ আছে।

সাম্ৰাজ্যবাদ আৰু ইয়াৰ অতি দানবীয় প্ৰকাশ ঔপনিৱেশিকতাৰ বিৰুদ্ধে পৰিচালিত জাতীয় মুক্তি আন্দোলনে ভূতপূৰ্ব্ব উপনিৱেশ আৰু অৰ্দ্ধ-উপনিৱেশবোৰৰ ব্যাপক স্তৰৰ মানুহক ৰাজনৈতিক কাৰ্য্যকলাপত জাগ্ৰত কৰি তোলে। ফল স্বৰূপে, কৃষকশ্ৰেণীৰ জনগণে, বুদ্ধিজীৱী লোকসকলে আৰু জনগণৰ অন্যান্য স্তৰে পুঁজিবাদ আৰু সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সংগ্ৰামত প্ৰত্যক্ষভাৱে অংশ গ্ৰহণ কৰিবলৈ ধৰে

এতিয়া তেওঁলোকে স্বাধীনতা পাইছে, যদিও উন্নয়নশীল দেশসমূহৰ জনগণে প্ৰতিনিয়ত নয়া-ঔপনিৱেশিকতাবাদৰ বিভিন্ন ৰূপৰ সন্মুখীন হৈছে—যি নয়া-ঔপনিৱেশিকবাদে সদ্য স্বাধীন দেশবিলাকৰ অৰ্থনৈতিক পৰাধীনতা, বিশ্ব-পুঁজিবাদী বজাৰত অসমতাপূৰ্ণ আৰু নিৰ্ভৰশীল অৱস্থা সংৰক্ষিত কৰাৰ প্ৰচেষ্টা চলাই থাকে, লগে লগে বিভিন্ন ধৰণৰ পুঁজি ৰপ্তানি আৰু সামঞ্জস্যহীন বিনিয়োগ যোগে দস্যুবৃত্তি আৰু শোষণ চলাই থাকে। এই দেশবিলাকত এইবোৰে ক্ৰমবৰ্দ্ধিত হাৰে ব্যাপক সাম্ৰাজ্যবাদবিৰোধী মনোভাৱৰ বৃদ্ধি ঘটায়।

এই উপাদানমূলক ঘটনা সমূহৰ প্ৰভাৱত আৰু উন্নয়নশীল দেশসমূহত অৰ্থনৈতিক আৰু ৰাজনৈতিক প্ৰচেষ্টাৰ প্ৰভাৱত কৃষকশ্ৰেণীৰ বৃহৎ স্তৰ, চহৰৰ পেটি বুৰ্জোৱা, বুদ্ধিজীৱীশ্ৰেণী আৰু জনগণৰ অন্যান্য শ্ৰমজীৱীস্তৰে পুঁজিবাদবিৰোধী অৱস্থান গ্ৰহণ কৰিবলৈ ধৰিছে।

অ-পুঁজিবাদী পথেদি সফল বিকাশৰ কাৰণে ব্যাপক জনগণে তেওঁলোকৰ বৈপ্লৱিক প্ৰেৰণা ধাৰণ কৰি থকা অত্যন্ত জৰুৰী ; আৰু এইটো সুনিশ্চিত হয় যদি তেওঁলোকে অৰ্থনৈতিক সামাজিক আৰু সাংস্কৃতিক পৰিবৰ্তনত সক্ৰিয় অংশ গ্ৰহণ কৰে। আফ্ৰিকা-এছিয়াৰ সমাজবাদ ৰূপান্তৰমুখী দেশসমূহৰ ক্ষেত্ৰত জনগণৰ ঐতিহাসিক আৰু জটিল ভূমিকা সম্পৰ্কে মাৰ্ক্সবাদী লেনিনবাদী শিক্ষা সম্পূৰ্ণৰূপে প্ৰযোজ্য।

এই শিক্ষাক মিছা বুলি প্ৰমাণ কৰাৰ কাৰণে সমাজবাদী ৰূপান্তৰৰ শত্ৰুসকলে ঘানাক দৃষ্টান্তস্বৰূপে স্থাপন কৰে, য'ত ১৯৬৬ চনৰ ফেব্ৰুৱাৰী মাহত প্ৰতিবিপ্লৱী 'কু'ৰ প্ৰতি জনসাধাৰণে নিৰ্লিপ্ততাৰ ভাৱ গ্ৰহণ কৰিছিল। তথাপি, তেওঁলোকে এই নিৰ্লিপ্ততাৰ কাৰণসমূহ প্ৰকাশ নকৰে, যাৰ গুৰিতে আছিল সৰ্বোপৰি ভূতপূৰ্ব কনভেনছন পিপ্‌লচ পাৰ্টিৰ ভুলসমূহ। দেশৰ ভিতৰত কোনো শ্ৰেণীবিৰোধ নাই। ঘানাৰ সকলো সামাজিক স্তৰ আৰু শ্ৰেণীৰ অৰ্থনৈতিক আৰু সামাজিক স্বাৰ্থৰ ঐক্য আছে প্ৰভৃতি পাৰ্টিৰ দাবীয়ে জনগণক বিপথে চালিত কৰিছিল। প্ৰকৃততে ঘানাত অ-পুঁজিবাদী বিকাশৰ পথেদি জনগণক নেতৃত্ব দিব পৰা ধৰণৰ কোনো শ্ৰেণী ভিত্তিক পাৰ্টি নাছিল। সমাজবাদৰ কাৰণে শুদ্ধ আৰু স্পষ্ট সংগ্ৰামৰ নীতিয়ে সদায় জনগণৰ পৰা প্ৰচণ্ডতম সমৰ্থন লাভ কৰে।

মালিত, ১৯৬৭ চনত, অপুঁজিবাদী বিকাশৰবিৰোধী, দক্ষিণপন্থী ব্যক্তিবোৰে পাৰ্টি আৰু চৰকাৰৰ বামপন্থী নেতৃত্বক আক্ৰমণ কৰি গোপন ইস্তাহাৰ বিলি কৰিবলৈ ধৰে। এই বিচ্ছিন্ন প্ৰতিক্ৰিয়াবাদীসকলৰ প্ৰত্যুত্তৰত যুৱক, ট্ৰেড ইউনিয়ন, আৰু সৈন্যবাহিনীৰ সমাবেশ শোভাযাত্ৰা হয় ক্ৰমান্বয়ে এটি সমাজবাদী সমাজৰ ভিত্তি স্থাপনৰ নীতিৰ প্ৰতি জনগণৰ আনুগত্য পূৰ্ণব্যক্ত হয়। অৱশ্যে, য'তিবো কেইতাই কিছুমান অগণতান্ত্ৰিক

ব্যৱস্থা লোৱাৰ লগে লগে (ইউনিয়ন চুভানিজ পার্টি ৰাজনৈতিক ব্যুৰো ভাঙি দিয়া ইত্যাদি) তেওঁ জনগণৰ আস্থা হেৰুৱাবলৈ ধৰে।

এছিয়া আৰু আফ্রিকাৰ সমসাময়িক সমাজৰ বহু শ্রেণী আৰু সামাজিক স্তৰ যথা শ্রমিক, কৃষক, নগৰৰ পেটি-বুর্জোৱা প্রগতিশীল বুদ্ধিজীৱী আৰু অন্যান্যসকল অপুঁজিবাদী বিকাশ সম্পর্কে গভীৰভাৱে আগ্রহান্বিত। শ্রেণী সংগ্রামৰ প্রক্রিয়াত সাম্রাজ্যবাদ সমর্থক প্রতিক্রিয়াশীল শক্তিসমূহৰ ওপৰত তেওঁলোকে বিপুল সুবিধাজনক অৱস্থান কৰি লব পাৰে আৰু সমাজবাদী বিপ্লৱৰ পিনে উৎক্রমণৰ বাবে প্রয়োজনীয় বৈষয়িক আৰু ৰাজনৈতিক চৰ্ত্তবোৰৰ সৃষ্টিৰ উদ্দেশ্য লৈ প্রভূত সামাজিক অর্থনৈতিক পৰিবৰ্ত্তনাদি আদায় সুনিশ্চিত কৰিব পাৰে।

জাতীয় গণতন্ত্র আৰু বৈজ্ঞানিক সমাজতন্ত্র

জাতীয় গণতান্ত্রিক শক্তিবোৰে অপুঁজিবাদী বিকাশৰ পথেদি শেষ পর্য্যন্ত চলিব পাৰেনে আৰু সমাজবাদী সমাজ নির্মাণলৈ উৎক্রমণৰ বাবে প্রয়োজনীয় চৰ্ত্ত সৃষ্টি কৰিব পাৰেনে? মঙ্গোলিয়াৰ অভিজ্ঞতাই পাৰে বুলি কয়। ১৯২১ চনত এক মঙ্গোলীয় প্রতিনিধিৰ লগত কথা পাতোঁতে, লেনিনে উল্লেখ কৰিছিল যে প্রধান যিটো বস্তুৱে অপুঁজিবাদী বিকাশলৈ উৎক্রমণক সুনিশ্চিত কৰিব সেইটো হ'ল পিপ,ল্‌চ ৰিভলিউশ্যনেৰী পার্টি আৰু চৰকাৰৰ ফালৰ পৰা সমবায়সমূহ গঢ়ি তোলাৰ ব্যৱস্থা আৰু জাতীয় সংস্কৃতিৰ প্রচলন, আৰু পার্টি আৰু চৰকাৰৰ চাৰিওফালে 'আৰাতবিলাক'ক সমবেত কৰা ইত্যাদি কামৰ তীব্রতা। ফলত

পশুপালন কৰি জীয়াই থকা মঙ্গোলীয়াত নতুন অপুঁজিবাদী অৰ্থনীতিয়ে গঢ় লয়, 'পাৰ্টি আৰু চৰকাৰৰ' প্ৰভাৱাধীনত, নতুন এটি অৰ্থনৈতিক গাঁথনিৰ সৰু সৰু দ্বীপৰ মাজৰ পৰাহে ইয়াৰ প্ৰতিষ্ঠা হয়।

মঙ্গোলীয় প্ৰনিনিধি দলৰ, "পিপল্‌চ ৰিভ'লিউশ্যনেৰী পাৰ্টি কমিউনিষ্ট পাৰ্টিত পৰিণত হয় পাৰিবনে?" প্ৰশ্নটিৰ প্ৰতি লেনিনে উত্তৰ দি কয় যে কমিউনিষ্ট পাৰ্টি হৈছে এটা সৰ্বহাৰাৰ পাৰ্টি আৰু সেই কাৰণে "পশুপালন উপাদানসমূহ এটা সৰ্বহাৰা জনতা হোৱাৰ আগতে বিপ্লৱীসকলে ৰাষ্ট্ৰৰ আৰু অৰ্থনৈতিক আৰু সাংস্কৃতিক বিকাশৰ কাৰণে প্ৰচুৰ কাম কৰিব লাগিব; যি ঘটনাক্ৰমে পিপল্‌চ ৰিভ'লিউশ্যনেৰী পাৰ্টিক কমিউনিষ্ট পাৰ্টিলৈ "ৰূপান্তৰিত" কৰাত সহায় কৰিব পাৰে। কেৱলমাত্ৰ চাইন-বোৰ্ডৰ পৰিবৰ্তন ক্ষতিকাৰক আৰু বিপজ্জনক।"*

লেনিনৰ এই ভাৱধাৰাসমূহ আৰু মাঙ্গোলীয়াই সঞ্চয় কৰা অভিজ্ঞতা সমাজবাদী-ৰূপান্তৰমুখী এফ্ৰো-এছিয় দেশসমূহৰ কাৰণে অত্যধিক গুৰুত্বপূৰ্ণ, বিশেষতঃ সেইবোৰ দেশৰ কাৰণে—যি বোৰে মঙ্গোলীয়াই কৰাৰ দৰে সাধাৰণভাৱে একে স্তৰতে সামাজিক অৰ্থনৈতিক বিকাশ আৰম্ভ কৰিবলৈ ধৰিছে। এই অভিজ্ঞতাই আমাক কৈ দিয়ে যে অৰ্থনৈতিকভাৱে অনগ্ৰসৰ দেশসমূহৰ অপুঁজিবাদী বিকাশৰ পথলৈ উৎক্ৰমণ বিপ্লৱী গণতান্ত্ৰিক পাৰ্টিসমূহৰ নেতৃত্বত আৰম্ভ হয়, যি পাৰ্টিসমূহৰ সভ্যসকল জনগণৰ স্বাৰ্থৰ প্ৰতি অনুগত থাকে।

বৰ্ত্তমান সময়ত বিপ্লৱী গণতান্ত্ৰিক পাৰ্টিসমূহ গঠন প্ৰক্ৰিতিৰ ফালৰ পৰা বৰ বাৰ-মিহলি। এই প্ৰশ্ন সংক্ৰান্তত এগৰাকী চোভিয়েত অধ্যয়নকাৰী জি, বি, ষ্টাকশেক্কোৱে লক্ষ্য কৰিছে যে

---

*ভ. ই. লেনিন, "পলিট ব্যুৰোৰ কাৰণে খচৰা সিদ্ধান্ত।" ৰচনা সংকলন, খণ্ড নং ৩২, পৃ ৩৬১

উক্ত পাৰ্টিবিলাকত প্ৰভাৱশীল জননেতাসকল, উচ্চ পদাধিকাৰী চৰকাৰী বিষয়াসকল, বুদ্ধিজীৱী লোকসকল আৰু সামৰিক বিষয়াসকল থাকিলেও, চহৰৰ পেটি বুৰ্জোৱা খৰ, কৃষকশ্ৰেণী, শ্ৰমিকসকল আৰু ছাত্ৰ জনসংখ্যাৰ বৃহসংদশ হৈছে দলসমূহৰ সভ্যসংখ্যাৰ মূল ভিত্তি।

তেওঁ উল্লেখ কৰি দেখুৱায় যে এই পাৰ্টিসমূহ পূৰ্ণতঃ সমাজবাদী ৰূপান্তৰৰ দৃঢ় সমৰ্থক সকলোৰে গঠিত নহয়; পাৰ্টি-বোৰৰ মাজত প্ৰায়েই এনেধৰণৰো সভ্য থাকে যি সকলে সমাজ-বাদী আদৰ্শৰ বিৰোধিতা কৰে আৰু প্ৰগতিশীল পৰিবৰ্তন-সমূহৰ প্ৰতি সম্পূৰ্ণ শত্ৰুতাপূৰ্ণ আচৰণ কৰে।

সমাজবাদী - ৰূপান্তৰমুখী সদ্য স্বাধীন দেশসমূহৰ বিৰুদ্ধে সাম্ৰাজ্যবাদে আদৰ্শগত কূটাঘাতৰ এক ব্যাপক সংগ্ৰাম পৰিচালনা কৰিছে। জাতীয় গণতন্ত্ৰীসকলে যি সমাজবাদী ধাৰণা পোষণ কৰে তাৰ প্ৰায় ক্ষেত্ৰত চৰা জাতীয়তাবাদী উচ্চ সুৰ থকা আৰু এছিয়া আৰু আফ্ৰিকাৰ জনসংখ্যাৰ অধিকাংশই ঐস্লামিক অথবা অন্যান্য ধৰ্মক মানে ইত্যাদি তথ্যাৱলীৰ ওপৰত গৱেষণা কৰি সাম্ৰাজ্যবাদৰ তত্ত্ববাগিশসকলে সম্ভাব্য সকলো ৰকমে এই ধাৰণা আৰু বিশ্বাসবোৰক বৈজ্ঞানিক সমাজবাদৰ বিৰোধিতাৰ কামত লগোৱাৰ যত্ন কৰে। এই ক্ষেত্ৰত কুৎসামূলক গল্প তৈয়াৰ কৰি বিস্তাৰ কৰে যে মাৰ্ক্সবাদী - লেনিনবাদীসকলে যি কোনো ধৰণৰ জাতীয়তাবাদৰ শত্ৰু আৰু যি কোনো অথবা সকলো ব্যক্তিগত সম্পত্তিৰ শত্ৰু।

বুৰ্জোৱা প্ৰচাৰযন্ত্ৰ আৰু প্ৰতিক্ৰিয়াবাদী লিখকসকলে কমিউনিষ্টসকলৰ সম্পৰ্কে আৰু মাৰ্ক্সবাদী - লেনিনবাদী শিক্ষা সম্পৰ্কে কৰা অসংখ্য কুৎসামূলক কল্পিত কাহিনী আছে, তাৰে ভিতৰত "কমিউনিষ্ট বিভীষিকা"ৰ কল্পিত কাহিনী সুদীৰ্ঘকাল ধৰি আৰু নিবলসভাৱে সাম্ৰাজ্যবাদী প্ৰচাৰ অভিযানে ৰটনা কৰি

আহিছে। এই স্ব-কপোল কল্পিত কাহিনীয়ে কমিউনিষ্টসকলক এছিয়া আৰু আফ্রিকাৰ, দেশসমূহৰ বৈধ চৰকাৰবোৰৰ বিৰুদ্ধে "ষড়যন্ত্রকাৰী" হিচাপে, উক্ত দেশসমূহত কমিউনিজম ৰপ্তানিৰ বাবে নিযুক্ত "দালাল" হিচাপে চিত্রিত কৰে।

উল্লেখযোগ্য যে কমিউনিষ্ট আন্দোলন আৰম্ভ হোৱাৰ দিনাৰে পৰা শান্তি আৰু প্রগতিৰ শত্রুসকলে নির্য্যাতন, দাসত্ব আৰু মানুহে মানুহক শোষণ কৰাৰ বিৰুদ্ধে সংগ্রামৰ উজ্জ্বল আদর্শ-সমূহৰ বিৰুদ্ধে বিৰামহীন যুদ্ধ চলাই আহিছে। মহান্ অক্টোবৰ সমাজতান্ত্রিক বিপ্লৱৰ ফলশ্রুতি হিচাপে শ্রমিক আৰু কৃষকসকলৰ ছোভিয়েত ৰাষ্ট্ৰৰ জন্মলগ্নৰ পৰা কমিউনিজম বিৰোধিতাই ছোভিয়েত বিৰোধিতাক অবিচ্ছেদ্য অঙ্গ কৰি পেলায়—সাম্রাজ্যবাদী আৰু প্রতিক্রিয়াশীলসকলে ছোভিয়েত ইউনিয়নৰ আভ্যন্তৰিণ আৰু বৈদেশিক নীতি আৰু ইয়াৰ সমাজবাদী ব্যৱস্থাৰ বিৰুদ্ধে উন্মত্ত সংগ্রাম চলায়। কমিউনিজমৰ বিৰোধিতা আৰু ছোভিয়েত বিৰোধিতা হৈছে বিষাক্ত হাতিয়াৰ যাৰে সাম্রাজ্যবাদীবোৰে উন্নয়নশীল দেশ-সমূহৰ বিপ্লৱী-গণতান্ত্রিক শক্তিসমূহৰ বিশ্ব সমাজবাদ আৰু আন্ত-র্জাতিক কমিউনিষ্ট আন্দোলনৰ লগত গঢ়ি উঠা মৈত্রী দুর্বল কৰাৰ চেষ্টা চলায়, যি মৈত্রীয়ে সদ্য-স্বাধীন দেশবোৰৰ সমাজতন্ত্রৰ পিনে সফল বিকাশৰ প্রতিশ্রুতি দিয়ে। সাম্রাজ্যবাদে জাতীৰ গণতন্ত্রৰ বিৰুদ্ধে আৰু বৈজ্ঞানিক সমাজতন্ত্রৰ বিৰুদ্ধে আৰু মাৰ্ক্স্বাদী-লেনিন-বাদী প্রকৃত মনোভাৱ সংক্রান্ত যি বিষয়বোৰক এই কুটাঘাতৰ বিষয় হিচাপে বাছি লৈছে তাৰে কেতবোৰ আদর্শগত কুটাঘাতৰ বিশেষ বিশেষ উদাহৰণ আমি পৰীক্ষা কৰি চাওহঁক।

(ক) জাতীয়তাবাদৰ প্রতি মাৰ্ক্স্বাদী-লেনিনবাদী মনোভাব

পূর্বোক্ত অংশত আমি গুৰুত্ব দি কৈছো যে লেনিনে প্রভুত্বকাৰী জাতি এটাৰ জাতীয়তাবাদ আৰু নির্য্যাতিত জাতি এটাৰ জাতীয়তাবাদৰ

মাজত মৌলিক পাৰ্থক্য দেখুৱাইছে। বহু দশক জুৰি সাম্ৰাজ্যবাদীবিলাক আৰু তাহঁতৰ প্ৰচাৰ যন্ত্ৰই এছিয়া আৰু আফ্ৰিকাবাসীসকলৰ জাতীয়তাবাদ— নিৰ্য্যাতিত জাতিসমূহৰ জাতীয়তাবাদৰ ওপৰত এক অভিশাপমূলক প্ৰচাৰ চলাই আহিছে। সিহঁতে আনকি এনে প্ৰচাৰো কৰিছে যে এই জাতীয়তাবাদ "কমিউনিজমৰ ঔৰসজাত।" এতিয়া অৱশ্যে সাম্ৰাজ্যবাদী প্ৰচাৰে সম্পূৰ্ণ অন্য ধৰণে কয়; ই বৈজ্ঞানিক সমাজবাদক যিকোনো ধৰণৰ জাতীয়তাবাদৰ শত্ৰু বুলি অভিযুক্ত কৰে। আদৰ্শগত ৰণনীতি সম্পৰ্কত এমেৰিকান বিশাৰদবৃন্দ আৰ, ষ্ট্ৰাউচ্-হুপা আৰু টি, পাচোনিয়ে খোলাখুলি তেওঁলোকৰ প্ৰচাৰ কৰ্ত্তাসকলক কমিউনিজম আৰু জাতীয়তাবাদৰ "* মাজত সংঘৰ্ষত মনস্তাত্ত্বিক আক্ৰমণ কোবাল কৰাৰ পৰামৰ্শ দিয়ে। মাৰ্ক্সবাদ-লেনিনবাদে সদ্য স্বাধীন দেশসমূহৰ যিকোনো জাতীয়তাবাদৰ আপোচহীন শত্ৰু বুলি সাম্ৰাজ্যবাদৰ তত্ত্ববাগীশসকলে দাবী কৰে। এই ধৰণৰ সাম্ৰাজ্যবাদী প্ৰচাৰৰ কোবটোৰ কাৰণ কেনেকৈ ধৰা যায়?

জাতীয়তাবাদৰ প্ৰশ্নটো বিমূৰ্ত্তভাৱে বিবৃত কৰাৰ বিৰুদ্ধে লেনিনে সদাই সকীয়াই দিছিল; প্ৰশ্নটো বাস্তৱভাৱে চাবলৈ তেওঁ বিপ্লৱীসকলক শিক্ষা দিছিল। প্ৰভুত্বকাৰী জাতী'ৰ জাতীয়তাবাদৰ উদাহৰণ-স্বৰূপে ইংৰাজ জাতীয়ে বহু দেশৰ জনগণক ঔপনিবেশিক অধীনতাভুক্ত কৰিছিল। মনোভাৱ হৈছে অন্যান্য ৰাষ্ট্ৰ দখল কৰা আৰু বশীভূত কৰা। অৱশ্য তেনে ধৰণৰ জাতিৰ মাজতো এটা বিৰোধী প্ৰৱণতাও আছে যি কিছু পৰিমাণে বৃহৎ একচেটিয়া বুৰ্জোৱাসকলৰ জাত্যাভিমানী আৰু বিস্তাৰবাদী প্ৰচেষ্টাক পঙ্গু কৰি দিয়ে। এইটো জনাজাত যে ব্ৰিটিছ কমিউনিষ্টসকল আৰু অন্যান্য প্ৰগতিশীল

*আৰ. ষ্ট্ৰাউচ্-হুপা - ষ্টেফান টি. পাচোনি, গণতন্ত্ৰ আৰু একনায়কত্বৰ মাজত বিৰোধীৰ যুগত আন্তৰ্জাতিক সম্পৰ্ক, নিউ ইয়ৰ্ক, ১৯৫৪

শক্তিয়ে গ্ৰেট বৃটেইনৰ সাম্ৰাজ্যবাদী নীতিৰ বিৰোধিতা কৰি আহিছে আৰু কৰি আছে।

লেনিনে উল্লেখ কৰা মতে সাম্ৰাজ্যবাদৰ ধাৰা নিপীড়িত জাতিৰ জাতীয়তাবাদৰ (দৃষ্টান্তস্বৰূপে, যিবোৰ দেশ ঔপনিবিশিকতাবাদৰ পৰা মুক্ত হৈছে সেইবোৰ দেশৰ জাতীয়তাবাদ) দুটা দিশ আছেঃ এটা হৈছে প্ৰগতিশীল দিশ। এই দিশ বৈদেশিক আৰু যিকোনো ধৰণৰ জাতীয় নিপীড়নৰ পৰা মুক্তিৰ পথেদি ধাৱিত. আৰু আনটো হৈছে প্ৰতিক্ৰিয়াবাদী দিশ। এই দিশে জাতীয় বুৰ্জোৱাসকলৰ নিজা আৰু অন্য লোকসকলৰ ওপৰত প্ৰভুত্ব কৰাৰ ইচ্ছা ব্যক্ত কৰে।

লেনিনে এই স্ব-বিৰোধিতালৈ আঙুলিয়াই প্ৰাচ্যৰ জনগণৰ জাতীয়তাৰ প্ৰতি কমিউনিষ্টসকলক সতৰ্কতামূলক মনোভাৱ গ্ৰহণৰ শিক্ষা দিছিল। তেওঁ লিখিছিলঃ "আপোনালোকে আপোনালোকৰ কাম কাজৰ ভিত্তি কৰিব লাগিব সেই বুৰ্জোৱা জাতীয়তাবাদৰ ওপৰত যি বুৰ্জোৱা জাতীয়তাবাদ জাগ্ৰত হৈ আছে, আৰু জাগ্ৰত হবও, সেই সকলো জনগণৰ মাজত, যি সকলৰ ইয়াৰ ঐতিহাসিক ন্যায্যতা আছে।" [১০] লেনিনে জাতীয়তাবাদৰ কাৰণে কি ঐতিহাসিক ন্যায্যতা দেখা পাইছিল?

ঔপনিৱেশিক প্ৰভুত্ব ইয়াৰ লুণ্ঠন আৰু হিংসা. জাতীয় বৈষম্য আৰু প্ৰাচ্যৰ জনগণৰ সংস্কৃতিৰ অৱমাননা প্ৰভৃতিয়ে অৱধাৰিতৰূপে জাতীয়তাবাদৰ উৎপত্তি ঘটাইছে। ই ঔপনিবেশিক সম্প্ৰসাৰণৰ স্বাভাৱিক প্ৰতিক্ৰিয়াই আছিল আৰু জাতীয় স্বাধীনতাৰ বাবে সাধাৰণ সংগ্ৰামৰ বাবে নিপীড়িত জনগণৰ বিভিন্ন শ্ৰেণী আৰু সামাজিক গোটক ই ঐক্যবদ্ধ কৰে। সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামৰ স্তৰত, জাতীয়তাবাদে জনগণৰ স্বাৰ্থ ব্যক্ত কৰে। উদাহৰণ স্বৰূপে, ১৯৩১ চনত জেৰুজালেমত অনুষ্ঠিত

মহাসম্মিলনত (কংগ্রেছ) আৰৱ জাতিসমূহৰ ঐক্য ঘোষিত হয়, এওঁলোকৰ ওপৰত জাপি দিয়া বিভেদ মানি লবলৈ অস্বীকৃত হয়, আৰু পূর্ণ মুক্তি অর্জিত নোহোৱালৈকে ঔপনিবেশিকতাৰ বিৰুদ্ধে সকলো আৰৱবাসীৰ দৃঢ় সংকল্প প্ৰচাৰিত হয়।

নিপীড়িত জাতিসমূহৰ জাতীয়তাবাদ সাম্রাজ্যবাদ বিৰোধী গতি লোৱা কথাটো প্ৰথম যিজন মাক্স্ৰ্বাদীয়ে দেখা পাইছিল তেওঁ হল লেনিন, এফ্রো-এছিয় দেশসমূহক ৰাজনৈতিক স্বাধীনতা পোৱাত সাম্রাজ্যবাদ বিৰোধী জাতীয়তাবাদে এক গুৰুত্বপূর্ণ ভূমিকা লোৱাত সহায় কৰে। সেইবোৰ দেশত সাম্রাজ্যবাদ বিৰোধী জাতীয়তাৰ অন্তর্নিহিত বস্তু আজিও এটি গুৰুত্বপূর্ণ উপাদান।

কিন্তু জাতীয়তাবাদৰ চৰিত্র বিশ্লেষণত, লেনিনৰ "জাতীয়তাবাদে বিভিন্ন স্তৰৰ মাজেদি" পৰিপুষ্ট হোৱা মন্তব্যৰ পৰা দৃষ্টি আঁতৰালে নচলিব। দ্বিতীয় স্তৰত, যি স্তৰত এছিয়া আৰু আফ্রিকাৰ জনগণ তেওঁলোকৰ ৰাজনৈতিক ক্ষমতা সংহত কৰা আৰু অর্থনৈতিক স্বাধীনতা প্ৰতিষ্ঠা কৰে-তাৰ সংগ্রামত জাতীয় মুক্তি আন্দোলনৰ ভিতৰত শ্রেণীশক্তিসমূহৰ ভাৰসাম্য আৰু কর্মসূচীৰ চৰিত্রগত পৰিবর্ত্তন ঘটে। জাতীয় বুর্জোৱাসকলৰ প্ৰতিক্রিয়াশীল অংশই আৰু অন্যান্য শোষনকাৰীসমূহে ভাবে যে বিপ্লৱ শেষ হৈছে আৰু জনগণক শোষণ কৰি চহকী হোৱাৰ দিন আহিল। এই পৰিস্থিতিত সাম্প্রতিক নিপীড়িত হোৱা জাতিৰ জাতীয়তাবাদৰ প্ৰতিক্রিয়াশীল পক্ষটো ক্রমাগত আগশাৰীলৈ আহে। শোষণকাৰী শ্রেণীসমূহৰ — জাতীয়, আমোলাতান্ত্রিক বুর্জোৱাসকল আৰু সামন্তবাদী প্ৰভুসকলৰ সুদূৰপ্ৰসাৰী সামাজিক অর্থনৈতিক পৰিবর্ত্তন সাধনত অস্বীকৃতি আৰু এই পৰিবর্ত্তনৰ ক্ষেত্রত তেওঁলোকৰ কুটাঘাতমূলক কামেই মিছৰ, আলজিৰিয়া আৰু অন্যান্য সদ্য স্বাধীন দেশবোৰত কি ঘটিছে

তাৰ ছবি দাঙি ধৰে। শোষণকাৰী শ্ৰেণীসমূহৰ আদৰ্শস্বৰূপ জাতীয়তাবাদৰ সামাজিক চৰিত্ৰ আৰু শ্ৰেণীগত সীমাবদ্ধতাক ব্যক্ত কৰি লেনিনে আন্তৰ্জাতিক শ্ৰমিক শ্ৰেণীক সঁকীয়াই দি কৈছিল জাতীয় মুক্তি আন্দোলনৰ প্ৰতি তেওঁলোকৰ সমৰ্থন যাতে আনুষ্ঠানিক পক্ষ সমৰ্থনলৈ পৰ্যৱসিত নহয়” এনে আন্দোলনৰ যিখিনি প্ৰগতিশীল তাতেই এনে সমৰ্থন সীমাবদ্ধ হৈ থাকিব লাগিব। সেয়ে নহলে, এনে স্বীকৃতিৰ ফলত বুৰ্জোৱা ভাৱদৰ্শই সৰ্বহাৰাৰ শ্ৰেণী-চেতনা ধুৱলী-কুঁৱলী কৰি পেলাব পাৰে।*

আমূল সামাজিক-অৰ্থনৈতিক ৰূপান্তৰৰ স্তৰত পেটি বুৰ্জোৱাসকলৰ অস্থিৰতা আৰু দৃঢ়হীনতা সম্পৰ্কে লেনিনৰ প্ৰতিপাদ্য বিশেষ গুৰুত্বপূৰ্ণ। সমাজবাদ-ৰূপান্তৰমুখী আৰব আৰু এফ্ৰিকান দেশসমূহৰ পৰিস্থিতিয়ে এই প্ৰতিপাদ্যৰ সত্যতা পৰিস্ফুটিত কৰে। মিছৰৰ আৰব প্ৰজাতন্ত্ৰ, ছিৰিয়া, আলজিৰিয়া, আৰু অন্যান্য দেশত তীব্ৰ শ্ৰেণীসংগ্ৰামৰ পথত পেটি বুৰ্জোৱাৰ অংশবিশেষে জাতীয় পুনৰ্গঠনৰ বাস্তৱ অসুবিধাদিৰ ওপৰত জাতীয় বুৰ্জোৱাৰ প্ৰভাৱশীল স্তৰৰ প্ৰভাৱ আৰু সাম্ৰাজ্যবাদী কল্পনাবিলাসী প্ৰচাৰত গা এৰি দি অধিক পৰিমাণে ৰক্ষণশীল হৈ পৰে, সমাজবাদী ৰূপান্তৰমুখীতা ত্যাগ কৰে আৰু অধিক প্ৰগতিশীল পৰিবৰ্ত্তনত বাধা দিয়ে। সমাজবাদী গঠন কাৰ্য্যৰ সংগ্ৰামৰ বৰ্ত্তমান পৰ্য্যায়ৰ ই এক বাস্তৱ সত্যৰূপে পৰিগণিত হব লাগিব। ইয়াৰ কাৰণে সমগ্ৰ বামপন্থী আৰু সাম্ৰাজ্যবাদ বিৰোধী শক্তিৰ মোৰ্চা (ফ্ৰণ্ট) শক্তিশালী কৰি তুলিবলৈ গুৰুতৰ প্ৰচেষ্টা চলাব লাগিব।

শ্ৰেণী সংগ্ৰামৰ তীব্ৰতাই ৰাজনৈতিক স্বাধীনতা লাভ কৰাৰ সময়ত গঠিত ঔপনিবেশিকতা বিৰোধী মোৰ্চাত ভাঙন ধৰায়। জাতীয় মুক্তি আন্দোলনৰ তত্ত্ববাগীশ আৰু নেতৃবৃন্দ

*ভ. ই. লেনিন, “জাতীয় প্ৰশ্ন সম্পৰ্কে সমালোচনামূলক মন্তব্য” ৰচনা সংকলন খণ্ড, নং ২০, পৃঃ ৩৪

অধিক সংখ্যাকৰ মনত এইটো বিশ্বাস জন্মায় যে পূৰ্ণ পৰ্য্যায়ৰ সামাজিক মুক্তিৰ কাৰ্য্যসূচী আগ বঢ়াব লাগিব আৰু সিবিলাকৰ সম্পাদনৰ কামত জনগণৰ ওপৰত বেছিকৈ নিৰ্ভৰ কৰিব লাগিব। একে সময়তে, বুৰ্জ্জোৱা শোষক উপাদানবোৰে জাতীয়তাবাদৰ ভিতৰত ৰক্ষণশীল, প্ৰতিক্ৰিয়াবাদী প্ৰৱণতাসমূহ বৃদ্ধি কৰাৰ সকলো প্ৰচেষ্টা তীব্ৰ কৰে। এই উপাদানবোৰে নিজস্ব সংকীৰ্ণ শ্ৰেণী স্বাৰ্থৰ ওচৰত জাতীয় স্বাৰ্থসমূহক বলি দিবলৈকো প্ৰস্তুত হয়।

এই প্ৰতিক্ৰিয়াবাদী জাতীয়তাবাদৰ ওপৰতে সাম্ৰাজ্যবাদে নিৰ্ভৰ কৰে আৰু জাত্যাভিমানমুখী জাতীয়তাবাদীসকলক সকলো প্ৰকাৰৰ সহায়তা দিয়ে। সাম্ৰাজ্যবাদ আৰু প্ৰতিক্ৰিয়াই জাতীয়তা-বাদত বিচ্ছিন্নতাবাদী আৰু জাত্যাভিমানী প্ৰৱণতা উচটাই তুলি গুৰুতৰ ৰাজনৈতিক পৰিণামৰ পিনে লৈ যায় আৰু সদ্য স্বাধীন দেশবোৰৰ অগ্ৰগতিৰ স্বাৰ্থ হানি কৰে। যিবোৰ দেশে সমাজবাদী সমাজ নিৰ্মাণৰ চূড়ান্ত লক্ষ্য ঘোষণা কৰিছে। সিবোৰ দেশৰ প্ৰতিক্ৰিয়াবাদী জাতীয়তাবাদে সাম্ৰাজ্যবাদৰ সমৰ্থন পুষ্ট হৈ জৰুৰী-সামাজিক-অৰ্থনৈতিক সমস্যা সমাধানত কেৱল বাধাহে জন্মায়, সাম্ৰাজ্যবাদীহঁতৰ পুতলা হৈ নাচে। ইয়াৰ কোনো ঐতিহাসিক যৌক্তিকতা নাই।

মাৰ্ক্স্‌বাদী লেনিনবাদীসকল হৈছে নিভাজ আন্তৰ্জাতিকতাবাদী; তেওঁলোকে এক জাতিৰ দ্বাৰা অন্য জাতিৰ প্ৰভুত্বৰ আৰু সকলো ধৰণৰ জাতিগত নিৰ্য্যাতনৰ তীব্ৰ বিৰোধিতা কৰে। একে সময়তে তেওঁলোকে অনুভৱ কৰে যে যি জাতীয়তাবাদ আৰু জাতীয়তাবাদী স্পৰ্শকাতৰতা এতিয়াও এছিয়া আৰু আফ্ৰিকাৰ বিভিন্ন স্তৰৰ জনগণৰ মাজত বৰ্ত্তি আছে, সি হৈছে সৰ্বোপৰি সাম্ৰাজ্যবাদীহঁতৰ সুদীৰ্ঘ ঔপনিবেশিক প্ৰভুত্বৰে ফল, যি প্ৰভুত্বই নিৰ্বিকাৰ চিত্তে এছিয়া আৰু আফ্ৰিকাৰ জনগণৰ সন্মান আৰু জাতীয় মৰ্য্যাদা লঙ্ঘন কৰিছে। কিন্তু এছিয়া আৰু আফ্ৰিকাৰ জনগণৰ প্ৰগতি

আৰু সমাজবাদৰ কাৰণে সংগ্ৰামৰ আৰু বিকাশৰ পথত জাতীয়তা-বাদী স্পৰ্শকাতৰতা প্ৰধান বাধা নহয়। সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সংগ্ৰাম চলি থকাৰ লগে লগে আৰু ৰাজনৈতিক সচেতনতাও সেই পৰিমাণে বঢ়াৰ লগে লগে জাতীয় অহমিকাবোধ আৰু বুৰ্জোৱা জাতীয়তাবাদৰ স্পৰ্শকাতৰতাও বিপ্লৱী গণতন্ত্ৰীসকলৰ মাজত ক্ৰমান্বয়ে দুৰ্বলতৰ হয়, তেওঁলোকে বেছি পৰিমাণে বৈজ্ঞানিক সমাজবাদী ধ্যান ধাৰণাৰ দ্বাৰা প্ৰভাৱিত হয়। লেনিনে কমিউনিষ্ট সকলক শিক্ষা দিছিল যে সমাজবাদৰ পিনে আকৰ্ষিত হোৱা কোনো শক্তিকে বিপ্লৱী আন্দোলনৰ পৰা আঁতৰাই দিব নালাগে। তেওঁ সৰ্বহাৰাৰ ফাললৈ উভতি অহাসকলৰ লগত মৈত্ৰী গঠনৰ ওপৰত গুৰুত্ব দিছিল। এছিয়া আৰু আফ্ৰিকাৰ দেশসমূহত জাতীয়তাবাদৰ প্ৰতি বৈজ্ঞানিক সমাজবাদৰ সিয়েই হৈছে প্ৰকৃত মনোভাব। এছিয়া আৰু আফ্ৰিকাৰ জনগণক সাম্ৰাজ্যবাদী প্ৰচাৰে যি বিশ্বাস কৰাবলৈ প্ৰয়াস পাইছে ই তাৰ সম্পূৰ্ণ বিপৰীত।

(খ) ধৰ্মৰ প্ৰতি মাৰ্ক্সবাদী-লেনিনবাদীসকলৰ মনোভাব

যেতিয়া পৃথিৱীত এজনো কমিউনিষ্ট নাছিল, ইউৰোপীয় ঔপনিবেশি-কতাবাদীসকলে মুছলমানসকলৰ বিৰুদ্ধে তেতিয়া নিষ্ঠুৰ যুদ্ধ আৰম্ভ কৰিছিল। ফাটেক, ভেটি, ছলনা আৰু প্ৰতাৰণা কৰি, বন্দুক আৰু তৰোৱালেৰে এছিয়া আৰু আফ্ৰিকাৰ বশীভূত দেশসমূহত তেওঁলোকে খ্ৰীষ্ট ধৰ্মৰ বিস্তাৰ কৰে। যীশুখৃষ্টৰ তথাকথিত "মিশ্যনাৰী নিৰ্দেশ" পালন কৰিবলৈ গৈ: "অতঃ তোমালোকে যোৱা, ভগৱান, তেওঁৰ সন্তান আৰু পৱিত্ৰ আত্মাৰ নামত সকলো জাতিক ধৰ্মান্তৰিত কৰি শিক্ষা দিয়া।" সেই ৰক্তাক্ত ধৰ্মযুদ্ধৰ উল্লেখেই

যথেষ্ট, যেতিয়া "মোছলেমসকলৰ হাতৰ পৰা খৃষ্টীয় পবিত্ৰ স্থান সমূহক ৰক্ষাৰ" অজুহাতত এক লুণ্ঠন আৰু জবৰ-দখলমূলক নীতি গ্ৰহণ কৰা হৈছিল।

১৬শ শতিকাৰ পৰা ১৯ শতিকাৰ দ্বিতীয়াৰ্ধৰ ইতিহাসেই এনে বহু উদাহৰণ দিয়ে য'ৰ পৰা বুজিব পাৰি কেনে ধৰণে বিজয়ী সৈনিক আৰু দাস ব্যৱসায়ী মহাজনৰ লগালগিকৈ মিশ্যনাৰী পাদৰীবোৰ গৈছিল আৰু সময়ে সময়ে দুয়োবিধ লোক মিলি একেজন ব্যক্তি হৈ পৰিছিল। ঔপনিবেশিক দাসত্ব বন্ধন-গ্ৰস্ত আৰু ঔপনিবেশিকতাবাদীসকলৰ বিৰোধী ধৰ্মীয় বিৰোধে ধৰ্মীয় বিৰোধৰূপ লৈছিল। ইউৰোপীয় আৰু এমেৰিকান ঔপনিবেশিকবাদীসকল আছিল অনা-খৃষ্টীয় ধৰ্ম আৰু বিশ্বাসসমূহৰ চৰম শত্ৰু আৰু নিপীড়নকাৰী যেনে : ইছলাম, বৌদ্ধ, কনফুছিয়াছ আৰু অন্যান্য।

সাম্ৰাজ্যবাদ আৰু সমাজবাদী বিপ্লৱসমূহৰ যুগত ঔপনিবেশিকতাবাদী আৰু নয়া-ঔপনিবেশিকতাবাদীসকলে সিঁহতৰ স্বাৰ্থপৰ উদ্দেশ্যেৰে তেওঁলোকেই এক সময়ত প্ৰজ্বলিত কৰা খৃষ্টান আৰু মুছলমানসকলৰ সেই শত্ৰুতাক ব্যৱহাৰ কৰিবলৈ ধৰে। গিনি জাইৰে, উগাণ্ডা, দক্ষিণ ছুদান আৰু যতেই সম্ভৱ, সাম্ৰাজ্য-বাদে জনগণ বিৰোধী লক্ষ্য সাধনত ধৰ্মীয় মনোভাৱক কামত লগায়। তাৰ পিছত, জাতীয়মুক্তি আন্দোলন আৰু সমাজ-বাদৰ বিৰুদ্ধে সংগ্ৰামৰ গুৰুত্ব বৃদ্ধি পোৱাত সাম্ৰাজ্যবাদীসকলে বিৰামহীনভাৱে খৃষ্টান আৰু ইছলাম ধৰ্মৰ মাজত "সেতুবন্ধনত" লাগি গৈছে। "ঈশ্বৰহীন কমিউনিজমৰ" বিৰুদ্ধে সংগ্ৰামত তেওঁ-লোকে মোছলেম আৰু বৌদ্ধসকলৰ লগত একাত্মতাৰ ভাৱধাৰাৰ প্ৰচাৰ আৰম্ভ কৰিছে। সাম্ৰাজ্যবাদীহঁতে এতিয়া মোছলেম-সকলক কয় : " আপোনালোকে ঈশ্বৰক মানে, আমিও মানো। কমিউনিষ্টবিলাকৰ বিৰুদ্ধে আমাৰ ধৰ্মই ঐক্যবদ্ধ কৰিব পাৰে।

আনকি প্ৰকৃততে ইছলাম ধৰ্মমনা বহু জাতীয় মুক্তি আন্দোলনৰ মুখ্য জননেতাসকলক "নিৰীশ্বৰবাদী" আখ্যাৰে সাম্ৰাজ্যবাদী প্ৰচাৰ যন্ত্ৰই ভূষিত কৰিছে। কমিউনিষ্টসকলৰ বিৰুদ্ধে জঘন্য অপপ্ৰচাৰে বুৰ্জোৱা তত্ত্ববাগীশ ওৱাল্টাৰ কোলাৰজক, "আফ্ৰিকাত ধৰ্ম আৰু কমিউনিজম" কিতাপ লিখাৰ সম্মতি দিছে, যি কিতাপত তেওঁ কমিউনিষ্টসকলৰ বিৰুদ্ধে ধৰ্ম আৰু ৰাষ্ট্ৰৰ প্ৰতি ঘৃণাৰ মনোভাৱ সৃষ্টিৰ অভিযোগ আনিছে আৰু কমিউনিষ্টসকলক "ইছলামৰ প্ৰতি ভীতি" স্বৰূপে ব্যক্ত কৰিছে। ধৰ্মীয় প্ৰশ্নক সাম্ৰাজ্যবাদীহঁতে কমিউনিজম-বিৰোধী, ছোভিয়েত-বিৰোধী মনোভাব জগাই তোলাৰ কাৰণে ব্যৱহাৰ কৰে আৰু ফলত এছিয়া আৰু আফ্ৰিকাৰ জনগণৰ সামাজিক মুক্তিৰ স্বাৰ্থ তল পৰি যায়।

এইটো সাধাৰণ অভিজ্ঞতা যে এছিয়া আৰু আফ্ৰিকাৰ জনগণৰ জীৱনত গিৰ্জাই এতিয়াও গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এছিয়া আৰু আফ্ৰিকাৰ ৩০খনৰো অধিক দেশত ইছলাম ধৰ্ম প্ৰচলিত। "ইছলামিক ৰিভিউ"ৰ হিছাপ মতে আজিৰ পৃথিবীত** কম বেছি ৫৬০,০০০,০০০ মোছলেম আছে। ইছলাম ধৰ্মকে সামৰি ধৰ্মৰ প্ৰসঙ্গত বৈজ্ঞানিক সমাজবাদে কি মনোভাৱ গ্ৰহণ কৰে? সমাজ প্ৰগতিৰ কাৰণে সচেষ্ট সকলো প্ৰগতিশীল বিপ্লৱী শক্তিৰ ঐক্যকৰণত ধৰ্মৰ প্ৰতি জনগণৰ মনোভাৱেই অপ্ৰতিৰোধ্য বাধা স্বৰূপ নে? সাম্ৰাজ্যবাদীহঁতে যে কয়, কমিউনিষ্টসকলে ধৰ্মীয় বিচাৰ আৰু মনোভাৱত ভীতিৰ সঞ্চাৰ কৰে, সেইটো হয়নে কি?

কমিউনিষ্টসকলে কেতিয়াও এই সত্যক গোপন কৰা নাই যে তেওঁলোকে তেওঁলোকৰ তত্ত্বগত আৰু কৰ্মগত কাৰ্য্যকলাপত মাৰ্ক্সবাদী-লেনিনবাদী বস্তুতান্ত্ৰিক বৈজ্ঞানিক আদৰ্শৰ দ্বাৰা

*ডব্লু. কোলাৰজ, "আফ্ৰিকাত ধৰ্ম আৰু কমিউনিজম" ইণ্ডিয়ানা, ১৯৬২

**দি ইছলামিক ৰিভিউ, নবেম্বৰ - ডিচেম্বৰ ১৯৬৫, পৃঃ ৩০

পৰিচালিত হয়; তেওঁলোকৰ নিৰীশ্বৰবাদী চিন্তাধাৰাকো কেতিয়াও তেওঁলোকে গোপন কৰা নাই।

কিন্তু তাৰ দ্বাৰা এইটো একেবাৰেই নুবুজায় যে জনগণৰ প্ৰগতি আৰু সুখৰ কাৰণে সংগ্ৰামৰত কমিউনিষ্টসকলে বৈজ্ঞানিক সমাজবাদৰ প্ৰতি আস্থাস্থাপনৰ ফলত ধৰ্মৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। এঙ্গেলছে ব্লাঙ্কি পমুৱাসকলে ধৰ্মৰ ওপৰত যুদ্ধ ঘোষণা কৰাক কঠোৰভাৱে ধিক্কৃত কৰিছিল।* ১৮৭৭ চনত যেতিয়া "বামপন্থী" বিপ্লৱী ড্যুৰিঙে সমাজবাদী সমাজত ধৰ্ম নিষিদ্ধ কৰাৰ আহ্বান জনাইছিল, এঙ্গেলছে দৃঢ়তাৰে এই মনোভাবৰ বিৰুদ্ধে মত ব্যক্ত কৰিছিল।

লেনিনে দৃঢ়তাৰে কৈছিল যে "ছ'চিয়েল ডেমক্ৰেটসকলে বিবেকৰ পূৰ্ণ স্বাধীনতাৰ হকে যুঁজিছে, আৰু ধৰ্ম বিশ্বাসৰ ক্ষেত্ৰত যি কোনো ঐকান্তিক আস্থাৰ প্ৰতি সকলো প্ৰকাৰে শ্ৰদ্ধাশীল। কিন্তু সেই আস্থা জোৰেৰে বা প্ৰতাৰণাৰে কাৰ্য্যত পৰিণত কৰা হ'ব নালাগিব।"** তেওঁ কৈছিল যে কমিউনিষ্টসকলে "সৰ্বহাৰাৰ যি সকলে এতিয়াও তেওঁলোকৰ পুৰণি সংস্কাৰৰ স্মৃতি বহন কৰে সেই সকলক আমাৰ পাৰ্টিৰ লগত সম্পৰ্ক ৰখাৰ পৰা বিৰত কৰা উচিত নহ'ব। আমি সদায়ে বৈজ্ঞানিক বিশ্ব-দৃষ্টিৰ প্ৰচাৰ কৰিমহঁক .. .. কিন্তু তাৰ অৰ্থ একেবাৰেই এই নহয় যে ধৰ্মীয় প্ৰশ্নটোক আমি প্ৰথম স্থান দিব লাগিব।"***

কমিউনিষ্টসকলৰ মতামত হৈছে, ধৰ্মবিশ্বাসী আৰু অনা-ধৰ্মবিশ্বাসীসকলৰ মাজত মৌলিক আদৰ্শগত আৰু ৰাজনৈতিক প্ৰাচীৰ নাই, শোষণকাৰী আৰু শোষিতসকলৰ মাজতহে আছে।

---

*কাৰ্ল মাৰ্ক্স আৰু ফ্ৰেডৰিক এঙ্গেলছৰ তিনি খণ্ডৰ "নিৰ্বাচিত ৰচনাৱলীৰ"ৰ খণ্ড নং ২. ৩৮০-৮৬ পৃষ্ঠা চাওক

**লেনিনৰ ৰচনা সংকলনত ১২ নং খণ্ডৰ পৃঃ ২৯৬'ত দ্বিতীয় ডুমাত কৃষি সমস্যাৰ ওপৰত বক্তৃতাৰ খচৰা, চাওক

***লেনিনৰ "সমাজতন্ত্ৰ আৰু ধৰ্ম" ৰচনা সংকলন, খণ্ড নং ১০, পৃঃ ৮৭ চাওক

যি সকলে জনগণৰ স্বাৰ্থত সংগ্ৰাম কৰে আৰু জাতীয় পুনৰ্জাগৰণৰ আৰু সামাজিক প্ৰগতিৰ আশা পোষণ কৰে, ধৰ্ম্ম-বিশ্বাস নিৰ্ব্বিশেষে তেনে সকলো বিপ্লৱী গণতন্ত্ৰীৰ লগতে কমিউনিষ্টসকলে আন্তৰিকভাৱে সহযোগিতা কৰিবলৈ বিচাৰে। আৰু তেওঁলোকে সেই সহযোগিতাক কাৰোবাৰ ধৰ্মবিশ্বাস অস্বীকাৰ কৰাৰ চৰ্ত্ত হিচাপে আৰোপ নকৰে। ফলস্বৰূপে ধৰ্মৰ প্ৰতি বিভিন্ন মনোভাৱ কমিউনিষ্ট আৰু বিপ্লৱী গণতন্ত্ৰীসকলৰ মাজত, প্ৰকৃত বিপ্লৱীসকলৰ মাজত বিবাদৰ সূত্ৰ হব নোৱাৰে। লেনিনে ১৯০৫ আৰু ১৯০৯ চনত যথাক্ৰমে তেওঁৰ লিখিত বিখ্যাত প্ৰবন্ধ "সমাজবাদ আৰু "ধৰ্ম আৰু ধৰ্মৰ" প্ৰতি শ্ৰমিক পাৰ্টিৰ মনোভাৱ'ত এই মোখনি মাৰিছিল কমিউনিষ্ট আৰু বিপ্লৱী গণতন্ত্ৰীসকলৰ মাজত সম্পৰ্কৰ ক্ষেত্ৰত এই প্ৰবন্ধবিলাকে আজিকোপতি সঙ্গতি হেৰুৱা নাই।

কমিউনিষ্টসকলে ইছলামক নিৰ্ম্মূল কৰি পেলাবলৈ বিচাৰে বুলি সাম্ৰাজ্যবাদে কৰা প্ৰচাৰ কুৎসামূলক। ধৰ্মভীৰু মোছলেম সকলৰ অনুভূতিৰ প্ৰতি যথাযোগ্য সহনশীলতা কমিউনিষ্টসকলে দেখুৱায়। ১৯১৭ চনৰ ৩ ডিচেম্বৰত ছোভিয়েত চৰকাৰে "ৰুছিয়া আৰু প্ৰাচ্যৰ সকলো শ্ৰমজীৱী মুছলমানলৈ এটি বিশেষ আবেদন" উলিয়াইছিল, য'ত জাৰতন্ত্ৰৰ ঔপনিৱেশিকতাবাদী নীতিক আৰু আন্তৰ্জাতিক সাম্ৰাজ্যবাদক কঠোৰভাৱে ধিক্কাৰ দিয়া হয়। বিনা চৰ্ত্তে মুছলমান শ্ৰমজীৱীসকলৰ পক্ষলৈ ঘোষণাটিয়ে জোৰ দি কয়, "যি সকলৰ মসজিদ আৰু প্ৰাৰ্থনা স্থান সমূহ ধ্বংসপ্ৰাপ্ত হৈছিল আৰু যি সকলৰ ধৰ্মবিশ্বাস আৰু আচাৰ-ব্যৱহাৰ লঙ্ঘিত হৈছিল," ছোভিয়েত চৰকাৰে নিষ্ঠা সহকাৰে অৱগত কৰিছিলঃ "ইয়াৰ পিছত আপোনালোকৰ ধৰ্মবিশ্বাস, ধৰ্মীয় আচৰণ আৰু জাতীয় আৰু সাংস্কৃতিক প্ৰতিষ্ঠানসমূহ স্বাধীন আৰু অলঙ্ঘনীয় বুলি ঘোষিত হ'ল।"* সমাজবাদী বিপ্লৱৰ নেতা ভ্লাদিমিৰ লেনিন ধৰ্মভীৰু

*ছোভিয়েত ক্ষমতাৰ ডিক্ৰীসমূহ, মস্কো ১৯৫৭, পৃঃ ১১৩-১৪ (ৰুছ সংস্কৰণ)

মুছলমানসকলৰ অনুভূতিৰ প্ৰতি কিমান স্পৰ্শকাতৰ আছিল নিম্নলিখিত ঘটনাৰ পৰা বুজিব পৰা যাব। ১৯১৭ চনৰ ডিচেম্বৰ মাহত পেত্ৰ'গ্ৰাদ জাতীয় এলাকাৰ আঞ্চলিক মুছলিম কংগ্ৰেছৰ পৰা জন মন্ত্ৰণালয়লৈ এখন চিঠি আহে, যি চিঠিত "সদৌ ৰুছীয় মুছলিমসকলৰ পক্ষে ৰাষ্ট্ৰীয় গণ পুথিভঁড়ালৰ অধিকাৰত থকা ওচমানৰ পবিত্ৰ কোৰাণখন তেওঁলোকক ঘূৰাই দিবলৈ অনুৰোধ কৰা হয়। জনমন্ত্ৰণালয়ৰ শিক্ষা মন্ত্ৰী এ. ভি. লুনাচাৰস্কিলৈ লেনিনে চিঠি লিখি তৎক্ষণাৎ অনুৰোধটি ৰক্ষা কৰাৰ পৰামৰ্শ দিয়ে।

ইতিহাসৰ ঘটনাৱলীয়ে কমিউনিষ্টসকলৰ ধৰ্মৰ প্ৰতি ঘৃণাৰ মনোভাৱ থকা বুলি সাম্ৰাজ্যবাদী আৰু প্ৰতিক্ৰিয়াবাদীসকলৰ বিকৃত প্ৰচাৰ সম্পূৰ্ণৰূপে খণ্ডন কৰে। এইটো জনাজাত যে অক্টোবৰ বিপ্লৱৰ পিছত, ছোভিয়েত চৰকাৰে সকলো গিৰ্জা আৰু ধৰ্মীয় সংগঠনৰ পুৰোহিতসকলক নতুন ব্যৱস্থাৰ প্ৰতি আনুগত্য প্ৰকাশৰ অনুৰোধ জনায় আৰু তেনে এটি ৰূপান্তৰৰ কাৰ্যাত সুবিধা কৰি দিয়াৰ কাৰণে সকলোখিনি ছোভিয়েত চৰকাৰে কৰে। কমিউনিষ্ট পাৰ্টিয়ে যি সকল মোছলেম ধৰ্মীয় নেতা সকলো ধৰ্মীয়; আইনগত আৰু শিক্ষামূলক প্ৰতিষ্ঠান তথা বিস্তৃত ভূমি আৰু অৰ্থাধিকাৰৰ নিয়ন্তা আছিল- সেই উলেমা সম্পৰ্কেও এক পৃথক মনোভাৱ গ্ৰহণ কৰিছিল। সেইমতে উদাহৰণ স্বৰূপে ১৯২০ চনৰ চেপ্তেম্বৰ মাহত তুৰ্কীস্তানৰ কমিউনিষ্ট পাৰ্টিৰ পঞ্চম কংগ্ৰেছে উল্লেখ কৰি কয় যে "উলেমাৰ মাজত প্ৰগতিশীল শক্তি আছে" আৰু ছোভিয়েত প্ৰতিষ্ঠানসমূহত ইয়াৰ ব্যৱহাৰ সম্ভাব্যতাক মানি লৈছে।"*

১৯২২ চনৰ মে মাহত তুৰ্কীস্তানৰ ছোভিয়েতসমূহৰ কেন্দ্ৰীয়

*তুৰ্কীস্তান কমিউনিষ্ট পাৰ্টি কংগ্ৰেছৰ প্ৰস্তাৱ আৰু সিদ্ধান্তসমূহ, ১৯১৮-১৯২২ তাছকন্দ ১৯৬৮. (ৰুছ ভাষাত)

কাৰ্য্যনিৰ্ব্বাহকৰ পূৰ্ণ অধিবেশনত মস্‌জিদ আৰু মাদ্ৰাছাবোৰৰ এসময়ত কৃষকসকলক খাজনালৈ দিয়া ওয়াকফ মাটি পুনৰ আগৰ মালিকসকলক ঘূৰাই দিয়াৰ সিদ্ধান্ত লৈছিল। ধৰ্মভীৰু-সকলৰ অনুভূতিৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ নিদৰ্শন হিছাপে ছোভি-য়েত "কাজীসকল" আৰু "বাইসকলক" তেওঁলোকৰ ধৰ্মীয় অনুষ্ঠানাদি কৰাৰ সন্মতি দিছিল। সিদ্ধান্তটোত ব্যক্ত কৰা হয় যে ছোভিয়েত ক্ষমতাই প্ৰজাতন্ত্ৰখনৰ অৰ্থনৈতিক পুনৰ্জন্মৰ লগতেহে সম্পূৰ্ণৰূপে সংশ্লিষ্ট আৰু "এই ক্ষমতাই প্ৰাচ্যত ইছলাম, ছৰিয়ৎ অথবা স্থানীয় ৰীতি-নীতিৰ বিৰুদ্ধে সংগ্ৰামৰ কৰ্ত্তব্য নিৰ্দেশ নকৰে।"

এখন সমাজবাদী সমাজৰ নিখুঁত গণতন্ত্ৰই প্ৰত্যেকৰে বিবেকৰ আৰু ধৰ্মৰ স্বাধীনতা দিয়ে। সমাজবাদী ৰাষ্ট্ৰৰ নাগৰিকে ঈশ্বৰ বিশ্বাস কৰিবও পাৰে, নকৰিবও পাৰে, ধৰ্ম মানিবও পাৰে নামানিবও পাৰে। তদুপৰি এই স্বাধীনতাসমূহ কেৱল ঘোষণাৰ বস্তুৱেই নহয়। যিবিলাক ছোভিয়েত ইউনিয়নৰ সংবিধানৰ ১২৪ আৰু ১৩৫ পৰিচ্ছেদৰ অন্তৰ্ভুক্ত আইনৰ বলত সংৰক্ষিত, উদাহৰণ স্বৰূপে; সমাজবাদী দেশসমূহত ধৰ্মবিশ্বাসীসকলৰ অনু-ভূতিক স্বাৰ্থপৰ উদ্দেশ্যে, মুনাফা আদিৰ কাৰণে ব্যৱহাৰ কৰা নিষিদ্ধ, পক্ষান্তৰে নিষিদ্ধ, পক্ষান্তৰে পুঁজিবাদী দেশসমূহত ব্যাপক শ্ৰমজীৱী মানুহৰ স্বাৰ্থৰ বিৰুদ্ধে শাসক শ্ৰেণীসমূহৰ ব্যক্তিগত স্বাৰ্থ পূৰণৰ বাবে প্ৰায়েই ধৰ্মক কামত লগোৱা হয়।

আৰৱীয় লোকসকলৰ শত্ৰুবোৰে ছোভিয়েত ইউনিয়নত থকা প্ৰকৃত বিবেকৰ স্বাধীনতা সম্পৰ্কে সন্দেহ সৃষ্টিৰ চেষ্টা কৰে। তেওঁলোকে ছোভিয়েত ইউনিয়নত ধৰ্মীয় অনুভূতিক দমন কৰা হয় বুলি কৈ সময়ে সময়ে সম্পূৰ্ণ কুৎসা অভিযান চলায়। কিন্তু ইয়াত পাশ্চাত্য জগতত সুপৰিচিত লেখক কলিন চিম্পাখনে মধ্য এছিয়াৰ ছোভিয়েত প্ৰজাতন্ত্ৰসমূহৰ জনগণৰ জীৱন-যাত্ৰাৰ লগত পৰিচিত হোৱাৰ উদ্দেশ্যেৰে মধ্য এছিয়াৰ মুফতিৰ লগত সাক্ষাৎকাৰৰ এটি বিৱৰণত কি পাও?

চিম্পশ্বনে বাবাখানভক সুধিছিল, মধ্য এছিয়াৰ মোছলেম-সকলৰ যি পৰিমাণ ধৰ্মীয় স্বাধীনতা আছে তেওঁ তাত সন্তোষ পাইছেনে? উত্তৰত বাবাখানভে কৈছিল যে তেওঁ সম্পূৰ্ণৰূপে সন্তুষ্টঃ ধৰ্মীয় অনুষ্ঠানাদি কৰাত কোনো বাধা নাই ; সকলো নগৰতে মসজিদ-বোৰ মুক্ত ; তেওঁৰ ছাত্ৰসকল বিদেশলৈ অধ্যয়ন কৰিবলৈ যাব পাৰে, উদাহৰণ-স্বৰূপে, মোছলেম জগতৰ মিছৰ আৰু অন্যান্য দেশলৈ যাব পাৰে ; আৰু মক্কা আৰু মদিনালৈ বছৰি অনেক হজ যাত্ৰী যায় ।

কমিউনিজমৰ অধীনত নাৰীসকলে মুক্তিলাভ কৰা কথাটো তেওঁ শুদ্ধ বুলি কয় নেকি বুলি সোধা ছিম্পশ্বনৰ প্ৰশ্নৰ উত্তৰত বাবাখানভে কৈছিল যে তেওঁৰ কন্যাসকলৰ এগৰাকী হৈছে ডাক্তৰ আৰু আন এগৰাকীয়ে তাছখণ্ড বিশ্ববিদ্যালয়ত প্ৰাচ্য ভাষা সমূহৰ অধ্যয়ন কৰি আছে। প্ৰসঙ্গক্ৰমে, উল্লেখযোগ্য ছোভিয়েত ইউনিয়নৰ সৰ্ব্বোচ্চ ছোভিয়েতৰ সভাপতিমণ্ডলীয়ে এক আদেশনামাৰে ১৯৬৮ চনৰ জানুৱাৰী মাহত শান্তিৰ সপক্ষে তেওঁৰ মহান্ দেশপ্ৰেমিক কৰ্ত্তব্য সাধনৰ স্বীকৃতি স্বৰূপে আৰু ৬০শ জন্ম বাৰ্ষিকী প্ৰসঙ্গত-তেওঁক 'অৰ্ডাৰ অফ দি বেজ অফ অনাৰ' দিয়া হয় ।

কমিউনিষ্টসকলে জনগণৰ স্বাৰ্থৰ প্ৰতি অনুৰাগ থকা প্ৰগতি-বাদীৰ লগতে ঐকান্তিক সহযোগিতা কৰাৰ আগ্ৰহ দেখুৱায় । আৰু তেনে ধৰণৰ সহযোগিতাৰ হিছাপে তেওঁলোকে ইছলামৰ প্ৰৱক্তাসহ কোনো ধৰ্মবিশ্বাসীৰে ধৰ্মীয় বিশ্বাস ত্যাগৰ কাৰণে জেদ নকৰে। ফলত কমিউনিষ্ট আৰু বিপ্লৱী গণতন্ত্ৰীসকলৰ মাজত সাম্ৰাজ্যবাদবিৰোধী মৈত্ৰী দৃঢ় কৰাত ধৰ্মীয় প্ৰশ্ন এটা প্ৰতিবন্ধক হব নোৱাৰে । আৰব আৰু অনান্য সদ্য স্বাধীন দেশসমূহত খোলাখুলি আক্ৰমণসহ সকলো ধৰণে গভীৰ সামা-জিক অৰ্থনৈতিক পৰিবৰ্ত্তন সাধনৰ পথত বাধা সৃষ্টিকাৰী

সাম্ৰাজ্যবাদেই হৈছে সমাজবাদ আৰু জাতীয় মুক্তি আন্দোলনৰ প্ৰধান শত্ৰু। এই উদ্দেশ্য পূৰণৰ বাবে সাম্ৰাজ্যবাদ আৰু জিয়নিজমে আৰৱ দুনিয়াৰ প্ৰগতি শাসনৰ বিৰুদ্ধে আক্ৰমণ-মূলক যুদ্ধ চলায়। সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সংগ্ৰাম, শান্তি ৰক্ষা কৰা আৰু সুদৃঢ় কৰা, ঔপনিবেশিকতাবাদৰ পূৰ্ণ অৱলুপ্তিৰ সংগ্ৰাম, সাম্ৰাজ্যবাদী সামৰিক ঘাটীসমূহৰ বিৰুদ্ধে সংগ্ৰাম — এয়ে হৈছে কমিউনিষ্ট আৰু বিপ্লৱী গণতান্ত্ৰিক শক্তিসমূহৰ উমৈহতীয়া সংগ্ৰামৰ কাৰ্য্যসূচী। সাম্ৰাজ্যবাদৰ আক্ৰমণমুখী কাৰ্য্যকলাপৰ মুখত, কমিউনিষ্ট পাৰ্টি আৰু বিপ্লৱী গণতন্ত্ৰীপাৰ্টিবোৰৰ মাজত ধৰ্মসহ আদৰ্শগত প্ৰশ্নবিলাকক সহযোগিতা আৰু ঐক্য দৃঢ় কৰাত বাধা সৃষ্টি কৰিব পৰা ধৰণে তুলিবলৈ দিয়া উচিত নহয়। ব্যাপক জনগণে এইখিনি বুজে। উদাহৰণ-স্বৰূপে, ইউৰোপৰ কেবাখনো দেশত কমিউনিষ্টসকল গণতান্ত্ৰিক কেথলিকসকলৰ ব্যাপক অংশ আৰু অন্যান্য ধৰ্মবিশ্বাসী জনগণে সহযোগিতা কৰা আৰু ঐক্য-বদ্ধ আন্দোলন কৰাৰ এক উল্লেখনীয় অগ্ৰগতি পৰিলক্ষিত হৈছে। আমাৰ কালত যুদ্ধ আৰু শান্তি, পুঁজিবাদ আৰু সমাজবাদ, নয়া-ঔপনিবেশিকতাবাদ আৰু উন্নয়নশীল দেশসমূহ প্ৰভৃতি সমস্যাবোৰৰ ওপৰত তেওঁলোকৰ পাৰস্পৰিক আলাপ-আলোচনাই বিৰাট গুৰুত্ব লাভ কৰিছে। ১৯৬৯ চনত কমিউনিষ্ট আৰু ওৱাৰ্কাৰ্ছ পাৰ্টিবিলাকৰ আন্তৰ্জাতিক সভাত জোৰ দি কোৱা হয়, "কমিউনিষ্টসকলে বুজিছে যে এই ভাবে অৰ্থাৎ ব্যাপক সম্পৰ্ক আৰু ঐক্যবদ্ধ সংগ্ৰামৰ যোগেদি অগণিত ধৰ্মবিশ্বাসী জনগণে সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰাম আৰু সুদূৰপ্ৰসাৰী সামাজিক ৰূপান্তৰ সাধনত এটি সক্ৰিয় শক্তিৰূপে গণ্য হব পাৰে।"* জনগণৰ মঙ্গোলীয়াত অপুঁজিবাদী বিকাশৰ অভিজ্ঞতায়ো ইয়াকে সপ্ৰমাণ কৰিছে. তাত সামন্তবাদ-বিৰোধী বিপ্লৱৰ স্তৰত (১৯২১-

*কমিউনিষ্ট আৰু ৱাৰ্কাছ পাৰ্টিসমূহৰ আন্তৰ্জাতিক সম্মিলন, মস্কো ১৯৬৯ পৃঃ ২৭

৪০) লামাপন্থীসকলৰ প্ৰশ্নৰ মীমাংসা এক অত্যধিক জটিল কাম হিছাপে দেখা দিছিল।

মঙ্গোলীয় জনগণৰ ধৰ্মপৰায়নতাৰ কথা ভাবি আৰু জাতীয় মোৰ্চা দৃঢ় কৰাৰ চেষ্টা কৰোঁতে, মঙ্গোলীয় পিপলচ ৰিভলিউশ্যনেৰী পাৰ্টিয়ে লামাপন্থীসকলৰ উচ্চতম ব্যক্তি বগদো-গেগেনৰ নেতৃত্বত থকা সংবিধানক ৰাজকীয়তা সাময়িকভাৱে সংৰক্ষিত কৰা আবশ্যিক প্ৰয়োজন বুলি ভাবে, অৱশ্যে ধৰ্মনিৰপেক্ষতাৰ বিষয়ত তেওঁৰ ক্ষমতা সীমিত কৰা হয়। একে সময়তে, যেনে ওৱাই, ছেদেনবলে জোৰ দিয়া মতে এম-আৰ-পি পি য়ে গ্ৰহণ কৰে তলখাপৰ আৰু মজলীয়া লামাসকলক ধৰ্মীয় সম্প্ৰদায়ৰ সামন্ততান্ত্ৰিক উচ্চ গোষ্ঠী চক্ৰৰ পৰা বিচ্ছিন্ন কৰি কৰা লামাসকলৰ শ্ৰেণী-স্তৰ বিভাজনৰ নীতি। সাধাৰণ লামাসকলৰ মাজত ব্যাপক ৰাজনৈতিক আৰু শিক্ষামূলক কাম চলোৱা হয়।" ধৰ্মনিৰপেক্ষ জীৱন গ্ৰহণত লামাসকলৰ উদ্বুদ্ধ কৰাৰ কাৰণে সকলো ধৰণে চেষ্টা চলাই, ৰাষ্ট্ৰই তেনে ধৰণৰ লামা সকলক তেওঁলোকৰ গৃহাদি নিৰ্মাণ আৰম্ভ কৰাত বৈষয়িক সমৰ্থন দিয়ে, হস্তচালিত শিল্প উৎপাদন কেন্দ্ৰসমূহৰ সংগঠন আদি কৰে। ফলত, বহু লামাই স্বেচ্ছাই তেওঁলোকৰ পথ ত্যাগ কৰে, বিয়া কৰায় আৰু পৰিবাৰ গঢ়ি তোলে আৰু সামাজিকভাৱে উপযোগী শ্ৰমত নিযুক্ত হয়।*

নকলেও হ'ব, মঙ্গোলীয়া আৰু ছোভিয়েত প্ৰাচ্যৰ মধ্য এছীয় প্ৰজাতন্ত্ৰ সমূহৰ উভয়তে, নতুন ক্ষমতা শক্তিয়ে প্ৰতিক্ৰিয়াবাদী ধৰ্মীয় গোষ্ঠীবোৰৰ প্ৰতিবিপ্লৱী ৰাজনৈতিক কাৰ্য্যকলাপৰ বিৰুদ্ধে কঠোৰতা অৱলম্বন কৰে। সমাজবাদ-ৰূপান্তৰমুখী কেবাখনো দেশৰ বিপ্লৱী গণতান্ত্ৰিক পাৰ্টিসমূহে সদ্যহতে একে নীতি গ্ৰহণ কৰিছে। মিছৰত, উদাহৰণ স্বৰূপে প্ৰতিক্ৰিয়াবাদী ধৰ্মীয় সংগঠন মোছলেম

*ওৱাই ছেদেনবলৰ, সামন্তবাদৰ পৰা সমাজবাদলৈ, নিৰ্বাচিত প্ৰবন্ধ আৰু বক্তৃতাৱলী, মস্কো ১৯৬২, পৃঃ ২৮২, ২৮৫-৮৬ (ৰুছ ভাষাত প্ৰকাশিত)

ব্ৰাদাহুৰ্ পাৰ্টিক বে-আইনী ঘোষিত কৰে। নাছেৰে কঠোৰভাৱে এই সংগঠনক ধিক্কাৰ দিয়ে। তেওঁৰ ভাষাত এই সংগঠনে অপৰাধ-মূলক উদ্দেশ্য গ্ৰহণ কৰিছিল, ব্ৰিটিছ সাম্ৰাজ্যবাদৰ লগত ঘনিষ্ঠ সম্বন্ধ ৰাখি গৈছিল, প্ৰতিক্ৰিয়াবাদী চক্ৰৰ স্বাৰ্থ ৰক্ষা কৰি আছিল আৰু জনসাধাৰণৰ উমৈহতীয়া স্বাৰ্থৰ লগত তাৰ কোনো সম্বন্ধ নাছিল।[১২]

বৰ্মাৰ বিপ্লৱী পৰিষদৰ সভাপতি নে-উইনে এটা বিবৃতি যোগে বৌদ্ধ সন্নাসীসকলৰ এ'ছামৰ (তেওঁৰ মতে "ছদ্ম-সন্ন্যাসী") জনগণ-বিৰোধী কাৰ্য্যকলাপ সম্পৰ্কে স্পষ্ট কৰি দিয়ে যে উক্ত সন্ন্যাসীসকল হৈছে ধৰ্মৰ ডেউকাৰ তলত থাকি আৰু জনসাধাৰণৰ ধৰ্মীয় অনুভূতিৰ লগত তাল মাৰি জঘন্য ব্যৱসায় কৰি থকা ৰাজনীতিজ্ঞসকলৰ ভেৰোণায়া। ৰাজনীতিজ্ঞসকলে আৰু অৰ্থনৈতিক বিদ্ৰোহকাৰীসকলে এই ছদ্ম সন্ন্যাসীসকলৰ ভিতৰত প্ৰকৃত কূটাঘাতকাৰী দালাল বিচাৰি পাইছিল।[১৩] ১৯৬৪ চনৰ ১৮ এপ্ৰিলৰ 'ধৰ্মীয় প্ৰশ্নত বিপ্লৱী পৰিষদৰ নীতি আৰু মনোভাৱ". শীৰ্ষক ঘোষণাটোত জোৰ দি কোৱা হয় যে সন্ন্যাসীসকল বৌদ্ধধৰ্মৰ শুদ্ধিকৰণ আৰু বিকাশত লাগি থকা উচিত আৰু ৰাজনীতিৰ নিচিনা সম্পূৰ্ণ ধৰ্মনিৰপেক্ষ বিষয়ত তেওঁলোক লিপ্ত হোৱা অনুচিত। বিপ্লৱী পৰিষদে ধৰ্মৰ প্ৰশ্ৰয় লৈ কোনো ব্যক্তি আৰু সংগঠনৰ ৰাজনীতিত লিপ্ত হোৱা সহ্য নকৰে[১৪]। গতিকে, এটা ধৰ্মবিশ্বাসৰ ওপৰত আনুগত্য থকা বিপ্লৱী গণতন্ত্ৰীসকলক সাম্ৰাজ্যবাদ আৰু নয়া-ঔপনিবেশিকতাবাদৰ লগত সহযোগিতা কৰা আৰু প্ৰগতিবাদী সামাজিক-অৰ্থনৈতিক পৰিবৰ্ত্তনৰ বিৰুদ্ধে যুঁজি থকা যাজক চক্ৰৰ জনবিৰোধী কাৰ্য্যকলাপ বন্ধ কৰাৰ পৰা বিৰত কৰিব নোৱাৰে।

(গ) ব্যক্তিগত সম্পত্তিৰ প্ৰতি মাৰ্ক্স'বাদী-লেনিনবাদীসকলৰ মনোভাৱ

আগতে উল্লেখ কৰা হৈছে, সমাজবাদ-ৰূপান্তৰমুখী এছিয়া আৰু আফ্ৰিকাৰ দেশসমূহত সুদূৰ প্ৰসাৰী সামাজিক-অৰ্থনৈতিক ৰূপান্তৰ ঘটি আছে। এই ৰূপান্তৰ-সাধনৰ পথত বিদেশী আৰু স্থানীয় বুৰ্জোৱাসকলৰ বৃহৎ সম্পত্তিসমূহ জাতীয়কৰণ কৰা হয়, যাতে সাম্ৰাজ্যবাদৰ নয়া-ঔপনিবেশিক অৱস্থান দুৰ্বল হয় আৰু সদ্য স্বাধীন দেশসমূহে অৰ্থনৈতিক স্বাধীনতা পায়। এই কাৰণেই সাম্ৰাজ্যবাদীবোৰে অক্লান্তভাৱে অপপ্ৰচাৰ চলাই আহিছে যে অপুঁজিবাদী বিকাশৰ পথ লোৱা দেশবোৰে চূড়ান্ত পৰ্য্যায়ত যি সমাজবাদ নিৰ্মাণ কৰিবলৈ বিচাৰে, তাত ইছলাম-ঘোষিত সকলো ব্যক্তিগত সম্পত্তিৰ অধিকাৰ বিলুপ্ত হব। এছিয়া আৰু আফ্ৰিকাৰ সেই সমূহ বিপ্লৱী গণতন্ত্ৰীসকলৰ পিনে দৃষ্টি ৰাখিহে এইবোৰ বিকৃত প্ৰচাৰ কৰা হয়, যিসকলে তেওঁলোকৰ ঘোষিত সমাজবাদী নীতি সমূহৰ লগত উৎপাদনৰ সঁজুলিবোৰৰ ব্যক্তিগত মালিকানাৰ এটা আপোচ কৰি লোৱাৰ প্ৰয়াস চলাই আছে। সমাজবাদ-ৰূপান্তৰমুখী পথৰ পৰা সংখ্যাগতভাৱে বিৰোধ পেটি-বুৰ্জোৱা অংশক সন্ত্ৰস্ত কৰি ফালি অনাই সিহঁতৰ উদ্দেশ্য। সম্পত্তিৰ মালিকানাৰ প্ৰতি মাৰ্ক্স'বাদীসকলৰ প্ৰকৃত মনোভাৱ কি?

ছোভিয়েত ইউনিয়নত বাস্তৱায়িত হোৱা বৈজ্ঞানিক সমাজবাদৰ মৌলিক নীতি আৰু পূৰ্ণ দাবীসমূহৰ অন্যতম হ'ল, মানুহৰ দ্বাৰা মানুহৰ শোষণৰ অৱসান, উৎপাদনৰ মৌলিক সঁজুলি আৰু

উপকৰণবোৰৰ ওপৰত থকা ব্যক্তি মালিকানাৰ বিলোপ সাধন আৰু এই সম্পত্তিৰ সামাজিকীকৰণ, কাৰণ এইবোৰে হৈছে পুঁজিবাদী উৎপাদনৰ ভিত্তি আৰু শ্ৰমজীৱী মানুহক শোষণ কৰাৰ আধাৰ ।

বৈজ্ঞানিক সমাজবাদে ব্যক্তি-সম্পত্তিৰ অৱসান বিচাৰে, কাৰণ এই ব্যক্তি-সম্পত্তি শ্ৰমিকশ্ৰেণী আৰু সকলো শ্ৰমজীৱী মানুহকে শোষণ কৰাৰ যন্ত্ৰ হিছাপে ব্যৱহৃত হয় আৰু ক্ষুদ্ৰ বৃহৎ ধনিকগোষ্ঠী আৰু সামন্ত প্ৰভুসকলক চহকী কৰাত ব্যৱহৃত হয়। ইয়াৰ ভিতৰত পৰে কল-কাৰখানা, বেঙ্ক, জমি, পৰিবহন আৰু অন্যান্য ধৰণৰ সম্পত্তি। অৱশ্যে, এইটো সাধাৰণভাৱে জনাজাত যে ছোভিয়েত ইউনিয়ন আৰু অন্যান্য সমাজবাদী দেশসমূহৰ কৃষকসকলৰ তত্বাবধানত ব্যক্তিগত ভূমিখণ্ড, গৃহ, গবাদি পশু, উৎপাদনৰ কিছুমান সজুলি ইত্যাদি আছে ।

বৈজ্ঞানিক সমাজবাদী তত্ত্ব সম্পৰ্কে কম জ্ঞান থকাৰ বাবে কিছু বিপ্লৱী গণতন্ত্ৰীয়ে ব্যক্ত কৰে যে কমিউনিষ্টসকলে যিকোনো আৰু সকলো ব্যক্তি - সম্পত্তি জব্দ কৰাৰ দাবী তোলে আৰু সকলো ক্ষেত্ৰতে ক্ষতিপূৰণদানৰ বিৰোধী। মই, প্ৰসঙ্গত, লেনিনে উল্লেখ কৰিছিল যে "....... ...... আচলতে সমাজবাদলৈ উত্তৰণৰ সুবিধাৰ কাৰণে শ্ৰমিকসকলক বৃহদাকাৰৰ উৎপাদন সংস্থাবোৰৰ সংৰক্ষণৰ শিক্ষা দি মাৰ্ক্সে ঠিকেই কৰিছিল। মাৰ্ক্সে শিকাইছিল যে (ব্যতিক্ৰম হিচাপে, আৰু ব্ৰিটেনক ব্যতিক্ৰম হিচাপেই ধৰা হৈছিল) পুঁজিবাদীসকলক ভালদৰে নিষ্পত্তি কৰি দিব পৰা যায়, তেওঁলোকক কিনি লব পৰা যায়; যদি পৰিস্থিতি এনেকুৱা হয় যে ভাল টকা দিলে পুঁজিবাদীসকলক শান্তিপূৰ্ণভাৱে আত্মসমৰ্পন কৰিবলৈ আৰু সমাজবাদৰ পক্ষে মাৰ্জিত আৰু সংগঠিতভাবে আহিবলৈ বাধ্য কৰাব পৰা যায়।*

*ভ. ই. লেনিন "বস্তুৰে খাজনা," ৰচনা সংগ্ৰহ খণ্ড নং ৩২, পৃঃ ৩৩৮-৩৯

তৰুণ ছোভিয়েত প্ৰজাতন্ত্ৰত সময়তো গদীচ্যুত শোষকশ্ৰেণী সমূহ আৰু আন্তৰ্জাতিক সাম্ৰাজ্যবাদে সমাজবাদ নিৰ্মাণত বাধাৰ সৃষ্টি নকৰিলেহে কিনি লোৱাৰ প্ৰস্তাৱ আগবঢ়োৱা হ'লহেতেন। ১৯২১ চনত ৰুছ কমিউনিষ্ট পাৰ্টিৰ সপ্তম মস্কো গুবাৰ্নিয়া সম্মিলনত এটি বক্তৃতাত লেনিনে কৈছিল যে ছোভিয়েত চৰকাৰৰ প্ৰথম হুকুম নামাবোৰৰ (ডিক্ৰী) নিৰ্গলিতাৰ্থ আছিল (উদাহৰণ স্বৰূপে বিজ্ঞাপনৰ ৰাষ্ট্ৰীয় একচেটিয়া অধিকাৰ সম্পৰ্কে ডিক্ৰী, আৰু বেংক ব্যৱসায় সংক্ৰান্ত ডিক্ৰীবোৰ) এনে ধৰণৰ যে ইয়াৰ দ্বাৰা বিৰাট সংখ্যাক ব্যক্তিগত মালিকানাৰ প্ৰতিষ্ঠানৰ আৰু কিছু-মান ব্যক্তিগত মালিকানা ব্যৱস্থাৰ সংৰক্ষণৰ কথা ভাবি লোৱা হৈছিল। কিন্তু পুঁজিবাদী দুনিয়াই যিকোনো ধৰণৰ আপোছ প্ৰত্যাখ্যান কৰিছিল। লেনিনে পৰিস্থিতিটো এনে ধৰণে ব্যাখ্যা কৰিছিলঃ – "আমি যি সকলে পুঁজিবাদীসকলক কৈছিলো, "ৰাষ্ট্ৰীয় নিয়ন্ত্ৰণ মান্য কৰক, ৰাষ্ট্ৰীয় ক্ষমতা মান্য কৰক, জন-সাধাৰণৰ পুৰণি স্বাৰ্থ, অভ্যাস আৰু দৃষ্টিভঙ্গীৰ লগত সামঞ্জস্য থকা চৰ্ত্তবোৰৰ পূৰ্ণ বিলুপ্তিৰ পৰিবৰ্ত্তে, ৰাষ্ট্ৰীয় আইনে ক্ৰম পৰ্য্যায়ত পৰিবৰ্ত্তন সাধিব", "আমি দেখিলো আমাৰ অস্তিত্বই বিপন্ন। পুঁজিবাদী শ্ৰেণীয়ে আমাক মৰো-জীওঁ আৰু বিৰামহীন সংগ্ৰামৰ পিনে ঠেলি দিবলৈ কৌশল অৱলম্বন কৰিলে, আৰু তাৰে ফলত আমি প্ৰথমতে যিমানখিনিও ভবা নাছিলো তাতোকৈ অধিক পৰিমাণে পুৰণি সম্পৰ্কৰ বিলোপ কৰিবলৈ বাধ্য হলো।"**

বিজয়া জনগণে অধিগ্ৰহণ কৰা সম্পত্তিৰ বাবে নিৰ্দ্দিষ্ট ক্ষতিপূৰণ লবলৈ নিবিচাৰৰ কাৰণে ভূতপূৰ্ব্ব শোষক শ্ৰেণীসকল নিজে নিজেই জগৰীয়া। তেওঁলোকে আশা কৰিছিল বিশ্ব সাম্ৰাজ্যবাদৰ সহায় লৈ অস্ত্ৰবলেৰে পুৰণি ব্যৱস্থা পুনঃ প্ৰতিষ্ঠা কৰিব পাৰিব আৰু তেওঁলোকৰ সকলো সম্পদ ঘূৰাই

**ভ. ই. লেনিন, 'ৰুছীয় কমিউনিষ্ট পাৰ্টিৰ সপ্তম মস্কো গুবাৰ্নিয়া সম্মিলন"। ৰচনা সংকলন, খণ্ড নং ৩৩, পৃঃ ৯০-৯১

লব পাৰিব। ফলত তেওঁলোকে একোকে নাপালে। সাম্ৰাজ্য-বাদৰ তত্বাবাগিশসকলে জাহিৰ কৰিছিল যে সমাজবাদে সকলো ব্যক্তিগত সম্পত্তি বিনা ক্ষতিপূৰণেৰে জব্দ কৰিবলৈ বিচাৰে। সি মিছা কথা কিছুমান প্ৰতিক্ৰিয়াবাদীয়ে একে উদ্দেশ্যেৰে কোৰাণখনৰ ব্যৱহাৰ কৰিবলৈ বিচাৰে। কিন্তু যেতিয়া আৰৱ মহলৰ কিছুমানে আতঙ্কগ্ৰস্ত হৈ কয় যে মিছৰৰ আৰৱ প্ৰজাতন্ত্ৰই কৰা কেওঁবোৰ বিপ্লৱী সংস্কাৰ ইছলাম-বিৰোধী, তেতিয়া কাইৰোৰ প্ৰাচীন মোছলেম আল-আজহাৰ বিশ্ববিদ্যালয়ৰ আচাৰ্য্য (ৰেক্টৰ) শেখ হাছান মামুনে কোৰাণৰ উদাহৰণ দি দেখুৱায়, ইছলাম আইন জনস্বাৰ্থৰ লগত সংঘাত নকৰাকৈ ব্যক্তিগত সম্পত্তিৰ প্ৰতি শ্ৰদ্ধাশীল। হাছান মামুনে আৰু দেখুৱায় যে মিছৰে গ্ৰহণ আইনসমূহ, ভূমিসংস্কাৰকে ধৰি ইছলাম আইনৰ লগত সঙ্গতি পূৰ্ণ। [১৫]

বহু দেশৰ প্ৰয়োগ কাৰ্য্যাদিৰে দেখা যায়, সমাজবাদৰ পিনে অপুঁজিবাদী বিকাশৰ পথ গ্ৰহণৰ অৰ্থ হ'ল ৰাষ্ট্ৰীয় খণ্ডৰ বিকাশ। এই খণ্ডৰ বিকাশৰ যোগেদি, আৰু ব্যক্তিগত খণ্ডৰ শিল্প উদ্যোগাদিৰ ওপৰত কঠোৰ নিয়ন্ত্ৰণ বহুৱাই আৰু নিৰ্দ্দিষ্ট গণ্ডীৰ ভিতৰত ইয়াক ৰাখি বিপ্লৱী চৰকাৰসমূহে পুঁজিবাদীক কোনো সুদূৰপ্ৰসাৰী ভৱিষ্যতৰ পৰা বঞ্চিত কৰে। আৰু লগে লগে তেওঁলোকৰ দেশসমূহ সমাজবাদী সমাজ নিৰ্মাণৰ পৰবৰ্ত্তী অতিক্ৰমণৰ উপযোগী প্ৰয়োজনীয় ভিত্তি সৃষ্টি কৰে। এয়ে হ'ল বাস্তৱবাদী আৰু দূৰ দৃষ্টি সম্পন্ন নীতি।

(ঘ) ব্যক্তি স্বাধীনতাৰ প্ৰতি মাৰ্ক্স'বাদী-লেনিনবাদী মনোভাৱ

মাৰ্ক্স'বাদ-লেনিনবাদৰ শত্ৰুসকলে নিৰবচ্ছিন্ন কুৎসামূলক কল্পিত

কাহিনী প্ৰচাৰ কৰেহে সমাজবাদী দেশসমূহ হৈছে একনায়কত্ববাদী, ব্যক্তি স্বাধীনতা তাত লাঞ্ছিত। এনে ধৰণৰ কুৎসাজনিত প্ৰচাৰৰ উদ্দেশ্য হৈছে, সদ্য-স্বাধীন দেশসমূহৰ ব্যাপক জনগণক বীতশ্ৰদ্ধ কৰি তোলা আৰু সমাজবাদৰ পৰা ভীত-সন্ত্ৰস্ত কৰি তোলা। সাম্ৰাজ্যবাদীসকলেও এই দেশবিলাকৰ বিপ্লৱী গণতন্ত্ৰীসকলক বুজাবলৈ যত্ন কৰে যে যি বৈজ্ঞানিক সমাজবাদৰ নীতিবোৰৰ লগত ব্যক্তিস্বাধীনতাৰ নীতিবোৰৰ মিল নাই, যিহেতু বৈজ্ঞানিক সমাজবাদে সৰ্বহাৰা বিচাৰে, আৰু এই নায়কত্বই "যিকোনো ধৰণৰ গণতন্ত্ৰক" নাকচ কৰে। এই সূত্ৰত সাম্ৰাজ্যবাদী প্ৰচাৰে সমাজবাদী গণতন্ত্ৰৰ কলঙ্ক ৰচনা কৰে আৰু সৰ্বহাৰাৰ এক-নায়কত্বৰ মূল লেনিনবাদী সাৰ-বস্তুক ভয়ানকভাবে বিকৃত কৰি দোষাৰোপ কৰে যে ই "জনগণৰ ইচ্ছা লঙ্ঘন" কৰে।*

লেনিনে নিজেই মাৰ্ক্সবাদে ব্যক্তিক "নগণ্য সংখ্যা" বুলি অৱজ্ঞা কৰে বুলি চলা প্ৰচাৰৰ অসাৰতাৰ মুখা খুলি দিয়ে। তেওঁ উন্মুকিয়াই দিয়ে যে সমাজবাদৰ লক্ষ্য হ'ল "সকলো ব্যক্তি-সদস্যৰ পূৰ্ণ মঙ্গল সাধন আৰু স্বাধীন সৰ্বতোমুখী বিকাশ"** সুনিশ্চিত কৰা।

এই লক্ষ্য সাধনৰ কাৰণে আৰু ক্ষমতাচ্যুত শোষকশ্ৰেণী-সমূহৰ প্ৰতিৰোধ চূৰ্ণ কৰাৰ কাৰণে সৰ্বহাৰাৰ একনায়কত্বৰ প্ৰয়োজন আছিল। লেনিনে লিখিছিল ইতিহাসে আমাক শিকায় যে কোনো নিৰ্য্যাতিত শ্ৰেণীয়ে এছোৱা সময় একনায়কত্বৰ যোগেদি পাৰ নোহোৱাকৈ ক্ষমতা লাভ কৰা নাছিল আৰু কৰিব পৰাও নাছিল অৰ্থাৎ ৰাজনৈতিক ক্ষমতা অধিকাৰ কৰি

*ভ. ই. লেনিন, "বস্তুবাদ আৰু বাস্তববাদী সমালোচনা," ৰচনা সংগ্ৰহ, খণ্ড নং ১৪, পৃঃ ৩১৮

**ভ. ই. লেনিন "ৰুছ ছচিয়েল ডেমক্ৰেটিক লেবাৰ পাৰ্টিৰ খচৰা কাৰ্য্য-সূচী" ৰচনা সংগ্ৰহ, খণ্ড নং ৬, পৃঃ ২৮

শোষকসকলে সদায় কৰা প্ৰতিৰোধ বল প্ৰয়োগ কৰি দমন কৰাৰ কালছোৱাই সৰ্বহাৰাৰ একনায়কত্বৰ কাল। শাসকদলৰ এনে প্ৰতিৰোধ অত্যন্ত ক্ষিপ্ত, অত্যন্ত ভয়াবহ আৰু একোতে ক্ষান্ত নোহোৱা।[১৬]

সমাজবাদী সমাজ প্ৰতিষ্ঠাৰ উদ্দেশ্যেৰে, সৰ্বহাৰাৰ এক-নায়কত্বই, সৰ্বহাৰাৰ ৰাষ্ট্ৰই বিভিন্ন ধৰণৰ ব্যাপক কাৰ্য্য সম্পাদন কৰে — যেনে অৰ্থনৈতিক, সাংস্কৃতিক, শিক্ষাগত, সাংগঠনিক, জাতীয় প্ৰতিৰক্ষা আৰু অন্যান্য বহুত কাম। কিন্তু ইয়াৰ যি মূল কামটোৰ ওপৰত অন্যান্য কাম নিৰ্ভৰ কৰে, সেইটো হৈছে ক্ষমতাচ্যুত শোষকশ্ৰেণীসমূহৰ প্ৰতিৰোধ চূৰ্ণ কৰা। লেনিনে এইটোক এনে ধৰণে ব্যাখ্যা কৰিছিল ঃ "সৰ্বহাৰাৰ কাৰণে ৰাষ্ট্ৰীয় ক্ষমতাৰ প্ৰয়োজন, কেন্দ্ৰবদ্ধ শক্তিৰ সংগঠনৰ প্ৰয়োজন, বলপ্ৰয়োগৰ সংগঠনৰ প্ৰয়োজন, শোষকসকলৰ প্ৰতিৰোধ চূৰ্ণ কৰা আৰু কৃষকশ্ৰেণী, পেটি-বুৰ্জোৱা শ্ৰেণী আৰু অৰ্ধ সৰ্বহাৰা শ্ৰেণী তথা অসংখ্য ব্যাপক জনগণক সমাজবাদী অৰ্থনীতি সংগঠিত কৰাত নেতৃত্ব দিয়া, এই দুয়োটাৰ কাৰণেই প্ৰয়োজন।

সমাজবাদ-ৰূপান্তৰমুখী মিছৰৰ আৰব যুক্তৰাষ্ট্ৰ, ছিৰিয়া বৰ্মা, গিনি আৰু অন্যান্য দেশৰ অভিজ্ঞতাৰ পৰা দেখা যায়, এইবোৰ দেশত প্ৰতিষ্ঠিত শাসন ব্যৱস্থা হৈছে বিপ্লৱী গণতন্ত্ৰৰ একনায়কত্ব। ই অ-সৰ্বহাৰা আৰু অৰ্ধ-সৰ্বহাৰা জনগণ, সৰ্বোপৰি কৃষকশ্ৰেণী, মজলীয়া স্তৰ আৰু বুদ্ধিজীৱী-সকলৰ সমৰ্থনৰ ওপৰত নিৰ্ভৰ কৰে।

এই দেশবোৰৰ বিপ্লৱী গণতন্ত্ৰীসকলে শোষকশ্ৰেণীবিলাকৰ প্ৰতিৰোধ চূৰ্ণ কৰাৰ কাম আৰম্ভ কৰিছে— যেনে পুঁজিপতি শ্ৰেণী আৰু ভূ-স্বামীসকলৰ প্ৰতিৰোধ আৰু পেটি-বুৰ্জোৱা আৰু কৃষকশ্ৰেণীক নেতৃত্ব দি আছে।* এই একনায়কত্বই দেশ-প্ৰেমিক পেটি-বুৰ্জোৱা অংশসমূহ আৰু মজলীয়া বুৰ্জোৱাৰ

অংশ বিশেষৰ লগত সম্মিলিত হব পৰাৰ ঘটনাই শোষণবিৰোধী। পুঁজিবাদ-বিৰোধী গতিৰ পৰা বিচ্যুতি নঘটায়। সমাজবাদ-ৰূপান্তৰ-মুখী দেশসমূহত যি বিপ্লৱী গণতান্ত্রিক একনায়কত্বই নির্য্যাতিত সংখ্যাগৰিষ্ঠ জনগণৰ স্বার্থৰ প্রতিনিধিত্ব কৰে, সি সর্বহাৰাৰ একনায়-কত্বৰ বিপৰীতমুখী নহয়, বৰং ইয়াৰ মিত্রহে।

ছোভিয়েত ইউনিয়নত সমাজবাদী আৰু সাম্যবাদী নির্মাণ কার্য্যৰ পঞ্চাশ বছৰৰ অধিক কালৰ অভিজ্ঞতাই ইয়াৰ যুক্তিযুক্ততাৰ সাক্ষ্য দিছে। প্রকৃত গণতন্ত্র আৰু স্বাধীনতা এমুঠিমান চহকী লোক আৰু সামন্তপ্রভুৰ স্বার্থত নহৈ শ্রমজীৱী জনগণৰ কাৰণে গণতন্ত্র আৰু স্বাধীনতা বাস্তৱ জীৱনত কার্য্যকৰী কৰা হৈছে।

"সর্বহাৰাৰ একনায়কত্বই শ্রমিকশ্রেণী আৰু সকলো শ্রমজীৱী জনগণৰ স্বার্থবাহী স্বাধীনতাৰ সংৰক্ষণ কৰে।

সর্বহাৰাৰ একনায়কত্বই শ্রমিকশ্রেণী, কৃষকশ্রেণী আৰু সকলো শ্রমজীৱী মানুহৰ কাম কৰাৰ, শিক্ষা পোৱাৰ, বিশ্রাম কৰাৰ, দেশৰ ৰাজনৈতিক আৰু সামাজিক জীৱনত সক্রিয় অংশ গ্রহণৰ অধিকাৰ —আদি যিবোৰৰ অবিহনে প্রকৃত ব্যক্তি স্বাধীনতা হব নোৱাৰে সেইবোৰক নিশ্চিত কৰিছে। ১৯১৮ চনত "আমেৰিকাৰ শ্রমিক-সকললৈ লিখা চিঠিত" লেনিনে উল্লেখ কৰিছিল যে বৈজ্ঞানিক সমাজবাদৰ মতধাৰা, শান্তিৰ আদর্শসমূহ এটি ন্যায্য সমাজ ব্যৱস্থা, স্বাধীনতা আৰু গণতন্ত্রৰ অর্থ হৈছে কোটি কোটি জনগণৰ হৃদয় জয় কৰা। সাম্রাজ্যবাদে তাক দিব নোৱাৰে। দেশ নির্বিশেষে সমগ্র বিশ্বৰ সাম্রাজ্যবাদী বন্ধনসমূহৰ লৌহ-বলয়, ঘৃণনীয় সাম্রাজ্যবাদী চুক্তিবিলাক, সাম্রাজ্যবাদী শৃঙ্খলবিলাক চূর্ণ কৰাৰ কাৰণে শান্তিৰ পতাকা। সমাজবাদৰ পতাকা তুলি ধৰাৰ কাৰণে আমাক অভিনন্দন জনায়, সহানুভূতি জনায় আৰু প্রশংসা কৰে। এই ঘটনা সমগ্র বিশ্বই দেখি আছে। আশ্চর্য্যৰ একো

নাই যে বিশ্ব সাম্রাজ্যবাদী চক্রই আমাক এইথোৰৰ কাৰণে ঘৃণা কৰে ...."[১১*]

সাম্ৰাজ্যবাদী আৰু প্ৰতিক্ৰিয়াবাদীসকলে স্বাধীনতা, গণতন্ত্ৰ আৰু সমাজবাদৰ কাৰণে অক্লান্ত যুঁজাৰুসকলৰ বিৰুদ্ধে মিথ্যা আৰু কুৎসা ৰটনা কৰি, তেওঁলোকৰ মাজত ভাঙন ধৰাব খোজে, মুক্তি আন্দোলন পৰিচালনাত শ্ৰমজীৱী জনগণৰ আকাঙ্ক্ষা পঙ্গু কৰি দিব খোজে। লেনিনে "আমেৰিকাৰ শ্ৰমিকসকললৈ লিখা চিঠিত" আমেৰিকান সাম্ৰাজ্যবাদৰ প্ৰতিক্ৰিয়াশীল চৰিত্ৰ উদ্ঘাটন কৰি উপৰুক্ত ধৰণে সিদ্ধান্ত কৰিছিল আৰু এই সিদ্ধান্তৰ সত্যতা ইতিহাসে প্ৰতিপন্ন কৰিলেও আৰু কৰিয়েই আছে।

"কমিউনিষ্ট আতঙ্কৰ" চেলু উলিয়াই তাৰ বিৰুদ্ধে যুদ্ধৰ নামত সাম্ৰাজ্যবাদীসকলে ১৯১৮ চনত ছোভিয়েত ৰুছিয়াক আক্ৰমণ কৰে, তাৰ অৰ্থনীতিৰ বিৰাট ক্ষতি সাধন কৰে, বিপুল সংখ্যক জীৱন নাশ কৰে। একে চেলু উলিয়ায়েই ফেছিষ্ট জাৰ্মানীয়ে বহু দেশৰ জনগণক দাসত্ব বন্ধনত বান্ধিবৰ কাৰণে, মানৱজাতিৰ প্ৰতি অকথ্য দুঃখ আৰু দুৰ্যোগ জাপি দিয়াৰ কাৰণে সাম্ৰাজ্যবাদী, লুণ্ঠনকাৰী যুদ্ধ চলায়। ১৯৫৬ চনত সাম্ৰাজ্যবাদী আৰু জিয়নিষ্ট-সকলে মিছৰক আক্ৰমণ কৰাৰ সময়ত গামেল আব্দেল নাছেৰক "কমিউনিষ্ট দালাল" বুলি অভিহিত কৰে। বীৰ ভিয়েটনামী জনগণৰ বিৰুদ্ধে অপৰাধকাৰী আক্ৰমণমূলক যুদ্ধ চলোৱা কালত আমেৰিকা যুক্তৰাষ্ট্ৰই "কমিউনিষ্ট আতঙ্কৰ" নৃশংসতাৰ ভিত্তিহীন অভিযোগ আনিছিল ভিয়েটনামৰ বিৰুদ্ধে। কমিউনিজম বিৰোধিতাৰ পতাকাতলত প্ৰতিক্ৰিয়াৰ জঘন্যতম শক্তিসমূহ সমবেত হৱই। কমিউনিজম বিৰোধিতাক কিহে বল দিয়ে? এই প্ৰশ্নৰো স্পষ্ট উত্তৰ লেনিনে দিছে: "বিপ্লৱ আৰম্ভ হ'ল বুলি জনগণ সাধু হৈ

---

*ভ. ই. লেনিন "আমেৰিকাৰ শ্ৰমিকসকললৈ চিঠি," ৰচনা সংগ্ৰহ, খণ্ড নং, ২৮, পৃঃ ৬৫

যোৱা নাই। শোষিত শ্ৰেণীসমূহ সহস্ৰ সহস্ৰ বছৰ ধৰি নিৰ্য্যাতিত হৈছে, লাঞ্ছনা-বিড়ম্বনা ভোগ কৰিছে আৰু দাৰিদ্ৰ্য, নিষ্ঠুৰতা আৰু অজ্ঞতাৰ অভিশপ্ত জীৱন-যাপন কৰিবলৈ বাধ্য হৈছে সেই সকলে বিপ্লৱ কৰাৰ সময়ত ভুল-ভ্ৰান্তি এৰাই যাব নোৱাৰে। আৰু ....বুৰ্জোৱা সমাজৰ মৰা শ'টোক চিতাত তুলিব পৰা হোৱা নাই। পুঁজিবাদৰ শ'টো আমাৰ মাজত গেলিবলৈ ধৰিছে, জহি খহি গৈছে, বতাহ কলুষিত কৰি আছে আৰু আমাৰ জীৱন বিষাক্ত কৰি আছে, সেই প্ৰাচীন, মৰণোন্মুখ আৰু ক্ষয়িষ্ণুতাৰ সহস্ৰ সহস্ৰ সূতা আৰু বান্ধোনৰ জালত নতুন, টাটকা, নবীন আৰু পৌৰুষদীপ্ত শক্তিক বন্দী কৰি ৰাখিছে।"*

ছোভিয়েত ৰাষ্ট্ৰৰ বিকাশৰ প্ৰথম বছৰ কেইটাৰ যি চিত্ৰ এই কথা বিলাকৰ মাজেদি ফুটি উঠিছে, সি বহু সদ্য স্বাধীন দেশসমূহৰ কাৰণে অত্যন্ত সময়োপযোগী। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু পছিমীয়া শক্তিৰ দেশসমূহে সাম্ৰাজ্যবাদী প্ৰচাৰৰ যি কমিউনিজম বিৰোধী মনোভাৱ এই দেশসমূহত সিচি দিছে তাৰ ক্ষতিকাৰক প্ৰভাৱ জাতীয় মুক্তি আন্দোলনৰ ওপৰত পৰিছে। ১৯৭১ চনৰ জুলাই মাহত ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টি আৰু আৰব ছ'চিয়েলিষ্ট ইউনিয়নৰ মাজত হোৱা চুক্তিসমূহৰ পিছত ওলোৱা এক ঘোষণা যোগে কোৱা হয় "পাৰ্টি-দুটাই দৃঢ় বিশ্বাস ব্যক্ত কৰিছে যে কমিউনিজম বিৰোধিতা জাতিসমূহৰ মুক্তিৰ আকাঙ্ক্ষা আৰু জাতীয় স্বাৰ্থৰ পক্ষে ক্ষতিজনক আৰু ইয়াক ঠাই দিয়া অনুচিত। ই কেৱল আন্তৰ্জাতিক প্ৰতিক্ৰিয়া-চক্ৰসমূহৰ স্বাৰ্থ পূৰণ কৰে। কমিউনিজম বিৰোধিতা বিস্তাৰ কৰাৰ প্ৰয়াসৰ লক্ষ্য হৈছে যি আৰব-বিপ্লৱীসকলে সাম্ৰাজ্যবাদ, জিয়নিজম আৰু ইজৰায়েলী আক্ৰমণৰ বিৰুদ্ধে আৰব জনগণৰ অধিকাৰসমূহ মুক্ত আৰু স্বাধীন বিকাশৰ পিনে লৈ যোৱাৰ সংগ্ৰামত

*ভ. ই. লেনিন "আমেৰিকাৰ শ্ৰমিকসকললৈ চিঠি," ৰচনা সংগ্ৰহ, খণ্ড নং ২৮, পৃঃ ৭২

লিপ্ত, সেই আৰব বিপ্লৱীসকলৰ মাজত বিভেদ সৃষ্টি কৰা। আৰব জনগণ আৰু তেওঁলোকৰ বন্ধুসকলৰ মাজত থকা সংহতি আৰু সহযোগিতা ছেদেলি-ভেদেলি কৰাও এই প্ৰয়াসৰ উদ্দেশ্য।"

সমাজবাদী ৰূপান্তৰৰ সফলতাৰ প্ৰতিশ্ৰুতি প্ৰগতিবাদী শক্তিসমূহৰ ঐক্য

জাতীয় মুক্তি আন্দোলনত বিভেদ সৃষ্টিৰ কাৰণে প্ৰগতিবাদীশক্তি-সমূহৰ অনৈক্যসৃষ্টিৰ চেষ্টা সাম্ৰাজ্যবাদে সদায় চলাই আহিছে। এই উদ্দেশ্য সাধনৰ কাৰণে জাতীয় মুক্তি আন্দোলনৰ মাজত কিছু মতৰ অনৈক্য মূলতঃ আভ্যন্তৰিণ সামাজিক-অৰ্থনৈতিক সমস্যা সমাধানৰ পথ আৰু উপায় সম্পৰ্কে দেখা দিয়ে অনৈক্যক মূলধন কৰাৰ চেষ্টা সাম্ৰাজ্যবাদে কৰিবই। উন্নয়নশীল দেশসমূহৰ জাতীয় স্বাৰ্থৰ লগত কমিউনিজমৰ ভাৱ-ধাৰা খাপ নাখায় বুলি দিয়া ধাৰণা, আৰু প্ৰতিনিয়ত "কমিউনিষ্ট আতঙ্ক"ই জোৰ-জবৰদস্তি কৰাৰ মিছা প্ৰচাৰ চলাই নয়া-ঔপনিবেশিকতাবাদীসকলে কমিউনিষ্ট আৰু জাতীয় গণতন্ত্ৰীসকলৰ মাজত এটা অবিশ্বাসৰ বা-বতাহ সৃষ্টি কৰাৰ আশা কৰে আৰু তাৰ দ্বাৰা সকলো প্ৰগতিবাদী, বিপ্লৱী শক্তিসমূহৰ ঐক্য মোৰ্চা গঠনত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। সাম্ৰাজ্যবাদীহঁতে সিহঁতৰ ঔপনিবেশিক পৰিকল্পনাৰ পথত এই শক্তিসমূহৰ ঐক্য আৰু সংহতি প্ৰচণ্ড বিঘ্নস্বৰূপ বুলি বুজিব পাৰি, সিহঁতৰ হাতত থকা সকলো উপায়েৰে প্ৰতিক্ৰিয়াশীল জাতীয়তাবাদী প্ৰৱণতা সমূহক উৎসাহিত কৰি তোলাত যত্ন কৰে আৰু নয়া ঔপনিবেশিকতাবাদৰ বিৰুদ্ধে দৃঢ় আৰু আপোচহীন সংগ্ৰামত

লিপ্ত কমিউনিষ্ট পাৰ্টিসমূহ আৰু অন্যান্য শক্তিৰ বিৰুদ্ধে সিবোৰক পৰিচালিত কৰে।

১৯৬৯ চনত হোৱা কমিউনিষ্ট আৰু ৱাৰ্কাৰ্ছ পাৰ্টি সমূহৰ আন্তৰ্জাতিক বৈঠকে উন্মুকিয়াই দিয়ে যে সাম্ৰাজ্যবাদীহঁতে প্ৰগতিশীল আৰু দেশপ্ৰেমিক শক্তিসমূহক হতাশগ্ৰস্ত কৰিবলৈ বিচাৰিছে আৰু দেশপ্ৰেমিকসকলৰ মাজত অনৈক্য সৃষ্টিৰ বাবে কমিউনিষ্ট বিৰোধী বৈৰিতাক ব্যৱহাৰ কৰিবলৈ ধৰিছে। ইয়াৰ মূল দলিলত বৈঠকে জোৰ দি কোৱা হয়ঃ “সাম্ৰাজ্যবাদে উন্নয়নশীল দেশসমূহত বিবাদ সৃষ্টিৰ প্ৰৰোচণা দিয়ে প্ৰতিক্ৰিয়াশীল জাতীয়তাবাদক প্ৰৰোচিত কৰি সিবিলাকৰ মাজত বিভেদৰ বীজ সিঁচে।

সাম্ৰাজ্যবাদ জিয়নিজম আৰু আভ্যন্তৰিণ প্ৰতিক্ৰিয়াই আৰবৰ জাতীয় মুক্তি আন্দোলনত বিৰোধৰ সৃষ্টিৰ বাবে এই আন্দোলনৰ ভিতৰত থকা ঘৰুৱা মত-পাৰ্থক্যক জগাই তোলা আৰু তীব্ৰ কৰি তোলাত প্ৰাতনিয়ত চেষ্টা চলাই গৈছে, যাতে সাম্ৰাজ্যবাদ আৰু জিয়নিজমৰ বিৰুদ্ধে এই দেশসমূহৰ উমৈহতীয়া সংগ্ৰাম দুৰ্বল হৈ পৰে। মাওবাদীসকলে তেওঁলোকৰ জাতীয়তাবাদী উত্তেজনা আৰু ছোভিয়েত বিৰোধী প্ৰচাৰণাৰ জৰিয়তে উক্ত সাম্ৰাজ্যবাদী চেষ্টাত ইন্ধন যোগাইছে।

মধ্যপ্ৰাচ্যত এক শান্তিপূৰ্ণ ৰাজনৈতিক বুজা-পৰা বানচাল কৰাৰ উদ্দেশ্যেৰে মাওবাদীসকলে এক উগ্ৰতাবাদী পথ গ্ৰহণ কৰি পেলেষ্টাইনৰ মুক্তি সংগঠনৰ অতি “বাওঁপন্থী” উপাদানৰ অংশটোক হিংসাত্মক অসমসাহসিক কাৰ্য্যাৱলী কৰাত প্ৰৰোচিত কৰে যাৰ ফলত পেলেষ্টাইনীয় জনগণৰ মুক্তি আন্দোলন ক্ষতিগ্ৰস্ত হয়। ১৯৭০ চনৰ চেপ্তেম্বৰ মাহত মাওবাদীসকলে খোলাখুলি ভাৱে ছিৰিয়া, ইৰাক আৰু অন্যান্য দেশসমূহক “পেলেষ্টাইনী আৰবীয়

সকলৰ স্বাৰ্থ ৰক্ষাৰ"* নামত জৰ্ডানৰ বিৰুদ্ধে সামৰিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ টানি ধৰে। তেনে পৰামৰ্শ মতে যদি কাম কৰা হ'লহেঁতেন, তাৰ দ্বাৰা এমেৰিকান সাম্ৰাজ্যবাদ আৰু জিয়নিষ্টৰ "আৰবসকলৰ বিৰুদ্ধে আৰবসকলক লগোৱা পৰিকল্পনাকে কাৰ্য্য-কৰী কৰা হ'লহেঁতেন।

মুক্তি আন্দোলনৰ বিভেদ সৃষ্টিত একমাত্ৰ প্ৰতিক্ৰিয়াবাদী-সকলৰেই স্বাৰ্থ নিহিত থাকিব পাৰে। সমাজবাদী-ৰূপান্তৰমুখী এখন দেশত জনসাধাৰণে অৰ্জন কৰা ৰাজনৈতিক আৰু গণ-তান্ত্ৰিক স্বাধীনতা সমূহ নিশ্চিহ্ন কৰাৰ কাৰণেই প্ৰতিক্ৰিয়াই এই মুক্তি আন্দোলনক দুৰ্বল কৰিবলৈ বিচাৰে। প্ৰতিক্ৰিয়াবাদী-সকলে সাম্ৰজ্যবাদৰ সমৰ্থন পুষ্ট হৈ সিঁহতৰ স্বাৰ্থপৰ সুবিধাবোৰ ৰক্ষাৰ কাৰণে আৰু সাম্ৰাজ্যবাদী কোম্পানীসমূহে সিঁহতৰ লুণ্ঠন-বৃত্তি চলোৱাত সহায়কৰ পৰিস্থিতি সৃষ্টিৰ কাৰণে সকলো ৰকমৰ চেষ্টা চলায়। এনে পৰিস্থিতিত সকলো প্ৰগতিশীল দলসমূহ আৰু দেশপ্ৰেমিক শক্তিসমূহৰ এটি ঐক্যবদ্ধ মোৰ্চা গঠন অত্যধিক জৰুৰী। ১৯৭৪ চনত ইৰাকৰ গণতান্ত্ৰিক বাথ পাৰ্টিয়ে তেনে ধৰণৰ মোৰ্চা গঠনত উদ্যোগ গ্ৰহণ কৰে। আজি জাতীয় কৰ্মোদ্যোগৰ কাৰ্য্যসূচী এটি বাস্তৱত ৰূপান্তিত হৈ আছে, এই কাৰ্য্যসূচীত পোৱা যাব সাম্ৰাজ্যবাদ, জিয়নিজম আৰু সামন্তবাদৰ বিৰুদ্ধে ইৰাকত থকা প্ৰগতিবাদী শক্তিসমূহৰ উমৈহতীয়া সংগ্ৰামৰ ভিত্তি। ১৯৭১ চনৰ আগভাগত ছিৰিয়াতো প্ৰগতিবাদী আৰু দেশপ্ৰেমিক শক্তিসমূহৰ একক এটি যুক্ত-মোৰ্চা গঠনৰ ফালে গুৰুত্বপূৰ্ণ ব্যৱস্থা গ্ৰহণ কৰা হয়। কঙ্গোলীয় লেবাৰ পাৰ্টিয়েও প্ৰগতি-বাদী আৰু দেশপ্ৰেমিক শক্তিসমূহৰ এটি মোৰ্চা গ্ৰহণৰ উদ্যোগ লৈছে। আৰবজাতীয় মুক্তি আন্দোলনে স্বীয় শক্তিসমূহৰ সমন্বয় ঘটাই আৰু ইয়াৰ ঐক্য জোৰদাৰ আৰু সংহত কৰি

* জেন-মি-জিহ-পাও চেপ্তেম্বৰ ২৪,১৯৭০ চন

সাম্রাজ্যবাদ আৰু প্ৰতিক্ৰিয়াক গুৰুতৰভাৱে আঘাত কৰিছে। ইৰাকৰ বাৰ্থ পাৰ্টি কমিউনিষ্ট পাৰ্টি'ৰ দলিলসমূহৰ পৰা দেখা যায়, এই পাৰ্টি'বোৰ যি সিদ্ধান্তলৈ আহিছে সি হ'ল "ইৰাকৰ ভিতৰৰ প্ৰগতিবাদী পাৰ্টিসমূহৰ মাজত থকা পাৰস্পৰিক বিৰোধক এহাতে প্ৰগতিবাদী দেশপ্ৰেমিক শক্তি আৰু আনহাতে সাম্রাজ্য-বাদ, জিয়নিজম আৰু প্ৰতিক্ৰিয়া ইয়াৰ মাজত থকা মূল-বিৰোধক ঢাকিবলৈ দিব নোৱাৰি।

জাতীয় মুক্তি আন্দোলন আৰু ইয়াৰ সকলো অংশৰ সমুখত সাধাৰণ আৰু প্ৰধান লক্ষ্য হৈছে জনগণক শোষন আৰু নিৰ্য্যাতনৰ পৰা মুক্তি দিবলৈ সাম্রাজ্যবাদৰ সকলো ধৰণৰ বন্ধনজাল ছিন্ন কৰা। এই চৰম লক্ষ্যই সকলো মুক্তিযুঁজাৰু বাহিনীক একগোট কৰে; জাতীয় গণতন্ত্ৰী, কমিউনিষ্ট আৰু সকলো মুক্তিযোদ্ধাৰ উমৈহতীয়া প্ৰয়াসেৰে ই সাধিত হব পাৰে। জাতীয় মোৰ্চাসমূহত যোগদানকাৰীসকল হৈছে শ্ৰমিকসকল, কৃষক সম্প্ৰদায়, সংখ্যাগতভাৱে চহৰৰ বিৰাট মধ্যবিত্ত স্তৰ, বুদ্ধিজীৱী, সামৰিকবাহিনীৰ প্ৰগতিশীল অংশ আৰু বুৰ্জোৱাৰ সেই অংশটো যিটো সাম্রাজ্যবাদী একচেটিয়াহঁতৰ লগত যুক্ত নহয় আৰু এটি স্বাধীন জাতীয় অৰ্থনীতি গঢ়ি তোলাত আগ্ৰহান্বিত। এই সাধাৰণ লক্ষ্য সাধনৰ পথত প্ৰগতিবাদী আৰু দেশ-প্ৰেমিক শক্তিসমূহৰ ঐক্যবদ্ধ সাম্রাজ্যবাদ-বিৰোধী মোৰ্চা গঠন এটি গুৰুত্বপূৰ্ণ পদক্ষেপ।

অৱশ্যে, প্ৰগতিবাদী আৰু দেশপ্ৰেমিক শক্তিসমূহৰ একক এটি সাম্রাজ্যবাদ - বিৰোধী মোৰ্চাত ঐক্যবদ্ধ কৰাৰ কামে আপোনা আপুনি সংশ্লিষ্ট শ্ৰেণীশক্তিসমূহৰ স্বাৰ্থবিলাকৰ এটা "পূৰ্ণ আৰু চিৰন্তন মিলন"ৰ পিনে লৈ নাযায়। শ্ৰেণী-

পাৰ্থক্য চলি থাকিব পাৰে। আৰু ঘৃণা আৰু অবিশ্বাসৰ মনোভাৱ বৃদ্ধি চলি থাকিব পাৰে। কিন্তু সাধাৰণ শত্ৰুৰ মুখা-মুখী হৈ ঐক্যৰ প্ৰয়োজনীয়তাক তেনেধৰণৰ মত পাৰ্থক্যৰ ওপৰতে স্থান দিব লাগিব। সাম্ৰাজ্যবাদ - সমৰ্থন - পুষ্ট আভ্যন্তৰিণ প্ৰতিক্ৰিয়াৰ বিৰুদ্ধে সংগ্ৰামত আৰু সুদূৰ প্ৰসাৰী সামাজিক পৰিবৰ্ত্তন সাধনত,, জাতীয় স্বাধীনতা ৰক্ষা কৰা আৰু শক্তি-শালী কৰাৰ প্ৰক্ৰিয়াত কমিউনিষ্ট আৰু জাতীয় গণতন্ত্ৰী-সকলৰ সমুখত ব্যাপক সমন্বয় বিচাৰি উলিওৱাৰ বাস্তৱ সম্ভাৱনা আছে। এই সম্ভাৱনাক আয়ত্ত কৰাই হৈছে জাতীয় গণতান্ত্ৰিক বিপ্লৱৰ সফলতাৰ প্ৰতিশ্ৰুতি, সমাজবাদী ৰূপান্তৰৰ সাফল্যৰ প্ৰতিশ্ৰুতি।

অধ্যায় ৫

অপুঁজিবাদী বিকাশৰ পথ আৰু দুই সমাজ ব্যৱস্থাৰ মাজত সংগ্ৰাম

ছোভিয়েত মধ্য এছিয়াৰ প্ৰজাতন্ত্ৰসমূহৰ অপুঁজিবাদী বিকাশ ঘটিছিল পৃথিৱীৰ প্ৰথম সমাজবাদী ৰাষ্ট্ৰৰ অস্তিত্ব থকা পৰিস্থিতিত আৰু ইয়াৰ ৰাষ্ট্ৰীয় গণ্ডীৰ ভিতৰতে। দ্বিতীয় অধ্যায়ত আমি ইতিপূৰ্ব্বে বিশেষভাৱে উল্লেখ কৰিছো যে ছোভিয়েত মধ্য এছিয়াৰ প্ৰজাতন্ত্ৰসমূহ একক সমাজবাদী ৰাষ্ট্ৰব্যৱস্থাৰ লগত যুক্ত ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ বিভিন্ন জাতি সংক্ৰান্ত নীতিৰ অন্তৰ্ভুক্ত হৈ থকাত ছোভিয়েত প্ৰাচ্যত অপুঁজিবাদী বিকাশ দ্ৰুততৰ হোৱা সুনিশ্চিত হৈছিল।

ছোভিয়েত মধ্য এছিয়াঁৰ প্ৰজাতন্ত্ৰসমূহ আৰু মঙ্গোলীয়াৰ বিপৰীতে নবীন এফ্ৰো-এছিয় দেশসমূহে অপুঁজিবাদী বিকাশ আৰম্ভ কৰিছে আৰু চলাই আছে আচলতে বিশ্ব পুঁজিবাদী বজাৰৰ চৌহদৰ ভিতৰতে। অৱশ্যে আন এটি আৰু এনেকি অধিক গুৰুত্বপূৰ্ণ পাৰ্থক্য থকা যি অৱস্থাত এইদেশবিলাক বিকশিত হৈ আছে সেইটো হ'ল: এই দেশবিলাকে এনে এটা যুগত বিকাশ লাভ কৰিবলৈ ধৰিছে যি যুগত বিশ্ব সমাজবাদী ব্যৱস্থাৰ অস্তিত্ব বৰ্ত্তমান আৰু সি শক্তি সঞ্চয় কৰি আছে। দুটা সমাজ ব্যৱস্থাৰ মাজত প্ৰতিযোগিতা চলিবলৈ ধৰিছে, বিশ্ব জোৰা

প্ৰতিদ্বন্দ্বিতা চলিবলৈ ধৰিছে আৰু মানব-প্ৰচেষ্টাৰ যেনে অৰ্থনীতি, ৰাজনীতি, মতাদৰ্শ, সংস্কৃতি ইত্যাদি হৈছে বৰ্ত্তমান যুগৰ সকলো মূল উপাদানসমূহৰ ক্ষেত্ৰত প্ৰতিযোগিতা চলিবলৈ ধৰিছে। এই ঐতিহাসিক প্ৰতিযোগিতাত সামাজিক শক্তিসমূহৰ ভাৰসাম্য ক্ৰমবৰ্দ্ধমানভাৱে সমাজবাদৰ পক্ষে পৰিবৰ্ত্তিত হৈ আছে।

পুঁজিবাদী আৰু প্ৰাক্-পুঁজিবাদী সম্পৰ্কৰ পৰা সমাজবাদী সমাজ-সম্পৰ্কৰ ঐতিহাসিক পটভূমিত জাতীয়মুক্তি আন্দোলনসমূহৰ স্থান আৰু ভূমিকা পৰ্য্যালোচনা কৰি লেনিনে এটি মহামূল্যবান তত্ত্বগত আৰু প্ৰয়োগগত গুৰুত্ব-সম্পন্ন সিদ্ধান্ত দাঙি ধৰিছিল। তেওঁ লিখিছিল, "এটা যুগাৰম্ভৰ ৰূপতহে সমাজ-বিপ্লৱ আহিব পাৰে; সেই যুগাৰম্ভটোত উন্নতদেশবোৰত বুৰ্জোৱাশ্ৰেণীৰ বিৰুদ্ধে সৰ্ব্বহাৰা শ্ৰেণীৰ গৃহযুদ্ধ আৰু অনুন্নত পশ্চাৎপদ আৰু নিৰ্য্যাতিত দেশসমূহৰ জাতীয় মুক্তি আন্দোলনকে ধৰি সমগ্ৰ গণতান্ত্ৰিক আৰু বৈপ্লৱিক আন্দোলন সমূহ সংযুক্ত হয়।* যেনে আমি দেখিবলৈ পাওঁ লেনিনে জাতীয় মুক্তি আন্দোলনক বিশ্ব সমাজ বিপ্লৱৰ অবিচ্ছেদ্য অংশ হিছাপে, অসহনীয় সাধাৰণ শত্ৰু — বিশ্ব সাম্ৰাজ্যবাদ আৰু প্ৰতিক্ৰিয়াৰ বিৰুদ্ধে সংগ্ৰামত বিশ্ব সমাজবাদৰ মিত্ৰ হিছাপে গণ্য কৰিছিল।

বিশ্ব সমাজবাদী ব্যৱস্থাৰ অস্তিত্ব আৰু সংহতি আৰু বিশ্ব পুঁজিবাদৰ লগত ইয়াৰ প্ৰতিযোগিতাই সদ্য স্বাধীন এছিয়া আৰু আফ্ৰিকাৰ দেশসমূহৰ সমাজ প্ৰগতিৰ অনুকূলে এক গুণগতভাৱে নতুন পৰিস্থিতিৰ সৃষ্টি কৰিছে। ১৯৬৯ চনৰ বিশ্ব কমিউনিষ্ট আৰু ওৱাৰ্কাছ পাৰ্টিসমূহৰ আন্তৰ্জাতিক সভাত গৃহীত মূল দলিলত কোৱা হৈছে, "বিশ্ব সমাজবাদী ব্যৱস্থা সাম্ৰাজ্যবাদ-বিৰোধী সংগ্ৰামৰ ভাগ্য নিৰ্দ্ধাৰণকাৰী শক্তি। "প্ৰতিটো মুক্তি আন্দোলনে বিশ্ব

*ভ. ই. লেনিন "মাৰ্ক্সবাদৰ এটি পৰিহাস আৰু সাম্ৰাজ্যবাদী অৰ্থনীতি", ৰচনা সংকলন, খণ্ড নং ২৩, পৃঃ ৬০

সমাজবাদী ব্যৱস্থাৰ পৰা, সৰ্বোপৰি ছোভিয়েত ইউনিয়নৰ পৰা প্ৰয়োজনীয় সাহায্য পাই থাকে।"*

এক গভীৰ বৈজ্ঞানিক বিশ্লেষণৰ ভিত্তিত হোৱা এই সিদ্ধান্তই সকলো দেশৰ সৰ্বহাৰাৰ ব্যাপক স্বীকৃতি লাভ কৰিছে। মাওবাদী-সকলে তেওঁলোকৰ স্বীয় পেটি-বুর্জোৱা তত্ত্বৰে এই সিদ্ধান্তৰ বিৰোধিতা কৰাৰ চেষ্টা কৰি কয় যে জাতীয় মুক্তি আন্দোলনহে বিশ্ব বিপ্লৱী প্ৰক্ৰিয়াত বৰ্তমানৰ মূল আৰু নেতৃত্বশীল শক্তি, সমাজবাদী ব্যৱস্থা নহয়, আমাৰ যুগত মূল বিৰোধ হৈছে তৃতীয় দুনিয়া আৰু সাম্ৰাজ্যবাদৰ মাজত। এই তত্ত্ব ব্যৰ্থ হৈছে। কাৰণ এই তত্ত্ব স্পষ্টতঃ বাস্তৱতা-বিৰোধী, সাধাৰণভাবে যুদ্ধ পৰবৰ্ত্তী ইতিহাসৰ অসংখ্য ঘটনাই আৰু বিশেষভাৱে জনগণৰ জাতীয় মুক্তি আন্দোলনৰ ইতিহাসৰ তথ্যপাতিবোৰে এছিয়া, আফ্ৰিকা আৰু লাটিন আমেৰিকাৰ জাতীয় মুক্তি আন্দোলনবিলাকক আৰু এইদেশসমূহৰ জনগণৰ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে হোৱা সংগ্ৰামক বিশ্ব সমাজবাদী ব্যৱস্থাই সমৰ্থন দিয়াৰ নিৰ্ণয়কাৰী ভূমিকা দেখুৱাইছে।

"দুই অতি বৃহৎ শক্তি" সংক্ৰান্ত ধাৰণাৰ প্ৰতিক্ৰিয়াবাদী মৰ্ম

সাম্প্ৰতিক বছৰবিলাকত মাওবাদীসকলে এই তত্ত্বৰ লগত সংযোজন কৰিছে "দুই অতিবৃহৎ শক্তি"ৰ তথাকথিত মতবাদ। এই মতবাদ অনুযায়ী 'দুই অতিবৃহৎ শক্তি", আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েত ইউনিয়নে হেনো বিশ্বক স্ব-প্ৰভাৱৰ এলাকাত ভাগ আৰু বিশ্ব প্ৰভুত্ব প্ৰতিষ্ঠা" কৰিবলৈ বিচাৰে, ই "সৰু আৰু মধ্যম আকৃতিৰ দেশসমূহৰ" বিৰোধী যি দেশবোৰৰ দুই অতিবৃহৎ শক্তিৰ 'শক্তি-কেন্দ্ৰিক নীতিৰ বিৰুদ্ধে চলা সংগ্ৰাম এক অপৰিবৰ্ত্তনীয় ঐতিহাসিক প্ৰৱণতা।

*কমিউনিষ্ট আৰু ওৱৰ্কাৰ্ছ পাৰ্টিসমূহৰ আন্তৰ্জাতিক সভা, মস্কো ১৯৬৯, পৃঃ ২১

মাওবাদীসকলে "অতি বৃহৎ শক্তি"ৰ ধাৰণা ধাৰ কৰিছে। সাম্ৰাজ্যবাদী তত্ত্ববিশাৰদসকলৰ কমিউনিষ্ট-বিৰোধী প্ৰচাৰৰ অস্ত্ৰাগাৰৰ পৰা সকলোৱেই জানে, শোষোক্তসকলে আমাৰ কালত তেওঁলোকৰ কমিউনিষ্ট বিৰোধী তত্ত্বক যেনে তেনপ্ৰকাৰে সজাই পৰাই তুলিবলৈ বাধ্য হৈছে, যথা সমাজবাদৰ আৰু পুঁজিবাদৰ এটি তথাকথিত "অবক্ষয়ৰ" তত্ত্ব আমদানি। লেনিনে তেওঁৰ "সাম্ৰাজ্যবাদ, পুঁজিবাদৰ সৰ্বোচ্চ স্তৰ" কিতাপখনিত লিখিছে: "বুর্জোৱা পণ্ডিত আৰু প্ৰচাৰবিদসকলে সাধাৰণতে কিছু প্ৰচ্ছন্নভাবে সাম্ৰাজ্যবাদৰ পক্ষ গ্ৰহণ কৰে; তেওঁলোকে ইয়াৰ পূৰ্ণ প্ৰভুত্ব আৰু তাৰ গভীৰগামী শিপা ঢাকিব বিচাৰে .. ... বিশ্ব-নিন্দুক অকপট সাম্ৰাজ্যবাদীহঁতৰ ভিতৰত সাম্ৰাজ্যবাদৰ মৌলিক বৈশিষ্ট্যবোৰৰ পুন:সংস্কাৰৰ চিন্তাৰ অসম্ভাব্যতাক যথেষ্ট সাহসেৰে স্বীকাৰ কৰিব পৰা লোকৰ ছবি অতি বিৰল।[১৭]

বৰ্তমান যুগত, লেনিনৰ এই সুশৃঙ্খলগত পথনিৰ্দেশ নতুন অৰ্থ বহন কৰিছে। চোভিয়েত ইউনিয়নৰ আৰু অন্যান্য সমাজবাদী দেশসমূহৰ সফলতাবোৰ আৰু পুঁজিবাদৰ সাধাৰণ সংকটৰ গভীৰতা আৰু ইয়াৰ ব্যৱস্থাটোৰ ভিতৰত লেঠাৰি-নিছিগা জোকাৰণিবোৰ জনগণৰ চকুৰ পৰা আৰু লুকুৱাব নোৱাৰি। পৰম্পৰাগত ভাৱে কমিউনিজমক "সম্পূৰ্ণ বেয়া" আৰু পুঁজিবাদক "সম্পূৰ্ণ ভাল" বুলি কৰা প্ৰশংসাৰ বুর্জোৱা অজুহাতবাদীসকলক সম্পূৰ্ণ বিমূঢ় কৰি পেলোহাত। গতিকে তেওঁলোকৰ তত্ত্বক সপ্ৰমাণ কৰাৰ কাৰণে বিষয়বোৰক শ্ৰেণী সত্বাক লুকোৱাৰ চেষ্টা, জোৰ তাপলি দিয়া আৰু সত্যক বিকৃত কৰাৰ চেষ্টা।

"দুটা অতি বৃহৎ শক্তিৰ তত্ত্বৰ চাৰিত্ৰিক বৈশিষ্ট্য হ'ল এই যে বিভিন্ন দেশ আৰু জনগণৰ সামাজিক বিকাশৰ পদ্ধতি পৰ্য্যালোচনাত ই শ্ৰেণী-দৃষ্টিভঙ্গীৰ গ্ৰহণ অৱজ্ঞা কৰে। মাওবাদী

আৰু বুর্জোৱা প্রচাৰবিদসকলৰ উভয়ে ছোভিয়েত ইউনিয়ন আৰু যুক্তৰাষ্ট্ৰক "অতি বৃহৎ শক্তি" বুলি চিহ্নিত কৰে এই ঘটনাৰ ভিত্তিত যে দেশ দুখন অন্যান্য দেশতকৈ সামৰিক আৰু আৰ্থিক ক্ষেত্ৰত অগ্ৰগামী। ছোভিয়েত ইউনিয়ন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই পৃথিবীৰ অত্যধিক শক্তিশালী আনবিক ক্ষেপণাস্ত্ৰ ধাৰণ কৰাৰ তথ্য দাঙি ধৰি বুর্জোৱা কমিউনিষ্ট বিদ্বেষী আৰু মাওবাদী-সকলে প্ৰতিপন্ন কৰিব খোজে যে এই ৰাষ্ট্ৰ দুখনেহে কেৱল বিশ্ব পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব পাৰে আৰু সকলো আন্তৰ্জাতিক সমস্যাৰ ফলাফল কেৱল দেশ দুখনৰ সংগ্ৰাম অথবা "বুজাবুজিৰ ওপৰতে নিৰ্ভৰ কৰে" দুটা অতি বৃহৎ শক্তিৰ তত্বৰ পূজাৰী সকলে দুটা সামাজিক অৰ্থনৈতিক ব্যৱস্থাৰ মাজত হোৱা ঐতি-হাসিক প্ৰতিযোগিতাক ছোভিয়েত ইউনিয়ন আমেৰিকা যুক্ত-ৰাষ্ট্ৰৰ মাজত সংঘৰ্ষ অথবা বুজাবুজিৰ বিষয় বুলি চমুৱাই থয়। "ছোভিয়েত ইউনিয়নৰ লগত সম্পৰ্ক" শিতানৰ এটি প্ৰবন্ধত এমেৰিকান সমাজবিদ মাৰ্শ্বাল ডি. চুলমেন এই প্ৰশ্ন তুলিছে "মূলতঃ দুটা মতবাদ, দুটা ৰাজনৈতিক ব্যৱস্থা, দুটা সামৰিক যন্ত্ৰ, দুটা বৃহৎ জাতিৰ ৰাষ্ট্ৰৰ মাজত সংঘৰ্ষ নে?" আৰু তেওঁ উত্তৰ দি কৈছে যে *: দুটা মুখ্য বৃহৎ শক্তিয়ে সামৰিক ক্ষমতা আৰু ৰাজনৈতিক প্ৰভাৱৰ বাবে প্ৰতিযোগিতা চলোৱা বুলিলেহে সংঘৰ্ষটো চমৎকাৰ ভাবে বুজিব পাৰি।"

আমি দেখিবলৈ পাওঁ, আনকি সাম্ৰাজ্যবাদৰ তত্ত্ববাগীশজ্ঞ যি সকলে ঘটনাৱলীৰ বৈজ্ঞানিক ব্যাখ্যা দিয়াত অনভিজ্ঞ আৰু সেইবোৰৰ শ্ৰেণী-মৰ্ম স্পষ্টভাবে বুজাত অক্ষম সেইসকলক বিভ্ৰান্ত কৰাৰ কাৰণে "দুটা অতি বৃহৎ শক্তি" জাতীয় তত্ত্ব আগ বঢ়াই বিষয়টোৰ স্বৰূপ ঢাকিব খোজে - আনকি তেওঁলোকেও

*মাৰ্শ্বাল ডি. চ্যুলমেন,, এজেণ্ডা ফৰ দি নেশ্বনত প্ৰকাশিত "ছোভিয়েত ইউনিয়নৰ লগত সম্পৰ্ক" ৱাশ্বিংটন, ১৯৬৮, পৃঃ ৩৭৩-৭৪

"বিশ্ব সংঘাত"ৰ অস্তিত্বৰ কথা অৰ্থাৎ সমাজবাদী বিশ্ব আৰু পুঁজিবাদী বিশ্বৰ মাজত হোৱা প্ৰতিযোগিতা, আৰু এই বিশ্ব-সংঘাতত ছোভিয়েত ইউনিয়ন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰোধপূৰ্ণ অৱস্থানৰ কথা অস্বীকাৰ কৰিবলৈ চেষ্টা নকৰে। যদিও তেওঁলোকে এই প্ৰতিযোগিতাৰ শ্ৰেণী-সম্পৰ্ক ছোভিয়েত ইউনিয়ন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত "সামৰিক ক্ষমতা আৰু ৰাজনৈতিক প্ৰভাৱৰ কাৰণে" সংগ্ৰামৰূপে চিত্ৰিত কৰে।

মাওবাদীসকলে ছোভিয়েত ইউনিয়নৰ বিৰুদ্ধে কুৎসা প্ৰচাৰৰ প্ৰয়াসত আনকি পশ্চিমৰ কমিউনিষ্ট-বিদ্বেষীসকলোকো চেৰ পেলাই গৈছে। তেওঁলোকে কেৱল ছোভিয়েত ইউনিয়ন আৰু অন্যান্য সমাজবাদীদেশৰ বিশ্ব সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সংগ্ৰামৰ ভূমিকা আৰু এই সংগ্ৰামৰ সামাজিক মৰ্ম আৰু গুৰুত্বকেহে যে অস্বীকাৰ কৰে তেনে নহয়, আনকি ছোভিয়েত ইউনিয়ন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত এটি "চুক্তি" থকা সম্বন্ধে অনৰ্গল কৈ থাকে, ইয়াৰ লক্ষ্য হেনো "ক্ষুদ্ৰ আৰু মধ্যমীয়া আকাৰৰ" দেশসমূহৰ বিৰুদ্ধে।

পশ্চিমৰ কমিউনিষ্ট বিদ্বেষীসকলে আৰু মাওবাদীসকলে ছোভিয়েত ইউনিয়ন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই গ্ৰহণ কৰা নীতিসমূহৰ মাজত সমান চিন্ টানে, আৰু এনেকি এই দেশসমূহৰ সশস্ত্ৰবাহিনীৰ সামাজিক উদ্দেশ্য সমীকৰণ কৰে। তেনেধৰণৰ দৃষ্টিভঙ্গীৰ অসাৰতা বুজিবৰ কাৰণে ঐতিহাসিক সত্যতা উন্মুকিয়াব পৰা যায়। এইবিলাকৰ ভিত্তিহীনতা সম্পূৰ্ণৰূপে ফটফটীয়া হব। যদি কোনোবাই এবাৰ চিন্তা কৰে আমেৰিকা যুক্তৰাষ্ট্ৰত আৰু ছোভিয়েত ইউনিয়নত কোন কোন শ্ৰেণীয়ে সশস্ত্ৰবাহিনীক নিয়ন্ত্ৰণ কৰে আৰু যি শ্ৰেণীৰ লক্ষ্য প্ৰতিখন দেশৰ সশস্ত্ৰবাহিনীয়ে পূৰণ কৰে।

কৃষক আৰু শ্ৰমিকসকলৰ ৰাষ্ট্ৰ — ছোভিয়েত ইউনিয়নৰ

সশস্ত্ৰবাহিনী ১৯১৮ চনত গঠিত হৈছিল, শিশু ছোভিয়েত ৰাষ্ট্ৰক বিদেশী হস্তক্ষেপ আৰু আভ্যন্তৰিণ প্ৰতি বিপ্লৱৰ পৰা ৰক্ষা কৰিবৰ কাৰণে। ছোভিয়েত ৰাষ্ট্ৰৰ অৰ্দ্ধ শতিকাৰো অধিক অস্তিত্বৰ সমগ্ৰ কালছোৱাত এটি মাত্ৰ লক্ষ্য তেওঁলোকে সাধন কৰিছে, সেইটো হ'ল আন্তৰ্জাতিক সাম্ৰাজ্যবাদৰ আক্ৰমণৰ পৰা ছোভিয়েত ইউনিয়নৰ জনগণৰ শান্তিপূৰ্ণ শ্ৰমলব্ধ ফল সুৰক্ষিত কৰা। ছোভিয়েত ফৌজৰ সমগ্ৰ ইতিহাসেই ইয়াৰ সাক্ষ্য বহন কৰে; ১৪খন পুঁজিবাদী দেশৰ (আমেৰিকা যুক্তৰাষ্ট্ৰকে ধৰি) হস্তক্ষেপৰ বিৰুদ্ধে ইয়াৰ বীৰত্বপূৰ্ণ সংগ্ৰাম কৃষক শ্ৰমিকসকলৰ ৰাষ্ট্ৰৰ জন্মলাভৰ প্ৰথম বছৰ কেইটাত; ১৯৩০'ৰ দশকত জাপানী সমৰবাদৰ বিৰুদ্ধে সংগ্ৰাম; আৰু শেহত নাৎসী আক্ৰমণ কাৰীসকলৰ বিৰুদ্ধে মহান্ দেশপ্ৰেমিক যুদ্ধত ইয়াৰ অমৰ কৃতিত্ব। সেই যুদ্ধত ছোভিয়েত ফৌজে ছোভিয়েত ইউনিয়নৰ সীমাৰ পৰা কেৱল আক্ৰমণকাৰী ফৌজসমূহক খেদি পঠোৱাই নহয়, ফেচিষ্ট বন্ধনৰ পৰা বহুতো ইউৰোপীয় জাতিক চূড়ান্ত ভাৱে মুক্ত কৰি ইয়াৰ আন্তৰ্জাতিক কৰ্ত্তব্য পালন কৰে। ছোভিয়েত জনগণৰ কাৰণে কমিউনিষ্ট সমাজ নিৰ্মাণৰ শান্তিপূৰ্ণ চৰ্ত্তসমূহ ছোভিয়েত ইউনিয়নৰ প্ৰতিৰক্ষা ক্ষমতাই নিশ্চিত কৰাৰ উপৰিও পৃথিৱীৰ অন্যান্য অঞ্চলত আন্তৰ্জাতিক সাম্ৰাজ্য-বাদৰ আক্ৰমণমূলক কাৰ্য্যকলাপৰ প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ ২৭তম কংগ্ৰেছৰ সমুখত কেন্দ্ৰীয় কমিটিৰ প্ৰতিবেদন দাঙি ধৰি, লিওনিদ ব্ৰেঝনেভে কয়; "সাম্ৰাজ্যবাদী হস্তক্ষেপকাৰীসকলৰ বিৰুদ্ধে ভিয়েতনাম আৰু ইন্দোচীনৰ অন্যান্য দেশসমূহৰ জনগণৰ সংগ্ৰামত ছোভিয়েত ইউনিয়ন আৰু অন্যান্য সমাজবাদী দেশৰ সক্ৰিয় আৰু অকৃত্ৰিম সমৰ্থন অসীম গুৰুত্বপূৰ্ণ। মধ্যপ্ৰাচ্যত সমাজবাদী ৰাষ্ট্ৰসমূহে লোৱা ব্যৱস্থাৱলীয়ে আৰবদেশসমূহৰ প্ৰগতিবাদী শাসকসকলক

গদীচ্যুত কৰাৰ সাম্ৰাজ্যবাদী পৰিকল্পনাসমূহ ব্যৰ্থ কৰি দিয়াৰ ক্ষেত্ৰত এটি অন্যতম নিৰ্দ্ধাৰণকাৰী উপাদান হৈ পৰিছে।"*

বিশ্ব-জনগণে জানে সাম্ৰাজ্যবাদীহঁতৰ হাতত থকা সশস্ত্ৰ-বাহিনী আৰু সৰ্বোপৰি আমেৰিকা যুক্তৰাষ্ট্ৰৰ একচেটিয়া পুঁজিৰ হাতত থকা সশস্ত্ৰবাহিনীয়ে কি উদ্দেশ্য সাধন কৰে। সিহঁতৰ সমগ্ৰ ইতিহাসে হৈছে আগ্ৰাসন, লুণ্ঠনকাৰী যুদ্ধ, অন্যান্য দেশৰ আভ্যন্তৰিণ বিষয়ত হস্তক্ষেপ আৰু সেই দেশবিলাকৰ জনগণক বৈদেশিক একচেটিয়া পুঁজিৰ তলতীয়া কৰাৰে ইতিহাস, জাতীয় মুক্তি আন্দোলন আৰু শ্ৰমজীৱী জনগণৰ বিপ্লৱী কাৰ্য্যকলাপৰ বিৰুদ্ধে সংগ্ৰামৰে ইতিহাস। যুদ্ধ পৰবৰ্ত্তী কালছোৱাত আগ্ৰাসী আৰু সমৰবাদী শক্তিয়ে ৩০ৰো অধিক যুদ্ধ আৰু সামৰিক সংঘৰ্ষ সৃষ্টি কৰিছে। প্ৰায়ভাগ ক্ষেত্ৰতে উদ্যোগ গ্ৰহণ-কাৰী আছিল যুক্তৰাষ্ট্ৰই। আমেৰিকাৰ সাম্ৰাজ্যবাদৰ নয়া-ঔপনি-বেশিক প্ৰভুত্ব প্ৰতিষ্ঠাৰ ধাৰণাৰ পৰাই আমেৰিকাৰ যুক্তৰাষ্ট্ৰই ৰৰঙণি যোগোৱা তথাকথিত "নমনীয়া প্ৰত্যুত্তৰ"ৰ তত্বই ঠাই পাইছে। এই তত্বৰ লক্ষ্য হৈছে "কমিউনিষ্ট" আৰু "ছোভিয়েত" বিপদৰ পৰা পুঁজিবাদী দুনিয়াক "ৰক্ষা কৰা"ৰ চেলুলৈ আমে-ৰিকাৰ সমুদ্ৰপাৰৰ পৰা দূৰ দূৰ ঠাইত প্ৰগতিবাদী শাসন ব্যৱস্থা উচ্ছেদ আৰু জাতীয় মুক্তি আন্দোলন দমন কৰাৰ বাবে "স্থানীয়" যুদ্ধবিলাকৰ এৰাল ছিঙি দিয়া (যেনে ইন্দোচীন, মধ্য প্ৰাচ্য, ইতালি)। এই অস্তিত্বহীন বিপদৰ কল্পিত কাহিনী হৈছে "দুটা অতি বৃহৎ শক্তি" তত্বৰ এটি অবিচ্ছেদ্য প্ৰচাৰ অভি-যানৰ উপাদান তাকে অৱলম্বন কৰি এমেৰিকান সাম্ৰাজ্যবাদে ইয়াৰ আগ্ৰাসী নীতি ঢাকিবলৈ চেষ্টা কৰে।

আজিৰ প্ৰকৃত পৰিস্থিতি হৈছে এয়ে যে ছোভিয়েত ইউনিয়ন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ নিজ যোগ্যতাৰ বলতে যুদ্ধ

*ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ ২৪তম কংগ্ৰেছ, পৃঃ ১১

আৰু শান্তিৰ সমস্যাসমূহ সমাধানৰ এক বিৰাট দায়িত্ব বহন কৰে। কিন্তু ছোভিয়েত ইউনিয়নে সদায় এই দায়িত্বভাৰ আৰু বৃহৎ শক্তি ছুটাক 'এদনীয়া অধিকাৰ'ৰ মাজত স্পষ্ট পাৰ্থক্যৰ ৰেখা টানি আহিছে। এই সম্পৰ্কে প্ৰতিক্ৰিয়াবাদী ধাৰণা যিটোক সাম্ৰাজ্যবাদী কমিউনিষ্ট-বিদ্বেষী আৰু মাওবাদীসকলে বিশ্ব-জনগণৰ ওচৰত মিছা প্ৰচাৰৰ প্ৰবৰ্ত্তন কৰিব বিচাৰে। ছোভিয়েত ইউনিয়নে কোনো দেশ আৰু জনগণৰ স্বাৰ্থৰ বিনিময়ত কেতিয়াও স্বাৰ্থ আদায় কৰা নাই। প্ৰথমৰ পৰাই ই এদল বৃহৎ শক্তিয়ে পৃথিবীখনক বিভিন্ন প্ৰভাৱিত অঞ্চলত ভাগ কৰি লোৱাৰ আচৰণ কথাটো প্ৰত্যাখ্যান কৰি আহিছে। ঠিক জন্মলগ্নৰ পাছতেই, লেনিনৰ জৰিয়তে ছোভিয়েত ইউনিয়নে "...... যি বুৰ্জ্জোৱা সভ্যতাই কেইটামান মাথোন নিৰ্বাচিত জাতিৰ শোষক কিছুমানৰ সমৃদ্ধিৰ পাহাৰ এছিয়াৰ সাধাৰণভাৱে উপনিৱেশসমূহত, আৰু ক্ষুদ্ৰ ক্ষুদ্ৰ দেশসমূহত কোটি কোটি শ্ৰমজীৱী মানুহৰ দাসত্বৰ পাশত ৰাখি নিৰ্ম্মাণ কৰিছে[১৮] সেই বুৰ্জ্জোৱা সভ্যতাৰ বৰ্ব্বৰ নীতিৰ লগত সম্পূৰ্ণ বিচ্ছেদ" ঘোষণা কৰিছে। সাম্ৰাজ্যবাদ আৰু ঔপনিৱেশিকতাৰ বিৰুদ্ধে ছোভিয়েত ইউনিয়নৰ অস্তিত্বকালৰ সমগ্ৰ ইতিহাস আৰু সংগ্ৰামে ইয়াকে সপ্ৰমাণিত কৰিছে।

আন্তৰ্জাতিক ক্ষেত্ৰত ছুটি পৰস্পৰ-বিৰোধী সামাজিক-অৰ্থনৈতিক ব্যৱস্থা আপোচহীন আদৰ্শ লৈ উপস্থিত হোৱাৰ লগে লগে শ্ৰেণীশক্তিবোৰৰ সংগ্ৰাম তীব্ৰতৰ ৰূপে বৃদ্ধি পাই আছে। সমাজবাদৰ পৰা সুবিধাবোৰ প্ৰতিটো বছৰ যোৱাৰ লগে লগে যিমানে অধিক পৰিমাণে প্ৰস্ফুটিত হৈ আছে সিমানে ঘৃণ্য আৰু অন্যায়ভিত্তিক ব্যৱস্থা হিছাপে পুঁজিবাদৰ ক্ষয় ত্বৰান্বিত হবলৈ ধৰিছে। পৃথিবীৰ কোটি কোটি মানুহৰ সমাজবাদৰ প্ৰতি আকৰ্ষণ উত্তৰোত্তৰ দৃঢ়ভাৱে বাঢ়ি গৈ আছে। গতিকে সাম্ৰাজ্যবাদী তত্ত্ববাগীশসকলৰ পুঁজিবাদত সমাজবাদী সমাজৰ বহু বৈশিষ্ট্য, থকা

বুলি প্ৰচাৰ কৰাৰ চেষ্টাৰে পুঁজিবাদৰ "চুণকাম" কৰাৰ লগে লগে সমাজবাদত পুঁজিবাদী বৈশিষ্ট্যৰ আৰোপ কৰি সমাজবাদক "তললৈ নমোৱাৰ" চেষ্টা চলিবলৈ ধৰিছে। এই জাতীয় জোৰা-তাপলিৰে "দুই অতি বৃহৎ শক্তি" তত্ত্বৰ প্ৰৱক্তাসকলে ইয়াক এক ধৰণৰ সামাজিক-অৰ্থনৈতিক ভিত্তি দিবলৈ যত্ন কৰে। ছোভিয়েত ইউনিয়ন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভিতৰত "বৰ্দ্ধমান সাদৃশ্যৰ" তথাকথিত তত্ত্বৰ এয়ে হ'ল ভিত্তি।

আমেৰিকাৰ যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েত ইউনিয়নে একেধৰণৰ বহু যন্ত্ৰপাতি ব্যৱহাৰ কৰে। একে ধৰণৰ বহু প্ৰযুক্তি প্ৰক্ৰিয়া প্ৰয়োগ কৰে আৰু বৈজ্ঞানিক তথা প্ৰযুক্তিগত বিপ্লৱত একে ধৰণৰ বহু সমস্যাত জড়িত হৈ পৰে। এনেকুৱা ঘটনা দাঙি ধৰি এমেৰিকান বুৰ্জোৱা লিখকসকলে কব খোজে যে এইটোৱে দুখন দেশৰ মাজত "সামাজিক সাদৃশ্য" সূচিত কৰে। এইটো আৰু এই জাতীয় প্ৰতিপাদ্যৰ স্পষ্টতঃ যি নিৰ্গলিতাৰ্থ হয়, সি হল এই আজিৰ বিপ্লৱী শক্তিৰ সমাজবাদৰ কাৰণে সংগ্ৰাম কৰাৰ প্ৰয়োজন নাই, পুঁজিবাদে ইয়াৰ চৰিত্ৰ সলনি কৰিছে আৰু ই সমাজবাদৰ সাদৃশ্য পাইছে আৰু সমাজবাদও পুঁজিবাদী বৈশিষ্ট্য অৰ্জন কৰিছে। কিন্তু যি কোনো ধৰণৰ আদৰ্শগত চাতুৰীয়ে এ'হাতে শ্ৰমজীৱী জনগণৰ ব্যাপক অংশৰ জীৱিকাৰ মানৰ নিৰন্তৰ অধোগতি আৰু নিবনুৱা সমস্যাৰ বৃদ্ধি আৰু আনহাতে এক ক্ষুদ্ৰ একচেটিয়া মালিক গোষ্ঠীৰ হাতত ঐশ্বৰ্য্যৰ কেন্দ্ৰীভৱন জাতিগত আৰু সামাজিক অসাম্য; আৰু আগ্ৰাসী যুদ্ধ পুঁজিবাদৰ এই দুৰাৰোগ্য ক্ষতবিলাক লুকুৱাব নোৱাৰে আৰু খুব কমেই নিৰাময় কৰিব পাৰে। সমাজবাদী আৰু পুঁজিবাদী দেশসমূহৰ মাজত শিল্পবিকাশৰ স্তৰৰ কোনো ঘনিষ্ঠ সম্বন্ধীকৰণেই সমাজ বিপ্লৱ ব্যতিৰেকে দেশবোৰৰ সামাজিক-ৰাজনৈতিক ব্যৱধান দূৰ কৰিব নোৱাৰে। এই মাৰ্ক্সবাদী স্বতঃসিদ্ধ আজি কেৱল কমিউনিষ্ট

সকল আৰু পুঁজিবাদৰ বিৰুদ্ধে যুঁজোতা সকলোৰেই জ্ঞাত নহয়, বিখ্যাত এমেৰিকান বুর্জোৱা পণ্ডিত হানছ মৰগেনথানেও কৈছে যে ছোভিয়েত ইউনিয়ন আৰু আমেৰিকাৰ যুক্তৰাষ্ট্ৰ "পৰস্পৰ মুখামুখী দুটা পৰস্পৰ বিৰোধী আৰু পৰস্পৰ আপোছহীন মতাদর্শ, শাসন ব্যৱস্থা আৰু জীৱনধাৰাৰ নিজৰামুখ ... "*

উৎপাদন উপকৰণসমূহৰ ৰাজহুৱা মালিকানা, মানুহৰ দ্বাৰা মানুহৰ শোষণৰ অৱসান; শ্ৰমজীৱী লোকসকলৰ বৌদ্ধিক মুক্তি শ্ৰম উৎপাদিকা শক্তিৰ ক্ৰমবৃদ্ধি নতুন প্ৰযুক্তিবে'ৰ প্ৰয়োগ আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰক্ৰিয়াবোৰৰ উৎকর্ষ আৰু জনগণৰ জীৱন যাত্ৰাৰ মানদণ্ডৰ ধাৰাবাহিক উৎকর্ষ সংযোগেৰে--এটি সমাজবাদী অর্থনীতি, এইবিলাকেই হৈছে মানবপ্ৰয়াসৰ সকলো দিশতে ছোভিয়েত ইউনিয়নৰ দ্ৰুত প্ৰগতিৰ নিজৰামুখ। ছোভিয়েত ইউনিয়নৰ শিল্পোদ্যোগীকৰণ যেতিয়া আৰম্ভ হয় তেতিয়াই আমেৰিকাৰ যুক্ত ৰাষ্ট্ৰ আছিল এখন উন্নত পুঁজিবাদী দেশ। ১৯১৭ চনত ছোভিয়েত ৰাষ্ট্ৰৰ শিল্প উৎপাদন পৃথিবীৰ শিল্প-উৎপাদনৰ মুঠেই ৩ শতাংশ আৰু যুক্তৰাষ্ট্ৰৰ শিল্প-উৎপাদনৰ কিঞ্চিৎ অধিক ১০ শতাংশ আছিল। কিন্তু সমাজবাদ দ্ৰুত আগ বাঢ়িবলৈ ধৰে। ১৯৬০ চনত ছোভিয়েত ইউনিয়নৰ শিল্প উৎপাদনৰ মুঠ পৰিমাণ আমেৰিকাৰ তেনে উৎপাদনৰ ৫৫ শতাংশৰ সমান হয়। ১৯৬৯ চনত আমেৰিকাৰ স্তৰৰ ৭০ শতাংশৰ ই প্ৰায় ওচৰা-উচৰিয়েই হৈ পৰিল। এমেৰিকান অর্থ-নীতিবিদ ভিক্টৰ পার্লোৱে হিছাপ কৰিছে যে ১৯৪০ চনত ছোভিয়েত ইউনিয়ন যুক্তৰাষ্ট্ৰতকৈ ৪০ বছৰ পিছ পৰি আছিল, ১৯৬০ চনত ১৪ বছৰ আৰু ১৯৬৭ চনত ব্যৱধান কমি ৬ বছৰ পাইছেহি। এতিয়া ছোভিয়েত ইউনিয়নে বৈজ্ঞানিক আৰু প্ৰযুক্তিগত বিপ্লৱৰ বহু খণ্ডতে যুক্তৰাষ্ট্ৰক চেৰাই গৈছে। ছোভিয়েতেই সর্বপ্ৰথম পাৰমানবিক শক্তি শান্তি-

* ফৰেইন এফেয়াৰ্ছ, এপ্ৰিল ১৯৬৭, খণ্ড ৪৫, নং ৩, পৃঃ ৪২৮-২৯

পূর্ণ উদ্দেশ্যে ব্যবহাৰ কৰে আৰু সৰ্বপ্ৰথম মহাকাশ অভিযান আৰম্ভ কৰে— পৃথিবীৰ চাৰিওপিনে কক্ষপথত কৃত্তিম উপগ্ৰহ স্থাপনেৰে।

সাম্ৰাজ্যবাদৰ তত্ত্বাগীশসকলে তেওঁলোকৰ প্ৰচাৰত কমিউনিজমৰ সাফল্য মানিবই লাগিব। সামাজবাদী অৰ্থনীতি বৃদ্ধিৰ প্ৰথম আৰম্ভণিৰ অৱস্থা অৱজ্ঞা কৰি "দুই অতি বৃহৎ শক্তি" তত্ত্বৰ প্ৰণেতাসকলে এই তথ্য গাই ফুৰে যে অৰ্থ-নৈতিক বিকাশৰ স্তৰৰ ক্ষেত্ৰত এতিয়াও যুক্তৰাষ্ট্ৰই পৃথিবীত প্ৰথম স্থান দখল কৰি আছে। এই বুলি কৈ সমাজবাদৰ প্ৰশ্নাতীত সা-সুবিধাবোৰক মুই কৰিবলৈ বিচৰা হয় আৰু স্বতঃস্ফূৰ্ত ভাবে যুক্তৰাষ্ট্ৰৰ একচেটিয়া পুঁজিবাদী বিকাশৰ পথকে আদৰ্শস্থানীয় বুলি প্ৰতিপন্ন কৰিব খোজা হয়। এই প্ৰতিক্ৰিয়াবাদী তত্ত্বৰ এইটোৱেই হ'ল আনএটা দিশ। কমিউনিষ্ট বিদ্বেষী আৰু মাওবাদীসকলে এছিয়া আৰু আফ্ৰিকাৰ জনগণক এই দিশটোকে বুজাবলৈ চেষ্টা কৰে।

মাওবাদৰ তত্ত্বাগীশসকলে জনগণক বিভ্ৰান্ত কৰাৰ কাৰণে পৃথিবীৰ ঘটনাৱলী সম্পৰ্কে তেওঁলোকে প্ৰকৃত বুজ লোৱাত বাধা সৃষ্টিৰ কাৰণে সমাজবাদৰ বাবে তেওঁলোকৰ বৈপ্লৱিক উদ্দীপনাক প্ৰদমিত কৰাৰ কাৰণে আৰু জাতীয় মুক্তি আন্দোলনৰ জাতীয় গণতান্ত্ৰিক বাহিনীৰ নেতৃত্বত সমাজবাদৰ ফালে অ-পুঁজিবাদী পথেদি পৰিচালনাক আদৰ্শগতভাবে নিৰস্ত্ৰ কৰাৰ কাৰণে এই অবৈজ্ঞানিক তত্ত্বৰ প্ৰচাৰ কৰে।

নয়া-উপনিবেশবাদ, সমাজবাদী অভিমুখিনতাৰ শত্ৰু

'দুই অতি বৃহৎ শক্তি'ৰ তত্ত্ব হৈছে নয়া-উপনিবেশবাদৰ অভিব্যক্তি সমূহৰ অন্যতম। নয়া-উপনিবেশবাদ হৈছে আদৰ্শগত,

অর্থনৈতিক আৰু সামৰিক সম্পৰ্কৰ এটি যোগলমষ্টি যি একচেটিয়া ৰাষ্ট্ৰীয় পুঁজিবাদী চৰিত্ৰৰ পৰা প্ৰবাহিত হয় আৰু যাক সদ্য স্বাধীন ৰাষ্ট্ৰসমূহৰ ওপৰত পাছ পৰা "পুঁজিবাদৰ" ক্ষেত্ৰ হিছাপে বিশ্ব সাম্ৰাজ্যবাদী ব্যৱস্থাৰ ভিতৰত ৰখাৰ উদ্দেশ্যে জাপি দিয়া হয়। সৰ্বোপৰি, নয়া-উপনিবেশবাদে তৃতীয় দুনিয়াৰ দেশসমূহৰ সাম্ৰাজ্যবাদী শক্তিবোৰৰ ওপৰত অৰ্থনৈতিক আৰু পুঁজিগত নিৰ্ভৰতাক কামত লগায়।

সকলো সাম্ৰাজ্যবাদী শক্তিবিলাকে এছিয়া, আফ্ৰিকা আৰু লাটিন আমেৰিকাত এটা নহয় এটা পৰিসৰত নয়া-উপনিবেশবাদী নীতি চলাই থাকে। প্ৰত্যেকটো নীতিৰ নিজস্ব বৈশিষ্ট্য আছে, যি বৈশিষ্ট্য নিৰ্দ্দিষ্ট সাম্ৰাজ্যবাদৰ ৰাষ্ট্ৰীয় একচেটিয়া পুঁজিবাদৰ নিৰ্দ্দিষ্ট অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে। কোনো এটা সাম্ৰাজ্যবাদী শক্তিয়ে গ্ৰহণ কৰা নীতিৰ নিৰ্দ্দিষ্ট বৈশিষ্ট্য যিয়েই নহওক, সাম্ৰাজ্যবাদী আৰু উন্নয়নশীল দেশসমূহৰ মাজৰ সম্পৰ্কৰ ক্ষেত্ৰত নয়া-উপনিবেশবাদ আজিৰ দিনৰ এটা প্ৰচলিত নীতি হৈ পৰাত ই কেতবোৰ সাধাৰণ বৈশিষ্ট্য আৰু গঢ়ো লাভ কৰিছে।

প্ৰথমতে, নয়া উপনিবেশবাদে মূলতঃ অপ্ৰত্যক্ষ, প্ৰচ্ছন্ন শোষণ ব্যৱস্থা এটাৰ যোগেদি বিশ্ব পুঁজিবাদী অৰ্থনৈতিক ব্যৱস্থাৰ ওপৰত নবীন দেশসমূহৰ নিৰ্ভৰতাৰ পুনঃজৰ্ম্ম দিয়ে আৰু তাক তীব্ৰ কৰে। এই ব্যৱস্থা সম্প্ৰসাৰণৰ নতুন নতুন কৌশল আৰু পদ্ধতিৰ ওপৰত ভৰ দি চলে (তথাকথিত "সাহায্য". অৰ্থনৈতিক সংহতিকৰণ চুক্তি, চাতুৰীপূৰ্ণ মূল্য নিৰ্দ্ধাৰণ আৰু বিনিময় হাৰ ইত্যাদিৰ বিভিন্ন ৰূপ)।

দ্বিতীয়তে, পূৰ্ব্বৰ উপনিৱেশবাদতকৈ নয়া উপনিবেশবাদৰ অত্যধিক বৈশিষ্টাপূৰ্ণতা হল এইখিনিতে যে সাম্ৰাজ্যবাদী ৰাষ্ট্ৰীয় ক্ষমতাই একক বৈদেশিক নীতি। পুঁজিৰ ভিতৰত ইয়াৰ একচেটিয়া পতিসকলৰ ক্ষমতা সামৰি লয়। সাম্ৰাজ্যবাদী ৰাষ্ট্ৰবোৰে উন্নয়নশীল

দেশসমূহত একচেটিয়া পুঁজিৰ স্বাৰ্থ তদাৰকী কৰে। সিহঁতৰ পুঁজি বিনিয়োগৰ ক্ষেত্ৰত "জামিন" হোৱাৰ ভূমিকা লয়, আৰু সেইদেশবিলাকৰ অৰ্থনীতিত বৈদেশিক ব্যক্তি-পুঁজি অনুপ্ৰবেশৰ উৎসাহ দিয়ে।

তৃতীয়তে, নবীন ৰাষ্ট্ৰসমূহত পুঁজিবাদী কৰ্ম্ম-নীতি প্ৰতিষ্ঠাৰ উদ্দেশ্যেৰে নয়া-ঔপনিবেশবাদে সিবোৰৰ সামাজিক - অৰ্থনৈতিক পৰিবৰ্ত্তনত সক্ৰিয় "অংশগ্ৰহণ কৰে।

চতুৰ্থতে, নবীন নয়া-উপনিবেশবাদে জাতীয় ৰাষ্ট্ৰ সমূহৰ বিশ্ব-সমাজবাদী ব্যৱস্থাৰ অন্তৰ্ভুক্ত দেশসমূহৰ লগত সমতা ভিত্তিক সহযোগিতাক গোপনে ধ্বংস কৰাত সচেষ্ট হয়।

এছিয়া আৰু আফ্ৰিকাৰ দেশসমূহত অপুঁজিবাদী বিকাশৰ প্ৰধান আৰু আপোচহীন শত্ৰু হৈছে নয়া উপনিবেশবাদ। নয়া-উপনিবেশবাদী নীতি গ্ৰহণ কৰা সাম্ৰাজ্যবাদীশক্তিবোৰৰ প্ৰধানতম ৰণ-নীতিমূলক উদ্দেশ্যসমূহৰ এটি অন্যতম হৈছে সমাজবাদৰ পিনে এই প্ৰগতিবাদী বিকাশৰ গতিৰোধ কৰা আৰু সদ্য স্বাধীন দেশসমূহত মূল অৰ্থ-নৈতিক আৰু ৰাজনৈতিক অৱস্থানবোৰ ৰক্ষা কৰা। প্ৰগতিবাদী, সমাজবাদী - ৰূপান্তৰমুখী শাসন ব্যৱস্থাবোৰৰ উচ্ছেদ প্ৰচেষ্টাত এওঁলোকৰ বিৰুদ্ধে সাম্ৰাজ্যবাদে সশস্ত্ৰ আক্ৰমণ সংগঠিত কৰিবলৈকো দ্বিধা নকৰে। ১৯৬৭ চনত আৰৱ দেশসমূহৰ বিৰুদ্ধে ইজৰায়েলী আক্ৰমণক উৎসাহ দান আৰু মুখ্য পৃষ্ঠপোষকতা কৰিছিল আমেৰিকাৰ আগ্ৰাসী মহলে আৰু অন্যান্য সাম্ৰাজ্যবাদী শক্তিবোৰে। ১৯৭০ চনত গিনীৰ বিৰুদ্ধে পৰ্ত্তুগীজ উপনিবেশবাদীসকলৰ আক্ৰমণবো আফ্ৰিকাৰ সমাজবাদী ৰূপান্তৰৰ বিৰুদ্ধে সাম্ৰাজ্যবাদে চলোৱা কূটৰাজনৈতিক কাৰ্য্যকলাপৰ লগত সম্বন্ধ আছিল। ১৯৭৩ চনত চিলিত প্ৰতিক্ৰিয়াশীল ফেচিষ্টসকলে কু-দে-তা কৰি আয়েন্দে নিৰ্বাচিত গণতান্ত্ৰিক চৰকাৰক. ওফৰোৱাৰ পাঁছত আছিল

সাম্ৰাজ্যবাদী মহলবোৰে।

অৱশ্যে সাম্ৰাজ্যবাদৰ কাৰণে আগৰ লেখীয়াকৈ আৰু এতিয়াও চলাই থকাৰ দৰে য'তেই উপনিবেশ আছে ত'তেই (যেনে আফ্ৰিকাৰ পৰ্তুগালৰ অধীনৰ ঠাইবোৰত প্ৰত্যক্ষ) শক্তিৰে বা প্ৰশাসনিক ঔপনিবেশিক বল প্ৰয়োগ কৰি নিজৰ কৰ্ম্মনীতি কটকটীয়াকৈ চলাই নিয়াত ক্ৰমে বেছি টান হৈ পৰিছে। ক্ষমতা অৰ্থাৎ এখন সদ্য স্বাধীন দেশৰ সম্পৰ্কে সাম্ৰাজ্যবাদী শক্তিবোৰে সশস্ত্ৰ হস্তক্ষেপ কৰাৰ অৰ্থ—আজিৰ দিনত এখন সাৰ্বভৌম ৰাষ্ট্ৰৰ বিৰুদ্ধে যুদ্ধ ঘোষণা। ৰাজনৈতিক স্বাধীনতা প্ৰাপ্ত ৰাষ্ট্ৰসমূহৰ আভ্যন্তৰিণ বিষয়ত কুৎসিত হস্তক্ষেপে পৃথিৱী জুৰি প্ৰবল বিক্ষোভৰ সৃষ্টি কৰে। এতিয়া যিহেতু এই দেশসমূহে আন্তৰ্জাতিক দৃশ্য পটত স্বাধীন দেশ হিচাপে ভূমুকি মাৰিছেহি আৰু বিশ্ব সমাজবাদী ব্যৱস্থাৰ লগত তেওঁবিলাকৰ বন্ধন সুদৃঢ় কৰি আছে, সাম্ৰাজ্যবাদে ধাৰাবাহিকভাবে সংশোধন আৰু উন্নত কৰি অধিক নমনীয় ধৰণৰ আৰু পদ্ধতিৰ নীতি গ্ৰহণ কৰিবলৈ ধৰিছে।

অৰ্থনৈতিক ক্ষেত্ৰত, নয়া- ঔপনিবেশবাদী নীতিৰ লক্ষ্য হৈছে সদ্য স্বাধীন দেশসমূহৰ সাম্ৰাজ্যবাদী শোষণ উচ্চ পৰ্যায়লৈ লৈ যোৱা। সাম্ৰাজ্যবাদে এই দেশসমূহক বিশ্ব পুঁজিবাদী বজাৰৰ যোগেদি শোষণ কৰে। যি বজাৰৰ লগত উক্ত দেশসমূহ এতিয়াও দৃঢ় সম্পৰ্কযুক্ত। এই দিশত সাম্ৰাজ্যবাদে অসম বিনিময় প্ৰথা আৰু মূল্য নিৰ্দ্ধাৰণ চাতুৰীৰ কল-কৌশল তথা সাম্ৰাজ্যবাদী ট্ৰাষ্টসমূহৰ কল-কৌশল ব্যৱহাৰ কৰে। আফ্ৰিকাত ইয়াৰ স্পষ্ট উদাহৰণ পাব পাৰি।

আফ্ৰিকাই কৰা ৰপ্তানিৰ অংশ কৃষি পণ্য আৰু এক তৃতীয়াংশ হৈছে খনিজ কেঁচা মাল। ১৯৬০ৰ দশকত আফ্ৰিকাৰ ৮০ শতাংশ ৰপ্তানি (দক্ষিণ আফ্ৰিকা সাধাৰণতন্ত্ৰক বাদ দি) শিল্পোন্নত পুঁজিবাদী দেশসমূহলৈ গৈছিল। অৰ্থ-নৈতিক

পশ্চাৎপদতাৰ পৰিণামস্বৰূপে আৰু বিশেষতঃ যৎসামান্য অথবা একেবাৰে উৎপাদন সঁজুলিবোৰ উৎপন্ন নোহোৱাৰ কাৰণে আফ্ৰিকাৰ দেশসমূহে প্ৰধানতঃ শিল্পজাত পণ্য ক্ৰমবৰ্দ্ধমান মূল্যত কিনিব লগা হয় আৰু তেওঁলোকৰ পৰম্পৰাগত পণ্য ক্ৰমনিম্ন মূল্যত বেচিব লগা হয়। বিশ্ব পুঁজিবাদী বজাৰৰ এই "মূল্যৰ কটা-কটিবোৰৰ" কাৰণত পৰি এফ্ৰিকান দেশসমূহে বছৰে বছৰে সহস্ৰ সহস্ৰ কোটি ডলাৰ শিল্পোন্নত পুঁজিবাদী দেশবিলাকৰ হাতলৈ এৰি লোকচান ভৰিব লগা হয়। চেনেগালৰ ৰাষ্ট্ৰপতি লিওপোল্ড ছেংঘাৰ চেঙেৰে উদ্ধকিয়াই দি কৈছে যে ১২ বছৰৰ অধিক কাল ধৰি আফ্ৰিকাৰ দেশসমূহে ইউৰোপৰ পৰা আমদানি কৰা ১টন মালৰ মূল্য ১৯ শতাংশ বাঢ়িছে, পক্ষান্তৰত, ৰপ্তানি কৰা এফ্ৰিকান মালৰ মূল্য ৪ শতাংশ কমিছে। আফ্ৰিকাৰ এই অগ্ৰগণ্য মুখপাত্ৰ গৰাকীয়ে শেষত মন্তব্য কৰি কৈছে, "যিমানে বেছি কাম কৰোঁ, সিমানে কম তৈয়াৰ কৰোঁ।"*

"আফ্ৰিকাৰ উৎপাদন শক্তিসমূহৰ বিশ্ব পুঁজিবাদী অৰ্থনীতিৰ ঠাচৰ ভিতৰত চৰম ধীৰে বিকাশৰ গুৰিত আছে আফ্ৰিকাৰ পৰা বৰ্দ্ধিত পৰিমাণে একচেটিয়াপতিসকলে মুনাফা ৰপ্তানি কৰা আৰু অসম বাণিজ্যেৰে আফ্ৰিকাত ডকাইতি কৰা। ৰাষ্ট্ৰসংঘৰ তথ্য মতে, আফ্ৰিকাৰ বছৰি মুঠ উৎপন্ন দ্ৰব্যৰ মূল্য সমগ্ৰ পুঁজিবাদী দুনিয়াৰ মুঠ উৎপন্নৰ মাত্ৰ ২ শতাংশ, যদিও আফ্ৰিকাৰ জনসংখ্যাৰ পৃথিবীৰ মুঠ জনসংখ্যাৰ ১০ শতাংশৰ ওচৰাউচৰি। পৰিমাণৰ ফালৰ পৰা আফ্ৰিকাৰ ৰাষ্ট্ৰসমূহৰ গাই প্ৰতি শিল্প উৎপাদন উন্নত দেশসমূহৰ ২৪ গুণ তলত।"**

সদ্য স্বাধীন দেশসমূহ আৰু সাম্ৰাজ্যবাদী ৰাষ্ট্ৰসমূহৰ মাজত অৰ্থনৈতিক বিকাশৰ বিপুল ব্যৱধান অধিক পৰিমাণে ব্যাপকতৰ হৈ আছে সাম্ৰাজ্যবাদী একচেটিয়াগোষ্ঠীৰ লুণ্ঠন কাৰ্য্যৰ ফলত।

*আফ্ৰিকাৰ দেশসমূহ, মস্কো, পলিটিজদাৎ, ১৯৬৯, পৃঃ ৪৬-৬২ (ৰুছ ভাষা)'ৰ পৰা উদ্ধৃত

**আফ্ৰিকাত নয়া-ঔপনিবেশিকতাবাদ, মস্কো ১৯৬৭, পৃঃ ১৬ (ৰুছ ভাষাত)

এই একচেটিয়া গোষ্ঠীয়ে এতিয়াও এছিয়া, আফ্রিকা আৰু লাটিন আমেৰিকাৰ তৈল নিষ্কাষণৰ ৯০ শতাংশ আৰু বিভিন্ন খনিজ নিষ্কাষণৰ প্ৰধান অংশীদাৰত্ব নিয়ন্ত্ৰণ কৰে। কেৱল ১৯৬৫ আৰু ১৯৬৯'ৰ ভিতৰত তৃতীয় দুনিয়াৰ দেশসমূহৰ পৰা নয়া-উপনিবেশ বাদে কৰা মুঠ মুনাফা ৰপ্তানিৰ পৰিমাণ ৩০,০০০ নিযুত ডলাৰ পাইছিলগৈ। কেতবোৰ সদ্য স্বাধীন দেশত বৈদেশিক ব্যক্তি-পুঁজি বিনিয়োগৰ আগমনতকৈ নিষ্ক্ৰমণ চেৰাই গৈছিল। ফল স্বৰূপে এক প্ৰকটিত অস্বাভাৱিক পৰিস্থিতি দেখা দিছে, যি পৰিস্থিতিত শিল্পোন্নত দেশসমূহৰ পৰা উন্নয়নশীল দেশসমূহলৈ পুঁজিৰ প্ৰবাহ ঘটা নাই বৰং বিপৰীতটোহে হৈছে। কাৰ্য্যতঃ উন্নয়নশীল দেশসমূহে সাম্ৰাজ্যবাদী দেশবোৰক পুঁজি যোগান দিবলৈ ধৰিছে। এই অৱস্থাৰ পৰিবৰ্ত্তন নোহোৱা পৰ্য্যন্ত উন্নয়নশীল দেশসমূহত উচচ বিকাশৰ গতি লাভৰ সম্ভাৱনা নাই। উন্নয়নশীল দেশসমূহৰ পৰা পুঁজিৰ নিষ্ক্ৰমণে দেশবোৰৰ অৰ্থনৈতিক বিকাশৰ গুৰুতৰ ক্ষতিসাধন কৰে। মুনাফা, সুত আৰু লভ্যাংশৰূপে (মাল ভাৰা বাবদ অধিক ভৰাল, মূল্য হ্ৰাস ইত্যাদিৰ কথা নকলেও হব) এই দেশসমূহৰ পৰা বিৰাট অঙ্কৰ পৰিমাণৰ অৰ্থ নিষ্ক্ৰমণে দেশবোৰৰ অৰ্থনীতিৰ বিকাশত বাধাৰ সৃষ্টি কৰে, জনগণৰ জীৱিকাৰ মান উল্লেখযোগ্যভাৱে তললৈ লৈ যায় আৰু অন্যান্য দুখ কষ্টৰ সৃষ্টি কৰে। গামেল আবদেল নাছেৰে কৈছিল নয়া-উপনিবেশবাদৰ নতুন পদ্ধতি ব্যৱহাৰৰ যোগেদি পুৰণা উপনিবেশিকতাৰ সেই শোষণ কাৰ্য্য সিদ্ধিৰ বাবেই ভূমুকি মাৰিছে। ''...* জাতি সংঘৰ সাধাৰণ পৰিষদৰ ১৫শ অধিবেশনত গিনী প্ৰজাতন্ত্ৰৰ ৰাষ্ট্ৰপতি ছে-কু-তুৰেই কৈছিল যে সাম্ৰাজ্যবাদে নিষ্পেষণৰ চিৰাচৰিত কলৰ সংশোধন কৰি, ইয়াৰ প্ৰভুত্ব পদ্ধতিৰ আধুনিকীকৰণ কৰিছে।''**

* কলিম - লেগম - পেন - এফ্ৰিকানিজম, লণ্ডন ১৯৬২, পৃঃ ১১৮

** ইজভেস্তিয়া, অক্টোবৰ-১২-১৯৬০

নয়া-ঔপনিবেশিক নীতি কাৰ্য্যকৰী কৰাৰ এটি নতুন আৰু বিশ্বজনীন পদ্ধতি হৈছে "সাহাৰ্য্য" কৰ্মসূচীৰ অৱতাৰণ কৰা। কাৰ্য্যতঃ এই কাৰ্য্যসূচীৰ মাৰফত নয়া-ঔপনিবেশিকতাক অত্যন্ত কেন্দ্ৰীভূত অৱস্থাত দেখিবলৈ পোৱা যায়।

সাম্ৰাজ্যবাদৰ ঔপনিবেশিকৰ ওপৰঁত গাঁথনি ধ্বংশ হোৱাৰ পিছত সদ্য স্বাধীন দেশসমূহৰ সংগ্ৰামৰ মূলকেন্দ্ৰ তেওঁলোকৰ অৰ্থনৈতিক আৰু সামাজিক পুনৰুত্থানলৈ, জনগণৰ জীৱিকাৰ মান বৃদ্ধিলৈ স্থানান্তৰিত হৈছে। অৱশ্যে এই সমস্যাবিলাকৰ সমাধান বাহিৰৰ সুযোগ সহায়তা ব্যতিৰেকে প্ৰায় অসম্ভৱ, কিয়নো সদ্য স্বাধীন দেশবিলাকৰ নিজা প্ৰয়োজনীয় পুঁজি, প্ৰযুক্তিগত অভিজ্ঞতা আৰু দক্ষলোকৰ অভাৱ। এইবোৰ অভাৱৰ বাবে সাম্ৰাজ্যবাদেই প্ৰত্যক্ষভাৱে জগৰীয়া। জনগণৰ দাসত্ব বন্ধনত ধাদ্ধি ৰাখিব পৰা ঔপনিবেশবাদী ব্যৱস্থাৰ জন্ম দিছিল সাম্ৰাজ্যবাদী শক্তি বিলাকেই। অৱশ্যে ঐতিহাসিকভাৱে এইটো দাবী কৰা যুক্তি-যুক্ত হব যে সাম্ৰাজ্যবাদে উন্নয়নশীল দেশবিলাকৰ পৰা চুৰ কৰি লৈ যোৱা সকলো সম্পদ ক্ষতিপূৰণৰ ব্যতিৰেকে ঘূৰাই দিব লাগিব। কিন্তু সাম্ৰাজ্যবাদে তাৰ স্বৰূপৰ গুণেই কেতিয়াও সেইটো মানি নলব।

দুটা সামাজিক-অৰ্থ নৈতিক ব্যৱস্থাৰ মাজত প্ৰতিযোগিতাৰ ফালে লক্ষ্য ৰাখি অৱশ্যে, সাম্ৰাজ্যবাদ কেতবোৰ কৌশলগত কাৰণেও কিছু সুবিধাদি দিয়াৰ পৰিস্থিতিৰ সমুখীন হয়। কিছু-মান ক্ষেত্ৰত সাম্ৰাজ্যবাদী শক্তিবোৰে সদ্যস্বাধীন দেশসমূহত ব্যক্তি-গত পুঁজি আৰু ৰাষ্ট্ৰীয় একচেটিয়া পুঁজি ৰপ্তানি কৰে, অকল অতি মুনাফাৰ পাহাড় গঢ়ি তোলাৰ কাৰণেই নহয়, পুঁজিবাদী ভিত্তি আৰু বুৰ্জোৱা ৰাজনৈতিক ওপৰ-গাঁথনি কটকটীয়া কৰাৰ কাৰণেও। আন্তৰ্জাতিক পুঁজিবাদী শ্ৰম-বিভাজনতো নতুন প্ৰৱণতাবো এটি ভূমিকা লব লগীয়াও থাকে।

সদ্য স্বাধীন দেশসমূহৰ প্ৰথম বছৰ কেইটাত অৰ্থনৈতিক স্বাধীনতাৰ কাৰণে সংগ্ৰামৰ সময়ত সাম্ৰাজ্যবাদী একচেটিয়া পুঁজিৰে সিবোৰত ঔপনিবেশিক অৰ্থনৈতিক গাঁথনি ৰক্ষাৰ কাৰণে অহোপুৰুষাৰ্থ কৰে আৰু শিল্প উদ্যোগীকৰণৰ সামান্যতম প্ৰচেষ্টাকো আনকি ৰোধ কৰে। কিন্তু সমাজবাদী দেশ আৰু উন্নয়নশীল দেশসমূহৰ মাজত বৰ্দ্ধমান অৰ্থনৈতিক বন্ধনৰ পৰিস্থিতিত, নয়া ঔপনিবেশবাদীসকলে দেখিলে যে ৰাজনৈতিকভাবে স্বাধীনতা প্ৰাপ্তি দেশসমূহৰ বিকাশ আগৰ পুৰনি পদ্ধতিৰে নিয়ন্ত্ৰণ কৰা আৰু সম্ভব নহয়। পৰিণামস্বৰূপে এই ক্ষেত্ৰত অৱস্থানৰ সংশোধন কৰিব'লৈ ধৰে।

এই প্ৰৱণতাৰ বিশ্লেষণ দি ছোভিয়েত ইউনিয়নৰ বিজ্ঞান একাডেমিৰ কৰেচপণ্ডিং সদস্য ভিক্তৰ তিয়াগুনেঙ্কোয়ে গুৰুত্ব দি কয় যে একচেটিয়াইঁতে নাভাবে পূৰ্ণ উৎপাদন চক্ৰসহ উন্নত আধুনিক শিল্প-উদ্যোগ গঠনৰ কথা, বৰং উৎপাদনৰ পৃথক পৃথক গোট, অচ্ছেদ্য অংশবিলাক অথবা অৰ্ধ-উৎপন্ন সামগ্ৰিৰ কথা ভাবে .... আগৰ উপনিবেশবোৰৰ বৰ্দ্ধিত সামাজিক-অৰ্থনৈতিক বিকাশৰ গতিৰ অনিবাৰ্য্যতা স্বীকাৰ কৰি আৰু সিবোৰৰ লগত একে ধৰণৰ সম্পৰ্ক স্থাপন কৰা অসম্ভৱ বুলি বুজিব পাৰি অধিক দূৰদৰ্শী পুঁজিপতিসকলে সিবোৰৰ অৰ্থনৈতিক বিকাশৰ ওপৰত নিয়ন্ত্ৰণ অধিকাৰ লাভ কৰাটো মূল কৰ্ত্তব্য হিচাপে দেখে। সিহঁতে এই প্ৰক্ৰিয়া এনে এটা দিশেদি পৰিচালিত কৰিবলৈ বিচাৰে যাতে উন্নয়নশীল দেশসমূহক বিশ্ব-পুঁজিবাদী ব্যৱস্থাৰ ভিতৰতে ৰাখিবলৈ আৰু লগে লগে বিপুল সম্ভাৱনাপূৰ্ণ বজাৰবোৰ দখল কৰিবলৈকে আৰু এই দেশসমূহত থকা চৰম সস্তীয়া লোকবল শোষণ কৰি নিজকে চহকী কৰিবলৈ সক্ষম হব পাৰে।

সাম্রাজ্যবাদী একচেটিয়াবোৰে উন্নয়নশীল দেশসমূহত নির্দ্দিষ্ট কেইবা ধৰণৰো যন্ত্রপাতি, যন্ত্রগোট আৰু যন্ত্রাংশ উৎপাদনৰ শিল্প-উদ্যোগ গঢ়ি তোলাৰ সময়ত ধাৰণা হব যে তেওঁলোকে এই দেশসমূহৰ প্রয়োজন মিটাবলৈ লৈছে, কাৰণ এই দেশসমূহে কিছু পৰিমাণে শ্রম নিয়োগ বঢ়াব পাৰে, তৈয়াৰী সামগ্রীৰে ৰপ্তানি বঢ়াব পাৰে, আৰু অর্থনৈতিক বিকাশৰ সামগ্রিক দ্রব্য-সম্ভাৰ বৃদ্ধি কৰিব পাৰে। কিন্তু ইয়াৰ সুবিধা একচেটিয়াপতি-বোৰেও লয়। বিশ্ব বজাৰত প্রতিযোগিতাৰ ক্রমবর্দ্ধমান তীব্রতাৰ সমুখীন হৈ উন্নয়নশীল দেশসমূহৰ খৰচতে তেওঁলোকে এটা সুযোগ পায় উৎপাদন ব্যয় কমোৱাৰ আৰু তেওঁলোকৰ বজাৰ বঢ়োৱাৰ। পুৰণি ঔপনিবেশিক প্রতিষ্ঠানবিলাকৰ শ্রমৰ উৎ-পাদিকাশক্তি বঢ়াই নিয়াৰ আৰু মজুৰী কমাই ৰখাৰ অভিজ্ঞতা প্রয়োগ কৰি আৰু প্রাকৃতিক সম্পদসমূহৰ সংক্রান্তত প্রাপ্ত সংবাদৰ তুলনামূলক বিচাৰ কৰি বহু একচেটিয়াপতিয়ে এই দেশবোৰত উৎপাদনৰ সুবিধাবিলাক কৰ পৰা লৈছ দু'পইচা কৰাত তৎপৰ হৈছে।"*

এইদৰে পর্য্যালোচনা কৰি তিয়াগুনেঙ্কোৱে উন্মুকিয়াই দিছে যে তৈয়াৰী মাল প্রস্তুতৰ শিল্প উদ্যোগ-নির্মাণত নয়া-ঔপনি-বেশবাদে তলত দিয়া নীতি অনুসৰণ কৰে: উন্নয়নশীল দেশসমূহৰ কাৰণে নিঃশেষিত শ্রম আৰু প্রযুক্তিগতভাবে সহজ উৎপাদন আৰু শিল্পোন্নত দেশসমূহৰ কাৰণে পুঁজি নিঃশেষিতকৰণ আৰু প্রযুক্তিগত জটিল উৎপাদন। তেওঁ এই সিদ্ধান্তলৈ আহিছে যে, প্রথমতে "এই নীতিয়ে বৈজ্ঞানিক আৰু প্রযুক্তিগত প্রগ-তিৰ ক্ষেত্রত উন্নয়নশীল দেশসমূহক পিছৰ ফাললৈ ঠেলি দিয়ে আৰু দ্বিতীয় ক্ষেত্রত, উদ্ভূত আন্তর্জাতিক পুঁজিবাদৰ শ্রম বিভাজনে আকৌ উন্নয়নশীল দেশসমূহক অসমাপন আৰু অধস্তন

*ইন্‌টাৰনেশ্বনেল এফেয়াৰ্ছ নং ৯, মস্কো, ১৯৭১, পৃ: ১১

অৱস্থানলৈ লৈ যোৱাৰ বিপৰ্য্যয় ঘটায়। নকলেও হব, এই অভিনৱ নতুন আন্তৰ্জাতিক শ্ৰম বিভাজনে সাম্ৰাজ্যবাদী একচেটিয়াবোৰকহে সুবিধা দিয়ে। উন্নয়নশীল দেশসমূহৰ কাৰণে ইয়াৰ অৰ্থ কেৱল নতুন ধৰণৰ বন্ধনহে হব পাৰে।”*

সদ্য স্বাধীন দেশসমূহত কোনো উদ্যোগ প্ৰতিষ্ঠান নিৰ্মাণ আৰু এই দেশসমূহক কোনো ঋণ-দানক সাম্ৰাজ্যবাদীবোৰে উক্ত দেশবোৰৰ জাতীয় স্বাৰ্থৰ প্ৰতি উৎকণ্ঠা আৰু “ নিস্বাৰ্থ সাহাৰ্য্য ”ৰ অভিব্যক্তিৰূপে প্ৰচাৰ কৰে। কিন্তু কি নিৰ্দ্দিষ্ট ধৰণে, এই “সাহাৰ্য্য”ই উন্নয়নশীল দেশসমূহত সামাজিক-অৰ্থনৈতিক প্ৰক্ৰিয়াক প্ৰভাবিত কৰে। বিভিন্ন ধৰণৰ “সাহাৰ্য্য” কাৰ্য্যসূচীৰ পৰ্য্যালোচনাৰ পৰা দেখা যায়।

(ক) ই হৈছে এফ্ৰিকান দেশসমূহত ব্যক্তিগত খণ্ডৰ উদ্যোগসমূহৰ উন্নতি সাধনৰ এটা বাহন চৰকাৰী মজুৰী গ্ৰহণ কৰি একচেটিয়া পতিসকলে উন্নয়নশীল দেশসমূহত বৰ্দ্ধিত পৰিমাণে মিশ্ৰিত প্ৰতিষ্ঠান আৰু কোম্পানীসমূহ গঠনত লিপ্ত হয়, ইয়াত স্থানীয় পুঁজিয়ে অংশ গ্ৰহণ কৰে। এমেৰিকান অৰ্থবিদ চাৰ্লছ উলফ, জুনিয়ৰে ব্যক্ত কৰিছে যে “আৰ্থিক সাহায্যৰ ফলত কম-উন্নত দেশসমূহত ব্যক্তিগত খণ্ড সম্পূৰ্ণত আৰু আপেক্ষিপভাবে বৃহত্তৰ নহৈ আন একো হব নোৱাৰে।”**

আফ্ৰিকাত ব্যক্তিগত খণ্ডৰ বিস্তৃত আৰু শক্তি বৃদ্ধিৰ প্ৰচেষ্টাৰে সাম্ৰাজ্যবাদী শক্তিবিলাকে এই খণ্ডত ৰাষ্ট্ৰীয় লগ্নী কৰিবলৈ ধৰে। জাৰ্মানীৰ ফেডাৰেল “ৰিপাব্লিকৃত জাৰ্মান ছোচাইটি অফ ডেভলেপমেণ্ট” নামৰ এটি প্ৰতিষ্ঠান এই উদ্দেশ্যেৰে গঠিত হয়। আফ্ৰিকাত উন্নত অংশীদাৰত্বযুক্ত” কোম্পানীসমূহ

*ইণ্টাৰ নেশ্বনেল এক্সেৰাছ নং ১, মস্কো, ১৯৭১, পৃঃ ১১

**ইউনাইটেড ষ্টেট্‌ছ আৰু উন্নয়নশীল অৰ্থনীতি, সম্পাদনা গুস্তভ ৰানিচ, নিউ ইয়ৰ্ক, ১৯৬৪, পৃঃ ৪৪

লগ্নীকৃত পুঁজিত ই ইয়াৰ অংশ অৱদান কৰে যাৰ ভিতৰত স্থানীয় পুঁজিয়েও ভাগ লয়, এফ্রিকান শিল্পোদ্যোগীসকলক আৰ্থিক সহায়তা দিয়ে।

(খ) ই এফ্রিকান দেশসমূহৰ অপুঁজিবাদী পথেদি বিকাশত বাধা দিয়াৰ এটা বাহন। সদ্য স্বাধীন দেশসমূহৰ যিবোৰে সমাজবাদ-নিৰ্মাণ মুখ্য উদ্দেশ্য বুলি ঘোষণা কৰিছে সিবোৰ স্বাভাৱিকতে সমাজবাদৰ বৈষয়িক পূৰ্ব চৰ্তবোৰ নিৰ্মাণৰ পথত বহু অসুবিধাৰ সমুখীন হয়। নয়া-ঔপনিবেশবাদে অপুঁজিবাদী পথটো উপলুঙা কৰি দেখুৱাবৰ কাৰণে এই অসুবিধাবোৰ কামত লগায়। ১৯৬৫ চনৰ নৱেম্বৰ মাহত ঘানাৰ ৰাষ্ট্ৰপতি কুয়ামে নক্ৰুমাই কৃষিজ বৰ্ধিত সামগ্ৰীৰ সমতুল্য ১২৭ নিযুত ডলাৰ ১২ বছৰৰ মিয়াদত যোগান ধৰাৰ যি অনুৰোধ জনাইছিল তাৰ প্ৰতি আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ চৰকাৰে চৰকাৰীভাবে অসম্মতি জ্ঞাপন কৰে। এই অসম্মতিৰ উদ্দেশ্য আছিল ঘানাৰ অৰ্থনৈতিক অসুবিধা ঘণীভূত কৰা। অৱশ্যে ঘানাত কু-দে-তা হোৱাৰ পাচত যুক্তৰাষ্ট্ৰই ইয়াক খাদ্য যোগান দিবলৈ ধৰে।

যেতিয়া এইটো স্পষ্ট হয় যে গিনীয়ে অপুঁজিবাদী পথ বাছি লৈছে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ এজেন্সি ফ'ৰ ইণ্টাৰনেশ্বনেল ডেভলেপমেণ্ট ১৯৬৬/৬৭ চনৰ ৰাজস্ব আৰ্থ বছৰত গিনীৰ কাৰণে আগতে স্থিৰ কৰি থোৱা "সাহায্য" ১৯৬৫/৬৬ চনৰ অঙ্কৰ পৰিমাণৰ প্ৰায় এক চতুৰ্থাংশ – ২৪·৬ নিযুত ডলাৰৰ পৰা কৰ্তন কৰি ৬·৮ নিযুত ডলাৰ কৰা হয়। অন্য হাতে আইভৰি কোষ্টলৈকে ইয়াৰ অৰ্থনৈতিক সাহায্য সম্প্ৰসাৰিত কৰা হৈছিল। একে ৰাজনৈতিক উদ্দেশ্য লৈ সাম্ৰাজ্যবাদী শক্তিবোৰে আলজিৰিয়ালৈ দিয়া সাহায্যৰ পৰিমাণ হ্ৰাস কৰে। ১৯৬২ আৰু ১৯৬৪ চনৰ ভিতৰত একে ধৰণৰ সাহায্য কৰ্তন কৰি ৩৫৭·৬ নিযুত ডলাৰৰ পৰা ১৯১·২ নিযুত ডলাৰ কৰা হয়। প্ৰথম অৱস্থাত সদ্য স্বাধীন দেশসমূহত

নির্মাণ কৰা যোজনাবোৰ আমেৰিকাৰ ঋণ আৰু ধাৰ মুখী কৰি আৰু শেষত দিবলৈ অস্বীকাৰ কৰি সাম্ৰাজ্যবাদীহঁতে এই দেশসমূহৰ অৰ্থনৈতিক বিকাশ পৰিকল্পনাবোৰৰ সম্পাদনা পৰ্যুদস্ত কৰিবলে বিচাৰে।

(গ) ই অপুঁজিবাদী ৰাষ্ট্ৰীয়খণ্ডক এক পুঁজিবাদী ভিত্তিৰ ফালে ঠেলি নিয়াৰ উদ্দেশ্যে ইয়াক দুৰ্বল কৰাৰ এটা বাহন। সদাস্বাধীন দেশসমূহত ৰাষ্ট্ৰীয়খণ্ডই উৎপাদনশীলতাৰ দ্ৰুত বিকাশ ঘটায়। গণতান্ত্ৰিক ৰাষ্ট্ৰীয় ক্ষমতাৰ অধীনত এই খণ্ড সমাজবাদ নিৰ্মাণৰ আৰম্ভণিৰ ভিত্তি হব পাৰে। এই কাৰণেই সাম্ৰাজ্যবাদীবিলাকে ইয়াক দুই কৰাৰ কাৰণে অহোপুৰুষাৰ্থ কৰে। একেটা কাৰণেই, এওঁবিলাকে মিশ্ৰিত শিল্পোদ্যোগ নিৰ্মাণত কাৰ্যকলাপ তীব্ৰ কৰি তোলে। এনে শিল্পোদ্যোগৰ স্থানীয় আৰু একচেটিয়া পুঁজিয়ে অংশ গ্ৰহণ কৰে। যিবোৰ দেশত অপুঁজিবাদী ধৰণৰ বিকাশৰ প্ৰৱণতা বৃদ্ধি পাইছে সেইবোৰ দেশতে এনে কাম কাজৰ পৰিসৰ বিশেষভাৱে সম্প্ৰসাৰিত হয়। নয়া-উপনিবেশিকতাবাদে এই প্ৰৱণতাবোৰক দমন কৰাত কোনো প্ৰচেষ্টাকে বাদ নিদিয়ে। অন্য হাতে যি দেশসমূহত ব্যক্তিগত শিল্পোদ্যোগবোৰ আছিল আৰু এতিয়াও অৰ্থনৈতিক বিকাশৰ ভিত্তি হৈ আছে (উদাহৰণ স্বৰূপে গিনী আৰু কঙ্গো (ব্ৰাজাভিল) বাদে ভূতপূৰ্ব্ব ফৰাছী উপনিবেশৰ), তাত নয়া-উপনিবেশবাদীসকলে ৰাষ্ট্ৰীয় খণ্ডত পুঁজিৰ সহায় দিবলৈ বৰ আগ্ৰহী।

উদাহৰণ স্বৰূপে ফৰাছী পুঁজিয়ে ৰাষ্ট্ৰীয় খণ্ড আৰু ব্যক্তিগত খণ্ডৰ জাতীয় কোম্পানীসমূহত ইয়াৰ অংশ-গ্ৰহণ বৃদ্ধি কৰিবলৈ ধৰিছে আৰু সিবিলাকক নিয়ন্ত্ৰণাধীন কৰিবলৈ ধৰিছে।

(ঘ) ই ৰাষ্ট্ৰীয় একচেটিয়া পুঁজিৰ সামাজিক ভিত্তি ব্যাপকতৰ কৰাৰ এটা বাহন। "সাহায্য"ৰ এই দিশটোৰ প্ৰতি সাম্ৰাজ্যবাদী শক্তিবোৰে বিৰাট গুৰুত্ব দান কৰে। "চিৰাচৰিত ঔপনিবেশিকতাবাদে"

সামাজিক সম্বন্ধৰ ক্ষেত্ৰত জনজাতীয় মুখিয়াল্‌সকল আৰু সামন্তবাদী ব্যক্তিসকলৰ ওপৰত নিৰ্ভৰ কৰাৰ দৰে নচলি, নয়া-ঔপনিবেশিকতা-বাদে জাতীয় বুৰ্জোৱাসকলৰ ওপৰত ভৰসা কৰে আৰু সাম্ৰাজ্যবাদৰ আৰ্থিক বন্ধনৰ স'তে যুক্ত এটি সুবিধাভোগী শ্ৰেণী সৃষ্টিত সচেষ্ট থাকে। সদ্য স্বাধীন দেশসমূহৰ প্ৰাকৃতিক সম্পদ-শোষণত সাম্ৰাজ্য-বাদী একচেটিয়ায়হঁতৰ লগ লাগি যাতে সেই দেশবোৰৰ সমাজবাদৰ পিনে ঢালখোৱা সমাজ বিপ্লৱত হকা-বধা কৰিব পাৰে তাৰ বাবে নয়া-ঔপনিবেশবাদে জাতীয় বুৰ্জোৱাসকলক এটা শক্তি হিচাপে প্ৰতিষ্ঠিত কৰাৰ কাম চলায়। নয়া-উপনিবেশবাদৰ বৈশিষ্ট্যই হৈছে নিজৰ ৰবীয়াকৈ বিভিন্ন সামাজিক স্তৰৰ মাজৰ পৰা এটা ব্যাপক সামাজিক ভিত্তি প্ৰতিষ্ঠাৰ প্ৰচেষ্টাত স্বাধীনদেশসমূহৰ ডেকাসকলৰ মনোজগতত বুৰ্জোৱা ধাৰণাসমূহ ক্ৰমে ক্ৰমে সুমুৱাই দিয়াৰ কাৰণে সচেষ্ট হোৱা। নয়া-উপনিবেশবাদে পুঁজিবাদী বিকাশৰ পথ দৃঢ়ভাবে সমৰ্থন কৰাৰ বাবে প্ৰতিশ্ৰুত স্থানীয় লোকসমূহ শিক্ষিত কৰি তোলাত সহায় কৰাৰ কাৰণে বিভিন্ন পন্থা গ্ৰহণ কৰে। আমেৰিকাৰ যুক্তৰাষ্ট্ৰই বিকাশশীল দেশসমূহত কাম কৰাৰ কাৰণে আমেৰিকাৰ শিক্ষক সংগ্ৰহ কাম চলাবলৈ চৰকাৰক সন্মতি দিয়াৰ বাবে আন্তৰ্জাতিক শিক্ষা সংক্ৰান্ত এখন আইন পাছ কৰোৱায়। তৃতীয় দুনিয়াৰ শিক্ষা সংক্ৰান্ত ব্যৱস্থাবোৰ নিয়ন্ত্ৰণৰ সুবিধা গ্ৰহণৰ কাৰণে সাম্ৰাজ্যবাদী ৰাষ্ট্ৰসমূহে সুবিধাজনক চৰ্ত্তত শিক্ষামূলক ঋণ দান কৰে। উদাহৰণ স্বৰূপে, ১৯৬৬ চনত, ইন্টাৰনেশ্বনেল ডেভলেপমেণ্ট এছোছিয়েশ্বনে কেনিয়া চৰকাৰক শিক্ষাৰ বিকাশৰ বাবে ৫০ বছৰৰ কাৰণে ৭ নিযুত ডলাৰ পৰিমাণ মঞ্জুৰ কৰে। ঋণ পৰিশোধ কৰা আৰম্ভ হ'ব প্ৰথম দহ বছৰৰ কাৰণে বছৰি ১ শতাংশ হিচাপে ১৯৭৬ চনৰ পৰাহে, বাকি খিনি পৰৱৰ্ত্তী ৪০ বছৰৰ ভিতৰত ৩ শতাংশ হিচাপে পৰিশোধ কৰা হ'ব। প্ৰায় একে সময়তে কেনিয়াত পূৰ্ব আফ্ৰিকাৰ বিশ্ববিদ্যালয়ে কেনিয়া

চৰকাৰৰ জামিনত আন্তৰ্জাতিক বিকাশৰ এমেৰিকান এজেন্সিৰ পৰা এটা শিথিল চৰ্ত্তেই ৮৫০,০০০ হেজাৰ পৰিমাণৰ ঋণ গ্ৰহণ কৰে।

নয়া ঔপনিবেশিকতাৰ সম্প্ৰসাৰণৰ নিৰ্দ্দিষ্ট বৈশিষ্টসমূহৰ অন্যতম এটি হ'ল এই যে সম্প্ৰসাৰণকামী একচেটিয়া পুঁজিৰ কাৰ্য্যকলাপৰ লগত যুক্ত ভাবে সাম্ৰাজ্যবাদী শক্তিবিলাকৰ ৰাষ্ট্ৰযন্ত্ৰই এইটো সম্পাদন কৰে। সাম্ৰাজ্যবাদে সদ্য স্বাধীন দেশসমূহত ইয়াৰ অৰ্থনৈতিক আক্ৰমণক অদ্ভুত পৰিসৰযুক্ত নানা ধৰণৰ তত্ত্বেৰে সমৰ্থন কৰে, যাৰ মুখ্য উদ্দেশ্য হৈছে মাৰ্ক্সবাদী-লেনিনবাদী বিজ্ঞান আৰু শ্ৰেণীসংগ্ৰাম সম্পৰ্কে মাৰ্ক্সবাদী শিক্ষা, মিছা বুলি প্ৰমাণ কৰা আৰু অপুঁজিবাদী বিকাশৰ পথৰ ওপৰত বদনাম জাপি দিয়া। যুক্তৰাষ্ট্ৰ সংবাদ এজেন্সিয়ে (ইউ, এচ, আই, এ,) অকলেই পৃথিবীৰ প্ৰায় সকলো মৌলিক ভাষাত ইয়াৰ শাখাসমূহৰ যোগেদি ১৪৫খন বাতৰি কাকত আৰু আলোচনী বিতৰণৰ জৰিয়তে ১০৬খন দেশত প্ৰচাৰ কাৰ্য্য চলায়। যুক্তৰাষ্ট্ৰ চৰকাৰৰ কৰ্তৃত্বাধীন ৰেডিও ষ্টেচন ভয়েচ অ'ফ আমেৰিকাই সপ্তাহত ৮০০ ঘণ্টা বৈদেশিক ৰাষ্ট্ৰ সমূহত সংবাদ প্ৰচাৰ কৰে আৰু ইয়াৰ ৮৭খন বাণিজ্যিক দূৰদৰ্শনৰ জৰিয়তে কাৰ্য্যসূচী প্ৰদৰ্শন কৰে। ইউ, এচ, আই, (U.S.I)য়ে ৪,৫০০ জন বিশেষজ্ঞৰ হতুৱাই আৰু চৰকাৰে প্ৰায় ১৭০ নিযুত ডলাৰ খৰছ কৰি বিদেশত "মানসিক যুদ্ধ" চলাব। এই খৰচৰ পৰিমাণ বহু উন্নয়নশীল দেশৰ জাতীয় আয়ৰ বহুত গুণ অধিক।*

নয়া-ঔপনিবেশিক মতবাদৰ বিস্তৃত পৰ্য্যালোচনা এই কিতাপৰ আলোচ্য বিষয়বোৰৰ ভিতৰত নপৰে তথাপি, এইটো

*ৰবাৰ্ট ই এলডাৰ দি ইনফৰমেচন মেচিন, নিউ ইয়ৰ্ক, ১৯৬৮, পৃঃ ৩২৬; ৬ষ্ঠ পৰিচ্ছেদ

সর্বজনবিদিত যে নয়া-উপনিবেশিক মতবাদ আৰু প্ৰচাৰৰ মূল উপাদানেই হ'ল কমিউনিজম বিৰোধিতা, যিটোক কমিউনিষ্ট বিৰোধী তত্ত্বাগীশসকলে নানা ধৰণে আৰু অত্যন্ত সূক্ষ্মভাৱে জনসাধাৰণৰ মনত তিল তিলকৈ সুমুৱাই দিবলৈ বিচাৰে।

কোনো আৰ-বেৰ নোহোৱাকৈ বিদ্বেষপূৰ্ণ মনোভাৱৰ লগে লগে সাম্প্ৰতিক বছৰবিলাকত তথাকথিত "সদৰ্থক" কমিউনিষ্টবিৰোধী প্ৰচাৰকাৰ্য্যৰ বৃদ্ধি ঘটিছে। মাৰ্ক্সবাদ-লেনিনবাদৰ মৌলিক তত্ত্বগত প্ৰতিপাদ্যসমূহক "অপ্ৰচলিত" আখ্যা দিয়া আৰু সদ্য স্বাধীন দেশসমূহৰ সামাজিক-আৰ্থিক আধুনিকীকৰণৰ "গঠনমূলক" কাৰ্য্যসূচী এখন ৰচনা কৰাই হৈছে ইয়াৰ মুখ্য উদ্দেশ্য। যদিও, এই আবেদনে অন্যান্যবিলাকৰ দৰে একে ৰণনৈতিক লক্ষ্য লৈয়ে চলে, আৰু সি হ'ল তৃতীয় দুনিয়াত বৈজ্ঞানিক সমাজবাদৰ ভাৱধাৰাৰ আকৰ্ষণীয় শক্তিটোক বিফল কৰা আৰু সমাজবাদী দেশসমূহ আৰু সদ্য স্বাধীন দেশসমূহৰ মাজত ক্ৰমবৰ্ধিত সহযোগিতা বৃদ্ধি তলে তলে নাশ কৰা। হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক ৰুপাট ইমাছিলে লিখিছে: "যদি কমিউনিষ্টবিৰোধী প্ৰচাৰযানখনত উঠিবলৈ দেশবিলাকক বাধ্য কৰাব নোৱাৰি, তেনে হলে অন্তত: সিবোৰক নিৰাপদে অন্ততঃ শত্ৰু-শিবিৰৰ বাহিৰত ৰখাটোৱেই বাঞ্ছনীয় হব ......*

নয়া উপনিবেশবাদে অৰ্থনৈতিক সম্প্ৰসাৰণৰ নতুন নতুন ধৰণ আৰু কৌশলৰটো ব্যৱহাৰ কৰেই, ইয়াৰ পুৰণা মত আৰু চিন্তাধাৰাৰো নতুন ৰূপদান কৰে। জনগণক বিভ্ৰান্ত কৰাব প্ৰচুৰ আৰু নানা ধৰণৰ অভিজ্ঞতাৰে পুষ্ট সাম্ৰাজ্যবাদীহঁতে বিশ্ব বিপ্লৱী প্ৰক্ৰিয়াৰ অবিচ্ছেদ্য অংশ জাতীয় মুক্তি আন্দোলনত বাধাৰ সৃষ্টি কৰিবলৈ হেপাহ কৰে।

---

*ৰিচাৰ্ড বুটৱেল সম্পাদিত কেন্টাকী বিশ্ববিদ্যালয় প্ৰেছ, লেক্সিংটন, ১৯৬৯, পৃঃ ২১৬ - "ফৰেইন পলিছি এণ্ড ডেভলপিং নেছন।"

বিশ্ব সমাজবাদ—অপুঁজিবাদী বিকাশৰ কাৰণে শক্তিশালী অৱলম্বন

বিশ্ব সমাজবাদী ব্যৱস্থাৰ অস্তিত্ব আৰু বিকাশে অৱধাৰিতৰূপে সকলো জাতিৰ প্ৰগতি সাধনত হাত উজান দিয়ে। আজিৰ যুগত এছিয়া, আফ্ৰিকা অথবা লাটিন আমেৰিকাৰ যি কোনো দেশে সমাজবাদৰ পিনে সফলভাবে আগ বাঢ়িব নোৱাৰে,যদিহে বিশ্ব সমাজবাদী ব্যৱস্থাৰ পৰা বিচ্ছিন্ন হৈ থাকে আৰু ইয়াৰ লগত বিভিন্ন ধৰণৰ সম্পৰ্ক স্থাপন নকৰে। সমগ্ৰ মানৱজাতিৰ সামাজিক বিকাশৰ কাৰণে বিশ্ব সমাজবাদী ব্যৱস্থাৰ মহান্ গুৰুত্বৰ কথা ছোভিয়েত ইউনিয়নৰ ১৪ তম কংগ্ৰেছে উনুকিয়াই দিছে। বিশ্ব সমাজবাদী ব্যৱস্থাৰ এই নিৰ্ণয়কাৰী ভূমিকাৰ কাৰণ-সমূহ কি কি?

সাম্ৰাজ্যবাদ বিৰোধী শক্তিসমূহৰ উমৈহতীয়া স্বাৰ্থৰ প্ৰতি, সমাজবাদৰ কাৰণে সিবিলাকৰ সংগ্ৰামৰ প্ৰতি বিশ্ব-সমাজবাদী ব্যৱস্থাৰ অৱদান নিৰ্ভৰ কৰে ইয়াৰ বৰ্দ্ধমান অৰ্থনীতিৰ ওপৰত। সাম্ৰাজ্যবাদী দেশবিলাকৰ জাতীয় অৰ্থনীতিতকৈ সমাজবাদী দেশবিলাকৰ জাতীয় অৰ্থনীতি অধিক দ্ৰুত গতিৰে বিকাশলাভ কৰিবলৈ ধৰিছে। কিছুমান বৈজ্ঞানিক আৰু প্ৰযুক্তিগত ক্ষেত্ৰত ই নেতৃত্ব গ্ৰহণ কৰিছে। বিশ্ব-সমাজবাদী ব্যৱস্থাই ইয়াৰ নিৰৱচ্ছিন্নভাবে ক্ৰমবৰ্দ্ধমান অৰ্থনীতি আৰু প্ৰতিৰক্ষা শক্তিৰ বলত সাম্ৰাজ্যবাদৰ আক্ৰমণমুখী শক্তিবোৰক দুৰ্বল কৰি পেলায় আৰু সিবিলাকৰ পক্ষে প্ৰতিবিপ্লৱ

ৰপ্তানি কৰা আৰু জাতীয় মুক্তি আন্দোলন দমন কৰাৰ সম্ভাৱনা বোধ কৰি দিয়ে। ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ ২৪তম কংগ্ৰেছৰ সমুখত দাঙি ধৰা প্ৰতিবেদনত এল. আই. ব্ৰেঝনেভে মন্তব্য কৰে যে "সাম্ৰাজ্যবাদী আক্ৰমণকাৰীবোৰৰ বহু পৰিকল্পনা ব্যৰ্থ কৰি দিয়াৰ কাৰণে বিশ্ব-সমাজবাদী ব্যৱস্থাৰ অস্তিত্ব আৰু ইয়াৰ সুদৃঢ় ব্যৱস্থাৰ প্ৰতি ধন্যবাদ *। আৰব দুনিয়াৰ দৃষ্টান্তৰ পৰাই এইটো স্পষ্টকৈ ধৰিব পাৰি।

১৯৫৬ চনত,, মিছৰে ছুয়েজ খাল কোম্পানী জাতীয়কৰণ কৰে। এই ন্যায্য ব্যৱস্থা গ্ৰহণৰ প্ৰত্যুত্তৰত ব্ৰিটেন, ফ্ৰান্স আৰু ইজৰায়েলে বিশ্বাস ঘাতকতাপূৰ্ণ আক্ৰমণমূলক ব্যৱস্থা অৱলম্বন কৰে যাতে মিছৰীয় জনগণে সিবিলাকৰ ওচৰত আঁঠুলৈ ক্ষমা বিচাৰে আৰু মিছৰ তথা সমগ্ৰ মধ্যপ্ৰাচ্যত পুৰণি উপনিৱেশিক ব্যৱস্থাৰ পুনৰুদ্ধাৰ কৰিব পাৰে। ছোভিয়েত ইউনিয়ন আৰু অন্যান্য সমাজবাদী দেশসমূহ মিছৰৰ প্ৰতিৰক্ষাৰ কাৰণে প্ৰবলভাবে আগ বাঢ়ি আহে আৰু শেহত ত্ৰি-ৰাষ্ট্ৰীয়আগ্ৰাসন বন্ধ হয়। ১৯৫৭ চনত, ছিৰিয়াৰ বিৰুদ্ধে প্ৰত্যক্ষ আক্ৰমণৰ সাম্ৰাজ্যবাদী পৰিকল্পনাত বিশ্ব-সমাজবাদ ব্যৱস্থাই বাধা দিয়ে। পৰবৰ্ত্তী বছৰত, এমেৰিকান সাম্ৰাজ্যবাদে লিবিয়াত কৰা সামৰিক হস্তক্ষেপ বন্ধ কৰিবলৈ বাধ্য হয় আৰু ছোভিয়েত ইউনিয়ন আৰু অন্যান্য সমাজবাদী দেশৰ শক্তিশালী ব্যৱস্থাৱলীৰ ফলত সেই দেশৰ পৰা সৈন্যবাহিনী প্ৰত্যাহাৰ কৰি লৈ যায়।

১৯৬৭ চনৰ জুন মাহত যেতিয়া আমেৰিকা যুক্তৰাষ্ট্ৰৰ সকলোপ্ৰকাৰৰ সহায়পাতি লৈ ইজৰায়েলে আৰব ৰাষ্ট্ৰবোৰৰ ওপৰত আক্ৰমণ চলায় তেতিয়া ইউৰোপীয় সমাজবাদী দেশবিলাকৰ

* ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ ২৪তম কংগ্ৰেছ, পৃ-৯

কমিউনিষ্ট পাৰ্টি সমূহৰ মুৰব্বীসকলৰ মস্কোত এখন সভা হৈছিল। সেই সভাত সৰ্বসম্মতিক্ৰমে মধ্যপ্ৰাচ্যৰ সম্পৰ্কে গুৰুতৰ সাৱধান বাণী সম্বলিত এটি বিবৃতি গৃহীত হয়। ছোভিয়েত ইউনিয়ন আৰু অন্যান্য সমাজবাদী দেশসমূহৰ তেজস্বিতাপূৰ্ণ কাৰ্য্যাৱলীৰ ফলতেই ইজৰায়েলৰ আক্ৰমণ স্তব্ধ আৰু ধিক্কৃত হয়। প্ৰগতিশীল আৰৱীয় শাসন প্ৰণালীবোৰ উভালি পেলোৱাৰ কাৰণে যি পৰিকল্পনা সেই সকলো ব্যৰ্থ হৈ যায়। সাম্ৰাজ্যবাদ আৰু জিয়নিজমৰ আক্ৰমণকাৰীৰ সম্মুখীন হৈ ছোভিয়েত ইউনিয়ন আৰু সমাজবাদী ব্যৱস্থাৰ অন্যান্য দেশৰ সমৰ্থনৰ ওপৰত ভৰসা ৰাখি আৰৱ দেশসমূহে, সৰ্বোপৰি মিছৰ আৰু ছিৰিয়াৰ আৰব পজাতন্ত্ৰই তেওঁলোকৰ প্ৰতিৰক্ষা ক্ষমতা পুৰ্ণপ্ৰতিষ্ঠা কৰে আৰু শক্তিশালী কৰে। গামেল আবদেল নাছেৰে কোৱা মতে, কেৱল মিছৰৰই নহয় সকলো সংগ্ৰামকাৰী জনগণেই ছোভিয়েত ইউনিয়নৰ অকপট আৰু সাৰ্থক সহায়তাৰ প্ৰতি অপৰিসীম মৰ্য্যাদা দান কৰে। ছোভিয়েত ইউনিয়নে শান্তি আৰু আমাৰ দেশৰ মুক্তিৰ হকে আমাক সহায় কৰি আছে ছোভিয়েত ইউনিয়নক বাদ দি আমাৰ আশা-আকাঙ্ক্ষা আমি পূৰণ কৰিব নোৱাৰিমহক।”

সমাজবাদী ব্যৱস্থাৰ বৰ্দ্ধমান শক্তি অপুঁজিবাদী বিকাশৰ পথ বাছি লোৱা সদ্য স্বাধীন দেশবোৰৰ কাৰণে চৰম গুৰুত্বপূৰ্ণ।

ছোভিয়েত ইউনিয়নে কাৰ্য্যক্ষেত্ৰত অবিচলভাবে যি আন্তৰ্জাতিক নীতিবোৰৰ প্ৰয়োগ কৰে তাৰ অভিব্যক্তি দেখিবলৈ পোৱা যায় ছোভিয়েত ইউনিয়ন আৰু সংযুক্ত আৰৱ প্ৰজাতন্ত্ৰৰ মাজত ১৯৭১ চনৰ ২৭মে তাৰিখে কায়ৰোত স্বাক্ষৰিত হোৱা বন্ধুত্ব আৰু সহযোগিতাৰ চুক্তিত। চুক্তিৰ ২নং ধাৰাত আছে: “সমাজবাদী ৰাষ্ট্ৰ হিছাপে ছোভিয়েত সমাজতান্ত্ৰিক যুক্তৰাষ্ট্ৰৰ

আৰু সমাজবাদী পথেদি সমাজ পুনৰ্গঠনৰ উদ্দেশ্যকামী সংযুক্ত আৰব প্ৰজাতন্ত্ৰই, নিজ নিজ দেশৰ জনগণে পোৱা সামাজিক আৰু অৰ্থনৈতিক সুবিধাবোৰৰ সংৰক্ষণ আৰু অধিক বিকশিত কৰাৰ অৱস্থা সকলো ক্ষেত্ৰতে সুনিশ্চিত কৰাৰ বাবে নিবিড় সহযোগিতাৰে কাম কৰি যাব।

ছোভিয়েত যুক্তৰাষ্ট্ৰ আৰু মিছৰৰ আৰব প্ৰজাতন্ত্ৰৰ মাজত হোৱা বন্ধুত্ব আৰু সহযোগিতাৰ চুক্তিখনে ছোভিয়েত যুক্তৰাষ্ট্ৰ আৰু মিছৰৰ মাজত ৰাজনৈতিক, অৰ্থনৈতিক বৈজ্ঞানিক প্ৰযুক্তি-গত, সাংস্কৃতিক আৰু অন্যান্য ক্ষেত্ৰত সম-মৰ্য্যাদাপূৰ্ণ সহযোগিতা বিকশিত আৰু সুদৃঢ় কৰাৰ নতুন দিগন্ত মুকলি কৰি দিছে। ছোভিয়েত-মিছৰীয় চুক্তিৰ ভিতৰত সমাজবাদী ৰাষ্ট্ৰসমূহ আৰু অপুঁজিবাদী পথেদি বিকাশপ্ৰাপ্ত দেশসমূহৰ মাজত সম্পৰ্কৰ প্ৰশ্নত আন্তৰ্জাতিকতাবাদী নীতিসমূহ সন্নিবিষ্ট কৰা আছে। লিওনিদ ব্ৰেঝনেভে উল্লেখ কৰা মতে "ঘনিষ্ঠ মৈত্ৰী, পাৰস্পৰিক সমৰ্থন আৰু পাৰস্পৰিক বুজা-বুজিয়েইহে প্ৰগতিশীল আৰব ৰাষ্ট্ৰসমূহেৰে সৈতে ছোভিয়েট ইউনিয়নৰ সম্পৰ্কৰ চমৎকাৰ অভিব্যক্তি এই চুক্তিখনৰ মৰ্ম্মত সমুজ্জ্বল হৈ উঠিছে। আমি দলিলখনক সাম্ৰাজ্যবাদ-বিৰোধী জনগণৰ ক্ৰমবৰ্দ্ধমান সংহতিৰ আৰু এক সাক্ষ্যস্বৰূপে গণ্য কৰো।"**

১৯১৯ চনত প্ৰাচ্যৰ কমিউনিষ্ট সংগঠনসমূহৰ ২য় কংগ্ৰেছত এক ভাষণৰ জৰিয়তে লেনিনে কৈছিল যে প্ৰাচ্যৰ জাতিসমূহে আন্তৰ্জাতিক শ্ৰমিকশ্ৰেণীৰ সাহায্য ব্যতিৰেকে সাম্ৰাজ্যবাদী ক্ৰূৰতাৰ পৰা নিজক মুক্ত কৰিব নোৱাৰিবলে-হেঁতেন আৰু সেয়ে "আন্তৰ্জাতিক সৰ্বহাৰাই হৈছে প্ৰাচ্যৰ লক্ষ লক্ষ কোটী কোটী শ্ৰমজীৱী আৰু শোষিত জনগণৰ একমাত্ৰ

* নিউ টাইমচ, ২৩নং সংখ্যা, জুন ১৯৭১, মস্কো, পৃঃ ৮

** প্ৰাভদা, জুন ১২, ১৯৭১

মিত্ৰ।”* সদ্য স্বাধীন জাতিসমূহৰ সামাজিক প্ৰগতিৰ সংগ্ৰামৰ সফলতাৰ গেৰান্টি হৈছে সকলো সাম্ৰাজ্যবাদ-বিৰোধী শক্তি সমূহৰ মৈত্ৰীৰ দৃঢ়ীকৰণ।

(ক) ছোভিয়েত ইউনিয়ন আৰু আন আন সমাজবাদী দেশসমূহৰ অৰ্থনৈতিক আৰু প্ৰযুক্তিগত সাহায্য

যি কোনো এখন ৰাষ্ট্ৰৰ বৈদেশিক অৰ্থনৈতিক বন্ধনৰ চৰিত্ৰ, লক্ষ্য আৰু ৰূপৰ ব্যাখ্যা কৰোঁতে, মাৰ্ক্সবাদীসকলে সেই ৰাষ্ট্ৰৰ সামাজিক - অৰ্থনৈতিক গাঁথনিৰ চৰিত্ৰ কেন্দ্ৰ কৰিহে আগ বাঢ়ে। এখন পুঁজিবাদী ৰাষ্ট্ৰই নিজক চহকী কৰাৰ বাবে অৰ্থনৈতিক আৰু প্ৰযুক্তিগতভাবে যিবোৰ জাতি কম অগ্ৰসৰ সেইবোৰ দেশক শোষণ কৰাৰ কাৰণেহে বৈদেশিক অৰ্থনৈতিক বন্ধন ব্যৱহাৰ কৰে। পুঁজিবাদ আৰু সমাজবাদ দুয়োৰে অধীনত বৈদেশিক অৰ্থনৈতিক বন্ধনৰ অন্তৰ্নিহিত উদ্দেশ্য হৈছে— আন্তৰ্জাতিক শ্ৰম বিভাজনৰ বিষয়গত প্ৰয়োজনীয়তা। যি কিন্তু পুঁজিবাদে আন্তৰ্জাতিক শ্ৰম-বিভাজনক শোষণ আৰু সমৃদ্ধিৰ উপায় হিছাপে ব্যৱহাৰ কৰে। আনহাতে সমাজবাদেই ইয়াৰ দ্বাৰা সম্পূৰ্ণ নতুন এক ধৰণৰ আন্তৰ্জাতিক অৰ্থনৈতিক সম্পৰ্কৰ সৃষ্টি কৰে। ইয়াত শোষণ আৰু অসম-সম্পৰ্কৰ ঠাই নাই।

লেনিনৰ প্ৰত্যক্ষ অংশ গ্ৰহণৰ যোগেদি সম্পাদিত হোৱা নবীন ছোভিয়েত প্ৰজাতন্ত্ৰৰ প্ৰথম ৰাষ্ট্ৰীয় আইন-শান্তিৰ সংক্ৰান্তত হুকুমনামাত— আৰু ছোভিয়েত চৰকাৰৰ পৰবৰ্ত্তী বৈদেশিক নীতি

ভ ই. লেনিন, “প্ৰাচ্যৰ কমিউনিষ্ট সংগঠন সমূহৰ ২য় কংগ্ৰেছ ৰচনা সংগ্ৰহ, খণ্ড নং - ৩০, পৃঃ ১৬৩

সংক্ৰান্ত ব্যৱস্থাৱলীত নতুন আৰু ন্যায্য আন্তৰ্জাতিক সম্পৰ্কৰ আবিৰ্ভাৱ চিহ্নিত হৈছিল। এই সম্পৰ্কবোৰৰ ভিত্তি হৈছে সমাজবাদী নীতি সমূহ— যেনে ডাঙৰ আৰু সৰু জাতি আৰু ৰাষ্ট্ৰসমূহৰ সমান-অধিকাৰ, আৰু অন্যদেশৰ ভিতৰুৱা বিষয়ত হস্তক্ষেপ নকৰা। বিভিন্ন সমাজব্যৱস্থা সম্পন্ন দেশবিলাকৰ শান্তিপূৰ্ণ সহ-অৱস্থিতিৰ ভিত্তি হৈছে সমভিত্তিক অৰ্থনৈতিক আৰু সাংস্কৃতিক সহযোগিতাৰ ব্যৱস্থা দিয়া আৰু জনগণৰ সাৰ্ব্বভৌমত্ব লঙ্ঘন হব পৰা অথবা জাতীয় মৰ্য্যাদা ক্ষুন্ন হব পৰা যি কোনো চৰ্ত্ত নাকচ কৰা।

ছোভিয়েত ৰাষ্ট্ৰ আৰু এছিয়া, আফ্ৰিকা আৰু লাটিন আমেৰিকাৰ জনগণৰ মাজৰ ভৱিষ্যৎ সম্পৰ্কে ১৯১৬ চনত লেনিনে লিখিছিলঃ "আমাতকৈ অধিক পিছ পৰা আৰু নিৰ্য্যাতিত এই জাতিসমূহক" পোলিছ ছচিয়েল ডেমোক্ৰেটসকলৰ মন-খোৱা কথাবাৰৰ সুৰত সুৰ মিলাই ক'ব লাগিলে, নিঃস্বাৰ্থ সাংস্কৃতিক সহায়তা" দিবলৈ যত্ন কৰিব লাগিব। অন্য কথাত কবলৈ গলে, আমি তেওঁলোকক যন্ত্ৰৰ ব্যৱহাৰ কৰোৱালৈ, শ্ৰম লঘুকৰণলৈ, গণতন্ত্ৰলৈ, সমাজবাদলৈ উত্তীৰ্ণ হোৱাত সাহায্য কৰিম।" * এই পথ ছোভিয়েত চৰকাৰ আৰু ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিয়ে সুসমঞ্জসভাৱে অনুসৰণ কৰে। পাৰ্টিৰ কৰ্মসূচীত কোৱা হৈছে ঃ "ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিয়ে যি বিলাক জাতিয়ে তেওঁলোকৰ জাতীয় স্বাধীনতা অৰ্জ্জন কৰিবলৈ আৰু দৃঢ় কৰিবলৈ ওলাইছে, যি বিলাক জাতিয়ে ঔপনিবেশিক ব্যৱস্থাৰ পূৰ্ণ অৱসান ঘটাবলৈ সংগ্ৰাম কৰি আছে সেইবিলাকক সহায় কৰাটো এটা আন্তৰ্জাতিকতাবাদী কৰ্ত্তব্য বুলি গণ্য কৰে।"**

* ভ. ই. লেনিন, "মাক্সবাদৰ প্ৰতি পৰিহাস্যতা" ৰচনা সংকলন, খণ্ড নং ২৩ পৃঃ ৬৭

** দি ৰ'ড্ টু কমিউনিজম, মস্কো ১৯৬১, পৃঃ ৪৯৭

বিকাশৰ ক্ষেত্ৰত পিছ পৰি থকা জাতিসমূহক অৰ্থনৈতিক আৰু প্ৰযুক্তিগত সহায়তা দানৰ নীতিৰ উদ্যোক্তা আছিল লেনিন। পৃথিবীত তেনে ধৰণৰ সহায়তা দানৰ সৰ্বপ্ৰথম কাৰ্য্যসূচী গ্ৰহণ কৰিছিল নবীন ছোভিয়েত প্ৰজাতন্ত্ৰই। ১৯২০ চনৰ প্ৰথম দশকত, ছোভিয়েত যুক্তৰাষ্ট্ৰৰ সহায়তাত মঙ্গোলিয়াত বিস্তৰ শিল্পোদ্যোগ নিৰ্মিত হৈছিল। ১৯৩০ চনৰ দশকটোত তুৰস্কত ছোভিয়েত ইউনিয়নে দুটা কাপোৰ-কল, ইৰানত শস্য দোৱা আৰু ধান-বনা কল আৰু আফগানিস্তানত কপাহ-ধুনা কাৰখানা আৰু অন্যান্য উদ্যোগ নিৰ্মাণ কৰি দিয়ে। দ্বিতীয় মহাযুদ্ধই এই মহান্ উদ্যোগত ব্যাঘাত জন্মায়। কিন্তু যুদ্ধৰ পাছত, নিজৰ অৰ্থনীতিৰ পুনৰ্বাসন হোৱাৰ পাছত ছোভিয়েত যুক্তৰাষ্ট্ৰই নব গঠিত ৰাষ্ট্ৰসমূহৰ অৰ্থনীতি আৰু প্ৰযুক্তিগত ক্ষমতা বিকাশত আগতকৈ অতুলনীয়ভাৱে বৃহদাকাৰে পুনৰ সাহায্য কৰিবলৈ ধৰে।

সদ্য স্বাধীন দেশবিলাকৰ লগত সম্পৰ্কৰ ক্ষেত্ৰত ছোভিয়েত ইউনিয়নে বাস্তৱ ঐতিহাসিক পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি তলত দিয়া মৌলিক কৰ্ত্তব্যসমূহ পালন কৰিবলৈ লৈছে।

—ঔপনিবেশিক আৰু বৰ্ণ-বিদ্বেশী শাসকবৰ্গৰ বিৰুদ্ধে আৰু নয়া-ঔপনিবেশিক সম্প্ৰসাৰণবাদৰ বিৰুদ্ধে আৰু সাম্ৰাজ্যবাদৰ আক্ৰমণমুখী নীতিৰ বিৰুদ্ধে সংগ্ৰামৰত সামাজিক আৰু ৰাজনৈতিক শক্তিসমূহক সহায় কৰা; সামাজিক অৰ্থনৈতিক পুনৰ্গঠনত প্ৰগতিবাদী বিকাশৰ ফালে লোৱা ঢালটোক উৎসাহিত কৰা আৰু প্ৰগতিবাদী বিকাশৰ (সমাজবাদী অথবা সাম্ৰাজ্যবাদ-বিৰোধী ৰূপান্তৰমুখী) পথ বাছি লোৱা দেশসমূহক সক্ৰিয় সহায় দিয়া; জাতীয় মুক্তি সংগ্ৰামৰ বিপ্লৱী আগৰনুৱা অংশ আৰু বিশ্ব কমিউনিষ্ট আৰু শ্ৰমিক আন্দোলনৰ মাজত ঘনিষ্ঠ আদৰ্শগত আৰু ৰাজনৈতিক ঐক্য বৃদ্ধি কৰা। ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ ২৪তম পাৰ্টি কংগ্ৰেছৰ প্ৰস্তাৱত এটাত জোৰ দি কোৱা হয়: "সমাজবাদ

অভিমুখী পথ গ্ৰহণকাৰী দেশসমূহৰ প্ৰতি সহযোগিতা আগবঢ়োৱাৰ কাৰণে কংগ্ৰেছে বিশেষ গুৰুত্ব আৰোপ কৰে।"*

—শোষণ আৰু আভ্যন্তৰিণ বিষয়ত যি কোনো ধৰণৰ হস্তক্ষেপ বিৰোধী নীতিৰ ভিত্তিত সকলো স্বাধীনদেশৰ লগত পাৰস্পৰিক সুবিধামূলক আৰু সম-স্বাৰ্থ ভিত্তিক অৰ্থনৈতিক বন্ধনৰ বিকাশ ঘটোৱা; এই দেশসমূহত স্বাধীন অৰ্থনীতিৰ ভিত্তি সৃষ্টি কৰাৰ ক্ষেত্ৰ।

সৰ্বহাৰাৰ আন্তৰ্জাতিকতাবাদৰ ভাৱধাৰাসমূহৰ ভিত্তিত ৰচিত সমাজবাদীদেশবিলাকৰ বৈদেশিক অৰ্থনৈতিক নীতিৰ সাৰ্বভৌমত্বৰ প্ৰতি সাকাৰ প্ৰদৰ্শন, আভ্যন্তৰিণ বিষয়ত হস্তক্ষেপ, শান্তি ৰক্ষা আদিৰ দৰে আন্তৰ্জাতিক সম্পৰ্কৰ মূল নীতিসমূহৰ ভিত্তিত সকলো স্বাধ ন দেশৰ লগতে পাৰস্পৰিকভাবে সুবিধাজনক বাণিজ্যিক আৰু অৰ্থনৈতিক বান্ধোনৰ বিকাশ সাধনৰ দক্ষতাৰো বিবেচিত হৈছে।

বিশ্ব সমাজবাদী ব্যৱস্থাই বিশ্ব বজাৰত উন্নয়নশীল দেশসমূহৰ অৱস্থিতি সিবিলাকৰ পক্ষেই প্ৰভাৱিত কৰে। উন্নয়নশীল দেশসমূহে সমুখীন হোৱা বিভিন্ন ধৰণৰ শোষণ ক্ষেত্ৰ আৰু সম্ভাৱনাক সীমিত কৰি দিয়াৰ কাৰণে সমাজবাদী দেশবিলাকে চেষ্টা কৰে। এই দেশসমূহৰ লগত অৰ্থনৈতিক আৰু প্ৰযুক্তিগত সহযোগিতাত সোমাই সমাজবাদীৰাষ্ট্ৰসমূহে ইমান দিন পুঁজিবাদী বিশ্বই উক্ত দেশবিলাকক কল কজা আৰু যন্ত্ৰপাতি, ঋণ, আৰু বৈজ্ঞানিক আৰু প্ৰযুক্তিগত জ্ঞান দানৰ যি একচেটিয়া অৱস্থা ভোগ কৰি আহিছে তাক ভাঙি পেলায়। শিল্পোন্নত পুঁজিবাদী দেশসমূহৰ লগত উন্নয়নশীল দেশসমূহে বৰ্তমান লেনদেনৰ ক্ষেত্ৰত যি উন্নত চৰ্তবোৰ লাভ কৰে ই হৈছে তাৰে ফলশ্ৰুতি। ছোভিয়েত যুক্তৰাষ্ট্ৰ আৰু উন্নয়নশীল দেশসমূহৰ মাজত অৰ্থনৈতিক বন্ধনৰ মৌলিক ধৰণ হৈছে বৈদেশিক বাণিজ্য, বৈজ্ঞানিক আৰু প্ৰযুক্তিগত সহযোগিতা। এই ধৰণবিলাক

*ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ ২৪তম কংগ্ৰেছ, পৃঃ ২১৫

পৰস্পৰ সম্পৰ্কযুক্ত। অৰ্থনৈতিক আৰু প্ৰযুক্তিগত সহযোগিতা প্ৰায় সময়তে বৈদেশিক বানিজ্যিক বন্ধন প্ৰসাৰৰ ভিত্তি হৈ পৰে। ফল স্বৰূপে বৈদেশিক বাণিজ্যৰ বিকাশে প্ৰায় সময়তে অৰ্থনৈতিক আৰু প্ৰযুক্তিগত সহযোগিতাৰ আৰ্বিভাৱ আৰু তাক শক্তিশালী কৰাৰ ফালে লৈ যায়।

সমাজবাদী দেশসমূহে নবীন ৰাষ্ট্ৰসমূহৰ এটি স্বাধীন জাতীয় অৰ্থনীতি আৰু সৰ্বোপৰি এটি ৰাষ্ট্ৰীয় খণ্ড গঢ়ি তোলা আৰু বিকশিত কৰাত সহযোগিতা কৰাটো তেওঁলোকৰ কৰ্ত্তব্যৰ ভিতৰতে ধৰে। এই উদ্দেশ্য সমুখত ৰাখি, তলত দিয়া বিশেষ বিশেষ ধৰণৰ সহযোগিতা কাৰ্য্যক্ষেত্ৰত প্ৰয়োগ কৰা হয়।

—সুবিধাজনক চৰ্ত্তত নবগঠিত জাতীয় ৰাষ্ট্ৰসমূহক দীৰ্ঘম্যাদী ঋণ দান;

—শিল্পোদ্যোগ আৰু অন্যান্য যোজনাৰ বাবে সমীক্ষা আৰু নমুনা কাৰ্য্য সম্পাদন আৰু পূৰ্ণাঙ্গ কাৰখানা আৰু উপাদানাদিৰ কাম সমাপন কৰা;

—শিল্পোদ্যোগ প্ৰতিষ্ঠান, ভূ-তাত্বিক অন্বেষণ, খনিজ সম্পদ নিষ্কাশন ইত্যাদিত প্ৰযুক্তিগত সাহায্য দান;

—জাতীয় ভূ-তাত্বিক সংগঠন, নক্সা-সংগঠন, নিৰ্মান কাৰ্য্য সংগঠন, গৱেষণা কাৰ্য্যৰ আৰু অন্যান্য সংগঠন গঢ়ি তোলাত সাহায্য দান;

—নিৰ্মান কাৰ্য্য আৰু যন্ত্ৰ-চালনা উদ্যোগসমূহৰ বাবে বিশেষজ্ঞ আৰু দক্ষ শ্ৰমিক শিক্ষিত কৰি তোলাত বিভিন্ন ধৰণৰ সহায়তা দিয়া;

—উন্নয়নশীল দেশসমূহলৈ পৰামৰ্শদাতা স্বৰূপে বিশেষজ্ঞ, পৰামৰ্শ-বিশাৰদ আৰু বিচক্ষণ প্ৰযুক্তিবিদ পঠোৱা।

এনে ধৰণৰ সহযোগিতাই এক স্থায়ী চৰিত্ৰ অৰ্জন কৰিছে; যি চৰ্ত্তবিলাকেৰে সেইবোৰ সম্পন্ন হয় তাৰ প্ৰতি নব-গঠিত জাতীয় ৰাষ্ট্ৰসমূহৰ প্ৰগতিশীল লোকসকল আৰু চৰকাৰৰ সম্মতি থাকে।

আগতে উল্লেখ কৰাই হৈছে ছোভিয়েত ঋণ উন্নয়নশীল দেশসমূহলৈ সুবিধাজনক চৰ্ত্তত মঞ্জুৰ কৰা হয়; বছৰি ২.৫ শতাংশতকৈ বেছি সুত কেতিয়াও দিব নালাগে; ঋণ পৰিশোধ সাধাৰণতে যন্ত্ৰপাতিৰ যোগান ধৰা সম্পূৰ্ণ হোৱাৰ পিছত অথবা সৰঞ্জাম বা অন্যান্য যোজনাৰ যন্ত্ৰচালনা পৰ্ব্ব শেষ হোৱাৰ পিছত ১২ বছৰৰ ম্যাদত কৰা হয়; আৰু ঋণবোৰ পৰিশোধিত হয় দেশৰ পৰম্পৰাগত ৰপ্তানিযোগ্য দ্ৰব্যৰ আকাৰত অথবা ছোভিয়েত সহযোগিতাত নিৰ্মিত উদ্যোগাদিৰ উৎপন্ন সামগ্ৰীৰে। কোনো কোনো ক্ষেত্ৰত ছোভিয়েত যুক্তৰাষ্ট্ৰই এটা যন্ত্ৰোদ্যোগ নিৰ্মাণ আৰু চালনাৰ পূৰ্ণ দায়িত্ব গ্ৰহণ কৰে। এই ক্ষেত্ৰত নিৰ্মাণকাৰ্য্য চালনাৰ লগত সংযুক্ত স্থানীয় খৰচাদিৰ কাৰণে ছোভিয়েত ইউনিয়নে ধন ধাৰলৈ দিয়ে।

"অৰ্থনৈতিক, বৈজ্ঞানিক আৰু প্ৰযুক্তি বিদ্যাগত সহযোগিতা আৰু "উন্নয়নশীল দেশসমূহলৈ অৰ্থ-নৈতিক সহায়"ৰ ধাৰণা-বোৰৰ স্পষ্ট ব্যাখ্যা কিতাপ-পত্ৰবোৰত (বিশেষতঃ পশ্চিমীয়া কিতাপ পত্ৰত) প্ৰায়ে দিয়া নহয়। উদাহৰণ স্বৰূপে পশ্চিমীয়া দেশবিলাকৰ পৰিসংখ্যানে "অৰ্থ নৈতিক সহায়তা"ৰ শ্ৰেণীত সুবিধাজনক চৰ্ত্তত দিয়া চৰকাৰী অনুদান আৰু ঋণকে কেৱল অন্তৰ্ভুক্ত নকৰে, আনকি সকলো ব্যক্তিগত বিদেশী পুঁজি লগ্নী, প্ৰত্যক্ষ লগ্নী যাৰ ওপৰত বৈদেশীক লগ্নীকাৰীহঁতে এক বিশাল পৰিমাণৰ মুনাফা আৰ্জে তাকো অন্তৰ্ভুক্ত কৰে। এয়াই হৈছে যথাৰ্থভাৱে সেই প্ৰত্যক্ষ পুঁজিলগ্নী যি উন্নয়নশীল দেশসমূহৰ পৰা আন্তৰ্জাতিক একচেটিয়া পুঁজিপতিহঁতৰ মোনালৈ পুঁজিৰ "ওলোটা প্ৰবাহ"ৰ সম্ভাৱনা সৃষ্টি কৰিছে। পশ্চিমীয়া তত্ত্ববিদ সকল আৰু ৰাজনীতিজ্ঞ সকলৰ বাবে "সহায় দানৰ"ৰ এইবোৰ বহুল ব্যাখ্যাৰে প্ৰয়োজন, যাতে বিশ্ব জনমত আৰু সৰ্বোপৰি উন্নয়ন-শীল দেশ সমূহৰ জনগণক বুজাব পাৰে যে আগৰ সাম্ৰাজ্যবাদী

শক্তিবোৰকে ধৰি পুঁজিবাদী শক্তিবোৰে আগৰ উপনিবেশসমূহ আৰু আধা-উপনিবেশ সমূহক সহায় কৰিবলৈ বিচাৰে আৰু বিৰাট পৰিমানৰ বৈষয়িক ত্যাগ স্বীকাৰ কৰিবলৈকো প্ৰস্তুত। সকলো লগ্নী আৰু পুনৰ্লগ্নীক "সহায়দান"ৰ শ্ৰেণীভুক্ত কৰি, তেওঁলোকে "প্ৰমাণ কৰে" যে কিছুমান সাম্ৰাজ্যবাদী শক্তিয়ে, উদাহৰণ-স্বৰূপে ফ্ৰান্সে জাতীয় আয়ৰ ১ শতাংশ উন্নয়নশীল দেশসমূহৰ হাতত তুলি দিয়ে। তেনে ধৰণৰ হিছাপ মতে, ১৯৬১-৭০ কালছোৱাত পছিমীয়া দেশসমূহে নব-গঠিত জাতীয় ৰাষ্ট্ৰসমূহক ১১,০০০ নিযুত ডলাৰ অৰ্থনৈতিক "সহায় দান" কৰিছিল।* কিন্তু এই সংখ্যাবোৰে এক ভুৱা চিত্ৰ অঙ্কিত কৰিছে, কাৰণ এইবোৰে, উদাহৰণ-স্বৰূপে উন্নয়নশীল দেশসমূহৰ পৰা পুঁজিৰ ওলোটা প্ৰবাহ প্ৰতিফলিত নকৰে আৰু সহায়দান অঙ্কৰ ভিতৰত ব্যক্তিপুঁজি লগ্নী আৰু আনকি পুনৰ্লগ্নী অন্তৰ্ভুক্ত কৰে।

ব্যক্তিগত বৈদেশিক পুঁজি বিদেশী কোম্পানীবিলাকৰ কৰ্তৃত্বত থকা উদ্যোগ প্ৰতিষ্ঠানত লগ্নী কৰা হয় আৰু এতেকে উল্লিখিত দেশসমূহৰ জাতীয় অৰ্থনীতি খণ্ডৰ ভিতৰত প্ৰকৃততে অখণ্ডাভূত নহয়। তদুপৰি, বৈদেশিক পুঁজি প্ৰায় সময়তে প্ৰতিযোগী স্বৰূপে জাতীয় পুঁজিৰ বিৰোধী হিছাপে থিয় হয়।

বিদেশী কোম্পানীবিলাকৰ স্থানীয় পৰিচালন কাৰ্য্যৰ পৰা প্ৰাপ্ত লাভৰ পুনৰ্লগ্নীৰ (৬০'ৰ পৰা ৭০ শতাংশ) উন্নয়নশীল দেশসমূহৰ ব্যক্তিগত বৈদেশিক প্ৰত্যক্ষ পুঁজি লগ্নীৰ মূল বিকাশৰ হিছাপত নিয়োজিত হয়। পশ্চিমীয়া পৰিসংখ্যানে পুঁজিৰ ওলোটা গতি যি সচৰাচৰ উন্নয়নশীল দেশসমূহত পুনৰ্লগ্নীকৃত পুঁজিৰ পৰিমান চেৰাই যায়, তাক উপেক্ষা কৰি পুনৰ্লগ্নীকৃত মুনাফাকো "উন্নয়নশীল দেশসমূহলৈ সহায়তা দান"ৰ শ্ৰেণীভুক্ত কৰে।

---

*"বিকাশত সাহায্য দান কমিটিৰ সদস্যসকলৰ প্ৰচেষ্টা আৰু নীতিসমূহ" OECD, ১৯৭১ পৰ্য্যালোচনা, পেৰিছ, ১৯৭১, পৃঃ ৩৪

কোনো কোনো বৈদেশিক লেখকৰ দৃষ্টান্তকে দাঙি ধৰা যাওক। যেনে ফৰাছী অৰ্থনীতিবিদ্ পিয়েৰ জালে আমাক উপদেশ দিয়ে যে সামগ্ৰিক ভাবে—ৰাষ্ট্ৰীয় ঋণ আৰু কৰ্জ্জৰ ওপৰত সুতৰ বিবেচনা কৰিলে—১৯৬৪ চনত তৃতীয় দুনিয়াৰ দেশসমূহত মূল পুঁজিবাদী শক্তিবোৰে লগ্নীকৃত পুঁজিৰ পৰা ৭,৫০০ নিযুত ওভোটাই পাইছে। এই অঙ্কৰ ভিতৰত অসম-বাণিজ্যিক মুনাফা ধৰা হোৱা নাই। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাণিজ্যিক বিভাগৰ তথ্য মতে লেটিন আমেৰিকান দেশসমূহৰ পৰা আমেৰিকান একচেটিয়াপতিসকলে ১৫ বছৰ কাল ধৰি (১৯৫২-১৯৬৭) ১৭,০০০ নিযুত ডলাৰ পৰিমাণৰ লাভ কৰিছে, স্থানীয়ভাবে পুনৰ্লগ্নীকৃত লাভ বাদ দিয়েই।

"জে আফ্ৰিকে" আলোচনীৰ বিশেষ সংখ্যাত—আফ্ৰিকে ১৯৬৯. লঁান পলিটিকয়ে ইকনমিকে শিতানত ওলোৱা প্ৰবন্ধত দেখুৱা তথ্যমতে ১৯৬৯ চনত আফ্ৰিকাৰ দেশসমূহে তেওঁবিলাকৰ ঋণদাতাসকলক পৰিশোধ কৰা অৰ্থৰ পৰিমাণ হৈছে জাতীয় বাজেটৰ ২০-২৫ শতাংশৰ সমান। "কিন্তু এই দেশবিলাকলৈ বৈদেশিক ৰাষ্ট্ৰীয় সহায়তাৰ একে অঙ্কৰ কথা বিচাৰ কৰি", আলোচনীখনে কৈছে, "তাৰ অৰ্থ হয় এই যে বিকাশৰ কাৰণে সাহায্যদানে কেৱল ব্যক্তিগত লগ্নীকাৰী সকলে লগোৱা পুঁজিৰ ওপৰত সুত পৰিশোধ প্ৰাপ্তিৰ নিশ্চয়তাকহে পৰিতুষ্ট কৰে। যাৰ অৰ্থ হয় এই যে আফ্ৰিকীয় দেশসমূহৰ পৰনিৰ্ভৰশীলতা বাঢ়ি গৈ আছে।"

পৰিসংখ্যানে দেখুৱায় যে উন্নয়নশীল দেশসমূহৰ পৰা সাম্ৰাজ্যবাদী শক্তিবোৰে বৰ্তমান পাই থকা মুঠ মুনাফাৰ 'অঙ্ক' এই দেশসমূহত তেওঁলোকৰ ৰাষ্ট্ৰীয় আৰু ব্যক্তিগত পুঁজিৰ বছেৰেকীয়া লগ্নীৰ বহুত অধিক। ই স্পষ্টভাবে দেখুৱায়, উন্নয়ন-

* আফ্ৰিকে ১৯৬০, নু মেৰো স্পেছিয়েল এনুৱেল দাছেই আফ্ৰিকে বোবিছ ১৯৬১

শীল দেশসমূহলৈ সাম্ৰাজ্যবাদীশক্তিবোৰে দিয়া তথাকথিত সহায়তাৰ প্ৰকৃত অৰ্থ কি আৰু কোনে ইয়াৰ ফল ভোগ কৰে।

আমি ইতিপূৰ্ব্বে সমাজবাদীদেশসমূহে উন্নয়নশীল দেশ-বিলাকলৈ প্ৰকৃততে কাৰ্য্যকৰী সহায়দানৰ—অৰ্থাৎ আৰ্থিক, বৈষয়িক আৰু লোক সম্পদেৰে কৰা সহায় দানৰ কথাকৈছো।

এই সহায়তাই, প্ৰথমতে সদ্য স্বাধীন দেশসমূহৰ অৰ্থনীতিৰ জাতীয় খণ্ডক সমতাপূৰ্ণ আৰু দৃঢ় অৰ্থনৈতিক বিকাশৰ পিনে অগ্ৰগতি সাধনত সহায় কৰে, জীবিকাৰ মান উন্নত কৰাত সহায় কৰে, বৈদেশিক পুঁজিৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ পিনে লৈ যায়, আৰু শেষ পৰ্য্যন্ত বিদেশী শিল্পোদ্যোগসমূহ জাতীয় খণ্ডৰ নিয়ন্ত্ৰণাধীনলৈ লৈ যোৱাৰ বাট মুকলি কৰে; দ্বিতীয়তে সদ্য স্বাধীন দেশসমূহৰ সুবিধামতে বজাৰ ভাওতকৈ সম্পূৰ্ণ বেলেগ সুবিধাজনক চৰ্ত্তত এই সহায় আগবঢ়োৱা হয়; আৰু তৃতীয়তে, ই অৰ্থনৈতিক অথবা অন্য কোনো ধৰণৰ বশ্যতাৰ পিনে লৈ নাযায়; বৃহৎ পৰিমাণৰ অৰ্থনৈতিক সম্পদৰ নিৰ্গমণ হেতুকে গ্ৰহীতা ৰাষ্ট্ৰসমূহৰ অৰ্থনীতিৰ অপচয়ো নকৰে।

আগতেই উল্লেখ কৰা হৈছে, ছোভিয়েত যুক্তৰাষ্ট্ৰ আৰু অৰ্থনৈতিকভাবে কম উন্নত দেশসমূহৰ মাজত অৰ্থনৈতিক আৰু প্ৰযুক্তিগত সহযোগিতা আৰম্ভ হৈছিল, ছোভিয়েত ইউনিয়নৰ অস্তিত্বৰ প্ৰথম দহ বছৰৰ ভিতৰতেই। দ্বিতীয় মহাযুদ্ধৰ আগেয়ে, ছোভিয়েত ইউনিয়ন তেনে ধৰণৰ সহযোগিতাত লিপ্ত আছিল মাত্ৰ কেইখনমান দেশৰ লগত—যেনে তুৰ্কী, ইৰান, আফগানিস্তান, মঙ্গোলীয়া আৰু চীন। সেই কালছোৱাত অৰ্থনৈতিক আৰু প্ৰযুক্তিগত সহযোগিতা খুব বিস্তৃত নাছিল, যদিও মূলতঃ ই কম গুৰুত্বপূৰ্ণ নাছিল। কিয়নো ইতিহাসত সৰ্বপ্ৰথম সংশ্লিষ্ট দেশসমূহৰ পূৰ্ণ সমানাধিকাৰৰ ভিত্তিত এটি নতুন ধৰণৰ আন্তৰ্জাতিক সম্পৰ্ক গঢ়ি উঠিবলৈ ধৰিছিল।

দ্বিতীয় মহাযুদ্ধৰ পিছত ছোভিয়েত ইউনিয়নে আফগানিস্তানৰ লগত (১৯৫৪) আৰু ভাৰতৰ লগত (১৯৫৫) অর্থনৈতিক আৰু প্রযুক্তিগত সহযোগিতাৰ চুক্তি সম্পাদন কৰে। তেতিয়াৰে পৰা এই সহযোগিতা বহুলভাৱে বিস্তৃত হৈ পৰিছে।

১৯৫৫ চনৰ সময়ত ছোভিয়েত ইউনিয়নৰ কেৱল দুখন উন্নয়নশীল দেশৰ লগত অর্থনৈতিক আৰু প্রযুক্তিগত চুক্তি হৈছিল আৰু ১৯৬০ চনৰ ভিতৰত ১৪খন দেশৰ লগত, ১৯৭০ চনৰ আৰম্ভনিলৈকে ৪০খন দেশৰ লগত তেনে ধৰণৰ চুক্তিবোৰ সম্পন্ন হৈছিল।

এই চুক্তিবোৰে ৭১৪টাৰো অধিক শিল্পোদ্যোগ প্রতিষ্ঠানত আৰু অর্থনীতি আৰু সংস্কৃতিৰ বিভিন্ন শাখাত অন্যান্য যোজনা নির্মানৰ সহযোগিতাৰ দিহা কৰিছে। ১৯৭০ চনৰ ১ জানুৱাৰীলৈকে এই বিলাকৰ ৩২৫ টাই কর্মপৰিচালনা আৰম্ভ কৰিছেই।

ছোভিয়েত ইউনিয়ন আৰু উন্নয়নশীল দেশসমূহৰ মাজৰ অর্থনৈতিক আৰু প্রযুক্তিবিজ্ঞানগত সহযোগিতা ব্যাপক আৰু সার্ব্বজনীন হৈ পৰিছে। উন্নয়নশীল দেশসমূহৰ লগত অর্থনৈতিক আৰু প্রযুক্তিবিজ্ঞানগত সহযোগিতাৰ দ্রুত সম্প্ৰসাৰণ সকলোবোৰ সমাজবাদী দেশৰেই এটা জাতি ৰূপ। সমাজবাদী ৰাষ্ট্রসমূহৰ অর্থনৈতিক আৰু প্রযুক্তিগত সহযোগিতাৰে আফ্রিকাত শ' শ' গুৰুত্বপূর্ণ যোজনাৰ কাম কৰিবলৈ লোৱা হৈছে আৰু লোৱা হব। দৃষ্টান্ত স্বৰূপে বুলগেৰিয়া প্রজাতন্ত্রই ২৫ টা বিভিন্ন শিল্পোদ্যোগ গঠনত সহায় কৰিছে আৰু প্রায় একে সংখ্যক সৰঞ্জাম সজোৱা কামত অংশ গ্রহণ কৰি আছে। হাঙ্গেৰীয় গণ প্রজাতন্ত্রই ১৭০ টা শিল্পসৰঞ্জাম আৰু অন্যান্য যোজনাৰ বাবে

* স্টেটিষ্টিকেল হেণ্ড বুক অফ দি বেছিক ইণ্ডিচেছ অফ ইকনমিক এণ্ড টেকনিকেল কো-অপাৰেছন বিটুইন দি ইউ, এছ, এছ, আৰ এণ্ড দি ডেভলপিং কান্ট্রিজ, মস্কো' ১৯৭০, পৃ: ১-২, (ৰুছ ভাষাত)

যন্ত্ৰপাতি যোগান ধৰিছে — যেনে ময়দা কল, হাইড্ৰোজেন নির্মান কাৰখানা, তাপ আৰু বিদ্যুৎ ষ্টেশন, গ্লাছ কাৰখানা ইত্যাদি চেকোশ্লোভাক সমাজবাদী প্ৰজাতন্ত্ৰই ৮৯ টা শিল্পোদ্যোগ নির্মাণত সহায় কৰিছে, তাৰে ৬২ টাৰ ইতিমধ্যেই কাম আৰম্ভ হৈছে।

সমাজবাদী দেশসমূহৰ লগত সহযোগিতাই কেবাখনো আফ্ৰিকীয় ৰাষ্ট্ৰক শিল্পোদ্যোগৰ অথবা উৎপাদনৰ নতুন নতুন শাখা গঠন কৰিবলৈ আৰু সেইবিলাক ৰাষ্ট্ৰৰ শিল্পজাত বস্তুৰ মুঠ উৎপাদন বিপুল পৰিমাণে বৃদ্ধি কৰিবলৈ সক্ষম কৰিছে।

মিছৰৰ আৰব প্ৰজাতন্ত্ৰই এই প্ৰথম বাৰৰ কাৰণে তাঁথাৰ পাতল চাদৰ, কোক কয়লা, কল কব্জাত দিবলগা পিছল তেল, জোৰা লগোৱা বৈদ্যুতিক মার্ত্তুল, মুকলি তাঁৰ, অস্ত্ৰ-চিকিৎসা সম্বন্ধীয় যন্ত্ৰপাতি, ঢালাই লোহাৰ সৰঞ্জাম, এলুমিনিয়ম ধাতুৰ পাট ইত্যাদিৰ একমাত্ৰ নির্মান সংগঠিত কৰিব পাৰিছে। আচোৱান জল-বিদ্যুৎ শক্তি কেন্দ্ৰই মিছৰৰ বিদ্যুৎ উৎপাদন শক্তি তিনিগুণ বৃদ্ধি কৰিছে। এটা যন্ত্ৰাংশ আৰু যন্ত্ৰপাতিৰ কাৰখানা এটা ৰেডিও ইঞ্জিনীয়াৰিং, এটা ৰাসায়নিক তথা দৰব প্ৰস্তুত কাৰখানা আৰু অন্যান্য শিল্পোদ্যোগ দেশখনৰ ভিতৰত গঢ়ি উঠিছে।[১৯]

আলজিৰিয়াত, ছোভিয়েত প্ৰতিষ্ঠান সমূহে ভালেমান বৃহৎ শিল্পোদ্যোগে ৰাষ্ট্ৰিয়খণ্ডত পুনর্বাসন আৰু পুনর্নিমাণত সহায় কৰিছে। যেনে ৰেন ভাদিচত (কৃষি যন্ত্ৰপাতিৰ), আলেলিকেত (ৰেলগাড়ী), বুলোনেৰী আলজিৰিয়েনত (ধাতৱ পদাৰ্থ) বর্ত্তমানে তেনে ধৰণৰ শিল্পোদ্যোগসমূহে আগৰ ফৰাছী মালিক সকলৰ কর্তৃত্বত থকা সময়তকৈ অধিক উৎপাদন কৰিবলৈ ধৰিছে।[২০] আনাবাৰ তাঁথা কাৰখানাই (ছোভিয়েত ইউনিয়নৰ সাহায্যতে তৈয়াৰ হৈ থকা) আলজিৰিয়াক তাঁথা উৎপাদন দহগুণ বৃদ্ধি কৰাত সক্ষম কৰিব। এল-আৰিয়াদত থকা সীহ আৰু দস্তাৰ

কাৰখানাই তিনিগুণ কেঁচামাল উৎপাদন বৃদ্ধি কৰিব, আৰু যৌতিয়া ওবাশত ৰকা খিড়িকীত নগাৰ পৰা গ্লাছ নিৰ্মাণ কাৰখানা তৈৰী সম্পূৰ্ণ হব, গ্লাছ শিল্পৰ ক্ষমতা ৫০ শতাংশ বৃদ্ধি পাব। বুলগেৰিয়াৰ সহায়ত নিৰ্মিত কাপোৰ বোৱা ৰঙ্গমুখী শিল্প সংস্থাই আলজিৰিয়াৰ আভ্যন্তৰিণ প্ৰয়োজনৰ ১৫ শতাংশ কাপোৰৰ অভাৱ গুচাব।

ছোভিয়েত ইউনিয়ন আৰু উন্নয়নশীল দেশসমূহৰ মাজত হোৱা অৰ্থনৈতিক সহযোগিতাৰ সাফল্যজনক বিকাশৰ এটা লক্ষণ হৈছে এইখিনিতে যে এই দেশসমূহত যন্ত্ৰপাতি দিয়া কাৰ্য্যৰ আৰু শিল্পোদ্যোগৰ প্ৰতিষ্ঠানৰ কাৰণে যোগান ধৰাৰ পৰিমাণ ১৯৬০ চনতকৈ পাঁচগুণ বেছি। তলত দিয়া তালিকাই উন্নয়নশীল দেশসমূহক ক্ষেত্ৰ অনুযায়ী প্ৰযোজ্য (শতকৰা হিচাপে) ছোভিয়েতৰ প্ৰযুক্তিগত সাহায্য ভাগ ভাগ কৰি দেখুৱা হ'ল।

শিল্প আৰু বিদ্যুৎ শক্তি	—	৭২·৮	শতাংশ
কৃষি	—	৪·৭	,,
পৰিবহন আৰু যোগাযোগ	—	৮·৯	,,
ভূ-তাত্ত্বিক অনুসন্ধান কাৰ্য্য	—	৮·৯	,,
শিক্ষা, সংস্কৃতি, জনস্বাস্থ্য আৰু খেল-ধেমালি	—	৪·১	,,
গৃহ নিৰ্মাণ আৰু জনসেৱামূলক নিৰ্মাণ কাৰ্য্য	—	০·৪	,,
অন্যান্য ক্ষেত্ৰ	—	০·২	,,
		১০০·০	শতাংশ

এইদৰে, ছোভিয়েত ইউনিয়ন আৰু উন্নয়নশীল দেশসমূহৰ মাজত হোৱা অৰ্থনৈতিক আৰু প্ৰযুক্তিগত সহযোগিতা চুক্তি মতে ৭০ শতাংশৰ অধিক সাহায্য শিল্প বিকাশৰ পিনে ঢাল খোৱা ছোভিয়েত সাহায্যৰ অৰ্দ্ধেকৰো অধিক গধুৰ শিল্প-উদ্যোগৰ নিৰ্মাণ

কাৰ্য্যত সহায় কৰাৰ কাৰণে লাগে। এনে ধৰণৰ সাহায্যৰ দৃষ্টান্ত হৈছে, ছোভিয়েত ইউনিয়নে ভাৰত, মিছৰৰ আৰৱ প্ৰজাতন্ত্ৰ, আলজিৰিয়া, ইৰাণ, শ্ৰীলঙ্কা প্ৰজাতন্ত্ৰ আৰু অন্যান্য দেশলৈ দিয়া প্ৰযুক্তিগত সাহায্য।

আকৌ, অৰ্থনৈতিকভাৱে অধিক পশ্চাৎপদ এফ্ৰো-এছিয় দেশসমূহৰ চৰকাৰবিলাকৰ অনুৰোধত ছোভিয়েতৰ সাহায্য বস্তু উৎপাদন আৰু খাদ্য শিল্প আৰু কৃষি উৎপাদনৰ কেতবোৰ শাখাৰ পিনে ঢাল খোৱা। ফলত জনগণৰ জৰুৰী প্ৰয়োজন যথাশীঘ্ৰে পূৰণ কৰিব পাৰি। এয়েই ঘটনা। বিশেষকৈ উত্তৰ আৰু দক্ষিণ ইয়েমেন (ইয়েমেনি আৰৱ প্ৰজাতন্ত্ৰ আৰু ইয়েমেনৰ জনগণ প্ৰজাতন্ত্ৰ), নেপাল, গিনী, ছোমালীয়া আৰু অন্যান্য দেশত এয়ে বাস্তৱ ঘটনা।

আন্ত-চৰকাৰ চুক্তি অনুযায়ী ছোভিয়েত যুক্তৰাষ্ট্ৰ মুঠ ৭০০ৰো অধিক শিল্পোদ্যোগীয় প্ৰতিষ্ঠান আৰু অন্যান্য যোজনা নিৰ্মাণত সহায় কৰাৰ কাৰণে প্ৰতিশ্ৰুতিবদ্ধ; তাৰে অৰ্দ্ধেকৰো বেছি এতিয়া নিৰ্মিত হৈছে আৰু সিবোৰত কাম আৰম্ভ হৈছে। এই যোজনা-বোৰ কি ধৰণৰ, ২৬৩ পৃষ্ঠাৰ তালিকাই তাৰ এটা ধাৰণা দিব।

উন্নয়নশীল দেশসমূহত ছোভিয়েত যুক্তৰাষ্ট্ৰৰ প্ৰযুক্তিগত সহযোগিতাৰে কিমান নিৰ্মিত হৈছে, কিমান নিৰ্মাণ হৈ থকা প্ৰক্ৰিয়াভুক্ত বা কিমান নিৰ্মিত হব তাৰ সংখ্যা—জাতীয় অৰ্থনীতিৰ শাখা বিভাজনেৰে।

(১৯৬১ চনৰ ১ জানুৱাৰীৰ হিচাপ।)

		চুক্তিমতে	কাৰ্য্যৰত
	মুঠ		
১।	শিল্প	৭০৯	৩৫৩
	বিদ্যুৎ শক্তি	৪৪	১৬
	তেল নিস্কাশন, তেল শোধন আৰু গেছ	১৮	৭
	কয়লা	১৩	৪
	লৌহ ধাতু	১৬	৭
	অলৌহ ধাতু	১৬	২
	কেমিকেল আৰু পেট্ৰোকেমিকেল	১২	৩
	যন্ত্ৰ নিৰ্মাণ আৰু ধাতৱ কাৰ্য্য	৫২	৩২
	জাবৰ-জোথৰ, মণ্ড আৰু কাগজ, কাঠৰ কাম	২	১
	গৃহ নিৰ্মাণৰ সামগ্ৰী	১০	৫
	ঔষধ শিল্প	৭	৭
	লঘু শিল্প	১১	৫
	খাদ্যদ্ৰব্য, মাংস আৰু দুগ্ধজাত দ্ৰব্য, মাছ, আৰু ময়দা আৰু শস্যজাত খাদ্য	৮৭	৩৬
২।	কৃষি	১০৩	৪৭
৩।	পৰিবহন আৰু যোগাযোগ	৬১	৪৫
৪।	ভূ-তাত্ত্বিক অনুসন্ধান কাৰ্য্য	৫৭	২৩
৫।	শিক্ষা, সংস্কৃতি, জনস্বাস্থ্য, খেল ধেমালি	১৪৬	৯১
৬।	গৃহনিৰ্মাণ আৰু জনসেবাসমূহ	৭	৪

পুঁজিবাদী দেশসমূহৰ পৰা অহা ব্যক্তিগত পুঁজিয়ে প্ৰায় সময়তে জাতীয় পুঁজিৰ লগত প্ৰতিযোগিতা কৰে, তাক লঘু কৰে, আৰু নয়া উপনিবেশবাদীইঁতে উন্নয়নশীল দেশসমূহক শোষণ কৰা সহজতৰ কৰি তোলে। ছোভিয়েত ইউনিয়ন আৰু অন্যান্য সমাজবাদী দেশৰ সাহায্য মূলতঃ সিবোৰৰ জাতীয় উৎপাদিকা শক্তিবিলাকক বিকশিত কৰাত হাত উজাব দিয়ে। ছোভিয়েত যুক্তৰাষ্ট্ৰৰ সহযোগিতাত নিৰ্মিত সকলো শিল্পোদ্যোগ প্ৰথমৰ পৰাই উন্নয়নশীল দেশসমূহৰে সম্পত্তি।

উন্নয়নশীল দেশসমূহৰ জাতীয় অৰ্থনীতি শক্তিশালী কৰা আৰু বিকশিত কৰাৰ বাবে শিল্প-উদ্যোগৰ দ্ৰুত বিকাশ সাধনৰ প্ৰয়োজনত খনিজ সম্পদ উদ্ধাৰ কৰা বিৰাট গুৰুত্বপূৰ্ণ কাম। বৰ্ত্তমানত, ছোভিয়েত যুক্তৰাষ্ট্ৰই ১৮ খন এফ্ৰো-এছিয় দেশক ভূতাত্ত্বিক সন্ধান কাৰ্য্য চলোৱাত সহায় কৰি আছে। ছোভিয়েত বিশেষজ্ঞসকলৰ সহযোগিতাত খনিজ কেঁচামালৰ বিৰাট বাণিজ্যিক সম্পদ আবিস্কৃত আৰু পৰীক্ষিত হৈছে। বহু ধৰণৰ খনিজ সম্পদ খনা কাম সংগঠিত হৈছে, আৰু শিল্প-উদ্যোগৰ বাবে কেঁচা-মালৰ এক দৃঢ় ভিত্তি প্ৰস্তুত হবলৈ ধৰিছে।

বৰ্ত্তমান সময়ত নব-গঠিত স্বাধীন ৰাষ্ট্ৰসমূহ সন্মুখীন হোৱা প্ৰধান সমস্যাসমূহৰ অন্যতম জাতীয় কৰ্মীদলৰ প্ৰশিক্ষণৰ কামত ছোভিয়েত ইউনিয়নে যথেষ্ট সহায় কৰিছে।

বিভিন্ন ধৰণে সহায় দান কৰা হয়: ছোভিয়েত বিশেষজ্ঞসকলে কল কাৰখানাবোৰ গঢ়ি তোলা অথবা পৰিচালনা কৰা ঠাইতে নিৰ্মাণ কাৰ্য্য আৰু পৰিচালনা কাৰ্য্য কৰি থাকোঁতে বৈদেশিক নাগৰিকসকলক শিক্ষাদান কৰে। বৈদেশিক বিশেষজ্ঞসকলক ছোভিয়েত উদ্যোগ আৰু প্ৰতিষ্ঠানসমূহত বৃত্তিমূলক শিক্ষাদান দিয়া হয়, আৰু ছোভিয়েত ইউনিয়নে এই দেশবোৰত জাতীয় শিক্ষা প্ৰতিষ্ঠান গঢ়ি তোলাত সহায় কৰে।

ছোভিয়েত যুক্তৰাষ্ট্ৰৰ সহায়তাত ২৫০,০০০ ৰো অধিক ব্যক্তিক ইতিমধ্যেই প্ৰশিক্ষণ দিয়া হৈছে, তাৰে ২০০,০০০ ৰো অধিক উদ্যোগাদি নিৰ্মাণ আৰু পৰিচালনা কালতে প্ৰশিক্ষণ-প্ৰাপ্ত হৈছে। ইয়াৰ উপৰিও উন্নয়নশীল দেশসমূহৰ পৰা অহা হেজাৰ হেজাৰ ছাত্ৰ আৰু স্নাতকোত্তৰ ছাত্ৰই ছোভিয়েত ইউনিয়নৰ উচ্চতৰ শিক্ষা প্ৰতিষ্ঠানসমূহত অধ্যয়ন কৰিবলৈ ধৰিছে।

নৱ-গঠিত স্বাধীন ৰাষ্ট্ৰসমূহ বিশেষজ্ঞৰ প্ৰশিক্ষণৰ ক্ষেত্ৰত ছোভিয়েত সহায়তাৰ এটি কাৰ্য্যকৰী ধৰণ হৈছে—সেই দেশবোৰৰ নিজস্ব শিক্ষা প্ৰণালী সংগঠিত কৰা আৰু জাতীয় শিক্ষাবিষয়ক প্ৰতিষ্ঠান গঢ়ি তোলাত সহায় কৰা। শিক্ষাৰ ক্ষেত্ৰত ছোভিয়েত ইউনিয়নে নিজৰ অভিজ্ঞতাৰ ভাগ তেওঁলোকক দিয়ে। ছোভিয়েত ইউনিয়নৰ সহায়তাত উন্নয়নশীল দেশসমূহত ১২০ৰো অধিক শিক্ষাবিষয়ক প্ৰতিষ্ঠান, প্ৰযুক্তি বিদ্যাৰ বিদ্যালয়, বিশেষজ্ঞ শিক্ষণ বিদ্যালয়, সাধাৰণ মাধ্যমিক বিদ্যালয় আৰু প্ৰশিক্ষণ কেন্দ্ৰসমূহ নিৰ্মিত হবলৈ ধৰিছে। এইবোৰৰ প্ৰায় ৮০ খনত ইতিমধ্যেই বাম-বাজ [illegible] হৈছে।

কৰ্ম্মীক প্ৰশিক্ষণ দি গঢ়ি তোলাত ছোভিয়েত সহায়ৰ গুণে মিছৰৰ আৰৱ প্ৰজাতন্ত্ৰত, উদাহৰণ স্বৰূপে ছোভিয়েত সহযোগিতাত গঢ়ি উঠা ৩২টা শিল্পোদ্যোগৰ ২৭টা মিছৰীয়সকলে একেবাৰে নিজেই পৰিচালনা কৰি আছে। ছিৰিয়াত ছোভিয়েতৰ সহায়ত নিৰ্ম্মিত ৰিইনফৰ্চড কংক্ৰিট শ্লিপাৰ্ছ উৎপাদন কৰা কাৰখানা আৰু 'ৰাস্তান' জলবিদ্যুৎ কেন্দ্ৰ দুয়োটাই এতিয়া ছোভিয়েত বিশেষজ্ঞসকলৰ সহায় নোলোৱাকৈয়ে চলোৱা হৈছে। সকলো দেশতে এয়ে হ'ল ধৰণ: যেনে ছোভিয়েত ইউনিয়নৰ সহায়তাত নিৰ্মিত শিল্প-উদ্যোগাদিৰ কাৰ্য্য সম্পাদন

বলবৎ হোৱাৰ লগে লগে ছোভিয়েত বিশেষজ্ঞসকলৰ সংখ্যা প্ৰণালীবদ্ধভাবে হ্ৰাস কৰা হয় আৰু তেওঁলোকৰ স্থান গ্ৰহণ কৰে প্ৰশিক্ষণপ্ৰাপ্ত স্থানীয় লোকসমূহে। ছোভিয়েত সহায়তাৰ গুৰুত্ব আৰু বৈশিষ্ট্য বিশ্লেষণ কৰি মিছৰীয় সাংবাদিক ৰিফাত আছাদে আছোৱান ভেঁটা বন্ধা কামত লিপ্ত ছোভিয়েত বিশেষজ্ঞসকল সম্পৰ্কে নিম্নলিখিত মন্তব্য কৰি লিখিছে: "ছোভিয়েত জনগণে কামৰ প্ৰতি নতুন দৃষ্টিভঙ্গীৰ ভিত্তি স্থাপন কৰিছে: যথা, শ্ৰম-প্ৰীতি, শ্ৰমত বীৰত্ব প্ৰদৰ্শন উৎপাদন পৰিকল্পনাবোৰ প্ৰতিপালনত অনুপ্ৰেৰণা, প্ৰতিযোগিতা ইত্যাদি। এই আটাইবোৰে এক নতুন ধৰণৰ মানুহ সৃষ্টিৰ সহায়ক।"

ছোভিয়েত যুক্তৰাষ্ট্ৰ আৰু উন্নয়নশীল দেশবোৰৰ মাজত অৰ্থনৈতিক আৰু প্ৰযুক্তিগত সহযোগিতাই কেনেদৰে সিবোৰ-দেশৰ জাতীয় অৰ্থনীতিক শক্তিশালী কৰি ওপৰখাপলৈ লৈ যায়, ইয়াতে তাৰ এটি উদাহৰণ দাঙি ধৰিব পাৰি। ভাৰতবৰ্ষত ভিলাই লৌহ আৰু তীখা কাৰখানা নিৰ্ম্মাণৰ প্ৰথম পৰ্য্যায়ত, ছোভিয়েত প্ৰতিষ্ঠানবোৰে কাৰখানাৰ নক্সা সংক্ৰান্ত যাবতীয় দলিল প্ৰস্তুত কৰিবলৈ আৰু প্ৰায় ১০০ শতাংশ সাজ-সৰঞ্জাম, যন্ত্ৰপাতি আৰু কল-কৌশল যোগান ধৰিবলৈ মান্তি হয়। পাছত, ছোভিয়েত ইউনিয়নে কেবাটাও যন্ত্ৰনিৰ্মাণ কাৰখানা গঠন, এটা নক্সা প্ৰস্তুতৰ সংস্থা প্ৰতিষ্ঠা আৰু যথাযোগ্য কৰ্মীদল প্ৰশিক্ষণত ভাৰতক সহায়তা দিয়াৰ ফলত, ভাৰতৰ উদ্যোগ সংগঠনবোৰে ইতিমধ্যে বোকাৰোত এটা নতুন, আনকি বৃহত্তৰ তীখা কাৰখানা নিৰ্মাণৰ বাবে সাজ-সৰঞ্জাম, যন্ত্ৰপাতি আৰু কল-কৌশলৰ ৬৫ শতাংশ যোগান ধৰিবলৈ আৰু সম্পূৰ্ণ জৰীপ আৰু নক্সা প্ৰস্তুতি কাৰ্য্যৰ ২৫ শতাংশ তেওঁলোকেই কৰিবলৈ সক্ষম হয়।

ছোভিয়েত ইউনিয়ন আৰু অন্যান্য সমাজবাদী দেশসমূহে ৰাষ্ট্ৰীয় খণ্ডত শিল্পোদ্যোগ নিৰ্মাণত যে সাহায্য দিয়ে সি

উন্নয়নশীল দেশসমূহৰ অৰ্থনীতিৰ স্বাৱলম্বিতা দৃঢ়তৰ কৰাত অত্যধিক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ই উল্লিখিত দেশৰ অৰ্থনৈতিক জীৱনৰ ওপৰত ৰাষ্ট্ৰৰ প্ৰভাৱ বৃদ্ধি কৰে, আৰু এটি পৰিকল্পিত জাতীয় অৰ্থনীতি গঠনৰ ভেটি প্ৰস্তুতিত সহায় কৰে অৰ্থনীতিৰ বিকাশৰ একাদশদৰ্শিতাৰ সম্ভাৱনা নাইকিয়া কৰে আৰু বৈদেশিক একচেটিয়াপতিসকলৰ প্ৰভাৱ হ্ৰাস কৰে। এই আটাইবোৰে মিলি পুঁজিবাদী আন্তৰ্জাতিক শ্ৰম-বিভাজনৰ পৰিণামবিলাক অতিক্ৰম কৰাৰ সংগ্ৰামত উন্নয়নশীল দেশবোৰক প্ৰেৰণা যোগায়।

(খ) সমাজবাদী দেশসমূহৰ বৈদেশিক বাণিজ্য—উন্নয়নশীল দেশসমূহৰ প্ৰগতিত এক গুৰুত্বপূৰ্ণ কথা

আন্তৰ্জাতিক শ্ৰম বিভাজন বাস্তৱত ৰূপায়িত কৰাৰ ফলপ্ৰদ মাধ্যম হৈছে বৈদেশিক বাণিজ্য। পুঁজিবাদৰ অধীনত "দেশৰ আভ্যন্তৰিণ" শিল্পৰ বাবে লাভজনক বজাৰ আৰু সস্তীয়া কেঁচা মালৰ কাৰণে চলা সংগ্ৰামত ই বিৰাট অৰ্থনৈতিক আৰু ৰাজনৈতিক গুৰুত্ব অৰ্জন কৰে। ই এখন পুঁজিবাদী দেশৰ জাতীয় আয়ৰ উন্নতি বিধানৰ এটা পথ স্বৰূপে আৰু ধনিক শ্ৰেণীৰ যি সকলে নিজৰ দেশত আৰু বাহিৰত উৎপাদন মূল্যৰ পাৰ্থক্যৰ সুবিধা গ্ৰহণ কৰিব পাৰে সিবিলাকৰ অতিৰিক্ত মুনাফা লাভৰ এটি উৎস হিচাপে কাম কৰে। এই অতিৰিক্ত মুনাফা হৈছে এক ধৰণৰ আন্তৰ্জাতিক বৈষম্যমূলক কৰ। প্ৰাকৃতিক আৰু অন্যান্য অৱস্থাৰ বিভিন্নতা হেতুকে

কোনো এটা পণ্য উৎপাদন হোৱাৰ ফলত ইয়াৰ উদ্ভৱ হয়। এই বিষয়ে কাৰ্ল-মাৰ্ক্সে এই দৰে কৈছে :

"বৈদেশিক বাণিজ্যত পুঁজি লগ্নীকৃত হোৱাৰ কাৰণে উচ্চতৰ হাৰৰ মুনাফা লাভ হ'ব পাৰে, কাৰণ, প্ৰথমতে, নিম্নস্তৰৰ উৎপাদন পৰিস্থিতি যিবোৰ দেশত বিদ্যমান সিবোৰত উৎপাদিত পণ্যেৰে সৈতে প্ৰতিযোগিতা হয়; ফলত অধিক উন্নত দেশে তাৰ পণ্য প্ৰতিযোগীদেশসমূহতকৈ সস্তীয়া হোৱা সত্বেও তাতোকৈ অধিক দামত বেচিব পাৰে সেই একেখন দেশেই পণ্য ৰপ্তানি আৰু পণ্য আমদানিৰ ক্ষেত্ৰত অন্য দেশৰ পৰা একে সুবিধা লব পাৰে; উদাহৰণ স্বৰূপে, শেষোক্ত দেশে যিমান পায় তাতকৈ অধিক বাস্তৱীভূত শ্ৰম উৎপন্ন দ্ৰব্যেৰে দিব পাৰে; আৰু তথাচ তাৰ দ্বাৰা যি পণ্য উৎপাদন কৰিব পাৰিলেহেঁতেন তাতকৈ সেই পণ্য অধিক সস্তাত পায়।"[২১]

মাৰ্ক্সে এই প্ৰতিপাদ্য আগ বঢ়াই এই ঘটনাকে কব খুজিছিল যে বিশ্ব বজাৰত পণ্য বিনিময় হয় আন্তৰ্জাতিক মূল্যৰ ভিত্তিত। এয়ে হৈছে বিশ্ব বজাৰত লব্ধ গড় জাতীয় মূল্য। এই বিলাক চৰ্ত্তত-অন্যান্য দেশতকৈ অৰ্থনৈতিক আৰু প্ৰযুক্তিগত ভাবে কম উন্নত দেশেও আনকি আন্তৰ্জাতিক শ্ৰম বিভাজনৰ পৰা লাভবান হব পাৰে। গতিকে, যদি পণ্যসমূহৰ আন্তৰ্জাতিক পণ্য মূল্যৰ সঠিক বিশ্ব-মূল্যত বিনিময় হয়; তেন্তে বৈদেশিক বাণিজ্য বস্তুতঃ সেইবিলাক দেশৰ কাৰণে পাৰস্পৰিক লাভজনক হয় যি অৰ্থনৈতিক আৰু প্ৰযুক্তিগত বিকাশৰ বিভিন্ন স্তৰত আছে।

আজিৰ দিনৰ আন্তৰ্জাতিক বাণিজ্যিক সম্পৰ্কৰ ক্ষেত্ৰত, কিন্তু সাম্ৰাজ্যবাদী শক্তিবিলাক উন্নয়নমুখী দেশসমূহৰ লগত এনে ধৰণে সিবোৰৰ অৰ্থনৈতিক সম্পৰ্ক গঢ়ি তোলাত সচেষ্ট হয় যাৰ ফলত অৰ্থনৈতিক অসমতা সংৰক্ষণ আৰু বৃদ্ধি কৰিব পাৰে। আন্তৰ্জাতিক বিনিময় অৰ্থনৈতিক আৰু প্ৰযুক্তিগতভাবে কম

বিকশিত দেশবিলাকক শোষণ কৰাৰ এটা পদ্ধতি হৈ পৰে যিহেতু একচেটিয়াপতিসকলে নিজৰ ফলীয়া কৰি বিশ্ব-বজাৰৰ মূল্যমান বিকৃত কৰে। পুঁজিবাদৰ অধীনত বৈদেশিক বাণিজ্য এনে ধৰণৰ শোষণৰ কল-কৌশলত পৰিণত হয়।

এই ক্ষেত্ৰতে, বুৰ্জোৱা অৰ্থনীতিবিদসকলে শিল্পোন্নত আৰু উন্নয়নমুখী দেশৰ মাজত অন্যায় বাণিজ্যক ন্যায্য বুলি প্ৰমাণ কৰিবলৈ, ঐতিহাসিকভাবে এই দুই দলৰ দেশসমূহৰ মাজত গঢ় লোৱা শ্ৰমবিভাজনক সংহত কৰাত সহায় কৰিবলৈ, আৰু পৃথিবীৰ 'শিল্পোন্নত নগৰ" আৰু "বিশ্ব গ্ৰামাঞ্চল" ভাগ কৰি তাক চিৰকাল স্থায়ী কৰি ৰাখিবলৈ যি তুলনামূলক উৎপাদন ব্যয়ৰ তথাকথিত তত্ত্ব ব্যৱহাৰ কৰে, তাৰ সম্পৰ্কে অলপ আশা কৰিব খোজোঁ। নিশ্চয়, যদি আমি সাম্ৰাজ্যবাদী শোষণৰ মহিমা প্ৰচাৰকাৰীসকলৰ তুলনা মূলক উৎপাদন ব্যয়ৰ তত্ত্ব খণ্ডন কৰিবলৈ বিচাৰোঁ তেন্তে. আমাৰ মতে আন্তৰ্জাতিক পণ্য বিনিময়ৰ পাৰস্পৰিক সুবিধাবিলাক বিশ্লেষণ কৰি আৰু বৈদেশিক বাণিজ্যৰ আশাজনক গাঁথনি স্থিৰ কৰি কোনো এটা পণ্য-উৎপাদনৰ ব্যয়ৰ স্তৰৰ কথা বিবেচনা কৰিব লাগিব আৰু কৰা উচিতো। অৱশ্যে, বৈদেশিক বাণিজ্যৰ গাঁথনি আৰু ইয়াৰ ভৌগোলিক বিৱৰণ কেৱল উৎপাদন খৰচৰ স্তৰৰ ওপৰতে নিৰ্ভৰ নকৰে. অন্যান্য উপাদানৰ ওপৰতো নিৰ্ভৰ কৰে। কিন্তু নিৰ্ণয়কাৰক হৈছে তুলনামূলক ব্যয়ৰ স্তৰ। ইয়াক অৱজ্ঞা কৰাৰ অৰ্থ হব স্বেচ্ছামূলক আচৰণ কৰিবলৈ দিয়া, যাৰ ফলত বৈদেশিক বাণিজ্যই হিতকৰ ফল নানি জাতীয় আয়ৰ বিৰাট ক্ষতি সাধন কৰিব পাৰে।

বৈদেশিক বাণিজ্যই দেশসমূহৰ অৰ্থনৈতিক সংহতি বৃদ্ধিৰ পথ হিছাপে কাম কৰে, আৰু ই বৈজ্ঞানিক আৰু প্ৰযুক্তিগত বিপ্লৱৰ বাস্তৱ চাহিদা প্ৰতিফলিত কৰে। ইয়াৰ বাবেই, আমাৰ

কালত বৈদেশিক বাণিজ্যৰ ভূমিকা বৃদ্ধি পাবলৈ ধৰিছে। ই কেৱল অৰ্থনৈতিক প্ৰগতি নহয়, বৈজ্ঞানিক আৰু প্ৰযুক্তিগত প্ৰগতিৰো মাধ্যম হবলৈ ধৰিছে, যিবিলাক দেশৰ নিজস্ব শিল্পগত ভিত্তি নাই সেই দেশবিলাকৰ শিল্প বিকাশৰ সম্ভাৱনাও সৃষ্টি কৰি আছে।

ৰাষ্ট্ৰ সংঘৰ এজেঞ্চিবোৰ আৰু ৰাষ্ট্ৰ সংঘৰ বাণিজ্য আৰু বিকাশ সন্মিলনৰ গাঁথনিৰ ভিতৰতে, সমাজবাদী দেশসমূহে ন্যায্য মূল্য প্ৰতিষ্ঠাৰ কাৰণে কাম কৰে আৰু এনে ধৰণৰ আন্তৰ্জাতিক বাণিজ্য চুক্তি সম্পাদন কৰিবলৈ ধৰে য'ত অংশ গ্ৰহণকাৰী সকলোদেশেই স্বাৰ্থ ৰক্ষা কৰিব পাৰে। ৰাষ্ট্ৰ সংঘৰ সাধাৰণ পৰিষদৰ ২৩তম অধিবেশনত (অক্টোবৰ, ১৯৬৮), ছোভিয়েত যুক্তৰাষ্ট্ৰৰ বৈদেশিক মন্ত্ৰী আন্দ্ৰেই গ্ৰ'মিকোৱে আন্তৰ্জাতিক আৰ্থ-সহযোগিতা সম্পৰ্কে গুৰুত্ব দি ছোভিয়েত চৰকাৰৰ অৱস্থানৰ ৰেখাংকণ কৰি কৈছিল: ছোভিয়েত চৰকাৰৰ মতে, বৈদেশিক পুঁজিয়ে উন্নয়নমুখী দেশসমূহত প্ৰাকৃতিক সম্পদসমূহৰ বিকাশ সাধনেৰে পোৱা লাভৰ পৰা উন্নয়নশীল দেশসমূহৰ বাবে অংশ প্ৰাপ্তিৰ পৰিমাণ যথেষ্ট পৰিমাণে বৃদ্ধি কৰিব লাগে বুলি কৰা দাবী যথাৰ্থ। প্ৰজ্বালক, কেঁচামাল আৰু কৃষিজাত পণ্যৰ বিশ্ব-বজাৰৰ দাম কৃত্ৰিমভাবে নিম্নগামী কৰা আৰু উন্নয়নমুখী দেশসমূহে আমদানি কৰা শিল্পজাত পণ্যৰ কৃত্ৰিম মূল্য বৃদ্ধি হ্ৰাস কৰিবলৈ আন্তৰ্জাতিক চুক্তি সম্পাদন কৰা প্ৰস্তাৱবোৰ ছোভিয়েতে সমৰ্থন কৰে।"[২২]

তেনেধৰণৰ আন্তৰ্জাতিক চুক্তিবোৰেৰে আচল উৎপাদন ব্যয়ৰ ভিত্তিত মূল্য নিৰ্ধাৰণ কৰিব লাগিব, সাম্ৰাজ্যবাদী পুঁজিয়ে একপক্ষীয়ভাৱে কৰা একচেটিয়া মূল্যৰ ভিত্তিত স্থিৰ কৰি দি বিশ্ব-বজাৰৰ ওপৰত জাপি দিয়া ধৰণে নহয়।

ছোভিয়েত চৰকাৰৰ প্ৰস্তাৱসমূহে এনে দিহা দিয়ে যাৰ

ভিত্তিত সমাজবাদী আৰু উন্নয়নমুখী দেশসমূহে সম্মিলিতভাবে বৈদেশিক বাণিজ্যত ভেদা-ভেদ সৃষ্টিকাৰী সাম্রাজ্যবাদী নীতিৰ বিৰোধিতা কৰিব পাৰে আৰু বৈদেশিক বাণিজ্যক সমস্বাৰ্থ-ভিত্তিক আৰু পাৰস্পৰিক আন্তৰ্জাতিক সহযোগিতামূলক ৰূপ দিয়াৰ অস্ত্র হিছাপে গঢ়ি তোলাৰ কাৰণে কাম কৰিব পাৰে।

উপনিবেশবাদ আৰু সাম্রাজ্যবাদে জন্ম দিয়া নেতিবাচক বৈদেশিক বাণিজ্যিক আচৰণৰ অৱসানৰ আহ্বান জনাই উন্নয়নমুখী দেশসমূহৰ কিছু পণ্ডিত ব্যক্তিয়ে আৰু ৰাজনীতিজ্ঞই পৰামৰ্শ দিয়ে যে সমাজবাদী দেশসমূহে তেওঁলোকেৰে (উন্নয়নমুখী দেশসমূহেৰে) সৈতে একপক্ষীয়ভাবে বিশেষ বাণিজ্যিক মূল্য স্থিৰ কৰক। অৱশ্যে এই দৃষ্টিভঙ্গীয়ে আন্তৰ্জাতিক বজাৰত বাণিজ্যিক চৰ্তবোৰৰ কোনো উন্নতি ঘটাব পৰা নাই। অংশীদাৰ দেশসমূহৰ অৰ্থনৈতিক স্তৰৰ ওপৰত নিৰ্ভৰ কৰি পৃথক পৃথক মূল্যত আন্তৰ্জাতিক বাণিজ্য তত্ত্বগতভাৱে সাব্যস্ত কৰা কষ্টসাধ্যই নহয়, কাৰ্য্যক্ষেত্ৰত উচল কৰা অসম্ভৱো। বৈদেশিক বাণিজ্যত একে পণ্যৰে একাধিক দাম বৰ্ত্তি থকা অৱস্থাত বিশ্ব-বজাৰলৈ বিশৃংখলা আনিব আৰু ফল হব স্বেচ্ছাচাৰী মূল্য গাথনি হব, উন্নয়নমুখী আৰু সমাজবাদী দেশসমূহৰ স্বাৰ্থৰ বিনিময়ত সৰহ লাভৰ আশাৰে বেচা-কিনা আৰু বৈদেশিক বাণিজ্য পাৰস্পৰিক হিতকৰ শ্রম-বিভাজনৰ অস্ত্ৰক ৰাজনৈতিক হেঁচাৰ অস্ত্ৰলৈ ৰূপান্তৰিত কৰা। পণ্য এটাৰ মূল্য হৈছে, ইয়াৰ জাতীয় আৰু আন্তৰ্জাতিক মূল্যৰ বস্তুগত ভিত্তি।

উন্নয়নমুখী দেশসমূহে এই ন্যায্য দাবীবিলাক উত্থাপন কৰিছে। ৰাষ্ট্ৰ সংঘৰ সাধাৰণ পৰিষদৰ ষষ্ঠ সাধাৰণ অধিবেশন ১৯৭৪ চনৰ এপ্রিল আৰু মে মাহত। কেঁচা মাল সম্পদ আৰু অৰ্থ নৈতিক বিকাশ-সংক্রান্ত সমস্যাবোৰ আলোচনা কৰিবলৈ বহিছিল। তাত উন্নয়নমুখী দেশসমূহৰ "৭৭ টাৰ গোট" এটাই নতুন এক আন্তৰ্জাতিক অৰ্থনৈতিক ব্যৱস্থা প্রতিষ্ঠাৰ এটি ঘোষণা দাখিল

কৰিছিল আৰু কাৰ্য্য সম্পাদনৰ এখনি কৰ্মসূচী আগ বঢ়াইছিল। এই যোজনাসমূহৰ ভিত্তিত অধিবেশনে উলিওৱা দলিলবোৰত স্বীকৃত হৈছিল যে এহাতে উন্নয়নশীল দেশসমূহে ৰপ্তানি কৰা কেঁচামাল, কেঁচামালজাত পণ্য আৰু প্ৰস্তুত আৰু অৰ্দ্ধ-প্ৰস্তুত পণ্যবস্তুৰ মূল্য আৰু অন্য হাতে তৃতীয় দুনিয়াৰ দেশসমূহে আমদানি কৰা শিল্পজাত পণ্যসম্ভাৰ, উৎপাদনৰ সজুঁলি আৰু সৰঞ্জামৰ মূল্যৰ ভিতৰত ন্যায্যতাপূৰ্ণ সম্পৰ্ক স্থাপনৰ অধিকাৰ আৰু আন্তৰ্জাতিক নিগমবোৰৰ কাৰ্য্যকলাপ নিয়ন্ত্ৰণ কৰাৰ অধিকাৰ উন্নয়নশীল দেশসমূহৰ থাকিব।

আন্তৰ্জাতিক শ্ৰম-বিভাজনে স্বাভাৱিকভাবে কাম কৰি যাব পাৰে, যদিহে বিশ্ব গড় মূল্যত পণ্যসমূহৰ স্বাধীনবিনিময় হয়। তাৰ অৰ্থ নিৰ্দ্দিষ্ট দেশসমূহৰ কাৰণে কৃত্ৰিম মূল্য স্থিৰ কৰাৰ প্ৰশ্ন নালাগিব, বৰঞ্চ গড় বিশ্ব-মূল্যৰ সকলোংৰণৰ বিকৃতি আতৰোৱাৰ প্ৰশ্ন হব লাগিব আৰু বিশেষভাবে সাম্ৰাজ্য-বাদী একচেটিয়াইঁতে জাপি দিয়া একচেটিয়া মূল্য জাপি দিয়াৰ অবসানৰ প্ৰশ্ন হব লাগিব। উন্নয়নমুখী দেশসমূহৰ বাণিজ্য শুল্কৰ বাধা আৰু অন্যান্য বাধাসমূহ বিস্তাৰৰ প্ৰতিবন্ধকবিলাক দূৰ কৰাৰ পৰামৰ্শ যোগ্য।

ই কেনেকৈ হ'ব পাৰে? প্ৰায় ৭৫'ৰ পৰা ৮০ শতাংশ উন্নয়নমুখী দেশ বৈদেশিক বাণিজ্য উন্নত পুঁজিবাদী দেশবিলাকৰ মুখাপেক্ষী হৈ থকা ঘটনাৰে লক্ষ্য কৰি কেবল উন্নয়নমুখী আৰু সমাজবাদী দেশসমূহে নিজৰ ভিতৰত কৰি থকা বাণিজ্য মূল্য পৰিবৰ্ত্তন কৰিলেই বিশ্ব-বজাৰ মূল্যৰ মৌলিক পৰিবৰ্ত্তন কৰিব নোৱাৰি। তৃতীয় দুনিয়াৰ লগত সমাজবাদী দেশসমূহৰ বৈদেশিক বাণিজ্যৰ মুঠ পৰিমাণ ৭ ৰ পৰা ৮ দশমাংশহে। গতিকে অধিক গুৰুত্বসম্পন্ন হ'ল বিশ্ব বজাৰৰ চৰ্ত্তসমূহৰ পৰিবৰ্ত্তন সাধনৰ বাবে উন্নয়নমুখী আৰু সমাজবাদী দেশসমূহে যৌথভাবে অৰ্থনৈতিক

আৰু ৰাজনৈতিক যুঁজ দিয়া (কেঁচামালৰ মূল্য স্তৰ স্থিৰীকৃত কৰাৰ বাবে সমন্বয়ৰ চেষ্টা, নিৰ্দিষ্ট মূল্য ইত্যাদিৰ ব্যৱস্থা সহ আন্তৰ্জাতিক বাণিজ্য-চুক্তি সম্পাদন)।

উন্নয়নমুখী আৰু সমাজবাদী দেশসমূহৰ মাজত বৈদেশিক বাণিজ্য বন্ধনৰ বিস্তাৰ সাধনে সাম্ৰাজ্যবাদী শক্তিবোৰেৰ সৈতে উন্নয়নমুখী দেশসমূহৰ বাণিজ্যৰ চৰ্ত্ত উন্নত কৰাতো সহায় কৰে। কাৰণ একচেটিয়াপতিসকলে উপকক্ত বন্ধনসমূহক বাধা দিয়াৰ প্ৰচেষ্টা স্বৰূপে বাণিজ্যৰ চৰ্ত্তাৱলী উন্নত কৰিবলৈ আৰু সুবিধাদি এৰি দিবলৈ বাধ্য হয়।

সমাজবাদী দেশসমূহৰ বৈদেশিক বাণিজ্যৰ ধৰণ আৰু কল-কৌশল সমাজবাদী অৰ্থনীতিৰ নিৰ্দিষ্ট বৈশিষ্ট্যসমূহ প্ৰতিফলিত কৰে। এই দেশসমূহৰ বৈদেশিক বাণিজ্য পৰিচালিত হয় ৰাষ্ট্ৰীয় সংস্থাবোৰৰ যোগেদি, যিবোৰৰ দ্বাৰা বৈদেশিক বাণিজ্য আৰু বৈদেশিক অৰ্থনৈতিক বন্ধনৰ ওপৰত ৰাষ্ট্ৰীয় একাধিপত্য লাভ কৰা হয়। কিছু ক্ষেত্ৰত, ছোভিয়েত বৈদেশিক বাণিজ্য সমিতিবোৰে বিদেশত একেধৰণৰ ষ্টক কোম্পানীসমূহত অংশ গ্ৰহণ কৰে। কিছুমান উন্নয়নমুখী দেশত; ছোভিয়েত সংস্থাসমূহৰ অংশগ্ৰহণেৰে উক্তদেশ-সমূহত ছোভিয়েতৰ ৰপ্তানি মাল বিক্ৰীৰ কাৰণে মিশ্ৰিত কোম্পানী-বিলাক স্থাপন কৰা হয়। তেনে ধৰণৰ কোম্পানীয়ে উদাহৰণ স্বৰূপে মৰক্কো, ইথিওপিয়া, নাইজিৰিয়া আৰু অন্যত্ৰ কাম কৰি আছে।

ছোভিয়েতৰ বৈদেশিক বাণিজ্যনীতিৰ এটি গুৰুত্বপূৰ্ণ উপাদান হৈছে দ্বিপাক্ষিক বাণিজ্য চুক্তি আৰু-দেনা পৰিশোধ। বাণিজ্যিক আৰু অৰ্থনৈতিক চুক্তিবোৰে কি পৰিমাণৰ কোন কোন মাল-বস্তু যোগান ধৰা হব আৰু কি কি চৰ্ত্তত কেনে ধৰণে পৰিশোধ কৰা হব তাক নিৰ্দ্দিষ্ট কৰি দিয়ে। ছোভিয়েত ইউনিয়নৰ ৮০ খন বৈদেশিক ৰাষ্ট্ৰৰ লগত বাণিজ্যিক চুক্তি আৰু দলিলবিলাক আছে,

তাৰে ৪৬ খন হৈছে এছিয়া, আফ্ৰিকা আৰু লাটিন আমেৰিকাৰ উন্নয়নমুখী দেশ। সাম্প্ৰতিক বছৰ কেইটাত ৩ বছৰৰ পৰা ৫ বছৰৰ দীঘলীয়া মিয়াদৰ বাণিজ্যিক চুক্তি সম্পাদনৰ কাম ব্যাপকভাৱে বৃদ্ধি পাইছে। ছোভিয়েত যুক্তৰাষ্ট্ৰৰ তেনে ধৰণৰ চুক্তি ৩০ খনতো অধিক দেশৰ লগত আছে। চুক্তি বলবৎ থকা পূৰ্বকালছোৱা জুৰি চুক্তিবদ্ধ পক্ষই পাৰস্পৰিক আদান-প্ৰদানৰ কাৰণে সম্ভাব্য মৌলিক দ্ৰব্য সম্ভাৰ স্থাপন কৰে। এই সম্ভাব্য দ্ৰব্য-সম্ভাৰবোৰৰ বছৰেকীয়া পৰ্য্যালোচনা আৰু নিষ্পত্তি কৰাৰ ব্যৱস্থাৱলী থাকে। কিছুমান বাণিজ্যিক চুক্তিয়ে বন্দোবস্ত কৰে যে ছোভিয়েত বৈদেশিক বাণিজ্যিক সংস্থা আৰু বৈদেশিক কাৰবাৰ সংস্থা আৰু সংগঠনে মৌলিক পণ্য তালিকাভুক্ত নথকা দ্ৰব্য-সম্ভাৰকো সামৰি লৈ, বাণিজ্যিক চুক্তিসমূহত ব্যৱস্থিত থকা দ্ৰব্য-সম্ভাৰ প্ৰদানৰ পৰিমাণৰ দায়বদ্ধতাৰ উপৰি বিলি কৰাৰ বাবে আদান-প্ৰদান আৰু দায়বদ্ধ হোৱাৰ ক্ষতিপূৰণসহ দায়বদ্ধতাৰ চুক্তি কৰিব পাৰে।

চুক্তিবোৰ অনুযায়ী পক্ষসমূহে ভাৰসাম্যযুক্ত বাণিজ্যৰ নীতি মান্য কৰিবলগীয়া হয়। যাৰ ফলত তেওঁলোকে পোৱা দ্ৰব্য-সম্ভাৰৰ বাবে স্বেচ্ছাকৃত ভাৱে পৰিবৰ্তন যোগ্য মুদ্ৰা অথবা সোনৰে নহয়, তেওঁলোকৰ ৰপ্তানিযোগ্য দ্ৰব্য-সম্ভাৰ প্ৰদানেৰে পৰিশোধ কৰিবলৈ সক্ষম কৰে। ছোভিয়েত ইউনিয়নে কিছুমান দেশৰ লগত পৰিশোধ চুক্তিসমূহ সম্পন্ন কৰিছে যাৰ ভিতৰত ছেণ্ডিকে ধৰি বৈদেশিক বাণিজ্য নিষ্পত্তি, অৰ্থাৎ মুদ্ৰা-বিহীন এক নিষ্পত্তি পদ্ধতিৰ ব্যৱস্থা আছে।

আন্তৰ্জাতিক অৰ্থনৈতিক সহযোগিতাৰ এক যুক্তিসঙ্গত আৰু ন্যায় সঙ্গত সংস্থা বৃদ্ধি কৰাত সমাজবাদী দেশসমূহে ভালেমান আন্তৰ্জাতিক সংগঠনত সক্ৰিয় ভাগ লয়। এইবোৰৰ কাৰ্য্য-কলাপে আন্তৰ্জাতিক অৰ্থনৈতিক সম্বন্ধ স্বাভাৱিক কৰাত সহায় কৰে। সকলো সমাজবাদীদেশে অৰ্থনৈতিক আৰু পুঁজিগত

সমস্যাবোৰ চৰ্চা কৰা ইউ. এন, কনফাবেঞ্চ অন্ ট্ৰেড এণ্ড ডেভ'লেপমেণ্টৰ আৰু অন্যান্য বিভিন্ন ৰাষ্ট্ৰসংঘ এজেঞ্চিৰ সদস্য। তথাপি ছোভিয়েত যুক্তৰাষ্ট্ৰই অৰ্গানাইজেশ্বন ফৰ ইকনমিক কো-অপাৰেশ্বন এণ্ড ডেভ'লপমেণ্ট (O E C D), দি জেনেৰেল এগ্ৰিমেণ্ট অন্ টেৰিফচ এণ্ড ট্ৰেড (GATT) দি ইউৰোপীয় ইকনমিক কমিউনিটি, ইত্যাদি গুপ্ত দলবাজী জাতীয় সংগঠনত ভাগ নলয়, যিহেতু সেইবোৰে তৃতীয় দুনিয়াৰ দেশসমূহৰ স্বাৰ্থৰ বিনিময়ত সদস্য দেশবিলাকৰ এক পক্ষীয় সুবিধাদি বিচাৰে।

সাম্ৰাজ্যবাদৰ উপনিবেশিক ব্যৱস্থা ছেদেলি-ভেদেলি হোৱাৰ পিচত ছোভিয়েত ইউনিয়ন আৰু উন্নয়নমুখী দেশসমূহৰ মাজত বাণিজ্য দ্ৰুত বাঢ়িবলৈ ধৰে। কম সময়ৰ ভিতৰতে — যেনে ১৯৬০ আৰু ১৯৭০ৰ ভিতৰত — এই বাণিজ্যৰ পৰিমাণ ৭৮৪.৮ নিযুক্ত কৰলৰ পৰা ২,৯৮১.৫ নিযুত কৰলবৈ বৃদ্ধি পায়, অৰ্থাৎ প্ৰায় তিনিগুণ হয়।[২৩] সেই সময়ছোৱাত ছোভিয়েত ইউনিয়নৰ বাণিজ্য উন্নয়নমুখী দেশসমূহৰ লগত ইয়াৰ সামগ্ৰিক বাণিজ্য পৰিমাণতকৈ দ্ৰুত গতিত বাঢ়িছে: ১৯৫৮ চনত উন্নয়নমুখী দেশসমূহৰ লগত ছোভিয়েত ইউনিয়নৰ সাৰ্মগ্ৰিক বৈদেশিক বাণিজ্যৰ আছিল ১০.৩ শতাংশ আৰু ১৯৭০ চনত হয় ১৩.৫ শতাংশ।[২৪]

কেইজনমান বৈদেশিক লেখক আৰু ৰাজনীতিজ্ঞই কেতিয়াবা কেতিয়াবা তথ্য দাঙি ধৰি কয় যে ছোভিয়েত ইউনিয়ন আৰু অন্যান্য সমাজবাদী দেশৰ উন্নয়নমুখী দেশসমূহৰ লগত বাণিজ্য পশ্চিমীয়া দেশসমূহৰ বাণিজ্যৰ পৰিমাণৰ তুলনাত এতিয়াও কম। আচলতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাণিজ্য বিভাগৰ পৰিসংখ্যান মতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ উন্নয়নমুখী দেশসমূহৰ লগত ১৯৬৮ চনত বাণিজ্যৰ পৰিমাণ আছিল ১৯,৬০০ নিযুত ডলাৰ, আনফালে ছোভিয়েত যুক্তৰাষ্ট্ৰৰ এই দেশসমূহৰ লগত একে বছৰত আছিল ২,২৬৩.৪ নিযুত ডলাৰ।[২৫]

কিন্তু এই অঙ্কৰ পাচত কি লুকাই আছে ? এইবোৰ কি সঁচায়ে তুলনাযোগ্য ?

এখন পুঁজিবাদী দেশৰ বৈদেশিক বাণিজ্যৰ সম্পৰ্কে দিয়া পছিমীয়া পৰিসংখ্যানত দেশখনৰ সীমান্ত অতিক্ৰম কৰি নিৰ্দ্দিষ্ট দেশ এখনলৈ মাল অনা-নিয়া ঘটিলে তাক ৰপ্তানি আৰু আমদানিৰ অন্তৰ্ভুক্ত কৰা হয় আন কি সেই দেশৰ বিদেশ-ভিত্তিক নিত্য' কোম্পানীবোৰ আৰু সেইবিলাকৰ অন্তৰ্ভুক্ত কোম্পানীসমূহলৈকো পঠোৱা মালবিলাকো ইয়াৰ অন্তৰ্ভুক্ত কৰা হয়। ই নিশ্চয়ই পণ্য-চলাচলৰ প্ৰকৃত চিত্ৰ বিকৃত কৰে। উদাহৰণ-স্বৰূপে, উন্নয়নমুখী দেশসমূহলৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰপ্তানিৰ ৬০ শতাংশ পৰ্য্যন্ত। সৰ্বোপৰি যন্ত্ৰাদি আৰু সাজ সৰঞ্জামবোৰ সেই দেশবিলাকত কাৰ্য্যৰত এমেৰিকান কোম্পানীসমূহ আৰু তেওঁলোকৰ অন্তৰ্ভুক্ত লোৱাবোৰলৈ যায়, আৰু কেৱল ৪০ শতাংশহে সেই দেশবিলাকৰ জাতীয় খণ্ডৰ প্ৰয়োজন মিটাবলৈ যায়।'[৬] আমেৰিকা যুক্ত ৰাষ্ট্ৰই উন্নয়নমুখী দেশসমূহৰ, পৰা আমদানি কৰাৰ ক্ষেত্ৰতো একে কথা, এমেৰিকান কোম্পানীবিলাকেই এক বৃহৎ অংশ আমদানি কৰে। সমাজবাদী আৰু উন্নয়নমুখী দেশসমূহৰ, মাজত হোৱা বাণিজ্য সম্পৰ্কে কব পৰা যায়, ইয়াত সম্পূৰ্ণৰূপে শেষোক্ত জাতীয় খণ্ডৰ লগতহে কৰা হয়। এয়ে হৈছে সমাজবাদী আৰু পুঁজি-বাদী দেশসমূহৰ বাণিজ্যিক আচৰণৰ মাজত মূলগত পাৰ্থক্য।

পছিমীয়া কোম্পানীবিলাক আৰু যিবিলাকৰ অন্তৰ্ভুক্ত সংস্থা আৰু বিভাগসমূহৰ মাজত হোৱা বাণিজ্যৰ উন্নয়নমুখী দেশসমূহৰ জাতীয় ৰপ্তানি আৰু আমদানিৰ লগত প্ৰত্যক্ষ কোনো সম্পৰ্ক নাই। ৰাষ্ট্ৰ সংঘৰ পৰিসংখ্যানত অন্ততঃ এই পৰিবেশৰ প্ৰতিফলন হব লাগে।

গতিকে পুঁজিবাদী আৰু সমাজবাদী দেশসমূহৰ লগত উন্নয়ন-মুখী দেশসমূহৰ বৈদেশিক বাণিজ্যৰ সামাজিক আৱশ্যকতা আৰু

গুৰুত্ব বেলেগ বেলেগ ধৰণৰ। সেই হেতুকে, বৈদেশিক বাণিজ্যৰ ওপৰত যি কোনো পৰিসংখ্যান তথ্যৰ কোনো আনুষ্ঠানিক বিভ-নিয়েই ঘটনাৰ মৰ্ম্মৰ প্ৰকৃত চিত্ৰ এখন দাঙি নধৰে।

উন্নয়নমুখী দেশসমূহৰ সামগ্ৰিক বৈদেশিক বাণিজ্যিক লেন-দেনত সমাজবাদী দেশসমূহৰ ভাগ কিয় পুঁজিবাদী শিল্পোন্নত দেশ সমূহতকৈ ক্ষুদ্ৰতৰ, এই প্ৰশ্নৰ উত্তৰত এইটো মন কৰিব লাগিব যে ছোভিয়েত ইউনিয়ন আৰু অন্যান্য সমাজবাদীদেশে উন্নয়ন-মুখী দেশসমূহৰ লগত সিবোৰে স্বাধীনতা পোৱাৰ পিচতহে অৰ্থাৎ ১০-১৫ বছৰৰ আগৰ পৰাহে ব্যাপক বাণিজ্যিক সম্পৰ্ক প্ৰতিষ্ঠা কৰে। আনফালে পছিমীয়া পুঁজিবাদী শক্তিবিলাকে তাত তেওঁলোকৰ ঔপনিবেশিক প্ৰভুত্বৰ যুগৰ পৰাই ভালদৰে সুৰক্ষিত হৈয়ে আছিল। তদুপৰি ঔপনিবেশিক জনগণে ৰাজ-নৈতিক স্বাধীনতা পোৱা ঘটনা সত্ত্বেও পূৰ্বৰ কৰ্তৃত্বশীল দেশ-সমূহ আৰু অন্যান্য সাম্ৰাজ্যবাদী শক্তিবোৰে অধিকাংশ সদ্য স্বাধীন দেশত কাৰ্য্যতঃ অকণো গা'ত হাত্ নপৰাকৈ থাকি গৈছে আৰু কোনো কোনো ঠাইত আৰু অধিক শক্তিশালীহে হৈছে। বৈদেশিক কোম্পানীবোৰে তৃতীয় দুনিয়া আৰু সমাজবাদী দেশসমূহৰ মাজত বাণিজ্যিক সম্পৰ্ক বৃদ্ধিৰ পথত বাধা সৃষ্টি কৰে। বৈদেশিক অৰ্থনৈতিক বন্ধনৰ গাঁথনি পৰিবৰ্ত্তনত দীৰ্ঘ সময়ৰ প্ৰয়োজন আৰু তাৰ বাবে আভ্যন্তৰিণ আৰু বৈদেশিক পূৰ্ব্ব চৰ্ত্তবোৰৰো ভেটি স্থাপন প্ৰয়োজন। উন্নয়নমুখী দেশসমূহে সাম্ৰাজ্যবাদী শক্তিবোৰৰ অৰ্থনৈতিক অধীনতা ত্যাগ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছেহে মাথোন। ২৮০ পৃষ্ঠাৰ ১নং তালিকাই ছোভিয়েত ইউনিয়ন আৰু উন্নয়নমুখী দেশসমূহৰ আৰু ছোভিয়েত ইউনিয়নৰ মাজত বৈদেশিক বাণিজ্য সম্পৰ্কৰ এটা ধাৰণা দিব।

তালিকাৰ প্ৰথম দহখন ৰাষ্ট্ৰক প্ৰতিখন মহাদেশৰ বিভিন্ন

ৰাজনৈতিক আৰু আদৰ্শগত বিভিন্নতা থকা উন্নয়নশীল দেশসমূহৰ পৰা লোৱা হৈছে তালিকাখনৰ আগৰ শাৰীত থকা ৰাষ্ট্ৰ কে'খন হৈছে, আলজিৰিয়া, মিছৰ আৰু চিৰিয়া। এইবিলাক ৰাষ্ট্ৰই অপুঁজিবাদী পথেৰে আগ বাঢ়িছে। এইটো সম্পূৰ্ণ স্বাভাৱিক যে ছোভিয়েত ইউনিয়নৰ বাণিজ্যিক অংশীদাৰৰ ভিতৰত তাৰ প্ৰতিবেশী আফগানিস্তান, ভাৰত আৰু তুৰ্কী আছে।

উন্নয়নমুখী দেশসমূহৰ লগত ছোভিয়েত ইউনিয়নৰ বাণিজ্যিক গাথঁনিয়ে দেখুৱায় যে ছোভিয়েত ইউনিয়নে এইবিলাক দেশক আধুনিক শিল্পৰ ভিত্তি গঠনত যথেষ্ঠ পৰিমাণে সহায় কৰে (২৮২ পৃষ্ঠাৰ ২ নং তালিকা চাওক)।

২ নং তালিকাৰ পৰা দেখা যায়, উন্নয়নমুখী দেশসমূহলৈ ছোভিয়েত ৰপ্তানি উৎপাদন-বৈশিষ্ট্য সম্পূৰ্ণ (যন্ত্ৰাদি, সাজ সৰঞ্জাম, শোধিত আৰু অপৰিশোধিত ধাতু, তেল, কাঠ ইত্যাদি), অৰ্থাৎ এই দেশবিলাকে নিজ নিজ দেশৰ অৰ্থনৈতিক আৰু সামাজিক প্ৰগতিৰ ভেটি-স্বৰূপে বিচৰা দ্ৰব্যাদি পঠায়।

ছোভিয়েত ইউনিয়নৰ পৰা ৰপ্তানি হোৱা যন্ত্ৰাদি আৰু সাজ-সৰঞ্জামৰ এটা দেখাদেখি অংশ উন্নয়নমুখী দেশসমূহলৈ যায়। ১৯৭০ চনত, ছোভিয়েত ইউনিয়নে মুঠ ৰপ্তানি কৰা ২,৪৮২'২ নিযুত ৰুবলৰ মাল-পত্ৰৰ ৫৯৬'৭ নিযুত ৰুবল পৰিমাণৰ মাল উন্নয়নমুখী দেশসমূহলৈ গৈছিল।[২৭] এই দেশসমূহলৈ ছোভিয়েত ৰপ্তানিৰ ক্ষেত্ৰত ঘাইকৈ জোৰ দিয়া হৈছে উৎপাদনৰ সঁজুলিৰ যোগান ধৰা।

সমাজবাদী দেশসমূহে উন্নয়নমুখী দেশবিলাকক বৃহৎ পৰিমাণৰ যন্ত্ৰপাতি আৰু সাজ-সৰঞ্জাম দিয়ে, সম্পূৰ্ণতঃ যিবিলাকৰ জাতীয় শিল্পৰ আৰু সৰ্বোপৰি ৰাষ্ট্ৰীয় মালিকানাধীন শিল্প প্ৰতিষ্ঠানাদিৰ কাৰণে, পক্ষান্তৰে পুঁজিবাদী দেশবিলাকে এই দেশসমূহলৈ মূলতঃ ভোগ্য পণ্য আৰু খাদ্য দ্ৰব্যাদি পঠায়। এছিয়া, আফ্ৰিকা আৰু

লাটিন আমেৰিকালৈ তেওঁলোকে যি যন্ত্ৰপাতি আৰু সাজ-সৰঞ্জামাদি পঠায় সিবোৰ হৈছে মূলতঃ বৈদেশিক পুঁজিৰ অধীনত থকা শিল্প প্ৰতিষ্ঠানবিলাক সুসজ্জিতকৰণ আৰু আধুনিকীকৰণৰ কাৰণে।

উন্নয়নমুখী দেশসমূহৰ পৰা কেনে ধৰণৰ মাল-বস্তু ছোভিয়েত ইউনিয়নে কিনে? ২৮৩ পৃষ্ঠাৰ ৩ নং তালিকাই এইবিলাক দেশৰ পৰা ছোভিয়েতে আমদানি কৰা দ্ৰব্য সম্ভাৰৰ গাৰ্থনিৰ এটা ধাৰণা দিয়ে।

মূল পদসমূহ হৈছে খাদ্য-দ্ৰব্য (৩১ শতাংশ) আৰু সূতা কলৰ কেঁচামাল আৰু আধা তৈয়াৰী মাল (২৬ শতাংশ)। সহজেই দেখিব পৰা গৈছে এইবোৰে হৈছে উন্নয়নমুখী দেশসমূহৰ পৰম্পৰাগত ৰপ্তানিযোগ্য দ্ৰব্যসম্ভাৰৰ পদ। এইবোৰ ৰপ্তানি কৰি শিল্পগত বিকাশৰ বাবে সম্পদ গোটোৱাৰ এটা সুযোগ দিয়ে। লগে লগে, ছোভিয়েত ইউনিয়নে এই দেশসমূহৰ নব-নিৰ্মিত শিল্প প্ৰতিষ্ঠানাদিত তৈয়াৰী মাল-বস্তু কিনে, যাতে উন্নয়নমুখী দেশসমূহৰ কাৰণে বজাৰ কেৱল নিশ্চিত কৰিবলৈ আৰু বিশ্ব বজাৰত কেঁচা মাল যোগান ধৰা দেশ হিছাপেই নহয় প্ৰস্তুত আৰু অৰ্দ্ধ-প্ৰস্তুত মাল উৎপাদনকাৰী দেশ হিছাপেও সোমাব পাৰে তাৰ বাবে সহায় কৰিবলৈ।

১ নং তালিকা

১৯৭০ চনৰ বাবে ছোভিয়েত ইউনিয়নৰ ৰপ্তানি আৰু আমদানিত উন্নয়নমুখী দেশসমূহৰ মাজৰ পৰা প্ৰধান বাণিজ্যিক অংশীদাৰসকল।* (শতকৰা হিছাপে)

দেশ	ৰপ্তানি	আমদানি
সকলো উন্নয়নমুখী দেশকে সামৰি লৈ :	১০০	১০০
মিছৰ	১৭৮	২৪·৪
ভাৰত	৬·৬	২১·২
ইৰাণ	৯·২	৫·৪
আলজিৰিয়া	৩·৪	৪·৯
ছুদান	১·৮	৩ ৯
ঘানা	০·৫	৩·৫
আফগানিস্তান	২·০	২ ৭
পাকিস্তান	১·৭	২·৫
আৰ্জেন্টিনা	০ ১	২·৫
তুৰ্কী	৩·১	২·৪
ইন্দোনেছিয়া	০·২	২·২
ব্ৰেজিল	০·১	১·৩
নাইজিৰিয়া	০·৬	১·৮
মৰক্কো	১·৮	১·৫
ছিৰিয়া	২·৩	১·৫
শ্ৰীলঙ্কা	০·৩	১·০
ছাইপ্ৰাচ	০·২	০·৫
ইৰাক	৩·২	০ ৪
লেবানন	০·৭	০·৩
বৰ্মা	০·২	০·১

*তথ্যৰ সূত্ৰ : ফৰেইন ট্ৰেড অফ দি ইউ. এচ. এচ. আৰ ফৰ ১৯৭০, এ ষ্টেটিচটিকেল চাৰ্ট, মস্কো ১৯৭১ (ৰুছ ভাষাত)।

উন্নয়নমুখী ৰাষ্ট্ৰসমূহৰ লগত ছোভিয়েত বাণিজ্যৰ গাঁথনি (আৰু অন্যান্য সমাজবাদী দেশসমূহৰো) দুয়োপক্ষৰ কাৰণে পাৰস্পৰিক সুবিধাকাৰক।

২৮২ আৰু ২৮৩ পৃষ্ঠাৰ তালিকাৰ উদাহৰণে তৃতীয় দুনিয়াৰ দেশসমূহৰ সম্পৰ্কে ছোভিয়েত আমদানি নীতিৰ বৈশিষ্ট্যৰ বৰ্ণনা দিছে। ১৯৬০ চনত ভাৰতৰ পৰা ছোভিয়েত আমদানিৰ পৰিমাণ হৈছিল ৬১,৫০০,০০০ ৰুবল, যাৰ ৩১ শতাংশ আছিল উৎপাদিত আৰু অৰ্ধ উৎপাদিত দ্ৰব্য (কেৱল তাৰ, পাটৰ বস্তা, ছিগাৰেট, জুতা ইত্যাদি)। ১৯৭০ চনত ভাৰতৰ পৰা ৰপ্তানি দ্ৰব্যৰ পৰিমাণ হৈছিল ২৪২,৬০০,০০০ ৰুবল, ৪৪ শতাংশৰ ওপৰি উৎপন্ন আৰু উৎপন্ন দ্ৰব্যকে ধৰি (ধাতু কটা যন্ত্ৰ, ষ্টোৰেজ বেটাৰী, মেৰিওৱা তাঁৰ, টায়াৰ, সূতীবস্ত্ৰ, পোষাক, ইত্যাদি।[২৮]

উন্নয়নমুখী দেশসমূহৰ শিল্পজাত দ্ৰব্য সামগ্ৰীৰ ক্ৰয় বৃদ্ধি কৰি আৰু নব-গঠিত জাতীয় শিল্প বিকাশত সহায় কৰি, সমাজবাদী দেশসমূহে উক্ত দেশবিলাকৰ ধাৰ পৰিশোধ সহজতৰ কৰি তোলে। তেওঁলোকে তেওঁলোকৰ সহায়ত গঠিত শিল্পোদ্যোগ সমূহে উৎপাদন কৰা দ্ৰব্য সামগ্ৰী আৰু পৰম্পৰাগত দ্ৰব্য সামগ্ৰীৰ ঋণ পৰিশোধ গ্ৰহণ কৰাৰ ক্ষেত্ৰত কঠোৰভাবে প্ৰতিশ্ৰুতি ৰক্ষা কৰে। উন্নয়নমুখী দেশসমূহৰ শিল্পজাত ৰপ্তানিৰ দ্ৰুত বৃদ্ধিৰ হাৰ অব্যাহত ৰখাৰ নিশ্চয়তাৰ কাৰণে এয়া হৈছে পূৰ্ব চৰ্ত্ত সমূহৰ অন্যতম।

সমাজবাদী আৰু উন্নয়নমুখী দেশসমূহৰ মাজত বাণিজ্যিক সম্পৰ্কৰ হাৰ দ্ৰুত উৰ্দ্ধগামী কৰাই হৈছে এতিয়াৰ ডাঙৰ গুৰুত্বপূৰ্ণ কাম। এই দেশসমূহৰ মাজত বাণিজ্যৰ পৰিমাণৰ অধিকতৰ সম্প্ৰসাৰণ নিৰ্ভৰ কৰে মূলতঃ উন্নয়নমুখী দেশবোৰে সমাজবাদী দেশৰ আমদানিযোগ্য পণ্য উৎপাদন কৰাৰ ওপৰত।

উন্নয়নমুখী দেশসমূহলৈ ছোভিয়েতৰ প্ৰধান ৰপ্তানি দ্ৰব্য*

(নিযুত ৰুবলত) তালিকা নং—২

দ্ৰব্য সম্ভাৰ	১৯৫৫	%	১৯৬০	%	১৯৬৮	%	১৯৬৯	%	১৯৭০	%
মুঠ	১২৭৮	১০০	৩০৩ ৩৭	১০০	১,২৬৩ ১	১০০	১,৫২০·১	১০০	১,৮৩৫·৯	১০০
তলৰ বিলাকক সামৰি:										
যন্ত্ৰপাতি আৰু সাজ-সৰঞ্জাম	৪·৬	৩ ৬	১১৩·৫	৩৭·৪	৪২৯·২	৩৪·০	৫৬৫·১	৩৭·১	৫৯৬·৭	৩২·৫
কয়লা	০·১	০·১	০·৬	০·২	৪·৯	০·৪	৪·৯	০·৩	৬·১	০·৩
পেট্ৰোলিয়ম আৰু তেলজাত দ্ৰব্য	২১·৬	১৬ ৯	৩৫·১	১১·৬	৫৭·২	৪·৫	৯০·৮	৬·০	৫৬·৩	৩·৪
পৰিশোধিত ধাতু	১৭·১	১৩ ৪	২৪·৪	৮·০	৫৬·১	৪·৪	৬৪·৯	৪·৩	৭৯ ৮	৪·৩
অপৰিশোধিত ধাতু	১ ৩	১·০	২·৯	১·০	৭·৮	০·৬	১০·৯	০·৭	১০·৮	০·৬
ৰাসায়নিক দ্ৰব্য	০·৭	০·৫	১·৮	০·৬	১৮·৫	১·১	১০·৬	০·৭	১০·৭	০·৬
কাঠ আৰু কাঠৰ জিম আৰু কাগজ	১০·৬	৮·৩	২৫·৩	৮·৩	৩৬·০	২·৮৫	৪৮·০০	৩·৪	৫২·৯	২·৯
সূতীজাতীয় কেঁচামাল আৰু অৰ্ধ উৎপন্ন দ্ৰব্য	—	—	—	—	০ ৮	০·০৬	১·৫	০·৪	০·৩	—
খাদ্য দ্ৰব্য	১০·০	৭·৬	৩০·৯	১০ ২	৯৬·২	৭·৬	১৩৫·৫	৮·৯	৯·৭৯	৫·৩
সাংস্কৃতিক আৰু গাৰ্হস্থ্য দ্ৰব্য	৭·৪	০·৩	২·০	০·৭	৪·২	০ ৩	৫·৪	০·০৯	১·১	০·০৬

* তথ্যৰ সূত্ৰ: ফৰেইন ট্ৰেড অফ দি ইউ. এচ. এচ. আৰ. ফৰ ১৯৬৯ এ ষ্টেটিষ্টিকেল চাৰ্ভে (ৰুছ ভাষাত)

উন্নয়নমুখী দেশসমূহৰ পৰা ছোভিয়েতে আমদানি কৰা দ্ৰব্য*

পৃষ্ঠা ২৮৩

(নিযুত ৰুবলত)

তালিকা নং—৩

দ্ৰব্য সম্ভাৰ	১৯৫৫	%	১৯৬০	%	১৯৬৮	%	১৯৬৯	%	১৯৭০	%
মুঠ	১৭৬·২	১০০	৪৮১·০	১০০	৭৭৪·০	১০০	৯৯২·১	১০০	১,১৪৬·৬	১০০
তলৰ বিলাকক সামৰি:										
পৰিশোধিত ধাতু	—	—	—	—	১৭·০	২·২	১৮·১	১·৮	১৯·৭	১·৭
অপৰিশোধিত খনিজ ধাতু	২·০	১·০	১·৯	০·৪	৪·৩	০·৬	৮·২	০·৮	৮·৬	০·৮
ৰং, বাৰ্নিছ আৰু চিত্ৰাঙ্কন দ্ৰব্য	—	—	—	—	৫ ৩	০·৭	৩·২	০·৩	০·৭	০·০৬
সকত কাঠ (গুৰিকাঠ)	—	—	—	—	১·৯	০·২	২·৫	০·২	২·১	০·২
সূতীজাতীয় কেঁচামাল আৰু অৰ্ধ উৎপন্ন মাল	৪০·৮	২৩·২	১৫৬·৪	৩২·৫	১৬৯·৭	২২·০	২০২·৩	২০·৪	২৯৯·৯	২৬·২
কেঁচা চামড়া (দীঘল আৰু সৰু)	১০·৫	৬·০	৩০·৯	৬·৪	৩৩·৪	৪ ৩	৩৭·৫	৩·৮	৪২·৮	৩·৭
ধপাত	০·১	—	২·৫	০·৫	৬·৯	০·৯	৬·৯	০·৭	১১·৬	১·০
খাদ্যবস্তু	৫৭·৪	৩২·৬	১০৩·৩	২১·৫	২৯৪·৩	৩৮·০	৩৬৬·০	৩৬·৮	৩৫৯·৯	৩১·৪
পোষাক আৰু লিনেন	—	—	—	—	১৭·৯	২ ৩	২৬·৩	২ ৭	২৮·৪	২·৫
চামড়াৰ জোতা	—	—	২·৫	০·৫	৭·৬	১·০	১২·০	১·২	১৩ ০	১·১
সাংস্কৃতিক আৰু গাৰ্হস্থ্য দ্ৰব্য	০·১	—	০·৫	০·১	০·৯	০·১	—	—	—	—

* তথ্যৰ সূত্ৰ: ফৰেইন ট্ৰেড অফ দি ইউ. এচ. এচ. আৰ ফৰ ১৯৬৯/১৯৭০ এণ্টিটিষ্টিকেল্ হেণ্ড বুক (ৰুছ ভাষাত)

আমাৰ ধাৰণামতে, সমাজবাদী আৰু উন্নয়নমুখী দেশসমূহৰ মাজত ভবিষ্যৎ অৰ্থনৈতিক সহযোগিতাৰ বিস্তাৰ ঘটিব চলিত আমদানি-ৰপ্তানি গাঁথনিৰ ভিতৰত আৰু উন্নয়নমুখী দেশসমূহৰ পৰা নতুন দফাৰ ৰপ্তানি ভিত্তি উভয়ৰে বৃদ্ধি সাধনৰ জৰিয়তে। সৰ্বোপৰি আমি মনত ৰাখিছো খনিজ কেঁচামাল আৰু প্ৰজ্বালক সমাজবাদী দেশসমূহলৈ ৰপ্তানি কৰাৰ কথা। এই ক্ষেত্ৰত বিৰাট সম্পদ ৰক্ষিত হৈ আছে।

আফ্ৰিকাৰ ৰাষ্ট্ৰসমূহৰ ক্ষেত্ৰত বিশেষভাৱে অতি মূল্যবান কথা হৈছে সমাজবাদী দেশসমূহে শিল্পজাত দ্ৰব্য-সামগ্ৰী আমদানি কৰা। কেৱল এক পাঁচ বছৰীয়া কালতে (১৯৬৫-৬৯) আফ্ৰিকাৰ ৰাষ্ট্ৰসমূহত সমাজবাদী দেশবোৰে ৰাসায়নিক দ্ৰব্যৰ ক্ৰয় ৯ গুণ বৃদ্ধি পাইছে আৰু অন্যান্য শিল্পজাত দ্ৰব্যৰ ক্ৰয় প্ৰায়দ্বিগুণ হৈছে।[২৯] একে সময়তে খাদ্য দ্ৰব্য আমদানি প্ৰায় ১০০ শতাংশ আৰু পেট্ৰোলিয়াম আৰু তেলজাত দ্ৰব্য ২৫০ শতাংশকৈ বৃদ্ধি পাইছে।

সমাজবাদী দেশসমূহৰ সাহায্যত নিৰ্মিত শিল্পোদ্যোগবোৰে তৈয়াৰ কৰা দ্ৰব্যৰ ক্ৰয়ৰ এফ্ৰিকান ৰাষ্ট্ৰসমূহৰ জাতীয় অৰ্থ-নীতিৰ বিকাশৰ ওপৰত চূড়ান্ত সহায়কাৰী প্ৰভাৱ পেলায়। শেহতীয়া উদাহৰণস্বৰূপে মিছৰক বিৰাট সংখ্যক জাহাজ নিৰ্মাণৰ বাবে ছোভিয়েতে দিয়া ফৰফাইচ আৰু কমাৰৰ ভাতী (ফৰ্জিং), এলুমিনিয়ম কেৱল, অপৰিশোধিত পকোৱা ধাতু আৰু অন্যান্য সামগ্ৰিক মিছৰৰ পৰা খৰিদ কৰা আৰু ছোমালিয়াত কিচিমায়ু মঙহ পেকিং কাৰখানাৰ পৰা ১১ নিযুত টিন মঙহ খৰিদ (কাৰখানাৰ প্ৰায় ৮০ শতাংশ টিনজাত মঙহ উৎপাদন), আৰু গিনীৰ পৰা সংৰক্ষিত ফলাদি আমদানি উল্লেখ কৰিব পাৰি।

আফ্ৰিকাত সমাজবাদী দেশসমূহৰ প্ৰধান বাণিজ্যিক

অংশীদাৰ হৈছে অপুঁজিবাদী বিকাশৰ পথ গ্ৰহণ কৰা দেশবোৰ। সিবোৰৰ মুঠ বৈদেশিক বাণিজ্যৰ ৮০-৯০ শতাংশ পৰিমাণৰ হয় সমাজবাদী দেশসমূহৰ লগত। উদাহৰণস্বৰূপে, ১৯৭০ চনত, ছোভিয়েত ইউনিয়নৰ মুঠ বাণিজ্যৰ ৮২ শতাংশই হৈছিল, আফ্ৰিকাৰ সমাজবাদ অভিমুখী দেশবোৰৰ লগত, ইয়াৰে ৯২ শতাংশ আছিল উত্তৰ আফ্ৰিকাত, আৰু ১৫ শতাংশ আছিল গ্ৰীষ্ম প্ৰধান আফ্ৰিকাত।[৩০] ছোভিয়েত ইউনিয়ন আৰু অন্যান্য সমাজবাদী ৰাষ্ট্ৰসমূহে অপুঁজিবাদী বিকাশৰ পথত থকা দেশবোৰৰ অগ্ৰগতি সাধন ত্বৰান্বিত কৰাত এই দৰে সহায় কৰে।

(গ) সমাজবাদী সংহতি আৰু সমাজবাদৰ কাৰণে সদ্য-স্বাধীন দেশসমূহৰ সংগ্ৰাম

সমাজবাদী ব্যৱস্থাৰ ভিতৰত সংহতিৰ প্ৰক্ৰিয়াৰ অগ্ৰগতিয়ে নিঃসন্দেহে ইয়াৰ অৰ্থনৈতিক সম্ভাৱনাবোৰৰ বিকাশ দ্ৰুততৰ কৰিব। সমাজবাদী দেশসমূহত অৰ্থনীতিবিদসকলৰ ভবিষ্যদ্বাণী অনুযায়ী ১৯৮৫ চনৰ ভিতৰত পৃথিৱীৰ শিল্প-উৎপাদনৰ ৪০-৫০ শতাংশৰ[৩১] অংশীদাৰ হব ইউৰোপীয় সমাজবাদী দেশসমূহ, আৰু সেই হেতুকে বিশ্ব-বাণিজ্যত তেওঁলোকৰ অংশীদাৰত্বও বাঢ়িব ভালেখিনি। পাৰস্পৰিক অৰ্থনৈতিক সহযোগিতা পৰিষদ CMEA'ৰ সিদ্ধান্তবোৰত জোৰ দি কোৱা হৈছে যে "সমাজবাদী সংহতিৰ চৰিত্ৰ হৈছে মুকলি ধৰণৰ আৰু CMEA'ৰ সদস্য ৰাষ্ট্ৰসমূহ আৰু এছিয়া,

আফ্ৰিকা আৰু লাটিন আমেৰিকাৰ উন্নয়নমুখী দেশসমূহৰ মাজত যি কোনো ধৰণৰ অৰ্থনৈতিক বন্ধনৰ বিকাশ সাধনত কোনো বাধা নজন্মায়।

"আমি তেনে ধৰণৰ সম্পৰ্ক বিস্তাৰৰ পক্ষপাতী, কাৰণ আধুনিক বৈজ্ঞানিক আৰু প্ৰযুক্তি কৌশলগত বিপ্লৱৰ বিশেষ বৈশিষ্ট্যই বহল ভিত্তিক আন্তৰ্জাতিক সহযোগিতা প্ৰয়োজনীয় কৰি তোলে, আৰু আন্তৰ্জাতিক ৰাজনৈতিক দৃষ্টিকোণৰ পৰা, বস্তুত জৰুৰী বিশ্ব সমস্যাৱলী সমাধানৰ উপযোগী অৱস্থা সৃষ্টিৰ দৃষ্টিকোণৰ পৰাও দৃঢ় আৰু স্থায়ী অৰ্থনৈতিক বন্ধন অত্যন্ত জৰুৰী কৰি তোলে।[৩২]

১৯৭১ চনৰ আগষ্টত সহযোগিতাৰ আৰু সমাজবাদী সংহতিৰ আৰু অধিক বিস্তৃতি আৰু শ্ৰীবৃদ্ধিৰ কাৰণে গৃহীত বহল ভিত্তিক কাৰ্যাসূচীৰ মাজত চি. এম. ই. এ ভুক্ত সকলো দেশৰ উৎপাদিকা শক্তিসমূহৰ অধিক দ্ৰুত বিকাশ উচ্চতম বৈজ্ঞানিক আৰু প্ৰযুক্তিগত স্তৰ লাভ কৰা আৰু সামাজিক উৎপাদনৰ অৰ্থনৈতিক কাৰ্য্যকাৰিতাৰ চৰম বৃদ্ধি আদিৰ ব্যৱস্থা আছে, ইয়াৰ অৰ্থ এই যে বৈষয়িক উৎপাদনৰ ক্ষেত্ৰত সমাজবাদী দেশসমূহ আৰু পুঁজিবাদী দেশসমূহৰ মাজত থকা ব্যৱধান আগন্তুক বছৰ কেইটাত নাইকিয়া কৰি দিব। চি. এম ই. এ'ৰ সদস্য দেশবিলাকৰ উচ্চতৰ অৰ্থনৈতিক বিকাশৰ গতি উন্নত পুঁজি-বাদী দেশসমূহৰ তুলনাত বহল ভিত্তিক কাৰ্য্যসূচীখনে জোৰ দি কৈছে "বিশ্ব অৰ্থনীতিত অবিৰত ধাৰাত শক্তিশালী অৱস্থানত লৈ যায়।" সদ্যস্বাধীন দেশবোৰৰ ওপৰত ইয়াৰ সুবিধাজনক প্ৰভাৱ পৰে। সমাজবাদী উৎপাদনৰ দ্ৰুত বৃদ্ধি, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উৎকৰ্ষ সাধন, অবিৰত ধাৰাত সমাজবাদী দেশসমূহৰ জনগণৰ অধিকাৰ মানবৃদ্ধি ফটফটীয়াকৈ পুঁজিবাদী ব্যৱস্থাতকৈ সমাজবাদী অৰ্থনৈতিক ব্যৱস্থাৰ প্ৰশ্নাতীত

সুযোগ প্ৰমাণ কৰে, আৰু স্বাভাৱিকতে সেইবোৰ সদ্যস্বাধীন দেশৰ অৱস্থান দৃঢ় কৰে, যিবোৰে সমাজবাদী পথ বাছি লৈছে আৰু সমাজবাদৰ পথত গভীৰ সামাজিক অৰ্থনৈতিক পৰিবৰ্ত্তন সম্পাদন কৰি আছে। আমেৰিকাৰ অধ্যাপক আৰ্ভিঙ হৰোউইজে এই ঘটনা স্বীকাৰ কৰিছে যে তৃতীয় দুনিয়াৰ জনগণে ছোভিয়েত ইউনিয়ন আৰু অন্যান্য সমাজবাদী দেশবিলাকক এনে সমাজ বুলি ভাবে যি সমাজে অৰ্থনৈতিক সংগঠনৰ সমস্যাবোৰ যিমান দূৰ সম্ভৱ ভালদৰে সমাধান কৰিছে।[৩৩]

সমাজবাদী অৰ্থনৈতিক সংহতিৰ বহুল ভিত্তিক কাৰ্য্যসূচীয়ে সদ্য স্বাধীন দেশসমূহৰ লগত অৰ্থনৈতিক বন্ধন আৰু বিস্তৃত কৰিবলৈ বিচাৰে। কাৰ্য্যসূচীয়ে উল্লেখ কৰে যে সমাজবাদী দেশসমূহে "সদ্য স্বাধীন দেশবোৰৰ লগত বাণিজ্যিক, সদ্য স্বাধীন দেশবোৰৰ লগত অৰ্থনৈতিক, বৈজ্ঞানিক আৰু প্ৰযুক্তিগত সহযোগিতা আৰু বিস্তৃত কৰাৰ"[৩৪] প্ৰতি বিশেষ গুৰুত্ব কৰিব।

বিশ্ব-অৰ্থনৈতিক সম্পৰ্কৰ ক্ষেত্ৰত সমাজবাদী ৰাষ্ট্ৰসমূহৰ অৱস্থান বিস্তৃত আৰু সুদৃঢ় হোৱাত বিশ্ব-বজাৰত প্ৰধান দ্ৰব্য সামগ্ৰী যোগান ধৰোঁতা বিশেষভাবে, সদ্য স্বাধীন দেশসমূহৰ শিল্পোদ্যোগীকৰণত প্ৰয়োজনীয় দ্ৰব্যসামগ্ৰীৰ যোগান ধৰোঁতা হিচাপে সাম্ৰাজ্যবাদী ৰাষ্ট্ৰসমূহৰ একচেটিয়া অৱস্থান দুৰ্বল হৈ পৰিছে। ছোভিয়েত ইউনিয়ন আৰু উন্নয়নমুখী দেশসমূহৰ মাজত সহযোগিতা হোৱাৰ ক্ষেত্ৰত অভিজ্ঞতাই দেখুৱাইছে যে অৰ্থনৈতিকভাবে তেনে ধৰণৰ সহযোগিতাৰ আটাইতকৈ কাৰ্য্যকৰীৰূপ হৈছে এনে ধৰণৰ শিল্পোদ্যোগ গঠন—যিবোৰৰ উৎপন্ন দ্ৰব্য ছোভিয়েত যুক্তৰাষ্ট্ৰৰ জাতীয় অৰ্থনীতিয়ে কামত লগাব পাৰে, যাৰ পৰা উন্নয়নমুখী দেশসমূহ আৰু ছোভিয়েত ইউনিয়ন দুয়োৰেই উপকৃত হয়। এই দিশৰ উদ্দেশ্য সিদ্ধিৰ কাৰণে, নিৰ্দ্দিষ্ট উৎপাদন সহযোগিতা চুক্তি সম্পন্ন হয়। ছোভিয়েত

ইউনিয়নে কাৰখানা আৰু যন্ত্ৰাদিৰ সম্পূৰ্ণ যোগান ধৰে আৰু নতুন কাৰখানা নিৰ্মাণ আৰু পৰিচালন কাৰ্য্যত কাৰিকৰী সহায়তা দান কৰে আৰু উন্নয়নমুখী দেশসমূহে, ক্ৰমান্বয়ে, ছোভিয়েত ইউনিয়নে আগ্ৰহ দেখুৱা দ্ৰব্য-সামগ্ৰী যোগান ধৰে। যেনে, উদাহৰণ স্বৰূপে, ১৯৬৯ চনৰ, ২৭ নৱেম্বৰৰ ছোভিয়েত-গিনী চুক্তি অনুসৰি গিনীৰ ৰাষ্ট্ৰীয় মালিকানাত ১৯৭০ আৰু ১৯৭৩ চনৰ ভিতৰত বছৰি ২,৫০০,০০০ নিযুত টন উত্তোলনৰ বক্সাইটৰ খনিজ-শিল্পোদ্যোগ নিৰ্মাণত ছোভিয়েত সহযোগিতাৰ ব্যৱস্থা। ছোভিয়েত ইউনিয়নে এই পৰিমাণ বক্সাইটৰ পৰা বছৰি ৫০ শতাংশ ঋণ পৰিশোধ হিছাপে লব আৰু এতিয়া চলি থকা দীঘলীয়া মিয়াঁদৰ ছোভিয়েত-গিনী বাণিজ্য আৰু পৰিশোধন চুক্তি মতে ৪০ শতাংশ লব। ইৰাকৰ লগত হোৱা এখন চুক্তি মতে (জুলাই, ১৯৬৯). ৰাষ্ট্ৰীয় মালিকানাত তেল-উত্তোলন শিল্প বিকাশৰ ঋণ পৰিশোধৰ কাৰণে ছোভিয়েত ইউনিয়নে তেল পাব। একে ধৰণৰ চুক্তি আলজিৰিয়াৰ লগত হৈছে (অপৰিশোধিত ধাতু আৰু তেলেৰে ঋণ পৰিশোধ), মিছৰৰ লগত (তেল, ফস্ফোৰাচ, এলুমিনিয়মেৰে পৰিশোধ), ভাৰতৰ লগত ভিলাই তীখা কাৰখানাৰ পৰা লোহাত মেৰাই পিটা তীখাৰে পৰিশোধ)।

সমাজবাদী দেশসমূহ ইতিমধ্যেই উন্নয়নমুখীদেশসমূহৰ কাৰণে কেতবোৰ খনিজ কেঁচামালৰ বাবে স্থায়ী আয়তনৰ বজাৰ হৈ পৰিছে। চি-এম-ই-এ'ৰ সদস্য ৰাষ্ট্ৰসমূহে উন্নয়নমুখী দেশসমূহৰ পৰা ৰপ্তানি কৰা মৌলিক কেঁচামাল জাতীয় দ্ৰব্যাদিৰ ভিতৰত আছে দীৰ্ঘ আঁহ থকা কপাহ, কৃত্ৰিম ৰবৰ, পাট আৰু পাট-জাত দ্ৰব্য; কেঁচা চামড়া, টেঙা জাতীয় ফল, কফি আৰু কোকোৱা গুটি। সাম্প্ৰতিক বছৰ কেইটাত, ছোভিয়েত যুক্ত-ৰাষ্ট্ৰই এই দেশসমূহৰ পৰা প্ৰাকৃতিক গেছ, অপৰিশোধিত অলৌহ ধাতু আৰু পিটা তীখাৰ চটাৰ আমদানি বৃদ্ধি কৰি

আছে। এতিয়াও উন্নয়নমুখী দেশসমূহৰ পৰা সমাজবাদী দেশসমূহলৈ খনিজ কেঁচামাল ৰপ্তানি বিৰাট পৰিমাণৰ নহয়. যদিও ভৱিষ্যতে ইয়াৰ বৃদ্ধিৰ ভাল সম্ভাৱনা আছে। দুই গোটৰ দেশসমূহৰ মাজত বাণিজ্য বৃদ্ধি সহ অৰ্থনৈতিক সহযোগিতা ভালেখিনি বৃদ্ধিৰ এয়ে হ'ল এটা ক্ষেত্ৰ।

সাম্ৰাজ্যবাদী শক্তিসমূহে আৰু বৈদেশিক একচেটিয়াপতিহঁতে সম্ভাব্য সকলো প্ৰকাৰে এই সহযোগিতাত হকাবধাৰ সৃষ্টি কৰিব। উন্নয়নমুখী দেশসমূহৰ খনিজ নিষ্কাশন শিল্পত কাম কৰি থকা বিদেশী কোম্পানীবোৰে সমাজবাদী দেশসমূহলৈ কেঁচামাল পঠাবলৈ মান্তি হোৱাটো একপ্ৰকাৰ অসম্ভৱ কথা। ছোভিয়েত ইউনিয়নেহে এই ব্যৱসায়ত একমাত্ৰ অংশীদাৰ হিছাপে ৰাষ্ট্ৰীয় সৰ্ব্বোপৰি ৰাষ্ট্ৰমালিকানাধীন শিল্পোদ্যোগক আৰু প্ৰতিষ্ঠানক পাব পাৰে। সমাজবাদী দেশসমূহে তেল, লোহ খনি, বক্সাইট আৰু আন আন জাতীয় সমাজবাদী দেশসমূহে আমদানি কৰিব পৰা কেচা মাল জাতীয় পদাৰ্থ অনুসন্ধান আৰু নিষ্কাশন কাৰ্য্যত ৰাষ্ট্ৰীয় খণ্ডক অৰ্থনৈতিক আৰু প্ৰযুক্তিগত সহায়তা দান কৰে।

খনিজ কেঁচামাল আৰু প্ৰজ্বালক সম্পদ গঢ়ি তোলাৰ উদ্যোগপুঞ্জৰ সংগঠনৰ কাৰণে বিশেষত: পাতল বসতিপূৰ্ণ অঞ্চলত, বিৰাট পৰিমাণৰ অৰ্থ ব্যয়ৰ প্ৰয়োজন হব, কোনো এখন সমাজবাদীদেশৰ এই বিৰাট ব্যয় বহন কৰাটো সম্ভৱ নহয়। গতিকে তেনে ধৰণৰ ব্যয় বহুল যোজনাসমূহত যৌথভাবে অৰ্থ যোগানৰ বাবে সমাজবাদী দেশসমূহে যৌথসংস্থা গঠন কৰাৰ প্ৰয়োজনীয়তাই দেখা দিব পাৰে।

খনিজ কেঁচামাল আৰু প্ৰজ্বালক অনুসন্ধান আৰু নিষ্কাশন কাৰ্য্যৰ সংগঠন গঢ়িব, লাগিলে কোম্পানী স্থাপনৰ প্ৰশ্নটো আহি পৰে। ইয়াত সমাজবাদী আৰু উন্নয়নমুখী দেশসমূহৰ অৰ্থনৈতিক সংগঠনবোৰৰ অংশ গ্ৰহণ কৰিব লাগিব। এনে ধৰণৰ বিষয়ত ইতিমধ্যে কিছু পৰিমাণৰ অভিজ্ঞতা লাভ

কৰা হৈছে। বুলগেৰিয়া, হাঙ্গেৰী, পোলাণ্ড, যুগোশ্লোভিয়া আৰু চেকোশ্লোভাকিয়া আদি দেশে উৎপাদনৰ কেতবোৰ মিশ্ৰিত কোম্পানী প্ৰতিষ্ঠা কৰিছে।

বৈদেশিক প্ৰত্যক্ষ ব্যক্তি পুঁজি লগ্নীৰ ওলোটা যি সমাজবাদী দেশসমূহৰ পুঁজি আৰু অভিজ্ঞতাৰ সহায়ত মিশ্ৰিত কোম্পানীবোৰ গঠনৰ পৰা উন্নয়নমুখী দেশসমূহে কোম্পানীবিলাকৰ মালিকানা অথবা নিয়ন্ত্ৰণ হেৰুৱাৰ ভয় নাই। ঋণ আৰু অন্যান্য সহযোগিতাৰ নিস্পত্তি নোহোৱালৈকে অথবা কাৰখানা নিৰ্মাণ আৰু উৎপাদন সংগঠনৰ লগত সম্পৰ্কিত ব্যয় আৰু পৰিশোধ কাৰ্য্য সমাপ্ত নোহোৱালৈকেহে কোম্পানীবোৰ মিশ্ৰিত হৈ থাকিব। সমাজবাদীদেশসমূহে মিশ্ৰিত কোম্পানী গঠন কৰাত সম্পত্তি দখল অথবা লাভ ঘটাৰ উদ্দেশ্যৰ পৰিবৰ্ত্তে এনেধৰণৰ উদ্যোগ প্ৰতিষ্ঠানাদি গঠন আৰু পৰিচালনাত অত্যন্ত উপযুক্ত ধৰণৰ সহায়তা দিব খোজে যাৰ উৎপন্ন দ্ৰব্যাদি সমাজবাদী দেশসমূহৰ বজাৰত উপস্থিত কৰিব পৰা যায়।

ছোভিয়েত যুক্তৰাষ্ট্ৰ আৰু উন্নয়নমুখী দেশসমূহৰ মাজত হোৱা অৰ্থনৈতিক আৰু প্ৰযুক্তিগত সহযোগিতাই তৃতীয় দুনিয়াত জাতীয় মুক্তি আৰু প্ৰগতিবাদী আন্দোলনসমূহক জোৰদাৰ কৰাত আৰু বিশ্ব-পুঁজিবাদী ব্যৱস্থাৰ অৱস্থান দুৰ্ব্বল কৰাত সহায় কৰে। ছোভিয়েত যুক্তৰাষ্ট্ৰত আৰু অন্যান্য সমাজবাদী দেশৰ লগত সহযোগিতাৰ যোগেদি আৰু সমাজবাদী আন্তৰ্জাতিক শ্ৰম-বিভাজন ব্যৱস্থাত অংশ গ্ৰহণৰ যোগেদি নৱ-গঠিত জাতীয় ৰাষ্ট্ৰসমূহে আন্তৰ্জাতিক আৰু আভ্যন্তৰিণ ক্ষেত্ৰত নিজৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক অৱস্থান সুদৃঢ় কৰে। তেওঁলোকৰ এতিয়া পুঁজিবাদী ৰাষ্ট্ৰসমূহৰ বিৰুদ্ধে বিশ্ব-বজাৰত থকা তেওঁলোকৰ অসমভিত্তিক অৱস্থান পৰিবৰ্ত্তনৰ কাৰণে বৈদেশিক বাণিজ্যৰ ন্যায্যতৰ চৰ্ত্ত আৰু ঋণ পোৱাৰ চৰ্ত্তাৱলী উন্নত কৰিবলৈ সফল সংগ্ৰাম পৰিচালনাৰ

প্ৰকৃত সুযোগ দেখা দিছে। কিছুমান সদ্য স্বাধীনদেশে বিদেশী একচেটিয়াপতিসকলৰ কাৰ্য্যকলাপ সীমিত কৰি দিছে আৰু মূল শিল্পবিলাকৰ পৰা বৈদেশিক পুঁজি নিষিদ্ধ কৰি অথবা সিবিলাকৰ ওপৰত নিয়ন্ত্ৰণ প্ৰতিষ্ঠা নিষিদ্ধ কৰি আইন ৰচনা কৰিছে। কোনো কোনো ক্ষেত্ৰত বিদেশী পুঁজিৰ মালিকানাধীন শিল্প উদ্যোগাদি জাতীয়কৰণ কৰা কাম চলিবলৈ ধৰিছে।

সমাজবাদী আৰু উন্নয়নমুখী দেশসমূহৰ মাজত হোৱা সামাজিক-অৰ্থনৈতিক সহযোগিতাৰ বৈশিষ্ট্যসমূহৰ বিশ্লেষণ কৰিলে দেখা যায় যে বৰ্ত্তমান সময়ত বিশ্ব-অৰ্থনৈতিক সম্পৰ্কৰ ক্ষেত্ৰত এক নতুন ৰজাৰৰ সূত্ৰপাত ঘটিবলৈ ধৰিছে। এই বজাৰৰ প্ৰধান নিৰ্দ্দিষ্ট বৈশিষ্ট্য হৈছে এয়ে যে ইয়াৰ গঠন প্ৰক্ৰিয়াত সমাজবাদী দেশসমূহৰ পৰিকল্পিত অৰ্থনীতিয়ে মুখ্য ভূমিকা পালন কৰে। উন্নয়নমুখী ৰাষ্ট্ৰসমূহৰ অৰ্থনৈতিক পৰিকল্পনাৰ উপাদানবোৰে নতুন বজাৰত সুস্থিৰতা আনি দিয়ে আৰু গভীৰ সহযোগিতাৰ কাৰণে আৰু অধিক অনুকূল পৰিবেশৰ সৃষ্টি কৰে। শ্ৰম-বিভাজনৰ নতুন ৰূপৰ মৌলিক বৈশিষ্ট্যসমূহ হৈছে পাৰস্পৰিক লাভ, উন্নয়নমুখী দেশসমূহৰ অৰ্থনৈতিক অনগ্ৰসৰতা দূৰীকৰণত সমাজবাদী দেশসমূহে দিয়া সাহায্য, সাৰ্বভৌমত্বৰ প্ৰতি মৰ্য্যাদা, আভ্যন্তৰিণ বিষয়ত হস্তক্ষেপ নথকা, আৰু সংশ্লিষ্ট ৰাষ্ট্ৰসমূহৰ ভিতৰত পূৰ্ণ সমতা স্থাপন হোৱা।

যিমানে সমাজবাদী উন্নয়নমুখী দেশসমূহৰ মাজত অৰ্থনৈতিক আৰু বাণিজ্যিক সম্পৰ্ক বৃদ্ধি পাব আৰু নতুন নতুন ধৰণৰ সহযোগিতা বৃদ্ধি পাব সিমানে আন্তৰ্জাতিক শ্ৰম-বিভাজনৰ পূৰ্ব পৰম্পৰা আৰু ভাৰসাম্য-বিমুখী বৈদেশিক অৰ্থনৈতিক বন্ধন অতিক্ৰম কৰিব পৰা যাব। দীৰ্ঘ ম্যাদী চৰ্ত্তৰ আন্তঃচৰকাৰীয় চুক্তিবোৰ, বিশেষজ্ঞীকৰণ আৰু সহযোগিতা প্ৰধান জাতীয় অৰ্থনৈতিক সমস্যাবোৰ সমাধানৰ যুক্ত প্ৰচেষ্টাৰ ভিত্তিত

সহযোগিতা বৃদ্ধিৰ তেনে ধৰণৰ উপাদানসমূহে এনেকুৱা পৰিস্থিতিৰ উদ্ভৱ কৰিব পাৰে যি পৰিস্থিতিত কেবাখন উন্নয়নমুখী দেশে আন্তর্জাতিক সমাজবাদী শ্রম-বিভাজনত আৰু আনকি সমাজবাদৰ পথলৈ যোৱাৰ আগতে, সমাজবাদী দেশসমূহৰ অর্থনৈতিক সংগঠন-বিলাকত অংশ গ্রহণ কৰিব পাৰে। নতুন শ্রম-বিভাজনত অংশ গ্রহণে কেবাখনো উন্নয়নমুখী দেশৰ পক্ষে সিবিলাকৰ অর্থনৈতিক বৃদ্ধি আৰু সামাজিক পৰিবর্তনৰ গতি বৃদ্ধি কৰে আৰু এইদৰে অপেক্ষাকৃত কম সময়ৰ ভিতৰত অনগ্রসৰতাৰ অৱসান কৰে।

সমাজবাদী অর্থনৈতিক সংহতিৰ বহল ভিত্তিক কার্য্যসূচীখনৰ কাম আৰম্ভ হৈছেই। সদ্য-স্বাধীন দেশসমূহৰ কাৰণে ইয়াৰ গুৰুত্ব অর্থনৈতিক বন্ধনৰ সীমা চেৰাই বিস্তৃত দলিলত নির্দেশ কৰা মতে কার্য্যসূচীখনৰ অন্যতম লক্ষ্য হৈছে "চি-এম-ই-এ ভুক্ত দেশসমূহৰ প্রতিৰক্ষা ক্ষমতা" বৃদ্ধি। আৰু সদ্যস্বাধীন দেশসমূহ, সৰ্বোপৰি সমাজবাদী-ৰূপান্তৰমুখী দেশসমূহ যথেষ্ট সজাগ যে ইও তেওঁলোকৰ স্বার্থতে কিবা এটা।

সমাজবাদে অগ্রসৰ এমেৰিকান পুঁজিবাদক তাৰ চোঁ-মৰা বাহিনী হিছাপে শীর্ষত ৰাখি এছিয়া, আফ্রিকা আৰু লাটিন আমেৰিকাৰ জনগণৰ প্রগতিমুখী আৰু সমাজবাদমুখী আন্দোলন পিছ হোহঁকাই দিয়াৰ আৰু স্তব্ধ কৰাৰ কাৰণে সকলো পদ্ধতিকে কামত লগায় আৰু যি কোনো অপৰাধ কৰিবলৈকো পিছ ভৰি নহয়। আৰবসকলৰ বিৰুদ্ধে ইজৰায়েলী আক্রমণ হৈছে এইবোৰ সাম্রাজ্যবাদী অপৰাধৰ অন্যতম। ইয়াৰ লগত যোগ হৈছে উগ্র-ইহুদি জাতীয়তাবাদ। ই আৰব জনগণৰ জাতীয় মুক্তি আন্দো-লনক ৰক্তৰ বন্যাত উটাই দিব খুজিছে। কিন্তু সমাজবাদী ব্যৱস্থাৰ অস্তিত্ব আৰু দৃঢ় আচৰণৰ ফলত সাম্রাজ্যবাদে এই আন্দোলন দমন কৰিব পৰা নাই।

১৯৫৬ চনত মিছৰৰ বিৰুদ্ধে সাম্রাজ্যবাদী আক্রমণৰ ব্যর্থতা,

১৯৫৮ চনত লেবাননত আমেৰিকাৰ হস্তক্ষেপৰ আশাভঙ্গ আৰু ১৯৬০'ৰ দশকত আলজিৰিয়াত ঔপনিবেশিক যুদ্ধৰ বিৰতি— সাম্ৰাজ্যবাদৰ এই আটাইবোৰ পৰাজয় বৰণৰ লগত ছোভিয়েত ইউনিয়ন আৰু অন্যান্য সমাজবাদী ৰাষ্ট্ৰৰ আৰব জনগণৰ স্বাৰ্থ-ৰক্ষাৰ হকে তেজস্বী আচৰণৰ লগত যুক্ত। পৰিণামস্বৰূপে, সাম্ৰাজ্যবাদ আৰু উগ্ৰ ইহুদি-জাতীয়তাবাদে, আমি ইতিপূৰ্বে জোৰ দি কোৱা দৰে। সিহঁতৰ প্ৰধান লক্ষ্য—আৰব দুনিয়াৰ প্ৰগতিবাদী শাসন প্ৰণালীবোৰ ক্ষমতাচ্যুত কৰাৰ অৱস্থা আয়ত্ত কৰিব পৰা নাই।

সাম্ৰাজ্যবাদী আক্ৰমণবোৰৰ বিৰুদ্ধে সংগ্ৰাম, জনগণৰ সামাজিক-অৰ্থনৈতিক লাভ-প্ৰাপ্তিবিলাকৰ সংৰক্ষণ আৰু এটি ন্যায্য আৰু স্থায়ী শান্তিৰ কাৰণে সংগ্ৰাম হৈছে ছোভিয়েত ইউনিয়ন আৰু ভ্ৰাতৃপ্ৰতিম সমাজবাদী দেশসমূহৰ বৈদেশিক নীতিৰ সাধাৰণ নিৰ্দ্দেশৰ অন্তৰ্ভুক্ত। ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ ২৪তম কংগ্ৰেছ ইয়াৰ সিদ্ধান্তবোৰত এইটো স্পষ্ট কৰি দিয়ে। তৃতীয় দুনিয়াৰ দেশসমূহৰ প্ৰকৃত স্বাৰ্থৰ লগত ইয়াৰ সঙ্গতি আছে।

বিশ্ব সমাজবাদী ব্যৱস্থা আৰু মানৱসমাজৰ বৈপ্লৱিক পুনৰ্গঠনত কৰ্মৰত সকলো শক্তিয়ে এতিয়া ইয়াৰ প্ৰধান বিকাশ ধাৰা নিৰ্ণয় কৰে। সমাজবাদী দেশসমূহে নিজৰ অৰ্থনৈতিক আৰু প্ৰতিৰক্ষা শক্তিৰ অবিৰত বৃদ্ধিৰ ওপৰত নিৰ্ভৰ কৰেও, কাৰণ ইয়াৰ ভিত্তিয়েই হৈছে সমাজবাদী সংহতি। ইয়াৰ দ্বাৰা সাম্ৰাজ্য-বাদী আগ্ৰাসী শক্তিবোৰক দমন কৰা হয়, প্ৰতিবিপ্লৱ ৰপ্তানি কৰা আৰু জাতীয় মুক্তি আন্দোলন প্ৰদমিত কৰাৰ সম্ভাৱনা কমাই দিয়া হয়। যি সামাজিক বিপ্লৱে তৃতীয় দুনিয়া ৰূপান্তৰিত কৰি আছে আৰু অগ্ৰগতি ত্বৰান্বিত কৰি আছে তাক গভীৰতৰ কৰাত ই সহায় কৰে।

সমাজবাদী অর্থনৈতিক সংহতি হৈছে আন্তৰ্জাতিকভাৱে এটা অতি গুৰুত্বসম্পন্ন বৈপ্লৱিক প্ৰক্ৰিয়া। সমাজবাদী সমাজগোষ্ঠীয়ে সমগ্ৰ মানৱজাতিৰ কাৰণে সমাজৰ বৈষয়িক আৰু আত্মিক শক্তিৰ বিকাশৰ পথ মুকলি কৰি দিছে। শান্তি আৰু সমাজ প্ৰগতিৰ মহান্ স্বাৰ্থৰ হকে ভ্ৰাতৃপ্ৰতিম সমাজবাদী দেশসমূহে কেতিয়াও আছুতীয়া-দল বন্ধাৰ ধাৰণা আগ বঢ়োৱা নাই। সমাজবাদী সংহতিৰ বহলভিত্তিক কাৰ্য্যসূচীয়ে ইয়াৰ অন্তৰ্নিহিত ব্যৱস্থাৱলী কাৰ্য্যকৰী কৰাত অংশ লব খোজা সকলো ৰাষ্ট্ৰৰ বাবেই দুৱাৰ মুকলি কৰি থায়। ই সকলো উন্নয়নমুখী দেশৰ কাৰণেই এখন আশাৰ ছবি দাঙি ধৰে।

অধ্যায় ৬

সদ্য-স্বাধীন দেশসমূহত সামাজিক বিকাশৰ পথৰ কাৰণে ভাবাদৰ্শগত সংগ্ৰামৰ কেইটিমান দিশ

সাম্প্ৰতিক বিশ্ব ইতিহাসৰ অন্যতম বৈশিষ্ট্য হৈছে সমাজবাদ আৰু সাম্ৰাজ্যবাদৰ মাজত তীব্ৰভাবে গভীৰ হৈ পৰা আদৰ্শগত সংগ্ৰাম। বিভিন্ন সামাজিক শক্তিৰ দ্বাৰা নিজা লক্ষ্য পূৰণ আৰু কাৰ্য্যসূচী সম্পাদনত আদৰ্শগত সংগ্ৰাম অন্যতম এটি সাধনোপায় হৈ পৰিছে। এই সদ্য স্বাধীন ৰাষ্ট্ৰবোৰে সমাজ বিকাশৰ কোনটো পথ গ্ৰহণ কৰে সেই বাছনি-কাৰ্য্যৰ ওপৰত এই সংগ্ৰামৰ এটা প্ৰত্যক্ষ প্ৰভাৱ পৰে। বিশ্বত পুঁজিবাদ আৰু সমাজবাদৰ মাজত পাৰস্পৰিক শক্তি সম্পৰ্কৰ ক্ষেত্ৰত আৰু কি পৰিবৰ্ত্তন ঘটিব, তাৰ ওপৰত ইয়াৰ প্ৰত্যক্ষ প্ৰভাব আছে।

এছিয়া আৰু আফ্ৰিকাত সাম্ৰাজ্যবাদৰ অৱস্থান সুৰক্ষিত কৰাৰ প্ৰচেষ্টাস্বৰূপে, সাম্ৰাজ্যবাদী তত্ত্ববাগীশ আৰু প্ৰচাৰবাগীশ-সকলে সদ্য স্বাধীন দেশসমূহৰ জনগণক সৈমান কৰিবলৈ বিচাৰে যে তেওঁলোকৰ বাবে পুঁজিবাদী বিকাশৰ পথেই হৈছে উত্তম। লগে লগে তেওঁলোকে এইবোৰ দেশত মাক্সবাদী-লেনিনবাদী আদৰ্শ আৰু অন্যান্য প্ৰগতিশীল আদৰ্শগত প্ৰৱণতা বিস্তাৰৰ

বিৰুদ্ধে হিংস্ৰ আক্ৰমণ চলায়। এওঁলোকৰ কিছুমানে যুক্তি দিয়ে যে মাৰ্ক্সবাদ-লেনিনবাদৰ উপ্তৰ হৈছে উন্নত পুঁজিবাদী স্থানত, এছিয়া আৰু আফ্ৰিকাৰ অৱস্থাত ই খাপ নাখায়। অন্যান্য সকলে মাৰ্ক্সবাদ-লেনিনবাদৰ বিৰুদ্ধে মুকলিকৈ ওলাই নাহি, ইয়াৰ বৈপ্লৱিক উপাদানৰ চোক কমাবৰ কাৰণে চেষ্টা কৰে (প্ৰায় সময়ত আকৰ-গোঁজালিৰ বিৰুদ্ধে সংগ্ৰামৰ আঁৰত)।

অৱশ্যে কমিউনিজমৰ প্ৰত্যক্ষ শক্ৰবোৰৰ প্ৰধান সঁজুলি হৈছে, সমাজবাদী ব্যৱস্থাৰ ওপৰত মিছা অপবাদ দিয়া, কমিউনিষ্ট পাৰ্টি সমূহৰ নীতি আৰু লক্ষ্য আৰু মাৰ্ক্সবাদী-লেনিনবাদী শিক্ষাৰ বিকৃতি সাধন কৰা।

মনত ৰাখিব লাগিব যে সদ্য-স্বাধীন দেশসমূহৰ কেবাখনা দেশৰ চলিত বিপ্লৱী গণতান্ত্ৰিক আন্দোলনৰ ভিতৰত বিভিন্ন ধৰণৰ "বাওঁপন্থী" সুবিধাবাদী তত্ত্ব চলি আছে। ই প্ৰকৃততে মাৰ্ক্সবাদ-লেনিনবাদৰ প্ৰত্যক্ষ শক্ৰবোৰৰ আদৰ্শগত আক্ৰমণক শক্তিশালী কৰে।

মুঠতে, মাৰ্ক্সবাদক দেখদেখকৈ বাতিল কৰা আৰু কমিউনিজমৰ মুকলি বিৰোধিতাৰ প্ৰভাৱ অধিকাংশ দেশৰ জনসাধাৰণৰ ওপৰত কমেই পৰে। কেবাখনো দেশত, কমিউনিজম বিৰোধী প্ৰচাৰ অৱশ্যে ব্যাপক আৰু সামান্য কেইখনমান দেশত কমিউনিজম বিৰোধিতা চৰকাৰী ৰাজনৈতিক আদৰ্শ।

জনসাধাৰণৰ কাৰণে অত্যধিক বিপজ্জনক হৈছে বুৰ্জোৱা আদৰ্শত থকা প্ৰৱণতাবোৰ। ইবোৰৰ চেষ্টা হৈছে মাৰ্ক্সবাদক নতুন পৰিস্থিতিৰ "উপযোগী" কৰি তোলা, যাৰ অৰ্থ হৈছে আচলতে তাক বিকৃত কৰা। বুৰ্জোৱা তত্ত্ববাগীশসকলে যি সোঁ আৰু বাওঁ সুবিধাবাদীসকলে মাৰ্ক্সবাদ-লেনিনবাদৰ প্ৰতি বিশ্বাস-ঘাতকতা কৰিছে সেই সকলৰ তত্ত্ববোৰকে সঘনে আকোঁৱালি ধৰে। মাৰ্ক্সবাদত বাওঁ আৰু সোঁ বিচ্যুতিৰ বিৰুদ্ধে তত্ত্বগত আৰু প্ৰয়োগগত উভয়ৰে সংগ্ৰাম অত্যন্ত জৰুৰী আৰু বৰ দৰকাৰী

সমস্যা। প্ৰকৃততে এই সংগ্ৰামে তত্ত্বগত আৰু প্ৰয়োগগত সাধাৰণ আৰু বিশেষ ধৰণৰ প্ৰশ্ন আৰু নিৰ্দ্দিষ্ট ঐতিহাসিক পৰিস্থিতিত মাৰ্ক্সবাদ-লেনিনবাদৰ সাধাৰণ নীতিসমূহ প্ৰয়োগ ক্ষমতাৰ মাজত পাৰস্পৰিক সম্বন্ধ স্থিৰ কৰাত কৃতকাৰ্য্যতা লাভ কৰে।

সমাজবাদৰ অ-সৰ্বহাৰাৰ ধাৰণা আৰু সাম্ৰাজ্যবাদৰ ভাৱাদৰ্শগত কুটাঘাতমূলক কামৰ মৰ্ম্ম

"জাতীয় সমাজবাদ"ৰ ভাৱধাৰা কোনোৱা এটা নহয়, কোনোৱা এটা ৰূপত সদ্য স্বাধীন দেশসমূহত ভালদৰে বিয়পি পৰিছে। বস্তুতঃ, এই আদৰ্শবোৰে শ্ৰমজীৱী জনগণৰ পুঁজিবাদ আৰু সাম্ৰাজ্যবাদৰ বিৰুদ্ধে প্ৰতিবাদৰ প্ৰতিফলন কৰাৰ লগে লগে সমাজবাদ গাইফুৰা এই সামাজিক শক্তিবোৰৰ আদৰ্শগত অপৰিপক্কতা সাব্যস্ত কৰে।

সদ্য-স্বাধীন জাতিসমূহক সামাজিক আৰু অৰ্থনৈতিক প্ৰগতি সাধনৰ নিৰ্দ্দিষ্ট পন্থাবিলাক সম্পৰ্কে থকা প্ৰশ্নবিলাকৰ সমিধান লাগে। তৃতীয় দুনিয়াৰ বহু প্ৰখ্যাত জাতীয়তাবাদীয়ে মাৰ্ক্সবাদ-লেনিনবাদৰ তত্ত্ব আৰু প্ৰয়োগ সম্পৰ্কে ক্ৰমে অধিক আগ্ৰহ দেখুৱাবলৈ ধৰিছে। তেওঁলোকে তেওঁলোকৰ 'জাতীয় আহিঁৰ সমাজবাদৰ" নিজস্ব ধাৰণাবোৰকে সিদ্ধান্ত আকাৰে ৰূপ দিবলৈ গৈ মাৰ্ক্সবাদৰ পৃথক প্ৰতিপাদ্যবিলাকক কামত লগায়। ইয়াৰ পৰা গম ধৰিব পাৰি যে জাতীয় মুক্তি বিপ্লৱৰ ৰাজনৈতিক অগ্ৰগামী বাহিনীয়ে এটা সিদ্ধান্তলৈ আহিব ধৰিছে। সি হল, সদ্য-স্বাধীন

দেশসমূহ যি সমস্যাবিলাকৰ সন্মুখীন হৈছে তাৰ সমাধানৰ শ্ৰেষ্ঠ উপায় হৈছে অপুঁজিবাদী বিকাশ।

সমাজবাদী ধ্বনিৰ প্ৰতি আকৰ্ষণ সদ্য-স্বাধীন দেশসমূহৰ ৰাজনৈতিক জীৱনৰ অন্যতম চাৰিত্ৰিক বৈশিষ্ট্য। এই দেশবিলাক যে সমাজবাদৰ প্ৰতি আকৃষ্ট হৈছে, তাৰ প্ৰধান কাৰণ হ'ল, জাতীয় মুক্তি আন্দোলনৰ বৰ্ত্তমান স্তৰ, সৰ্ব্বপ্ৰথম কৰ্ত্তব্য হৈছে আৰ্থ-সামাজিক মুক্তি। ইয়াৰ আৰু এটা কাৰণ হ'ল, এই কৰ্ত্তব্য সম্পাদনৰ প্ৰক্ৰিয়াত সমাজবাদী মূলনীতিসমূহ প্ৰয়োগ কৰিলে অন্য যি কোনো মূলনীতি প্ৰয়োগৰ বেলিকাতকৈ অধিকভাবে জন-স্বাৰ্থ পূৰণ হয়। "জাতীয় সমাজবাদ"ৰ বিভিন্ন ধাৰণা ("এফ্ৰিকান' অথবা আৰবীয়") মূলতঃ অ-সৰ্বহাৰা স্তৰৰ সেই সকলে আকোৱালি ধৰে যিসকলে স্বতঃস্ফূৰ্ত্তভাবে পুঁজিবাদ অগ্ৰাহ্য কৰে অথচ ঐতিহাসিক বাস্তৱতা বিশ্লেষণ কৰাত এতিয়াও বিজ্ঞানসন্মত পদ্ধতি প্ৰয়োগৰ নিপুণতা লাভ কৰা নাই। এই ধাৰণাসমূহ চৰিত্ৰগতভাবে প্ৰগতিশীল অথবা ৰক্ষণশীলো হব পাৰে।

আধুনিক সমাজখন শ্ৰেণীহীন ইয়াত সামাজিক মিলা-প্ৰীতি বিদ্যমান, এই বুলি ডাঠি কৈ ৰক্ষণশীল প্ৰৱণতাৰ উত্তৰাধিকাৰীসকলে তেওঁলোকৰ আধুনিক সমাজতত্ত্ব গঢ়ি তোলে। তেওঁলোকে দাবী কৰে যে তেওঁলোকৰ সমাজৰ, উদাহৰণ-স্বৰূপে সংহতি-সাধন হব পাৰে নিগ্ৰো জাতিৰ "সম্পূৰ্ণ নিজস্ব গুণাৱলীৰে" আৰু ইয়াৰ "বিশেষ আত্মিক বৈশিষ্ট্য"ৰে। কিন্তু বাস্তৱত সামাজিক অৰ্থনৈতিক বিকাশৰ কিবা এক ধৰণৰ তৃতীয় নিৰপেক্ষ পন্থা বিচাৰি উলিওৱাৰৰ সকলো চেষ্টা ব্যৰ্থ হৈ যায়; এফ্ৰিকান সমাজৰ সামাজিক-অৰ্থনৈতিক, সাংস্কৃতিক অথবা অন্যান্য বৈশিষ্ট্যৰ আদৰ্শায়নে বুৰ্জোৱা ধৰণৰ বিকাশৰ পথেদি অবধাৰিত ৰূপে গতি কৰে।

"জাতীয় সমাজবাদ"ত থকা প্ৰগতিশীল প্ৰৱণতাৰ চাৰিত্ৰিক বৈশিষ্ট্য হ'ল এটা পুঁজিবাদ-বিৰোধী ঢাল খোৱা প্ৰবৃত্তিৰ প্ৰাবল্য

যি প্ৰবৃত্তিয়ে বৈজ্ঞানিক সমাজবাদৰ প্ৰায় ভালেখিনি কাষ চপাই দিয়ে। এই প্ৰবৃত্তিবোৰ আত্মপ্ৰকাশ কৰে, বিশেষভাবে ছোভিয়েত ইউনিয়ন আৰু অন্যান্য সমাজবাদী দেশত সামাজিক ৰূপান্তৰৰ পথ আৰু পদ্ধতিবোৰত প্ৰৱল ঔৎসুক্য থকাৰ পৰা। সদ্য স্বাধীন দেশসমূহৰ প্ৰগতিশীল সমাজ চিন্তা বিকাশৰ এই প্ৰৱণতাৰ উদাহৰণ হৈছে, আৰুশা ঘোষণা। এই কাৰ্য্যসূচীৰ কিছুমান প্ৰস্তাৱনা সমস্যা-সঙ্কুল চৰিত্ৰৰ হলেও, প্ৰধান বিষয় হ'ল এই যে, যি ধাৰণাসমূহ ঘোষণাখনত সন্নিৱদ্ধ কৰা হৈছে, সিবোৰে জুলিয়াছ নিয়েৰেৰে আৰু তেওঁৰ অনুগ্ৰামী তাঞ্জানিয়াৰ প্ৰগতিবাদীসকলৰ আদৰ্শগত আৰু ৰাজনৈতিক মনোভাৱৰ সদৰ্থক ক্ৰমবিকাশৰ সাক্ষ্য দিছে। আগতে এফ্ৰিকীয় সমাজৰ শ্ৰেণীহীনতা আৰু ইয়াৰ সকলো স্তৰৰ মাজত সমিল মিল থকা ধাৰণা পোষণ কৰা তাঞ্জানিয়াৰ নেতাসকলে এতিয়া শ্ৰেণীস্তৰ বিভাজন আৰু শ্ৰেণীবিৰোধৰ অস্তিত্ব স্বীকাৰ কৰে। নিয়েৰেইয়ে সমাজৰ সামাজিক-অৰ্থনৈতিক আৰু সাংস্কৃতিক বিকাশৰ ক্ষেত্ৰত বস্তুবাদী ধাৰণা পোষণ কৰাৰ প্ৰতি প্ৰচুৰ মনোযোগ দিয়ে। তেওঁ যুগুত কৰা ঘোষণাখনিৰ ভিত্তিত, তাঞ্জানিয়াৰ চৰকাৰী আদৰ্শক অকল সাম্ৰাজ্যবাদ আৰু নয়া-উপনিবেশিকবাদৰ মুখা খুলি দিয়াৰ সমালোচনাৰ ভিত্তিতেই নহয়, আনকি বিশেষ গুৰুত্বপূৰ্ণ বিষয়টো হ'ল, মানুহৰ দ্বাৰা মানুহৰ শোষণৰ অৱসান, যৌথ আৰু সমবায়-ভিত্তিক সম্পত্তি প্ৰতিষ্ঠা, সমাজ বিকাশত ব্যাপক জনগণৰ নিৰ্ণয়কাৰী ভূমিকা আদি ধৰণৰ সমস্যাবিলাকৰ প্ৰতি বস্তুবাদী ধাৰণাৰ ভিত্তিতো বৈজ্ঞানিক সমাজবাদৰ কাষ চপাই অনাৰ নতুন সম্ভাৱনা আনি দিছে।

এই বিলাক প্ৰৱণতাৰ মুখামুখি হৈ, সাম্ৰাজ্যবাদৰ আদৰ্শগত যন্ত্ৰটোৱে ইয়াৰ কেন্দ্ৰীয় দায়িত্বৰ প্ৰতি তাৰ প্ৰধান কাৰ্য্যৰ নিৰ্দ্দেশ কৰে — সি হৈছে আফ্ৰিকাৰ জনগণৰ সমাজবাদত থকা

প্ৰত্যয় আৰু এখন নতুন সমাজৰ কাৰণে বৈপ্লবিক সংগ্ৰামৰ প্ৰতি থকা আস্থা হেয় কৰা।

সমাজবাদী ব্যৱস্থাক সামগ্ৰিকভাবে হেয় প্ৰতিপন্ন কৰাৰ মতলবেৰে, কমিউনিষ্ট বিৰোধীসকলে ছোভিয়েত জনগণৰ জীৱনত বিচাৰি পোৱা সকলো নেতিবাচক ঘটনাবিলাক, সমাজবাদী দেশসমূহত এতিয়াও দেখা দিব পৰা সকলো ব্যক্তিগত দোষ আৰু দুৰ্ব্বলতাবিলাক সদায় বিভিন্ন ধৰণে কামত লগায়, যেনে বিশেষ ধৰণৰ ঘটনাক, সাধাৰণ দুৰ্ঘটনাক নিত্যনৈমিত্তিক কৰি পেলায়। বাস্তৱবাদী হোৱাৰ মোহ-সৃষ্টি কৰিবলৈ তেওঁলোকে সঘনে ছোভিয়েত প্ৰকাশনৰ উদ্ধৃতিসহ ৰণত জিকাৰ পদ্ধতি গ্ৰহণ কৰে। আজিৰ কমিউনিষ্ট বিৰোধী প্ৰচাৰৰ বিশ্লেষণ কৰিলে দেখা যাব, ই তলত দিয়া প্ৰধান প্ৰধান দিশবোৰ গ্ৰহণ কৰিছে: —

—এমেৰিকান তত্ত্ববাগীশ আৰু প্ৰচাৰবাগীশসকলে তেওঁলোকৰ প্ৰচাৰ সমাজবাদী সমাজত চৰকাৰী ব্যৱস্থাৰ সমালোচনাত কেন্দ্ৰীভূত কৰে। সাম্ৰাজ্যবাদী প্ৰচাৰে এই তত্ত্বৰ ওপৰত জোৰ দিয়ে যে ছোভিয়েত যুক্তৰাষ্ট্ৰত এটা পাৰ্টি "একচেটিয়া ক্ষমতা"ৰ অধিকাৰী, তাত "জবৰদস্তিমূলক শ্ৰম" বৰ্ত্তমান, আৰু তাত কোনো "ব্যক্তি স্বাধীনতা" নাই। সাম্প্ৰতিক বছৰবিলাকত ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ জাতিসমূহৰ সংক্ৰান্ত নীতিৰ বিৰুদ্ধে সাম্ৰাজ্যবাদী প্ৰচাৰ অভিযান উচ্চগ্ৰামত উঠিছে। মধ্য এছিয়া আৰু ককেছাছ পৰ্বতৰ সিপাৰৰ দেশসমূহৰ অৰ্থনৈতিক সফলতা স্বীকাৰ কৰাৰ সময়ত, একচেটিয়া বুৰ্জোৱাসকৰ তত্ত্ববাগীশসকলে জোৰ কৰি কব খোজে যে " ... ছোভিয়েত শাসন সংখ্যালঘুৰ মৰ্য্যাদাৰ সমস্যা সমাধান কৰাৰ পৰা বহু দূৰত .... আৰু" ছোভিয়েত বিপ্লৱে শিল্প বিকাশৰ সমস্যাৰ সমাধান কৰিব পাৰে, কিন্তু স্বাধীনতাৰ বিকাশৰ গুৰিত কেনেকৈ জাপ দিব লাগে, সেইটো উলিয়াব পৰা নাই"[৩৫]

—ছোভিয়েত বৈদেশিক নীতিৰ প্ৰকৃতি আৰু উদ্দেশ্যবোৰৰ ধাৰাবাহিকভাৱে বিকৃতকৰণ আৰু মিছা অপবাদ দান। সাম্ৰাজ্যবাদী প্ৰচাৰৰ "যুক্তিবোৰৰ" অৰ্থ হ'ল ছোভিয়েত নীতি আৰু জাৰতন্ত্ৰী ৰাছিয়াৰ নীতিৰ মাজত এটা অদ্ভুত সাদৃশ্য দেখুওৱা আৰু ইয়াৰ ভিত্তিত মিছা দোষাৰোপ কৰা যে ছোভিয়েত ইউনিয়নে "এটা নয়া-ঔপনিবেশিক নীতি" অনুসৰণ কৰিব ধৰিছে আৰু এফ্ৰো-এছীয় দেশসমূহলৈ দিয়া ছোভিয়েত সাহায্য "স্বাৰ্থপৰ উদ্দেশ্য" প্ৰণোদিত। সাম্ৰাজ্যবাদী প্ৰচাৰে অত্যন্ত মনোযোগেৰে, যদিও ব্যৰ্থতাৰেই, এমেৰিকান আৰু ছোভিয়েত বৈদেশিক নীতিসমূহৰ এটা সাদৃশ্য দেখুৱাবলৈ চেষ্টা কৰে। এই সাদৃশ্য, উদাহৰণ স্বৰূপে, পশ্চিম জাৰ্মান ছোভিয়েত বিশেষজ্ঞ ৰচিত প্ৰবন্ধ সংকলন জৰ্মান ছোচাইটি ফৰ দি ষ্টাডি অফ ইষ্টাৰ্ণ ইউৰোপ[৩৬] (German Society for the Study of Eastern Europe)ৰ দ্বাৰা প্ৰস্তুত "ছোভিয়েত বৈদেশিক নীতিৰ মৌলিক প্ৰশ্নাৱলী" (Basic Questions of Soviet Foreign Policy) কিতাপখনত পোৱা যাব।

—দুটা ব্যৱস্থাৰ 'এক কেন্দ্ৰাভিমুখিতা'-সংক্ৰান্ত ধাৰণা আৰু "ধনী" আৰু "দৰিদ্ৰ" জাতি-সংক্ৰান্ত তত্ত্ববোৰৰ প্ৰসাৰ এই আটাইবোৰৰেই কথা হ'ল, ছোভিয়েত ইউনিয়ন আৰু উচ্চ বিকশিত পুঁজিবাদী দেশসমূহৰ মাজত কোনো মূলগত পাৰ্থক্য নাই। উক্ত তত্ত্ববোৰৰ লেখকসকলে উন্নয়নমুখী দেশসমূহৰ ক্ষেত্ৰত ছোভিয়েত ইউনিয়নৰ বিৰোধিতা কৰি কব খোজে যে শিল্পভিত্তিক শক্তি হিচাপে ইয়াৰ স্বাৰ্থৰ লগত সদ্য স্বাধীন দেশসমূহৰ স্বাৰ্থ খাপ নাখায়। উদাহৰণ-স্বৰূপে, দৰিদ্ৰতাৰ বিৰুদ্ধে মানুহঃ তৃতীয় বিশ্ব যুদ্ধ (Man Against Poverty : World War III)ত প্ৰখ্যাত বুৰ্জোৱা লেখক মাইকেল হেৰিংটনে লিখিছে ; "পূৰ্ব আৰু পশ্চিমৰ মাজৰ কমিউনিজম আৰু পুঁজিবাদৰ মাজৰ সংগ্ৰাম ...... এতিয়া

শেষ হব পাৰে-আৰু তাৰ ঠাই লব পাৰে, কমিউনিজম আৰু পুঁজিবাদ, উভয়ৰে 'উত্তৰ' আৰু দৰিদ্ৰ 'দক্ষিণৰ' মাজৰ সংঘৰ্ষই"।[৩৭]

এনে "ভৌগোলিক" যুক্তি যে দেখ্‌দেখ্‌কৈয়ে সঙ্গতিহীন, তাক দেখুৱাই দিয়াৰ কোনো প্ৰয়োজন নাই।

—সমাজবাদৰ বিৰুদ্ধে সংগ্ৰামত জাতীয়তাবাদৰ প্ৰতিক্ৰিয়াবাদী বৈশিষ্ট্যবোৰৰ ব্যৱহাৰ আৰু জাত্যাভিমান আৰু বিচ্ছিন্নতাৰ প্ৰতি উৎসাহ প্ৰদান। কমিণ্টাৰ্ণৰ দ্বিতীয় কংগ্ৰেছৰ কাৰণে লেনিনে প্ৰস্তুত কৰা জাতীয় আৰু ঔপনিবেশিক প্ৰশ্ন সংক্ৰান্তত খচৰা প্ৰস্তুত কৰোঁতে তেওঁ লিখিছিল: "দেশখন যিমান পশ্চাৎপদ হব, সিমানে ক্ষুদ্ৰায়তন কৃষি উৎপাদন, পিতৃতান্ত্ৰিকতা আৰু বিচ্ছিন্নতা অধিক হব। ই অনিবাৰ্য্যভাৱে পেটি-বুৰ্জোৱা সংস্কাৰৰ গভীৰলৈকে বিশেষ শক্তি আৰু আকোৰগোঁজ ভাব, অৰ্থাৎ জাতীয় দম্ভ আৰু সংকীৰ্ণ-মনোভাব আনি দিয়ে। খুব লাহে লাহে এই সংস্কাৰবোৰ মাৰ যাবলৈ বাধ্য, কাৰণ সেইবোৰ নাইকিয়া হব পাৰে উন্নত দেশসমূহত সাম্ৰাজ্যবাদ আৰু পুঁজিবাদ অদৃশ্য হৈ যোৱাৰ পিছত, আৰু পশ্চাৎপদ দেশসমূহৰ গোটেই অৰ্থনৈতিক জীৱনৰ ভেটিটোৰ আমূল পৰিবৰ্ত্তন হৈ যোৱাৰ পিছতহে"[৩৮]

সাম্ৰাজ্যবাদৰ তত্ত্বাগীশসকলে সদ্য-স্বাধীন দেশসমূহত পুঁজিবাদ আৰু জাতীয়তাবাদৰ মাজত এটা মৈত্ৰীৰ ধাৰণাৰ বিস্তাৰ ঘটায়। বিগত পাঁচবছৰে দেখুৱাইছে যে কেইখনমান উন্নয়নমুখী দেশত দক্ষিণপন্থী জাতীয়তাবাদী উপাদানসমূহ সাম্ৰাজ্যবাদী শক্তিবিলাকৰ সহায়ত অগণতান্ত্ৰিক শাসন ব্যৱস্থা প্ৰতিষ্ঠাত সফলকাম হবলৈ ধৰিছে আৰু তেওঁলোকে অপুঁজিবাদী বিকাশ আৰু সমাজবাদৰ কাৰণে চলা জনগণৰ সংগ্ৰামত ব্যাঘাত সৃষ্টি কৰিবলৈ ধৰিছে।

মাওবাদৰ প্ৰভুত্ববাদী চৰিত্ৰ

চীনৰ মাও ৎছে-টুঙ চক্ৰই লোৱা বৃহৎ শক্তিৰ পথে তৃতীয় দুনিয়াৰ দেশসমূহত হোৱা জাতীয় মুক্তি আন্দোলন আৰু সমাজবাদৰ সংগ্ৰামৰ গুৰুতৰ ক্ষতি সাধন কৰি আছে। প্ৰথম অধ্যায়ত আমি উল্লেখ কৰিছো যে মাওবাদীসকলে অপুঁজিবাদী বিকাশৰ পথৰ সমালোচনা কৰে। মাওবাদী সংবাদপত্ৰসমূহত উদাহৰণ-স্বৰূপে চীনৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ সম্পাদক মণ্ডলীৰ প্ৰাৰ্থী সদস্য হু চিয়াও মু'কক সমালোচনা কৰা হয় কেৱল এই কাৰণে যে তেওঁ লেনিনৰ তাত্বিক প্ৰতিপাদ্যৰ উদ্ধৃতি দিছিল যে অনগ্ৰসৰতাৰ দেশসমূহে পুঁজিবাদী বিকাশৰ স্তৰ অতিক্ৰম নকৰাৰ সম্ভাবনাও থাকে।

যিহেতু মাওবাদীসকলে জাতীয় মুক্তি আন্দোলন সম্পৰ্কে তেওঁলোকৰ নিজা "বিশেষ" কৰ্মনীতি ঘোষণা কৰিছে আৰু এই ঘটনাক কেন্দ্ৰ কৰি প্ৰচণ্ড কল্পনা কৰি কৈছে যে অতীতত চীন বিদেশী নিয়ন্ত্ৰণত আছিল, আমি এই কৰ্ম্মনীতি আৰু বিশেষভাৱে আফ্ৰিকাৰ ক্ষেত্ৰত মাওবাদীসকলে প্ৰয়োগ কৰা কাৰ্য্যকলাপৰ পৰীক্ষা কৰি চাওঁ ঘটনাৱলীয়ে দেখুৱায় যে এই দলভঙা কাৰ্য্যকলাপে এফ্ৰিকান জনগণৰ জাতীয় মুক্তি সংগ্ৰামৰ বিপুল ক্ষতি সাধন কৰিছে। কিন্তু ঠিক কেনেধৰণে মাওবাদী কৰ্ম্মনীতিৰ মাৰ্ক্সবাদ-বিৰোধী স্বৰূপ ব্যক্ত হয়? আৰু ই সদ্য-স্বাধীন দেশসমূহে সমাজবাদৰ কাৰণে কৰা সংগ্ৰামৰ পক্ষে কিয় ইমান বিপজ্জনক?

প্ৰত্যেকেই জানে যে যুদ্ধ পৰবৰ্ত্তী বছৰবিলাকত জাতীয় মুক্তি আন্দোলনে চকুত লগা ধৰণৰ সাফল্য অৰ্জ্জন কৰিছে। এই অতি

চমু ঐতিহাসিক কালছোৱাত এছিয়া আৰু আফ্ৰিকাৰ অধিকাংশ জনসাধাৰণ ঔপনিবেশিক যুঁৱলি-মুক্ত হৈছে ; পূৰ্ব্বৰ সাম্ৰাজ্যবাদী প্ৰভুত্বৰ অধীনত থকা প্ৰায় ৮০ খন দেশৰ জনগণে মুক্ত হৈ স্বাধীন বিকাশৰ পথ লৈছে।

ফেছিষ্ট জাৰ্মানী আৰু সমৰবাদী জাপানে সামৰিক আৰু ৰাজনৈতিক পৰাজয় বৰণ কৰাত, ছোভিয়েত ইউনিয়নে নিৰ্ণয়াত্মক অৱদান ৰখা হেতুকে, আৰু ঔপনিবেশিক পাণ্ডাসকল—ব্ৰিটেন, ফ্ৰান্স বেলজিয়াম আৰু হলেণ্ড সাংঘাতিকভাবে দুৰ্ব্বল হৈ পৰা হেতুকে—বিশ্ব সমাজবাদী ব্যৱস্থাৰ উদ্ভৱ আৰু সংহতিৰ পৰিণাম-স্বৰূপে এই সফলতাবোৰ সম্ভৱ হৈছিল।

এইটো সঁচা, জাতীয় স্বাধীনতাৰ বাবে ঔপনিবেশিক জনগণৰ সংগ্ৰাম হৈছে সৰ্ব্বোপৰি তেওঁলোকৰ নিজা প্ৰচেষ্টাৰে পৰিণাম। কিন্তু সাম্ৰাজ্যবাদ এতিয়াও এক ক্ষমতাশীল আন্তৰ্জাতিক শক্তি। আৰু ইয়াৰ লগত সংগ্ৰামত আমাৰ যুগৰ সকলো বিপ্লৱী শক্তিৰ ঐক্য আৰু আন্তৰ্জাতিক প্ৰয়াসৰ প্ৰয়োজন। ছোভিয়েত ইউনিয়ন আৰু অন্যান্য সমাজবাদী ৰাষ্ট্ৰৰ উপনিবেশবাদ-বিৰোধী আৰু ক্ৰমবৰ্দ্ধমান শক্তিয়ে জাতীয় মুক্তি আন্দোলনৰ সফলতাপূৰ্ণ বিকাশৰ কাৰণে সহায়জনক পৰিস্থিতিৰ সৃষ্টি কৰিছে। বোধ কৰো, এছিয়া আৰু আফ্ৰিকাত এনেকুৱা এখনো দেশ নাই যি দেশে এই পৰিস্থিতিবিলাকৰ সদ্ব্যৱস্থা কৰা নাই আৰু সাম্ৰাজ্যবাদ আৰু উপনিবেশবাদৰ বিৰুদ্ধে একপ্ৰকাৰে নহয় একপ্ৰকাৰে ছোভিয়েত ইউনিয়নৰ সমৰ্থন লোৱা নাই। এইটো হ'ল এটা অকাট্য ঐতিহাসিক সত্য।

যুদ্ধ পৰবৰ্ত্তী কালছোৱাৰ এটা উল্লেখনীয় ঐতিহাসিক ঘটনা হ'ল, চীনা জনগণৰ জয়—চীনা বিপ্লৱৰ জয়লাভ। ছোভিয়েত যুক্তৰাষ্ট্ৰই চীনা যোদ্ধাসকলক বিপুল পৰিমাণৰ সামৰিক যোগান আৰু অন্যান্য সাজ-সৰঞ্জাম সহ অফুৰন্ত বহুমুখী সহযোগিতা প্ৰদান কৰিছে। ১৯৪৫ চনত মাঞ্চুৰিয়াত কোৱানটুং বাহিনীৰ পৰাজয়ৰ

পাছত, ছোভিয়েত অস্ত্ৰশস্ত্ৰ সামৰিক সাজ-সৰঞ্জামৰ বৃহৎ অংশ চীনা কমিউনিষ্টসকলৰ আদেশাধীন হৈ থকা গণমুক্তি বাহিনীক দিয়া হৈছিল। ই আছিল ছোভিয়েত ইউনিয়নৰ শ্ৰেণীনীতি আৰু আন্তৰ্জাতিক নীতিৰ উজ্জ্বল নিদৰ্শন। আমেৰিকাৰ যুক্তৰাষ্ট্ৰই আৰু আন আন সাম্ৰাজ্যবাদী শক্তিবোৰে যেতিয়া চীনা প্ৰতিক্ৰিয়াৰ পক্ষ গ্ৰহণ কৰিছিল আৰু চিয়াংকাই-শ্বেকৰ সৈন্যবাহিনীলৈ অস্ত্ৰশস্ত্ৰ যোগান ধৰি আছিল, সেইখিনি সময়ত ছোভিয়েত ইউনিয়নে চীনৰ বিপ্লৱী বাহিনীসমূহক সৰ্বতোমুখী সহায়দান কৰি আছিল। মাও ৎছে-টুঙে ঘটনাটো স্বীকাৰ কৰি কৈছিল যে "প্ৰতিৰোধ যুদ্ধৰ আৰম্ভণিৰে পৰা, সাম্ৰাজ্যবাদী শক্তিৰ যি কোনো চৰকাৰে আমাক কোনো ধৰণৰ সহায় দিয়া নাছিল। কেৱল ছোভিয়েত ইউনিয়নেহে আমাক বিৰাট পৰিমাণে লোকবল, বৈষয়িক, আৰ্থিক সম্পদেৰে সহায় কৰিছিল।" কোৰিয়া আৰু ভিয়েটনামৰ মুক্তিবাহিনী-বোৰেও ছোভিয়েত ইউনিয়নৰ পৰা একে ধৰণৰ সহায় পাইছে। ছোভিয়েত ইউনিয়নে এছিয়া আৰু আফ্ৰিকাৰ প্ৰগতিমুখী মুক্তি-বাহিনীবোৰক সহায় কৰাটো ইয়াৰ আন্তৰ্জাতিক কৰ্ত্তব্য হিচাপে গণ্য কৰে।

এছিয়াৰ পাছত জাতীয় মুক্তি আন্দোলনে আফ্ৰিকাক আঁকোৱালি ধৰে। আফ্ৰিকা মহাদেশত যি বাহ্যিক শক্তিসমূহে ইয়াৰ অগ্ৰগতি পূৰ্ব্ব-নিৰ্দ্দিষ্ট কৰিছিল, সিও একে ধৰণৰে আছিল: ফেছিষ্ট বৰ্বৰসকলৰ লগত যুদ্ধ ক্ষেত্ৰত লক্ষ লক্ষ ছোভিয়েত জনগণে তেজ ঢালি সকলো জাতিৰ শান্তি, স্বাধীনতা আৰু প্ৰগতিৰ পক্ষে মহান্ আত্মত্যাগ বৰণ কৰিছিল।

দ্বিতীয় বিশ্বযুদ্ধৰ পাছত সাম্ৰাজ্যবাদে ঔপনিবেশিক ব্যৱস্থা ৰক্ষাৰ কাৰণে পূৰ্ণোদ্যমে চেষ্টা চলাইছিল। ঔপনিৱেশবাদীহঁতে অস্ত্ৰশক্তিৰে জাতীয় মুক্তি আন্দোলন দমন কৰিবলৈ চেষ্টা কৰিছিল। ১৯৪৫ চনত আলজিৰিয়াত আৰু ১৯৪৭ চনত

মাদাগাস্কাৰত যি হেজাৰ হেজাৰ শান্তিপূৰ্ণ অধিবাসীয়ে স্বাধীনতাৰ অধিকাৰ আদায়ৰ দাবী কৰিছিল সেইসকলক ফৰাছী ঔপনিবেশিক বাহিনীবোৰে হত্যা কৰিছিল। ব্ৰিটিছ সাম্ৰাজ্যবাদীহঁতে কেনিয়া আৰু আফ্ৰিকাৰ অন্যান্য ব্ৰিটিছ উপনিবেশবোৰৰ জাতীয় মুক্তি আন্দোলন অস্ত্ৰ শক্তিৰে ৰোধ কৰিবলৈ চেষ্টা কৰিছিল। সাম্ৰাজ্যবাদীহঁত জাতীয় মুক্তি আন্দোলনৰ বিৰুদ্ধে যুদ্ধত একতাবদ্ধ।

স্বাধীনতা সংগ্ৰামৰ সেই কঠিন সময়ত ছোভিয়েত ইউনিয়নে আফ্ৰিকাৰ জনগণৰ পক্ষে নিৰ্ণায়ক অৱস্থান গ্ৰহণ কৰিছিল। বিশ্ব-সমাজবাদৰ হৈ ই একপ্ৰকাৰ অকলে ইয়াৰ আন্তৰ্জাতিক কৰ্তব্য পালন কৰিছিল, যি হেতুকে আন আন সমাজবাদী দেশসমূহ সেই সময়ত গঠন-প্ৰক্ৰিয়াৰ মাজতে আছিল আৰু সিবিলাকৰ কৰিব পৰাৰ ক্ষমতা আছিল সীমিত। ১৯৪৯ চনত জয়লাভ কৰা বিপ্লৱে জন্ম দিয়া চীনা গণ-প্ৰজাতন্ত্ৰই নিজা আভ্যন্তৰিণ সমস্যাবোৰ লৈ ব্যতিব্যস্ত আছিল আৰু ছোভিয়েত ইউনিয়নৰ পৰা ব্যাপক সমৰ্থন লাভৰ প্ৰয়োজন আছিল। সেই সময়ত যুদ্ধজনিত দুখ-কষ্ট অৱজ্ঞা কৰিয়ে, ছোভিয়েত যুক্তৰাষ্ট্ৰই আফ্ৰিকাত হোৱা জাতীয় মুক্তি আন্দোলনকে ধৰি অন্যান্য বিপ্লৱী আন্দোলনক সহায় কৰিছিল।

আফ্ৰিকাত ঔপনিবেশিক প্ৰভুত্ব জীয়াই ৰখাৰ কাৰণে সাম্ৰাজ্যবাদী পৰিকল্পনা ব্যৰ্থ কৰি দিয়াত ছোভিয়েত ইউনিয়নে ৰাষ্ট্ৰসংঘত নিজৰ ক্ষমতাৰ ব্যৱহাৰ কৰিছিল। ১৯৪৬ আৰু ১৯৪৭ চনত মিছৰ আৰু ছুদানৰ জনগণে তেওঁলোকৰ দেশৰ পৰা ব্ৰিটিছ সামৰিক বাহিনীবিলাক প্ৰত্যাহাৰ কৰি লোৱাৰ দাবীৰ প্ৰতি ছোভিয়েত ইউনিয়নে সক্ৰিয়ভাবে সমৰ্থন জনাইছিল। ১৯৪৯-৫১ চনত লিবিয়াৰ জনগণৰ স্বাধীনতাৰ ন্যায্য দাবী সমৰ্থন কৰিছিল। ১৯৫২-৫৪ চনত টিউনিছিয়া, মৰক্কো, দক্ষিণ পশ্চিম আফ্ৰিকা আৰু অন্যান্য ঔপনিবেশিক জনগণক স্বাধীনতা মঞ্জুৰ কৰাৰ পক্ষে

ৰাষ্ট্ৰসংঘত প্ৰকাশ্য সমৰ্থন জনাইছিল।

আফ্ৰিকাৰ জনগণে জাতীয় মুক্তিৰ কাৰণে যেতিয়া সশস্ত্ৰ সংগ্ৰাম আৰম্ভ কৰিলে, ছোভিয়েত ইউনিয়নে দৃঢ়ভাবে জাতীয় মুক্তি বাহিনীসমূহৰ পক্ষ গ্ৰহণ কৰে, আলজিৰিয় স্বাধীনতা যোদ্ধাসকলক, কেনিয়া, মালি, গিনী আৰু অন্যান্য দেশৰ জাতীয় মুক্তি বাহিনীসকলক সাহায্য কৰে। ১৯৫৬ চনত ছোভিয়েত যুক্ত-ৰাষ্ট্ৰই যি অৱস্থান গ্ৰহণ কৰে সি আছিল মিছৰৰ বিৰুদ্ধে ইঙ্গ-ফ্ৰাঙ্কো-ইজৰায়েলী আক্ৰমণ-ৰোধৰ নিৰ্ণায়ক অৱস্থান। সেই সময়ৰ কথা স্মৰণ কৰি, গামেল আব্দেল নাছেৰে কৈছিল: "আমি সেই কঠিন দিনবিলাকত ছোভিয়েত ইউনিয়নৰ সাহায্য কেতিয়াও নাপাহৰোঁ। আমি উচ্চ আদৰ্শ আৰু নীতিসমূহেৰে পৰিচালিত ইয়াৰ সাহায্যৰ কথা কেতিয়াও নাপাহৰোঁ।"

১৯৬২ চনলৈকে আফ্ৰিকাৰ অধিকাংশ দেশে ৰাজনৈতিক স্বাধীনতা লাভ কৰে। আফ্ৰিকা অধিকাংশ ৰাজনৈতিক স্বাধীনতা লাভ কৰে। আফ্ৰিকাৰ অধিকাংশ জনসাধাৰণৰ কাৰণে তেওঁলোকৰ জাতীয় মুক্তি সংগ্ৰামৰ কাল শেষ হোৱা বুলি ভাবিব পৰা হৈছিল। এয়া আছিল এনেকুৱা এটা কাল যি কালত আফ্ৰিকাবাসী-সকলৰ বিপ্লৱী সংগ্ৰামৰ আৰম্ভণি আৰু অৱসান এক প্ৰকাৰ চীনা অংশ গ্ৰহণ ব্যতিৰেকেই হৈছিল।

চীনে আফ্ৰিকাত সক্ৰিয় নীতি গ্ৰহণ কৰিবলৈ ধৰে তেতিয়াই, যেতিয়া সেই মহাদেশখনৰ দক্ষিণাংশ বাদে সকলোতে, উপনিবেশিক-বাদৰ বিৰুদ্ধে প্ৰথম পৰ্য্যায়ৰ সংগ্ৰাম কাৰ্য্যতঃ শেষ পৰিণতিৰ ফালে আগ বাঢ়িছে, যেতিয়া আফ্ৰিকাৰ জনগণে অৰ্থনৈতিক অনগ্ৰসৰতাৰ অৱসান আৰু তেওঁলোকৰ সামাজিক-অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত আজি কি পথ লব এইবোৰ কৰ্ত্তব্যৰে সমুখীন হৈছে। আফ্ৰিকাৰ ঘটনাৱলীৰ গতিধাৰাৰ ওপৰত চৈনিক প্ৰভাৱ বৃদ্ধিৰ লক্ষ্যক্ৰমে, চৌ এন-লাই'এ ১৯৬৩ চনৰ শেষ ভাগত আৰু ১৯৬৪ চনৰ প্ৰথম

ভাগত মহাদেশখন পৰিদৰ্শন কৰাৰ সময়ত উচ্চৈঃস্বৰে ঘোষণা কৰি সাম্ৰাজ্যবাদ আৰু উপনিবেশবাদৰ বিৰুদ্ধে আফ্ৰিকাৰ জাতিসমূহৰ সংগ্ৰামত নিঃস্বাৰ্থ সহায় দান কৰাৰ ইচ্ছা প্ৰকাশ কৰিছিল।

আফ্ৰিকাৰ স্বাধীন দেশবিলাকে আন্তৰ্জাতিক মঞ্চত চীনা গণ-প্ৰজাতন্ত্ৰৰ প্ৰৱেশৰ প্ৰতি অকুণ্ঠচিত্তে সমৰ্থন জনাইছিল আৰু ভাবিছিল যে ইয়াৰ দ্বাৰা সাম্ৰাজ্যবাদ-বিৰোধী মঞ্চ শক্তিশালী হ'ব আৰু ই তেওঁলোকৰ স্বাধীনতা সংগ্ৰাম সহজ কৰি তুলিব আৰু প্ৰাপ্ত স্বাধীনতা সংহত কৰিব। কিন্তু শীঘ্ৰে পৰিস্কাৰ হৈ গ'ল যে পিকিঙৰ নেতাসকলে আফ্ৰিকাত বেলেগ উদ্দেশ্য লৈহে চলিব ধৰিছে। ইতিমধ্যে সেইখিনি সময়লৈকে সমাজবাদী শিবিৰ আৰু কমিউনিষ্ট আন্দোলন দু'ফাল কৰাৰ চেষ্টাত অকৃতকাৰ্য্য হৈ, চীনা গণ-প্ৰজাতন্ত্ৰৰ মাওবাদী নেতাসকলে ছোভিয়েত ইউনিয়ন আৰু অন্যান্য সমাজবাদীদেশৰ মৰ্য্যাদা আৰু প্ৰভাৱ যাতে উন্নয়নমুখী দেশসমূহৰ জনগণৰ মাজত হেয় প্ৰতিপন্ন হয় তেনে ধৰণৰ উদ্দেশ্যপূৰ্ণ পথ গ্ৰহণৰ সিদ্ধান্ত লয়। বৃহৎ শক্তি-দম্ভতা আৰু প্ৰভুত্ববাদৰ ভিত্তিত তেওঁলোকৰ নীতি পৰিচালনা কৰি উচ্চৈঃস্বৰে বিপ্লৱী বাগাড়ম্বৰে তাক আঁৰ কৰি, পিকিঙে ১৯৬০ চনৰ প্ৰথম ছ'মাহ ধৰি স্বাধীন এফ্ৰিকান দেশসমূহ আৰু জাতীয় মুক্তি আন্দোলনৰ শক্তিসমূহক ছোভিয়েত ইউনিয়ন আৰু বিশ্ব সমাজবাদৰ লগত থকা আন্তৰ্জাতিক মৈত্ৰী ছিন্ন কৰাৰ প্ৰলোভন দিয়াৰ বাবে আৰু এই দেশবিলাক আৰু বিপ্লৱী আন্দোলনসমূহক পিকিঙৰ নিয়ন্ত্ৰণলৈ নিবৰ উদ্দেশ্যেৰে ব্যাপক নাশকতামূলক প্ৰচাৰ কাৰ্য্য চলায়। এই উদ্দেশ্যবিলাক পূৰণৰ প্ৰধান অৱলম্বন আছিল অশ্ৰাব্য ছোভিয়েত বিৰোধিতা—ছোভিয়েত সমাজবাদী ব্যৱস্থা আৰু পৰৰাষ্ট্ৰ নীতিৰ ওপৰত মিছা অপবাদ দিয়া।

ছদ্ম-মাৰ্ক্সবাদী বাক্যজালৰ আঁৰ লৈ এই মাওবাদী নীতিয়ে সাম্ৰাজ্যবাদ, ঔপনিবেশবাদ আৰু জাতি-বিদ্বেষবাদৰ বিৰুদ্ধে আফ্ৰিকাৰ

জনগণৰ সংগ্ৰাম আৰু সংহতিৰ গুৰুতৰ ক্ষতি সাধন কৰে। চীনা বিপ্লৱৰ অভিজ্ঞতা সকলোতে একে ধৰণে প্ৰয়োগ আৰু প্ৰকৃত পৰিস্থিতি আৰু আচল সম্ভাৱনাৰ বুজ-বাজ নোলোৱাকৈয়ে আফ্ৰিকা মহাদেশৰ বৈপ্লৱিক শক্তিসমূহৰ ওপৰত "জনগণৰ যুদ্ধৰ" তত্ত্ব আৰু প্ৰয়োগ কৃত্ৰিমভাবে জাপি দিয়া, এফ্ৰিকান কমিউনিষ্ট আৰু জাতীয় মুক্তি আন্দোলনৰ ভিতৰত চীনা-সমৰ্থক গোষ্ঠী গঠন কৰা, মাওবাদী প্ৰস্তাৱনাসমূহ অগ্ৰাহ্য কৰা, বৈধ চৰকাৰবোৰক উৎখাত কৰাৰ লক্ষ্যেৰে এফ্ৰিকান দেশসমূহৰ আভ্যন্তৰিণ বিষয়ত দেখাদেখি হস্তক্ষেপ কৰা — এইবিলাকেই আছিল এফ্ৰিকান দেশসমূহত মাওবাদী নীতিৰ চেহেৰা।

১৯৬১-৬৫ চনত. পিকিঙ মাওবাদীসকলে তেনে ধৰণৰ দেশপ্ৰেমিক, বিপ্লৱী গণতন্ত্ৰী পাৰ্টিসমূহ, (যেনে কেমেৰুণত পিপলচ ইউনিয়ন, নাইজাৰত ছাৱাবা পাৰ্টি আৰু জাইৰেত জাতীয় মুক্তি আন্দোলন) ভঙাত আৰু ছুফাল কৰাত বহুলাংশে যন্ত্ৰস্বৰূপ আছিল। তেওঁলোক চেনেগলৰ এফ্ৰিকান ইনডিপেনডেন্স পাৰ্টি দুৰ্বল কৰা আৰু ৰোডেছিয়া আৰু দক্ষিণ পশ্চিম এছিয়াত জাতীয় মুক্তি আন্দোলন ছুফাল কৰাৰ কাৰণে দায়ী আছিল। তেওঁলোকে পৰ্তুগীজ উপনিৱেশবিলাকত হোৱা জাতীয় মুক্তি আন্দোলন আৰু দক্ষিণ আফ্ৰিকাৰ কমিউনিষ্ট আন্দোলনৰ প্ৰতি বিৰাট ক্ষতি সাধন কৰিছে। দক্ষিণ আফ্ৰিকাৰ কমিউনিষ্ট পাৰ্টিৰ চেয়াৰমেন জন জে, বি, মাৰ্কচে ১৯৬৯ চনত কমিউনিষ্ট আৰু ওৱাৰ্কাছ পাৰ্টিসমূহৰ আন্তৰ্জাতিক সভাত কৈছিল যে চীনৰ কমিউনিষ্ট পাৰ্টিৰ নেতাসকলৰ কাৰ্য্যকলাপ "সাম্ৰাজ্যবাদৰ বিৰুদ্ধে চলা আমাৰ আন্দোলনত আঘাত দিছে" আৰু যিমান দূৰ সম্ভৱ সেই সংগ্ৰাম আগ বঢ়াই নিয়াৰ পৰিবৰ্তে বাধাহে দিছে আৰু কাৰ্য্যতঃ শত্ৰুক সাহায্য আৰু সহযোগিতা দি আছে।"

বিপ্লৱ 'উচটাই" দিয়াৰ চীনা কৌশল—এনে এক কৌশলৰ লগত মাৰ্ক্সবাদ-লেনিনবাদৰ মিল নাই। সাম্ৰাজ্যবাদীবিলাকৰে

সৈতে উভতমৰূপে খাপ খোৱা বিপ্লৱ "ৰপ্তানিকাৰক" তত্ত্ব মাৰ্ক্সবাদ-লেনিনবাদে সম্পূৰ্ণৰূপে বাতিল কৰে। আফ্ৰিকাৰ দেশসমূহত মাওবাদীসকলে লোৱা এই দুঃসাহসিক পথৰ সুবিধা সাম্ৰাজ্যবাদীহঁতে যথাসাধ্য গ্ৰহণ কৰিছিল, এই কাৰ্য্যই সিহঁতক আফ্ৰিকাৰ দেশসমূহৰ ওপৰত অৰ্থনৈতিক, ৰাজনৈতিক আৰু কূটনৈতিক হেঁচা দিবৰ কাৰণে আৰু তাত সিহঁতৰ নয়া-উপনিবেশবাদী অৱস্থান শক্তিশালী কৰাৰ কাৰণে এই দেশবোৰৰ আভ্যন্তৰিণ বিষয়ত হস্তক্ষেপ কৰাৰ এটা চেলু উলিয়াই দিছিল। সেই সময়ত সাম্ৰাজ্যবাদ এটা "কাগজৰ বাঘ বুলি চীনা নেতৃবৃন্দ এটা জুই লগোৱা তত্ত্ব প্ৰচাৰত ব্যস্ত আছিল। কিন্তু চীনা বিভেদপন্থীসকলে লোৱা পথৰ পৰিণাম নিজৰ গালৈকে উভতি অহা ফন্দুটিৰ দৰে হ'ল। ১৯৬০ চনৰ মাজভাগত কেইখনমান এফ্ৰিকান ৰাষ্ট্ৰই পিকিঙৰ লগত কূটনৈতিক সম্পৰ্ক ছিন্ন কৰে, আফ্ৰিকাৰ প্ৰগতিশীল মহলে মাওবাদী দুঃসাহসিক নীতিৰ মুখা খুলি দিয়ে। আফ্ৰিকাৰ জনগণৰ চকুত চীনৰ মৰ্য্যাদা ক্ষুণ্ণ হয় আৰু চীন বিচ্ছিন্নতাৰ ভীতিৰ সমুখীন হয়। আফ্ৰিকাত মাওবাদী নীতিৰ গুৰুতৰ পৰাজয়ৰ এই সময়ছোৱাতে চীন এফ্ৰো-এছিয়ান জনগণৰ সংহতি সংস্থাৰ (Afro-Asian People's Solidarity Organisation) পৰা ওলাই যায়। মাওবাদী দুঃসাহসিকতাৰ কাৰণে আফ্ৰিকাৰ জাতীয় মুক্তি আন্দোলনে যথেষ্ট মূল্য দিব লগা হৈছিল: সহস্ৰ সহস্ৰ স্বাধীনতা যোদ্ধা বিনাশ-প্ৰাপ্ত হৈছিল আৰু কেইটামান দেশপ্ৰেমিক সংগঠন প্ৰতিক্ৰিয়াৰ শক্তিৰ দ্বাৰা ধ্বংসপ্ৰাপ্ত হৈছিল।

"সাংস্কৃতিক বিপ্লৱৰ" সময়ত (১৯৬৬-৬৯), চীনা গণ-প্ৰজাতন্ত্ৰৰ মাওবাদী নেতাসকলে আফ্ৰিকাৰ জাতীয় মুক্তি আন্দোলনত একেবাৰেই কোনো সহায় দিয়া নাছিল, আনকি তেওঁলোকৰ বিভেদকামী আৰু দুঃসাহসিক নীতিৰ বলিদান হোৱাবোৰকো নৈতিক সমৰ্থনো জনোৱা নাছিল।

১৯৭০ আৰু ১৯৭১ চনত, তেওঁলোকৰ নিজৰ দেশত অৱস্থান সুদৃঢ় কৰি লৈ, মাও ৎছে-টুঙ আৰু তেওঁৰ জোটটোৱে আন্তৰ্জাতিক দৃশ্যপটত আফ্ৰিকাক সামৰি লৈ নতুনকৈ কাৰ্য্যকলাপ আৰম্ভ কৰে। যি হওক, তেওঁলোকৰ প্ৰভুত্ববাদী আৰু বৃহৎ শক্তিৰ উদ্দেশ্য সিদ্ধি লাভৰ কাৰণে তেতিয়াও সংকল্পবদ্ধ, মাওবাদীসকলে স্বাধীন এফ্ৰিকান দেশসমূহ আৰু স্বাধীনতা আৰু মুক্তিৰ কাৰণে যুঁজ কৰি থকা জনগণৰ সম্পৰ্কে কৌশলৰ ভালেখিনি সংশোধন কৰে।

১৯৭২ চনৰ ভিতৰত, চীনে ১৮খন এফ্ৰিকান ৰাষ্ট্ৰৰ লগত কূটনৈতিক সম্পৰ্ক স্থাপন কৰে। বৰ্ত্তমান, পিকিঙে আফ্ৰিকাৰ জাতিসমূহৰ স্বাৰ্থৰ হকে কেৱলমাত্ৰ গভীৰ অনুভূতি থকা ধৰণে ইয়াৰ বৈদেশিক নীতি চিত্ৰিত কৰিবলৈ চেষ্টা কৰিবলৈ ধৰিছে। এফ্ৰিকান-সকলৰ মনত এই বিশ্বাস স্থাপন কৰিবলৈ, চীনা নেতৃত্বই কিছুমান এফ্ৰিকীয় দেশক অধিক সুবিধাজনক চৰ্ত্তত অৰ্থনৈতিক সাহায্য দিবলৈ প্ৰস্তাৱ কৰিছে।

মাওবাদী "সাংস্কৃতিক বিপ্লৱ"ৰ ফলস্বৰূপে চীনা গণ-প্ৰজাতন্ত্ৰই যি বিচ্ছিন্নতা দেখিবলৈ পাইছিল তাৰ অৱসানৰ প্ৰচেষ্টাস্বৰূপে, চীনা গণ-প্ৰজাতন্ত্ৰৰ নেতৃবৃন্দই আফ্ৰিকাৰ জাতীয় মুক্তি আন্দোলনৰ দৃঢ় বন্ধন প্ৰতিষ্ঠাৰ কৌশল বাছি লয়। পিকিঙে ছোভিয়েত ইউনিয়ন আৰু তাৰ বৈদেশিক নীতি সম্পৰ্কে এফ্ৰিকানসকলৰ মনত সন্দেহ-অবিশ্বাস জন্মাবলৈ অহোপুৰুষাৰ্থ কৰে। আফ্ৰিকাত মাওবাদী কূটনীতিয়ে "নতুন পথ" লয়, "দুই অতি বৃহৎ শক্তিৰ প্ৰভাৱৰ বিৰুদ্ধে চীনৰ সংগ্ৰামৰ প্ৰতাৰণামূলক চেলুৰ আঁৰত, এই সংগ্ৰামলৈ এফ্ৰিকানসকলৰ মাওবাদীসকলে টানিবৰ চেষ্টা কৰিবলৈ ধৰিছে। যি হওক, চীনা নেতাসকলৰ আমেৰিকাৰ যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েত ইউনিয়নৰ প্ৰতি লোৱা নীতিসমূহৰ তুলনা কৰিলে স্পষ্ট দেখা যায় যে তেওঁলোকে কেৱল ছোভিয়েত ইউনিয়ন আৰু অন্যান্য সমাজবাদী দেশৰ বিৰুদ্ধেহে সংগ্ৰাম চলাবলৈ ধৰিছে। ভাৰত-পাকিস্তান সংঘৰ্ষ

আৰু নিৰস্ত্ৰীকৰণৰ বাবে বিশ্ব-সন্মিলন অনুষ্ঠানত আমেৰিকাৰ যুক্তৰাষ্ট্ৰ আৰু চীনৰ অৱস্থানৰ সংযোগ, দক্ষিণ আফ্ৰিকাৰ বৰ্ণ-বিদ্বেষী শাসকসকলৰ লগত বৰ্দ্ধিত গোপন অৰ্থনৈতিক সহযোগিতা, মুক্তি আন্দোলন চলোৱা বিভিন্ন এফ্ৰিকান গোটৰ স্বাৰ্থৰ প্ৰতি বিশ্বাস-ঘাতকতা—ইত্যাদি এইবিলাক আৰু অন্যান্য ঘটনাৱলীয়ে দেখুৱায় যে মাওবাদী নেতৃত্বই জাতীয় মুক্তি আন্দোলনৰ বিৰুদ্ধে সংগ্ৰামত আন্তৰ্জাতিক সাম্ৰাজ্যবাদৰ লগতে জগৰীয়া হবলৈ ধৰিছে। ১৯৭১ চনত, চুদানত যি শোকজনক ঘটনা বৈদেশিক চোৰাংচোৱা সংস্থাসমূহে আৰু সৰ্বোপৰি কেন্দ্ৰীয় গোয়েন্দা সংস্থাই (CIA) উচট্টাই দিছিল, সেই সময়ত চীনে সাম্ৰাজ্যবাদী প্ৰতিক্ৰিয়াৰ লগ লাগিছিল আৰু চুদানৰ কমিউনিষ্টসকলৰ প্ৰতি বিশ্বাসঘাতকতা কৰিছিল। তেওঁলোকৰ অসংযত ছোভিয়েত ইউনিয়ন বিৰোধী কুৎসা ৰটনাৰে মাওবাদীসকলে ছোভিয়েত ইউনিয়নৰ কমিউনিজম প্ৰতিষ্ঠাৰ আৰু অন্যান্য সমাজবাদী দেশত সমাজবাদ প্ৰতিষ্ঠাৰ মহান স্বাৰ্থক অপদস্থ কৰাৰ চেষ্টা কৰে। চীনা সমাজ জাত্যাভিমানীসকলৰ ছোভিয়েত বিৰোধিতা ইমানখিনি পাইছেগৈ যে তেওঁলোকে কয়, ছোভিয়েত ইউনিয়নে বিশ্ব-জনগণৰ বিপ্লৱ দমন কৰা নিজৰ কৰ্ত্তব্য বুলি ভাবে আৰু বলিয়াৰ দৰে আফ্ৰিকা মহাদেশত বিপ্লৱৰ জুই নুমাবলৈ এফ্ৰিকান জনগণৰ বিপ্লৱ উৎখাটৰ কাম কৰে।[৩৭]

পিকিঙৰ ছোভিয়েত-বিৰোধীসকলক আনকি সাধাৰণভাৱে জনা ঘটনায়ো জোকাৰণি দিয়া নাছিল। এঙ্গোলা, মোজাম্বিক আৰু গিনী- বিচাউক ঔপনিবেশিকবাদীসকলৰ বিৰুদ্ধে কৰা বীৰত্বপূৰ্ণ সংগ্ৰামত ছোভিয়েত ইউনিয়নে বিপুল পৰিমাণৰ আৰু সৰ্বতোমুখী সাহায্য দিছিল। ছোভিয়েত যুক্তৰাষ্ট্ৰই চিকিৎসাবিষয়ক যোগান, বাহনাদি আৰু কল-কব্জা, খাদ্য আৰু অন্যান্য প্ৰধান প্ৰয়োজনীয় দ্ৰব্যাদি মুক্ত অঞ্চলবিলাকলৈ পঠাইছিল। ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ ২৪তম কংগ্ৰেছত, "গিনিৰ আৰু কেপ ভাৰ্দৰ

এফ্রিকান স্বাধীনতা পার্টিৰ” সাধাৰণ সম্পাদক আমিলকাৰ কাব্রাল কৈছিল; “আমি মুক্তকণ্ঠে ছোভিয়েত ইউনিয়নর পৰা আমাৰ সংগ্ৰামত অধিকতম সাহায্য পাওঁ বুলি কোৱাৰ দ্বাৰা এফ্রিকান সংহতি আৰু বিশ্বৰ অন্যান্য ঔপনিবেশিকতাবিৰোধী শক্তিৰ সংহতিক তুচ্ছ কৰা নাই”।

“দুই অতি বৃহৎ শক্তি” আৰু “ধনিক” আৰু “দৰিদ্ৰ” জাতিসমূহৰ সম্পৰ্কে কৃত্ৰিমভাৱে কল্পিত তত্ত্বৰ আৱৰণৰ আঁৰত থাকি, মাওবাদীসকলে নবীন এফ্রিকান ৰাষ্ট্ৰসমূহক সমাজবাদী শিবিৰৰ পৰা বিচ্ছিন্ন কৰিবলৈ বিচাৰে, বিশ্ব-সমাজবাদী শক্তি জাতীয় মুক্তি আন্দোলন আৰু আন্তৰ্জাতিক শ্ৰমিক আন্দোলনৰ যি মৈত্ৰীয়ে সঘনে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে আৰু জনগণৰ শান্তি আৰু প্ৰগতিৰ সপক্ষে শক্তি প্ৰদৰ্শন কৰিছে তাক ফালাফালি আৰু দুৰ্বল কৰিবলৈ বিচাৰে। সমাজবাদৰ পৰা জাতীয় মুক্তি আন্দোলনক বিচ্ছিন্ন কৰাৰ অৰ্থ কি হব পাৰে? ইয়াৰ অৰ্থ হব পাৰে সাধাৰণ এক শত্ৰু সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যি এটা বিপ্লবী শক্তিৰ ঐক্য আছে তাক বিচ্ছিন্ন কৰা। ইয়াৰ অৰ্থ হব, লেনিনে সমাজবাদী বিপ্লৱ আৰু জাতীয় মুক্তি আন্দোলনৰ ঐক্যৰ প্ৰয়োজনীয়তা সম্পৰ্কে কোৱা নিৰ্দেশনামাৰ বিৰুদ্ধে কাম কৰা। কাৰ্য্যক্ষেত্ৰত তেনে ধৰণৰ বিচ্ছেদৰ অৰ্থ হব, সাম্ৰাজ্যবাদৰ হাতলৈ জাতীয় মুক্তি আন্দোলনক অকলে এৰি দিয়া।

চীনা বিভেদপন্থীসকলৰ জাতীয় মুক্তি আন্দোলনত ধ্বংসাত্মক কাৰ্য্যকলাপে জাতীয় মুক্তি আন্দোলন সমাজবাদী বিপ্লৱলৈ বিকশিত হবলৈ দিয়াত ব্যাঘাত জন্মায়। পিকিঙে মহাদেশখনৰ সকলো সাম্ৰাজ্যবাদবিৰোধী শক্তিৰ এটা সমাজবাদবিৰোধী মোৰ্চাত লীন হোৱাত বাধা জন্মাবলৈ অহোপুৰুষাৰ্থ কৰে। ই এফালে এফ্রিকান দেশসমূহ আৰু ছোভিয়েত ইউনিয়ন আৰু অন্যান্য সমাজবাদী ৰাষ্ট্ৰসমূহৰ মাজত গঢ়ি উঠিবলৈ ধৰা বন্ধুত্ব আৰু

সহযোগিতাক আৰু আনফালে এই যি নিৰ্ভুল একতাই আৰু সহযোগিতাই আফ্ৰিকাৰ আন্দোলনক প্ৰগতিৰ বাটেদি আগবঢ়াও শক্তিশালী প্ৰেৰণা যোগায় তাক তলে তলে নাশ কৰাৰ চেষ্টা কৰে। যি হওক পিকিঙ বিভেদপন্থীসকলৰ কাৰণে উন্নয়নমুখী দেশসমূহৰ লগত বন্ধুত্ব আৰু সহযোগিতাৰ ধ্বনিৰ অৰ্থ আন্তৰ্জাতিক মঞ্চত সিহঁতৰ প্ৰভুত্বকামী লক্ষ্য লাভ কৰাৰ এটি পন্থাৰ বাহিৰে আন একো নহয়। ১৯৬৯ চনৰ কমিউনিষ্ট আৰু ওৱাৰ্কাছ পাৰ্টি-বিলাকৰ আন্তৰ্জাতিক সভাত মাওবাদীসকলে মাৰ্ক্সবাদৰ পৰাকাষ্ঠা ৰূপে ভৰা মাওৰ চিন্তাধাৰাসমূহ সম্পৰ্কে ফৰাছী কমিউনিষ্ট পাৰ্টিৰ সাধাৰণ সম্পাদক ওৱালদেক ৰোচে কৈছিল: মাওবাদ অথবা এংস্কিবাদী গোষ্ঠীবিলাকৰ বামপন্থী বিচ্যুতিৰ বৈশিষ্ট্য হৈছে এক কল্পিত চিন্তাধাৰা, যি অধৈৰ্য্যক ৰণনীতিত পৰ্য্যবসিত কৰে। ই অৰ্থনৈতিক আৰু ৰাজনৈতিক সংগ্ৰামৰ মাজত, গণতন্ত্ৰ আৰু সমাজবাদৰ সংগ্ৰামৰ মাজত থকা সম্পৰ্কক অস্বীকাৰ কৰে। বৃহৎ পুঁজিৰ পৰা লাঞ্ছনা পোৱা শ্ৰমিকশ্ৰেণী আৰু অন্যান্য সামাজিক গোটৰ মাজত ঐক্যৰ বিৰোধিতা কৰে। এংস্কিৰ দৰে, ই তৰুণসকলক বুজাবলৈ যত্ন কৰে যে তৰুণসকলেই হৈছে পৃথিবীৰ ভৰসা আৰু শ্ৰেণী সংগ্ৰামবিলাকৰ ঠাইত তথাকথিত পুৰুষানুক্ৰমিক সংঘৰ্ষ ঠাই দিব বিচাৰে। বামপন্থী বিচ্যুতিয়ে বুৰ্জোৱাৰ গাত ইয়াৰ প্ৰধান আঘাত নাহানি গণতান্ত্ৰিক কেন্দ্ৰীকৰণৰ ভিত্তিত গঠিত পাৰ্টি সংগঠনৰ বিৰুদ্ধে পেটি-বুৰ্জোৱা নৈৰাজ্যবাদক স্থাপন কৰি সৰ্বহাৰাৰ পাৰ্টি কমিউনিষ্ট পাৰ্টিৰ বাবে আঘাত হানে"।[৪০]

পিকিঙৰ মাওবাদীসকলে তেওলোঁকৰ ধ্বংসাত্মক কাৰ্য্যকলাপ চলাওঁতে চৰমপন্থী জাতীয়তাবাদী আৰু গোষ্ঠীগত বিদ্বেষৰ উপাদান-সমূহৰ ভৰসা ৰাখে। কেতিয়া কেতিয়াবা চীনা জনগণ আৰু এছিয়া আৰু আফ্ৰিকাৰ জনগণৰ "সাধাৰণ ভাগ্য"ৰ বাহুল্যেৰে তেওঁলোকৰ নীতিৰ প্ৰকৃত উদ্দেশ্য লুকুৱাবলৈ সমৰ্থ হয়। গতিকে, উদাহৰণ-

স্বৰূপে, তেওঁলোকৰ প্ৰচাৰত বিভ্ৰান্ত হৈ আলজিৰিয়া আৰু অন্যান্য দেশৰ সমাজবাদমুখী বিপ্লৱী চেতনাসম্পন্ন পেটি-বুৰ্জোৱা ব্যক্তিয়ে বিবৃতি যোগে কৈছে যে চীনা গণপ্ৰজাতন্ত্ৰৰ অস্ত্ৰসজ্জা এটি "শান্তি সুদৃঢ় কৰাৰ উপাদান"।

এনে ধৰণৰ বিবৃতিকাৰীসকলে চীনৰ সামৰিকীকৰণ আৰু ইয়াৰৰ শাসকগোষ্ঠীৰ বৃহৎ-শক্তি লক্ষ্য পূৰণৰ চেষ্টা সমগ্ৰ জাতীয় মুক্তি আন্দোলনৰ বিৰুদ্ধে যে স্থাপিত সেই বিপদ দেখি নাপায়।

লেনিনবাদ-বিৰোধী যি পন্থাই সমাজবাদৰ পথলৈ বিপ্লৱী পৰিবৰ্তনৰ প্ৰয়োজনীয় আৰু অৱধাৰিত পৰ্য্যায়বোৰ জাপ মাৰি পাৰ হবলৈ জঘন্য ছোভিয়েত বিৰোধিতা কৰিবলৈ আহ্বান জনায় আৰু ছোভিয়েত ইউনিয়ন আৰু সদ্য-স্বাধীন দেশবোৰৰ মাজত বৰ্দ্ধিত সমতাপূৰ্ণ সহযোগিতা দুৰ্বল কৰাৰ চেষ্টা চলায়—তাৰ আটাইবিলাক অভিব্যক্তিয়েই এছিয়া আৰু আফ্ৰিকাত সমাজবাদী ৰূপান্তৰৰ কাৰণে বিপদ স্বৰূপ আৰু ই কেবল সাম্ৰাজ্যবাদী শক্তিবোৰৰ নয়া-ঔপনিবেশিকবাদী নিয়ন্ত্ৰণ বৃদ্ধিতহে সহায় কৰে।

সমাজবাদ সম্পৰ্কে অ-সৰ্বহাৰা ধাৰণাসমূহৰ মাৰ্ক্সবাদী-লেনিনবাদী মূল্যায়ন। গামাল আব্দেল নাছেৰৰ ধাৰণাসমূহৰ ক্ৰমবিকাশৰ চমৎকাৰ উদাহৰণ

যিবোৰ সদ্য-স্বাধীন দেশত কোন পথেদি বিকাশ সাধন কৰা হব তাক বাছি লোৱাৰ বাবে তীব্ৰ আদৰ্শগত সংগ্ৰাম চলি থকা সময়ত বিপ্লৱী গণতন্ত্ৰীসকলৰ মনোভাৱ সাধাৰণতে এটা ক্ৰমবিকাশৰ প্ৰক্ৰিয়াৰ মাজেদি গৈ থাকে, সেইবোৰ দেশৰ কাৰণে মাওবাদ বিশেষভাৱে

বিপদস্বৰূপ। মাৰ্ক্সবাদী-লেনিনবাদীসকলে সমাজবাদ সম্পৰ্কে থকা অ-সৰ্বহাৰা চিন্তাধাৰাক দ্বন্দ্বমূলকভাৱে বিচাৰ কৰে। লেনিনে তেনেধৰণে বিচাৰ কৰাৰ এক উজ্জ্বল উদাহৰণ তেওঁৰ লেখা নাৰোদনিজমৰ অৰ্থনৈতিক উপাদান আৰু মিঃ ষ্ট্ৰুভেৰ কিতাপত ইয়াৰ সমালোচনাত, তেওঁ পৰীক্ষা আৰু মূল্যায়ন কৰি কৈছে নাৰোদনিজমক বাছিয়াৰ পেটি বুৰ্জোৱা কৃষক গণতন্ত্ৰৰ মনোভাৱৰ অভিব্যক্তি বুলি কৈছে। তেওঁ ব্যাখ্যা কৰি কৈছে যে যেতিয়া অ-সৰ্বহাৰা সমাজবাদৰ মতাদৰ্শকে ধৰি কোনো বিশ্লেষণ আৰু পৰিমাপ কৰা হয় তেতিয়া কেতবোৰ প্ৰয়োজনীয়তা পূৰণ কৰা হব লাগিব।

প্ৰথম প্ৰয়োজনীয়তা। ইতিহাসৰ বস্তুবাদী ধাৰণা এই প্ৰতিপাদ্যৰ পৰাই পোৱা যায় যে মানুহে যি কোনো মানসিক ক্ৰিয়াত—যেনে দৰ্শন, ৰাজনীতি, বিজ্ঞান, ধৰ্ম ইত্যাদিত লিপ্ত হোৱাৰ আগতে—তেওঁৰ খাদ্য, পানীয়, বস্ত্ৰ লাগিব, বাসস্থান লাগিব, অৰ্থাৎ তেওঁ ভবাৰ আগতে আৰু তেওঁ ভবাৰ কাৰণে মানুহে বৈষয়িক সম্পদ উৎপাদন কৰিব লাগিব। গতিকে, বৈষয়িক সম্পদ উৎপাদনৰ উপায় হৈছে জীৱন আৰু মানৱ সমাজ বিকাশৰ ভিত্তি। মানুহবোৰৰ সামাজিক জীৱন তেওঁলোকৰ চেতনাৰ দ্বাৰা নিৰ্ণীত নহয়, পক্ষান্তৰে তেওঁলোকৰ সামাজিক জীৱনেহে তেওঁলোকৰ চেতনাসমূহক নিৰ্ণয় কৰে। গতিকে সামাজিক চেতনাৰ পৰিবৰ্ত্তন আৰু বিকাশৰ গুৰি বিচাৰিব লাগিব, চেতনাসমূহৰ ভিতৰত নহয়, ভাববোৰৰ ভিতৰত নহয়—সামাজিক জীৱনৰ ভিতৰতহে। এই অনুভূতিৰ ফালৰ পৰা লেনিনে বিচাৰিছিল "যে সামাজিক ভাৱধাৰাবোৰক সামাজিক-অৰ্থনৈতিক সম্পৰ্ক হিচাপে ব্যাখ্যা কৰা হওক", আৰু গুৰুত্ব দি কৈছিল যে " "এয়া কৰা নহলে আনকি নাৰোদনিজমৰ তত্ত্বগত ভাৱধাৰাবোৰ একেবাৰেই বুজা সম্ভৱ নহব"।[৪১]

দ্বিতীয় প্ৰয়োজনীয়তা। অৰ্থনীতিৰ অতি কেন্দ্ৰীভূত অভিব্যক্তি

হৈছে ৰাজনীতি, অৰ্থাৎ প্ৰধানতঃ শ্ৰেণীসমূহৰ মাজৰ সম্পৰ্কৰ কথা মনত ৰাখি লেনিনে তত্ত্ব সম্পৰ্কে অপৰিচ্ছন্ন, ভাবাবেগপূৰ্ণ, অ-শ্ৰেণীবাদী বিশ্লেষণ অগ্ৰাহ্য কৰিছিল ঃ "নাৰোদবাদী ভাৱধাৰাবোৰ সাধাৰণভাৱে" তেওঁ লিখিছিল 'ক্ষুদ্ৰ উৎপাদকসকলৰ স্বাৰ্থ আৰু মতামত তেওঁলোকে প্ৰতিফলিত কৰাৰ পৰিণাম আৰু একেবাৰেই খাঁটি চিন্তাৰ ফল নহয়" ।[৪২]

লেনিনে টানি কৈছিল যে এটি তত্ত্ব সঠিকভাবে বিশ্লেষণৰ কাৰণে সম্পূৰ্ণৰূপে প্ৰয়োজন প্ৰথমতে সেই তত্ত্বই যি শ্ৰেণীৰ স্বাৰ্থ ব্যক্ত আৰু ৰক্ষা কৰিব খুজিছে সেই শ্ৰেণীৰ সমাজত বাস্তৱ অৱস্থাৰ মূল্যায়ন প্ৰয়োজন। তেওঁ এই সত্য প্ৰতিষ্ঠা কৰিছিল যে পেটি বুৰ্জোৱা, ক্ষুদ্ৰ উৎপাদকসকলৰ স্বাৰ্থৰ প্ৰতিফলনে হৈছে নাৰোদনিজমৰ সাৰ কথা। পুঁজিবাদী ৰুছিয়াৰ সংস্কাৰ পৰবৰ্ত্তী যুগত ক্ষুদ্ৰ উৎপাদকসকলৰ প্ৰাদুৰ্ভাবে আছিল নাৰোদনিজমৰ গুৰি।"[৪৩]

তৃতীয় প্ৰয়োজনীয়তা। এয়া এজন মাৰ্ক্সবাদীৰ কাৰণে এই শ্ৰেণীটোক আজি কি অৱস্থাত আছে কেবল সেই অৱস্থাতে নহয়, কাইলৈ কি অৱস্থাত যাব সেই দৃষ্টিভঙ্গীৰে চাব লাগিব। অৰ্থাৎ ইয়াৰ বৰ্ত্তমান আৰু ভৱিষ্যত বিৰোধসমূহ জনা আৰু তত্ত্বৰ ক্ষেত্ৰত সিবিলাকক বিবেচনা কৰা।

লেলিনে নিৰ্দেশ কৰামতে নাৰোদনিক তত্ত্বৰ বাহন হৈছে ক্ষুদ্ৰ মালিক, যি সিমানখিনিলৈকে প্ৰগতিশীল উপাদান, যিমানখিনি তেওঁ "সমাজৰ পৰা পাৰ্থক্য" কৰিবলৈ ধৰে, আৰু এটি প্ৰতিক্ৰিয়াশীল উপাদান, যিহেতুকে তেওঁ ক্ষুদ্ৰ মালিক হিচাপে নিজৰ অৱস্থান ৰক্ষা কৰিবলৈ সংগ্ৰাম কৰে আৰু অৰ্থ নৈতিক বিকাশৰ গতিৰোধ কৰিবলৈ বিচাৰে। "গতিকে ৰুছ নাৰোদনিজমেও" লেনিনে টানি কোৱা মতে, "ইয়াৰ মতবাদত প্ৰগতিশীল, গণতান্ত্ৰিক বৈশিষ্টাক প্ৰতিক্ৰিয়াবাদী বৈশিষ্ট্যৰ লগত যুক্ত কৰিবলৈ সক্ষম।"[৪৪]

চতুৰ্থ প্ৰয়োজনীয়তা। এই তত্ত্বক অধিবিদ্যাগত ধৰণে কিবা

স্থিৰ আৰু অপৰিবৰ্ত্তনীয় বুলি বিচাৰ নকৰি, দ্বন্দ্বমূলকভাৱে বিচাৰ কৰিব লাগিব; অৰ্থাৎ, অৰ্থ নৈতিক আৰু শ্ৰেণী সম্পৰ্কৰ ক্ৰমবিকাশৰ ওপৰত ভিত্তি কৰা ইয়াৰ আচল অথবা সম্ভাব্য ক্ৰমবিকাশৰ দৃষ্টিকোণৰ পৰা বিচাৰ কৰিব লাগিব। যেতিয়া ৰুছিয়াত তথাকথিত "বৈধ মাৰ্ক্সবাদৰ মুখ্য তত্ত্ববাগীশ পিয়োতোৰ ষ্ট্ৰুভেই নাৰোদবাদক "জাতীয় সমাজবাদ" বুলি আখ্যাত কৰিছিল, তেতিয়া লেনিনে মৌলিকত্ব থকা এটি গুৰুত্বপূৰ্ণ মন্তব্য কৰি কৈছিল: "'জাতীয়'ৰ পৰিবৰ্ত্তে" তেওঁ পূৰণি ৰুছ নাৰোদবাদৰ উল্লেখক্ৰমে 'কৃষক' বুলি কব লাগিছিল " — ১৮৬০'ৰ আৰু ১৮৭০'ৰ দশকৰ নাৰোদবাদ আছিল, পুঁজিবাদে যেতিয়া ৰাছিয়াত কেৱল প্ৰথম খোজ মেলিব ধৰিছিল, পেটি বুৰ্জ্জোৱা চৰিত্ৰৰ কৃষিকাৰ্য্য তেতিয়াও আত্মপ্ৰকাশ কৰা নাছিল আৰু নাৰোদবাদে "জনগণৰ মাজলৈ গৈছিল" আৰু নাৰোদবাদ আছিল বৈপ্লৱিক।[৪৫]

গতিকে লেনিনে "জাতীয় সমাজবাদৰ" ধাৰণা বাতিল কৰি দিছিল আৰু বৰং, শ্ৰেণী সমাজবাদৰ কথা কৈছিল—"কৃষক" অথবা "পেটি-বুৰ্জ্জোৱা সমাজবাদৰ কথা। নাৰোদবাদৰ তত্ত্বত থকা এই বৈপৰীত্য—অৰ্থাৎ প্ৰগতিশীল আৰু প্ৰতিক্ৰিয়াবাদী দুয়ো বৈশিষ্ট্যৰে উপস্থিতি, লেনিনৰ মত অনুযায়ী, প্ৰথমটোৱে আৰু তাৰ পিছত দ্বিতীয়টোৱে সৰ্বহাৰাৰ সমাজবাদৰ পিনে অথবা বুৰ্জোৱা উদাৰতাৰ পিনে উত্তৰণৰ সম্ভাৱনা জোৰদাৰ স্থিৰ নিশ্চিত কৰে।[৪৬]

পঞ্চম প্ৰয়োজনীয়তা। অত্যন্ত পৰিষ্কাৰভাবে "বুৰ্জ্জোৱাসকলৰ বামমুখী দোল আৰু সৰ্ব্বহাৰাৰ কৰ্ত্তব্যসমূহ" শিতানৰ প্ৰবন্ধত প্ৰথম ৰুছ বুৰ্জ্জোৱা গণতান্ত্ৰিক বিপ্লৱ আৰু তাৰ অভিজ্ঞতাৰ ভিত্তিত লেনিনে লিখিছিল। সেই সময়ত মেনছেভিকসকলে এই বিপ্লৱৰ নেতা সৰ্ব্বহাৰা আৰু শ্ৰমজীৱী কৃষকসকলৰ মাজত এটি মৈত্ৰীবন্ধন হোৱাত বাঁধা দিবলৈ চেষ্টা কৰি আছিল আৰু শেষোক্তসকলৰ ওপৰত বুৰ্জ্জোৱাসকলৰ নেতৃত্ব জাপি দিব খুজিছিল। তেওঁলোকে

এই মত পোষণ কৰিছিল যে এই জনগণ আছিল সম্পূৰ্ণ পেটি বুৰ্জোৱা কল্পনাবিলাসী, যথা মাটিৰ সমাজিকৰণ অথবা সমানভিত্তিক মাটিৰ পট্টনৰ আহ্বান জনাই তেওঁলোকৰ মাটিৰ সংগ্ৰাম অসঙ্গত প্ৰতিক্ৰিয়াবাদী ধ্বনিৰ অধীনত চলিছিল, আৰু সেই গতিকে তেওঁলোকৰ সংগ্ৰামে বিপ্লৱ দুৰ্বল কৰিছে আৰু তেওঁলোকৰ জয়লাভ হব গাওঁ অঞ্চলৰ ওপৰত চহৰৰ প্ৰতিক্ৰিয়াবাদী জয়লাভ। "ত্ৰুদোভিক কৃষকসকলৰ তেনে এটি মূল্যায়নে" লেনিনে কৈছিল "মাৰ্ক্সবাদৰ জঘন্য অবমাননাকৰ বিকৃতি সাধন কৰে " এজন মাৰ্ক্সবাদীয়ে আচলতে মিছা, কাল্পনিক আৰু প্ৰতিক্ৰিয়াবাদী নাৰোদনিক মতবাদৰ আবৰণৰ তলত থকা সমসাময়িক সমগ্ৰ মাটি-মালিকানা ব্যৱস্থাৰ বিৰুদ্ধে সংগ্ৰামৰ আচল তাৎপৰ্য্য ধৰিব নোৱাৰি তাক সমাজবাদী মতবাদ হিচাপে ধাৰণা কৰাটো অতি বেয়া ধৰণৰ মত প্ৰচাৰ বুলি কব পাৰি .. [৪৭]।

লেনিনে কাল্পনিক সমাজবাদী নাৰোদনিক তত্ত্বক সম্পূৰ্ণতঃ এটা কচ্ছ ঘটনা বুলি নধৰি, অনিবাৰ্য্য আন্তৰ্জাতিক ঘটনাৰ বিকাশ হিছাপে বুজিছিল। ১৯১২ চনত তেওঁ লিখা "চীনত গণতন্ত্ৰ আৰু নাৰোদনিজম" প্ৰৱন্ধত "এছিয়াৰ আধুনিক বুৰ্জোৱা বিপ্লৱত গণতন্ত্ৰ আৰু নাৰোদনিজমৰ সম্পৰ্ক"[৪৮] পৰীক্ষা কৰিছিল। তেওঁ অনুভৱ কৰিছিল যে ছান ইয়াৎছেনৰ দিনত নাৰোদনিজম আছিল চীনৰ বৈশিষ্ট্য আৰু সৰ্ব্বোপৰি প্ৰাচ্যৰ যি কোনো দেশৰে উদাহৰণ হব। এই ধাৰণা যে সঠিক সি গামেল আব্দেল নাছেৰৰ মনোভাৱৰ ক্ৰমবিকাশেই প্ৰতিপন্ন কৰিছে।

সমাজবাদী ব্যৱস্থাৰ উদ্ভৱ, পুঁজিবাদী দেশসমূহৰ শ্ৰমিক শ্ৰেণীৰ বিপ্লৱী আন্দোলনৰ উৰ্দ্ধমুখী গতি, আৰু ১৯৪০'ৰ দশকৰ শেষৰ ফালে আৰু ১৯৫০'ৰ দশকৰ আৰম্ভণিতে উপনিবেশ আৰু আধা-উপনিবেশবিলাকত জাতীয় মুক্তি আন্দোলনৰ চূড়ান্ত পৰিণতি লাভৰ বিপুল প্ৰভাৱ মিছৰৰ আভ্যন্তৰিণ পৰিস্থিতিৰ ওপৰত

পৰিছিল। বিশ্ব প্ৰগতিবাদী শক্তিৰ জকমকীয়া সাফল্যবিলাকৰ প্ৰত্যক্ষ প্ৰভাৱত মিছৰীয় বিপ্লৱত যিসকলে নতুন দৃষ্টিভঙ্গী গ্ৰহণ কৰি জাতীয় মুক্তিৰ ক্ষেত্ৰত শীঘ্ৰে এটা অৱস্থান লবলৈ ধৰিছিল সেইসকলৰ বাবে এটা প্ৰয়োজনীয় অৱস্থা সৃষ্টি হৈ আছিল।

মিছৰৰ আৰৱ প্ৰজাতন্ত্ৰই প্ৰাচ্যৰ উন্নয়নমুখী দেশসমূহৰ মাজত এক বিশেষ স্থান অধিকাৰ কৰি আছে—যিহেতু মিছৰে প্ৰগতিশীল বিকাশৰ পথ অৱলম্বন কৰিছে আৰু গভীৰতৰ সামাজিক অৰ্থনৈতিক পৰিবৰ্ত্তনৰ সাধাৰণ লক্ষ্য-স্বৰূপে সমাজবাদী সমাজ নিৰ্মাণৰ ঘোষণা কৰিছে। মধ্য প্ৰাচ্য আৰু আফ্ৰিকাৰ দেশসমূহৰ ভিতৰত উপ-নিবেশবাদৰ শৃঙ্খল ছিঙি ওলাই অহা দেশসমূহৰ ভিতৰত এইখনেই প্ৰথম দেশ। নাছেৰৰ নেতৃত্বত ১৯৫২ চনৰ ২৩ জুলাইত জাতীয় মুক্তি বাহিনীৰ জয়লাভ এটা সাম্ৰাজ্যবাদবিৰোধী, সামন্তবাদবিৰোধী বিপ্লৱ আৰম্ভ কৰাৰ চিন্ স্বৰূপ আছিল। এই বিপ্লৱে এই আৰবীয় দেশখনৰ জনগণৰ জীৱনৰ প্ৰতিটো দিশ প্ৰভাৱিত কৰিবলৈ বিচাৰিছিল ১৯৫২ চনৰ ৯ চেপ্টেম্বৰত ঘোষণা কৰা কৃষি-সংস্কাৰ সদ্য গঠিত মিছৰীয় চৰকাৰৰ প্ৰথম গুৰুত্বপূৰ্ণ বিপ্লৱী কাৰ্য্য আছিল, যি আধা-সামন্ত মাটি মালিক আৰু মিছৰৰ বৃহৎ পুঁজিবাদী কপাহৰ বাণিজ্য কৰি আৰু কপাহজাত উৎপাদনৰ প্ৰক্ৰিয়া সমাধা কৰি মিছৰৰ খেতিয়কৰ কাম আৰু তেজৰ বিনিময়ত নোদোকা হৈ পৰিছিল তেওঁলোকৰ গাত ই এটা আঘাতহে আছিল।

১৯৫৪ চনৰ চেপ্টেম্বৰ মাহত মিছৰৰ পৰা ব্ৰিটিছ সৈন্যবাহিনী উঠাই অনাৰ চুক্তিখনে বিদেশী প্ৰভুত্বৰ পৰা দেশখনক মুক্ত কৰাৰ ভিত্তি স্থাপন কৰে। যি নাছেৰে অক্লান্তভাবে মধ্যপ্ৰাচ্যত সাম্ৰাজ্যবাদী শক্তিবোৰৰ চক্ৰান্তৰ বিৰুদ্ধে যুঁজ দিছিল সেই নাছেৰেই চুক্তিখন চহী কৰে। বাগদাদ চুক্তি আৰু অন্যান্য ৰাজনৈতিক আৰু আক্ৰমণমুখী পছিমীয়া পৰিকল্পনাৰ বিৰুদ্ধে তেওঁৰ যুঁজ স্বদেশ আৰু তাৰ মুক্তিৰ নিমিত্তে নিঃস্বাৰ্থ অৱদানৰ এটি উদাহৰণ স্বৰূপে

ইতিহাসত স্মৰণীয় হৈ আছে। নাছেৰে সঠিকভাৱে কালৰ অন্যতম এটি গুৰুত্বপূৰ্ণ বৈশিষ্ট্য—উন্নয়নমুখী দেশ আৰু সমাজবাদী দেশসমূহৰ উমৈহতীয়া স্বাৰ্থ ধৰিব পাৰিছিল। ১৯৫৫ চনতেই তেওঁ চৰমভাৱে সজাগ হৈছিল যে মিছৰৰ বিপ্লৱ আৰু সাধাৰণভাৱে আৰব জাতিৰ পুনৰজাগৰণৰ কাৰণে বিশ্ব বিপ্লৱী শক্তিসমূহৰ পুৰোধা বিশ্ব সমাজবাদী সমাজৰ ওপৰত বিশ্বাস স্থাপন অতি গুৰুত্বপূৰ্ণ। সেই সময়ত মিছৰীয় জনগণে জোট আৰু আগ্ৰাসী চুক্তিবোৰৰ বিৰুদ্ধে প্ৰত্যাহ্বান জনাইছিল। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ব্ৰিটেনৰ সাম্ৰাজ্যবাদী নীতিৰ লগ ধৰি "মধ্য প্ৰাচ্যৰ উমৈহতীয়া প্ৰতিৰক্ষাৰ" তথাকথিত ব্যৱস্থাত অংশ গ্ৰহণৰ পছিনীয়া প্ৰস্তাৱক মিছৰে প্ৰত্যাখ্যান কৰিছিল।

মিছৰীয় জনগণৰ জাতীয় মৰ্য্যাদা আৰু মিছৰৰ স্বাধীন ৰাজনৈতিক পথৰ নিদৰ্শন স্বৰূপে ৰাষ্ট্ৰপতি নাছেৰে সাম্ৰাজ্যবাদীবিলাকৰ ওচৰত ঘৃণাৰ পাত্ৰ হৈছিল। মিছৰ আৰু ছোভিয়েত ইউনিয়নৰ ঐক্যবদ্ধতা আৰু উপনিবেশবাদ আৰু নয়া-উপনিবেশবাদৰ বিৰুদ্ধে সংগ্ৰামী দেশ হিছাপে আন্তৰ্জাতিক ৰঙ্গমঞ্চত মিছৰৰ প্ৰৱেশ আৰব জনগণৰ মুক্তি আন্দোলনত তাৰ বিপ্লৱী ভূমিকা বৃদ্ধি কৰিছিল। সাম্ৰাজ্যবাদ-বিৰোধী ভিত্তিত এফ্ৰো-এছীয় সংহতি বৃদ্ধিত নাছেৰে যথেষ্ট কৰিছিল। এই ক্ষেত্ৰত ১৯৫৫ চনত তেওঁৰ বান্দুঙলৈ যাত্ৰা বিশেষ গুৰুত্বপূৰ্ণ আছিল। প্ৰথম এফ্ৰো-এছীয় সন্মিলনত মিছৰীয় প্ৰতিনিধিদলে লোৱা যথাৰ্থ ভূমিকাই এফ্ৰো-এছীয় দেশসমূহৰ এটি সাম্ৰাজ্যবাদ-বিৰোধী মোৰ্চা (ফ্ৰণ্ট) গঠনত সহায় কৰে।

১৯৫৬ চনৰ জুলাই মাহত আমেৰিকাৰ যুক্তৰাষ্ট্ৰ আৰু ব্ৰিটেন মিছৰে বাছি লোৱা পথৰ পৰা উভতি আহিবলৈ বাধ্য কৰাৰ আশাৰে উচ্চ আছোৱান বান্ধৰ প্ৰাথমিক অংশ নিৰ্মাণত মিছৰক ঋণ দিবলৈ অস্বীকাৰ কৰে। সাম্ৰাজ্যবাদী শক্তিবোৰৰ এই প্ৰৰোচনা-মূলক হেঁচাৰ জৱাবত মিছৰে ছুৱেজ খাল কোম্পানি জাতীয়কৰণ কৰে। মিছৰীয় চৰকাৰৰ এই ন্যায্য কাৰ্য্যৰ প্ৰতিক্ৰিয়াস্বৰূপে

ইজৰায়েল, ব্রিটেন আৰু ফৰাছীয়ে তিনিমুখীয়া আক্রমণ চলায়। মিছৰৰ সেই বিপদকালত। ছোভিয়েত যুক্তৰাষ্ট্ৰ আৰু অন্যান্য সমাজবাদী দেশে মিছৰীয় জনগণৰ ন্যায্য স্বাৰ্থৰ সমৰ্থনত দৃঢ় ব্যৱস্থা গ্ৰহণ কৰে।

১৯৬০ চনত দেশৰ প্ৰধান বেঙ্কসমূহ মিছৰীয় ৰাষ্ট্ৰৰ হাতলৈ যায়, আৰু ১৯৬১ চনত মিছৰীয় বৃহৎ আৰু মজলীয়া বুৰ্জোৱাসকলৰ কৰায়ত্ত ফেক্টৰী, বীমা কোম্পানি আৰু বহুত শিল্প আৰু অন্যান্য কোম্পানিক পূৰ্ণতঃ অথবা অংশতঃ জাতীয়কৰণ কৰা দেখিবলৈ পোৱা যায়।

বিদেশী কোম্পানিবোৰৰ মিছৰীয়কৰণ আৰু ছুৱেজ খাল কোম্পানিৰ জাতীয়কৰণে মিছৰত বিদেশী পুঁজিৰ প্ৰাধান্য খৰ্ব্ব কৰাত সহায় কৰে আৰু দেশৰ পৰিকল্পিত অৰ্থনৈতিক বিকাশৰ ভিত্তি, শিল্পক্ষেত্ৰত ৰাষ্ট্ৰীয় খণ্ড প্ৰতিষ্ঠা সম্ভৱ কৰি তোলে। ১৮৬১-৬৫ চনত ৰাষ্ট্ৰপতি নাছেৰৰ নেতৃত্বত মিছৰৰ জনগণে বৃহৎ বুৰ্জোৱাসকলৰ সম্পত্তি জাতীয়কৰণ কৰি আৰু মজলীয়া বুৰ্জোৱা-সকলৰ সম্পত্তি অংশতঃ জাতীয়কৰণ কৰি (কমপ্ৰেজেৰ) বুৰ্জোৱা-সকলৰ ধ্বংসাত্মক কাৰ্য্যৰ জবাব দিয়ে। একে লগতে মিছৰীয় জীৱনৰ অন্যান্য ক্ষেত্ৰত গভীৰ সামাজিক পৰিবৰ্ত্তন সাধন হ'বলৈ ধৰে।

জাতীয়-কৰ্ম চনদ গ্ৰহণেৰে আৰু শ্ৰমিক, কৃষক (ফেল্লাহ), গণতান্ত্ৰিক বুদ্ধিজীৱী আৰু অন্যান্য দেশপ্ৰেমিকসকলৰ সাধাৰণ মোৰ্চাৰ ভিত্তিস্বৰূপ আৰৱ ছচিয়েলিষ্ট ইউনিয়ন গঠনেৰে মিছৰে সমাজবাদ-অভিমুখী পথেদি যাত্ৰা আৰম্ভ কৰে, যাৰ ফলত এখন সমাজবাদী সমাজ প্ৰতিষ্ঠাৰ সম্ভাৱনাৰ দুৱাৰ মুকলি হৈ পৰে।

আৰৱ দেশসমূহৰ বিৰুদ্ধে ইজৰায়েলী আক্ৰমণৰ সময়লৈকে জুন ১৯৬৭', নাছেৰৰ নেতৃত্বত মিছৰে তাৰ জাতীয় শিল্প (শিল্প উৎপাদনৰ পৰিমাণ ১৯৫২ চনৰ তুলনাত ৪০০ শতাংশ বৃদ্ধি পাইছিল), কৃষি আৰু সংস্কৃতিত বিকাশ সাধনত গুৰুত্বপূৰ্ণ সফলতা

অৰ্জন কৰিছিল। ছোভিয়েত ইউনিয়ন আৰু অন্যান্য সমাজবাদী দেশৰ সহযোগিতাৰে মিছৰে অৰ্থনীতিৰ নতুন নতুন গুৰুত্বপূৰ্ণ শাখা আৰু দেশৰ বৈদ্যুতিকৰণৰ ভিত্তি প্ৰস্তুতিৰ কাম আৰম্ভ কৰিছিল। যথা, আছোৱান হাইড্ৰো ইঞ্জিনিয়াৰীং কমপ্লেক্স। লগে লগে, ঔদ্যোগিক সৰ্বহাৰা সংখ্যাগত আৰু আদৰ্শগত দুইভাবেই বাঢ়িবলৈ ধৰিছিল। কৃষকসকলক সমবায়সমূহৰ মাজত সংগঠিত কৰাৰ পথ অনুসৃত হবলৈ ধৰিছিল, বিনামূলীয়া শিক্ষাৰ প্ৰচলন কৰা হৈছিল আৰু শ্ৰমজীৱীসকলৰ লৰা-ছোৱালীলৈ শিক্ষা প্ৰতিষ্ঠান-বোৰৰ দুৱাৰ বিস্তৃতভাৱে মুকলি কৰি দিয়া হৈছিল। নাছেৰৰ নেতৃত্বত আৰব ছচিয়েলিষ্ট ইউনিয়নে অধিক পৰিমাণে সকলো মিছৰীয় প্ৰগতিশীল লোকৰ ৰাজনৈতিক গণ-সংগঠনৰূপে গঢ়ি তুলিবলৈ ধৰিছিল আৰু ছোভিয়েত যুক্তৰাষ্ট্ৰত সমাজবাদী নিৰ্মাণ কাৰ্য্যৰ অভিজ্ঞতা সম্পৰ্কে ক্ৰমবৰ্দ্ধমান আগ্ৰহ দেখুৱাবলৈ ধৰিছিল।

মিছৰত প্ৰগতিবাদী সামাজিক-অৰ্থনৈতিক ৰূপান্তৰ কাৰ্য্য চলিছিল তীব্ৰ, আভ্যন্তৰিণ শ্ৰেণী সংগ্ৰাম আৰু দেশৰ ভিতৰত প্ৰতিক্ৰিয়াবাদী শক্তিবোৰৰ মাজৰ পৰা সমৰ্থন বিচাৰি সাম্ৰাজ্যবাদ আৰু উগ্ৰ ইহুদিজাতীয়তাবাদে (জিয়নিজম) চলোৱা অৰ্থনৈতিক, ৰাজনৈতিক আৰু আদৰ্শগত আক্ৰমণৰ পৰিস্থিতিতে। আন্তৰ্জাতিক সাম্ৰাজ্যবাদে মিছৰৰ পথ পৰিবৰ্ত্তন আৰু ৰাজনৈতিক দৃশ্যপটৰ পৰা আৰব শ্ৰমজীৱী মানুহৰ ব্যাপক অংশৰ কাৰণে সামাজিক, সাম্ৰাজ্যবাদ বিৰোধী আৰু উপনিবেশবাদ-বিৰোধী বিপ্লৱৰ প্ৰতিভূ নাছেৰৰ অপসাৰণৰ আশা পোষণ কৰিবলৈ ধৰিছিল। সাম্ৰাজ্যবাদে নাছেৰৰ হাত সাৰিবলৈ মিছৰৰ আৰব যুক্তৰাষ্ট্ৰৰ প্ৰগতিশীল শাসন ব্যৱস্থা নিশ্চিহ্ন কৰিবলৈ আৰু সমগ্ৰ জাতীয় মুক্তি আন্দোলনৰ প্ৰতি আঘাত হানিবলৈ আৰব দেশসমূহৰ বিৰুদ্ধে দেখাদেখি আক্ৰমণৰ পথ লৈছিল।

১৯৬৭ চনৰ ইজৰায়েলী আগ্ৰাসনে মিছৰৰ আৰব যুক্তৰাষ্ট্ৰৰ

পক্ষে বিৰাট ৰাজনৈতিক আৰু অৰ্থনৈতিক কষ্টজনক অৱস্থাৰ সৃষ্টি কৰিছিল। এই আগ্ৰাসনে আভ্যন্তৰিণ ৰাজনৈতিক পৰিস্থিতি বেয়াৰ ফালে ঠেলি দিছিল আৰু প্ৰতিক্ৰিয়াবাদী লোকবোৰে ৰাষ্ট্ৰীয় খণ্ডক বিপদাপন্ন কৰি ব্যক্তিগত খণ্ডৰ প্ৰতি উৎসাহ-দান আৰু সামাজিক পৰিবৰ্ত্তন স্তব্ধীকৰণৰ দাবী কৰি নতুন নতুন চক্ৰান্ত কৰি আছিল।

মিছৰৰ আৰু সকলো আৰৱ জনগণৰ সেই দুৰ্য্যোগৰ মুহূৰ্ত্ত, ন'ছেৰে তেওঁৰ দেশৰ ভাগ্যৰ কাৰণে অভূতপূৰ্ব ঐতিহাসিক দায়িত্ব গ্ৰহণ কৰিছিল আৰু সাম্ৰাজ্যবাদী আগ্ৰাসনৰ বিৰুদ্ধে আৰৱীয় প্ৰতিৰোধৰ নেতৃত্ব গ্ৰহণ কৰিছিল। সেই সময়ত নাছেৰ জনগণৰ নেতা হৈ পৰিছিল। তেওঁ বিপ্লৱী নীতি পৰিত্যাগ নকৰি, বৰং তাক গভীৰতৰ কৰাৰহে বাট দেখুৱাইছিল।

১৯৬৯ চনৰ ৩০ মাৰ্চ তাৰিখে নাছেৰে যি কাৰ্য্যসূচী উপস্থিত কৰিছিল তাক শ্ৰমিক, কৃষক আৰু গণতান্ত্ৰিক বুদ্ধিজীৱীকে ধৰি মিছৰীয় শ্ৰমজীৱী জনগণৰ ব্যাপক অংশই সক্ৰিয়ভাবে সমৰ্থন কৰিছিল। এই কাৰ্য্যসূচীৰ লক্ষ্য আছিল আৰম্ভ কৰা সামাজিক-অৰ্থনৈতিক পৰিবৰ্ত্তন গভীৰতৰ কৰা, দেশৰ সামাজিক আৰু ৰাজনৈতিক জীৱনক আৰু গণতন্ত্ৰৰ ফালে লৈ যোৱা, তলৰ পৰা ওপৰলৈকে আৰৱ ছচিয়েলিষ্ট ইউনিয়নক আৰু ট্ৰেড ইউনিয়নসমূহক নিৰ্বাচনৰ ভিত্তিত পুনৰ্গঠিত কৰা আৰু মিছৰৰ আৰৱ প্ৰজাতন্ত্ৰৰ প্ৰতিৰক্ষা ক্ষমতা সুদৃঢ় কৰা। জাতীয় কাৰ্য্যক্ৰমৰ চনদ আৰু ১৯৬৯ চনৰ ৩০ মাৰ্চৰ কাৰ্য্যসূচী প্ৰতিপালন কৰিবলৈ গৈ নাছেৰে বৈজ্ঞানিক সমাজবাদৰ কেতবোৰ মৌলিক প্ৰস্তাৱনা গ্ৰহণ কৰিছিল আৰু আৰৱ ছচিয়েলিষ্ট ইউনিয়নৰ ভিত্তি কৰি বিপ্লৱী গণতান্ত্ৰিক হৃদপিণ্ড স্বৰূপ এটা দল প্ৰতিষ্ঠাৰ চেষ্টা কৰিছিল। নাছেৰ কেৱলমাত্ৰ বিপ্লৱী আৰু বিশিষ্ট ব্যক্তিয়েই নাছিল, তেওঁ সাম্ৰাজ্যবাদ-বিৰোধী জাতীয় মুক্তি বিপ্লৱৰ এজন বিশিষ্ট তাত্ত্বিকো আছিল। দেশত বিপ্লৱী ৰূপান্তৰ

কাৰ্য্যৰ সময়ত তেওঁ সদায় শ্ৰমজীৱী জনগণ, শ্ৰমিকশ্ৰেণী আৰু কৃষকশ্ৰেণীৰ প্ৰতি লক্ষ্য ৰাখিছিল আৰু জনগণৰ বিপ্লৱী উদ্যোগৰ ওপৰত আস্থা ৰাখিবলৈ যত্ন কৰিছিল। তেওঁৰ বক্তৃতাৱলীত তেওঁ সদায় জনগণৰ ওপৰত আস্থা ৰখা আৰু এটি আগৰণুৱা বিপ্লৱী পাৰ্টি গঠনৰ ওপৰত জোৰ দিছিল। "আমি যদি বিপ্লৱ চলাই যাব বিচাৰোঁ, তেনেহলে অ'বৰ ছচিয়েলিষ্ট ইউনিয়নৰ ভিত্তিত এটা ৰাজনৈতিক সংগঠন প্ৰতিষ্ঠা কৰিবই লাগিব, কিয়নো সকলো ব্যক্তিবিশেষৰ দৰেই নেতাসকলো অনাদি-অনন্ত নহয়, আমাৰ এনে এটা দৃঢ় ৰাজনৈতিক সংগঠনৰ প্ৰয়োজন যি সংগঠনে বিপ্লৱৰ নীতি-সমূহ প্ৰয়োগ কৰি থাকিব পাৰিব"।[৪৯]

নাছেৰ আছিল কমিউনিষ্টসকলৰ পৰা আৰম্ভ কৰি বিপ্লৱী গণ-তন্ত্ৰীলৈকে সকলো বিপ্লৱী শক্তিক ঐক্যবদ্ধ কৰাৰ দৃঢ় প্ৰবক্তা। মিছৰীয় বিপ্লৱৰ মহান, সফলতাৰ এয়ে হ'ল কাৰণ, ই কঠোৰ অগ্নি পৰীক্ষাৰ মুখত জনগণক ঐক্যবদ্ধ কৰিব পাৰিছিল। তেওঁ কৈছিল 'আমাৰ প্ৰয়োজন ৰাজনৈতিক সংগঠনৰ সমাজবাদী নিৰ্মাণ কাৰ্য্য চলাই থকা যি কোনো উদ্যোগক প্ৰতিৰোধ কৰা সংগঠিত প্ৰতিক্ৰিয়াৰ বাধা অতিক্ৰম কৰিবলৈ ইয়াৰ প্ৰয়োজন"।[৫০]

১৯৬৪ চনৰ ১২ ডিচেম্বৰত জাতীয় পৰিষদত উদ্বোধনী বক্তৃতা দিওঁতে নাছেৰে অ-পুঁজিবাদী বিকাশৰ স্তৰত সামাজিক ৰূপান্তৰ সাধনৰ কামত ব্যাপক জনগণৰ ভূমিকাৰ ওপৰত জোৰ দি কৈছিল : "আমি শোষণকাৰী পুঁজিবাদ আৰু সামন্তবাদৰ পৰা সমাজবাদলৈ আপোনা-আপুনি গতি কৰিব নোৱাৰোঁ। সমাজবাদৰ অৰ্থ হৈছে উৎপাদনৰ সঁজুলিৰ ওপৰত জনগণৰ নিয়ন্ত্ৰণ। সমাজবাদ হৈছে উৎপাদনৰ সঁজুলিবোৰক জনগণৰ সেৱাত নিযুক্ত কৰা। শোষণকাৰী পুঁজিবাদী আৰু সামন্তবাদী সমাজৰ পৰা সমাজবাদী সমাজলৈ যোৱা অসম্ভৱ যদিহে শ্ৰমজীৱী জনগণ ৰাজনৈতিকভাৱে সক্ৰিয় নহয়, যদিহে প্ৰতিক্ৰিয়াৰ হাতত থকা ক্ষমতা শ্ৰমিকশ্ৰেণী আৰু কৃষকসকলে দখল কৰাৰ সংগ্ৰাম নকৰে আৰু দেশত অগ্ৰগামী সামাজিক পৰিবৰ্তন সাধনত সেই ক্ষমতা ব্যৱহাৰ নকৰে"।[৫১]

বিপ্লৱৰ প্ৰথম স্তৰত ঘটা কেতবোৰ অভিজ্ঞতাৰ পৰা আদৰ্শ-গত দোদুল্যমানতা অতিক্ৰম কৰি নাছেৰে সমাজবাদী ৰূপান্তৰৰ কাৰণে থিৰ যোদ্ধা হৈ পৰে। তেওঁ “সমাজবাদমুখী-ৰূপান্তৰ”, সংজ্ঞা অৰ্থে কৰা সকলো ধৰণৰ ভুৱা ব্যাখ্যা খণ্ডন কৰে আৰু ইয়াৰ স্পষ্টীকৰণ দি কয় যে দেশৰ বাস্তৱ পৰিস্থিতি বিচাৰ কৰি সমাজবাদ লাভৰ কাৰণে যি পথকে গ্ৰহণ কৰা নহওক, সমাজবাদৰ প্ৰধান আৰু মৌলিক বিষয়বস্তু, ইয়াৰ বিজ্ঞানসম্মত চৰিত্ৰ, বাতিল কৰা নচলিব। ১৯৬৬ চনৰ, ৮ আগষ্টৰ এটা ভাষণত তেওঁ কয় “সমাজবাদৰ অৰ্থ হৈছে মানুহৰ দ্বাৰা মানুহৰ শোষণৰ অৱসান। বিভিন্ন দেশত সমাজবাদৰ বিভিন্ন পথ হব পাৰে ... কিছু লোকে আমাৰ সমাজবাদক ইয়াৰ স্বকীয় বিশেষ চৰিত্ৰ থকা কাৰণে আৰব সমাজবাদ বুলি কবলৈ বিচাৰে। মোৰ বিশ্বাস এইটো সমাজবাদৰ আৰবায় প্ৰয়োগৰ এটা প্ৰশ্ন হব পাৰে, আৰব সমাজবাদ নহয়। মোৰ বিশ্বাস এটাই মাথোন সমাজবাদ আছে, যি কিছুমান সাধাৰণ মৌলিক নীতিসমূহেৰে গঠিত।[৫২]

অন্যান্য বক্তৃতাত এই ধাৰণাৰ বিকাশ ঘটাই, নাছেৰে কয় যে “সমাজবাদৰ অৰ্থ হৈছে মানুহক অৰ্থনৈতিক শোষণ আৰু সামাজিক নিপীড়নৰ পৰা মুক্তি দিয়া”, আৰু ইয়াৰ অৰ্থ হৈছে “উৎপাদনৰ সজুঁলিৰ ওপৰত জনগণৰ কৰ্তৃত্ব”। “আমি সমাজবাদী গণতন্ত্ৰ, শ্ৰমজীৱী জনগণৰ সমাজবাদৰ পক্ষে, যাৰ অৰ্থ হৈছে সামন্তবাদ, একচেটিয়াপতিসকল, আৰু পুঁজিৰ প্ৰভাৱৰ অৱসান।[৫৩]

১৯৬১-৬২ চনত দিয়া নাছেৰৰ বক্তৃতাসমূহ সমাজবাদী ৰূপান্তৰৰ ফালে গতি কৰাৰ চিন-স্বৰূপ। সেই বক্তৃতাসমূহৰ পৰাই স্পষ্টকৈ বুজিব পৰা গৈছিল যে মিছৰীয় বিপ্লৱী নেতৃত্বৰ আগৰ ভুলবোৰ তেওঁৰ বোধগম্য হৈছিল আৰু বাহিৰৰ প্ৰতিক্ৰিয়াৰ বিৰুদ্ধে সংগ্ৰামত তেওঁ সামন্তপ্ৰভু আৰু বুৰ্জোৱাসকলৰ লগত মৈত্ৰীৰ সম্ভাৱনা একেবাৰেই নাকচ কৰিছিল। তেওঁ কৈছিল,

"এতিয়া" মুক্তকণ্ঠে আৰু সাহসেৰে আমি স্বীকাৰ কৰিব লাগিব যে আৰব দেশসমূহত আভ্যন্তৰিণ প্ৰতিক্ৰিয়াক উৎখাত নকৰি সাম্ৰাজ্যবাদ আৰু উগ্ৰ-ইহুদিজাতীয়তাবাদ ইজৰায়েলী বিপদৰ বিৰুদ্ধে সাফল্যজনক সংগ্ৰামৰ চিন্তা কৰা আমাৰ ভুল হৈছিল...... । আমি স্বীকাৰ কৰিবই লাগিব যে, যি আভ্যন্তৰিণ প্ৰতিক্ৰিয়া সাম্ৰাজ্যবাদৰ প্ৰধান সমৰ্থক হৈছিল তাৰ লগত আমি বুজা-বুজিত সোমোৱা আমাৰ ভুল হৈছিল। আমি সাম্ৰাজ্যবাদ আৰু ইয়াৰ ভেঁটবিলাকৰ বিৰুদ্ধে যুদ্ধ কৰি থকা সময়ত জনগণক শোষণ কৰি সুসজ্জিত অট্টালিকা গঢ়ি তোলা আভ্যন্তৰিণ প্ৰতিক্ৰিয়াই সাম্ৰাজ্যবাদক সমৰ্থন কৰি আছিল । প্ৰতিক্ৰিয়াই গণ-ৰোষৰ পৰা ইয়াৰ প্ৰাসাদবোৰ ৰক্ষাত সাম্ৰাজ্যবাদৰ ওপৰত আস্থা ৰাখে । সাম্ৰাজ্যবাদৰ মূল স্তম্ভবিলাক, প্ৰতিক্ৰিয়াৰ গড়বিলাক, কোটিপতি যক্ষবিলাকক আমি আঘাত কৰাৰ এয়ে হৈছে সময় । জাতীয় ঐক্যৰ ঠাচৰ মাজতে শান্তিপূৰ্ণ উপায়েৰে শ্ৰেণীবিৰোধৰ মীমাংসা হব—এনে ভ্ৰম এতিয়া এৰিবৰ হ'ল। প্ৰতিক্ৰিয়া, সুবিধাবাদ, পুঁজিবাদ আৰু সামন্তবাদে সাম্ৰাজ্যবাদৰ একে শিবিৰতে অৱস্থান কৰিছে । আমি প্ৰথমতে আমাৰ ঘৰখন প্ৰতিক্ৰিয়াৰ পৰা মুক্ত কৰিব লাগিব। আমাৰ প্ৰয়োজন কৃষকসকল, বুদ্ধিজীৱী ; সৈন্য-বাহিনী আৰু জাতীয় বুৰ্জোৱাৰ লগত শ্ৰমিকশ্ৰেণীৰ এটি মৈত্ৰীবন্ধনৰ।"[৫৫]

সাম্ৰাজ্যবাদ আৰু আভ্যন্তৰিণ প্ৰতিক্ৰিয়াৰ বিৰুদ্ধে সংগ্ৰামত আৰু সমাজবাদীমুখী-ৰূপান্তৰ আৰু সাম্ৰাজ্যবাদবিৰোধী আৰব ঐক্যৰ কাৰণে, নাছেৰে কেৱল নিজৰ দেশৰ শ্ৰমজীৱীসকলৰ ওপৰতে নহয় ছোভিয়েত ইউনিয়নৰ নেতৃত্বত সমাজবাদী দেশসমূহৰ লগত মৈত্ৰীৰ ওপৰতো নিৰ্ভৰ কৰিছিল। এই ঐক্য সুদৃঢ় কৰাই আছিল তেওঁৰ আদেশ আৰু ছোভিয়েত ইউনিয়নৰ লগত মৈত্ৰী আৰু সহযোগিতাক মিছৰৰ আৰব প্ৰজাতন্ত্ৰৰ বৈদেশিক নীতিৰ ৰণনীতি-মূলক ক্ৰম বুলি গণ্য কৰা ।

ছোভিয়েত ইউনিয়ন আৰু অন্যান্য সমাজবাদী দেশসমূহ সদায় মিছৰৰ জাতীয় স্বাধীনতা সুদৃঢ় কৰা আৰু এছিয়া আৰু আফ্ৰিকাৰ জনগণৰ সাম্ৰাজ্যবাদ-বিৰোধী ভূমিকা বৃদ্ধিত নাছেৰৰ সুস্থিৰ নীতিৰ প্ৰতি সমৰ্থন জনাই আহিছে।

ছোভিয়েত-মিছৰীয় বন্ধুত্ব সাম্ৰাজ্যবাদ, উগ্ৰ-ইহুদিবাদ আৰু আভ্যন্তৰিণ প্ৰতিক্ৰিয়াৰ ক্ৰমবৰ্দ্ধমান আক্ৰমণৰ ভিতৰতে উদ্ভুত হৈছিল, বাঢ়িছিল আৰু অগ্নিস্নান কৰি পৰিশুদ্ধ হৈছিল। ছোভিয়েত-মিছৰীয় সম্বন্ধৰ ইতিহাসে হৈছে ইয়াৰ অকাট্য সাক্ষ্য। ১৯৫৬ চনৰ অক্টোবৰ নৱেম্বৰ মাহত তিনিখন ৰাষ্ট্ৰৰ দ্বাৰা মিছৰ যেতিয়া সাম্ৰাজ্য-বাদী আক্ৰমণৰ বলি হয়, ছোভিয়েত ইউনিয়নে নিজৰ লেনিনবাদী নীতিনিষ্ঠ বৈদেশিক নীতিৰ প্ৰতি অবিচল থাকি আৰু মিছৰীয় চৰকাৰৰ আহ্বানত সহাৰি জনাই আৰবীয় জনগণক সমৰ্থনৰ বাবে আগ্ৰাসন বন্ধ কৰাৰ দৃঢ় ব্যৱস্থা গ্ৰহণ কৰে। নাছেৰ নিজেই বহুত সময়ত প্ৰজাতন্ত্ৰী মিছৰক ছোভিয়েত ইউনিয়নে সমৰ্থন কৰাত "তিনিমুখীয়া" আগ্ৰাসনৰ ব্যৰ্থতা আৰু মধ্য প্ৰাচ্যত বৃটিশ সাম্ৰাজ্য-বাদৰ অপৰাধমূলক পৰিকল্পনাবোৰ নিস্ফল কৰি দিয়াত সহায়ক হোৱাৰ উল্লেখ কৰিছে।

১৯৬৭ চনৰ জুন মাহত আৰব ৰাষ্ট্ৰসমূহৰ বিৰুদ্ধে ইজৰায়েলৰ আক্ৰমণৰ পিছত মিছৰীয় বিপ্লব আৰু বিশ্ব সমাজবাদৰ মৈত্ৰী সুদৃঢ় কৰাৰ পিনে ৰাষ্ট্ৰপতি নাছেৰৰ দূৰদৃষ্টিপূৰ্ণ আৰু বাস্তৱজ্ঞান-সম্পন্ন পথ আকৌ কঠোৰ পৰীক্ষাৰ সন্মুখীন হয়। ইজৰায়েলৰ আগ্ৰাসন স্তব্ধ কৰি দিয়াত সমস্ত ৰণাঙ্গন জুৰি যুদ্ধ বিৰতিৰ আহ্বান জনাই ৰাষ্ট্ৰ সংঘত ছোভিয়েত ইউনিয়নৰ দৃঢ় অৱস্থান গ্ৰহণ সহায়ক স্বৰূপ হৈছিল। মিছৰ আৰু অন্যান্য আৰব ৰাষ্ট্ৰৰ প্ৰতিৰক্ষা ক্ষমতা বৃদ্ধি আৰু ইজৰায়েলী আক্ৰমণৰ প্ৰত্যুত্তৰ ক্ষমতা সুদৃঢ় কৰাৰ লক্ষ্যেৰে ছোভিয়েত ইউনিয়ন আৰু আৰব নেতাসকলৰ মাজত হোৱা আলোচনাৰ ফলত একেধৰণৰ ব্যৱস্থাৱলী গ্ৰহণত

সহায়ক হৈছিল। ১৯৬৭ চনৰ জুন মাহত ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পার্টিৰ কেন্দ্রীয় কমিটিৰ পূর্ণাঙ্গ অধিবেশনে এখনত ইজৰায়েলৰ আগ্রাসী কার্যকলাপৰ সম্পর্কে ছোভিয়েত ৰাষ্ট্রই লব লগা সকলো বৈদেশিক নীতি সংক্রান্ত ব্যৱস্থাৱলী গ্রহণ সংক্রান্তত এক বিস্তাৰিত সিদ্ধান্ত গৃহীত হয়। তাৰ পিছত, ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পার্টিৰ উদ্যোগত কমিউনিষ্ট আৰু ওৱার্কাছ´ পার্টিসমূহৰ সভাবিলাক ১৯৬৭ চনৰ জুন আৰু জুলাই মাহত মস্কো আৰু বুদাপেষ্টত অনুষ্ঠিত হয়। উক্ত সভাবিলাকত ইজৰায়েলৰ আগ্রাসন-বিৰোধী সংগ্রাম আৰু আগ্রাসনৰ বিপজ্জনক পৰিণামবোৰ দূৰ কৰিবৰ কাৰণে সংগ্রামৰ এটি উমৈহতীয়া পথ উলিওৱা হয়।

ছোভিয়েত ইউনিয়ন আৰু অন্যান্য সমাজবাদী দেশৰ তেজস্বী বৈদেশিক নীতিসংক্রান্ত কার্য্যক্রমে আৰবৰ পশ্চিম ফালে থকা প্রগতিবাদী বিপ্লৱী গণতান্ত্রিক শাসকসকলক দুর্বল কৰা আৰু উচ্ছেদ কৰাৰ সাম্রাজ্যবাদী পৰিকল্পনাবোৰ অকামিলা কৰি দিয়ে। ছোভিয়েত-আৰব মৈত্রী মধ্যপ্রাচ্যত নির্ণয়কাৰী ৰাজনৈতিক উপাদান হৈ পৰে।

যি ছোভিয়েত-মিছৰীয় অর্থনৈতিক, বৈজ্ঞানিক আৰু প্রযুক্তিগত সহযোগিতাই মিছৰৰ শিল্পোদ্যোগীকৰণ আৰু ইয়াক এক অনগ্রসৰ কৃষি প্রধান দেশৰ পৰা এখন কৃষি শিল্প দেশলৈ ৰূপান্তৰিত কৰে সেই সহযোগিতা বিকশিত কৰাত নাছেৰে এক বৃহৎ ভূমিকা পালন কৰে। মিছৰৰ জাতীয় পুনৰজাগৰণৰ কাৰণে ছোভিয়েত যুক্তৰাষ্ট্রৰ লগত থকা অর্থনৈতিক সহযোগিতাৰ বিৰাট গুৰুত্বৰ প্রতি আঙুলিয়াই, নাছেৰে ইয়াৰ অকৃত্রিমতাপূর্ণ সমস্বার্থযুক্ততা আৰু ভ্রাতৃসুলভতাৰ ওপৰত বিশেষ জোৰ দিছিল। ৰাষ্ট্রপতি নাছেৰে জোৰ দি কৈছিল ছোভিয়েত ইউনিয়নে মিছৰক কোনো চৰ্ত্ত আৰোপ কৰা নাই আৰু মিছৰীয় ৰাষ্ট্রৰ আভ্যন্তৰিণ বিষয়ত কোনো প্রকাৰ হস্তক্ষেপত লিপ্ত হোৱা নাই।

ব্যাপক জনগণৰ প্ৰগতিশীল বিপ্লৱী গণতান্ত্ৰিক আশা-আকাঙ্ক্ষা ব্যক্ত কৰিবলৈ দি নাছেৰে মিছৰৰ প্ৰগতিকামী শক্তিসমূহক ঐক্যবদ্ধ কৰাৰ কাৰণে ভালেখিনি কৰিছিল। এই শক্তিসমূহে, আগে পিছে, তেওঁলোকৰ ৰাষ্ট্ৰপতিৰ নেতৃত্বত পৰিচালিত সুদূৰপ্ৰসাৰী সামাজিক-অৰ্থনৈতিক পৰিবৰ্ত্তনবিলাকৰ প্ৰতি পূৰ্ণ সমৰ্থন প্ৰদান কৰিছিল। নাছেৰে বুজি পাইছিল যে বিশ্ব সমাজবাদ আৰু বিশ্ব বিপ্লৱী আন্দোলন-সমৰ্থিত সাম্ৰাজ্যবাদ-বিৰোধী বিপ্লৱী শক্তিসমূহৰ ঐক্য আৰু সংহতি যিমান দৃঢ় হব, মিছৰীয় জাতীয় মুক্তি সিমান অধিক সাফল্যমণ্ডিত হব আৰু মিছৰৰ স্বাধীনতা সিমান দৃঢ় হব।

নাছেৰে কেনেধৰণে জাতীয় আৰু আন্তৰ্জাতিক স্বাৰ্থসমূহক সাম্ৰাজ্যবাদ-বিৰোধী সংগ্ৰামৰ লগত যুক্ত কৰিব লাগিব, সেইটো অনুধাবন কৰিছিল। তেওঁ বুজিছিল কেনেধৰণে কেবল আৰৱ-ছোভিয়েত সহযোগিতাৰ বিশুদ্ধ "আঞ্চলিক" বৈশিষ্ট্যই নহয়; ইয়াৰ স্থায়ী বিশ্ব-গুৰুত্বও সম্পূৰ্ণৰূপে ব্যক্ত কৰিব লাগিব। ১৯৭০ চনৰ গ্ৰীষ্মকালত তেওঁৰ অকাল মৃত্যুৰ খুব বেছি দিন আগতে নহয় শেষবাৰৰ কাৰণে ছোভিয়েত যুক্তৰাষ্ট্ৰ পৰিদৰ্শনৰ সময়ত এই চিন্তাধাৰাসমূহ তেওঁ ব্যক্ত কৰিছিল। তেওঁ কৈছিল "আৰৱ-ছোভিয়েত বন্ধুত্ব। আমাৰ জনগণৰ কাৰণে ক্ষন্তেকীয়া ঘটনা নহয়। ই এটা স্থায়ী কথা হৈ পৰিছে, যাৰ প্ৰভাৱ বিস্তৃত হৈছে স্বাধীনতা আৰু শান্তিৰ কাৰণে সংগ্ৰামলৈকে। ই পুনৰ্শক্তিপ্ৰাপ্ত হৈছে পাৰস্পৰিক আস্থাৰ দ্বাৰা, যাৰ উদ্ভৱ হৈছে দুয়ো পক্ষই কৰা সংগ্ৰামৰ সমস্যা-বোৰৰ গভীৰ অনুভূতিৰ মাজত"।

নাছেৰৰ ভাবধাৰাসমূহ ১৯৭১ চনৰ মে মাহত কাইৰোত স্বাক্ষৰিত হোৱা ছোভিয়েত-মিছৰীয় বন্ধুত্ব আৰু সহযোগিতাৰ চুক্তিৰ মাজত স্থান পায়। ছোভিয়েত ইউনিয়নৰ লেনিনবাদী বৈদেশিক নীতিৰ পথ আৰু প্ৰগতিশীল সাম্ৰাজ্যবাদবিৰোধী নীতিৰ যুক্তিসঙ্গত আৰু স্বাভাৱিক পৰিণতি হৈছে এই চুক্তিখন। ই মিছৰৰ আৰৱ প্ৰজাতন্ত্ৰৰ

আন্তৰ্জাতিক অৱস্থান আৰু সেই হেতুকে সাম্রাজ্যবাদ, উগ্ৰ ইহুদি জাতীয়তাবাদ আৰু প্ৰতিক্ৰিয়াৰ বিৰুদ্ধে সমগ্ৰ আৰব জাতীয় মুক্তি ফ্ৰন্টৰ অৱদান যথেষ্ট বৃদ্ধি কৰে। ছোভিয়েত-মিছৰীয় সহযোগিতা এটা দৃঢ়. বিশ্বস্ত আৰু স্থায়ী ভেঁটিৰ ওপৰত স্থাপিত হয়।

গামেল আব্দেল নাছেৰৰ ঐতিহ্য, তেওঁৰ প্ৰগতিবাদী বিপ্লৱী গণতান্ত্রিক নীতিসমূহ, তেওঁৰ মহৎ সৃজনাত্মক কাৰ্য্যাৱলী। তেওঁৰ ছোভিয়েত-আৰব মৈত্ৰী আৰু সহযোগিতা বৃদ্ধিত উল্লেখযোগ্য অৱদান—এই আটাইবোৰ মিছৰৰ আৰব প্ৰজাতন্ত্ৰৰ জনগণৰ কাৰণে মহামূল্যবান ৰাজনৈতিক মূলধন স্বৰূপ। কিয়নো ই জাতীয় নিৰ্য্যাতন আৰু সামাজিক শোষণ বৰ্জিত সমাজ এখনৰ নিৰ্মাণত তাৰ আকাঙ্ক্ষিত হেঁপাহ পূৰণৰ বাবে কাম কৰে।

সামৰণি

সামগ্ৰিকভাৱে আমাৰ কিতাপখনত দিয়া ব্যাখ্যাবোৰৰ পৰা অপুঁজিবাদী বিকাশৰ মৰ্ম্ম সম্পৰ্কে এটা নিৰ্দ্দিষ্ট ধাৰণা লব পৰা যায়।

'অৰ্থনৈতিক' ক্ষেত্ৰত বৈদেশিক আৰু স্থানীয় পুঁজিৰ বৃহৎ আৰু মজলীয়া অৱস্থানবোৰৰ ওপৰত আঘাত ইয়াৰ চাৰিত্ৰিক বৈশিষ্ট্য; উৎপাদনৰ মূল সজুঁলিবোৰৰ জাতীয়কৰণ আৰু ৰাষ্ট্ৰীয়খণ্ডৰ নিৰ্মাণ, আৰু ভূ-স্বামিত্ব থকা সম্পত্তিবোৰৰ বিলোপ কৰাৰ ভিত্তিত প্ৰগতিবাদী কৃষি সংস্কাৰৰ সম্পাদন, কৃষকসকলৰ মাজত ভূমি বন্টন আৰু সমবায়সমূহৰ সংগঠন—এয়ে হ'ল ইয়াৰ কাম।

'সামাজিক' ক্ষেত্ৰত, অপুঁজিবাদী পথে শোষণ সীমিত কৰে, ৰাষ্ট্ৰ নিয়ন্ত্ৰিত আৰু সমবায় ধৰণৰ সম্পত্তিৰ ভিত্তিত উৎপাদন-সম্পৰ্কৰ উদ্ভৱ আৰু বিকাশ ঘটে; শোষকসকলৰ স্বাৰ্থৰ ক্ষতি কৰি শ্ৰমজীৱীসকলৰ স্বাৰ্থত সমাজৰ শ্ৰেণী-গাঁথনিৰ পৰিবৰ্ত্তন ঘটে; আৰু শ্ৰমিক আৰু কৃষকসকলৰ জীৱিকাৰ মান আৰু সংস্কৃতিৰ বিকাশ ঘটে।

'ৰাজনৈতিক' ক্ষেত্ৰত, অপুঁজিবাদী পথে এনে পৰিবেশৰ সৃষ্টি কৰে যি পৰিবেশত শ্ৰমজীৱী জনগণে জাতীয় ৰাষ্ট্ৰ-সত্তা প্ৰতিষ্ঠা আৰু বিকাশ আৰু সকলো প্ৰগতিশীলশক্তিক সংঘবদ্ধ কৰাত প্ৰত্যক্ষভাৱে জড়িত হয় আৰু সদ্য স্বাধীন দেশসমূহক সমাজবাদী দেশসমূহৰ পিনে আৰু বিপ্লৱী গণতান্ত্ৰিক দল আৰু সংগঠনসমূহক বিশ্বৰ কমিউনিষ্ট আৰু শ্ৰমিক পাৰ্টিসমূহৰ পিনে আকৰ্ষণ নিশ্চিত কৰে।

'তত্ত্বগত' ক্ষেত্ৰত, অপুঁজিবাদী বিকাশে সদ্য স্বাধীন দেশবোৰত চলি থকা সমাজবাদী তত্ত্বৰ বিভাজন তীব্ৰ কৰে। বৈজ্ঞানিক সমাজবাদৰ প্ৰতি সিবোৰৰ প্ৰৱণতা দৃঢ় কৰে।

গতিকে, অপুঁজিবাদী পথ হৈছে এক ধৰণৰ দৃষ্টিভঙ্গী আৰু শেষ পৰিণামত সমাজবাদলৈ এক ধৰণৰ উত্তৰণ, জাতীয় মুক্তি বিপ্লৱ আৰু সমাজবাদী বিপ্লৱৰ মাজৰ মিলনৰ সাঁকো।

কিতাপখনত উপস্থিত কৰা তথ্য পাতিৰ ভিত্তিত আমি অপুঁজিবাদী বিকাশৰ নিয়মাৱলী আৰু নিৰ্দ্দিষ্ট বৈশিষ্ট্যসমূহ স্থিৰীকৃত কৰিব পাৰোঁ।।

প্ৰথমতে অপুঁজিবাদী পথেদি বিকাশে এখন সমাজবাদী সমাজ গঠনৰ পিনে চূড়ান্ত গতি কৰে।

দ্বিতীয়তে, ই হৈছে তথাকথিত উত্তৰণমূলক সময়ৰ বিষয়, অৰ্থাৎ সমাজবাদৰ পথেদি যাবলৈ বৈপ্লৱিক ৰূপান্তৰ সাধনৰ বিষয়।

তৃতীয়তে, এখন দেশৰ নিৰ্দ্দিষ্ট বিকাশৰ স্তৰত সেই দেশৰ অত্যন্ত প্ৰগতিবাদী আৰু আটাইতকৈ বিপ্লৱী শক্তিসমূহৰ নেতৃত্বত অপুঁজিবাদী বিকাশ অগ্ৰসৰ হয়; ৰাষ্ট্ৰক্ষমতা ব্যাপক গণতান্ত্ৰিক চৰিত্ৰৰ হয়; ই শ্ৰমজীৱী জনগণৰ সমৰ্থন পায় আৰু তেওঁলোকৰ স্বাৰ্থ ব্যক্ত কৰে।

চতুৰ্থতে, অপুঁজিবাদী বিকাশ প্ৰক্ৰিয়াত অৰ্থনৈতিক ৰূপান্তৰৰ কাৰণে গ্ৰহণ কৰা কেতবোৰ উপায় আৰু পদ্ধতিৰ লগত পুঁজিবাদৰ পৰা সমাজবাদলৈ উত্তৰণৰ ক্ষেত্ৰত লোৱা উপায় আৰু পদ্ধতিৰ মিল আছে। এই বিলাক হৈছে জাতীয়কৰণ, ৰাষ্ট্ৰীয় খণ্ডৰ বিস্তাৰ আৰু সুদৃঢ়কৰণ, আৰু ব্যক্তিগত পুঁজিবাদী খণ্ডক সীমিত আৰু নিয়ন্ত্ৰিত কৰাৰ এটা নীতি গ্ৰহণ আৰু জনস্বাৰ্থৰ ক্ষতিসাধন কৰিব পৰাৰ সম্ভাৱনাক সীমাবদ্ধ কৰা আৰু এই দৰে অৰ্থনীতিত ইয়াৰ প্ৰভাৱ বিস্তাৰ কৰাক বাধা দিয়া।

পঞ্চমতে, দেশবিলাকৰ সমাজবাদ-অভিমুখী সাংস্কৃতিক নীতিৰ লক্ষ্য হয়, (ক) জনশিক্ষা-ব্যৱস্থা বিকশিত আৰু উন্নত কৰি জনগণৰ সাংস্কৃতিক স্তৰৰ উন্নয়ন আৰু (খ) বিজ্ঞান, কলা আৰু সংস্কৃতিৰ অন্যান্য ক্ষেত্ৰত অগ্ৰগতিৰ কাৰণে ব্যৱস্থা গ্ৰহণ।

ষষ্ঠতে, বৈদেশিক নীতি আৰু আন্তৰ্জাতিক সম্পৰ্কৰ ক্ষেত্ৰত, অপুঁজিবাদী বাটেদি গৈ থকা দেশবোৰ নিৰ্দ্দিষ্ট সাম্ৰাজ্যবাদবিৰোধী পথৰ প্ৰতি অনুৰক্ত হয়। সমাজবাদী দেশসমূহৰ লগত বন্ধুত্বপূৰ্ণ সম্পৰ্ক আৰু দৃঢ় সহযোগিতাৰ নীতি গ্ৰহণ কৰে আৰু সকলো দেশৰ লগত শান্তিপূৰ্ণ সহ-অৱস্থিতিৰ নীতি গ্ৰহণ কৰে।

অপুঁজিবাদী বিকাশ মূলতঃ সেইবোৰ দেশত হ'বলৈ ধৰে, যিবোৰ দেশত

প্ৰাক্-পুঁজিবাদী সামাজিক অৰ্থনৈতিক সম্পৰ্ক অথবা দুৰ্বলভাবে বিকশিত পুঁজিবাদ বৰ্ত্তমান আৰু আচলতে যিবোৰ দেশত পুঁজিবাদী সম্পৰ্ক আপেক্ষিক ভাবে বিকশিত সেইবোৰে পুঁজিবাদৰ পৰা সমাজবাদলৈ বিকাশৰ পথ লয়। অপুঁজিবাদী বিকাশৰ বাবে আপেক্ষিকভাবে দীঘলীয়া সময়ৰ প্ৰয়োজন হয়, যিহেতু উৎপাদন শক্তিবোৰক প্ৰায় প্ৰাথমিক অৱস্থাৰ পৰা গঢ়ি তুলিব লগা হয়। সমাজবাদ শেষ লক্ষ্য হলেও, সমাজবাদ নিৰ্মাণৰ প্ৰাক-প্ৰয়োজনীয় পূৰ্বাৱস্থা প্ৰস্তুত কৰাই আশু কৰ্ত্তব্য। উন্নত পুঁজিবাদী সমাজত দেখা দিয়া পৰিস্থিতিত সমাজবাদলৈ উত্তৰণৰ ক্ষেত্ৰত, কিন্তু সমাজবাদৰ নিৰ্মাণ শেষ লক্ষ্য ও আৰু আশু কৰ্ত্তব্যও।

সমাজবাদী বিপ্লৱ আৰু পুঁজিবাদৰ পৰা সমাজবাদলৈ উত্তৰণ সম্পন্ন হয়, শ্ৰমিকশ্ৰেণীৰ নেতৃত্ব, আচলতে এই নেতৃত্ব হৈছে শ্ৰমিকশ্ৰেণীৰ একনায়কত্ব। অপুঁজিবাদী বিকাশৰ পথ অনুগমনকাৰী দেশবোৰত ক্ষমতা থাকে এক ব্যাপক জাতীয় গণতান্ত্ৰিক মোচা (ফ্ৰন্ট). শ্ৰমিক, কৃষক, ক্ষুদ্ৰ কাৰিকৰ। জাতীয় বুদ্ধিজীৱী তথা ক্ষুদ্ৰ আৰু মজলীয়া শ্ৰেণীৰ বুজোৱাসকলে অংশ গ্ৰহণ কৰা গণতান্ত্ৰিক আৰু প্ৰগতিশীল শক্তিসমূহৰ সংঘৰ (ব্লক) হাতত। অপুঁজিবাদী বিকাশৰ অন্যতম মূল লক্ষ্য হ'ল শ্ৰমজীৱী জনগণৰ ক্ষমতা সংহত কৰা, পৰম অবিচল বিপ্লৱী শক্তিসমূহৰ অৱস্থান আৰু প্ৰভাৱ দৃঢ় কৰা, যত প্ৰতি-ক্ৰিয়াশীল উপাদানবোৰে এতিয়াও ক্ষমতাত থাকি গৈছে তাত বিপ্লৱৰ পৰা সিহঁতক আতবোৱা সুনিশ্চিত কৰা আৰু শ্ৰমিক. কৃষক আৰু সকলো শ্ৰমজীৱী জনগণৰ মৈত্ৰীবন্ধন দৃঢ় কৰা। এই দ.ৰ সমাজবাদী বিকাশলৈ উত্তৰণৰ কাৰণে প্ৰাক্-প্ৰয়োজনীয় পৰম নিৰ্মিত হয় আৰু প্ৰস্তুতি চলে।

সাম্ৰাজ্যবাদৰ সম্পৰ্কে মাৰ্ক্সবাদী-লেনিনবাদী তত্ত্বই শিকায় আৰু ইয়াৰ প্ৰয়োগ যথেষ্টৰূপে প্ৰমাণো কৰে যে সাম্ৰাজ্যবাদী ৰাষ্ট্ৰসমূহে কেৱল ক্ষুদ্ৰ আৰু দুৰ্বলভাবে বিকশিত দেশসমূহৰ ঘটনাৱলী আৰু নীতিসমূহক প্ৰভাৱিতই ন'কৰে, সিবিলাকৰ আভ্যন্তৰিণ বিষয়ত হস্তক্ষেপো কৰে আৰু সেই দেশবিলাকৰ জনগণৰ জাতীয় স্বাৰ্থ পূৰণ নকৰা নীতিসমূহেৰে সিবিলাকক সজ্জিত কৰে। যি হওক, বৰ্ত্তমান আন্তৰ্জাতিক পৰিস্থিতিয়ে সদ্য স্বাধীন দেশবোৰক অপুঁজিবাদী পথ বাছি লোৱাৰ আৰু সেই পথেদি যোৱাৰ আপেক্ষিক স্বাধীনতাৰ প্ৰতিশ্ৰুতি দিয়ে; কাৰণ সৰ্বোপৰি, সাম্ৰাজ্যবাদৰ বিশ্বৰ ভাগ্য নিয়ন্ত্ৰণৰ একমাত্ৰ স্বেচ্ছাচাৰী অধিকাৰ চিৰদিনৰ কাৰণে বিলুপ্ত হৈছে। সাম্ৰাজ্যবাদীসকলে আগতে যি

প্ৰভুত্বকাৰী অৱস্থান; আৰু যি স্বেচ্ছাচাৰিতা আৰু অলংঘনীয়ভাৱে অন্য দেশসমূহৰ আভ্যন্তৰিণ বিষয়ত হস্তক্ষেপ কৰিছিল সি এতিয়া অতীতৰ বিষয়বস্তু হৈ পৰিছে. ইয়াৰ অৰ্থ এয়ে নহয় যে সাম্ৰাজ্যবাদৰ চৰিত্ৰ সলনি হৈছে, বৰং ইয়াৰ অৰ্থ হৈছে এয়ে যে, ইয়াৰ কাম কৰাৰ ক্ষমতা সীমিত হৈছে আৰু ইয়াৰ প্ৰভাৱ গুৰুতৰৰূপে ক্ষুণ্ণ হৈছে। ছোভিয়েত ইউনিয়ন আৰু বিশ্ব সমাজবাদী ব্যৱস্থাৰ অস্তিত্ব আৰু সেইসকলৰ অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামৰিক শক্তিয়ে সাম্ৰাজ্যবাদী শক্তিবোৰক উন্নয়নমুখী দেশসমূহৰ ওপৰত অলংঘনীয় প্ৰভুত্ব খটোৱাৰ পৰা বিৰত কৰে। তেওঁলোকে ইচ্ছা কৰিলেই আৰু ব্যাপকভাৱে প্ৰতিবিপ্লৱ ৰপ্তানি কৰিব নোৱাৰে।

অপুঁজিবাদী পথেদি চলা দেশসমূহ আৰু সেইবিলাকৰ চৰকাৰসমূহৰ কাৰণে অত্যন্ত গুৰুত্বপূৰ্ণ কথা হৈছে যি, ছোভিয়েত ইউনিয়ন আৰু অন্যান্য সমাজবাদী দেশসমূহে অবিচলিতভাৱে সৰ্বহাৰাৰ আন্তৰ্জাতিকতাৰ নীতি অনুসৰণ কৰে সেই সকলৰ লগত ঐকান্তিক সহযোগিতাৰ দৃঢ়বন্ধন প্ৰতিষ্ঠা আৰু বিস্তৃতি সাধন।

জাতীয় মুক্তি আন্দোলনৰ প্ৰতি সঠিক মনোভাব গ্ৰহণ কৰাও গুৰুত্বপূৰ্ণ। হুৰাহুৰি লগোৱা আৰু ধৈৰ্য্যচ্যুতি হোৱাৰ পৰিৱেশ সৃষ্টি নকৰি, সকলো দুখ-কষ্ট সমাধান কৰা আৰু কম সময়ৰ ভিতৰতে সাৰ্বজনীন সুখ আনি দিয়া খৰতকীয়া আৰু সহজ হব বুলি জনগণৰ মনত কোনো মোহ সৃষ্টি নকৰি, লগে লগে একে সময়তে ব্যাপক জনগণক দেশৰ অৰ্থনৈতিক অৱস্থা আৰু জনগণৰ জীৱিকাৰ মানৰ ক্ৰমশঃ অথচ দৃঢ় উন্নতি দৰ্শোৱাত প্ৰগতিশীল শাসনব্যৱস্থা সমূহে বাস্তৱবাদী নীতি গ্ৰহণ কৰাৰ ক্ষমতাৰ ওপৰতে ই অত্যধিক নিৰ্ভৰ কৰিছে। এই ক্ষেত্ৰত অপুঁজিবাদী বিকাশৰ আদত সাৰ কথাখিনি বুজাই ব্যাখ্যামূলক প্ৰচাৰ কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ।

অপুঁজিবাদী বিকাশৰ পথ বাছি লোৱা দেশবিলাকত স্বাভাৱিকতে ক্ষমতা পতিত হয় সেই বিপ্লৱী শক্তিসমূহেৰে যি জাতীয় মুক্তি আন্দোলনত নেতৃত্ব কৰিছিল ঔপনিৱেশিক প্ৰভুত্বৰ পৰা মুক্তি অৰ্জনৰ সময়ত অথবা পিছত (গিনী, আলজিৰিয়া), ঔপনিৱেশিক ব্যৱস্থাৰ সমৰ্থনকাৰী পুতলা চৰকাৰবোৰক ক্ষমতাচ্যুত কৰাৰ ফলত (কঙ্গো-ব্ৰাজাভিল আৰু অন্যান্য)। অথবা বৰ্তমান চৰকাৰৰ ৰূপগত আৰু চৰিত্ৰগত পৰিৱৰ্তন নিৰ্বিশেষে (মিচৰ)। জাতীয় মুক্তি আন্দোলনত যোগদানকাৰীসকল আছে জাতীয় বুৰ্জোৱাৰ প্ৰগতিশীল আৰু

সাম্ৰাজ্যবাদবিৰোধী খণ্ড সমূহৰ পৰা, শ্ৰমজীৱী জনগণৰ বিপ্লৱী স্তৰসমূহৰ পৰা (শ্ৰমিক, কৃষক, কাৰিকৰ, বুদ্ধিজীৱীসকল)। চহৰ আৰু গাঁৱৰ বিভিন্ন পেটি-বুৰ্জোৱা স্তৰসমূহৰ পৰা আৰু চহৰীয়া আৰু গাঁৱলীয়া সাধাৰণৰ অন্যান্য সৰ্বহাৰা আৰু অৰ্ধ সৰ্বহাৰা স্তৰসমূহৰ পৰা। জনসাধাৰণৰ এই স্তৰসমূহৰ মাজৰ পৰা, উক্ত সামাজিক শ্ৰেণী, গোট আৰু খণ্ডৰ পৰা অহা লোকেৰেই জাতীয় গণতান্ত্ৰিক মোৰ্চা (ফ্ৰণ্ট) গঠিত হয়, এই মোৰ্চাই জনগণৰ গণতান্ত্ৰিক ক্ষমতাৰ ধৰণী স্বৰূপে কাম কৰে, উন্নয়নমুখী দেশসমূহক অপুঁজিবাদী পথেদি পৰিচালিত কৰে। কেনো কোনো ক্ষেত্ৰত, জাতীয় মুক্তি আন্দোলনৰ প্ৰক্ৰিয়াত সক্ৰিয় অংশ গ্ৰহণৰ দ্বাৰা সামৰিক বাহিনীয়ে গুৰুত্বপূৰ্ণ ভূমিকা লয় অথবা সাম্ৰাজ্যবাদ-বিৰোধী সামৰিক ক্যু'ৰ ফলত ক্ষমতালৈ আহে (যেনে বৰ্মা, কঙ্গোৰ জনগণ প্ৰজাতন্ত্ৰ, মালি, অথবা অন্যান্য)।

বহুত দেশত শ্ৰমিকশ্ৰেণীয়ে, সি সংখ্যাত খুব তাকৰীয়া হোৱাত দেশৰ সামাজিক-অৰ্থনৈতিক জীৱনত নিৰ্ণায়কাৰী ভূমিকা লোৱাত বাধা জন্মে। কিন্তু ইয়াৰ সামাজিক, ৰাজনৈতিক গুৰুত্ব আৰু প্ৰভাৱ ইয়াৰ সংখ্যাগত পৰিমাপতকৈ অধিক। নগৰবিলাক অথবা শিল্পকেন্দ্ৰসমূহত, বন্দৰ আৰু অন্যান্য মূল ঠাই-বিলাকত কেন্দ্ৰীভূত শ্ৰমিকশ্ৰেণীয়ে দেশৰ ৰাজনৈতিক ঘটনাৱলীত আৰু অৰ্থনৈতিক জীৱনত শক্তিশালী প্ৰভাৱ পেলাব পাৰে। শ্ৰমিকশ্ৰেণীৰ ৰাজনৈতিক কাৰ্যকলাপ আৰু চেতনা বঢ়াৰ লগে লগে; দেশৰ শিল্পোদ্যোগীকৰণৰ ফলত দ্ৰুত সংখ্যা বৃদ্ধি, ৰেল, জাহাজ আৰু অন্যান্য আধুনিক পৰিবহনৰ বিস্তৃতি, আৰু বিশ্ব সমাজবাদী ব্যৱস্থাৰ দেশসমূহত নেতৃত্বশীল শক্তিলৈ অহাৰ পিছত বিশ্ব জুৰি শ্ৰমিকশ্ৰেণীৰ বৰ্দ্ধিত ভূমিকাৰ লগে লগে বৃদ্ধি পায়, শ্ৰমিকশ্ৰেণীৰ শক্তি আৰু ভূমিকা।

অপুঁজিবাদী বিকাশৰ প্ৰাথমিক স্তৰত, উন্নয়নমুখী দেশসমূহৰ শ্ৰমিকশ্ৰেণীৰ সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামৰ লক্ষ্য থাকে, প্ৰথমতে আৰু আটাইকৈ মুখ্য শোষক আৰু পুঁজিবাদী শোষণ। আৰু নিৰ্যাতনৰ প্ৰতিভূ বৈদেশিক একচেটিয়া পুঁজিৰ বিৰুদ্ধে।

আফ্ৰিকাৰ কিছুমান দেশত আৰু অন্যান্য দেশতো, ঔপনিবেশিক শোষণৰ বিৰুদ্ধে আৰু জাতীয় মুক্তি সংগ্ৰামত কৃষক জনগণে প্ৰতিৰোধ আন্দোলনকাৰী হিচাপে সক্ৰিয় অংশ গ্ৰহণ কৰিছে। এই দেশবোৰৰ ব্যাপক সংখ্যাগৰিষ্ঠ অংশই হৈছে কৃষক শ্ৰেণী। গতিকে, আনকি য'ত ব্যাপক কৃষক জনগণ

সক্রিয় সামাজিক-ৰাজনৈতিক জীৱনত সক্রিয়ভাবে জড়িত নহয়, সেইদেশবিলাক জাতীয় মুক্তি আন্দোলন আৰু ৰাজনৈতিক বিকাশত তেওঁলোকৰ গুৰুত্ব স্পষ্ট কৰি চোৱা উচিত নহয়। উন্নয়নমুখী দেশসমূহত কৃষকজনগণৰ ভূমিকা আৰু গুৰুত্ব পৰিমাপ কৰোঁতে নিম্নলিখিত উপাদানবোৰক লেখত লব লাগিব : কৃষক সকলে ঔপনিবেশিক নির্য্যাতন আৰু পুঁজিবাদী শোষণৰ মেট্মৰা ভাৰখনৰ হেঁচা গম পাইছিল, আৰু লগে লগে, জাতীয় মুক্তি আন্দোলন প্রায় সময়তে ঘটিছিল আৰু কৃষক বিদ্রোহ আৰু অভ্যুত্থান সহ ঘটিছিল ; যি বিলাকত ব্যাপক সংখ্যাগৰিষ্ঠ বিপ্লৱী কৃষকশ্রেণীয়ে অংশ গ্রহণ কৰিছিল। এই দ:ৰেই প্রত্যক্ষ ভাবে আৰু সক্রিয়ভাবে ঔপনিবেশিকতাৰ বিৰুদ্ধে আৰু জাতীয় মুক্তিৰ কাৰণে সংগ্রামত সাম্রাজ্যবাদৰ বিৰুদ্ধে জড়িত হৈ পৰিছিল। কৃষকসকলে সদায় ঔপনিবেশিক নির্য্যাতনৰ বিৰুদ্ধে সংগ্রামক সামন্তবাদী আৰু বিদেশী শোষক সকলৰ লগলাগি নিষ্ঠুৰভাবে কৃষক জনগণক শোষণ কৰা উপজাতীয় উচ্চাংশৰ বিৰুদ্ধে সংগ্রামৰ লগত যুক্ত কৰিছে। উপনিবেশবাদীসকলৰ মালিকানাত থকা বাগিচাবোৰৰ কৃষকসকলক দানবীয় শোষণে কৃষক জনগণৰ মাজত ব্যাপক অসন্তোষৰ সঞ্চাৰ কৰিছে, যি কৃষকসকলৰ বিদ্রোহ প্রত্যক্ষভাবে ঔপনিবেশিক শাসন আৰু পুঁজিবাদী শোষণৰ বিৰুদ্ধে পৰিচালিত হৈছে।

আন এটি গুৰুত্বপূর্ণ কথা হৈছে, এই যে কিছুমান ক্ষেত্রত মাটিৰ ক্ষুদ্র মালিকী স্বত্ব কাহানিও বিকশিত হোৱা নাছিল, যাৰ ফলত কৃষিক্ষেত্রত অপুঁজিবাদী বিকাশ ব্যক্তিগত সম্পত্তিৰ প্রতি মনোভাৱ আৰু আকাঙ্ক্ষাৰ লগত জড়িত তেনে ধৰণৰ গুৰুতৰ অসুবিধাৰ সমুখীন হোৱা নাই, যি অসুবিধা ব্যক্তিগত মাটি-মালিকানা বিকাশ লাভ কৰা দেশবোৰত দেখা দিছে। ই তেনে ধৰণৰ দেশ এখনত কৃষিৰ অপুঁজিবাদী লক্ষ্য পূৰণৰ বাবে লোৱা ব্যৱস্থাৱলী আৰু পৰিকল্পনাসমূহৰ কাৰণে কৃষক জনসংখ্যাৰ পৰা ব্যাপক সমর্থন পোৱাটো চৰকাৰৰ পক্ষে সহজতৰ কৰি তোলে।

অপুঁজিবাদী বিকাশৰ পথেদি আজি বহুত নবগঠিত স্বাধীন এফ্রো-এছীয় ৰাষ্ট্রসমূহে পৰিক্রমন কৰিবলৈ ধৰিছে। বিশ্ব জোৰা সাম্রাজ্যবাদৰ পতন আৰু পুঁজিবাদৰ পৰা সমাজবাদলৈ উত্তৰণৰ যুগত জাতীয় মুক্তি আন্দোলনৰ বৰ্তমান স্তৰৰ এয়ে হৈছে পৰিণাম। পুঁজিবাদ-বিৰোধী মনোভাৱ তৃতীয় দুনিয়াৰ দেশসমূহত বাঢ়িবলৈ ধৰিছে। ই সদ্য স্বাধীন দেশসমূহক সমাজবাদলৈ উত্তৰণমুখী অপুঁজিবাদী স্তৰৰ পথলৈ ক্রমে অধিকভাৱে লৈ আহিব। আজিৰ কাল হ'ল বিপ্লৱী কাল—সমাজবাদৰ বিজয় অভিযানৰ কাল। এই কালছোৱাত এছিয়া আৰু আফ্রিকাৰ জাতিসমূহৰ সামাজিক বিকাশত ই এক গুৰুত্বপূর্ণ আৰু অনিবাৰ্য্য ধাৰা।

নিৰ্দেশিকা

১ ভি. আই. লেনিন "আমাৰ বিপ্লৱ", ৰচনা সংকলন, খণ্ড ৩৩,
পৃষ্ঠা ৪৭৭-৭৮ পৃঃ ২৬

২ ঐ (পৃষ্ঠা ৪৭৮-৭৯) পৃঃ ২৭

৩ ভি. আই. লেনিন, ককেছাছৰ কমিউনিষ্ট সকললৈ, ৰচনা সংকলন,
খণ্ড ৩২, পৃষ্ঠা ৩১৭ পৃঃ ৩১

৪ ৰাষ্ট্ৰ সংঘ, E/CH. 5/346/Add. 5/Rev.1, নৱেম্বৰ ১০,
১৯৬১ চন, পৃষ্ঠা ৬-৭ পৃঃ ১১৮

৫ ভি. আই. লেনিন, "সভ্যতাপ্ৰাপ্ত বৰ্বৰতা" ৰচনা সংকলন,
খণ্ড ১৯, পৃষ্ঠা ৩৮৯ পৃঃ ১১৯

৬ ভি. জি. ছলোডোভনিকভ, অপুঁজিবাদী বিকাশৰ পথৰ তত্ত্ব আৰু
প্ৰয়োগৰ কিছুমান প্ৰশ্ন,
মস্কো, ১৯৭১, পৃঃ ২৫ (ৰুছ ভাষাত) পৃঃ ১২৬

৭ ভি. আই. লেনিন, ৰুছ ছ'চিয়েল ডেমোক্ৰেচিৰ কৃষি সংক্ৰান্ত কাৰ্যসূচী,
ৰচনা সংকলন, খণ্ড ৬, পৃঃ ১৩৬ পৃঃ ১৭৭

৮ ষ্টেটিষ্টিকেল ইয়াৰ বুক ১৯৬৫, নিউইয়ৰ্ক, ৰাষ্ট্ৰ সংঘ, ১৯৬৬,
পৃঃ ৭১৩ ;
আফ্ৰিকান কমিউনিষ্ট নং ২৪, লণ্ডন, প্ৰথম চাৰিমহীয়া,
১৯৬৬, পৃষ্ঠা ৭৮ পৃঃ ১৭৮

৯ ভি. আই. লেনিন, "জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ,"
ৰচনা সংকলন, খণ্ড নং ২০, পৃষ্ঠা ৪১১-১২ পৃঃ ১৮১

১০ ভি. আই. লেনিন, প্ৰাচ্যৰ জনগণৰ কমিউনিষ্ট সংগঠনসমূহৰ সপ্তম
কৃষ্ণ কংগ্ৰেছত দিয়া ভাষণ, ৰচনা সংকলন,
খণ্ড নং ৩০, পৃষ্ঠা ১৬২ পৃঃ ১৯১

১১ "মধ্য এছিয়া আৰু কাজাখস্থান প্ৰসঙ্গত ভি. আই লেনিন, গোছিজদাত্,
উজবেক এচ. এচ. আৰ, ১৯৬০, পৃঃ ৩৬৪ (ৰুছ ভাষাত) পৃঃ ২০০
(৯ম স্তবক)

১২ প্ৰাভ্দা, ডিচেম্বৰ ২৪ ; ১৯৬৫ চন পৃঃ ২০৫

১৩ ফৰোৱাৰ্ড, খণ্ড ৩, সংখ্যা ১৯, ৰেঙ্গুন,
মে' ১৫ ; ১৯৬৮ চন, পৃঃ ১৩, ১৪ পৃঃ ২০৫

১৩ ঐ পৃঃ ২০৫

১৫ দি ইস্লামিক ৰিভিউ, নবেম্বৰ-ডিচেম্বৰ, ১৯৬৫
খণ্ড ৫৩, সংখ্যা ১১-১২, পৃঃ ২৩, ২৫ পৃঃ ২০৯

১৬ ভি. আই লেনিন, কমিউনিষ্ট আন্তৰ্জাতিকৰ ১ম কংগ্ৰেছ,
ৰচনা সংকলন, খণ্ড নং ২৮, পৃঃ ৪৫৮ পৃঃ ২১১

১৭ ভি. আই. লেনিন, সাম্ৰাজ্যবাদ পুঁজিবাদৰ সৰ্ব্বোচ্চ স্তৰ,
ৰচনা সংকলন, খণ্ড নং ২২, পৃঃ ২৮৬ পৃঃ ২২৩

১৮ ভি আই. লেনিন, শ্ৰমজীৱী আৰু নিপীড়িত জনগণৰ অধিকাৰ
সংক্ৰান্ত ঘোষণা, ৰচনা সংকলন, খণ্ড নং ২৬, পৃঃ ৪২৪ পৃঃ ২২৮

১৯ ফৰেইন ট্ৰেড নং ৭, মস্কো ১৯৭১, পৃঃ ২১০ পৃঃ ২৬০

২০ ঐ পৃঃ ২৬০

কাৰ্ল মাৰ্ক্স, কেপিটেল, খণ্ড ৩,
মস্কো ১৯৭১ পৃঃ ২৩৮ পৃঃ ২৬৮

২২ প্ৰাভ্দা, অক্টোবৰ ৪, ১৯৬৮ চন পৃঃ ২৭০

২৩ ফৰেইন ট্ৰেড অব দি ইউ এচ. এচ. আৰ. ফৰ ১৯৬১,
পৰিসংখ্যানমূলক সমীক্ষা, মস্কো ১৯৬২ (ৰুছ ভাষাত),
ফৰেইন ট্ৰেড নং ৬, মস্কো ১৯৭০ পৃঃ ২৭৫

৪৪ ঐ পৃঃ ২৭৫

২৫ ফৰেইন ট্ৰেড নং ৬, মস্কো, ১৯৭০ পৃঃ ২৭৫

২৬ ওৱার্ল্ড মার্কিণ্ট বিভিউ নং ৫,
খণ্ড নং ৯, ১৯৬৬, পৃঃ ৪০, প্ৰাগ-চাওক পৃঃ ২৭৬

২৭ ১৯৬৯ চনৰ "ফৰেইন ট্ৰেড অব ইউ এচ. এচ আৰ।
এ ষ্টেটিষ্টিকেল চার্ডে, মস্কো ১৯৭০ (ৰুছ ভাষাত)
ফৰেইন ট্ৰেড নং ৬, মস্কো, ১৯৭০ পৃঃ ২৭৮

২৮ ১৯৬১ চনৰ "ফৰেইন ট্ৰেড অব ইউ এচ. এচ. আৰ। এ
ষ্টেটিষ্টিকেল চার্ডে (ৰুছ ভাষাত), ১৯৭০ চনৰ ফৰেইন ট্ৰেড
অব ইউ এচ. এচ আৰ, এ ষ্টেটিষ্টিকেল চার্ডে (ৰুছ ভাষাত) পৃঃ ২৮২

২৯ ১৯৭০ চনৰ ফৰেইন ট্ৰেড অব ইউ এচ. এচ. আৰ, পৃঃ ২৬২
(ৰুছ ভাষাত) পৃঃ ২৮৪

৩০ ১৯৭০ চনৰ ফৰেইন ট্ৰেড অব ইউ. এচ. এচ. আৰ'ৰ তথ্যৰ ভিত্তিত। পৃঃ ২৮৫

৩১ ইকনমিক এণ্ড চাইণ্টিফিক এণ্ড টেকন'লজিকেল ফোৰকাষ্টিং
ইন দি চি. এম. ই. এ. মেম্বৰ কাণ্ট্ৰিজ, চি. এম. ই. এ'ৰ
সচিবালয়, ১৯৭০, পৃঃ ৩৫ পৃঃ ২৮৫

৩২ এ. এন. কছিগিন, ১৯৭১-১৯৭৫ চনৰ ছোভিয়েত যুক্তৰাষ্ট্ৰৰ
অৰ্থনৈতিক পৰিবৰ্ত্তনৰ বাবে ৰাষ্ট্ৰীয় পঞ্চবাৰ্ষিকী যোজনা আৰু
১৯৭২ চনৰ বাবে ছোভিয়েত যুক্তৰাষ্ট্ৰৰ অৰ্থনৈতিক বিকাশৰ
ৰাষ্ট্ৰীয় পৰিকল্পনা" ২৫ নবেম্বৰ, ১৯৭০, পৃঃ ৩৫ পৃঃ ২৮৬

৩৩ আভিও লুই হৰোউইজ'ৰ, থ্ৰি ওৱাৰ্ল্ডচ অব ডেভলপমেণ্ট। থিওৰী
এণ্ড প্ৰেকটিচ অব ইণ্টাৰনেছনেল ষ্টেট্ৰিফিকেচন,
নিউ ইয়ৰ্ক ১৯৬৬, পৃঃ ১২১ পৃঃ ২৮৭

৩৪ কমপ্ৰিহেনচিভ প্ৰগ্ৰেম ফৰ দি ফাৰ্দাৰ এক্সটেনচন এণ্ড ইমপ্ৰুভমেণ্ট
অব কো-অপাৰেছন এণ্ড দি ডেভলেপমেণ্ট অব ছচিয়েলিষ্ট
ইকনমিক ইণ্টিগ্ৰেচন বাই দি চি. এম. ই. এ মেম্বৰ কাণ্ট্ৰিজ,
মস্কো, ১৯৭১ পৃঃ ১৫ পৃঃ ২৮৭

৩৫ আলেক্স ইনকেলেচ, ছচিয়েল চেঞ্জ ইন ছোভিয়েত ৰুছিয়া,
হাৰ্ভাৰ্ড বিশ্ববিদ্যালয় প্ৰেছ, কেম্ব্ৰিজ,
মেচাচুচেটচ, ১৯৬৮, পৃঃ ২৪৪, ৬০ পৃঃ ৩০০

৩৬ ৰবিচ মেইচনাৰ আৰু গটহাৰ্ড বোসে (Hrsg), Grundfragen
Sowjetischer Aupenpolitik, ষ্টাটগাৰ্ট,
কোলহামাৰ ১৯৭১, খণ্ড ৭ পৃঃ ৩০১

৩৭ দাৰিদ্ৰৰ বিৰুদ্ধে মানৱ : তৃতীয় বিশ্ব যুদ্ধ, আৰ্থাৰ
ব্ৰাউনস্টেইন আৰু বোজাৰ উক্, নিউইয়৻ৰ্ক ১৯৬৮, পৃঃ ২৩ পৃঃ ৩০২
৩৮ ভি. আই. লেনিন, জাতীয় ঔপনিবেশিক প্ৰশ্নাৱলী সম্পৰ্কে,
খচৰা প্ৰবন্ধাৱলী, ৰচনা সংকলন, খণ্ড ৩১, পৃঃ ১৫০ পৃঃ ৩০২
৩৯ জেন-মিন জিহ পাও, মাৰ্চ ৩৫, ১৯৬৯ পৃঃ ৩১২
৪০ কমিউনিষ্ট আৰু শ্ৰমিক পাৰ্টিসমূহৰ আন্তৰ্জাতিক সভা,
মস্কো ১৯৬৯, পৃঃ ১১৬ পৃঃ ৩১৪
৪১ ভি. আই. লেনিন, নাৰোদনিজমৰ অৰ্থনৈতিক সাৰমৰ্ম
আৰু মিঃ ষ্ট্ৰুভে'ৰ কিতাপত ইয়াৰ সমালোচনা,
ৰচনা সংগ্ৰহ, খণ্ড ১ (পৃঃ ৩৯৫) পৃঃ ৩১৬
৪২ ঐ (পৃঃ ৩৬২) পৃঃ ৩১৭
৪৩ ঐ (পৃঃ ৩৯৬) পৃঃ ৩১৭
৪৪ ঐ (পৃঃ ৪০২) পৃঃ ৩১৭
৪৫ ভি. আই. লেনিন, নাৰোদনিজমৰ অৰ্থনৈতিক সাৰমৰ্ম
আৰু মিঃ ষ্ট্ৰুভে'ৰ কিতাপত ইয়াৰ সমালোচনা, ৰচনা সংকলন
খণ্ড ১, পৃঃ ৩৯৬ পৃঃ ৩১৮
৪৬ ঐ পৃঃ ৩১৮
৪৭ ভি. আই. লেনিন, বুৰ্জোৱা সংস্কাৰৰ বামমুখী দোলন আৰু
সৰ্বহাৰাৰ কৰ্তব্য, ৰচনা সংকলন, খণ্ড ১৫, পৃঃ ৪০০-৪০১ পৃঃ ৩১৯
৪৮ ভি. আই. লেনিন, চীনত গণতন্ত্ৰ আৰু নাৰোদবাদ,
ৰচনা সংকলন, খণ্ড ১৮, পৃঃ ৩১৯
৪৯ আল্ কাতিব, ডিচেম্বৰ ১৯৭০, পৃঃ ৪৪ পৃঃ ৩২৫
৫০ ঐ পৃঃ ৫৪ পৃঃ ৩২৫
৫১ আল আহৰম, ডিচেম্বৰ ১৬, ১৯৬৪ পৃঃ ৩২৫
৫২ আল কাতিব, নবেম্বৰ, ১৯৬৬, পৃঃ ১৬৫ পৃঃ ৩২৬
৫৩ ঐ পৃঃ ৩২৬
৫৪ পিয়েৰ জালে, দি পিলেজ অব দি থাৰ্ড ওৱাৰ্ল্ড,
নিউ ইয়৻ৰ্ক, লণ্ডন ১৯৬৭, পৃঃ ৭৬,৭৭
পৃঃ ২৫৭, ৬নং স্তবকত
৫৫ আল কাতিব, নবেম্বৰ ১৯৭০, পৃঃ ১৬৮ পৃঃ ৩২৭

প্ৰগ্ৰেছিভ্ বুক হাউছ

পানবজাৰ ॥ গুৱাহাটী

বেইন গোল্ডভিদ, ভিক্টৰ ছাগ্ৰিকভ'ৰ সাম্যবাদ কি ? জড়ি কিম'ৰ সমাজ-তান্ত্ৰিক বিশ্ব আৰু জাতীয় মুক্তি আন্দোলন ॥

আলেক্সেই ভিছচিনকো'ৰ উন্নয়নশীল দেশসমূহৰ লগত চীনৰ ছলচাতুৰী আৰু ব্যৱসায় ॥

"লেনিনৰ" ভূমি সমস্যা আৰু মুক্তিৰ সংগ্ৰাম ॥ শ্ৰমিকশ্ৰেণীৰ আৰু কৃষকসমাজৰ একতা ॥ সৰ্বহাৰা পাৰ্টিৰ সাংগঠনিক নীতিসমূহ ॥ মাৰ্ক্স-এঙ্গেলছ-মাৰ্ক্সবাদ ॥ ট্ৰেড ইউনিয়ন ॥

মাৰ্ক্স-এঙ্গেলছ-লেনিন'ৰ বুৰ্জোৱা জাতীয়তাবাদ আৰু সৰ্বহাৰাৰ আন্ত-জাতিকতাবাদ ॥ মাৰ্ক্সৰ ফ্ৰান্সৰ গৃহযুদ্ধ ॥

ৰাজনৈতিক জ্ঞানৰ গুৰিৰ কথা ॥

শেহতীয়া প্ৰকাশন